

# আহমদীয়ত

# অৰ্থাৎ প্ৰকৃত ইছলাম

লিখক

হজৰত মিৰ্জা বশিৰ উদ্দিন মাহমুদ আহমদ

দ্বিতীয় খলিফা (ৰাঃ)

# আহমদীয়ত অৰ্থাৎ  প্ৰকৃত ইছলাম

লিখক
হজৰত মিৰ্জা বশিৰ উদ্দিন মাহমুদ আহমদ
খলিফাতুল মছীহ ছানি (দ্বিতীয়) ৰাঃ

নাম কিতাপ ঃ আহমদীয়ত অৰ্থাৎ প্ৰকৃত ইছলাম
অনুবাদক ঃ ৰুবুল আলি মাইবেলা প্ৰোফেছৰ ভাতমৰা কলেজ যোৰহাট (অসম)
মূল কিতাপ ঃ আহমদীয়ত ইয়ানি হাকিকি ইছলাম
লিখক ঃ হজৰত মির্জা বশিৰ উদ্দিন মাহমুদ আহমদ খলিফাতুল মছীহ ছানি (দ্বিতীয়) ৰাঃ
প্ৰকাশক ঃ নজাৰত নশ্বৰ ও ইশ্বায়ত কাদিয়ান
প্ৰথম প্ৰকাশ ঃ চন ২০২৪, কপি ৫০০
মূদ্ৰণে ঃ ফজলে উমৰ প্ৰিণ্টিং প্ৰেছ কাদিয়ান জিলা গুৰদাছপুৰ,১৪৩৫১৬ (পঞ্জাব)

Name Book : Ahmadiyyat Arthat Pakrito Islam
Translated by : Rubul Ali Maibela,bhatemara College Jorhat (Assam)
Original Book : Ahmadiyyat Yani Haqiqi Islam
Author : Hazrat Mirza Bashir-ud-Din Mahmud Ahmad Khalifatul Mashih IInd
Published by : Nazarat Nashr-o-Ishaat Qadian
First Published : 2024, Copies 500
Printed at : Fazle Umar Printing Press Qadian Dist.Gurdaspur,Pin 143516 (Punjab)

# প্ৰকাশকৰ কথা

আহমদীয়ত ইয়ানি হাকিকি ইছলাম কিতাপখন ইংৰাজীৰ পৰা অসমীয়ালৈ অনুবাদ কৰিছে মাননীয় ৰুবুল আলী মাইবেলা চাহাব প্ৰোফেছাৰ ভাতমৰা কলেজ যোৰহাট (অসম)। কিতাপখনৰ ৰিভিউ কৰিছে মাননীয় আমান আলি চাহাব মুৰব্বী ছিলছিলা, মাননীয় মজিবৰ ৰহমান চাহাব মুৰব্বী ছিলছিলা, মাননীয় নাজিম উদ্দিন মোল্লা চাহাব মুৰব্বী ছিলছিলা, মাননীয় শ্বাহজাহান আলি চাহাব মুৱাল্লিম ছিলছিলা, আল্লাহ তা'লা তেখেত সকলক উত্তম পুৰস্কাৰেৰে পুৰস্কৃত কৰক। আমীন-

**নাজিৰ নশ্বৰ ও ইশ্বায়ত কাদিয়ান**

# আহমদীয়ত অৰ্থাৎ প্ৰকৃত ইছলাম

(লিখিত ২৪ মেৰ পৰা ৬ জুন ১৯২৪ চন)

اَعُوْذُبِاللّٰہِ مِنَ الشَّیْطٰنِ الرَّجِیْمِ

بِسْمِ اللّٰہِ الرَّحْمٰنِ الرَّحِیْمِ نَحْمَدُہٗ وَنُصَلِّیْ عَلٰی رَسُوْلِہِ الْکَرِیْمِ

খোদাৰ ফজল আৰু কৃপাৰ সৈতে

ھُوَالنَّاصِرُ

اَلْحَمْدُ لِلّٰہِ رَبِّ الْعٰلَمِیْنَ- اَلرَّحْمٰنِ الرَّحِیْمِ-
مٰلِکِ یَوْمِ الدِّیْنِ- اِیَّاہُ نَعْبُدُ وَ اِیَّاہُ نَسْتَعِیْنُ- وَ اِیَّاہُ
نَدْعُوْ اَنْ یَّھْدِیَنَا اِلَی الصِّرَاطِ الْمُسْتَقِیْمِ- صِرَاطَ
الَّذِیْنَ اَنْعَمَ عَلَیْھِمْ- غَیْرِ الْمَغْضُوْبِ عَلَیْھِمْ
وَلَاالضَّآلِّیْنَ- اَللّٰھُمَّ یَا رَبِّ اَلْھِمْنَا مَا یَکُوْنُ فِیْہِ
رِضَاکَ وَارْزُقْنَا تَقْوَاکَ وَصَفِّ خَوَاطِرَنَا وَنَقِّ
اَفْکَارَنَا وَ جَرِّءَ نَا عَلٰی مُقَابَلَۃِ الشَّرِّ وَ دَوَاعِیْہِ
وَشَجِّعْنَا عَلٰی مُخَالَفَۃِ الْخَنَّاسِ وَ مَسَاعِیْہِ-

পৰমেশ্বৰৰ সন্তুষ্টিৰ ফলত সৰ্বপ্ৰথম জগত নিয়ন্ত্ৰক খোদাৰ প্ৰতি ধন্যবাদ জ্ঞাপন কৰিছোঁ যি মোক সেই শক্তিৰ সৈতে জন্ম দিলে যি আমাক উন্নতিৰ শীৰ্ষলৈ উপনীত কৰিব পাৰে। পুনৰ আমাক জ্ঞান-বিজ্ঞানৰ ডেউকা

প্ৰদান কৰিলে, যাৰ সহায়ত আমি আধ্যাত্মিকতাৰ আকাশলৈকে উৰা মাৰি যাব পাৰিছো, যি আমাৰ দুৰ্বলতা আৰু ভুলবোৰ দেখাৰ পিছতো আধ্যাত্মিক উপচাৰ গূঢ়াৰ্থ ৰহস্য আমাৰ বাবে মুকলি কৰি দিছে আৰু নিজৰ ফালৰ পৰা আত্মিক জ্ঞানৰ চিকিৎসক আমাৰ উপচাৰৰ বাবে প্ৰেৰণ কৰিছে। তথা আমাৰ শক্তি আৰু বল বৃদ্ধিৰ বাবে নানা যন্ত্ৰ প্ৰদান কৰা পৰমেশ্বৰক ধন্যবাদ জ্ঞাপন কৰিছোঁ যে যিজনে আমাৰ হৃদয়ত নিজৰ বীজ অংকুৰিত কৰিলে তথা মিলনৰ প্ৰতি উৎসুকতা প্ৰদান কৰিলে, পুনঃ সেই প্ৰেমাকৰ্ষণৰ দ্বাৰা আমাৰ ফালে আকৰ্ষিত কৰিলে তথা নিজৰ মিলনৰ দ্বাৰা আমাক আনন্দত মগ্ন কৰিলে। যিজনে আমাক প্ৰেমামৃত পান কৰি আমাৰ তৃষ্ণা শান্ত কৰিলে। অজ্ঞান অন্ধকাৰ এই যুগত যেতিয়া আধ্যাত্মিকতাৰ সন্ধানকাৰী অভিলাসী অন্ধই আৰু নেত্ৰহীনৰ বিভ্ৰান্তি ভাহি ফুৰিছে আপুনি জ্ঞানৰ দিবাকৰৰ ৰশ্মিত আৰু আপোনাৰ প্ৰিয় অৱতাৰ হজৰত মিৰ্জা গোলাম আহমদ (আঃ)ক পৃথিৱীৰ পূব দিশৰ অৰ্থাৎ ভাৰতবৰ্ষত উদিত কৰিলে আৰু সেই জ্যোতিময় ৰশ্মিয়ে সকলো প্ৰকাৰৰ সন্দেহবাদীতা আৰু অন্ধকাৰক নেওচি, পুনঃ নিজৰ কৃপা দৃষ্টিৰে নিজৰ বদান্যতাৰে শীতলতম সুগন্ধিত বতাহ প্ৰৱাহিত কৰিলে, তথা প্ৰতিখন শুকান ভূমিক তৃপ্ত কৰা আৰু আত্মিয়তা আৰু পৱিত্ৰতা, পৰমাত্মাৰ মহানতাৰ দিশে ধাৱিত কৰিলে, সদায় ভয়ৰ পৰা আঁতৰি থকা ভাৱনা ৰূপি উৰ্বৰা শক্তিক সেই আধ্যাত্মিক ভূমিত উৎপন্ন কৰিলে কিয়নো সংসাৰ যেতিয়া এখন শুকান হাবিৰ দৰে আছিল তেওঁ এক শস্য সেউজী ভৰপূৰ খেতিৰ দৰে কৰি তুলিলে তথা জনসমাজ যি প্ৰথমতে মৃতপ্ৰায় আছিল আৰু মৰি যোৱাৰ অৱস্থাত উপনীত হৈছিল এতিয়া জীৱনে সুখৰ উশাহ লৈছে। আমি তেওঁৰ পৰম প্ৰিয় নবী হজৰত মহম্মদ(ছাঃ)ৰ প্ৰতিও প্ৰাৰ্থনা কৰো যাৰ দ্বাৰা তেওঁ এনে এক উৎসা প্ৰদান কৰিলে যি কেতিয়াও শুকান নাথাকিব তথা জ্ঞানৰ সেই দুৱাৰ মুকলি কৰিলে যি কেতিয়াও বন্ধ নহয়। আমি পৰমেশ্বৰৰ ওচৰত প্ৰাৰ্থনা কৰিছোঁ তেওঁ নিজৰ প্ৰতিজ্ঞা অনুসৰি পৃথিৱীক উচ্চ পথ তথা সৎপথত অগ্ৰসৰ কৰক, সত্যক স্বীকাৰ কৰিবলৈ সামৰ্থ প্ৰদান কৰক যাতে সমগ্ৰ সংসাৰত প্ৰেম আৰু শান্তিৰ জোৱাৰ উঠে, নিয়ম-নীতি, শৃংখলাৰ প্ৰতি জনৰে মন উন্নত হৈ পৰে

আৰু লোকসকলে প্ৰকৃত আনন্দ লাভ কৰে যি পৰমেশ্বৰৰ ইচ্ছা আৰু তেওঁক লগ নোপোৱালৈকে কদাপি পূৰণ নহয়।

## ধৰ্মীয় সন্মিলনৰ পৱিত্ৰ কোৰাণত উল্লেখ

সেয়েহে মই অতি প্ৰসন্নতাৰে উল্লেখ কৰো পৰমেশ্বৰে নিজৰ সেই বাণীৰ সমৰ্থনত আৰু তাক পূৰ্ণ হোৱাৰ বাবে তেৰশ (১৩০০) বছৰ আগতে পৱিত্ৰ কোৰাণত ঘোষণা কৰিছিল। এই ধৰ্মীয় সন্মিলনতৰ জন্মদাতা আৰু আহ্বায়সকলক ইয়াক অনুধাৱন কৰাৰ সামৰ্থ প্ৰদান কৰক। সেই বাণী আছিল—

وَالصّٰٓفّٰتِ صَفًّا ۝٢ فَالزّٰجِرٰتِ زَجۡرًا ۝٣ فَالتّٰلِيٰتِ ذِكۡرًا ۝٤
اِنَّ اِلٰهَكُمۡ لَوَاحِدٌ ۝٥ رَبُّ السَّمٰوٰتِ وَالۡاَرۡضِ وَمَا بَيۡنَهُمَا
وَرَبُّ الۡمَشَارِقِ ۝٦ اِنَّا زَيَّنَّا السَّمَآءَ الدُّنۡيَا بِزِيۡنَةِ
الۡكَوَاكِبِ ۝٧ وَحِفۡظًا مِّنۡ كُلِّ شَيۡطٰنٍ مَّارِدٍ ۝٨ (37:1-8)

অৰ্থাৎ এই কথাক সাক্ষীৰ ৰূপত যে খোদাৰ ধৰ্মই অৱশেষত বিজয় লাভ কৰিব। সেই মজলিছক উপস্থাপন কৰো য'ত লোকসকলে শাৰী পাতি বহিব আৰু সেই জামাতক উপস্থাপন কৰো যিয়ে অপেক্ষা কৰি থাকিব আৰু কোনোবাক নিজৰ সীমাৰ বাহিৰলৈ যাব নিদিব আৰু সেইসকল লোকক উপস্থিত কৰাম যি সময়ত ধৰ্মৰ বিশেষত্বৰ আধাৰিত ৰচনা পাঠ কৰিব। এই সকলো প্ৰচেষ্টা পৰিণাম এয়া হ'ল যে খোদা এক। পৃথিৱী আৰু আকাশ তাৰ মাজত যিবিলাক আছে সেই সকলোবিলাকৰ স্ৰষ্টা আৰু পালনকৰ্তা খোদা। তেওঁ যেনেকৈ পূবৰ স্ৰষ্টা তেনেকৈ পশ্চিমৰো তথা সেই খোদায়ে এই আধ্যাত্মিক উচ্চতাৰ যি একেবাৰে ওচৰত, তৰাই জিলমিল কৰে আৰু সেই কাৰ্যকো নিশ্চিত কৰিলে তেওঁ সেই প্ৰতিজন ব্যক্তিক আক্ৰমণৰ পৰা সত্যক সুৰক্ষা দিব যি লোকসকল সত্যৰ পৰা আঁতৰ কৰে আৰু পৰমাত্মাৰ আজ্ঞা পালনৰ সীমাৰ পৰা আঁতৰলৈ নিয়ে।

ইয়াৰ পিছত মই সেই বিষয়লৈ আহো যাৰ বিষয়ে প্ৰকাশ কৰিবলৈ মোৰ ইচ্ছা জাগ্ৰত হৈছে অৰ্থাৎ 'আহমদীয়ত' কিন্তু ইয়াৰ আগতে সেই ধাৰ্মিক পক্ষক প্ৰতিফলিত কৰো-মই আহমদীয়তৰ সংক্ষিপ্ত পৰিচয় আৰু ইয়াৰ বৰ্তমান বিস্তাৰ আৰু শান্তিৰ কিছু সুৰ উপস্থাপন কৰাৰ আৱশ্যকতা অনুভৱ কৰিছোঁ।

আহমদীয়া জামাতৰ ভেটি হজৰত মিৰ্জা গোলাম আহমদ চাহেবে ২৩ মাৰ্চ ১৮৮৯ চনত, মই তেতিয়া প্ৰায় ৫৪ বছৰত পদাৰ্পণ কৰিছিলোঁ আৰু কাদিয়ানত যি আপোনাৰ জন্মভূমি এন ডব্লিউ ৰেলৱে ষ্টেচন বাটালাৰ পৰা এঘাৰ মাইল উত্তৰ-পূব দিশত অৱস্থিত এখন সৰু গাঁও আছিল য'ত ইয়াৰ কেন্দ্ৰ স্থাপিত কৰিছিল। যদিও ভাৰতৰ সকলো ধৰ্ম অনুৰাগীয়ে আপোনাৰ বিৰোধীতা কৰিছিল আৰু মানৱীয় দয়া আৰু সহানুভূতিৰ পৰা আঁতৰত এক বিৰোধাত্মক দুব্যৱহাৰ যি আপোনাক কৰা হ'ল, তাৰ পিছতো আপুনি সমগ্ৰ ভাৰতৰ বিভিন্ন প্ৰান্তত আপোনাৰ সম্প্ৰদায়ক বিয়পাই দিলে, অৰ্থাৎ আপোনাৰ স্বৰ্গযাত্ৰাৰ সময়ত ১৯০৮ চনত আহমদীয়া সম্প্ৰদায়ৰ সংখ্যা মাত্ৰ কিছু লাখ মান আছিল আজিৰ ভাৰতৰ সীমা অতিক্ৰম কৰি আৰৱ আৰু আফগানিস্তানলৈকে এই সংখ্যা বিস্তাৰিত হৈ পৰিল। আপোনাৰ পৰলোক গমনৰ পিছতেই সম্প্ৰদায়ৰ কৰ্ণধাৰ ইমাম আমাৰ আচাৰ্য পৰমাত্মাৰ প্ৰসন্নতাৰ সুপাত্ৰ হজৰত মৌলৱী নুৰুদ্দিন চাহেব নিৰ্বাচিত হয় আৰু তেওঁৰ মৃত্যু ১৯১৪ চনত হোৱাত এই অভাজন জামাতে আহমদীয়াৰ কৰ্ণধাৰ নিৰ্বাচিত হয়। ইছলামৰ প্ৰাৰম্ভিক যুগক পৰম্পৰা আহমদীয়া মুছলিম সম্প্ৰদায়ৰো এজন কৰ্ণধাৰ তথা ইমাম নিযুক্ত কৰা হয়, যাক জামাতে নিজেই নিৰ্বাচন কৰে আৰু সেয়া আৱশ্যক নহয় যে তেওঁ যুগাৱতাৰ হজৰত মছীহ মাওউদ মিৰ্জা গোলাম আহমদ চাহেবৰ সন্তান অথবা কুটুম্বৰ পৰা হ'ব লাগে। যেনেকৈ জমাতৰ প্ৰথম কৰ্ণধাৰ হজৰত মৌলানা নুৰুদ্দিন চাহেব হজৰত মছীহ মাওউদ (আঃ)ৰ কোনো তেজৰ বা কুটুমৰ সম্পৰ্ক নাছিল আৰু এয়াও আৱশ্যক নহয় যে তেওঁ আপোনাৰ বংশৰ হ'ব নালাগিব, যিদৰে এই প্ৰাৰ্থী হজৰত মছীহ মাওউদ (আঃ)ৰ সুপুত্ৰ হোৱাৰ সুভাগ্য প্ৰাপ্ত হৈছিল) এই সময়তখিনিত জামাত সমগ্ৰ বিশ্বতে প্ৰচাৰ হৈ পৰিছে আৰু ইয়াৰ সংখ্যা পাঁচ লাখৰো অধিক হৈ পৰিছে

যাৰ অধিকাংশ ভাৰত আৰু ইয়াৰ ওচৰৰ প্ৰদেশবোৰত হৈছে। ই সমাজৰ বাবে বিৰোধ হোৱাৰ বাবে বহুলোকে গোপনে আহমদী ৰূপে যি মুকলি ভাবে এই সমাজত সন্মিলিত হ'ব নোৱাৰে আৰু এনে লোক হিন্দু, শিখ আৰু আন আন মুছলমান সম্প্ৰদায়ৰ মাজত অধিকাংশ দেখা যায়।

এই সমাজত প্ৰত্যেক জাতি আৰু প্ৰত্যেক শ্ৰেণীৰ লোক অন্তৰ্ভুক্ত। স্ববৰ্ণৰ জাতিৰ পৰা বা পিছপৰা শ্ৰেণীৰ পৰাও অন্তৰ্ভুক্ত হৈছে। গতিকে বিগত দুটা বৰ্ষত এই জাতিবিলাকৰ মাজত যিসকল লোকক নিম্নবৰ্গৰ বুলি জ্ঞান কৰা হৈছিল পঞ্জাব, উত্তৰ প্ৰদেশৰ প্ৰায় তিনি সহস্ৰাধিক এনে লোকে সমাজত সন্মিলিত হৈছে আৰু প্ৰতি মাহে সমাজে উন্নতি কৰি আহিব ধৰিছে। এনেদৰে হায়দৰাবাদৰ সৰু জাতিৰ মাজৰ পৰাও যোৱা বছৰত কেইবাশ লোক এই সমাজত দীক্ষিত হয়।

ৰাষ্ট্ৰীয় দৃষ্টিকোণৰ পৰা জামাতে আহমদীয়া ভাৰতৰ প্ৰতিটো প্ৰান্তত আছে। কোনো প্ৰান্ত এনেধৰণৰ নাই য'ত জামাতৰ ব্যক্তি পোৱা নাযায়। আফগানিস্তানৰ দুয়োটা ভাগত অৰ্থাৎ পশতু কোৱাসকল আৰু ফাৰ্চি কোৱাসকলৰ মাজত দুয়োটা প্ৰান্ততে জামাতৰ স্থিতি আছে। ভাৰতৰ দক্ষিণ দিশৰ ছিলন, ব্ৰহ্মা, মালায়া,ষ্ট্ৰেট ছেটেলমেণ্ট আদিত জামাতৰ অৱস্থিতি আছে। শ্ৰীলংকাৰ পৰা জামাতৰ দুখন সংবাদপত্ৰ প্ৰকাশিত হয়। এখন মালায়া আৰু আনখন ইংৰাজী। চীনত প্ৰচাৰ সংগঠিত ৰূপত নিয়ম অনুসৰি হোৱা নাই যিদৰে তুৰ্কী সংসদৰ সদস্যৰ এখন কিতাপত যি নিজৰ যাত্ৰাৰ বিষয়ে উল্লেখ কৰিছে তাৰ বিদিত হৈছে যে তাতো জামাত আছে। যদিও দেশখনৰ ভিতৰৰ জামাতৰ সদস্যসকলৰ লগত এতিয়াওঁ যোগাযোগ স্থাপিত হোৱা নাই। ফিলিপ্পাইন দ্বীপপুঞ্জ আৰু ছামাতাৰ কিছুলোকো সমাজত সন্মিলিত হৈছে। উত্তৰ-পশ্চিম এছিয়াৰ প্ৰান্তত ইৰাণ, বোখাৰা, মোচন,আৰব, নাইনিতেল, মৰাকছ,অলজিজিৰা, অলজায়ৰ, চিৰালিউন, গোল্ডকোৰ্চ আৰু নাইজেৰিয়াত জামাতৰ স্থাপন কৰা হৈছে। মাৰিছাছ,গোল্ড কোষ্ট আৰু নাইজেৰিয়াত তথা মিছৰত সু-সংগঠিত ৰূপত প্ৰচাৰক সংস্থাও গঠিত হৈছে, মৰিছাছ সংস্থাৰ সহযোগত এখন ফ্ৰান্স ভাষাত সংবাদপত্ৰও প্ৰকাশ হৈছে। ইউৰোপ প্ৰান্তত

এতিয়া মাথোঁ ইংলেণ্ড আৰু ফ্ৰান্সত জামাত আছে। ইংলিস্তানত জামাতৰ মিচন প্ৰতিষ্ঠা হোৱা দহ বছৰ হ'ল। আমেৰিকাত মাত্ৰ তিনি বছৰ হৈছে মিচন স্থাপন কৰাৰ আৰু সংযুক্ত ৰাষ্ট্ৰৰ প্ৰায় এক সহস্ৰাধিক লোক জামাতত জড়িত হৈ পৰিছে। এই স্থান সমূহৰ পৰা এখন তিনিমহীয়া পত্ৰিকা মিছনৰ তৰফৰ পৰা প্ৰকাশিত হয়। সংযুক্ত ৰাষ্ট্ৰৰ অতিৰিক্ত টেননীদাদ তথা দক্ষিণ আফ্ৰিকাৰ বাজ্ৰিলৰ ৰাজতন্ত্ৰ আৰু কোষ্টোৰিকাটো সংস্থা স্থাপিত হৈছে। দ্বীপসমূহৰ ভিতৰত অষ্টেলিয়াই এই শুভ যাত্ৰাত সংগী হৈছে আৰু আমি পৰমেশ্বৰৰ পৱিত্ৰ বাণীৰ আধাৰত বিশ্বাস কৰো যে এতিয়া আৰু অধিক দিন অতিবাহিত হোৱা নাই যে সম্গ্ৰ সংসাৰ এই মহান অৱদানৰ অংশীদাৰ নহ'ব আৰু সংগঠন সম্গ্ৰ বিশ্বত বিয়পি পৰিব।

## আহমদীয়া সম্প্ৰদায়ৰ পাৰ্থক্যমূলক সমস্যা (মছলা)

প্ৰতিজন ব্যক্তিৰ হৃদয়ত এই প্ৰশ্ন স্বাভাৱিক ভাবে উত্থাপিত হ'ব যে সংসাৰত ইমান ধৰ্ম আৰু সম্প্ৰদায় বিদ্যমান থকাৰ পিছতো আহমদীয়া সম্প্ৰদায়ৰ কিয় আৱশ্যকতা হ'ল? সেয়ে ধৰ্মীয় ক্ষেত্ৰত এই সন্দৰ্ভত সৰ্বপ্ৰথমতে স্পষ্টীকৰণ আগবঢ়াইছোঁ।

প্ৰতিজন ব্যক্তিয়ে যিকোনো এটা ধৰ্মৰ লগত সম্পৰ্ক স্থাপন কৰি আহিছে আৰু যাৰ আধাৰশিলা হৈছে ঈশ্বৰীয় বাণী। এই তথ্যৰ ওপৰতো বিশ্বাস কৰে পৰমেশ্বৰৰ তৰফৰ পৰা সময় অনুসৰি নৱী আৰু পয়গম্বৰ প্ৰেৰণ কৰা হয়। সংসাৰত এনে কোনো জাতি নাই যাৰ মাজত ভগৱানৰ পথত অহা লোক নাই। সংসাৰৰ উন্নতি এই লোকসকলৰ ওপৰতেই অৱলম্বিত আৰু এই লোকসকলৰ ধাৰণাৰ পৰা আঁতৰত সংসাৰত আন্ধাৰতকৈ আন্ধাৰ দৃষ্টিগোচৰ হ'ব। পৱিত্ৰ কোৰাণত পৰমেশ্বৰে কৈছে—

وَاِنۡ مِّنۡ اُمَّةٍ اِلَّا خَلَا فِيۡهَا نَذِيۡرٌ ۝٢٥ (35:25)

অৰ্থাৎ, কোনো জাতি এনেকুৱা নাই, য'ত কোনো পয়গম্বৰ অহা নাই। অতীতৰ ইতিহাস আৰু প্ৰত্নতাত্বিক অনুসন্ধানে আমাৰ এই বিশ্বাসক অধিক দৃঢ় কৰি তুলিছে, অনুসন্ধানে মানৱ জাতিৰ মাজত একতা অনাৰ ক্ষেত্ৰত বহু

ডাঙৰ আহিলা হৈ পৰিছে, যাৰ মহত্ব পৱিত্ৰ কোৰাণে প্ৰদান কৰিছে যি এই তথ্যবোৰ আগতেই দাঙি ধৰে। যেতিয়া আমি সেই অৱতাৰসকলৰ জন্ম আৰু তেওঁলোকৰ আৱিৰ্ভাবৰ উদ্দেশ্যৰ ওপৰত দৃষ্টি নিক্ষেপ কৰো তেতিয়া আমি অৱগত হ'ব পাৰো যে তেওঁলোকৰ আৱিৰ্ভাবৰ কাৰণ এয়া যে যেতিয়া মানুহৰ আধত্মিকতাত দুৰ্বলতা আহি যায় আৰু খোদাৰ পৰা সম্পৰ্ক ছিন্ন হৈ যায়। এইসকলে সকলো সময়তে মেঘক পছন্দ কৰে যি দীৰ্ঘসময় বৰষুণৰ পিছত বন্ধ হৈ পৰা প্ৰকৃতি সেউজ কৰিতোলে। এইসকল লোক পৰমেশ্বৰৰ সেই উত্তৰ হৈ পৰে যি ইচ্ছুক, অনুসন্ধিৎসু সংসাৰৰ পৰিকল্পনানুসৰি আকাশৰ পৰা প্ৰেৰণ কৰা হয়। সংসাৰ সেইসকলৰ মাধ্যমে আকৌ সত্যৰ ওপৰত প্ৰতিষ্ঠিত হয় আৰু জীবনৰ উদ্দেশ্যৰ এনাজৰীডাল সুদৃঢ় কৰি তোলে।

এই নবুয়তৰ ক্ৰম আদিকালৰে পৰা যিদৰে চলি আহিছে, আমাৰ মাজত ভৱিষ্যতলৈ চলি থাকিব আৰু কোনো সময়তে বন্ধ হৈ নপৰে কিয়নো মানবীয় বুদ্ধিয়ে এই ক্ৰম বন্ধ হোৱা বিষয়টো খণ্ডন কৰি আহিছে। যদি সংসাৰত অজ্ঞান - অন্ধকাৰ আৰু পৰমেশ্বৰৰ পৰা নিলগ হোৱাৰ ক্ষণ আহি থাকিব তেন্তে এই ক্ৰমসূচী কেতিয়াওঁ বন্ধ নহয়। যদি সৰ্বসাধাৰণ লোকে প্ৰকৃত মাৰ্গক ত্যাগ কৰি কুমাৰ্গ আৰু অজ্ঞানতাৰ গভীৰ হাবিত পথভ্ৰষ্ট হৈ পৰে আৰু সত্য পথলৈ যোৱাৰ বাসনা তেওঁলোকৰ হৃদয়ত জাগ্ৰত হৈ থাকে তথা সত্য পথৰ সন্ধান কৰি থাকে তেতিয়া এনে লোকৰ আৰ্বিভাৱ অৱৰোধ কৰাটো কেতিয়াওঁ সম্ভৱ নহ'ব কিয়নো এয়া পৰমেশ্বৰৰ দয়াময়তাৰ বিৰুদ্ধাচৰণ হ'ব। বিষাদৰ উৎপন্ন কৰি তাৰ উপচাৰ নিদিয়াটো কেতিয়াও পৰমেশ্বৰৰ ধৰ্ম নহয়। এনে কৰাটো আধ্যাত্মিক নেত্ৰহীনতাৰ পৰিচায়ক হ'ব। এই সৰ্বসাধাৰণ সিদ্ধান্ত অনুসৰি আমি বিশ্বাস কৰো যে এই সময়ত এজন সংস্কাৰক বা পথপ্ৰদৰ্শকৰ আৱশ্যকতা আছিল যি পৃথিৱীক পৰমেশ্বৰৰ পথ প্ৰদৰ্শন কৰে আৰু সন্দেহক জীৱনৰ পৰা আঁতৰাই নিশ্চিত বিশ্বাসৰ আস্থাৰ উচ্চ শিখৰত উপনীত কৰে।

হে ভাইসকল ! যদি সংসাৰত কেতিয়াবা কোনো নৱী আৰু পয়গম্বৰৰ প্ৰয়োজন আছিল তেন্তে আজি তাতকৈ অধিক কোনোবাৰ প্ৰয়োজন হৈছে। ধৰ্মৰ ভেটি আজি ফোপোলা হৈ পৰিছে। এই সময়ত সংসাৰত তিনি প্ৰকাৰৰ

লোক দেখাপোৱা গৈছে। প্ৰথম প্ৰকাৰৰ সেইসকল লোক যি ধৰ্মৰ আৱশ্যকতাকে শেষ নমস্কাৰ দিছে আৰু পৰমেশ্বৰকে তিলাঞ্জলি দি দিছে বা তেওঁৰ প্ৰতি এনে বিশ্বাস আছে যি পৰ্বত আৰু নদীৰ প্ৰতি, কিয়নো তেওঁৰ অস্তিত্বই তেওঁলোকৰ দৈনিক জীৱনত কোনো প্ৰভাৱ বিস্তাৰ নকৰে। যদি তেওঁলোকে ঠিৰাং কৰে পয়গম্বৰ বুলি একো নাই তেতিয়াওঁ তেওঁলোকৰ কাৰ্যকলাপত কোনো পৰিৱৰ্তন নহয় আৰু এতিয়া যিহেতু তেওঁলোকে কৈছে যে পৰমেশ্বৰ আছে যদিও ইয়াৰ কোনো প্ৰভাৱ তেওঁলোকৰ কাৰ্যকলাপৰ ওপৰত পৰিব নোৱাৰে। এইবিলাক মানুহে ইমানলৈকে কোৱা দেখা যায় যে তেওঁলোকে নিজৰ মানসিক স্বাধীনতাক খোদাৰ বাবেও ত্যাগ কৰিবনোৱাৰে আৰু নিজৰ মান-প্ৰতিষ্ঠাক খোদাৰ প্ৰতি বিনয় আৰু প্ৰাৰ্থনা কৰি ক্ষতি কৰিব নিবিচাৰে।

দ্বিতীয় প্ৰকাৰৰ লোকসকলে খোদাক বিশ্বাস কৰে তথা তেওঁৰ শক্তিৰ প্ৰতিও বিশ্বাস কৰে কিন্তু তেওঁলোক সেই পিয়াহত তৃষ্ণাতুৰ জনৰ দৰে যি মৰুভূমিৰ মৰিচীকাত পথ পাহৰি যায় আৰু মাইল মাইলৈকে পানীৰ বিন্দু এটাও বিচাৰি নেপায়। যি সেই পানীৰ সন্ধানৰত হৈ পৰে তেওঁৰ তৃষ্ণাৰ প্ৰকোপ বৃদ্ধি হয় আৰু তেওঁলোকৰ ব্যাকুলতাত বুদ্ধি অধিক হৈ পৰে কিন্তু তেওঁলোক উভতি অহা আৰু ঘূৰি থকাৰ কোনো লাভ নহয়। তেওঁ এক মৃগ মৰীচিকাৰ পৰা আন এটা মৃগ মৰিচীকালৈ যায় কিন্তু প্ৰতিবাৰতে নিৰাশাই তেওঁৰ ব্যাকুলতাক তীব্ৰতৰ কৰিতোলে। তেওঁ পানীৰ সন্ধানত পানীৰ পৰা অধিক আঁতৰ হৈ পৰে আৰু শেষত মৃত্যুৰ কাষ চাপি যায়।

তৃতীয় প্ৰকাৰৰ সেই লোকসকল যি নিজৰ ভাগ্যতে প্ৰসন্ন আৰু নিজৰ স্থিতিতেই সন্তুষ্ট হৈ থাকে। তেওঁলোক এই কাৰণে সন্তুষ্ট নহয়যে কদাপি তেওঁলোকৰ এই চিন্তা হ'ব তেওঁলোকৰ স্বাভাৱিক আৱশ্যকতা পূৰ্ণ হৈছে তথাপি এই কাৰণে উৎসাহ নাইকিয়া হৈ পৰিছে আৰু খোদাৰ কৃপা আৰু বদান্যতাত নিৰাশ হৈ পৰিছে আৰু এই বুলি ভাৱে যে খোদাৰ বদান্যতা আগৰ লোকসকলৰ মাজতে শেষ হৈ পৰিছে। আমি তেওঁৰ সতীয়া সন্তানৰ দৰে যাক তেওঁ ধন-সোণৰ অধিকাৰী বুলি নাভাৱে। সেয়ে মোৰ বাবে ইমানেই

যথেষ্ট যি আগৰ সমাজ লাভ কৰিছিল আৰু তেওঁলোকৰ কৃপাৰ পৰা আমি লাভ কৰিছোঁ।

কিন্তু এই তিনিটা অৱস্থা অস্বাভাৱিক। প্ৰথম প্ৰকাৰৰ অৱজ্ঞাই তেওঁলোকক কোনো লাভ দিব পাৰে,দ্বিতীয় প্ৰকাৰে সমাজক ব্যৰ্থ কৰাৰ যত্ন কৰিব নোৱাৰে আৰু তৃতীয় প্ৰকাৰে সমাজক সন্তুষ্টি দিব নোৱাৰে। যি বস্তু বাস্তৱত লাভজনক সেয়া খোদাৰ জ্ঞানামৃত হয় যি সকলো জ্ঞানৰ আন্ধাৰক আঁতৰ কৰি মানুহ আৰু খোদাৰ মাজৰ সকলো আঁৰবেৰ নাইকিয়া কৰিতোলে। সেই জ্ঞানামৃত ভক্তক খোদাই এক স্থানত একত্ৰিত কৰি দিয়ে। সেই জ্ঞানামৃতে ধৰ্মক এনে ৰূপত মানুহৰ সন্মুখত উপস্থাপন কৰে যাক তেওঁলোকৰ হৃদয়ে স্বীকাৰ কৰে আৰু তেওঁলোকৰ বুদ্ধি আৰু সন্তুষ্টি আহি পৰে। এই সমৃদ্ধি লাভ অৱতাৰৰ অবিহনে সংসাৰে কেতিয়াও পোৱা নাই বা ভৱিষ্যতেও কেতিয়াবা পাব।

ভাইসকল ! কিছু চিন্তা কৰা যে, এই সময়ত কোনটো ধৰ্ম আছে যাৰ অনুসৰি সত্যৰ ডবা বজাই আমি ক'ব পাৰো যে তাৰ পৰাই আমাৰ কিবা লাভ হ'ব যি আগৰ পয়গম্বৰসকলৰ দ্বাৰা সংসাৰে লাভ কৰিছিল কিয় এয়া সত্য নহয় যে লোক এই কথাত সন্তুষ্ট যে ঈশ্বৰীয় অৱদান আৰু বদান্যতা প্ৰথমৰ লোকসকলৰ মাজতে সমাপ্তি ঘটিছে অথবা ধৰ্মক অন্তিম নমস্কাৰ দিয়া হৈছে অথবা তেওঁলোকে বুজে কিন্তু তেওঁলোকে সকলো লাভ কৰিছে, সেই লোকসকলৰ অৱস্থা সেইসকলৰ দৰে যি অসম্পূৰ্ণতাৰ প্ৰভাৱত অনুপযুক্ত সামগ্ৰীকে আকোঁৱালী লৈছে । কিন্তু অইনে একো দেখা নাপায়। যদি এয়াই সত্য আৰু প্ৰয়োজনীয় সত্য তেন্তে আজিও সংসাৰক সেই ধৰণৰ অৱতাৰ বা পয়গম্বৰৰ প্ৰয়োজন আছে যিদৰে আগৰ যুগত আছিল। এই কাৰণে আহমদীয়া সম্প্ৰদায়ৰ বিশ্বাস যে অৱতাৰ (নবুয়ত)ৰ দুৱাৰ সদায় মুকলি হৈ আছে আৰু ভৱিষ্যতলৈ মুকলি থাকিব লগতে এয়া যে বৰ্তমান যুগে বৃহৎ প্ৰৱলতাৰে এজন অৱতাৰৰ প্ৰয়োজনতাৰ সাক্ষী দি আহিছে।

কিন্তু আমি নিজৰ বিশ্বাসৰ আধাৰত কেৱল যুগৰ সাক্ষীতেই নহয়, প্ৰথম পয়গম্বৰৰ সাক্ষীৰ ওপৰতো আমাৰ বিশ্বাস আধাৰিত। আমি দেখিছো

যে প্ৰতিটো ধৰ্মৰ নেতাই এজন অৱতাৰৰ আগমনৰ জাননী দি আহিছে। যিদৰে হিন্দুসকলৰ মাজত এজন পৱিত্ৰ অৱতাৰৰ ভৱিষ্যবাণী পোৱা যায় যাৰ প্ৰতি তেওঁলোক এতিয়াওঁ অপেক্ষাৰত, খ্ৰীষ্টান সকলৰ মাজত মছীহৰ পুনৰ আগমন, মুছলমানৰ বাবে মেহেদী আৰু মছীহ মাউদৰ অহাৰ ভৱিষ্যবাণী আছে। যদি ভৱিষ্যতে বিশ্বত অৱতাৰ ক্ৰম শেষ হৈ পৰিব তেন্তে এইবিলাক জাতিৰ মাজত আগমন ঘটিব লগা অৱতাৰৰ সন্দৰ্ভত কিয় ঐক্যমত দেখা যায় ?

## অন্তিম যুগৰ অৱতাৰৰ সন্দৰ্ভত ভৱিষ্যবাণী আৰু তাৰ প্ৰাপক

ইয়াৰ বাহিৰেও এটা আচৰিত হ'ব লগা বিষয় হ'ল যে যেতিয়া আমি ভৱিষ্যবাণীবোৰলৈ লক্ষ্য কৰো আৰু তাত দেখা পাওঁ যে সেই চিহ্ন য'ত অৱতাৰৰ বিষয়ে বৰ্ণনা কৰা হৈছে, পৰস্পৰ এটা আনটোৰ লগত মিল দেখা যায়। সকলো ভৱিষ্যবাণীত এই যুগৰ ভ্ৰষ্টাচাৰৰ অধিকতা, ৰোগৰ তীব্ৰতা, তৰা নামি অহা, সূৰ্য আৰু চন্দ্ৰৰ গ্ৰহণ লগা আৰু যুদ্ধ হোৱা আদি চিহ্নক নিদৰ্শন কৰা হৈছে আৰু কাৰ্যতো সেই অৱতাৰসকলক এক বুলি উল্লেখ কৰা হৈছে অৰ্থাৎ সেই সময়ত তেওঁলোকৰ দ্বাৰা সমগ্ৰ সংসাৰত সত্যতা বিয়পি পৰিব আৰু সত্য ধৰ্মই অলৌকিক ভাবে আন ধৰ্মৰ ওপৰত বিজয় প্ৰাপ্তি হ'ব যি ইয়াৰ আগতে কেতিয়াও প্ৰাপ্ত হোৱা নাছিল।

এতিয়া এফালে ভৱিষ্যবাণীবোৰ ভৱিষ্যতে সম্পূৰ্ণ হ'ব বুলি উল্লেখ কৰা হৈছে যে এই ভৱিষ্যবাণী অনৰ্গল আৰু অসত্য নহয়, আনহাতে সেই অৱতাৰসকলৰ নিশ্চিত কাৰ্যই এই কথাক অসম্ভৱ প্ৰতিপন্ন কৰে যে একে সময়তে ইমান সংখ্যক অৱতাৰে নিজৰ নিজৰ ধৰ্মক আৰু আন আন সকলো ধৰ্মক বিজয় প্ৰাপ্ত কৰিব। গতিকে ইয়াৰ তাৎপৰ্য অৱশ্যেই এনে হ'ব যে এই সকলো ভৱিষ্যবাণীয়ে এজন ব্যক্তিৰ সন্দৰ্ভতে কৰা হৈছে যি এই উদ্দেশ্যকলৈ আহিব যে নিজৰ পৱিত্ৰতাৰ বলত সকলো ধৰ্মকে এক স্থানত একত্ৰিত কৰিব আৰু সকলো জাতিয়ে তেওঁৰ দ্বাৰা সত্যপথৰ দিক্‌দৰ্শন লাভ কৰিব।

কিন্তু ইয়াত এয়াই অৱগত হৈছে যে সকলো ভৱিষ্যবাণীয়ে এজন

অৱতাৰৰ শুভ জাননী দিছে লগতে সেই ভৱিষ্যবাণীৰ পৰা ইয়াকো অৱগত হৈছে যে সেই প্ৰতিশ্ৰুত অৱতাৰ এনে বিশেষত্বৰ গৰাকী হ'ব যাৰ কাৰণে সকলো ধৰ্ম আৰু সকলো জাতিয়ে তেওঁক নিজৰ বুলি ভাবিব। তেওঁৰ হিন্দুৰ লগতো এনে সম্পৰ্ক হ'ব যে তেওঁকে নিজৰ পৱিত্ৰ অৱতাৰ বুজিব পাৰে আৰু মুছলমানৰ লগতো এনে সম্পৰ্ক হ'ব যে তেওঁকে নিজৰ মেহেদী বুলি ক'ব পাৰিব তথা খ্ৰীষ্টান সকলৰো এনে সম্বন্ধ হ'ব তেওঁলোকে তেওঁক নিজৰ মছীহ বুলি স্বীকাৰ কৰিব। এই সম্পৰ্ক সেই ৰূপত হ'ব যে বিভিন্ন সম্পৰ্কৰ দ্বাৰা বিভিন্ন জাতিৰ মাজত এনাজৰীডাল দৃঢ় আৰু সংলগ্ন হ'ব। উদাহৰণ স্বৰূপে কোনো জাতিৰ লগত তেওঁলোকৰ ধৰ্মীয় সম্পৰ্কই হ'ব তেজৰ আৰু পৈত্ৰিক সম্বন্ধ, কোনো জাতিৰ লগত ৰাষ্ট্ৰীয় সম্বন্ধই ৰাজনৈতিক আৰু সাংস্কৃতিক সম্পৰ্ক হৈ পৰিব। প্ৰতিটো জাতিয়ে তেওঁক নিজৰ বুলি ভাবিব পাৰে।

আমি আহমদীয়া সম্প্ৰদায়ৰ লোকসকলে ইয়াক বিশ্বাস কৰো যে এই সকলোবোৰ কথা আহমদীয়া সম্প্ৰদায়ৰ প্ৰতিষ্ঠাপক হজৰত মিৰ্জা গোলাম আহমদ কাদিয়ানীৰ মাজত একগোট হৈছে। আপোনাক খোদায়ে বৰ্তমান যুগৰ বিকাৰক আৰু পাপক নিবাৰণ তথা সংস্কাৰৰ বাবে প্ৰেৰণ কৰিছে। আপুনি আপোনাৰ ঘোষণা অনুসৰি খ্ৰীষ্টানসকলৰ মছীহ, মুছলমানৰ মেহেদী, হিন্দুৰ কাৰণে কৃষ্ণ আৰু পৱিত্ৰ অৱতাৰ আছিল। সাৰাংশ এয়া যে আপুনি প্ৰতিটো জাতিৰে প্ৰতিশ্ৰুত অৱতাৰ আৰু পয়গম্বৰ আছিল তথা সমগ্ৰ সংসাৰক এটা ধৰ্মৰ মাজত একগোট কৰিবলৈ আপোনাৰ আৰ্বিভাৱ হৈছিল। আপোনৰ ব্যক্তিত্বত খোদায়ে সকলো জাতিৰ আশা আৰু ইচ্ছাক একগোট কৰিছে। আপুনি সেই শান্তিৰ মন্দিৰ আছিল য'ত প্ৰতিটো জাতিয়ে গৈ মান্যানুসৰি খোদাৰ আগত শিৰণত কৰিছিল আৰু সেইখন খিড়িকী আছিল যাৰ দ্বাৰা সকলো জাতিয়ে খোদাক দেখিছিল। সেই কেন্দ্ৰবিন্দু আছিল য'ত বৃত্তৰ সকলো ৰেখা আহি একগোট হৈছিল। অৰ্থাৎ আপোনাৰ দুৱাৰতেই সংসাৰৰ সকলো সন্ধি আৰু শান্তি নিশ্চিত। আপোনাৰ ইৰাণীয়সকলৰ লগত তেজৰ সম্পৰ্ক হোৱাৰ বাবে জৰদশ্বতিৰ মাওউদ আছিল আৰু হিন্দুস্থানী হোৱাৰ কাৰণে

হিন্দুসকলৰ মাওউদ আছিল, মুছলমান হোৱাৰ বাবে মুছলমান সকলৰ মাওউদ আছিল। মছীহ নাম পোৱাৰ বাবে আৰু মছীহৰ মৰ্যাদা লাভ কৰাৰ বাবে সেই সংস্কৃতি তথা সভ্যতা সম্পৰ্কীয় ভুলবোৰৰ শুধৰণী কৰাৰ কাৰণে খ্ৰীষ্টানসকলৰ দেশত অসহায় লোকসকলক মছীহৰ মান প্ৰতিষ্ঠাৰ কাৰণেই আক্ৰমণৰ পৰা সুৰক্ষা প্ৰদান কৰিছিল, যি শ শ বছৰ ধৰি তেখেতৰ ওপৰত কৰিছিল। মছীহি আৰু খ্ৰীষ্টানসকলৰ প্ৰতিশ্ৰুতৱদ্ধ অৱতাৰ অৰ্থাৎ হজৰত ঈছা মছীহ কোৱাৰ যোগ্য আছিল। এই চাৰিটা জাতিয়ে নহয় তথা সংসাৰৰ প্ৰতিটো জাতিৰ ভৱিষ্যবাণীত আৰু শুভবাৰ্তাক সম্পূৰ্ণ কৰোঁতা তথা সমগ্ৰ সংসাৰৰ আশাক পূৰণ কৰি তাক সফল কৰোঁতা আছিল। সেই সকলোবিলাক ভৱিষ্যবাণীৰ যিবোৰ আগতেপয়গম্বৰে কৰিছিল সেয়া আপোনাৰ পক্ষৰ পৰা আৰু আপোনাৰ দ্বাৰা পূৰণ হৈছিল। খোদায়ে সেই ভৱিষ্যবাণীবোৰ সম্পূৰ্ণ হোৱাৰ আগতে পুনৰ তেওঁৰ আৰ্বিভাৱ হোৱাৰ সময়া অহাৰ সন্দৰ্ভত আপোনাক জাননী দিছিল আৰু প্ৰমাণ কৰিছিল যে আপুনি সেই ভৱিষ্যবাণীবোৰ পূৰণ কৰাৰ অধিকাৰী আছিল।

উল্লেখ কৰা হৈছিল আহিব লগা অৱতাৰে পূবৰ পৰা আৱিৰ্ভাৱ হ'ব। আপুনি পূবৰ সংসাৰতে আৰ্বিভাৱ হ'ল ( মতি বা ব ২৪ আয়াত ২৭) লগতে কোৱা হৈছিল যে মছীহৰ আগমনৰ আগতে পূবত মিছলীয়া মছীহৰ আৰ্বিভাৱ হ'ব।(মাৰাকছ বাব ১৩ আয়াত ২২,২৩ নাৰথ ইণ্ডিয়া মতবুৰা ১৮৮৭ ) যদিও এনে হ'ল যে আপোনাৰ ঘোষণাৰ আগতে কিছু ব্যক্তিয়ে মছীহ হোৱাৰ ঘোষণা কৰিছিল যাৰ মাজত কিছুমান এনে লোকো আছিল যি বহুতো বুদ্ধিমানক পথভ্ৰষ্ট কৰি দিছিল। যুদ্ধ হ'ল, প্লেগ আহিল, আকাল আৰু দুৰ্ভিক্ষই দেখা দিলে কিন্তু শেষত সেই চিহ্ন দেখা পোৱা গ'ল যাক ইঞ্জিল আৰু জৰতিশৰ গ্ৰন্থ জাপাছীয়ে সেই প্ৰসিদ্ধ শব্দৰ উল্লেখ কৰিলে যে সূৰ্য আৰু চন্দ্ৰ আন্ধাৰ হৈ পৰিব, কিন্তু ইছলামী গ্ৰন্থত ইয়াক স্পষ্টভাবে বৰ্ণনা কৰা হৈছে যে অৰ্থাৎ কোৱা হৈছে যে ৰমজান মাহত সূৰ্যই নিজৰ গ্ৰহণৰ দিনৰ পৰা দ্বিতীয় আৰু চন্দ্ৰক নিজৰ গ্ৰহণৰ দিনৰ প্ৰথম দিনত ইমাম মেহেদীৰ যুগত গ্ৰহণ লাগিব আৰু ইয়াকো উল্লেখ কৰিছিল যে এই চিহ্ন ইমাম মেহেদীৰ আগতে কোনো

মিছলীয়া মছীহ আৰু মেহেদী ঘোষণা কৰা জনৰ বাবে নিশ্চিত কৰা হোৱা নাছিল (দাৰে কুতনি কিতাবুল ইদায়নি) তথাপি এই নিদৰ্শন সম্পূৰ্ণ হ'ল তথা সেই চিহ্নই সকলো মিছা মছীহ আৰু মেহেদী ঘোষণা কৰা সকলক আগত আপোনাৰ ঘোষণাক মহত্বপূৰ্ণ হিচাপে প্ৰতিপন্ন কৰিলে। এই গ্ৰহণ হৈছিল ১৮৯৪ চনত আপোনাৰ ঘোষণাৰ চতুৰ্থ বৰ্ষত ৰমজান মাহৰ ঠিক সেই দিনটোতে যিটো উল্লেখ কৰা হৈছিল। এয়া এক আচৰিত কথা যে আপোনাক আগতে যদিও কিছু ব্যক্তিয়ে মছীহ আৰু মেহেদী হোৱা বুলি ঘোষণা কৰিছিল কিন্তু তেওঁলোকৰ যুগত এই নিদৰ্শন প্ৰকাশ হোৱা নাছিল।

আপোনৰ যুগত সেই অলৌকিক পৰিস্থিতিয়ে দেখা দিলে যাৰ আগৰ গ্ৰন্থবোৰত ভৱিষ্যবাণী হিচাপে উল্লেখ হৈছিল। সেই পৰিস্থিতি এই যুগৰ আগতে কেতিয়াও কোনো যুগত দেখা দিয়া নাছিল। অৰ্থাৎ কোৱা হৈছেযে এই যুগত ইমান শান্তিও হ'ব শিশুৱে সাপৰ লগত আৰু ছাগলীয়ে কুকুৰনেচীয়াৰ ওপৰত নিৰ্ভৰশীল হৈ খেলিব কিন্তু যুদ্ধও অত্যাধিক হ'ব। এনেধৰণৰ যুদ্ধ আৰু শান্তি একে সময়তে পৃথিৱীত পোৱা যাব। গতিকে এই কথা স্পষ্টৰূপে পৃথিৱীত দৃষ্টিগোচৰ হৈছে যে এফালে দেশ প্ৰেমৰ ভাৱনা ইমান প্ৰৱল যে তাৰ প্ৰভাৱত প্ৰভাৱিত হৈ সকলো জাতিৰ আন্তৰিক সম্পৰ্ক প্ৰাচীন যুগৰ সাধাৰণ পৰিস্থিতিৰ তুলনাত যথেষ্ট আগবঢ়া তথা সেয়া যুদ্ধ, কাজিয়া আৰু লুটপাত যি পুৰণি কালত দেশবোৰত হৈছিল, এতিয়া সংসাৰৰ অধিকাংশ অঞ্চলত সেই বিলাক লুপ্ত হৈ পৰিছে। কিন্তু তাৰ তুলনাত আন্তঃৰাষ্ট্ৰীয় সম্পৰ্ক অতি শোচনীয় তথা প্ৰত্যেক জাতিয়ে এটাই আনটোৰ প্ৰতি ভয়ভীত আৰু আতংকিত আৰু জাতীয় স্পৰ্ধাই নিজৰ সীমাক অতিক্ৰম কৰিছে।

ইয়াৰ উপৰিও মুছলমানৰ মাজত আহিব লগা অৱতাৰৰ বিষয়ত বিস্তাৰিত ভাবে স্পষ্টকৈ ভৱিষ্যবাণী বিদ্যমান হৈ আছে। সেইবিলাক সকলো নিজৰ নিজৰ ৰূপত সম্পন্ন হৈছে। উদাহৰণ স্বৰূপে এয়া যে সেই অৱতাৰৰ জন্মৰ যুগত এক নতুন বাহনৰ আৱিষ্কাৰ হ'ব যাৰ কাৰণে উটক ত্যাগ কৰা হ'ব, অৰ্থাৎ ৰেলৰ আৱিষ্কাৰ হ'ল। এইদৰে এক এনেকুৱা আৱিষ্কাৰ হ'ব যে সমগ্ৰ সংসাৰৰ বাতৰি এটা ক্ষণতে শুনিব পৰা যাব। সেয়ে, ইয়াৰ বাবে

টেলিফোন আৰু ৰেডিঅ'ৰ আৱিষ্কাৰ হ'ল। পুনৰ লেখিছিল যে নাৰী অধিক হৈ পৰিব আৰু ব্যৱসায়িক কাৰ্যত বস্তুৰ ক্ৰয়-বিক্ৰয়ৰ কাম নাৰীক অৰ্পণ কৰা হ'ব। নাৰীৰ কাপোৰ এনেধৰণৰ হ'ব যে তেওঁলোকৰ দেহৰ সেই অংশ যি আগৰ নাৰীয়ে গোপনে ৰৈছিল, আগৰ লোকেও নাৰীক পৰ্দাৰ মাজত থবলৈ বিচৰা নাছিল কিন্তু পৰ্দাৰ যোগ্য বুলি ভাবিছিল, উলংগ দৃষ্টি গোচৰ হ'ব আৰু সেই সময়ত তিনিখন ডাঙৰ ৰাজ্যৰ তিনি গৰাকী মহান ৰজাই যুদ্ধ কৰিব আৰু তিনি ৰাজ্যত যি বিজয়ী হ'ব কষ্টোনটুনিয়া অধিকাৰ কৰিব কিন্তু এজন ব্যক্তিয়ে পলাই শাম দেশলৈ যাব আৰু তাত যুদ্ধ কৰি নিজৰ প্ৰান্তক পুনৰ উভতাই পাব। এইদৰে লিখিছিল যে খ্ৰীষ্টান জাতি আন জাতি আন জাতিৰ বাবে আতংক হৈ পৰিব তথা আৰৱ দেশ আন প্ৰান্তকৈ পৃথক হৈ পৰিব তথা ইৰাণ, শাম আৰু মিছৰ ৰাজ্য বেলেগ হৈ পৰিব। এটা জাতিয়ে মাহবোৰ সৰু কৰি দিব। ইছলামী চৰিয়তবোৰ নিশ্চিত তথা নিৰ্ধাৰিত সীমাত ত্যাগ কৰি দিব। মিচা কাণ্ডৰ ব্যাপকতা বৃদ্ধি হ'ব। আৰক্ষী অত্যাধিক নিয়োগ হ'ব। নাৰীৰ মাজত পুৰুষৰ বেশভূষা আৰু কাপোৰৰ প্ৰচলন হ'ব। শ্ৰমিকৰ শাসন হ'ব। ধনৱন্ত লোকে দুখীয়াৰ বাবে নিজৰ ধনৰ পৰা জাকাত* দিয়াটো বোজা বুলি ভাবিব। ইছলামী শাসন নাইকিয়া হৈ পৰিব। আৰৱৰ ধৰ্মীয় অৱস্থা অতি শোচনীয় হৈ পৰিব। নিৰ্জীৱ বস্তুৱে কথা ক'ব, যি টেলিফোন আদিৰ আৱিষ্কাৰৰ দিশে নিৰ্দেশ কৰিছে। এনে বাহনৰ আৱিষ্কাৰ হ'ব যি আগৰ সংসাৰত নাছিল যাৰ দ্বাৰা বায়ুযানৰ প্ৰতি নিৰ্দেশক কৰিছে। দুখন সমুদ্ৰৰ মাজত এডোখৰ মাটি যাৰ এফালে শুকান পোৱা যায় আৰু আনফালে মুকুতা পোৱা যায়। তাক ফালি দুইখন সাগৰক এক কৰি দিয়া হ'ব আৰু তাৰ পৰা অত্যাধিক জলপৰিৱহনে যাত্ৰা কৰিব যি ছেভেজ আৰু পানামা খালৰ বিষয়ে ইংগিত কৰে। পুনৰ লিখিছে যে সেই সময়ত কিতাপ, আলোচনী, বাতৰি কাকতৰ অধিক প্ৰকাশ পাব। পদাৰ্থ বিজ্ঞান আৰু জ্যোতিবিদ্যাৰ বহুতো নতুন কথাৰ আৱিষ্কাৰ হ'ব। নদীৰ পৰা খাল খন্দা হ'ব ইমানলৈকে যে বাস্তৱিকতে নদীবোৰ শুকাই পৰিব। পৰ্বতমালা নাইকিয়া কৰি পেলোৱা হ'ব। যাত্ৰাৰ প্ৰচলন অধিক হৈ পৰিব। কিছুমান দেশৰ প্ৰকৃত জনসংখ্যা নষ্ট কৰি দিয়া হ'ব। সতী আদি প্ৰথাক বিধান

অনুসৰি নিষিদ্ধ কৰি দিয়া হ'ব ইত্যাদি, ইত্যাদি। এই সকলো ভৱিষ্যবাণী এই যুগত সম্পূৰ্ণ হৈছে।

এনেদৰে উল্লেখ কৰা হৈছিল যে সেই আহিব লগা অৱতাৰজন দুটা ৰোগত আক্ৰান্ত হ'ব। এটা ৰোগে দেহৰ ওপৰৰ অংশৰ লগত সম্বন্ধ ৰাখিব আৰু আনটোৱে দেহৰ তৰলৰ অংশৰ লগত। ইয়াৰ অতিৰিক্ত এয়া যে তেওঁৰ ৰং ঘেহুৰ দৰে হ'ব। মূৰৰ চুলি চিধা হ'ব। তেওঁৰ বাণীত কিবা নতুন আকৰ্ষণ থাকিব । কৃষকৰ কটুম্বৰৰ পৰা আহিব আৰু তেওঁ কথা কোৱাৰ সময়ত হাতখন কৰঙনত চপৰিয়াব। তথা 'কাদা' নামৰ গাঁৱৰ পৰা জন্ম হ'ব। মছীহ আৰু মেহেদী দুই প্ৰকাৰৰ বিশেষত্ব আৰু মৰ্যাদাৰে একত্ৰ হ'ব। অন্ততঃ এইদৰে হৈছে। আপোনাৰ মূৰৰ বিষ আৰু মধুমেহ দুটা ৰোগ আছিল। আপোনাৰ বৰণ বগা ঘেহুৰ দৰে আৰু চুলি চিধা আছিল। আপোনাৰ বাণীৰ মাজত সেই গাম্ভীৰ্যতা বিচাৰি পোৱা গৈছিল আৰু কথা কোৱাৰ সময়ত কৰঙনত হাত চাপৰি মৰাটো আপোনাৰ অভ্যাস আছিল। আপুনি কৃষকৰ পৰিয়ালৰ পৰা আছিল আৰু কাদিয়ানৰ নিৱাসী আছিল যাক সাধাৰণ লোকে 'কাদী' নামেৰে উল্লেখ কৰে। গতিকে সমগ্ৰ ভৱিষ্যবাণীত বিহংগম দৃষ্টি নিক্ষেপ কৰিলে এই যুগৰ বাহিৰেও আন কোনো ব্যক্তিত্বৰ প্ৰতি সত্য সিদ্ধ হোৱা দেখা নাযায়, সংগটিত হোৱা নাছিল। ইয়াৰ পৰা স্পষ্টভাবে বিদিত হৈছে যে এই যুগতে সেই প্ৰতিশ্ৰুত অৱতাৰৰ আৰ্বিভাৱ হ'ব লগা আছিল যাৰ শুভ সূচনা আগৰ অৱতাৰ সকলে আৰু পয়গম্বৰসকলে দিছিল। আপুনি সেই অৱতাৰ যাৰ অপেক্ষাত শতাব্দী ধৰি লোকসকলে বহি আলোচনা কৰি আহিছিল। যেতিয়া আমি লক্ষ্য কৰো যে এই চিহ্নবোৰৰ মাজত কিছুমান চিহ্ন সম্পূৰ্ণ হোৱাৰ পূৰ্বে আহমদীয়া জামাতৰ প্ৰতিষ্ঠাপক হজৰত মিৰ্জা গোলাম আহমদ চাহেব কাদিয়ানীয়ে ঐশ্বৰিক বাণীৰ দ্বাৰা তেওঁ পূৰ্ণৰূপত সংঘটিত হোৱাৰ সূচনা দিছিল যেনেকৈ প্লেগৰ আগমন, ইউৰোপৰ মহাযুদ্ধ, ৰুছৰ সম্ৰাট জাৰৰ পতন তথা জাৰ ৰাজত্বৰ সমাপ্তি আৰু জাৰ ৰুছৰ আৰু তেওঁৰ আত্মীয়ৰ শোচনীয় অৱস্থা আৰু কৰুণাত্মক অৱস্থা, সমগ্ৰ সংসাৰলৈ দুৰ্ভিক্ষ অহা, মহামাৰীৰ আক্ৰমণ ইত্যাদি ইত্যাদিয়ে আমাৰ বিশ্বাস আৰু ঈমানক অধিক দৃঢ় কৰিতোলে আৰু আমি এই কথাত

বিশ্বাস কৰিবলৈ তথা ঈমান আনিবলৈ বাধ্য হৈ পৰো তথা প্ৰতিজন লোক যি ন্যায় প্ৰিয় আৰু নিয়মৰ মাজত থাকে তেওঁ গভীৰ ভাবে বিচাৰ-বিশ্লেষণ কৰি কোনো নিৰ্ণয় গ্ৰহণ কৰিব; তেন্তে তেওঁ সেই নিৰ্ণয়ত উপনীত হ'ব যে খোদা হজৰত মিৰ্জা গোলাম আহমদ চাহেবে সমস্ত জাতিৰ আশাক পূৰ্ণ কৰি ফলপ্ৰসু কৰি দিছে তথা তেওঁলোকৰ দয়ালুতাৰ মন্দাকিনীয়ে হৃদয়ৰ শুকান ভূমিক তৃপ্ত কৰাৰ বাবে নিজৰ তথ্যক প্ৰবাহিত কৰিছে। শেষত সু-ভাগ্যশালী সেই ব্যক্তি যি এই জলধাৰাক নিজৰ খেতিত একত্ৰ কৰে আৰু গৰিমাৰে কাম নকৰে তথা ধৰ্মক সংসাৰৰ ওপৰত স্থান দিয়ে। এই বাক্যাংশত সেই তথ্যক স্পষ্ট কৰি দিয়া হৈছে যে আহমদীয়া সম্প্ৰদায় আন ধৰ্মতকৈ আৰু আন সম্প্ৰদায়তকৈ এই কাৰণে পৃথক যে তেওঁলোকে সেই চিহ্নবিলাকক প্ৰত্যক্ষ কৰিছে— যাৰ উল্লেখ অন্তিম যুগৰ সংস্কাৰকৰ নিমিত্তে প্ৰমাণিত চিহ্নৰ ৰূপত হৈছিল। হজৰত মিৰ্জা গোলাম আহমদ চাহেব কাদিয়ানীৰ ঘোষণাক স্বীকাৰ কৰি লৈছে। তেওঁলোকে এতিয়া আন জাতিৰ দৰে আন কোনো সুধাৰক- যাৰ বিষয়ে খোদাৰ ফালৰ পৰা এই যুগৰ প্ৰতি নিৰ্ণয় হৈছে- তাক প্ৰতীক্ষা নকৰে।

## আহমদীয়া সম্প্ৰদায়ৰ প্ৰতিষ্ঠাপকৰ আগমনৰ উদ্দেশ্য

এই স্পষ্টীকৰণৰ পিছত এতিয়া মই ইয়াক উল্লেখ কৰিব বিচাৰিছো যে আহমদীয়া সম্প্ৰদায়ৰ প্ৰতিষ্ঠাপকে নিজৰ আবিৰ্ভাৱৰ উদ্দেশ্য কি বুলি কৈছে। আপোনাৰ বক্তব্য হ'ল যে—

সেই কাৰ্য যাৰ বাবে খোদাই মোক পঠাইছে, সেয়া হ'ল যে খোদা আৰু তেওঁৰ সৃষ্টিৰ সম্পৰ্কত যিবিলাক ভিন্নতা উৎপন্ন হৈছে তাক আঁতৰ কৰি প্ৰেম আৰু হৃদয়তাৰ সম্পৰ্ক পুনৰ স্থাপিত কৰা আৰু সত্যতাৰ অভিব্যক্তিয়ে ধৰ্মীয় যুদ্ধসমূহৰ সমাপ্তি ঘটাই সন্ধি আৰু শান্তিৰ ভেটি শক্তিশালী কৰা আৰু ধৰ্মীয় সত্যতা যি সংসাৰৰ দৃষ্টিৰ পৰা অদৃশ্য হৈ পৰিছে তাক প্ৰকাশিত কৰা। সেই আধ্যাত্মিকতা যি ইচ্ছা আৰু বাসনাক নিজৰ অধীনত নাইকিয়া হৈ পৰিছে তাক উদ্ধাৰ কৰা। খোদাৰ শক্তি যি মানৱক অন্তঃকৰণেৰে প্ৰৱেশ কৰি ধ্যান অথবা প্ৰাৰ্থনাৰ দ্বাৰা অভিব্যক্ত হৈ পৰে; কেৱল শব্দৰ দ্বাৰা নহয় তথাপি ঘটনা জগতজন্য ক্ৰিয়াত্মক ৰূপে তেওঁৰ স্বৰূপক প্ৰকাশ কৰা তথা সৰ্বাধিক

এয়া যে সেয়া শুদ্ধ দণ্ডিয়মান এক ঈশ্বৰবাদৰ ভাৱনাক (তৌহিদ) যি প্ৰত্যেক প্ৰকাৰৰ অৰ্থহীনতাৰ সংমিশ্ৰণৰ পৰা ৰিক্ত আৰু পৱিত্ৰ হওঁক যি সংসাৰৰ পৰা এতিয়া বিলুপ্তি হৈ পৰিছে তাৰ পুলি মানৱ সমাজত পুনৰ ৰোপন কৰা। এই সকলোবিলাক কোনো মোৰ শক্তিৰ দ্বাৰা নহয় যদিও সেই খোদাৰ শক্তিৰে হ'ব যি পৃথিৱী আৰু আকাশৰ খোদা।" (লেকচাৰ লাহোৰ পৃষ্ঠা ৩৪)

" খোদা মোক কৈছে যে মই পথভ্ৰষ্টক সাৱধান কৰো আৰু তেওঁলোকৰ যিয়ে অন্ধকাৰত আছে পোহৰলৈ আনো।"

খোদাই মোক পঠাইছে কিয়নো মই এই ভয়ানক অৱস্থাৰ সংস্কাৰ কৰো আৰু মানৱ শুদ্ধ এক ঈশ্বৰবাদৰ সত্য পথ নিৰ্দেশন কৰো। গতিকে মই সকলো উল্লেখ কৰিছোঁ আৰু দেখুৱাই দিছো। মোক এই কাৰণে প্ৰেৰণ কৰিছে যে বিশ্বাস আৰু ঈমানক দৃঢ় কৰো আৰুখোদাৰ সত্যৰে মানৱক সিদ্ধ কৰি দেখুৱাম। কিয়নো প্ৰত্যেক জাতিৰ বিশ্বাসৰ অৱস্থা দুৰ্বল হৈ পৰিছে আৰু পৰলোকক কেৱলমাত্ৰ কথা আৰু কাহিনী বুলি ভাবে। প্ৰতিজন ব্যক্তিয়ে নিজৰ ক্ৰিয়াকলাপৰ পৰা উল্লেখ কৰিছে দৃঢ় বিশ্বাস আৰু ভৰসাই তেওঁক সংসাৰ আৰু সাংসাৰিক সমৃদ্ধিত আছে তথা যেনে ভৰসা তেওঁ সৰ্বাধিক সামগ্ৰীৰ ওপৰত আছে সেই বিশ্বাস আৰু ভৰসা তেওঁৰ খোদা আৰু পৰলোকৰ প্ৰতি কদাপি নাই। বাণীত বহুতো কিবা আছে কিন্তু হৃদয় সাংসাৰিক মায়ামোহে ভৰি থাকে আৰু তাৰে শংকা থাকে। হজৰত মছীহে ইহুদী জাতিক এই দশাত পাইছিল। যেনেকৈ দুৰ্বল বিশ্বাসৰ বিশেষত্ব যে ইহুদীৰ চাৰিত্ৰিক অৱস্থাও অত্যন্ত বিকৃত আৰু শোচনীয় হৈ পৰিছিল। তেওঁৰ হৃদয়ৰ পৰা প্ৰেমৰ পতাকা অৱনমিত হৈ পৰে। এতিয়া মোৰ যুগতো সেই অৱস্থা আৰু সেই দশাতে আছে। সেয়ে খোদাৰ ফালৰ পৰা মোৰ আবিৰ্ভাৱ এই কাৰণে হ'ল যে সত্যতা আৰু বিশ্বাসৰ যুগ পুনৰ অন্তৰ আৰু হৃদয়ত খোদাৰ সত্যতা আৰু বিশ্বাসেৰে স্থাপন কৰা। গতিকে মোৰ আবিৰ্ভাৱৰ মূল উদ্দেশ্য এই কাৰণতে। মোক কোৱা হৈছে যে আকাশ আৰু পৃথিৱীৰ মাজত বহু দূৰত্ব বাঢ়ি গৈছে, সেয়ে এই দূৰত্বক পুনৰ ওচৰ চপাব লাগিব। ( অৰ্থাৎ খোদা আৰু ভক্তৰ মাজৰ সম্পৰ্কত বহু দূৰত্ব আহি পৰিছে আৰু সেই দূৰত্ব পুনৰ নাইকিয়া হৈ ওচৰ

চাপিব)। গতিকে এই কথাৰ সুধাৰক হিচাপে আৰু সেই কাম কৰিবলৈ খোদাৰ ফালৰ পৰা মোক প্ৰেৰণ কৰা হৈছে। ( কিতাবুল বৰিয়া পৃষ্ঠা ২৫৪-২৫৬) পুনৰ আপোনাৰ বক্তব্য যে আপোনাৰ প্ৰাদুৰ্ভাৱ এই কাৰণে সংসাৰত হ'ল সংসাৰৰ মহান চৰিত্ৰ, বিশ্বাস, জ্ঞান আৰু ক্ৰিয়াত্মক সত্যতাৰ প্ৰতি আকৰ্ষণ কৰা আৰু এয়া যে সংসাৰৰ যি বিশেষ আকৰ্ষণত এইদৰে আকৃষ্ট হৈ পৰক যেন সেই কাৰ্যক ক্ৰিয়াত্মক ৰূপ দিয়াত তেওঁ শান্তি লাভ কৰে।" (ৰিভিউ অফ ৰিলিজন জিলদ ১ উৰ্দু)

পুনৰ আপুনি লেখিছে যে আপোনাৰ সন্তান কয়েদীক মুক্ত কৰাৰ কাৰণ হৈ পৰিব অৰ্থাৎ তেওঁৰ দ্বাৰা কিছু সংখ্যক জাতি, সম্প্ৰদায় বা ৰাজ্যৰ অত্যাচাৰীৰ তলত দলিত হৈ পৰিছে, অত্যাচাৰৰ পৰা মুক্ত হ'ব আৰু দাসত্বৰ বান্ধনৰ পৰা মুক্ত কৰা হ'ব। খোদায়ে তেওঁৰ কঠিনতাক আঁতৰ কৰি তেওঁক সুখ, শান্তি আৰু ঐশ্বৰ্যময় জীৱন দান কৰিব।

পুনৰ কথিত আছে যে আপোনাৰ কাম এয়া হ'ব যে—

(১) " সকলো জাতিৰ মাজত ইছলামৰ সত্যতা পূৰ্ণৰূপত স্পষ্ট কৰা।"

(২) " ইছলামৰ ভুলবোৰ আৰু অনুমানৰ পৰা পৱিত্ৰ কৰি সেই শিক্ষা যি আধ্যাত্মিকতাৰে শুদ্ধ আৰু শক্তিশালী তাক সমাজৰ সন্মুখত দাঙি ধৰা।"

(৩) " বিশ্বাস আৰু ঈমানৰ পৱিত্ৰ জেউতি সকলো জাতি জিজ্ঞাসু হৃদয়ত প্ৰদান কৰা "

এই ঘোষণাবোৰৰ পৰা বিদিত হৈছে যে আপোনাৰ কাৰ্য শুদ্ধ এক ঈশ্বৰবাদৰ প্ৰকাশ আৰু পুণ্য আৰু সত্য ঈশ্বৰৰ প্ৰেমকক স্থাপনা তথা অন্তৰত খোদাৰ প্ৰতি উচিত ভয়ৰ সৃষ্টি কৰা আৰু খোদা আৰু ভক্তৰ মাজৰ সম্পৰ্কক সংযোগ কৰি সন্দেহময় জীৱনৰ পৰা বাহিৰ হৈ বিশ্বাসময় জীৱন আৰু ঈমান লোকসকলৰ মাজত জন্ম দিয়া আৰু হৃদয়ক অসন্তুষ্ট অৱস্থাৰ পৰা বচাই সন্তুষ্টি আৰু বিশ্বাস প্ৰদান কৰা, আধ্যাত্মিক জ্ঞানক মুকলি কৰা, চৰিত্ৰ, আধ্যাত্মিকতা, জ্ঞান আৰু ক্ৰীয়া জগতৰ কঠিনতা সৰল কৰি অত্যাচাৰ আৰু পীড়িত জনতাক খোদাৰ সহায়ৰ দ্বাৰা- অত্যাচাৰৰ পৰা পৰিত্ৰাণ কৰা তথা যিবিলাক সম্প্ৰদায়ৰ স্বাধীনতা কাঢ়ি লোৱা হ'ল তেওঁলোকৰ অধিকাৰক পুনৰ

সাব্যস্ত কৰা। সংসাৰৰ পৰা যুদ্ধ আৰু কাজিয়া-বিবাদ আঁতৰ কৰি পৰস্পৰৰ মাজত সন্ধি কৰা তথা সমগ্ৰ জগতক এক ধৰ্ম আৰু এক কলিমাৰ মাজত একত্ৰিত কৰা তথা সকলো জাতিলৈকে সত্যতাক প্ৰেৰণ কৰা তথা ইছলামত সমৰ্পন আৰু সন্মিলিত ত্ৰুটিৰ পৰা পৱিত্ৰ কৰা তথা সত্যৰ জ্ঞান ভাণ্ডাৰক সংসাৰৰ সন্মুখত দাঙি ধৰা আৰু খোদাৰ ফালৰ পৰা চমৎকাৰ প্ৰদৰ্শন কৰা আৰু জনতাৰ ওপৰত তেওঁৰ তেজস্বী মৰ্যাদাক দাঙি ধৰাটো আছিল।

কিমান সুন্দৰ কাৰ্য আৰু কিমান সুন্দৰ ভৱিষ্যত আছে কিন্তু প্ৰশ্ন এয়া যে কোনো অৱতাৰ ঘোষণা কৰোতাই আজিলৈকে এনে হৈছে নে যি এইবিলাক কথাৰ বিৰোধীতা কৰে। প্ৰতিজন অৱতাৰ ঘোষণাকাৰীয়ে সদায় সংসাৰৰ সন্মুখত এনেধৰণৰ সুন্দৰ ভৱিষ্যত  আৰু এনেধৰণৰ সুন্দৰ উদ্দেশ্য উত্থাপন কৰে কিয়নো তেওঁ ভাবে ইয়াৰ অবিহনে জনতা তেওঁৰ প্ৰতি আকৰ্ষিত নহ'ব। এই যুগত যিহেতু প্ৰকাশতে এই কাৰ্যৰ ভেটি আছে, এনে সুন্দৰ ঘোষণা আৰু বিজ্ঞাপনৰ আৱশ্যকতা আছে। সেয়ে এই বিজ্ঞাপনৰ মাজত আপোনাৰ অৱতাৰ হোৱা ঘোষণাৰ আধাৰ হোৱা হ'লে কদাপি মানি লোৱাৰ যোগ্য নহ'ল হয় আৰু আন অৱতাৰৰ ঘোষণাকাৰীৰ তুলনাত ইমান মহত্ব লাভ নকৰিলহেঁতেন কিন্তু যেনেকৈ এতিয়া উল্লেখ কৰিব বিচাৰিছো যে আপুনি এনে শিক্ষা দিলে আৰু এনে সিদ্ধান্তৰ দিশে নিয়ম নিৰ্দ্ধাৰিত কৰিছে যে প্ৰতিজন মেধাৱী লোকে বুজিব পাৰে যে তেওঁৰ দ্বাৰা সেই উদ্দেশ্য অতি সুন্দৰ ৰূপত পূৰ্ণ হ'ব পাৰে যাক আপুনি আপোনাৰ আগমনৰ কাৰণত উল্লেখ কৰিছিল।

কিন্তু এই স্থানত এই প্ৰশ্ন উত্থাপিত হয় আৰু মোৰ ক্ষেত্ৰত সেই প্ৰশ্নৰ সমিধান লোকসকলক দিয়াত অতি কঠিন হৈ পৰে কিন্তু তেওঁলোকে বুজি নোপোৱাকৈ সত্যকো বুজিব পৰা নাযায় আৰু সেয়া হ'ল যে যেতিয়া আহমদীয়া সম্প্ৰদায়ৰ প্ৰতিষ্ঠাপক হজৰত মিৰ্জা গোলাম আহমদ চাহেবে এই ঘোষণা কৰিলে যে পৱিত্ৰ কোৰাণৰ জ্ঞান ভাণ্ডাৰৰ পৰা প্ৰকাশ কৰাৰ অৰ্থ আহিছে আৰু নিজকে নিজেই মুছলমান বুলি কয়। উম্মত মহম্মদিয়াৰ মাজত এক দৃঢ় সংকল্প ব্যক্তিৰ আৱশ্যকতা আৰু আহমদীয়া সম্প্ৰদায়ৰ মহত্ব এক সুগঠিত সংস্থা ৰূপত কি বাহিৰত থাকে? তেতিয়া তেওঁৰ মহত্ব এক বিদ্যান

আৰু চুফীৰ দৰে হৈ পৰিব তথা আহমদীয়া সম্প্ৰদায় কেৱল মাত্ৰ এক জ্ঞানৱান সংস্থাৰ দ্বিতীয় স্থানত উপনীত হ'ব। কিন্তু এই চিন্তা তেতিয়াহে একেবাৰে নাইকিয়া হ'ব আৰু আহমদীয়া সম্প্ৰদায়ক বুজাৰ পৰা বঞ্চিত কৰি ৰাখিব।

## অৱতাৰৰ দুটা ভাগ

প্ৰকৃত বিষয় এয়া যে আহমদীয়া সম্প্ৰদায়ৰ এই বিশ্বাস আৰু সিদ্ধান্ত যে আম্বিয়া দুই প্ৰকাৰৰ হয়। এক সেইজন যি চৰিয়ত (ধাৰ্মিক সিদ্ধান্তৰ গ্ৰন্থ)ক আনে আৰু আনজন সেই জন যি ধৰ্মীয় সিদ্ধান্ত (চৰিয়ত)ক স্থাপন কৰি তাৰ ভেটি শক্তিশালী কৰি আহে আৰু ভুলৰ সময়ত চক্ৰৰ দ্বাৰা ধৰ্মক উৎপন্ন কৰে, তাক আঁতৰ কৰে। সকলো ধৰ্মীয় সম্প্ৰদায় এই বিষয়ত একমত। হজৰত মুছাৰ ধৰ্মীয় পৰম্পৰাৰ অৱতাৰ এই পাৰ্থক্য সুস্পষ্ট উদাহৰণ। হজৰত মুছা নবীৰ চৰিয়ত অৰ্থাৎ ধৰ্মীয় সিদ্ধান্তক ঈশ্বৰীয় গ্ৰন্থ লৈ অহা অৱতাৰ আছিল। আপোনাৰ সময়ত হাৰুণ আৰু আপোনাৰ পিছত ঈছা আৰু তাৰ পিছত অহা পয়গম্বৰ হজৰত ঈছা মছীহ আদি কৰি সকলো মুছাৰ চৰিয়তক স্থাপিত কৰাৰ বাবে আহিছিল। হজৰত ঈছা মছীহ  নিজেই কৈছে—

" এই চিন্তা নকৰিবা যে মই তৌৰাত অথবা পয়গম্বৰৰ গ্ৰন্থক শেষ কৰিবলৈ আহিছোঁ, মই যিহেতু সমাপ্ত কৰিবলৈ অহা নাই, সম্পূৰ্ণ কৰিবলৈ আহিছোঁ।" (মতী, অধ্যায় ৫, আয়াত ১৭)

হজৰত মুছাৰ চৰিয়ত আপোনাৰ সময়লৈকে তথা আপোনাৰ শিষ্যলৈকে প্ৰচলিত আছিল তথা সেই উপদেশ যি আপুনি আপোনাৰ শিষ্যক আৰু আন লোকসকলক দিছে, ইয়াৰ পৰা স্পষ্ট হৈছে যে—

"ভণ্ড আৰু ঠগবাজ লোক মুছাৰ আসনত বহি আছে আৰু যিবোৰ মানিবলৈ কৈছে তাক স্বীকাৰ কৰা আৰু ক্ৰীয়াত্মক ৰূপ দিয়া; কিন্তু তেওঁলোকৰ সমানে কাম নকৰিবা কিয়নো তেওঁলোকে কয় যদিও কিন্তু নকৰে অৰ্থাৎ তেওঁলোকৰ বাণী আৰু কামৰ মাজত সমতা নাই (মতী অধ্যায় ২৩, আয়াত ২-৩)

নিঃসন্দেহে হজৰত মছীহৰ কিছু কাৰ্য সন্দৰ্ভত কোৱা হয় যে তেওঁ তৌৰাতৰ ভিন্ন আছিল আৰু আমি যদি গভীৰ ভাবে তৌৰাতক বিচাৰ কৰো

তেন্তে তেওঁৰ মাজত আমাৰ তৌৰাতৰ দৃষ্টিগোচৰ হয়। যদিও হজৰত মছীহে সেই শিক্ষাৰ বিষয়ে কৈছে যে এই শিক্ষা কোনো নতুন নহয় কিন্তু সেয়াই হয় যাৰ উল্লেখ আগতে তৌৰাতত কৰা হৈছে গতিকে আপোনাৰ দ্বাৰা প্ৰৱৰ্তিত প্ৰবচনৰ দ্বাৰা যি উপদেশেৰে তৌৰাতক পৃথক বুলি ভবা হয় উল্লেখ কৰা হৈছে—

"তৌৰাত নবীসকলৰ সাৰমৰ্ম এয়াই" (মতী অধ্যায় ৭ আয়াত ১২)

সেয়ে পয়গম্বৰ দুই প্ৰকাৰৰ আৰু সেইসকল যি নতুন চৰিয়তলৈ আহে যিদৰে হজৰত মুছা নৱী আৰু সেইসকল যি প্ৰাচীন চৰিয়তক স্থাপন কৰিবলৈ আহে। এই কাৰণে প্ৰাচীন চৰিয়ত নানা প্ৰক্ষেপকৰ দ্বাৰা বাস্তৱিকতাৰ পৰা আঁতৰলৈ গ'ল, যেনেকৈ ইলিয়া,ইয়াছইয়া, হজকিল, দানিয়াল আৰু মছীহ (আঃ)। হজৰত মিৰ্জা গোলাম আহমদ চাহেব মছীহে মাওউদৰ ঘোষণাকো অন্তিম প্ৰকাৰৰ পয়গম্বৰৰ সমান এক 'নৱী' বা অৱতাৰ আছিল বুলি উল্লেখ কৰিছে। আপোনাৰ ঘোষণা বিশেষকৈ এই বিষয়ত আছিল যে যেনেকৈ হজৰত মুছাৰ জাতিৰ অন্তিম অধিকাৰী হজৰত ঈছা মছীহ আছিল সেইদৰে ইছলাম ধৰ্মৰ অন্তিম অধিকাৰী আপুনি আছিল। এই কাৰণতে আহমদীয়া সম্প্ৰদায়ক আন মুছলমান সম্প্ৰদায়তকৈ সেই স্থানত স্থাপিত কৰিব লাগে যাৰ ওপৰত ইহুদীৰ সন্মুখত মছীহা সম্প্ৰদায় আছিল। আমি ইয়াক বিশ্বাস কৰো যে খোদাৰ সৰ্বশ্ৰেষ্ঠ অৱতাৰ হজৰত মহম্মদ (ছাঃ) মুছাৰ সেই ভৱিষ্যতবাণী পূৰণ কৰিবলৈ লৈছিল যি ইছতাছনা অধ্যায় ১৮ আৰু আয়াত ১৮ ত বনী ইছৰাইলৰ ভায়েক সকলৰ ভিতৰত মুছাৰ নিচিনা এজন নৱী অৰ্থাৎ চৰিয়তধাৰী নৱী সম্পৰ্ক আছে। আপুনিও এজন নৱীৰ চৰিয়তক আনিছিল আৰু বনী ইছৰাইলৰ ভায়েক বনী ইছমাইলৰ মাজত আছিল। সেয়ে আপোনাৰ দ্বাৰা সেই ভৱিষ্যবাণী সত্য সিদ্ধ হৈছিল। পৱিত্ৰ কোৰাণে এই বিষয়ত তলত শব্দকেইটা উল্লেখ কৰিছে—

إِنَّآ أَرْسَلْنَآ إِلَيْكُمْ رَسُولًا شَاهِدًا عَلَيْكُمْ كَمَآ أَرْسَلْنَآ إِلَىٰ فِرْعَوْنَ رَسُولًا ﴿١٦﴾ (73:16)

অৰ্থাৎ মই তোমালোকৰ মাজলৈ এজন পয়গম্বৰ পঠাইছো যি চৰিয়তৰ সিদ্ধান্ত আৰু আদৰ্শত নিজৰ নিৰীক্ষণক অনুসৰণ কৰাই তাক দৃঢ়তাৰে স্থাপন কৰিব। যিদৰে মই ফিৰাউনৰ প্ৰতি মুছাক প্ৰেৰণ কৰিছিলোঁ। এতিয়া যদি হজৰত মহম্মদ (ছাঃ) মুছাৰ দৰে আছিল তেন্তে ইয়াক স্বীকাৰ কৰিব লাগিব যে দ্বিতীয় মছীহ যাৰ সম্পৰ্কত খোদায়ে প্ৰতিশ্ৰুতি দিছিল। তেওঁ আপোনাৰে চৰিয়তক প্ৰচলনকৰ্তা আৰু স্থাপিত কৰোতা হওঁক। যিদৰে হজৰত ঈছা মছীহাই তৌৰাতৰ সিদ্ধান্তক আৰু নিয়মক সংসাৰত স্থাপন কৰিবলৈ আহিছিল। তেওঁৰ সম্প্ৰদায় ইছলামৰ সেই সম্পৰ্ক হওঁক যি সম্পৰ্ক প্ৰাৰম্ভিক শতাব্দীত মছীহি ধৰ্মৰ ইহুদী ধৰ্মৰ লগত আছিল।

এই ব্যাখ্যাৰ পৰা আপোনালোক বিজ্ঞসকলৰ এই কথা স্পষ্ট হৈ পৰিল যে ইছলাম আৰু আহমদীয়তৰ কি সম্পৰ্ক আছে কিন্তু এতিয়ালৈকে স্পষ্ট নহ'ল আহমদীয়তৰ কি মহত্ব আছে? এটা কথাৰ ফালে মই প্ৰথমৰে পৰা ইংগিত দি আহিছো যে এনে অৱতাৰ কোনো এক কাৰ্য চৰিয়ত অবিহনে আহে আৰু এনে হয় যে সময়ৰ চক্ৰৰ পৰা যি অশুদ্ধ বিচাৰধাৰা সেই ধৰ্মত প্ৰৱেশ কৰে তাক আঁতৰ কৰি বাস্তৱ সত্যক প্ৰকাশ কৰে। এয়া এক বহু ডাঙৰ কাৰ্য। প্ৰয়োজন হেৰাই যোৱা প্ৰাচীন বস্তুক বিচাৰি দিয়া তেনে এক মহান কাৰ্য যিদৰে নতুন বস্তুক আনি দিয়া। কিন্তু আমাৰ বাবে হজৰত মছীহ মাওউদৰ কাম ইয়াতকৈ ডাঙৰ আছিল। কিন্তু সেই কাৰ্যক বুজিবলৈ ইয়াক আৱশ্যক যে প্ৰথমতে ইয়াক বুজি লোৱা হওঁক যে আমি পৱিত্ৰ কোৰাণক কি বুলি ভাবো। আমি আন মুছলমানৰ বিপৰীতে এই বিশ্বাস কৰো যে পৱিত্ৰ কোৰাণৰ তাত্বিকতা প্ৰাচীন কালৰে পৰা সমাপ্ত হোৱা নাই আৰু পৱিত্ৰ কোৰাণ খোদাৰ সকলো ধ ৰণৰ গ্ৰন্থৰ মাজত সম্পূৰ্ণ গ্ৰন্থ আৰু সকলো প্ৰকাৰৰ খোদাৰ বাণীৰ কাৰণে চৰ্ত থাকে যে যিদৰে খোদাৰ কৃপা অসীম আচৰিত বস্তুৰ ভাণ্ডাৰ যি সময়ৰ প্ৰয়োজনত প্ৰতিফলিত হয় আৰু সেইদৰে খোদাৰ পৱিত্ৰ বাণী অসীম আশ্চৰ্যকৰ তথ্যৰ অক্ষয় কোষ যি প্ৰত্যেক আৰু আধ্যাত্মিকতাৰ আৰু চৰিত্ৰ সম্পৰ্কীয় প্ৰয়োজনৰ সময়ত উপচাৰ হিচাপে দেখা দিয়ে। সংসাৰ যেতিয়াৰে পৰা সৃষ্টি হ'ল খোদায়ে সদায় নতুন বস্তুৰ জন্ম নিদিয়ে কিন্তু তেওঁৰ এটা

বস্তুৰে ইমান আশ্চৰ্যকৰ বিশেষত্বৰ ৰহস্য এটাও বস্তু সংসাৰত এনেকুৱা নাই যাৰ বিষয়ত ইয়াকে ক'ব পৰা যায় যে তাৰ ৰহস্য স্ফুৰণ শেষ হৈ পৰিল আৰু এতিয়া তাৰ পৰা কোনো নতুন শক্তি অথবা তাৰ পৰা কিবা নতুন জ্ঞান লাভ কৰাটো অসম্ভৱ হৈ পৰিল। মানবীয় দেহৰ গোপন ৰহস্য আজিলৈকে সম্পূৰ্ণৰূপে প্ৰতিফলিত হোৱা নাই। এয়া অতি আঁতৰৰ কথা মানুহে নিজৰ অতিৰিক্ত কোনো গোপন ৰহস্য সন্মিলিত ৰূপত পূৰ্ণতাৰে অৱগত কৰিব পাৰে। সেয়ে যেতিয়া এই অৱস্থা প্ৰাকৃতিক বিধানৰ হয় যে যি ক্ষণ আৰু ৰাগিয়াল লাভৰ কাৰণে সৃষ্টি কৰা হৈছে তেন্তে ঐশ্বৰিক বাণী যি আধ্যাত্মিক চিকিৎসক আৰু কবিৰাজৰ ৰূপত কিমান আচৰিত তত্ত্ব আৰু গোপন ৰহস্যৰ আৰু লাভেৰে পৰিপূৰ্ণ হ'ব লাগে তথা তেওঁ গুপ্ত শক্তিৰ কোষ কিমান অসীম হ'ব লাগিব ? আমাৰ ওচৰত আৰু আমি ভাবো যে প্ৰতিজন বুদ্ধিমান মানুহৰ ওচৰত ইচ্ছাগত বাণীৰ মাজত এই বিশেষকতা পোৱাটো আৱশ্যক আৰু যি বাণীত এই বিশেষকতা নাই সেয়া কেতিয়াও ঐশ্বৰিক বাণী বুলি ক'ব পৰা নাযায়।

## পৱিত্ৰ কোৰাণ অসীম জ্ঞান ৰাশিৰ অক্ষয় কোষ

আহমদীয়া সম্প্ৰদায়ৰ প্ৰতিষ্ঠাপক হজৰত মিৰ্জা গোলাম আহমদ চাহেব কাদিয়ানীয়ে নিজৰ বিৰোধীসকলক- যি পৱিত্ৰ কোৰাণৰ অক্ষয় জ্ঞান ভাণ্ডাৰৰ বিষয়ে ইয়াক ভাবিছিল যে সেইবিলাক সকলো প্ৰথমৰ লোকসকলৰ মাজতে শেষ হৈ পৰিল, সম্বোধন কৰি এনেদৰে কৈছিল—

অৱগত হ'ব লাগে যে পৱিত্ৰ কোৰাণৰ সু -প্ৰতিষ্ঠাক প্ৰতিটো জাতি আৰু প্ৰতিটো ভাষাত প্ৰকাশ কৰিব পৰা যায়, যাক উপস্থিত কৰি আমি প্ৰতিজন মানুহক সেয়া লাগে ভাৰতীয় হওঁক অথবা ইৰাণী,ইউৰোপীয়ান আৰু আমেৰিকান নতুবা আন দেশৰ হওঁক আমি অভিযুক্ত, মৌন আৰু নিৰুত্তৰ কৰিব পাৰো। সেয়া অসীম জ্ঞান ভাণ্ডাৰ আৰু তথ্য তথা সূক্ষ্মবিদ্যা যি পৱিত্ৰ কোৰাণত বিদ্যমান যাক প্ৰত্যেক যুগত সৃষ্টিৰ আৰু আৱশ্যক অনুসৰি মুকলি হৈ পৰে তথা প্ৰত্যেক যুগৰ চিন্তা-ধাৰাৰ সন্মুখীন হ'বলৈ সশস্ত্ৰ চিপাহী বাহিনীৰ অপেক্ষা কৰি থাকে। যদি পৱিত্ৰ কোৰাণে নিজৰ সূক্ষ্ম তথ্য আৰু গভীৰ

ৰহস্য অনুসৰি যদি এক সীমিত সামগ্ৰী হোৱা হ'লে কেতিয়াও অলৌকিক আৰু সকলো প্ৰকাৰৰ আশ্চৰ্যক সম্পূৰ্ণৰূপে দাঙি ধৰিব নোৱাৰিল হয়। কেৱল ভাষাৰ উচ্চতা আৰু তাৰ কলাত্মক এনে কোনো বস্তু নাই যাৰ মান-প্ৰতিষ্ঠা প্ৰতিজন পঢ়া লিখা বা নিৰক্ষৰ লোকো অৱগত হৈ পৰে। তাৰ স্পষ্ট মান এয়া যে অসীম সূক্ষ্ম ভাণ্ডাৰ নিজৰ মাজত থৈ দিছে। যি ব্যক্তিয়ে পৱিত্ৰ কোৰাণ শ্বৰিফৰ এই মান প্ৰতিষ্ঠাক স্বীকাৰ নকৰে তেওঁ পৱিত্ৰ কোৰাণৰ জ্ঞান ভাণ্ডাৰৰ পৰা হতভগীয়া আৰু বঞ্চিত হ'ব।

হে খোদাৰ সত্তাৰ দাসসকল (হে মানৱসমাজ)! নিশ্চয় মনত ৰাখিবা যে পৱিত্ৰ কোৰাণে নিজৰ জ্ঞান ভাণ্ডাৰত সূক্ষ্ম বিদ্যা আৰু তত্ত্বৰ মান ইমান সম্পূৰ্ণমান যে যি প্ৰত্যেক যুগত কাম কৰিছে তথা প্ৰতিটো যুগত নিজৰ নৱীন অৱস্থাৰ সৈতে যিবিলাক সংবাদ উপস্থাপন কৰে অথবা যি প্ৰকাৰৰ উচ্চ জ্ঞান ভাণ্ডাৰ আৰু তাত্ত্বিকতাক ঘোষণা কৰে, তাৰ পূৰ্ণ সুৰক্ষা বিৰোধী আক্ৰমণৰ পূৰ্ণ উত্তৰ আৰু সুগঠিত ৰূপত সম্পূৰ্ণ সন্মুখীন পৱিত্ৰ কোৰাণে কৰিব পাৰে। কোনো ব্যক্তি ব্ৰাহ্ম সমাজী হওঁক, বৌদ্ধধৰ্মালম্বীৰ হওঁক, আৰ্য তথা যি কোনো প্ৰকাৰৰ দাৰ্শনিকৰ কোনো এনেধৰণৰ ঐশ্বৰিক সত্যতা উলিয়াব নোৱাৰে যি পৱিত্ৰ কোৰাণত প্ৰথমৰে পৰা নাছিল। পৱিত্ৰ কোৰাণৰ অনুপম সত্য আৰু তথ্য কেতিয়াওঁ সমাপ্ত হ'ব নোৱাৰে যি দৰে মানুহৰ প্ৰকৃতিৰ বাবে গ্ৰন্থ (ভৌতিক প্ৰকৃতি) অনুপম বিশেষত্ব কোনো আগৰ কাললৈকে সমাপ্ত হ'ব নোৱাৰে নিত্য নতুন উৎপন্ন হৈ থাকে সেই অৱস্থা পৱিত্ৰ গ্ৰন্থৰো কিয়নো খোদাৰ বাণী আৰু কামৰ মাজত সমতা আছে।" (ইজালা অ'হাম,প্ৰথম খণ্ড, পৃষ্ঠা-৩০৯-৩১১)

এয়া সেই সূক্ষ্ম তথ্য যি হজৰত মছীহ মাওউদ (আঃ)য়ে সংসাৰৰ সন্মুখত উপস্থাপন কৰিছিল। মুছলমানে ইয়াক বিচাৰ কৰে যে পৱিত্ৰ কোৰাণ সকলো প্ৰকাৰৰ সম্পূৰ্ণ গ্ৰন্থ; কিন্তু তেৰশ বছৰলৈকে তেওঁলোকৰ বুদ্ধি এই দিশলৈ যোৱা নাছিল যে সেয়া কেৱল পূৰ্ণয়ে নহয় অথচ এক কোষ হয় য'ত ভৱিষ্যত কালত আৱশ্যক হোৱা সামগ্ৰী গোপনে থোৱা আছে। তাক বিচাৰিলে বা গভীৰ ভাবে চিন্তা কৰিলেও সেই ধৰণৰ অথচ তাতকৈ ডাঙৰ জ্ঞান ভাণ্ডাৰৰ ৰহস্য উদ্ধাৰ হ'ব যেনে ধৰণৰ ঘটনা প্ৰকৃতি জগতত বিচাৰ কৰিলে জ্ঞানৰ

সূত্ৰ বিচাৰি পোৱা যায়। আহমদীয়া সম্প্ৰদায়ৰ প্ৰতিষ্ঠাপক হজৰত মিৰ্জা গোলাম আহমদ চাহেব কাদিয়ানীয়ে এই সূক্ষ্ম তথ্যক উপস্থাপন কৰাত আধ্যাত্মিক জগতত আৱিষ্কাৰৰ এক বিশাল দুৱাৰ মুকলি হৈ পৰিল যাৰ সন্মুখীন আধুনিক বিজ্ঞানৰ নানান সন্ধানেও কৰিব নোৱাৰে। হজৰত মিৰ্জা গোলাম আহমদ চাহেবে ইয়াকে কৰিলে যে সেই সমস্যাবোৰ যি সময় চক্ৰৰ পৰা বিকৃত হৈ পৰিছিল, বাস্তৱিক ৰূপত সংসাৰৰ সন্মুখত উপস্থিত কৰিলে যে তাৰ সমস্ত বৌদ্ধিক আৰু জ্ঞান সম্পৰ্কীয় আৱশ্যকতা যি এই যুগৰ পৰিস্থিতিত পুনৰ সলনি কৰাৰ কাৰণ ৰূপে দেখা দিছিল সেয়া পৱিত্ৰ কোৰাণৰ দ্বাৰা সম্পূৰ্ণ হৈ পৰিল তথা ভৱিষ্যতৰ কাৰণেও সকলো কঠিনতা আঁতৰ কৰা সম্বল আৰু তাক সমিধান কৰাৰ চাবি পোৱা গ'ল।

ইয়াত কি সন্দেহ আছে য়ে সংসাৰে এই সময়খিনিত কিছু সত্যতা আৰু কিছু সভ্যতা সম্পৰ্কীয় কঠিনতাৰ সমাধানৰ বাবে যন্ত্ৰ এটাৰ পিছত ঘূৰি ফুৰিছে। তাৰলৈকে যে কিছুমান লোকে ধৰ্মীয় গ্ৰন্থৰ মাজতো এই কঠিনতাৰ সমাধান প্ৰাপ্ত নোহোৱাত সেই গ্ৰন্থবিলাকক ঘৃণা কৰিবলৈ ধৰিলে আৰু কিছুমান লোকে নতুন চৰিয়ত নিমাৰ্ণৰ কাৰণে চিন্তা কৰি আছে। এনেধৰণে সংসাৰৰ কঠিনতাক অধিক বৃদ্ধি কৰি আহিছে যেনেকৈ এতিয়া আপোনালোকৰ প্ৰতি আৰ্বিভাৱ হ'ব সেই সকলো বিপত্তি আৰু কঠিনতাৰ সমাধান সেই শিক্ষাৰ প্ৰতি ধাৱিত হ'ব, সেই নিয়মৰ মাজত বিদ্যমান যাক আহমদীয়া সম্প্ৰদায়ৰ প্ৰতিষ্ঠাতা মিৰ্জা গোলাম আহমদ চাহেব কাদিয়ানীয়ে সংসাৰৰ সন্মুখত উপস্থাপন কৰিছে। সেই শিক্ষা আৰু নিয়ম পৱিত্ৰ কোৰাণত দ্ব্যৰ্থহীনভাবে বিদ্যমান আছিল কিন্তু তাৰ এটা ভাগৰ এনে অৱস্থা আছিল যে যিদৰে স্বচ্ছ আৰু বিশুদ্ধ পানীত বাহিৰৰ লেতেৰা পৰি গৈছিল আৰু কিছু অংশৰ অৱস্থা এনে আছিল যেনেকৈ পৃথিৱীৰ গৰ্ভৰ পৰা পানীৰ উৎস নিৰ্গত হৈ আছে কিন্তু আমি অৱগত নহয় যে সেয়া পানী হয়। আপুনি দুৰ্গন্ধময় পানীৰে স্নান কৰিলে আৰু পৃথিৱীক বিশুদ্ধ পানীৰ উৎসৰ বতৰা দিলে তথা চিৰকালৰ বাবে আমাৰ চকুৰ সন্মুখৰ পৰা আঁৰ কাপোৰ আঁতৰ কৰিলে আৰু সন্ধান তথা জ্ঞানৰ বিশাল দুৱাৰ মুকলি কৰি দিলে কিন্তু এই সীমাৰ ভিতৰত ইছলামৰ সেই স্বৰূপ যি

হজৰত মহম্মদ (ছাঃ)ৰ দিনত উপস্থাপন কৰা হৈছিল আৰু যাক খোদায়ে সদায় সংৰক্ষিত কৰি থ'ব বিচাৰে। সুৰক্ষিত হওঁক আৰু আধুনিক নৱীন আৱশ্যকতাৰ চৰ্তও হ'ব পাৰে।

উপযুক্ত বাস্তৱিকতাৰ স্পষ্টতা অৱগত হোৱাৰ পিছত এই কথাষাৰ বুজাত অতি সহজ হ'ব যে আহমদীয়া সম্প্ৰদায়ে পৱিত্ৰ কোৰাণ শ্বৰিফৰ ওপৰত সম্পূৰ্ণৰূপে বিশ্বাস কৰে আৰু নিজৰ মুছলমানসকলক কয় তথাপি বৰ্তমান যুগৰ মুছলমানৰ দলবোৰৰ মাজত এক সাধাৰণ দলগত সংকুচিত অৰ্থ য'ত প্ৰায় দল আৰু সম্প্ৰদায়ৰ কথা কোৱা হয়— নাই তথাপি নিজৰ ঘোষণা অনুসৰি আজিৰ তেৰশ বছৰৰ আগতে ইছলামক উপস্থাপন কৰা সম্প্ৰদায় হয়, যি পৱিত্ৰ কোৰাণৰ অসীম জ্ঞান ভাণ্ডাৰক আয়ত্ত কৰি নিজৰ আন ভ্ৰাতৃসকলক তাৰ অংশ প্ৰদান কৰাৰ বাবে স্থাপিত হৈছে। ইয়াৰ অস্তিত্ব বিশেষ কোনো ক্ৰমিক উন্নতিৰ পৰিমাপ নহয় বা কোনো সম্প্ৰদায় স্বাভাৱিক প্ৰৱাহৰ অন্তিম পৰ্যায় তথাপি সেয়া নতুন উৎসাহ যি দুটা দিশৰ ফালে অগ্ৰসৰ হৈছে। এটা তৰংগ অতীত কাললৈ অতি তীব্ৰতাৰে আগবাঢ়িছে আৰু আজিৰ তেৰশ বছৰৰ আগৰ সেই যুগলৈ গতি কৰিলে আৰু দ্বিতীয়টোৱে তাৰ বৰ্তমান আৰু ভৱিষ্যতৰ, যুগৰ আৱশ্যকতাক জপ কৰি গতি কৰিলে। এয়া এনে এক তৰংগ যি মাথোঁ কেৱল পূব আৰু পশ্চিমক মিল কৰা নাছিল তথাপি অতীত আৰু ভৱিষ্যতক একগোট কৰি দিলে। এতিয়া দ্ব্যৰ্থহীনভাৱে ক'ব পাৰি যে হজৰত মহম্মদ (ছাঃ) যাৰ ওপৰত অন্তিম আৰু সকলো প্ৰকাৰৰ চৰিয়ত অৱতীৰ্ণ হৈছে আৰু তাক পূৰ্ণতা প্ৰদান কৰা শ্ৰেষ্ঠ মানৱ আছিল তথা হজৰত মিৰ্জা গোলাম আহমদ চাহেব মছীহ মাওউদ (আঃ) ক যাক খোদায়ে পৱিত্ৰ কোৰাণৰ অক্ষয় জ্ঞান ভাণ্ডাৰৰ পৰা বিস্তাৰ তথা প্ৰতিটো যুগৰ প্ৰয়োজনীয়তাৰ উপচাৰত আধাৰিত সত্যতা আৰু বাস্তৱিক অভিব্যক্তি ব্যক্ত কৰাৰ বাবে পঠাইছে— সেই প্ৰকাশন আৰু প্ৰচাৰক পূৰ্ণতা প্ৰদান কৰা শ্ৰেষ্ঠ মানৱ আছিল যিদৰে প্ৰথম মানৱে মানৱতাক পূৰ্ণতা প্ৰদান কৰিছিল।

## আহমদীয়ত আৰু ইছলাম একেটা বস্তুৰে দুটা নাম

আহমদীয়া সম্প্ৰদায়ৰ এই সিদ্ধান্ত আৰু বিশ্বাসক উল্লেখ কৰাটো মোৰ প্ৰবন্ধৰ কাৰণে অতি আৱশ্যক আছিল কিয়নো যেনেকৈ মই উল্লেখ কৰিছিলোঁ যে আহমদীয়া কোনো নতুন ধৰ্মৰ নাম নহয়। যদি ইয়াক ব্যাখ্যা নকৰাকৈ মই আহমদীয়াৰ শিক্ষা আৰু সিদ্ধান্তৰ বিষয়ে বৰ্ণনা কৰো তেন্তে সেয়া পৱিত্ৰ কোৰাণ অনুসৰি তাৰ অৱমাননা হ'ব, আপোনালোকৰ বাবে এই কথাক বুজি উঠাত কঠিন হৈ পৰে যে মই আহমদীয়তৰ বৰ্ণনা কৰি আছো নে ইছলামৰ। এইদৰে নিশ্চয় আপোনালোক অৱগত হৈছে যে আহমদীয়ত আৰু ইছলাম একেটাই যাক এই যুগৰ যুগাৱতাৰ হজৰত মিৰ্জা গোলাম আহমদ মছীহ মাওউদ (আঃ) ৰ দ্বাৰা খোদাই উপস্থাপন কৰিছে।

তথাপি আহমদীয়াৰ ভেটি পৱিত্ৰ কোৰাণ আৰু ইছলামৰ চৰিয়তৰ ওপৰত নিৰ্ভৰ; কিন্তু এই আহমদীয়ত আন মুছলমান দলতকৈ সদায় পৃথক কিয়নো আহমদীয়াই নিজৰ শিক্ষাৰ দৃষ্টিৰে সেই চিন্তাধাৰাৰ পৰা যি এই সময়ত মুছলমানৰ বিভিন্ন দল আৰু পাৰ্টিৰ মাজত প্ৰৱাহিত হৈ আছে তাৰ পৰা নিশ্চয় পৃথক আৰু ভিন্ন। ইয়াৰ উপৰিও কেইটামান সত্যতাও আছে যি সমাজৰ পৰা বিলুপ্ত হৈ পৰিছে পুনৰ সেইবিলাকক সমাজৰ সন্মুখত উপস্থাপন কৰা হ'ল আৰু কেইটামান সত্য আৰু যি বৰ্তমান যুগত বিশেষ সম্পৰ্ক আছে ইয়াৰ আগতে লোকসকলৰ তাৰ প্ৰতি কোনো জ্ঞানেই নাছিল তাক উল্লেখ কৰা হ'ল। এনেদৰে পৱিত্ৰ কোৰাণৰ বহুকেইটা তথ্য যি শব্দৰ তলত ঢাকি থোৱা হৈছিল তাক উদ্ধাৰ কৰি জ্ঞানৰ ক্ষেত্ৰত সমৃদ্ধিশালী কৰি দিয়া হয়। সেয়ে যেতিয়া মই মোৰ নিৱন্ধত আৰু ব্যাখ্যাত ইয়াক উল্লেখ কৰো যে ইছলামৰ এই শিক্ষা যে তেন্তে তাৰ পৰা অভীষ্ট সেই শিক্ষা হ'ব যি আহমদীয়া দৃষ্টিকোণৰ পৰা বা আন লোকসকলে স্বীকাৰ কৰিছে বা নাই কৰা মই যেতিয়া ক'ব বিচাৰো যে আহমদীয়াৰ এই শিক্ষা ইয়াৰ তাৎপৰ্য সেই শিক্ষাই হ'ব যি ইছলামে উপস্থাপন কৰিছে। কোনো নতুন ইছলামিক শিক্ষা নহয়।

তথাপি ইয়াৰ আগতে মই সেই শিক্ষা আৰু বিশেষত্বক বৰ্ণনা কৰিব বিচাৰো যি আহমদীয়াই আন ধৰ্মৰ সন্মুখত অতি উৎসাহেৰে উপস্থাপন কৰে,

মই ভূমিকা আৰু প্ৰাককথন হিচাপে এই কথাক সংযোগ কৰিব বিচাৰিছো যিটো আৱশ্যক বুলি ভাবো তথাপি এই ধৰ্মীয় সন্মিলনৰ আয়োজকসকলে কোনো উদ্দেশ্যে মোক অৱগত কৰা নাই, মই ভাবো ধৰ্মীয় সন্মিলনৰ সকলোতকৈ প্ৰথমতে মহান উদ্দেশ্য এয়া হ'ব লাগে যে তেওঁলোকৰ দ্বাৰা লোকসকলৰ মাজত এই কথাৰ তুলনা কৰিবলৈ সুবিধা লাভ কৰে কোনটো ধৰ্মই তেওঁলোকৰ উদ্দেশ্য পূৰণ আৰু লক্ষ্য প্ৰাপ্তিত সহায়ক হ'ব পাৰে যি উদ্দেশ্যৰে ধৰ্মৰ সন্ধান কৰা হয়। সেয়ে যদিও এয়া আৱশ্যক নহয় এই নিৱন্ধবোৰত বা সেই ভাষণবোৰত যি উপলক্ষে পাঠ কৰা হয় প্ৰত্যেক আদৰ্শক উল্লেখ কৰা হওঁক কিন্তু এয়া আৱশ্যক যে প্ৰত্যেক ধৰ্মৰ মতবাদৰ স্তৰৰ এক সংক্ষিপ্ত কিন্তু সম্পূৰ্ণ চিত্ৰ উপস্থাপন কৰা হওঁক যাৰ দ্বাৰা জনতাই এই কথাৰ অনুমান কৰিব পাৰে যে এই ধৰ্মত সকলো গুৰুত্বপূৰ্ণ আৱশ্যক পূৰ্ণ হোৱাৰ সকলো সামগ্ৰী বিদ্যমান আছে তথা সৰু কিছু কথাক কেন্দ্ৰ কৰি তেওঁলোকৰ ওচৰত হেঁচা প্ৰদান কৰা হোৱা নাই

দ্বিতীয় কথা এই উদ্দেশ্য পূৰণৰ বাবে আৱশ্যক যে প্ৰতিটো ধৰ্মৰ প্ৰতিনিধিয়ে নিজৰ ধৰ্মক উপস্থাপন কৰক; য'ত নিজৰ আভ্যন্তৰীণ চিন্তা-ধাৰাক সংযোগ কৰা নহয়। যদি এনে কৰা নহয় লোকসকলে কেতিয়াওঁ সত্যতা আৰু বাস্তৱিকতাক লাভ কৰিব নোৱাৰিব। বিবেচনা কোনো ভৌতিক বা বিশেষ বস্তু নহয় যাক বিভিন্ন ধৰ্ম অনুসৰি তলা বন্ধ কৰি থৈ দিব। যি সময়ত কোনো চিন্তাধাৰাক দাঙি ধৰা হয় সেয়া সৰ্বসাধাৰণৰ বস্তু হৈ পৰে। তাক লাগে গ্ৰহণ কৰক বা প্ৰয়োগ কৰক। সেয়ে এনে কোনো উপচাৰ উলিয়াব নেলাগে যাৰ দ্বাৰা বিদিত হ'ব পাৰি যে সেই চিন্তাধাৰা যাক কোনো ধৰ্মৰ তৰফৰ পৰা উপস্থিত কৰা হৈছে যে বাস্তৱত সেয়া তেওঁলোকৰে বা বক্তাই তাক কোনো আনৰ পৰা নকল কৰা নাই, কেতিয়াবা ধৰ্মৰ নিৰ্ণয় লওঁতে সুগমতা নহওঁক আৰু ঠিক তুলনা নহওঁক বা কোনো ধৰণৰ পৰিমাপ নহওঁক তথাপি লোকসকলৰ ক্ষতি হোৱাৰ পৰা সৰ্তক হ'ব লাগে, কিয়নো সাধাৰণলোকে ইয়াক নাভাবক সকলো ধৰ্ম এনেকুৱাই, ইয়াৰ পৰিণাম হিচাপে তেওঁ আনধৰ্মৰ প্ৰতিও ৰিক্ত হৈ পৰিব। হয় তেওঁলোকে চতুৰতাৰে এটা ধৰ্মক আনটো ধৰ্মৰ

লগতে যুক্ত কৰি আহিছে।

আহমদীয়া সম্প্ৰদায়ৰ প্ৰতিষ্ঠাপকে এই ভুল বিলাকৰ পৰা আঁতৰত থকাৰ বাবেই এক পৰামৰ্শ দাঙি ধৰিছে যাক তেওঁ সদায় নিজৰ প্ৰবন্ধ আৰু ব্যাখ্যাত প্ৰথমতে স্থান দিছিল আৰু যাক সন্মুখত ৰাখিলে অনুপযুক্ত ভুলবোৰ সদায় নাইকিয়া হৈ পৰে। সেয়া এইবিলাক যে প্ৰতিটো ধৰ্মৰ অধিবক্তাই নিজৰ ধৰ্মৰ লগত যি কথাৰ সম্বন্ধ উপস্থাপন কৰে তাৰ প্ৰমাণ নিজৰ ধৰ্মীয় গ্ৰন্থৰ পৰা দাঙি ধৰিব লাগে তথা ঈশ্বৰীয় গ্ৰন্থৰ পৰা অথবা সেই ব্যক্তিৰ টোকা বা ব্যাখ্যাৰ পৰা যাৰ ওপৰত গ্ৰন্থ অৱতীৰ্ণ হৈছিল। এই চৰ্তক মানি চলিলে গোপন হৈ থকা সেই পৰ্দা যি সত্যত ঢাকি ৰাখে সেয়া সদায় নাইকিয়া হৈ পৰিব পাৰে আৰু বাস্তৱত নাওঠ হৈ পৰিব পাৰে তথা এয়া ভালধৰণে স্পষ্ট হ'ব পাৰে যে কোনটো ধৰ্ম কোন প্ৰকাৰে সম্পূৰ্ণ তথা কোনটো ধৰ্ম অপূৰ্ণ যাৰ অনুসৰি তাৰ সম্পূৰ্ণতা প্ৰাপ্ত হোৱাৰ বাবে আনৰ ধৰ্মৰ শিক্ষা আৰু সিদ্ধান্তত চুৰ কৰি নিজৰ ধৰ্মৰ লগত সংযোগ কৰি আহিছে।

## প্ৰতিজন বক্তাই নিজৰ ঈশ্বৰীয় গ্ৰন্থৰ পৰা প্ৰমাণ উত্থাপন কৰক

কিয়নো ধৰ্মীয় সন্মিলনৰ আয়োজকে এই ধৰণৰ কোনো চৰ্ত ঘোষণা কৰা নাই, তথাপি মই আশা কৰো যে ভৱিষ্যতে যদি কোনো ধৰ্মীয় সন্মিলনৰ আয়োজন কৰা হয়, তেন্তে তাত এই চৰ্ত ৰাখিব লাগে যাতে লোকসকলৰ বাবে নিৰ্ণয় কৰাটো সহজ হয়। গতিকে আন ধৰ্মৰ প্ৰতিনিধিসকলে নিজৰ ব্যাখ্যাত এই চৰ্তক কদাপি দৃষ্টি নিদিব; কিন্তু মই নিজৰ বাবে এই প্ৰতিবন্ধকতা নিশ্চিত কৰিছোঁ যে মই যি শিক্ষাৰ ইছলাম আৰু আহমদীয়াৰ সম্পৰ্কৰ সন্দৰ্ভত উল্লেখ কৰিম সেয়া হ'ব যি আমাৰ ধৰ্মক উপস্থাপন কৰে নতুবা মই নিজেই তাক ক'ৰ বাৰ পৰা সংগ্ৰহ কৰি অস্থায়ী ৰূপত উল্লেখ কৰিছো। মই প্ৰথমৰে পৰা প্ৰতিটো কথাৰ প্ৰমাণ আৰু সকলো কথাৰ সাক্ষী নিজৰ ধৰ্মীয় গ্ৰন্থৰ পৰা উপস্থাপন কৰি যাম। যদি কোনো স্থানত অধিক বিস্তাৰৰ কাৰণে উদাহৰণক

এৰি দিওঁ তেন্তে প্ৰতিগৰাকী সুহৃদৰ অধিকাৰ আছে যে তেওঁ মোক সেই উদাহৰণ আৰু উপস্থাপনৰ বিষয়ে সোধক যাৰ সহায়ত মই সেই শিক্ষাৰ সম্পৰ্ক ইছলামৰ লগত সংযোজন কৰিছোঁ।

## ধৰ্মৰ চাৰিটা উদ্দেশ্য

এই প্ৰাককথনৰ পিছতেই মই মূল বিষয়লৈ আহিব বিচাৰিছো। সেয়ে মনত ৰাখিব লাগে যে ধৰ্মৰ মূল ডাঙৰ উদ্দেশ্য চাৰিটা।

প্ৰথম এয়া যে মানৱে নিজৰ আদি সূত্ৰ অৰ্থাৎ নিজৰ স্পষ্টা তথা জন্মদাতাৰ বিষয়ত সমুচিত সিদ্ধান্ত আৰু বিশ্বাস অৱগত কৰিব লাগে যিহেতু তেওঁৰ অলৌকিক বল শান্তিৰ ভাণ্ডাৰৰ পৰা লাভ অৰ্জন কৰাত বঞ্চিত হৈ নপৰে আৰু নিজৰ জন্মৰ প্ৰকৃত উদ্দেশ্যৰ দ্বাৰা যাক তেওঁ জন্মদাতা বুলি ক'ব পাৰে অসাৱধান হৈ নপৰে। এই উদ্দেশ্য পূৰণ কৰাত চাৰিটা কথাৰ স্পষ্টীকৰণ দিয়াটো আৱশ্যক হৈ পৰে।

(১) খোদাৰ সত্তা আৰু তেওঁৰ গুণৰ বিষয়ত বাস্তৱিকতাৰ বৰ্ণনা কৰা।

(২) ইয়াক উল্লেখ কৰিব যে খোদাৰ লগত মানুহৰ কি সম্পৰ্ক হ'ব লাগে।

(৩) ইয়াক উল্লেখ কৰিব যে কামৰ মাজেৰে মানুহে সেই সম্বন্ধ প্ৰতিফলিত কৰক বা মানুহৰ প্ৰতি খোদাৰ ফালৰ পৰা কি উত্তৰ দায়িত্ব আছে ।

(৪) খোদাক লগ পোৱাৰ পথ নিৰ্দেশ কৰক আৰু এই উদ্দেশ্যক এই সংসাৰত সম্পূৰ্ণ কৰি দেখুৱাক কিয়নো মানৱে খোদাৰ বিষয়ে এক কাল্পনিক জ্ঞানৰ পৰা নিলগত নিশ্চিত জ্ঞানৰ পৰ্যায়ত উপনীত হওঁক।

ধৰ্মৰ দ্বিতীয় উদ্দেশ্য এয়া যে মানুহক সম্পূৰ্ণৰূপে চৰিত্ৰৰ সম্পৰ্কত শিক্ষা প্ৰদান কৰক। এই উদ্দেশ্যক সম্পূৰ্ণ কৰা আৰু কৰ্মসূচী সম্পূৰ্ণ কৰাৰ বাবে নিম্নত উল্লেখিত সাতটা বিষয় উল্লেখ কৰাটো জৰুৰী হয়।

(১) সৎ চৰিত্ৰ কি হয়?

(২) অসৎ চৰিত্ৰ কি হয়?

(৩) সৎ চৰিত্ৰৰ বিভিন্ন স্তৰ কি হয়?

(৪) অসৎ চৰিত্ৰৰ বিভিন্ন স্তৰ কি হয়?

(৫) কোনো কথা পাপ আৰু কোনো কথাক পুণ্য কিয় কোৱা হয়?

(৬) সেই সাধন কি যাৰ দ্বাৰা সৎ চৰিত্ৰ লাভ কৰিব পৰা যায়?

(৭) সেই সাধন কি যাৰ দ্বাৰা মানুহে অসৎ চৰিত্ৰৰ পৰা ৰক্ষা পাব পাৰে?

আদৰ্শ চৰিত্ৰ বৰ্ণনাৰ ক্ষেত্ৰত উপৰোক্ত সাতটা কথাৰ উল্লেখ কৰাটো অতি জৰুৰী। ইয়াৰ অবিহনে এই উদ্দেশ্য কদাপি পূৰণ নহ'ব।

ধৰ্মৰ তৃতীয় উদ্দেশ্য হ'ল মানৱজাতিক সভ্যতাৰ সম্পৰ্কীয় আৱশ্যকতাক সম্পূৰ্ণ কৰা আৰু সমাধান এয়া যে কিয়নো খোদায়ে যেতিয়া মানৱজাতিক স্বভাৱগত ভাবে সমাজ প্ৰিয় হিচাপে সৃষ্টি কৰিছে এয়াও আৱশ্যক যে তেওঁ ইয়াৰ বাবে নিয়ম নিশ্চিত কৰক যাৰ দ্বাৰা সংসাৰত শান্তি স্থাপিত হয় আৰু প্ৰত্যেক জাতি তথা সম্প্ৰদায়ৰ লোকে নিজৰ অধিকাৰৰ সীমাৰ ভিতৰত বসবাস কৰে আৰু কোনোৱে কাৰোৰ সত্তাক যেন হেঁচা মাৰি থৈ নিদিয়ে বা নজনাকৈ ধৰি নাথাকে। ইয়াক চিন্তা কৰা হয় তেন্তে খোদাৰ অতিৰিক্ত আন কোনো সত্তাই সমাজৰ অধিকাৰক বৰ্ণনা কৰিব নোৱাৰে কিয়নো আন সকলো মানৱ ব্যক্তিগত লাভৰ কাৰণে এই বিশাল দৃষ্টিৰ পৰা বঞ্চিত হৈ আহিছে যিটো এই কামৰ বাবে আৱশ্যক হয়। সেয়ে এই সিদ্ধান্তসমূহক বৰ্ণনা কৰা যি মানৱ সভ্যতাৰ কাৰণে আধাৰশিলাৰ ৰূপত হওঁক ধৰ্মৰ মহত্বপূৰ্ণ কৰ্তব্যসমূহৰ মাজেৰে। যি ধৰ্মই এই উদ্দেশ্যসমূহ পূৰণ নকৰে তাক কেতিয়াওঁ ধৰ্ম বুলি কোৱাৰ অধিকাৰ নাথাকে। এই উদ্দেশ্যক পূৰণ কৰিবলৈ নিম্ন উল্লেখিত কথাবোৰ প্ৰতিফলিত কৰাটো ধৰ্মৰ কৰ্তব্য হ'ব লাগে।

(১) পাৰিবাৰিক জীৱনৰ প্ৰংসগত, অৰ্থাৎ আত্মীয় স্বজন আৰু তেওঁলোকৰ পাৰস্পৰিক সম্পৰ্কসমূহৰ লগত পৰিয়ালৰ সম্পৰ্কৰ বিষয়টো দাঙি ধৰা উচিত, কিয়নো এয়া মানৱ সভ্যতাৰ প্ৰথম ভাগ।

(২) ৰাষ্ট্ৰীয় আৰু ৰাজনৈতিক অধিকাৰক প্ৰতিফলিত কিদৰে উচিত ভাবে তাক পালন কৰিব পৰা যায়।

(৩) গৰাকী আৰু ভৃত্য বা ধনী আৰু দুখীয়াৰ সম্পৰ্কক প্ৰতিফলিত কৰা।

(৪) সেই ব্যৱহাৰকো প্ৰতিফলিত কৰিব লাগে যি এটা ধৰ্মৰলোকক আনটো ধৰ্মৰ লোকৰ লগত অথবা এখন ৰাজ্যৰ লোকে আন ৰাজ্যৰ লোকক কৰিব লাগে।

ধৰ্মৰ চতুৰ্থ উদ্দেশ্য হ'ল- মানৱৰ অন্তিম পৰিণামক বৰ্ণনা কৰা অৰ্থাৎ ইয়াক জনাব লাগে যে মানুহে মৃত্যুৰ পিছত ক'লৈ যাত্ৰা কৰে, তেওঁৰ প্ৰতি কেনে ব্যৱহাৰ হ'ব? আদি আদি। সেই উদ্দেশ্যসমূহ পূৰণ কৰাৰ বাবে নিম্ন উল্লেখিত বিষয়বোৰৰ স্পষ্টীকৰণ দিয়াটো আৱশ্যক—

(১) মৃত্যুৰ পিছত মানুহৰ চিৰস্থায়ী জীৱন আছে নেকি? যদি আছে সেই জীৱন কেনেকুৱা?

(২) যদি চিৰস্থায়ী জীৱন আছে সেই জীৱনৰ সৈতে সুখ আৰু দুখৰ সম্পৰ্ক কেনেকুৱা?

(৩) যদি এনে কোনো সম্পৰ্ক আছে, তাৰ স্বৰূপ কেনেকুৱা?

(৪) মৃত্যুৰ পিছতো মানুহৰ পাপ আৰু পুণ্যৰ পথলৈ যোৱা কিবা মাৰ্গ মুকলি হৈ থাকেনে? যদি আছে কেনেধৰণৰ?

উপৰোক্ত চাৰিটা উদ্দেশ্যৰ সন্দৰ্ভত কোনো ধৰ্মৰ শিক্ষাক অৱগত কৰিব হ'লে তেওঁলোকৰ নিজৰ ঘোষণাৰ সম্পৰ্কিত কোনো সমোচিত নিৰ্ণয় কৰিব পৰা যায়? মই এই উদ্দেশ্যবোৰৰ বিষয়ত আহমদীয়তৰ শিক্ষাক এই আশা আৰু বিশ্বাসৰ মাজেৰে উপস্থাপন কৰিছো যেতিয়া আপোনালোকে ন্যায়পৰায়ণতাৰে এই বিষয়ত চিন্তা কৰিব তেতিয়া আপুনি আশ্বস্ত হৈ পৰিব যদি সেই চাৰিটা উদ্দেশ্যক কোনোবাই পূৰণ কৰিব পাৰে সেই ধৰ্ম হৈছে ইছলাম।

**ধৰ্মৰ প্ৰথম উদ্দেশ্য**

উদ্দেশ্য — ১

## খোদাৰ সম্পৰ্কত ইছলামৰ শিক্ষা

যিদৰে মই ওপৰত উল্লেখ কৰি আহিছো যে এই বিষয়টো চাৰিটা প্ৰশ্নৰে বিভক্ত। সেয়ে মই চাৰিটা প্ৰশ্নক ক্ৰম অনুসৰি গ্ৰহণ কৰি তাৰ সন্দৰ্ভত ইছলামৰ শিক্ষাৰ বিষয়ে আলোচনা কৰিম।

(১) ধৰ্মৰ প্ৰথম উদ্দেশ্যৰ সম্পৰ্কত মোৰ প্ৰথম প্ৰশ্ন এয়া যে সেই ধৰ্মত খোদাৰ সত্তা কি আৰু তেওঁৰ গুণৰ বিষয়ৰ সম্পৰ্কত কি শিক্ষা দিয়া হৈছে? তেন্তে মই মনত পেলাব বিচাৰো যে ইছলামে খোদাক সকলো প্ৰকাৰৰ পৰা

সম্পূৰ্ণ সত্তা বুলি উল্লেখ কৰিছে যাৰ মাজত সকলো বিশেষকত্ব একগোট হৈ আছে। সেয়ে পৱিত্ৰ কোৰাণৰ আৰম্ভ এই শব্দৰ পৰা হৈছে যে—

(1:2) اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ ۙ۝۲

সকলো প্ৰকাৰৰ প্ৰশংসাৰ পাত্ৰ খোদা হয় আৰু কিয়নো তেওঁ সমগ্ৰ ব্ৰহ্মাণ্ডৰ জন্ম দিওঁতা আৰু তাৰ স্ৰষ্টা তথা তাৰ পালনকৰ্তা। কিয়নো প্ৰতিটো বস্তু তেওঁৰ দ্বাৰা সৃষ্টি হৈছে আৰু তেওঁৰে লালন-পালনত আশ্ৰিত, সেয়ে যি বিশেষত্ব সংসাৰৰ কোনো বস্তুত দৃষ্টিগোচৰ হয়, তাৰ প্ৰশংসাৰ অধিকাৰো প্ৰকৃততে খোদাৰে প্ৰাপ্য কিয়নো তেওঁ যিখিনি প্ৰাপ্ত হৈছে সেই বিলাক খোদাৰে পৰা প্ৰাপ্ত হৈছে। এক সুন্দৰ দৃশ্য , এটা সুন্দৰ পৰিৱেশ এক সোৱাদময় খাদ্য, এক শীতল তথা কোমল বিচনা, এটা সুন্দৰ কণ্ঠ আদি যিমান সুন্দৰ বস্তু আছে যাক অনুভৱ কৰি মানুহৰ জ্ঞানেন্দ্ৰিয়ত আনন্দ আৰু সুখ অনুভৱ হয়,সেই সকলো বিলাক বস্তুৰ সৌন্দৰ্য ঈশ্বৰ প্ৰদত্ত। পুনৰ খোদাৰ কথন হৈছে যে মানুহৰ সন্মুখত যিমানবিলাক আৱশ্যকতা উপস্থিত হ'ব লগা আছে তথা যিধৰণৰ সামগ্ৰীৰ তেওঁলোকৰ প্ৰয়োজনতা আছে সেইসকলোবিলাক খোদাৰ পাৰিতোষিকৰ স্বৰূপ তথা আশীৰ্বাদৰ ৰূপত উৎপন্ন হয়। উদাহৰণ স্বৰূপে পোহৰ বা অগ্নি, পানী,বায়ু তথা নানান প্ৰকাৰৰ ব্যঞ্জন, দৰৱ, খৰি, লো আৰু শিল। যদিও মানুহৰ পৰিশ্ৰম আৰু যত্নৰ বাবেই খোদা তালাই ইমানবিলাক সামগ্ৰীৰ উৎপন্ন কৰি দিছে যে তেওঁলোকে যি ফালেই লক্ষ্য নকৰক নিজক ব্যস্ত কৰাৰ কাৰণে তথা নিজৰ জ্ঞান আৰুকৌশলৰ উন্নতি অৱশ্যই লাভ কৰিব। ইয়াৰলৈকে যে কোনো মানবীয় আৱশ্যকতা নাথাকিলেও খোদাইয়ে এনে কিছুমান সামগ্ৰী মানুহৰ জন্মৰ পূৰ্বে উৎপন্ন কৰি দিয়া নাছিল। একেদৰে খোদাৰ নাম পৱিত্ৰ কোৰাণত **'ৰহিম'** বুলি উল্লেখ কৰা হৈছে, তেওঁ প্ৰত্যেক পৰিশ্ৰমৰ আৰু প্ৰচেষ্টাৰ উচিত আৰু শ্ৰেষ্ঠ পৰিণাম উৎপন্ন কৰে, যিমানকোনোবাই পৰিশ্ৰম কৰে সিমানেই তাৰ প্ৰতিফল লাভ কৰে। মানৱৰ পৰিশ্ৰম কেতিয়াওঁ ব্যৰ্থ নাযায় যদিও সদায় তাৰ ফলাফল উৎপন্ন হৈ থাকে।

পুনৰ এই বুলি উল্লেখ কৰা হৈছে খোদা, ন্যায়ৰ দিনা- যিদিনাখন

শাস্তি বা পুৰস্কাৰ লাভ হ'ব- তাৰ গৰাকী অৰ্থাৎ সেই পৰিণামৰ অতিৰিক্ত যি তেওঁৰ ফালে আৰু প্ৰাকৃতিক বিধানৰ অনুসৰি সৃষ্টি হয় তথা সেই পাপী আৰু কুকৰ্মৰ অতিৰিক্ত যি হাতত হাত মিলাই থাকে, তাক প্ৰতিটো কাৰ্যৰে এটা সীমাবান্ধি দিয়া হৈছে য'ত উপনীত হৈ তাৰ অন্তিম নিৰ্ণয় হৈ যায়। সৎকৰ্মী আৰু পুণ্যময় প্ৰতিকাৰ তথা কুকৰ্ম আৰু কুকৰ্মীয়ে দণ্ড ভোগ কৰে কিন্তু এই প্ৰতিকাৰ খোদাৰ সত্যতাৰ দ্বাৰা হয়। যদি তেওঁ বিচাৰে তাক ক্ষমাও কৰি দিব পাৰে।

এইদৰে খোদাৰ বিষয় উল্লেখ হৈছে যে তেওঁ 'কাদিৰ' হয়। তেওঁ প্ৰতিটো বস্তু আৰু প্ৰতিটো বস্তুৰ প্ৰভাৱ তথা প্ৰতিটো বস্তুৰ পৰিমাণৰ সংখ্যা নিৰ্ণয় কৰে যে যাৰ কাৰণে সংসাৰৰ চক্ৰ চলি আছে। যদি এই হিচাপ নাথাকিল হয় তেন্তে সংসাৰ অন্ধকাৰ হৈ পৰিল হয়। কিয়নো মানুহে ব্যৰ্থ কাৰ্যক ত্যাগ কৰিল হয়। খাদ্য ৰন্ধা ৰান্ধনীয়ে খাদ্য বনাবলৈ জুই জ্বলাই, তেওঁ নিশ্চয় জানে ই গৰম উৎপন্ন কৰিব। এয়া যদি বিধান নহ'ল হয় তেন্তে জুইৰ বাবে জ্বলোৱ কামটো নিশ্চিত নহ'ল হয় অথবা পানীৰ কাৰণে নিৰ্বাপিত কৰা কাম। কেতিয়াবা জুইয়ে গৰম উৎপন্ন কেতিয়াবা ঠাণ্ডা পানীয়ে কেতিয়াবা জুই নিৰ্বাপিত কৰে কেতিয়াবা জ্বলাই, তেন্তে আজি মানুহে যিদৰে এই সমাগ্ৰীৰ পৰা লাভ অৰ্জন কৰে কেতিয়াও নুঠালে হয় যদি ইয়াৰ পৰিণাম নিশ্চিত নহ'ল হয় কাৰণ উৎসাহীন হৈ বহি পৰিল হয় আৰু নষ্ট হৈ পৰিল হয়।

এইদৰে সেই বিশেষত্বক উল্লেখ কৰা জনক 'আলিম' বুলি কয় অৰ্থাৎ এক এক কণাৰ তেওঁৰ জ্ঞান থাকে। তেওঁ হৃদয়ৰ গুপ্ত ভেদ তথা পৰ্দাৰ ভিতৰৰ ৰহস্য তথা মানৱ প্ৰকৃতিৰ সকলো গোপন ৰহস্য লগত ভালদৰে পৰিচিত হলেও যাক মানুহেও নিজেই নাজানে। পৃথিৱীৰ গৰ্ভত ডুবি থকা অথবা পৰ্বতৰ শিখৰত থকা সকলো বস্তু তেওঁৰ বাবে সমান। তেওঁ অতীত কালৰ ঘটনাৰ লগতো পৰিচিত, বৰ্তমান কালৰো তেওঁৰ ধ্যান আছে তথা ভৱিষ্যতে কিবা হ'ব লগা আছে তাৰ পূৰ্ণ জ্ঞান আছে। তেওঁ শ্ৰোতা, যি শুনি থাকে। গোপনতকৈ গোপন ৰহস্যৰো তেওঁৰ জ্ঞান আছে। সৰুতকৈ সৰুকে কোৱা কথাক তেওঁ শ্ৰৱণ কৰিব পাৰে। চুটিকৈ চুটি পদধ্বনিও তেওঁৰ শ্ৰৱণ

শক্তিৰ পৰা বাচি যাব নোৱাৰে তথা মানুহৰ শিৰা আৰু তেজত চলাচল কৰা স্পন্দনৰ পৰা যি শব্দ উৎপন্ন হয় তাকো তেওঁৰ শ্ৰৱণ শক্তিৰ পৰা আঁতৰি নাযায়। তেওঁ খোদা তেওঁ নিজেই জীৱিত আৰু আনক জীৱন দান দিয়ে। তেওঁ 'খালেক' অৰ্থাৎ স্বয়ং উৎপন্ন হয়। তেওঁ 'কায়ুম' অৰ্থাৎ আনক নিজৰ সহায়ৰে স্থিৰ কৰি ৰাখে। তেওঁ 'ছামাদ' অৰ্থাৎ কোনো বস্তু তেওঁৰ সহায়ৰ অবিহনে জীয়াই থাকিব নোৱাৰে। তেওঁ 'গফুৰ' অৰ্থাৎ মানুহৰ ভুলক তেওঁ ক্ষমা কৰি দিয়ে। তেওঁ 'কাহহাৰ' অৰ্থাৎ প্ৰতিটো বস্তু তেওঁ শক্তিৰ অধিকাৰত আছে। তেওঁ 'জাব্বাৰ' অৰ্থাৎ নিজৰ ভক্তক ভৰপূৰ পুৰষ্কাৰ প্ৰদান কৰে। তেওঁ' কুদ্দুছ' অৰ্থাৎ তেওঁ সকলো প্ৰকাৰৰ পৱিত্ৰতাৰ ভাণ্ডাৰ হয়। তেওঁৰ টোপনি নাহে, তেওঁৰ ভাগৰো নাই, তেওঁ সদায় আৰু নিজৰ সত্তাত বিদ্যমান থাকিব। তেওঁ 'মুহায়মিন' অৰ্থাৎ প্ৰত্যেক বস্তুৰ ৰক্ষক। মানুহৰ নানান প্ৰকাৰ দুখ-বিপত্তি তথা ক্লেশৰ পৰা যি মানৱ একেবাৰে অনভিজ্ঞ হয় তাৰ পৰা তেওঁ সুৰক্ষিত কৰে। কিমানবাৰ যে তেওঁ ৰোগত পৰে, দুৰ্ঘটনাৰ স্বীকাৰ হৈ থাকে কিন্তু খোদাৰ দ্বাৰা সূক্ষ্মতকৈ সূক্ষ্মতম গুপ্ত সাধনৰ দ্বাৰা তেওঁক সুৰক্ষা দিয়া হয়। ৰোগে জন্ম গ্ৰহণ কৰে শৰীৰত আৰু তাৰ বিষ উপশম কৰাৰ সাধনো উৎপন্ন হ'ব ধৰে। যেতিয়া মানুহ সদায় অসাৱধান নহয় আৰু প্ৰাকৃতিক বিধানক ভংগ কৰাৰ বাবে ককালত টঙালি নাবান্ধে তেওঁ বহুকেইটা দুষ্টপৰিণামৰ পৰা সুৰক্ষিত থাকে। খোদায়ে উল্লেখ কৰিছে—

وَلَوْ يُؤَاخِذُ اللّٰهُ النَّاسَ بِظُلْمِهِمْ مَّا تَرَكَ عَلَيْهَا مِنْ دَآبَّةٍ

(16:62)

অৰ্থাৎ যদি খোদায় তেওঁৰ অপ্ৰাকৃতিক আৰু অস্বাভাৱিক ক্ৰীড়াকলাপক ধৰিবলৈ লগালে হয় তেন্তে সংসাৰৰ এটা জীৱই সুখ নাপালে হয়।

لَهُ الْاَسْمَآءُ الْحُسْنٰى ط অৰ্থাৎ সকলো প্ৰকাৰৰ সুন্দৰ আৰু পুণ্যৰ নাম তেওঁৰে প্ৰাপ্তি। তেওঁৰ দয়া প্ৰত্যেককে আগুৰি আছে। যেনেকৈ খোদায়ে কৈছে—

(7:157) وَرَحۡمَتِیۡ وَسِعَتۡ کُلَّ شَیۡءٍ ؕ

অৰ্থাৎ—মোৰ দয়া প্ৰতিটো দ্বিতীয় বস্তুটো আচ্ছাদিত, তাৎপৰ্য এয়া যে খোদা প্ৰকোপৰ বাবে বিশেষকত্ব আৰু দয়াৰ কাৰণে বিশেষকত্বৰ অধীন।

খোদাৰ অনুপম, অৰ্থাৎ কোনো বস্তু তেওঁৰ সমান নহয়। তেওঁ একক- অৰ্থাৎ সকলো বস্তুৰ জন্ম তেওঁৰ নিৰ্দেশত হৈছে। খোদা সকলোৰে প্ৰাৰম্ভিক বিন্দু হয়।

একেদৰে খোদাৰ বহু নাম কোৰাণ শ্বৰিফত বৰ্ণনা কৰা হৈছে যাৰ পৰা অৱগত হ'ব পাৰি যে ইছলাম এনেকুৱা সৰ্বপ্ৰকাৰৰ সম্পূৰ্ণ খোদাক সংসাৰৰ সন্মুখত উপস্থাপন কৰে যি সেই দুটা বিশেষত্ব নিজৰ মাজত একত্ৰ কৰি ৰাখে অৰ্থাৎ প্ৰেম আৰু ভয়ৰ কাৰণক যাৰ অবিহনে কেতিয়াওঁ কোনো পূৰ্ণ সম্পৰ্ক উৎপন্ন কৰিব নোৱাৰে।

প্ৰতিজন বুদ্ধিমান ব্যক্তিয়ে বুজিব পাৰে যে পূৰ্ণ আজ্ঞাকাৰী আৰু পূৰ্ণ সংগঠন সদায় দুটা সাধনৰ পৰা হয়। প্ৰেম আৰু ভয়ৰ পৰা। নিঃসন্দেহ প্ৰেমৰ সম্পৰ্ক উত্তম আৰু সকলো প্ৰকাৰে সম্পূৰ্ণ তথা শ্ৰেষ্ঠ হয় কিন্তু ইয়াৰ কোনো সন্দেহ নাই যে স্বভাৱ কেৱল ভয়ৰ পৰাহে । অৰ্থাৎ যেতিয়ালৈকে কোনো প্ৰকোপজনিত বিশেষকত্ব আৰু প্ৰেমগ্ৰথিত বিশেষকত্বই দুয়োটাতে বল নিদিয়ে আৰু দুয়োটাকে উপস্থাপন নকৰে, কেতিয়াওঁ সেই ধৰ্মই সকলো সংসাৰক লাভ প্ৰদান কৰিব নোৱাৰে। যদি সংস্কাৰ আমাৰ দৃষ্টিকোণ হয় তেন্তে আমি ইয়াক প্ৰত্যক্ষ নকৰো যে উচ্চ সমাজৰ লোকৰ কাৰণে কোনটো কাম কৰাটো, কিহৰ বাবে প্ৰেৰিত তথাপি আমি উচ্চপৰ্যায় আৰু নিম্নপৰ্যায় দুয়ো প্ৰকাৰৰলোকৰ অৱস্থালৈ দৃষ্টি ৰাখিব লাগিব, নহ'লে আমি সংস্কাৰৰ কামত ব্যৰ্থ হৈ পৰিম। কিন্তু সত্য কথাটো হ'ল যে উচ্চ পৰ্যায়ৰ লোকে নিজেই সত্যৰ প্ৰতি ধাৱিত হয়। আমি অধিক সেই লোকসকলৰ প্ৰতি চিন্তা কৰিব লগাত পৰো যি নিম্ন পৰ্যায়ৰ তেওঁলোক অৱস্থাৰ পীড়িত আৰু হানি হৈ পৰা তথা নিজৰ কৰ্তব্যক পাহৰি গৈছে। এনে লোকে কিছুমান অপবাদ জাপি দি প্ৰায় ভয়ৰ দ্বাৰাহে মানিব ধৰে আৰু যেতিয়ালৈকে তেওঁলোকৰ সন্মুখত ক্ষতিৰ

ভয় নাথাকে তেতিয়ালৈকে সংস্কাৰৰ প্ৰতি তেওঁলোক আকৰ্ষিত নহয়। গতিকে সেই ধৰ্ম যি খোদাৰ লগত সমগ্ৰ সমাজৰ সম্পৰ্ক স্থাপন কৰিব বিচাৰে তেওঁলোকৰ প্ৰতি মানৱ প্ৰকৃতিৰ ওপৰত গুৰুত্ব দিয়াটো প্ৰয়োজন হৈ পৰে। ইছলামে যি সাৱধানতাৰে খোদাৰ গুণবোৰ বৰ্ণনা কৰাত সন্তুলন ৰাখিছে সেয়া নিশ্চয় প্ৰতিটো প্ৰকাৰৰ মানৱ প্ৰবৃত্তিৰ উপচাৰত আধাৰিত। ইয়াতকৈ অধিক সম্পূৰ্ণ উপচাৰ আন ক'তো হ'ব নোৱাৰে। তেওঁলোকে খোদাৰ প্ৰকোপৰ বাবে বিশেষত্বকো উপস্থাপন কৰিছে তথা দয়াময় বিশেষত্বকো। কিন্তু লগতে ইয়াকো উল্লেখ কৰিলে—

(7:157) وَرَحۡمَتِیۡ وَسِعَتۡ کُلَّ شَیۡءٍ ؕ

অৰ্থাৎঃ— মোৰ দয়া প্ৰতিটো বস্তুতে বিৰাজিত। সেয়ে মোৰ দয়াই মোৰ খং নাইকিয়া কৰি দিয়ে কিয়নো মোৰ খং সংস্কাৰৰ দৃষ্টিৰে হয়, দুখ দিয়াৰ বাবে নহয়।

এই শিক্ষা খোদাৰ সত্তাৰ সম্পৰ্কত যেনেকৈ সম্পূৰ্ণ আৰু শ্ৰেষ্ঠ, তেনেকৈ স্পষ্ট হয়। যি উদ্দেশ্য ধৰ্মৰ সি এই শিক্ষাৰে অত্যন্ত উত্তম ভাবে সম্পূৰ্ণ হয় তথাপি এই শিক্ষা আনৰ তুলনাত কোনো উচ্চ পৰ্যায়ৰ নহয় কিয়নো যিমানলৈকে মই বুজিব পাৰিছো যে অধিকাংশ ধৰ্মই অলপ ভিন্নতাক অতিৰিক্ত শব্দগত ৰূপত এই শিক্ষাক উপস্থাপন কৰে আৰু ওপৰৰ দৃষ্টিৰে লক্ষ্য কৰা গৰাকী আচৰিত হৈ পৰিব যে কিয় তেন্তে পৰস্পৰ বিৰোধীতা? কিন্তু কথা এয়া যে প্ৰতিটো ধৰ্মৰ ঘোষণাই এটা প্ৰকাৰৰ শিক্ষাকে প্ৰদান কৰে এই কথাৰ পৰা লাগে যে কিছু লোকক মানৱ প্ৰকৃতিৰ এই নিৰ্ণয়ৰ সময়ত উপেক্ষিত কৰা হয়।

মই দেখিছো যে মানৱ প্ৰকৃতিত এই গুণ আছে যে কোনো কথাৰ অবিহনে কোনো বাহ্যিক সহায়ক স্বীকাৰ কৰি লয় অথবা অস্বীকাৰ কৰি দিয়ে। এনে কথাক স্বাভাৱিক কাৰ্য বুলি কোৱা হয়। লাগে কিছু দাৰ্শনিকে তেওঁলোকৰ স্বাভাৱিক কাৰ্য হোৱাৰ পক্ষত নাথাকিব পাৰে কিন্তু জনসাধাৰণৰ সেই বিষয়ত কোনো সন্দেহ নাই কিয়নো তেওঁলোক পৃথক স্বভাৱৰ হৈ পৰিছে।

এই কথাৰ বিৰুদ্ধে কিবা এটা উল্লেখ কৰি কোনো ব্যক্তিয়ে সফল হোৱাৰ আশা কৰিব নোৱাৰে। সেই কথাৰ ভিতৰত এয়া হ'ল যে এজন অসম্পূৰ্ণ ব্যক্তিক বাদ দি সমগ্ৰ মানৱ সমাজ এই কথাত একমত যে খোদাক এক সম্পূৰ্ণ সত্বা যাৰ কোনো ভুল বা ত্ৰুটি নাই। এতিয়া যদি কোনোবা ধৰ্মই এই ঘোষণা কৰে যে নহয়, খোদাৰো অমুক অমুক ভুল আছে তথা অমুক অমুক বিশেষত্ব তেওঁৰ মাজত নাই তেন্তে এনে ধৰ্মৰ প্ৰতি লোকসকলৰ মন কেতিয়াওঁ আকৃষ্ট নহ'ব। গতিকে ধৰ্মত এই নাম আৰু সংজ্ঞাৰ বিষয়ত ইমান বিৰোধীতা কেতিয়াওঁ হ'ব নোৱাৰে যি খোদাৰ ফালে সম্বন্ধিত কৰা হয় যদিও ধৰ্মৰ বিৰোধ সেই ব্যাখ্যাত হয়। যি সেই সংজ্ঞাৰ ভাষ্য বা টিকাক ভিন্ন ধৰ্ম অনুসৰি কৰে। এই সংগঠনৰ এয়া কাৰণ নহয় যে বাস্তৱত সকলো ধৰ্মৰ শিক্ষা এই বিষয়ত এক হ'ব যদিও ইয়াৰ কাৰণ হৃদয়ৰ অনুভূতিত হয় যে মানুহে এই নামৰ বাহিৰে আন নাম শুনিব নিবিচাৰে বা শুনিবলৈ প্ৰস্তুত নহয়। গতিকে ধৰ্মক তুলনা কৰিব যাওঁতে সদায় সেই ব্যাখ্যাক লক্ষ্য কৰিব লাগে যে এই নামৰ বিষয়ে বিভিন্ন ধৰ্মত কি বৰ্ণনা কৰিছে।

উদাহৰণ হিচাপে ধৰ্ম সেই বিষয়ত সহমত যে খোদা সমগ্ৰ বিশ্ব অৰ্থাৎ সমস্ত ব্ৰহ্মাণ্ডৰ স্ৰষ্টা আৰু পালনকৰ্তা হয়। সমগ্ৰ সৃষ্টিৰ স্পষ্টতা তথা তেওঁৰ যোগ্যতাৰ সীমাৰ ভিতৰত উন্নতি দিব পাৰে কিন্তু ইয়াৰ ব্যাখ্যা প্ৰদানৰ ক্ষেত্ৰত বিভিন্ন ধৰ্মৰ মাজত বহুতো পাৰ্থক্য দেখা যায়। মই এই সময়খিনিত আহমদীয়তৰ শিক্ষাৰ বৰ্ণনা কৰি আছো। মই সেই বিশেষত্বৰ অধীনত যি ইছলামৰ শিক্ষাই দিছে তাক স্পষ্ট কৰি দিওঁ।

এই কথা অৱগত হ'ব লাগে যে সেই বিশেষত্বৰ এই তাৎপৰ্য আৰু অৰ্থ হ'ব যে খোদা কোনো বিশেষ সম্প্ৰদায়ৰ স্ৰষ্টা নহয় যদিও তেওঁ সমগ্ৰ সৃষ্টিৰ স্ৰষ্টা। এই কাৰণে তেওঁ জন্মৰ কাৰণত বিশেষ জাতিৰ লগত সম্পৰ্ক নাই যদিও সকলো জাতি মানৱ হোৱাৰ কাৰণে তেওঁৰ বাবে সমান। যিদৰে ইউৰোপৰ লোকক লালন-পালন কৰে সেইদৰে এছিয়াৰ লোককো কৰে। যিদৰে আমেৰিকাৰ জনতাক পালন কৰাটো ঘোষণা কৰিছে সেইদৰে আফ্ৰিকাৰ উপজাতিকো পোহপাল দিয়াটো ঘোষণা কৰিছে। যিদৰে তেওঁ সকলো লোকক

শাৰীৰিক ভাবে পোহপাল দিয়ে তেনেকৈ আধ্যাত্মিক ভাবেও লালন-পালন কৰে। যদিও পৱিত্ৰ কোৰাণে এই তথ্যানুসৰি আশ্চৰ্যজনক তথ্য সংসাৰৰ সন্মুখত দাঙি ধৰিছে আৰু সেই যুগক উপস্থাপন কৰে যেতিয়া জাতীয় আৰু ৰাষ্ট্ৰীয়ৰ দূষিত বায়ু প্ৰৱাহিত হৈ আছিল যিহেতু মানুহে ইয়াকো নেজানিছিল যে আন দেশৰ মানুহে অৱতাৰবাদক কল্পনা কৰিছিল নে নাই কৰা।

وَاِنۡ مِّنۡ اُمَّةٍ اِلَّا خَلَا فِيۡهَا نَذِيۡرٌ ۝٢٥ (35:25)

অৰ্থাৎ ঃ—সংসাৰত এনে কোনো জাতি নাই যাৰ বাবে খোদাৰ ফালৰ পৰা তেওঁৰ প্ৰদৰ্শনাৰ্থে পয়গম্বৰ প্ৰেৰণ কৰা নাই। পুনৰ আন এক স্থানত উল্লেখ কৰিছে

وَلَقَدۡ بَعَثۡنَا فِىۡ كُلِّ اُمَّةٍ رَّسُوۡلًا اَنِ اعۡبُدُوا اللّٰهَ وَاجۡتَنِبُوا الطَّاغُوۡتَ ۚ
فَمِنۡهُمۡ مَّنۡ هَدَى اللّٰهُ وَمِنۡهُمۡ مَّنۡ حَقَّتۡ عَلَيۡهِ الضَّلٰلَةُ ؕ
فَسِيۡرُوۡا فِى الۡاَرۡضِ فَانۡظُرُوۡا كَيۡفَ كَانَ عَاقِبَةُ الۡمُكَذِّبِيۡنَ ۝٣٧
(16:37)

অৰ্থাৎ মই নিশ্চয় সকলো জাতিক এই সংবাদ দিছো যে প্ৰত্যেক জাতিত অৱতাৰ প্ৰেৰণ কৰিছোঁ যে খোদাক উপাসনা কৰক, দুষ্ট আৰু নীচ প্ৰকৃতিৰ মানুহৰ কথাত নাহিবা। সেয়ে কিছুমান লোকে খোদাৰ কৃপাত ঈমান আনিছে তথা তেওঁলোকে বিশ্বাস কৰিছে তথা কিছু পথভ্ৰষ্ট হৈছে (যি বিশ্বাস কৰা নাছিল) গতিকে সমগ্ৰ সংসাৰত ঘূৰি-ফুৰি চোৱা, তুমি প্ৰত্যেক জাতিতে পয়গম্বৰ আৰু অৱতাৰৰ সংবাদ লাভ কৰিবা তথা সেই লোকসকল যি খোদাৰ পয়গম্বৰক বিৰোধীতা কৰিছিল সিহঁতৰ শেষ পৰিণাম অৱগত হ'ব।

হজৰত মহম্মদ (ছাঃ)ৰ পৱিত্ৰ কথা য'ত সন্নিবিষ্ট তাক 'হদীছ' বুলি কোৱা হয়, তাত উল্লেখ আছে যে- কিছুলোকে হজৰত মহম্মদ(ছাঃ)ক প্ৰশ্ন কৰিলে যে ফাৰ্চি ভাষাত ঐশ্বৰিক বাণী হৈছে নে? তেতিয়া আপুনি উত্তৰ দিলে-'হৈছে'। ফাৰ্চি ভাষাতো এজন পয়গম্বৰে আন এজন পয়গম্বৰক ঐশ্বৰিক বাণী প্ৰেৰণ কৰিছিল। 'ৰব্বুল আলামীন' (সমগ্ৰ ব্ৰহ্মাণ্ডৰ সৃষ্টিকৰ্তা আৰু

পালনকৰ্তা)ৰ বিশেষত্ব অনুসৰি যি ইছলামে নতুনৰ অনুসন্ধান উপস্থাপন কৰিছে তাত দৃষ্টিপাত কৰা যে তেওঁ কেনেধৰণৰ বাক্যৰে সমগ্ৰ সংসাৰত আৰু ধৰ্মানুৰাগীৰ সন্মিলিত আছিল কেনে নতুন সত্যতা উৎপন্ন কৰি দিলে মানৱ জাতিৰ মাজত ভ্ৰাতৃত্বভাব আৰু সদভাৱৰ প্ৰচাৰ কৰি দিলে।

এই শিক্ষা অনুসৰি মুছলমানে কোনো ধৰ্মৰ পূৰ্বজ আৰু গুৰুৰ প্ৰতি ঘৃণা কৰিব নোৱাৰে। শ্ৰীকৃষ্ণ, শ্ৰীৰামচন্দ্ৰ, গৌতম বুদ্ধ, জৰতশ কনফুচিয়াছ আদি সেইদৰে এক মুছলমান অৱতাৰ, যিদৰে ঈছা আৰু মুছা। পাৰ্থক্য মাথোঁ ইমানেই তেওঁলোকৰ নাম যিহেতু পৱিত্ৰ কোৰাণত আহিছে তেওঁ তেওঁলোকতকৈ অধিক নিশ্চিত স্থানত আছে। ইছলামৰ স্থান সেই এটা তত্ত্বৰ কাৰণে কিমান শ্ৰেষ্ঠ হৈ পৰিছে। সংসাৰৰ যি কোনো স্থানত, কোনো ক্ষেত্ৰত, কোনো নতুন ধৰ্মত আৰ্বিভাৱ, কোনো জ্ঞানৰ উদ্ভৱ, কোনো নতুন পয়গম্বৰৰ সন্ধান আদি লাভ কৰিলে কোনো মুছলমানৰ হৃদয়ত এক বিৰোধভাৱ জাগি উঠি মন বিষময় হোৱাতকৈ  পৱিত্ৰ কোৰাণৰ সত্যতা প্ৰতিস্থাপন কৰাৰ বাবে কোনো বিভূতিৰ শুভসূচনা হৈছে বুলি ভাবিলৈ আনন্দিত হয় কিয়নো এয়া সত্য নহয় নে ইছলামৰ খোদা 'ৰব্বুল আলামিন' অৰ্থাৎ সমস্ত ব্ৰহ্মাণ্ডৰ সৃষ্টিকৰ্তা আৰু পালনকৰ্তা বুলি প্ৰমাণ কৰিছে লগতে উল্লেখ কৰিছে যে তেওঁৰ কৃপা আৰৱ দেশৰ বাবে বা শাম দেশৰ সীমাতে উপলব্ধ বুলি কোনো কথা নাই। সেইদৰে তেওঁৰ ভৌতিক সূৰ্য সংসাৰৰ প্ৰতিটো কোণত, প্ৰতিটো ক্ষেত্ৰত বিকিৰণ হয়, সূৰ্যৰ ৰশ্মি যিদৰে সকলোতে পৰে খোদাৰ পৱিত্ৰ কালামৰ জেউতি সকলো জাতিৰ ওপৰতে সমানে পৰে।

এই স্থানত এই সন্দেহ জাগ্ৰত হ'ব পাৰে যে যদি সকলো জাতি খোদাৰ দিশে ধাৱিত আৰু খোদাৰ পৰা আহিছে তেন্তে কিয় সকলোকে সত্য বুলি ধৰি  মানিব পৰা নাযায় আৰু ইয়াকো কিয় মানি লোৱা নহয় যে যি ধৰ্মতে নহওঁক কোনোবাই খোদাক যদি পাব বিচাৰে তেন্তে পাব পাৰে । এই সন্দেহৰ উত্তৰো পৱিত্ৰ কোৰাণত খোদায়ে দিছে। খোদায়ে উল্লেখ কৰা অনুসৰি—

تَاللّٰهِ لَقَدْ اَرْسَلْنَآ اِلٰٓى اُمَمٍ مِّنْ قَبْلِكَ فَزَيَّنَ لَهُمُ الشَّيْطٰنُ

اَعۡمَالَهُمۡ فَهُوَ وَلِيُّهُمُ الۡيَوۡمَ وَلَهُمۡ عَذَابٌ اَلِيۡمٌ ﴿٦٤﴾
وَمَاۤ اَنۡزَلۡنَا عَلَيۡكَ الۡكِتٰبَ اِلَّا لِتُبَيِّنَ لَهُمُ الَّذِى اخۡتَلَفُوۡا فِيۡهِ ۙ
وَهُدًى وَّرَحۡمَةً لِّقَوۡمٍ يُّؤۡمِنُوۡنَ ﴿٦٥﴾ (16:64-65)

অৰ্থাৎ ঃ— মোৰ নিজৰ সত্ত্বাৰ শপত যে তোমালোকৰ পূৰ্বে যিবিলাক জাতি আহিছিল মই সকলোলৈ পয়গম্বৰ প্ৰেৰণ কৰিছিলোঁ কিন্তু কিছু সময়ৰ পিছতেই কিছুমান মানুহে যি সত্যৰ পৰা আঁতৰত আছিল সেইসকলক আন কৰ্মত লীন কৰি দিয়া হ'ল। আজি এনেকৈ কিছু লোক সেইসকলৰ মিত্ৰ হৈ পৰিল সেয়ে তেওঁলোকৰ যন্ত্ৰণাদায়ক প্ৰকোপ নিশ্চিত আৰু মই তোমালোকক পৱিত্ৰ কোৰাণ মাথোঁ এই কাৰণে প্ৰদান কৰিছোঁ যে তোমালোকে সিহঁতৰ সন্মুখত ক'ব পাৰা আৰু সেই তথ্যবোৰ বৰ্ণনা কৰা যি কাৰণে সিহঁতৰ চিন্তাধাৰা সত্যৰ বিৰোধ হৈ পৰিল তথা এই কাৰণেও সেই গ্ৰন্থ (পৱিত্ৰ কোৰাণ) খোদাৰ ভক্তৰ বাবে পথ প্ৰদৰ্শক তথা সাক্ষাৎ কৃপা আৰু দয়াৰ স্বৰূপ হৈ পৰিল।

এই আয়াতত উল্লেখ কৰা হ'ল যে হজৰত মহম্মদ (ছাঃ)ৰ আগমনৰ পূৰ্বে সকলোবিলাক আগৰ গ্ৰন্থ আৰু শিক্ষা এক হৈ পৰিছিল চিন্তাধাৰা আৰু ব্যৱহাৰপাতি কল্পনা আদি তেওঁলোকৰ মাজতো প্ৰৱেশ ঘটিছিল। সেয়ে যদিও সেই গ্ৰন্থবোৰ বাস্তৱিকৰূপত খোদাৰ দ্বাৰা প্ৰদত্ত কিন্তু তাক তেওঁলোকৰ বৰ্তমান ৰূপ যিটো তেওঁলোকৰ বিকৃত ৰূপত স্বীকাৰৰ যোগ্য নাছিল তথা সেয়া ইয়াৰ যোগ্য নাছিল যে এতিয়া তাৰ ওপৰত কিবা আচৰণ কৰিব পৰা যায়। নতুবা তাৰ ওপৰত এই দৃষ্টিৰে বিশ্বাস কৰিব পৰা যায় যে এক সত্য জিজ্ঞাসুক খোদাৰ ওচৰলৈ নিব।

## খোদাৰ গুণৰ বিচাৰ আৰু বিবেচনা

খোদাৰ গুণৰ সন্দৰ্ভত এক প্ৰশ্ন - যাক সমিধান প্ৰতিস্থাপন কৰাটো ধৰ্মীয় গ্ৰন্থৰ কৰ্তব্য যে খোদা কিয় দেখা নাযায়? কিন্তু ইয়াক এয়া কৈ দিয়াটো সহজ যে এজন খোদা কিন্তু এয়া কঠিন যে তেওঁক বিভিন্ন বিশেষত্বৰ দ্বাৰা

উপস্থাপন কৰা যায়।

পৱিত্ৰ কোৰাণে এই উত্তৰ দায়িত্বক স্বীকাৰ কৰিছে আৰু খোদাৰ বিভিন্ন বিশেষত্বৰ প্ৰমাণসহ দাঙি ধৰিছে, উদাহৰণস্বৰূপে এই কথাৰ বিষয়ে যে খোদাৰ দৃষ্টিগোচৰ নাই হোৱা এনে নহয়। তেওঁ উল্লেখ কৰা অনুসৰি—

لَا تُدْرِكُهُ الْاَبْصَارُ ۫ وَهُوَ يُدْرِكُ الْاَبْصَارَ ۚ وَهُوَ اللَّطِيْفُ الْخَبِيْرُ ﴿١٠٤﴾
(6:104)

অৰ্থাৎঃ— খোদাক মানুহৰ ভৌতিক নেত্ৰই দেখা নাপায় কিন্তু তেওঁ নিজেই মানবীয় নেত্ৰৰ ওচৰলৈ আহে কিয়নো সেই নেত্ৰ তেওঁক দেখে। খোদা অতি সূক্ষ্ম হয়, সেয়ে, এই নেত্ৰই সেয়া দৃষ্টিগোচৰ নহয় তথা তেওঁ মানুহৰ অৱস্থাত পৰিচিত আৰু সচেতন হয়।

কেনেকৈ কম শব্দত সম্পূৰ্ণ প্ৰশ্নটোৰ সমিধান দিলে। সূক্ষ্ম বস্তুটো মানুহে দৃষ্টিগোচৰ নহয়। গতিকে তেওঁ সূক্ষ্ম খোদা যি সকলো সূক্ষ্ম বস্তুতকৈ অতি সূক্ষ্ম আৰু সেয়া কাৰোৰে সৃষ্টি নহয় তথাপি স্ৰষ্টা হয়। তেওঁ কোনো ধৰণৰ পদাৰ্থৰে নিৰ্মাণ হোৱা নাই লাগে সেয়া যিমানেই সূক্ষ্ম নহওঁক, কি ধৰণে দৃষ্টিগোচৰ হ'ব পাৰে? কিন্তু এফালে তেওঁ ইয়াকো লক্ষ্য কৰে যে তেওঁৰ ভক্তই তেওঁক লগ পোৱা অভিলাসী হয় তথা তেওঁৰ লগ পোৱাৰ বাবে ব্যাকুল। সেয়ে তেওঁ নিজেই ভক্তৰ ওচৰলৈ আহে আৰু তেওঁলোকৰ দৃষ্টিৰ সন্মুখত নিজক নিজেই দৃষ্টিগোচৰ কৰি দিয়ে অৰ্থাৎ তেওঁ নিজৰ শক্তিয়ে আৰু নিজৰ বিশেষত্বৰ প্ৰকাশৰ দ্বাৰা নিজৰ সত্ত্বাক ভক্তৰ ওচৰত দাঙি দৰে। এনেধৰণে ভক্তই জ্ঞান-জিজ্ঞাসাৰ দ্বাৰা খোদাৰ দৰ্শন লাভ কৰে। খোদাই নিজৰ সত্ত্বাৰ প্ৰমাণৰ বাবে সেয়ে কৈছে—

تَبٰرَكَ الَّذِيْ بِيَدِهِ الْمُلْكُ ۫ وَهُوَ عَلٰى كُلِّ شَيْءٍ قَدِيْرُ ۨ ﴿٢﴾ۙ
الَّذِيْ خَلَقَ الْمَوْتَ وَالْحَيٰوةَ لِيَبْلُوَكُمْ اَيُّكُمْ اَحْسَنُ عَمَلًا ؕ
وَهُوَ الْعَزِيْزُ الْغَفُوْرُ ﴿٣﴾ۙ

الَّذِىْ خَلَقَ سَبْعَ سَمٰوٰتٍ طِبَاقًا ؕ مَا تَرٰى فِىْ خَلْقِ الرَّحْمٰنِ مِنْ تَفٰوُتٍ ؕ فَارْجِعِ الْبَصَرَ ۙ هَلْ تَرٰى مِنْ فُطُوْرٍ ۝ ثُمَّ ارْجِعِ الْبَصَرَ كَرَّتَيْنِ يَنْقَلِبْ اِلَيْكَ الْبَصَرُ خَاسِئًا وَّهُوَ حَسِيْرٌ ۝ (67:2-5)

অৰ্থাৎ বদান্যতাৰ সূত্ৰ পুণ্য আৰু পৱিত্ৰ হয় সেইজনেই খোদা যাৰ অধিকাৰ সম্পূৰ্ণ ৰাজত্বত হয়, তেওঁৰ প্ৰতিটো বস্তুৰ ওপৰত অধিকাৰ আছে। তেওঁ খোদা, জীৱন আৰু মৃত্যুক এই কাৰণে সৃষ্টি কৰিছে যে ইয়াক প্ৰত্যক্ষ কৰিব পাৰে তোমালোকৰ মাজত কোন ব্যক্তিয়ে ভাল আৰু পুণ্য আচৰণ কৰে। অৰ্থাৎ তেওঁ জীৱনক কৰ্মৰ কাৰণে তথা মৃত্যুৰ নিৰ্ণয়ৰ কাৰণে প্ৰস্তুত কৰিছে কিয়নো এই জগতত পুণ্য ন্যায়ৰ বিধান হ'ব নোৱাৰে কিয়নো সেই লোকসকল এতিয়াওঁ কৰ্মৰ যত্নত লাগি আছে পুৰষ্কাৰ আৰু শাস্তিক লক্ষ্য কৰি তেওঁলোকৰ বাবে বিশ্বাস হ্ৰাস নহয়। তেওঁ খোদা সকলোৰে ওপৰত বিজয়ী আৰু অধিষ্ঠতা হয়, তেওঁ ক্ষমা প্ৰদানকাৰীও হয়। তেওঁৱে হয় যি সপ্তম উচ্চতাক এইদৰে উৎপন্ন কৰিলে যি প্ৰতিটো দ্বিতীয়ক সহায় কৰি আহিছে। গতিকে দয়ালু সৃষ্টিত কোনোধৰণৰ পাৰ্থক্য পোৱা নাযায়। তুমি নিজৰ চকুৰে লক্ষ্য কৰা তুমি কিবা হ্ৰাস বা কম দেখিছা নেকি? নিজৰ দৃষ্টি পুনৰ নিক্ষেপ কৰিব বিচাৰিলে, কিন্তু প্ৰতিবাৰে তোমাৰ চকু বিফল হৈ উভতিব এই অৱস্থাত সি ভাগৰি পৰিব । অৰ্থাৎ সমগ্ৰ সৃষ্টিক বিহংগমতাৰে দৃষ্টিপাত কৰা তেন্তে তুমি অৱগত হ'বা প্ৰতিটো প্ৰয়োজনৰ সমাধান বিদ্যমান। প্ৰতিটো বস্তু যি শক্তিলৈ উৎপন্ন হৈছে সেইধৰণে বস্তু উপলব্ধ হয় যাতে শক্তিক প্ৰয়োগ কৰিব পাৰে। এই সংসাৰত উৎপন্ন হোৱা অতি সূক্ষ্ম জীৱাণুৰ আৱশ্যকতা কোটি কোটি মাইল দূৰত্বত পৰিভ্ৰমণ কৰি তাক নক্ষত্ৰৰ দ্বাৰা পূৰণ হয়। গতিকে, আৱশ্যকতাৰ সীমা আৰু তাক পূৰণৰ ওপৰত দৃষ্টিপাত কৰা আৰু উপলব্ধি কৰা যে এই ব্ৰহ্মাণ্ডৰ কোনোবা স্ৰষ্টা আছে যি সৰুতকৈ সৰু আৱশ্যকতাক গুৰুত্ব দিয়ে

আৰু তাৰ পৰা আশা কৰে তথা প্ৰতিটো ইচ্ছাৰ পূৰণ তথা প্ৰত্যেক সত্য জিজ্ঞাসাৰ সাধন উৎপন্ন কৰি আহিছে।

খোদাৰ গুণৰ সম্পৰ্কত এই প্ৰশ্নও উত্থাপিত হয় যদি খোদা দয়ালু হয় যেনেকৈ কোৱা হয় যে তেওঁ নানা ভয়ংকৰ, হিংস্ৰ জন্তু আৰু পোক-পৰুৱাক কিয় জন্ম দিছে? তথা যন্ত্ৰণা, কষ্ট আৰু ৰোগক কিয় উৎপন্ন কৰিছে?

ইছলামে এই প্ৰশ্নৰো উত্তৰ উপস্থাপন কৰিছে কেৱল 'দয়ালু' বুলি উল্লেখ কৰি বাদ দিয়া নাই। সেয়ে পৱিত্ৰ কোৰাণত উল্লেখ কৰিছে—

اَلْحَمْدُ لِلّٰهِ الَّذِیْ خَلَقَ السَّمٰوٰتِ وَالْاَرْضَ وَجَعَلَ الظُّلُمٰتِ

وَالنُّوْرَ ۬ؕ ثُمَّ الَّذِیْنَ كَفَرُوْا بِرَبِّهِمْ یَعْدِلُوْنَ۝۲ (6:2)

অৰ্থাৎঃ সমস্ত প্ৰশংসা যাক কৰিব পৰা যায় খোদাৰ কাৰণে হয় যি পৃথিৱী আৰু আকাশক সৃষ্টি কৰিছে, যি সকলোবোৰ নিজৰ দ্বাৰা আৰু পোহৰক জন্ম দিছে। সেয়াও যি সকলে সত্যতাক অস্বীকাৰ আৰু খোদাৰ লগত আন দেৱী-দেৱতাক সমান বুলি তুলনা কৰে অৰ্থাৎ সেইবিলাক সকলোধৰণৰ বস্তু যি দুখজনক তথা অন্ধকাৰক আত্মজ বুলি উল্লেখ কৰে অৰ্থাৎ তেওঁলোকৰে পৰা জন্ম হৈছে, যেনে- সাপ, বিচ্ছু, জীৱ-জন্তু আদি। বিহ আদি, ৰোগ, দুখ-যন্ত্ৰণা ইত্যাদি তাকো খোদায়ে সৃষ্টি কৰিছে, সেইবিলাকৰ জন্ম খোদাৰ দয়াৰ বিৰুদ্ধে নাছিল তথাপি তেওঁৰ দয়াক দাঙি ধৰে। তেওঁৰ বাস্তৱিকতাক লক্ষ্য ৰাখি খোদাৰ প্ৰশংসা আৰু কৃৰ্তী সিদ্ধ হয় যে তেতিয়া অভিযোগ কৰে, কিন্তু এইবিলাক হোৱাৰ পিছতো লোকসকল এই বাস্তৱিকতাৰ পৰা অনভিজ্ঞ হয় সেই বস্তুবিলাকৰ জন্ম খোদাৰ সৌন্দৰ্য আৰু মহানতাৰ বিৰোধ বুলি ভাবে তথা খোদা এটা আন সমান ৰূপ তথা আন খোদাক নিশ্চিত কৰি দিয়ে যে ক্ষতিকৰ বস্তুৰ জন্মদাতা আন কোনোবা আছে।

চোৱা কিমান স্পষ্টতাৰে সত্যৰ ওপৰৰ পৰা পৰ্দা আঁতৰ কৰিছে আৰু কেনে সূক্ষ্ম উত্তৰ দিছে যে যিবিলাক বস্তু হানিকাৰক বুলি কোৱা হয়। তেওঁৰ সৃষ্টি হানিকাৰক নহয় তথাপি সৃষ্টিৰ উদ্দেশ্য যে ভালেই আছিল আৰু মানৱ কল্যাণৰ কাৰণেই আছিল আৰু সেইবিলাকৰ নিৰ্মাণত খোদাৰ প্ৰশংসা আৰু

জয়গান গাব লাগে।

এই স্পষ্টীকৰণ অনুসৰি এতিয়া সেই কথাবোৰৰ বিচাৰ কৰা হওঁক যিবিলাক ক্ষতিকৰ সাব্যস্ত হয় তেতিয়া কথাবোৰ সদায় দৃষ্টিগোচৰ হয়। বিহে নিঃসন্দেহে মানুহৰ মৃত্যু ঘটাই কিন্তু কিমান ৰোগত আৰ্ছেনিক আৰু অম্লতা ব্যৱহাৰ হয়। এফাইন দিয়া হয়। তেওঁলোক আৰ্ছেনিক, অম্লতা বা এফাইনৰ বাবে মৃত্যুক আকোৱালী লৈছে নে? অথবা সেইসকল লোক যি ইয়াৰ পৰা প্ৰাণ ৰক্ষা পায়? নিশ্চয় এই দৰৱৰ বাবেই লাখ লাখ লোক মৰি মৰি বাচি আহিছে। তেন্তে কেনেকৈ ক'ব পৰা যায় খোদায়ে ইয়াক কেনেকৈ উৎপন্ন কৰিলে? একেদৰে সাপ আৰু বিচ্ছুৰ অৱস্থা। এতিয়ালৈকে পদাৰ্থ বিজ্ঞানৰ প্ৰৱক্তাসকলে ইয়াক গুৰুত্ব দিয়া নাই অথবা যেতিয়া তেওঁলোকে উত্তৰৰ বিষয়ে চিন্তা কৰিব তেতিয়া তেওঁলোক অৱগত হ'ব যে এই জন্তু বিলাকো স্বাভাৱিকতে লাভজনক হয়। তদুপৰি এইবিলাকৰ সৃষ্টি কোৰাণৰ পৰা বিদিত হোৱাৰ মতে মানুহৰ সৃষ্টিৰ কাৰণে এয়া এটা ডাঙৰ ভাগ। বাস্তৱত জন্তু মানৰ সৃষ্টি প্ৰথম ভাগ এনে ধৰণৰ নহয় আজি-কালিৰ কিছুমান লোকৰ চিন্তা হয় তথাপি এই দৃষ্টিৰে যে এইবিলাকৰ মাজৰ প্ৰতিটো জন্তু পৃথিৱীৰ পৰিৱৰ্তনৰ সাক্ষ্য দিয়া আৰু তাক স্মাৰক হয়।

এইদৰে খোদাই উল্লেখ কৰিছে—

وَمِنْ اٰيٰتِهٖ خَلْقُ السَّمٰوٰتِ وَالْاَرْضِ وَمَا بَثَّ فِيْهِمَا مِنْ دَآبَّةٍ ؕ وَهُوَ عَلٰى جَمْعِهِمْ اِذَا يَشَآءُ قَدِيْرٌ ۝۳۰

وَمَآ اَصَابَكُمْ مِّنْ مُّصِيْبَةٍ فَبِمَا كَسَبَتْ اَيْدِيْكُمْ وَيَعْفُوْا عَنْ كَثِيْرٍ ۝۳۱ ؕ

(42:30-31)

অৰ্থাৎ ঃ— খোদাৰ পুৰস্কাৰৰ পৰা সমগ্ৰ আকাশ তথা পৃথিৱী আৰু তাৰ মাজৰ সকলো বস্তুৰ সৃষ্টি হৈছে। তেওঁ যেতিয়া বিচাৰে তাৰ পৰা আঁতৰও কৰিব পাৰে। যি কষ্ট তোমালোকক দিয়া হয় সেয়া তোমালোকৰ কৰ্মৰ ফল। খোদায়ে যে তোমালোকৰ বহুতো ভুলক আৰু কুপ্ৰভাৱক আঁতৰাই আনিছে অৰ্থাৎ খোদায়ে সূৰ্য, চন্দ্ৰ আৰু তৰাবিলাকৰ তথা সেইবিলাকৰ মাজৰ বস্তুবোৰক

উৎপন্ন কৰি পৃথিৱীক মানুহৰ অধিষ্ঠতা কৰি তুলিছে। এতিয়া যদি কিছুমান সামগ্ৰীৰ পৰা লাভ পোৱা নাযায় বা কিছুমানক অনুচিত প্ৰয়োগ কৰি ক্ষতিৰ সন্মুখীন হয় তেন্তে সেয়া নিজৰ ভুল। খোদায়ে যিবিলাক কৰে সেয়া হ'ল যে তেওঁলোকৰ ভুল আৰু ত্ৰুটিক কিছুমান কুপ্ৰভাৱৰ পৰা সুৰক্ষিত কৰে। গতিকে মানবীয় কষ্ট খোদাৰ ফালৰ পৰা নহয় তথাপি সেই প্ৰাকৃতিক বিধানক অনুচিত প্ৰয়োগৰ কাৰণ হৈ পৰে যি মানুহৰ কল্যাণৰ বাবে সৃষ্টি কৰা হৈছে।

ৰোগো সেই প্ৰভাৱ পেলোৱা অথবা প্ৰভাৱিত হোৱা শক্তিৰ পৰিণাম হয় যি মানুহৰ মাজত উৎপন্ন কৰা হৈছে। মানুহৰ সকলো উন্নতি সেইবিলাক শক্তিৰ লগত সম্পৰ্ক আছে। যদি তাত প্ৰভাব বিস্তাৰ কৰা বা প্ৰভাৱ পেলোৱা শক্তি নাথাকে মানুহ কেতিয়া সেয়া নহ'ল হয় যি এতিয়া আছে। তেওঁ এক প্ৰাকৃতিক বিধান অনুসৰি ওচৰৰ-পাজৰৰ বস্তুৰ ওপৰত প্ৰভাৱ পেলাই আৰু তাত নিজেই প্ৰভাৱিত হয় তথা যেতিয়া কোনো সময়ত তাত প্ৰভাৱ বিস্তাৰ কৰিবলৈ আৰু প্ৰভাব পেলাবলৈ সেই বিধানক ভংগ কৰি দিয়ে তেন্তে ৰোগাগ্ৰস্ত হৈ পৰে অথবা কষ্ট ভোগ কৰে। গতিকে ৰোগক খোদায়ে উৎপন্ন কৰিলে তথাপি খোদায়ে সেই প্ৰাকৃতিক বিধানক জন্ম দিছে য'ত মানুহৰ উন্নতি অৱলম্বিত হয়। তাক কম বা অধিক কৰিলে মানুহে নিজেই ৰোগৰ উৎপন্ন কৰে তথা ৰোগ যি সিদ্ধান্তত জন্ম লৈছিল সেয়া নিজৰ স্থান আছে যিহেতু দয়া আৰু কৃপাৰ ফল হয়। সেই কাৰণে ৰোগ সৃষ্টি আদিৰে পৰা আছে তথাপি খোদাৰ সত্ত্বাত কোনো আক্ষেপ কৰিব পৰা নাযায়।

পৱিত্ৰ কোৰাণত যিমানবিলাক সংজ্ঞা পাপৰ দিয়া হৈছে সিবিলাক সকলো এনেকুৱা যে যি সীমা অতিক্ৰম কৰি আগবাঢ়ি যোৱাৰ সূচক হয় অথবা পিছপৰি যোৱাৰ। কোনো এনেকুৱা শব্দ নাই যি উচিত সংজ্ঞাৰ মাজৰ হয় যাৰ পৰা অৱগত হয় যে পৱিত্ৰ কোৰাণত পাপৰ স্থায়ী অস্তিত্ব একো নাই তথাপি পুণ্য নোহোৱাৰ আন এটা নাম হ'ল পাপ। মনত ৰাখিব পুণ্য নকৰাটো মানুহৰ কৰ্মৰ পৰিণাম। যেতিয়া খোদায়ে দিয়া পুৰস্কাৰক ত্যাগ কৰে, আনৰ অধিকাৰ কাঢ়ি লয় তেতিয়া এটা বস্তুক নাইকিয়া কৰিবলৈ দোষী হৈ পৰে নে নাইকিয়া কৰিবলৈ।

এই সূক্ষ্ম শিক্ষাক যি পৱিত্ৰ কোৰাণে এই বিষয় দিছে যে যদিও ক্ষতিকৰ সামগ্ৰী বিদ্যমান তথাপি খোদাৰ বিশেষ গুণত কোনো ধৰণৰ আক্ষেপ কৰিব পৰা নাযায়, আন গ্ৰন্থত কেতিয়াওঁ উল্লেখ নকৰে নতুবা এনেধৰণ ঘোষণাৰ লগত প্ৰমাণ উপস্থাপন কৰে। এয়া কেৱল পৱিত্ৰ কোৰাণৰ মহানতা যে ইয়াত কেৱল খোদাৰ গুণক বৰ্ণনা কৰা হয় তথাপি তেওঁৰ সন্দৰ্ভত এনে বিস্তৃত জ্ঞান দিয়া হয় যে হৃদয় তাৰ দ্বাৰা প্ৰেম আৰু আজ্ঞাকাৰিতাৰ ভাৱত বিভোৰ হৈ পৰে। মস্তিষ্ক শীতল হৈ পৰে, চকু উজ্জ্বল হৈ পৰে আৰু সকলো সন্দেহ আৰু শংকা নাইকিয়া হৈ পৰে। অন্যথা সংক্ষেপত খোদাৰ নাম উল্লেখ কৰাটো কোনো চমৎকাৰ বা কৌশল নহয়।

একেদৰে খোদাৰ দয়ালু গুণৰ বিৰুদ্ধে এই প্ৰশ্ন উত্থাপন কৰিব পৰা যায় যে ডাঙৰে নিজৰ কৰ্মৰ কাৰণে কষ্ট ভোগ কৰে কিন্তু সৰুৱে কিয় ইয়াৰ বাবে দুখ পাব লগা হয়? এই প্ৰশ্নৰো উত্তৰো উপযুক্ত ভাবে উল্লেখ কৰা হৈছে; অৰ্থাৎ খোদায়ে এক নিয়ম উল্লেখ কৰিছে যে সেই নিয়মত এই কথা কোৱা হৈছে যে প্ৰতিটো বস্তুৱে নিজৰ প্ৰভাৱ গ্ৰহণ কৰে। যদি বিধান নাথাকিল হয়, মানুহ অপৰিৱৰ্তনশীল হয়। এইদৰে যেতিয়া তেওঁলোকে পৰিৱৰ্তন স্বীকাৰ নকৰে তেন্তে এতিয়া তেওঁ যি উন্নতি কৰি আছে ইয়াকো নকৰিল হয়। এই বিধান অনুসৰি শিশু আদিয়ে নিজৰ মাক-বাপেকৰ পৰা ভাল কথাও গ্ৰহণ কৰে আৰু বেয়া কথাও গ্ৰহণ কৰে। স্বাস্থ্যও তেওঁলোকৰ পৰা গ্ৰহণ কৰে আৰু ৰোগো গ্ৰহণ কৰে। যদি ৰোগ আৰু যন্ত্ৰণা মাক-বাপেকৰ পৈত্তিক সম্পত্তি নোপোৱা হ'লে সুন্দৰ শক্তিও নাপালে হয় তথা মানুহ মানুহ নহয় পাষাণ হৈ পৰিল হয় যি সুন্দৰ- অসুন্দৰ একোৰে প্ৰভাৱ গ্ৰহণ নকৰে তথা যি উদ্দেশ্য মানুহৰ জন্মৰ সেয়া ব্যৰ্থ হৈ পৰে। তেতিয়া মানৱ জীৱন পশুতকৈ বেয়া অৱস্থাৰ হয়। শেষত এই প্ৰশ্নৰ যে কষ্ট- যি প্ৰাকৃতিক বিধানৰ কাৰণে লাভ কৰে- তাৰ পৰা কি প্ৰতিকাৰ পাব? কিয়নো যদিও প্ৰাকৃতিক বিধান মানুহৰ উন্নতিৰ কাৰণে কিন্তু কিছুমান লোকে কিছুমান লোকৰ ভুলৰ কাৰণে কষ্ট ভোগ কৰিব লগা হয়।

ইয়াৰ উত্তৰ আমাৰ চৰিয়ত পৱিত্ৰ কোৰাণে এইদৰে দিছে যে প্ৰতিটো

সেই কষ্ট মানুহে নিজৰ এনে কথাৰ ফলস্বৰূপে ভোগ কৰিব লগা হয় য'ত তেওঁৰ কোনো হাত নাথাকে তাৰ তুলনা কৰি লোৱা হয় আৰু মানুহৰ আধ্যাত্মিক উন্নতিৰ সময়ত তাক লক্ষ্য কৰা হ'ব। সেয়ে পৱিত্ৰ কোৰাণত খোদায়ে কৈছে—

وَالْوَزْنُ يَوْمَئِذِ الْحَقُّ (7:9)

এই মহান নিৰ্ণয়ৰ সময়ত সেই কথাবোৰ লক্ষ্য কৰা হ'ব যিবোৰ কোনো মানুহৰ উন্নতিত বাধা আছিল আৰু যিবোৰ তেওঁৰ লগত নাছিল। এটা আনটোৰ স্থানৰ সম্পৰ্কত খোদাৰ কথন আছিল—

لَا يَسْتَوِي الْقٰعِدُوْنَ مِنَ الْمُؤْمِنِيْنَ غَيْرُ اُولِي الضَّرَرِ
(4:96)

অৰ্থাৎ ঃ খোদাৰ ভক্তসকলৰ ভিতৰত যি ব্যক্তিয়ে ধৰ্মৰ সেৱা কৰে আৰু যি নকৰে, তেওঁ সমান হ'ব নোৱাৰে কিন্তু সেইলোকসকলে সেৱাত এই কাৰণে সংকুচিত হয় যে তেওঁলোকৰ কোনো প্ৰাকৃতিক ক্ষতি ওচৰ চাপিছে তাৰ বিষয় এই বিধান নহয়। তেওঁৰ এই অৱস্থাৰো খোদায়ে দৃষ্টি ৰাখিব। ইছলামৰ মহাপুৰুষ হজৰত মহম্মদ (ছাঃ) য়ে কৈছে—" খোদাৰ ভক্ত পুৰুষ হওঁক বা নাৰী হওঁক তেওঁৰো কষ্ট ভোগ কৰে, লাগে সেয়া নিজৰ লগত সম্পৰ্কিত হওঁক, সন্তানৰ লগত সম্পৰ্কিত হওঁক অথবা ধন-সম্পত্তিৰ লগত সম্পৰ্কিত হওঁক কিন্তু খোদায়ে তেওঁলোকৰ ভুল আৰু ত্ৰুটি কম কৰি দিয়ে আৰু তেওঁলোকে নিজৰ কষ্ট ভোগ কৰিব লগা হোৱাৰ কাৰণে তেওঁলোকৰ নিজা আত্মাত পৱিত্ৰতাৰ এনে এক শক্তি উৎপন্ন হৈ পৰে যেতিয়া তেওঁ খোদাক লগ পাব তেতিয়ালৈকে পৱিত্ৰ হৈ থাকিব। এইক্ষেত্ৰত এনে ধাৰণাও নহওঁক যে এই আজ্ঞা কেৱল ভক্তসকলৰ বাবে। লাভ প্ৰতিজনে নিজৰ অধিকাৰ আৰু পাত্ৰ অনুসৰি পাব। পৱিত্ৰ কোৰাণৰ নিৰ্ণয় সৰ্বসাধাৰণ হয়। হাদীছত যিহেতু মানুহৰ প্ৰশ্নৰ উত্তৰত এই কথা কোৱা হৈছে গতিকে তেওঁক সম্পৰ্কিত কৰা হৈছে।"

এতিয়া চাওঁক এই বিশেষত্বৰ ব্যাখ্যা ধৰ্মত ক'ৰ পৰা ক'ত বিৰোধীতাত

উপনীত হৈ পৰিছে। ইছলামত ইয়াৰ তাৎপৰ্য আন এক কিবাহে গ্ৰহণ কৰিছে আৰু কিছুমান আন ধৰ্মই তথা তেওঁৰ অনুগামীয়ে দয়াক বিশেষত্বৰ স্তৰত থোৱাৰ বাবে নিমিত্তে আৱাগমনৰ সিদ্ধান্ত উপস্থাপন কৰিছে। কিন্তু অতি সাধাৰণভাবে চিন্তা কৰিলে বিদিত হৈ পৰে যে ইছলামৰ ব্যাখ্যা সদায় স্বাভাৱিক আৰু প্ৰাকৃতিক বিধানৰ অনুৰূপ হয় কিন্তু আন ব্যাখ্যাৰ আধাৰত আমি এনে কাল্পনিক কথাত ৰাখিব লগাত পৰো যাৰ কোনো প্ৰমাণ নাথাকে।

খোদাৰ গুণ ন্যায় আৰু দয়াকো গুৰুত্ব দিব লগা বিষয়। সকলো ধৰ্মই খোদাক ন্যায়শীল বুলি গণ্য কৰাৰ লগতে দয়ালু বুলিও মানি আহিছে। কিন্তু বাক্যত গভীৰ বিৰোধ দেখা যায়। ইছলামে কয় যে এই গুণ দুটাৰ মাজত কোনো বিৰোধিতা নাই। এই দুটা গুণ একেটা সময়তে প্ৰয়োগ হ'ব পাৰে তথা হয়। ন্যায়, দয়াৰ বিৰুদ্ধে নহয়,তথাপি ইয়াতকৈ উচ্চত। সেয়ে খোদায়ে কৈছে—

مَنْ جَآءَ بِالْحَسَنَةِ فَلَهٗ عَشْرُ اَمْثَالِهَا ۚ وَمَنْ جَآءَ بِالسَّيِّئَةِ
فَلَا يُجْزٰٓى اِلَّا مِثْلَهَا وَهُمْ لَا يُظْلَمُوْنَ ۝١٦١ (6:161)

অৰ্থাৎ ঃ— যি সৎকৰ্ম কৰিব সি দুগুণ প্ৰতিদান লাভ কৰিব আৰু সি সিমানেই দণ্ড লাভ কৰিব যিমান তেওঁ বেয়া কৰ্ম কৰিলে; আৰু তেওঁলোকক অত্যাচাৰ কৰা নহ'ব। এই আয়াতৰ পৰা বিদিত হৈছে যে ইছলামৰ বাবে কাৰোবাক তেওঁৰ অধিকাৰতকৈ অধিক পুৰষ্কাৰ দিয়াটো কোনো অত্যাচাৰ নহয় যদিও অপৰাধতকৈ অধিক শাস্তি দিয়াটো অত্যাচাৰ। ইয়াত কি সন্দেহ আছে যে অত্যাচাৰ- কোৱা হৈছে যে কাৰোবাক তেওঁৰ অপৰাধতকৈ অধিক দণ্ড দিয়াটো অথবা তেওঁৰ অপৰাধতকৈ অধিক প্ৰতিশোধ লোৱাটো অৰ্থাৎ পুণ্যৰ স্তৰ অনুসৰি প্ৰতিদান নিদিয়াটো তাৰ স্বত্ব আন কাৰোবাক দি দিয়াটো এই কাৰ্য খোদায়ে কেতিয়াওঁ নকৰে, নে কাৰোবাক তেওঁৰ দোষতকৈ অধিক দণ্ড দিব, নে তাৰ প্ৰতিকাৰক কম কৰিব, নে কাৰোবাৰ স্বত্ব কাৰোবাক দি দিব তথাপি তেওঁ যি কিছু কৰিব, সেয়া হ'ল যে তেওঁ প্ৰায়শ্চিত কৰা ভক্তক যি নিজৰ দোষক অনুভৱ কৰি কু-কৰ্মক ত্যাগ কৰি এখন কম্পিত হৃদয়ে তথা কম্পিত

ওঠ তথা জলসূত্ৰৰ দৰে চকুপানীৰে পৰিপূৰ্ণ চকুৰে আৰু লজ্জাৱত সামগ্ৰীৰ দৰে আৰু ভৱিষ্যতৰ কাৰণে পূৰ্ণ পৱিত্ৰ তথা শুদ্ধ চিন্তাৰে উফন্দি উঠা সমুদ্ৰৰ ঢৌৰ দৰে ওপৰলৈ উঠি মগজুক ভৰপূৰ কৰি খোদাৰ দুৱাৰত উপনীত হয়, তেওঁক খোদায়ে ক্ষমা কৰি নতুন জীৱন লাভ কৰাৰ সুযোগ দিয়ে। সেই পিতাকৰ যাৰ পুতেক উশৃংখল হৈ পৰিছিল আৰু দীৰ্ঘদিনৰ পিছত অনুতাপ কৰি ঘৰলৈ উভতি আহিছিল আৰু নিজৰ কৰ্মৰ অনুশোচনা কৰিছিল যে পিতাকৰ আগত চকু তল হৈ পৰিছিল, প্ৰেম আৰু আবেগত বিভোৰ হৈ নিজৰ বুকুৰ মাজত আকোৱালী লয় আৰু তেওঁৰ এয়া চতুৰতা তথাপি উভতি অহাটোৱে প্ৰসন্নতা সাব্যস্ত কৰে। কিয় দেউতাকে এই কাৰ্যত আন পুতেকসকলক যি বাপেকৰ সেৱাত লাগি আছে, তাত কিবা অসন্তোষৰ স্থান নাই? নে তেওঁলোকৰ প্ৰতি কোনো আক্ষেপ শেষ হৈ পৰিল? খোদাৰ শপত,নহয়, কেতিয়াওঁ নহয়।

নিশ্চয়কৈ শাস্তি সংস্কাৰৰ এক বহু ডাঙৰ সাধন হয়; কন্তু সঁচা অৰ্থত নিজক নিজেই ঘৃণা কৰা আৰু শুদ্ধ অনুতাপতকৈ অধিক শাস্তি নৰকৰ অগ্নিও হ'ব নোৱাৰে। যি কাৰ্য নৰকৰ অগ্নিয়ে লাখ বছৰত কৰিব পাৰে, নিজক নিজেই কৰা ঘৃণাই সেই কাম মিনিটতে কৰিব পাৰে। যেতিয়া কোনো ব্যক্তিয়ে শুদ্ধভাৱে নিজক নিজেই প্ৰায়শ্চিত কৰি আৰু ভৱিষ্যতৰ বাবে শুধৰণী হোৱাৰ বাবে উদ্যত হৈ খোদাৰ সন্মুখত উপস্থিত হ'লে খোদাৰ দয়ালুতাৰ কৰ্তব্য হ'ল যে তেওঁৰ প্ৰতি দয়া কৰা। কিয় দয়ালু, কৃপাময় খোদায়ে নিজৰ এজন বিনম্ৰ ভক্তৰ যি আশা আৰু অভিলাসৰ মূৰ্তৰূপ হৈ আৰু নিজৰ কৰ্মক ঘৃণা কৰি তেওঁৰ দয়ালুতাৰ দুৱাৰত শিথিল হৈ পৰিলে, তেনেহ'লে তাক ধিককাৰ দিব নে তেওঁৰ প্ৰতি মুখ ঘূৰাই দিব? খোদাৰ শপত নিদিয়ে, কেতিয়াওঁ নহয়।

এতিয়া শেষত সেই গুণবিলাকৰ আলোচনা কৰো যিবিলাক অধিক প্ৰসিদ্ধ; কিন্তু যাৰ ব্যাখ্যা কৰাত অধিক বিৰোধীতা হয়। এই গুণ হ'ল 'অদ্বিতীয়' আৰু 'একক' গুণৰ। সংসাৰত আধুনিক যুগত এনে কোনো ধৰ্মও নাই যি দুজন খোদা বা তাতকৈ অধিক খোদাৰ প্ৰতি বিশ্বাস কৰে। অদ্বৈত আৰু একেশ্বৰবাদ সাৰ্বজনিক ভাৱে সকলো ধৰ্মৰ মত হৈ পৰিছে। তথাপি এটা ধৰ্ম

অনুসৰি আনটো ধৰ্মক বিৰোধীতা কৰাৰ বাবে অনুগামীসকলে ইয়াক আহিলা হিচাপে ব্যৱহাৰ কৰে যে পূৰ্ণৰূপত তেওঁলোকে একেশ্বৰবাদক বিশ্বাস নকৰে। মই কিছুমান ইউৰোপীয় লেখকৰ কিতাপত দেখিছো যিসকলে প্ৰদৰ্শন কৰিব বিচাৰে যে মুছলমান মুশ্বৰিক হয় অৰ্থাৎ বহুত্ববাদক বিশ্বাস কৰে আৰু এজনতকৈ অধিক খোদাক মানি আহিছে। মই ইয়াকো শুনিছো যে ইউৰোপ তথা আমেৰিকাৰ অধিকাংশ লোক যি ইছলামী সাহিত্যৰ অপৰিচিত তেওঁলোকে ভাবে যে মুছলমানে হজৰত মহম্মদ(ছাঃ)ৰ উপাসনা কৰে। যাৰ পৰা ধাৰণা কৰিব পৰা যায় যে জনসাধাৰণে এই কথাৰ অনুভৱ কৰে যে এতিয়া এজনৰ অধিক খোদাক উপস্থাপন কৰাটো অতি অসম্ভৱ। সংসাৰে ইয়াক শুনাৰ বাবে প্ৰস্তুত নহয়। তথাপি একেশ্বৰবাদ শব্দৰ ওপৰত সকলো ধৰ্ম একমত হলেও একেশ্বৰবাদৰ সন্দৰ্ভত সকলো ধৰ্মৰ মাজতেই বিৰোধ আছে। কেইটামান ধৰ্ম আছে যি অদ্বৈতবাদ আৰু একেশ্বৰবাদৰ অন্তৰালত সকলো প্ৰকাৰ বহুত্ববাদৰ পূজা আদিত নিমগ্ন হৈ বহি আছে। কিন্তু ইছলামে বহুত্ববাদক অতি সুন্দৰভাবে বুজি উঠিছে। তেওঁলোকে সকলো প্ৰকাৰৰ বহুত্ববাদ সূচক কথাক পূৰ্ণৰূপত অস্বীকাৰ কৰিছে আৰু বহুত্ববাদৰ প্ৰকৃত স্বৰূপ মুকলি দিছে, যাৰ কাৰণে কোনো প্ৰতাৰণাৰ সন্মুখীন হ'ব লগা নহয়। সেয়ে পৱিত্ৰ কোৰাণে শ্বিৰকক চাৰিটা ভাগত ভাগ কৰিছে—

(১)শ্বিৰক (বহুত্ববাদে) একপ্ৰকাৰে ইয়াক উল্লেখ কৰিব বিচাৰে যে 'ভেটি' নিৰ্মাণ কৰিব লাগে অৰ্থাৎ এই বিশ্বাস কৰিব লাগে যে খোদাৰ সমান আন কোনোবা খোদাও আছে যি তেওঁৰ সত্বাৰ লগত সন্মিলিত হৈ আছে।

(২) দ্বিতীয়প্ৰকাৰৰ শ্বিৰক খোদাৰ লগত আনক সংযুক্ত কৰে অৰ্থাৎ এই বুলি ভাবে যে কোনো সত্বা খোদাৰ বিশেষত্ব আৰু তেওঁৰ গুণৰ পৰা সকলো তথা কিছু সংযোজিত হৈ আছে। লাগে তেওঁক উপাস্য দেৱ হিচাপে মানি লোৱা হওঁক বা নহওঁক। উদাহৰণস্বৰূপে ইয়াক বুজি লোৱা হওঁক অমুক ব্যক্তিয়ে সৃষ্টিক ৰচনা কৰিব পাৰে অথবা মৃতক জীৱিত কৰিব পাৰে। লাগে যিকোনো ব্যক্তিক মানুহ বুলি উল্লেখ কৰি এই গুণক তেওঁৰ সৈতে সংযোজিত কৰা হয় কিন্তু তথাপি এয়া দেৱত্ববাদ হ'ব কেৱল নামৰ পাৰ্থক্য, বাস্তৱত সেই

ব্যক্তি খোদাৰ সমকক্ষ কৰা হৈছে।

(৩) তৃতীয় প্ৰকাৰৰ দেৱত্ববাদ কোনো উপাস্যদেৱক স্বীকাৰ কৰা অৰ্থাৎ কোনো খোদাক অতিৰিক্তভাৱে উপাসনা কৰা লাগে তেওঁক খোদা হিচাপে গণ্যকে নকৰক অথবা খোদাৰ বিশেষত্বত সংযুক্ত কৰা নহওঁক। যেনেকৈ প্ৰাচীনকালত কিছুমান জাতিৰ মাজত মাক-বাপেকক উপাসনা কৰা হৈছিল।

(৪) চতুৰ্থ প্ৰকাৰৰ বহুত্ববাদে কাৰোবাৰ 'ৰব' অৰ্থাৎ স্ৰষ্টা আৰু পালনকৰ্তা হিচাপে বুজি উঠা। অৰ্থাৎ কোনো মহাত্মা অথবা যাৰ অনুকৰণ কৰা হয়, তেওঁক এনে বুজি লোৱা যে তেওঁ মানবীয় ভুলৰ পৰা সদায় আঁতৰত,নিষিদ্ধ আৰু তেওঁ যি আদেশ দিয়ে লাগে সেয়া যিমানেই বেয়া হওঁক তাক পালন কৰাটো আৱশ্যক হয়। একে দৰে কোনো ভক্তৰ কথা তেওঁ লাগে যিমানেই মহান নহওঁক খোদাৰ কথাক ক্ৰীয়াত্মক ৰূপত উচ্চত ৰাখিব লাগে তেওঁক খোদা বুলি নাভাৱক। পৱিত্ৰ কোৰাণত এনে চাৰিপ্ৰকাৰৰ দেৱত্ববাদ আৰু বহুত্ববাদৰ উল্লেখ এই আয়াতত এনেদৰে কৰা হৈছে—

قُلْ يَاَهْلَ الْكِتٰبِ تَعَالَوْا اِلٰى كَلِمَةٍ سَوَآءٍ بَيْنَنَا وَبَيْنَكُمْ اَلَّا نَعْبُدَ اِلَّا اللّٰهَ وَلَا نُشْرِكَ بِهٖ شَيْـًٔا وَّلَا يَتَّخِذَ بَعْضُنَا بَعْضًا اَرْبَابًا مِّنْ دُوْنِ اللّٰهِ ؕ فَاِنْ تَوَلَّوْا فَقُوْلُوا اشْهَدُوْا بِاَنَّا مُسْلِمُوْنَ ۝٦٥

(3:65)

হে লোক সকল! যাৰ ওচৰত ধৰ্মগ্ৰন্থ আছে তেওঁলোক এই কথাত আমাৰ সৈতে একমত হৈ পৰক য'ত তোমালোক আৰু আমি সাধাৰণ সিদ্ধান্তৰে একমত যে অৰ্থাৎ সেই খোদাক- বাস্তৱত তেওঁৰ সৈতে অংশীদাৰ কোনো নাই— তেওঁক উপাসনা কৰা আৰু বাস্তৱত তেওঁৰ গুণৰ সৈতে কাকো অংশীদাৰ নকৰিবা আৰু মানুহৰ কোনো কথাক সেইজনাৰ মহানতা আৰু শ্ৰেষ্ঠতাৰ ওপৰত প্ৰাধান্য নিদিবা। যদি এইলোকসকলে কথা নামানে তেন্তে কয় দিয়া তুমি এইদৰে খোদাৰ আজ্ঞা পালন কৰি থাকিবা। চিন্তা কৰা। সকলো প্ৰকাৰৰ দেৱত্ববাদক কেনেকৈ সৰু হওঁক বা ডাঙৰ হওঁক সংক্ষিপ্ত আয়াতত

একগোট কৰি দিলে। এই আজ্ঞানুসৰি মুছলমানে যেতিয়ালৈকে ইয়াক উল্লেখ কৰি থাকে যে তেওঁলোকে খোদাৰ ওপৰত বিশ্বাস ৰাখে তেন্তে তেওঁলোকে এই শব্দৰ এই অৰ্থ বিচাৰি পায় সেই অংশত সেই বাক্যৰ অৰ্থ থাকে। তেওঁ নিজৰ এজন খোদাৰ বাহিৰে অতিৰিক্ত আন এজন খোদাক উপাসনা নকৰে। তেওঁ খোদাৰ গুণক আনৰ মাজত বিচাৰি নাপায়। তেওঁ প্ৰত্যেক প্ৰকাৰৰ আত্মীয় সম্পৰ্কতকৈ পৱিত্ৰ অনুভৱ কৰে। তেওঁক সান্নিধ্য পয়গম্বৰ বা অৱতাৰ হোৱাতকৈ শ্ৰেষ্ঠ জ্ঞান কৰে। তেওঁক সিহঁতে মৃত্যু, ক্ষুধা তথা তৃষ্ণা আদি ভাৱতকৈ লাগে অৱনত ৰূপতো যদি থাকে তাক পৱিত্ৰ আৰু সুন্দৰ বুলি জ্ঞান কৰে।তেওঁলোকৰ শিৰ আনৰ ফালে শিৰণত নহয়। তেওঁ নিজৰ আশাৰ কেন্দ্ৰ আন কাকো নকৰে। তেওঁ প্ৰাৰ্থনাত আন কাকো সম্বোধন নকৰে। তেওঁলোক খোদাৰ অৱতাৰক যথোচিত সন্মান কৰে। তথাপি খোদাৰ সন্মুখত তেওঁকো মানুহৰ দৰে মানুহ বুলি জ্ঞান কৰে। এয়া সেই শিক্ষা যি তেওঁক ইছলামে প্ৰদান কৰে তথা তেওঁক এই শিক্ষা গোটেই জীৱন পালন কৰাৰ বাবে আদেশ দিয়া হৈছে। সাধাৰণ সিদ্ধান্ত হিচাপত সকলো ধৰ্মই তেওঁলোকৰ লগত অদ্বৈতবাদ তথা খোদাক এক জ্ঞান কৰা সিদ্ধান্তত একমত হয় কিন্তু ব্যাখ্যাত প্ৰত্যেকে ইয়াত বেলেগ বেলেগ সিদ্ধান্তক মানি লোৱা দেখা যায়। এইদৰে সকলো ধৰ্মৰ মাজত এক গভীৰ দূৰত্ব আৰু পাৰ্থক্যই দেখা দিয়ে।

সাৰাংশ এয়া যে ইছলামৰ শিক্ষাই খোদাৰ গুণৰ সন্দৰ্ভত লাগে সাৰ্বজনিক ৰূপত দৃষ্টি দিয়ে অথবা ব্যাখ্যাৰ ৰূপত পৰীক্ষা কৰে- প্ৰতিটো প্ৰকাৰতে সম্পূৰ্ণ হয়। এই শিক্ষাৰ দ্বাৰা যি একাত্মতা আৰু নম্ৰতা খোদাৰ ফালৰ পৰা মানুহৰ হৃদয়ত উৎপন্ন হ'ব পাৰে সেই একাত্মতা আন ধৰ্মৰ সৈতে হ'ব নোৱাৰে। ইয়াতো বিশেষ কথা এয়া যে ইছলামে বিস্তাৰিতভাবে গুণৰ বৰ্ণনাক বুজিব পাৰে তথা তাৰ যি প্ৰভাৱ দৈনিক জীৱনত পৰে তাক বৰ্ণনা কৰে। তেওঁলোকে বিভিন্ন বিশেষত্বৰ পৰস্পৰ সম্পৰ্কক তথা তাৰ প্ৰভাৱৰ সীমাকো উল্লেখ কৰে। অৰ্থাৎ খোদাৰ সত্বাৰ ভক্তৰ জ্ঞানৰ সীমা পশুলৈকে বিস্তাৰিত হৈ পৰে আৰু তেওঁলোকৰ হৃদয় খোদাৰ প্ৰেমত বিভোৰ হৈ পৰি খোদাৰ গুণক চৰ্চা কৰিবলৈ যি আন ধৰ্ম মুছলমানৰ লগত সংযুক্ত বুলি ভাবে,

তাৰ লগত নাম মাত্ৰহে, বাস্তৱিক নহয়। মূল বস্তু বাস্তৱিকতাহে, নাম নহয়।

## প্ৰশ্নঃ২,খোদাৰ লগত ভৃত্যৰ কি সম্পৰ্ক

খোদাৰ সত্ত্বা আৰু তেওঁৰ গুণৰ সম্পৰ্কত ইছলামৰ যি শিক্ষা তাক সংক্ষেপত বৰ্ণনা কৰাৰ পিছত এতিয়া মই প্ৰথম উদ্দেশ্যৰ দ্বিতীয় প্ৰশ্নক গ্ৰহণ কৰিছোঁ, সেয়া হ'ল—ভৃত্য আৰু খোদাৰ মাজৰ সম্পৰ্ক কেনেধৰণৰ হ'ব লাগে?

মনত ৰাখিব লাগে যে কোনো বস্তুক মানি লোৱা আৰু স্বীকাৰ কৰাটো বেলেগ কথা। সকলো শিক্ষিত লোকে উত্তৰ মেৰু আৰু দক্ষিণ মেৰুক বিশ্বাস কৰে কিন্তু ইয়াৰ লগত সম্পৰ্ক মুষ্টিমেয় কিছুসংখ্যক লোকৰ যি সেই প্ৰান্তৰ সম্পৰ্কত অধিক তথ্য আহৰণত ব্যস্ত আন কোনোৱে নহয়। তেওঁৰ নামৰ দ্বাৰা তেওঁলোকৰ হৃদয়ত কোনো ধৰণৰ আনন্দৰ সৃষ্টি নকৰে কিন্তু এনে এজন ব্যক্তিৰ নাম উল্লেখ কৰিলে যিজনে তেওঁলোকৰ লগত বাস্তৱিক সম্পৰ্ক ৰক্ষা কৰে, তেতিয়া তেওঁলোকৰ হৃদয়ত জোৱাৰ উঠে। গতিকে প্ৰশ্ন জাগ্ৰত হয় কোনো ধৰ্মই নিজৰ অনুগামীসকলৰ সৈতে খোদাই কেনেধৰণ সম্পৰ্ক ৰচনা কৰাটো বিচাৰে কিয় এই সম্পৰ্কৰ আধাৰত কোনো ধৰ্মৰ সত্যতা অথবা তেওঁলোকৰ অসত্যতা, তেওঁলোকৰ সফলতা বা অসফলতাৰ অনুমান কৰিব পৰা যায়। যদি এনে ৰচনা নিজৰ অনুগামীসকলৰ সৈতে কৰে যি খোদাৰ জ্ঞানৰ বিৰোধ তেতিয়া মানিব লাগিব যে খোদাৰ প্ৰতি, তেওঁৰ গুণৰ প্ৰতি বাস্তৱিক বিশ্বাস নাই। যদি তেওঁৰ প্ৰশ্ন উচিত আৰু অনুগামীসকলে সম্পৰ্কক সম্পূৰ্ণ নকৰে তেন্তে সেই ধৰ্ম অসফল বুলি মানি ল'ব লাগিব।

মই যি খোদাৰ গুণক ইতিমধ্যে উল্লেখ কৰিলোঁ আৰু যাৰ প্ৰতি সকলো ধৰ্ম একমত, তাৰ পৰা অৱগত হ'ব পৰা যায় যে আমাৰ বাস্তৱিক সম্পৰ্ক খোদাৰ লগত আছে কিয়নো আমাৰ সুখ, আমাৰ উন্নতি, আমাৰ সফলতাৰ সকলো সামগ্ৰী তেওঁ উৎপন্ন কৰিছে। আমাৰ জন্ম আদিৰ কাৰণো তেওঁ আৰু আমাৰ ভৱিষ্যত জীৱনো তেওঁৰে ওপৰত আশ্ৰিত। তেওঁতকৈ ডাঙৰ আমাৰ মা-দেউতা হ'ব নোৱাৰে, আমাৰ সন্তান , আমাৰ ভাই-ককাই , আমাৰ পত্নী-সন্তান, আমাৰ স্বামী, আমাৰ বন্ধু, আমাৰ দেশ, আমাৰ দেশবাসী, আমাৰ

ৰাজ্য, আমাৰ সম্পত্তি, আমাৰ পদ, আমাৰ মান-সন্মান, নিজৰ প্ৰাণ একোৱে তেওঁতকৈ ডাঙৰ হ'ব নোৱাৰে,সকলোবোৰ বস্তু খোদাৰ দানৰ একোটা অংশ হয় আৰু তেওঁ সকলো দানৰ দাতা হয়। বাস্তৱত এই গুণৰ বৰ্ণনাৰ ফলস্বৰূপে যিবিলাকৰ উল্লেখ ওপৰত কৰা হৈছে সেই ধৰ্ম সত্য সাব্যস্ত হ'ব পাৰে যি মানুহক এনেদৰে সংযুক্ত কৰে যে তেওঁলোক খোদাৰ প্ৰেম আৰু তেওঁৰ সন্মানৰ সকলো বস্তুকে প্ৰেম আৰু সকলো পদাধিকাৰৰ মানতকৈ উচ্চ স্থান দিয়ে আৰু খোদাৰ প্ৰসন্নতাৰ কাৰণে সকলো বস্তুকে ত্যাগ কৰিব লগা হ'লে ত্যাগ কৰি দিব। কিন্তু খোদাৰ প্ৰসন্নতাক আন কোনো বস্তুৰ লগত মিলন নকৰে। তেওঁলোকে এই কথা ৰচনা কৰে যে খোদাৰ প্ৰেম মানুহৰ হৃদয়ত সকলো বস্তুতকৈ অধিক হ'ব লাগে আৰু তেওঁৰ প্ৰতি স্মৰণ, সকলো প্ৰিয়জনতকৈ অধিক হ'ব লাগে। তেওঁৰ সত্বাক দূৰ দেশৰ পৰ্বত আৰু নদীৰ দৰে ভৌতিক বস্তু জ্ঞান কৰি কেতিয়াওঁ এৰিব নালাগে তথাপি তেওঁক সকলো জীৱনৰ সূত্ৰ আৰু প্ৰতিটো আশাৰ কেন্দ্ৰ আৰু প্ৰতিটো দৃষ্টিৰ সীমা বুলি ভাবিব লাগে। ইছলামে ইয়াৰে শিক্ষা দিয়ে। পৱিত্ৰ কোৰাণত খোদাৰ কথন আছে—

قُلْ اِنْ كَانَ اٰبَآؤُكُمْ وَاَبْنَآؤُكُمْ وَاِخْوَانُكُمْ وَاَزْوَاجُكُمْ وَعَشِيْرَتُكُمْ وَاَمْوَالُ ۨاقْتَرَفْتُمُوْهَا وَتِجَارَةٌ تَخْشَوْنَ كَسَادَهَا وَمَسٰكِنُ تَرْضَوْنَهَآ اَحَبَّ اِلَيْكُمْ مِّنَ اللّٰهِ وَرَسُوْلِهٖ وَجِهَادٍ فِيْ سَبِيْلِهٖ فَتَرَبَّصُوْا حَتّٰى يَاْتِيَ اللّٰهُ بِاَمْرِهٖ ۗ وَاللّٰهُ لَا يَهْدِى الْقَوْمَ الْفٰسِقِيْنَ (9:24)

তুমি কোৱা,তোমালোকৰ পিতৃবিলাক,আৰু তোমালোকৰ পুত্ৰবিলাক,আৰু তোমালোকৰ ভ্ৰাতৃবৃন্দ,আৰু তোমালোকৰ পত্নীবিলাক,আৰু তোমালোকৰ আত্মীয়স্বজন,আৰু যি ধন-সম্পত্তি তোমালোকে অৰ্জন কৰিছা,আৰু যি ব্যৱসা শিথিল হোৱাৰ তোমালোকে আশংকা কৰা, এনে ব্যৱস্থাসমূহ যি তোমালোকে ভাল পোৱা,এই সকলোবিলাক যদি তোমালোকৰ কাৰণে আল্লাহ আৰু তেওঁৰ

ৰচুলতকৈ আৰু তেওঁৰ পথত সংগ্ৰাম কৰাতকৈ বেছি প্ৰীতিকৰ হয়, তেন্তে তোমালোকে আল্লাই নিজৰ মীমাংসা প্ৰকাশ কৰালৈকে অপেক্ষা কৰা; আৰু আল্লাই অবাধ্য লোকবিলাকক  পথ প্ৰদ্ৰৰ্শন  নকৰে।

এজন মুছলমানক কেতিয়াওঁ মুছলমান ক'ব নোৱাৰি যেতিয়ালৈকে খোদাৰ লগত এনে সম্পৰ্ক গঢ়ি নুঠে যাৰ এই আয়াতত উল্লেখ হৈছে। খোদাৰ প্ৰসন্নতাৰ বাবে সকলো খোদায়ত্ব সামগ্ৰী আৰু প্ৰতিটো বিকল্প ভাৱনাক বলিদান দিব লাগে। তেওঁৰ প্ৰেম প্ৰতিটো বস্তুতকৈ ওপৰত ৰাখিব লাগে। এক আন স্থানত খোদায়ে নিজৰ প্ৰেমৰ বিষয়ে এইদৰে উল্লেখ কৰিছে—

(3:192) الَّذِيْنَ يَذْكُرُوْنَ اللّٰهَ قِيٰمًا وَّ قُعُوْدًا وَّعَلٰى جُنُوْبِهِمْ

অৰ্থাৎঃ খোদাৰ ভৃত্য সেইজন যিজনে খোদাক স্মৰণ কৰি থাকে থিয় হৈ থকাত, বহি থকাত আৰু শুই পৰাতো। অৰ্থাৎ খোদাৰ প্ৰেম তেওঁৰ হৃদয়ত এনেদৰে  ভৰি পৰে যে তেওঁ বাৰে বাৰে তেওঁক লগ পাবলৈ অথবা তেওঁক ওচৰত পাবলৈ মন কৰে। তথা যিদৰে এজন প্ৰেমিকে প্ৰেমিকাক বাৰে বাৰে মনত পেলাই থাকে ইয়াতকৈ অধিক এনে মানুহে খোদাৰ স্মৰণত ব্যস্ত হৈ থাকে। তেওঁৰ উপকাৰ আৰু তেওঁৰ গুণ তথা তেওঁৰ সান্নিধ্যৰ অভিলাস আৰু তেওঁতে বিলীন হৈ যোৱাৰ উৎকণ্ঠাই তেওঁৰ হৃদয়ক বাৰে বাৰে উদ্বাৰউল কৰি তোলে। ইমানলৈকে দিনত কাম কৰাৰ সময়ত, জিৰণি লোৱাৰ বাবে বহাৰ সময়, অথবা নিশা টোপনিৰ সময়ত ভৃত্যৰ ধ্যান তেওঁৰ দিশে ধাৱিত হয়। একেদৰে খোদাই কৈছে—

اِنَّمَا الْمُؤْمِنُوْنَ الَّذِيْنَ اِذَا ذُكِرَ اللّٰهُ وَجِلَتْ قُلُوْبُهُمْ وَ اِذَا تُلِيَتْ
عَلَيْهِمْ اٰيٰتُهٗ زَادَتْهُمْ اِيْمَانًا وَّعَلٰى رَبِّهِمْ يَتَوَكَّلُوْنَ ۝٣ (8:3)

অৰ্থাৎ —খোদাৰ ভক্ত কেৱল সেই লোকসকল যাৰ হৃদয়ত খোদাৰ ইমান ভয় থাকে যে যদি তেওঁৰ নাম কেনেবাকৈ কাণত পৰিলেই তেওঁৰ হৃদয় খোদাৰ ভয়ৰ ভেটি স্থাপিত হয়। যেতিয়া খোদাৰ বাণী তেওঁৰ সন্মুখত পঢ়া হয় তেওঁৰ হৃদয় ঈমান আৰু বিশ্বাসেৰে ভৰি পৰে। তেওঁ নিজৰ পালনকৰ্তাক বিশ্বাস কৰে আৰু প্ৰতিটো কামৰ আধাৰ হিচাপে তেওঁৰ  সহায়ক লগতে

নিজৰ সকলো সফলতাক তেওঁৰ কৃপাৰ আশ্ৰয় বুলি অনুভৱ কৰে।

মই এই স্থানত এক সন্দেহক নিবাৰণ কৰাটো উচিত বুলি ভাবিছো যিটো প্ৰায় ইছলামৰ বিষয়ে কৰা হয়। সেয়া এয়ে যে (কিছুমান লোকৰ চিন্তা যে) ইছলামে এই শিক্ষা দিয়ে যে ভৌতিক আহিলাৰ দ্বাৰা কোনো কাম কৰিব লাগে, সকলো কাম খোদাৰ ওপৰত এৰি দিব লাগে। ইয়াত কোনো সন্দেহ নাই যে এনে চিন্তাধাৰা কিছুমান লোকৰ মাজত পোৱা যায় কিন্তু ইছলামে এনে কোনো শিক্ষা প্ৰদান নকৰে। সমগ্ৰ কোৰাণ শ্বৰিফ এই আয়াতে ভৰি আছে যে মই সকলো বস্তু মানুহৰ সুবিধাৰ কাৰণে উৎপন্ন কৰিছো গতিকে তাক ত্যাগ কৰাটো কেনেকৈ ইচ্ছানুসৰি হ'ব পাৰে। এই স্থান খোদাৰ এক পৱিত্ৰ কথন হ'ল—

وَأْتُوا الْبُيُوتَ مِنْ أَبْوَابِهَا (2:190)

অৰ্থাৎঃ- প্ৰতিটো কাৰ্যৰ বাবে মই যি সম্বল নিশ্চিত কৰিছোঁ তাৰ দ্বাৰা সেই কাৰ্য কৰা অৰ্থাৎ সাধন আৰু সূত্ৰ খোদায়ে উৎপন্ন কৰিছে তাৰ দ্বাৰাই কাৰ্য সমাধান কৰিব লাগে। উল্লেখ আছে—

خُذُوا حِذْرَكُمْ (4:72)

অৰ্থাৎ ঃ— হে মুছলমানসকল সেই সকলো সামগ্ৰী যি তোমালোকক সফলতা প্ৰদান কৰে তাক নিজৰ লগত থোৱা। আন এক স্থানত উল্লেখ আছে — (2:198)وَتَزَوَّدُوا অৰ্থাৎ ঃ— যেতিয়া যাত্ৰাত ওলাই পৰা তেতিয়া নিজৰ লগত যাত্ৰাৰ সামগ্ৰী নিশ্চয় ৰাখিবা। একেদৰে হজৰত মহম্মদ (ছাঃ)ৰ বিষয়ত উল্লেখ কৰা হৈছে— এজন ব্যক্তি আপোনাৰ ওচৰলৈ আহিল আৰু আমি তেওঁক প্ৰশ্ন কৰিলো—'তুমি এই উটতো কাৰ হাতত সমৰ্পন কৰিলা ? তেতিয়া ব্যক্তিজনে উত্তৰ দিলে 'হে খোদাৰ ৰছুল, মই উটটো খোদাৰ ভৰসাত এৰি দিছিলো। আপুনি তেতিয়া ক'লে এয়া ভৰসা নহয়। ভৰসা এইটো যে তুমি প্ৰথমে উটটোৰ ভৰিত বান্ধা। পুনৰ খোদাৰ ভৰসা কৰা। আপোনাৰ কোৱাৰ তাৎপৰ্য হ'ল যে ভৰসা আহিলাক ত্যাগ কৰা নাম নহয় তথাপি এই কথাত বিশ্বাস নাম আছে কিয়নো আমাৰ খোদা এক জীৱন্ত খোদা।

তেওঁ সংসাৰক সৃষ্টি কৰি ৰিক্ত-হস্ত হৈ বহি পৰা নাই যদিও আজিও তেওঁৰ আদেশ সংসাৰত বিৰাজমান। তেওঁৰ আদেশতে সমগ্ৰ সংসাৰ চলি আছে। সকলো কাৰ্যৰ পৰিণাম তেওঁৰ আদেশৰ পৰা হয়। তেওঁ সেই ভক্তক যি তেওঁৰ প্ৰতি বিশ্বাস ৰাখে তেওঁক সেই সময়ত ৰক্ষা কৰে যেতিয়া তেওঁ অসাৱধান হৈ থাকে আৰু সেই অৱস্থাত যেতিয়া তেওঁক কোনোবাই নিৰীক্ষণ কৰি থাকে যেতিয়া তেওঁ সন্মুখত নাথাকে।

সেয়ে এই কথাক সম্পূৰ্ণ বিশ্বাস কৰাৰ নাম যে আজিও খোদায়ে নিজৰ ভক্তসকলক সহায় কৰি আছে আৰু তেওঁ অসহায় অৱস্থাত ভৃত্যক সহযোগ কৰে তথা নানান আহিলা আৰু সামগ্ৰী থকাৰ পিছতো যদি তেওঁ অসন্তুষ্টি জাগ্ৰত হয় তেতিয়া কোনো সফলতা অৰ্জন কৰিব নোৱাৰি—ভৰসা থাকে। আহিলাক ত্যাগ কৰাৰ নাম ভৰসা নহয়। সেয়ে ভৰসা এক হৃদয়ৰ অৱস্থাকহে কোৱা হয় যিকোনো বাহ্যিক ক্ৰিয়া বা কৰ্মক ত্যাগ কৰি নহয়। একেদৰে এক স্থানত খোদায়ে উল্লেখ কৰিছে—

(9:72) وَرِضْوَانٌ مِّنَ اللّٰهِ اَكْبَرُ ؕ

অৰ্থাৎ— খোদাৰ প্ৰসন্নতা আৰু তেওঁৰ ইচ্ছা সকলোতকৈ ওপৰত অৰ্থাৎ ভক্তই খোদাৰ সম্বন্ধৰ আধাৰ কেতিয়াও সাংসাৰিক অথবা পৰলৌকিক পুৰস্কাৰৰ দ্বাৰা কৰিব নালাগে। যি বস্তু তেওঁৰ উপলক্ষে প্ৰদান কৰা হৈছে সেয়া খোদাৰ প্ৰসন্নতা বা ইচ্ছাৰ কাৰণে হৈছে। যেতিয়া খোদা তেওঁৰ প্ৰিয় তেতিয়া তেওঁৰ ইচ্ছাক কোনো আন বস্তুৰ ওপৰত বুজি উঠাটো নিজৰ প্ৰেমক নিম্নগামী কৰাৰ দৰে।

উপযুক্ত উদাহৰণৰ মাজৰ পৰা যিবোৰ কেৱল উদাহৰণ হিচাপে দাঙি ধৰা হৈছে সেয়া বহু প্ৰকাৰে বিদিত হ'ব পাৰে যে ইছলামে ভক্তৰ পৰা আৰু খোদাৰ পৰা কেনেধৰণৰ সম্পৰ্ক অটুট থকাতো আশা কৰে আৰু যিমান দূৰলৈকে মোৰ বিচাৰ যে প্ৰতিজন লোক যি সত্য মনেৰে খোদাক বিশ্বাস কৰে এই কথাত সহমত হ'ব যে যদি কোনোবা খোদা আছে তেন্তে আমাৰ সম্পৰ্ক এনেকুৱা হ'ব লাগে।

## তৃতীয় প্ৰশ্নঃ কেনেধৰণৰ ক্ৰিয়াৰ দ্বাৰা ভৃত্যই নিজৰ খোদাৰ লগত সম্পৰ্ক স্থাপন কৰিব? অথবা খোদাৰ ফালৰ পৰা ভৃত্যৰ প্ৰতি কি কি উত্তৰ দায়িত্ব আছে?

দ্বিতীয়টো প্ৰশ্নৰ উত্তৰ দিয়াৰ পিছত মই এতিয়া তৃতীয়টো প্ৰশ্নৰ উত্তৰ দিয়াৰ চেষ্টা কৰিছোঁ। এই প্ৰশ্ন উত্তৰ বিভিন্ন ধৰ্মত বিভিন্ন ধৰণে প্ৰদান কৰা হৈছে। যিমান দূৰলৈকে মই অনুভৱ কৰো যে আগৰ প্ৰশ্নটোতকৈ এই প্ৰশ্নটোৰ বিৰোধীতা অধিক হ'ব। ইছলামে এই প্ৰশ্ন যি উত্তৰ প্ৰদান কৰে সেয়া স্বাভাৱিক যে মানুহে সেই উদ্দেশ্যক কেনেকৈ পূৰণ কৰিব যি উদ্দেশ্যৰে মানুহৰ সৃষ্টি কৰা হৈছে? অৰ্থাৎ খোদাৰ সন্ধানত তেওঁলোক পূৰ্ণ ভক্ত হৈ পৰে। খোদাই উল্লেখ কৰিছে—

اَللّٰهُ الَّذِیۡ جَعَلَ لَکُمُ الۡاَرۡضَ قَرَارًا وَّ السَّمَآءَ بِنَآءً وَّ صَوَّرَکُمۡ فَاَحۡسَنَ صُوَرَکُمۡ وَ رَزَقَکُمۡ مِّنَ الطَّیِّبٰتِ ؕ ذٰلِکُمُ اللّٰهُ رَبُّکُمۡ ۚۖ فَتَبٰرَکَ اللّٰهُ رَبُّ الۡعٰلَمِیۡنَ ﴿۶۵﴾

هُوَ الۡحَیُّ لَاۤ اِلٰهَ اِلَّا هُوَ فَادۡعُوۡهُ مُخۡلِصِیۡنَ لَهُ الدِّیۡنَ ؕ اَلۡحَمۡدُ لِلّٰهِ رَبِّ الۡعٰلَمِیۡنَ ﴿۶۶﴾

قُلۡ اِنِّیۡ نُهِیۡتُ اَنۡ اَعۡبُدَ الَّذِیۡنَ تَدۡعُوۡنَ مِنۡ دُوۡنِ اللّٰهِ لَمَّا جَآءَنِیَ الۡبَیِّنٰتُ مِنۡ رَّبِّیۡ ۫ وَ اُمِرۡتُ اَنۡ اُسۡلِمَ لِرَبِّ الۡعٰلَمِیۡنَ ﴿۶۷﴾ (40:65-67)

অৰ্থাৎ ঃ—খোদা সেই সত্ত্বা হয় যি পৃথিৱীক তোমাৰ বাবে এনেকৈ সৃষ্টি কৰিছে যে তাত তোমাৰ আৱশ্যকতাৰ সকলো সামগ্ৰী একগোট কৰি দিছে আৰু আকাশক তোমাৰ কাৰণে সুৰক্ষাৰ কাৰণ হিচাপে সৃষ্টি কৰিছে। তোমাক আকাৰ প্ৰদান কৰিছে। তথা এনে ৰূপ দিছে যি তোমাৰ কাৰ্য সৰ্বদা অনুৰূপ হয় তথা পৱিত্ৰ জীৱিকা তোমাক প্ৰদান কৰে। এয়া তোমাৰ খোদা হয়। সেয়ে,

কেনে কৃপাৰ নিদান আছে। এই খোদা মাথোঁ তোমাৰ স্ৰষ্টা আৰু পালনকৰ্তা নহয় তেওঁ সমগ্ৰ সৃষ্টিৰ পালনকৰ্তা আৰু স্ৰষ্টা। তেওঁ জীৱিত আৰু আনক জীৱন প্ৰদান কৰে। তেওঁৰ বাহিৰে আন কোনো উপাস্য দেৱতা নাই। সেয়ে তেওঁকে আহ্বান কৰা। এনেদৰে যেন তেওঁৰ বাহিৰে আন কাকো উপাসনা নকৰিবা। সকলো প্ৰশংসা সেইজন খোদাৰ কাৰণে আছে যি সমগ্ৰ সৃষ্টিৰ সৃষ্টিকৰ্তা আৰু পালনকৰ্তা। তুমি কোৱা মোক নিষেধ কৰা হৈছে যে মই সেইবোৰৰ উপাসনা কৰাত যিবোৰৰ তোমালোকে খোদাৰ অতিৰিক্ত আন উপাস্য দেৱতা হিচাপে সম্বোধন কৰা; যিহেতু মোৰ ওচৰত মোৰ খোদাৰ তৰফৰ পৰা স্পষ্ট চিহ্ন আছে আৰু আশ্চৰ্য নিদৰ্শন আছে। মোক আদেশ দিয়া হৈছে যে মই সমগ্ৰ ব্ৰহ্মাণ্ডৰ পালনকৰ্তা আৰু সৃষ্টিকৰ্তাৰ আজ্ঞা পালন কৰা সকলৰ মাজৰ এজন হৈ পৰো।

এই আয়াতবোৰৰ পৰা অৱগত হ'ব পাৰি যে খোদা সেই ভাৱাত্মক সম্বন্ধৰ উপৰিও যি প্ৰথমতে উল্লেখ কৰা হৈছে— আপুনি ভক্তৰ পৰা বাহ্যিক কাৰ্যকলাপতো আপোনাৰ আদৰ্শ পালন কৰাটো বিচাৰে। এই আদৰ্শ যি পৱিত্ৰ কোৰাণত বিদিত হৈছে। বহু প্ৰকাৰৰ আছে কিন্তু ইয়াত মই সেই আদৰ্শৰহে বৰ্ণনা কৰিব বিচাৰিছোঁ যি উপাসনাৰ লগত সম্পৰ্ক ৰাখে অৰ্থাৎ যি খোদাৰ পৰা উল্লেখ কৰা হৈছে যে ভক্ত খোদাৰ দাস হয়, মানৱজাতিৰ লগত তেওঁৰ কোনো পোণপতীয়া সম্পৰ্ক নাই।

ইছলামৰ দ্বাৰা নামাজ, ঈশ্বৰৰ ভজন, ৰোজা, হজ আৰু ত্যাগ ভাৱনা এই পাঁচটা কৰ্মৰ নিৰ্দেশ তথা ইয়াৰ ৰহস্য।

এই কৰ্মক ইছলামৰ বাবে পাঁচ প্ৰকাৰে নিয়োগ কৰা হৈছে—

১) নামাজ (উপাসনা)

২) জিকিৰ (পৰমেশ্বৰৰ স্মৰণ)

৩) ৰোজা (উপবাস)

৪) হজ ( মক্কা নগৰলৈ গৈ বিধিসন্মত ভাবে উপাসনা কৰা)

৫) কোৰবাণী ( ত্যাগ আৰু বলিদান)

এই পাঁচ প্ৰকাৰৰ উপাসনাত সকলো ধৰ্মৰ প্ৰায় সহযোগ পোৱা যায় অৰ্থাৎ

তাত ইয়াৰ পাঁচ প্ৰকাৰৰ উপাসনাৰ অস্তিত্ব পোৱা যায, লাগে উপাসনাৰ বিধিসমূহ বেলেগ বেলেগ হ'লেও। নতুনকৈ সন্ধান পুৰণি ধৰ্মসমূহৰ বিষয়ত হৈ আছে তাত ওপৰত উল্লেখ কৰা পাঁচ বিধ উপাসনাক পোৱা গৈছে। অতি আচৰিত কথাটো হ'ল যে নতুন সন্ধান লাভ কৰা তথ্য অনুসৰি এই উপাসনাৰ তথ্য সকলো ধৰ্মতে পোৱা যায়, চিন্তাধাৰা নব্য তৰংগ এই দিশে গতি কৰে উপাসনাৰ কোনো লাভ নাই। পৰমেশ্বৰৰ এই ইচ্ছা কেতিয়াও হ'বনোৱাৰে মানুহক তেওঁ বাহ্যিক ক্ৰিয়াত যুক্ত কৰিব আৰু ইয়াৰ পৰিণাম এনে হৈছে যে আজি আমি দেখিবলৈ পাইছো যে সংসাৰত বাহ্যিক উপসনাৰ প্ৰভাৱ বহুখিনি হ্ৰাস ঘটিছে। অৰ্থাৎ অধিকাংশ ধৰ্ম অনুৰাগীয়ে বাহ্যিক উপাসনাক সদায় তিলাঞ্জলি দি আহিছে কিন্তু ইছলামে কেনেকৈ প্ৰতিটো যুগৰ আৱশ্যকতাৰ বাবে শিক্ষাৰ ভাণ্ডাৰ থৈ দিছে, সেইদৰে এই জ্ঞানকো যে তেওঁলোকক নিশ্চিত কৰি থৈছে আৰু এই শিক্ষা পৰিৱৰ্তন নহয়। এয়া এক শিলৰেখাৰ দৰে তাক যুগৰ বতাহে নিজৰ স্থানৰ পৰা বিচলিত কৰিব নোৱাৰে। তেওঁলোকে প্ৰকৃতি সামগ্ৰীৰ নতুনৰ সন্ধান কৰিলেও তেওঁলোকৰ প্ৰকৃতিৰ স্থিতি এয়া যে তাৰ কোনো বিধান পৰিৱৰ্তন কৰিব পৰা নাযায়। কিয়নো তেওঁলোকৰ সমস্ত বিধানৰ আধাৰ অন্তযামী সত্ত্বাৰ ভ্ৰান্তিৰ সত্য আৰু সদাচাৰৰ দ্বাৰা নিৰ্দ্ধাৰিত।

মনত ৰাখিব লাগে যে ইয়াত কোনো সন্দেহ নাই যে খোদাৰ লগত সম্বন্ধৰ ভেটি হৃদয়ৰ মাজত থোৱা হয়। যদি হৃদয় অশুদ্ধ হয় আৰু প্ৰেমৰ পৰা ৰিক্ত হৈ পৰে তেন্তে স্পষ্টৰূপত কিমান নম্ৰতা প্ৰদৰ্শন কৰিব লাগে অথবা শুদ্ধ আৰু সদ্ ভাৱনা প্ৰদৰ্শন কৰিলে তাৰ কোনো লাভ নহয় তথাপি এনে কাম এক অভিশাপ  হয় যি নিজৰ কৰ্তব্যক অন্ধকাৰৰ গভীৰ গাঁতত পেলাই দিয়ে, পৱিত্ৰ কোৰাণে মাথোঁ এই সূক্ষ্ম তত্ত্বক স্বীকাৰ কৰে তথাপি ইয়াৰ ওপৰত বিশেষ গুৰুত্ব প্ৰদান কৰিছে। সেয়ে কোৰাণত উল্লেখ আছে—

فَوَيۡلٌ لِّلۡمُصَلِّيۡنَ ۙ﴿۵﴾ الَّذِيۡنَ هُمۡ عَنۡ صَلَاتِهِمۡ سَاهُوۡنَ ۙ﴿۶﴾ الَّذِيۡنَ هُمۡ يُرَآءُوۡنَ ۙ﴿۷﴾
(107:5-7)

অৰ্থাৎ ঃ— খোদাৰ প্ৰকোপৰ সন্মুখীন সেইসকল লোক হয় যি উপাসনা কৰে কিন্তু তাৰ বাস্তৱিকতাৰ পৰা অসাৱধান হৈ থাকে আৰু কেৱল মানুহক

দেখুৱাবলৈ উপাসনা কৰে। এইদৰে খোদাই উল্লেখ কৰিছে যে যি লোকে দান- পুণ্য, আড়ম্বৰতাৰ কাৰণে কৰে কিন্তু হৃদয়ত কোনো সদাচাৰ নাথাকে—

فَمَثَلُهٗ كَمَثَلِ صَفْوَانٍ عَلَيْهِ تُرَابٌ فَاَصَابَهٗ وَابِلٌ فَتَرَكَهٗ صَلْدًا ؕ (2:265)

তেওঁৰ অৱস্থা সেই শিলটোৰ দৰে হৈ পৰে যাৰ ওপৰত মাটি লাগি থাকে তথা যেতিয়া তাৰ ওপৰত বৰষুণ পৰে তেতিয়া তাৰ পৰা দানা সৃষ্টি হোৱাৰ পৰিৱৰ্তে বৰষুণে মাটিবোৰকে উঠুৱাইলৈ যায় তথা দানা সৃষ্টিৰ কোনো সম্ভাৱনা নাথাকে। একেদৰে দান পুণ্য কৰা সকলো খোদাৰ কোনো কৃপা বা বদান্যতাৰ অংশীদাৰ হোৱাৰ স্থানত নিজৰ অৱস্থাৰ দিশে অধিক ঋণগ্ৰস্ত হৈ পৰে। সেয়ে, ইছলামৰ ওচৰত যেতিয়ালৈকে হৃদয়ত স্থান নহয় তেতিয়ালৈকে উপাসনাৰ কোনো লাভ নাথাকে কিন্তু ইছলামে এই কথাটো গুৰুত্ব দিয়ে যে হৃদয়ৰ লগতে বাণী আৰু শৰীৰ উপাসনাত জড়িত হ'ব লাগে।

পৱিত্ৰ কোৰাণ হজৰত মহম্মদ (ছাঃ)ৰ পৱিত্ৰ বাণীৰ পৰা স্পষ্ট ৰূপত অৱগত হৈছে যে ঈমান আৰু বিশ্বাসৰ পূৰ্ণতা তিনিটা বস্তুৰ অৰ্থাৎ হৃদয়, বাণী আৰু শৰীৰ একগোট হৈ পৰিলেহে উৎপন্ন হয়। যি ব্যক্তিয়ে সত্যক স্বীকাৰ নকৰে তেওঁ বাণী আৰু শৰীৰে তাক প্ৰদৰ্শন কৰে, তেওঁ আল্লাহক প্ৰতাৰণা কৰা ব্যক্তি হয় তথা যাৰ হৃদয়- ঈমান আৰু বিশ্বাসৰ দ্বাৰা স্থিতিত কিন্তু বাণী আৰু শৰীৰ বিৰোধ, তেওঁৰো মিছা আৰু মিছলীয়া হয়। সত্যপ্ৰিয় আৰু সত্যভাষী সেইজন ব্যক্তি হয়, যাৰ হৃদয়ো বিশ্বাসত পৰিপূৰ্ণ হয় আৰু বাণী আৰু শৰীৰ তাৰ লগত সন্মিলিত হয়।

আমি দেখিছো যে যেতিয়া কোনো ব্যক্তিৰ আনজন ব্যক্তিৰে প্ৰেম হয়, তেতিয়া তেওঁৰ সন্মুখলৈ আহিলে বা তেওঁৰ নাম উচ্চাৰণ কৰিলে মুখমণ্ডলত লগে লগে এক বিশেষ প্ৰকাৰৰ অনুভৱ হ'বলৈ ধৰে আৰু এজন অপৰিচিত ব্যক্তিয়ে বুজিব পাৰে যে তেওঁৰ হৃদয়ত এজনৰ আনজনৰ প্ৰতি প্ৰেম আছে। মাক-বাপেকে নিজৰ সন্তানক প্ৰেম কৰে কিন্তু কিয় ? তেওঁলোকে নিজৰ সন্তানক কিয় চুমা দিয়ে, কিয় নিজৰ কোলত দাঙি লয় ? মানুহে নিজৰ

মিত্ৰৰ লগত কিয় হাত মিলাই? ইউৰোপৰ মানুহে যেতিয়া সম্ৰাটৰ সন্মুখত উপস্থিত হয় তেতিয়া নিজৰ মূৰটো আৱৰণ মুক্ত কৰি দিয়ে অথবা তেওঁৰ সন্মুখত আঠু লয়। এনে কিয় কৰা হয়? কিয় সেই ক্ষণত হৃদয়ৰ প্ৰেম আৰু হৃদয়ৰ সদ্‌ভাৱনা পৰ্যাপ্ত নহয়? যদি কোৱা হয় যে মানুহৰ হৃদয়ৰ অৱস্থাক জানিব পৰা নাযায়, সেয়ে তেওঁৰ হৃদয়ৰ অৱস্থা স্পষ্টৰূপত দাঙি ধৰাৰ বাবে কিছুমান চিন ইয়াত নিশ্চিত কৰা হৈছে যাৰ দ্বাৰা হৃদয়ৰ প্ৰেম কথাক উপলব্ধি কৰিব পৰা যায় তথা তাৰ আনজন অৱগত হ'ব পাৰে যে অমুক ব্যক্তিয়ে মোক ভাল পায় কিন্তু উত্তৰ উচিত নহয় কিয়নো প্ৰতিজন ব্যক্তিয়ে জানে যে যেতিয়া তেওঁ নিজৰ শিশুক মৰম কৰে অথবা নিজৰ কোনো প্ৰিয়জন অথবা মিত্ৰ দিশলৈ হাত মিলোৱাৰ উদ্দেশ্য আগবাঢ়ে তেতিয়া সেই কৰ্ম তেওঁৰ এই বিচাৰৰ অধীন নহয় যে তেওঁ ইয়াত নিজৰ প্ৰেমক প্ৰদৰ্শন কৰক। কিয় নৱজাত শিশুক যি একেবাৰে অবুজ, মাকে মৰম নকৰে? অথবা নিদ্ৰাৰত শিশু বহুবাৰ মাক-বাপেকে মৰম নকৰে? সেয়ে, অৱগত হৈছে যে প্ৰেমক এক শাৰীৰিক চিহ্নৰ দ্বাৰা দাঙি ধৰাটো স্বাভাৱিক ক্ৰিয়াই নহয় হৃদয়ৰ এক অৱস্থাক প্ৰকট কৰাৰ এক আহিলা হয়, গতিকে যি ব্যক্তিয়ে খোদাক প্ৰেম কৰে তথা তেওঁ আৰু তেওঁৰ আকৰ্ষণ কেনেদৰে সম্ভৱ হৈ পৰে যে বাণী আৰু কামৰ দ্বাৰা তেওঁৰ প্ৰেম প্ৰদৰ্শন কৰাৰ যত্ন নকৰিব। এই উদ্দেশ্যে হৈছে যি ধৰ্মই উপাসনাত ৰাখিছে উপাসনা সেই হৃদয়গত সম্পৰ্কৰ এক বাহ্যিক চিহ্ন। গতিকে যি ব্যক্তিয়ে প্ৰকৃততে খোদাক প্ৰেম কৰে, তেওঁ আন বস্তুৰ প্ৰেমক দৈহিক ক্ৰিয়াৰ দ্বাৰা প্ৰদৰ্শন কৰাত উপাসনাৰ বিষয়ত কেনেকৈ আক্ষেপ কৰিব পাৰে। উপাসনাত অভিযোগ প্ৰকৃততে প্ৰেমৰ নিম্নগামীতাৰ উৎপন্ন কৰে।

যদিও উপযুক্ত কাৰণ উপাসনাৰ বাস্তৱিকতাক বুজাবলৈ পৰ্যাপ্ত,কিন্তু ইছলামে উপাসনাৰ অন্তৰ্গত ইয়াতকৈ অধিক ৰহস্যৰ দৃষ্টি নিক্ষেপ কৰিছে যাৰ মাজত এটা হৈছে যে পৱিত্ৰ কোৰাণত উল্লেখ আছে যে বাহ্যিক ক্ৰিয়াৰ প্ৰভাৱ অন্তঃকৰণত পৰে আৰু আন্তৰিক ক্ৰিয়া বাহ্যিক ক্ৰিয়াত। সেয়ে পৱিত্ৰ কোৰাণত উল্লেখ আছে—

وَ مَنۡ یُّعَظِّمۡ شَعَآئِرَ اللّٰہِ فَاِنَّہَا مِنۡ تَقۡوَی الۡقُلُوۡبِ ﴿۳۳﴾

(22:33)

অৰ্থাৎ ঃ— যি ব্যক্তিয়ে এই পৱিত্ৰ স্থানক সন্মান কৰে য'ত খোদাৰ মহানতাৰ প্ৰদৰ্শন হৈছিল তেন্তে এয়া হ'ব লাগে কিয়নো হৃদয়ৰ ভয়ে বাহ্যিক দেহত প্ৰভাৱ পেলায়। এই স্থানত হৃদয়তাৰে পৱিত্ৰতা বাহ্যিক ভাবে স্বাভাৱিক ৰূপ প্ৰভাৱত উৎপন্ন কৰাৰ বিষয়ে বৰ্ণনা আছে। আন স্থানত বাহ্যিক ক্ষেত্ৰৰ আন্তৰিক ক্ষেত্ৰৰ প্ৰভাৱৰ সম্পৰ্কত এই শব্দত এনেদৰে উল্লেখ আছে—

کَلَّا بَلۡ ٜ رَانَ عَلٰی قُلُوۡبِہِمۡ مَّا کَانُوۡا یَکۡسِبُوۡنَ ﴿۱۵﴾

(83:15)

অৰ্থাৎ ঃ—সাৱধান হে পৰা যে সেই লোকসকলৰ হৃদয় তেওঁলোকৰ বাহ্যিক ক্ৰিয়াৰ কাৰণত বিকাৰগ্ৰস্থ হৈ পৰিছে। প্ৰথমতে এইসকলে নিজৰ লাভৰ কাৰণে বাহ্যিক সত্যৰ বিৰুদ্ধে কাম কৰিছিল, ইয়াৰ শেষ ফলাফল এনে হ'ল যে হৃদয়ৰ পৰাও সত্যৰ প্ৰতি প্ৰেম নাইকিয়া হৈ পৰিল।

মনোবিজ্ঞানৰ বিজ্ঞানীসকলৰ দ্বাৰা উপযুক্ত সত্য আধুনিক যুগত নিশ্চিত ৰূপত প্ৰতিফলিত হৈছে। মই এজন আমেৰিকান মনোবিজ্ঞানীৰ গ্ৰন্থ পঢ়িছিলোঁ যে এখন আমেৰিকাৰ কলেজৰ অধ্যক্ষ যাক প্ৰথমতে অতি যোগ্য গণ্য কৰা হৈছিল কিন্তু অধ্যক্ষ হোৱাৰ পিছতেই তেওঁৰ অযোগ্যতা পোহৰলৈ আহে। শেষত এজন বন্ধুৱে পৰামৰ্শ দিলে যে তেওঁৰ মুখখন মেলখাই থাকে। যদি তেওঁ মুখখনক বন্ধ কৰে তেন্তে ইয়াৰ বাবে অভ্যাস গঢ়ি লয় তেতিয়া তেওঁৰ আচৰণতো প্ৰভাৱ পৰিব আৰু তেওঁৰ মানসিকতাত পৰিচালনা কৰাৰ শক্তি বৃদ্ধি পাব। শেষত তেওঁ এনে কৰিবলৈ আৰম্ভ কৰিলে আৰু ইয়াৰ পিছত লাহে লাহে তেওঁৰ দুৰ্বলতাসমূহ আঁতৰ হ'বলৈ ধৰিলে, শেষত তেওঁ এগৰাকী সফল অধ্যক্ষ হৈ পৰিল। আমি দৈনন্দিন জীৱনক চৰ্চা আৰু ব্যৱহাৰৰ মাজেৰে প্ৰত্যক্ষ কৰো যদি কোনো ব্যক্তিয়ে খং কৰাৰ লক্ষণ প্ৰকাশ কৰে তেন্তে কিছু সময়ৰ পিছতেই খঙত অগ্নিশৰ্মা হৈ পৰে। যদি খঙৰ অৱস্থাত কিলকিলি কৰি

দিয়া হয় বা কোনো আন প্ৰকাৰে হাঁহিবলৈ দিয়া হয় তেন্তে তেওঁৰ হৃদয়ৰ খং অৱনমিত হয়। কন্দাৰ লক্ষণৰ সময়ত হৃদয়ত আদৰ ভাৱ উৎপন্ন হয়। এই ৰহস্যলৈ দৃষ্টি ৰাখি ইছলামী চৰিয়তে 'নামাজ' আদি বাহ্যিক উপাসনাক নিশ্চিত কৰিছে যে যেতিয়া বাহ্যিক ক্ষেত্ৰত নম্ৰতা-বিনয় আৰু ঈশ্বৰভাৱ সৃষ্টি হয় তেন্তে অতি গোপনে গোপনে তেওঁৰ হৃদয়ত প্ৰেমৰ ভাৱ জাগ্ৰত হ'ব ধৰে আৰু শেষত এনেদৰে খোদাৰ ফালে ধাৱিত হৈ পৰে যিদৰে চুম্বকৰ আকৰ্ষণত লোহা আকৰ্ষিত হয়।

বাহ্যিক ক্ষেত্ৰৰ উপাসনাৰ ৰহস্য আন এটা হৈছে যে সেই ধৰণৰ ভাৱনাৰো জন্ম হয়। শিশুক এই শিক্ষা দিয়া হৈছে যে নিজৰ ককাইয়েক আৰু পৰিয়ালৰ লোকসকলৰ লগত মৰমৰ ভাৱ ৰাখিব লাগে এই বাহ্যিক সম্পৰ্কক লক্ষ্য কৰি, গ্ৰহণ কৰে নিজৰ ওচৰৰ পৰিৱেশত আত্মীয় লোকৰ ব্যৱহাৰৰ পৰা শিক্ষালৈ। যদি প্ৰেম আৰু ক্ৰোধ প্ৰবৃত্তি হৃদয়ত প্ৰচ্ছন্ন থাকিলহেঁতেন তেন্তে কেতিয়াও এই প্ৰেমৰ এনাজৰী প্ৰিয়জনৰ মাজত পোৱা নগ'লহেঁতেন নে? নিশ্চয় পোৱা নগ'ল হয়, কিয়নো হৃদয়ৰ বিচাৰ কাৰোৰ ওপৰত প্ৰতিফলিত নহয়। শিশুৱে কিদৰে অৱগত হ'ব পাৰে যে অমুক ব্যক্তিয়ে মোৰ মা-দেউতা অথবা আন আত্মীয়ৰ লগত মোৰ প্ৰেমৰ সম্পৰ্ক আছে অথবা অমুক অমুক তাৰ প্ৰতি উদাসহীন? স্পষ্ট যে এইবিলাক তেওঁ বাহ্যিক কৰ্মৰ পৰাই অৱগত হয় তথা এইদৰে এই ভাৱনা এটা প্ৰজন্মৰ পৰা আন এটা প্ৰজন্মলৈ সুৰক্ষিত হৈ পৰে। যদি খোদাক প্ৰেম কৰাৰ বাহ্যিক চিহ্ন প্ৰদৰ্শন কৰা নহয় তথা তেওঁৰ মহানতা তেওঁৰ স্বীকাৰ্যতা আন কোনো দৈহিক সংকেত বা চিহ্নৰে কৰা নহয় তথা অহৰহ কৰা নহয়; নিশ্চয় আহিব লগা প্ৰজন্মৰ হৃদয়ত যি মাক-বাপেকৰ চৰণ চিহ্ন আৰু ছাপ চিহ্নক তথা তেওঁৰ প্ৰভাৱক আকোৱালী লয় সেই প্ৰেম আৰু সদভাৱনা পৰমাত্মাৰ বাবে উৎপন্ন হ'ব নোৱাৰে যিদৰে এই ৰূপত হৈছিল। তথাপি আমি দেখো যিবিলাক জাতিৰ উপাসনাত বাহ্যিক ক্ষেত্ৰৰ উপাসনাৰ দিশৰ পৰা অপ্ৰিয়তা সৃষ্টি হৈ আহিছে তেওঁলোকৰ মাজত নাস্তিকতা আৰু খোদাৰ অৱজ্ঞাতাৰ চিন্তা-ধাৰা অধিক বিয়পি পৰিছে।

পুনৰ বাহ্যিক উপাসনাৰ আন এটা লাভ হৈছে যে ইয়াৰ দ্বাৰা সমস্ত

মানৱ শৰীৰৰ সেইবিলাক অংগ-পতংগ যি খোদাৰ উপকাৰৰ তলত ডুবি আছে, তেওঁৰ উপকাৰক ধন্যবাদ জ্ঞাপন কৰাৰ বাবে সন্মিলিত হৈ পৰে। খোদাৰ উপকাৰ শৰীৰতো আৰু আত্মাটো। সেয়ে যেতিয়া উপাসনাত শৰীৰ আৰু আত্মা দুয়োটাকে সন্মিলিত কৰি দিয়া হয় তেতিয়া সেই উপাসনা পূৰ্ণ হৈ পৰে। ইয়াৰ অবিহনে এয়া অপূৰ্ণ হৈ থাকে আৰু কেতিয়াওঁ সুৰক্ষিত হ'ব নোৱাৰে কিয়নো হৃদয়ৰ উপাসনা মগজুৰ দ্বাৰা আাৰু মগজু কেতিয়াও মূৰৰ খলপাৰ অবিহনে সুৰক্ষিত নহয়।

গতিকে ইয়াৰ পৰা স্পষ্ট হৈ পৰিছে যে বাহ্যিক উপাসনায়ো আধ্যাত্মিকতাক সুদৃঢ় কৰাৰ ক্ষেত্ৰত অতি আৱশ্যক হয়; মই এতিয়া সেই উপাসনাৰ বিষয়ে উল্লেখ কৰিম যি ইছলামে নিজৰ অনুগামীসকলৰ বাবে ঠিৰাং কৰিছে। সকলোতকৈ মহান উপাসনা হৈছে 'নামাজ'। যাক ইছলামী উপাসানাৰ প্ৰাণ বুলি ক'ব পৰা যায়। পাঁচটা সময় এজন মুছলমানৰ কৰ্তব্য যে তেওঁ আল্লাহৰ সন্মুখত ঠিয় হৈ সেই নিশ্চিত নিয়ম অনুসৰি যি তেওঁৰ বাবে খোদাই নিশ্চিত কৰিছে তাৰ দ্বাৰা খোদাক উপাসনা কৰক। প্ৰথমতে তেওঁ 'অজু' কৰে। অৰ্থাৎ এক নিশ্চিত ভংগীৰে হাত-ভৰি পঘালে। তাত স্বচ্ছতা আৰু পৱিত্ৰতাৰ লাভৰ লগতে অতিৰিক্ত সেয়া য'ত ইছলামে অধিক গুৰুত্ব দিছে যে আধ্যাত্মিক লাভো হওঁক আৰু তেনেদৰে সেই সকলো মাৰ্গ সুৰক্ষিত হৈ পৰে যাৰ দ্বাৰা চিন্তাধাৰাত বিকাৰ আহে অৰ্থাৎ পঞ্চজ্ঞানেন্দ্ৰিয় কপাল, নাক, চকু, মুখ তথা স্পৰ্শ কৰাৰ শক্তি আৰু অনুভূতি ৰূপত হাত আৰু ভৰি। যিসকল লোকে আধ্যত্মিকতাৰে সম্পৰ্ক ৰাখে তেওঁ এই তথ্যবোৰক ভালদৰে বুজিব পাৰে। কিন্তু দুখৰ বিষয় যে ইয়াত সময় আদিৰ কিছু অভাৱ হোৱাৰ বাবে বিস্তাৰিতভাবে তাৰ বৰ্ণনা কৰিব পৰা নাযাব। ইছলামে এই দুটা কথাৰ বিষয়ে আৰু স্বয়ং এই কামৰ নামত সংকেত দিছে যে অৰ্থাৎ আজু' শব্দৰে, যাৰ অৰ্থ স্বচ্ছতা আৰু সৌন্দৰ্য। সেয়ে তাৰ নাম এই কথাৰ প্ৰমাণ কৰেযে এই কাৰ্যৰ দ্বাৰা বাহ্যিক স্বচ্ছতাও হয় আৰু যি আন্তৰিক স্বচ্ছতাৰ বাবে অতি আৰশ্যক হয়। দ্বিতীয়তে ইয়াৰ দ্বাৰা 'নামাজ'ও সুন্দৰ হৈ পৰে অৰ্থাৎ ইয়াৰ দ্বাৰা চিন্তাদাৰা বিকৃত হোৱাৰ পৰা ৰক্ষা পৰে তথা নামাজত বাস্তৱিকতা উৎপন্ন

হয়।

অজু কৰাৰ পিছতেই কিৱলা বা কাৱাৰ দিশে মুখ কৰি ঠিয় হয়; যাৰ দ্বাৰা তেওঁ হজৰত ইব্ৰাহিমৰ বলিদানৰ আৰু তেওঁৰ পুণ্য পৰিণামৰ দিশে ধ্যান আকৰ্ষিত হয়। পুনৰ তেওঁ কিছু নিশ্চিত ইবাদত (পৱিত্ৰ কোৰাণৰ চুৰা আৰু আয়াত) পঢ়ে যিটো তিনিটা আধ্যাত্মিক বিষয়ত আধাৰিত।

প্ৰথমতে— খোদাৰ পৱিত্ৰতা আৰু মহানতা গুণৰ গুণগান তথা তেওঁৰ প্ৰশংসাৰ বৰ্ণনা। কিয়নো ইয়াৰ দ্বাৰা খোদাৰ গুণৱান সত্ত্বা তেওঁৰ সন্মুখলৈ আহে আৰু তেওঁৰ মানসপট প্ৰেমৰ আবেগেৰে সদভাৱনাৰ প্ৰেৰণাৰে প্ৰভাৱিত হৈ পৰে তথা তাৰ পৰা খোদাৰ দিশে বিশেষ আকৰ্ষণ উৎপন্ন হয়।

দ্বিতীয়তে— এই বিশ্বাসত যে ভৃত্যৰ সকলো উন্নতি খোদাৰ সহায়ৰ ওপৰতেই নিৰ্ভৰশীল। ইয়াৰ পৰা তেওঁৰ হৃদয়ৰ দুৰ্বলতাসমূহ উপলব্ধি কৰিব পাৰে। যাৰ দ্বাৰা তেওঁ নিজৰ সংস্কাৰ আৰু খোদাৰ প্ৰতি ধ্যান দিয়াৰ দিশে আকৰ্ষিত হয়।

তৃতীয়তে— প্ৰাৰ্থনাৰ যি মৰ্যাদা ‘নামাজ’ মূলতে। ইয়াৰ দ্বাৰা মানুহে খোদাৰ কৃপা আৰু বদান্যতাক লাভ কৰে তথা তেওঁৰ প্ৰভাৱক নিজৰ প্ৰভাৱৰ মাজত থৈ তেওঁৰ পৰা সেই পুৰস্কাৰ অৰ্জন কৰে যি আধ্যাত্মিক ৰূপত সদায় বল আৰু তেওঁৰ বীৰ্যৰ দৰে অনুৰূপ হয় যিটো এজন নৰ আৰু নাৰীৰ সংযোগৰ দ্বাৰা উৎপন্ন হয় তথা তাৰ পৰা এক নতুন সন্তুষ্টি অৰ্জন হয়। তথাপি ইছলামৰ ‘নামাজ’ নিজৰ অস্তিত্বত এনে চমৎকাৰ ৰাখি আহিছে যে মানুহৰ বুদ্ধি সেই গুণক দেখি আচৰিত হৈ পৰে কিন্তু চৰ্ত এয়া যে সেই নিয়ম বা চৰ্তত ‘নামাজ’ আদায় কৰিব লাগে যাক ইছলামে তেওঁৰ বাবে নিশ্চিত কৰিছে অন্যথা সি কোনো প্ৰভাৱ পেলাব নোৱাৰে আৰু ‘নামাজ’ পঢ়াজন ব্যৰ্থ হৈ ‘নামাজ’ত আক্ষেপ কৰিব।

‘নামাজ’ আদায় কৰাৰ ক্ষেত্ৰত ইছলামৰ চৰিয়তে (ইছলামীক ধৰ্মীয় সিদ্ধান্তই) যি বাহ্যিক চিহ্ন নিৰ্ধাৰিত কৰিছে সেয়া ৰহস্যৰে পৰিপূৰ্ণ। অৰ্থাৎ হাত বান্ধি ঠিয় হোৱা, ৰুকুত যোৱা অৰ্থাৎ আঠুত হাত থোৱা, পুনৰ হাত এৰি চিধাকৈ ঠিয় হোৱা, চিজদা কৰা তথা দুই কৰঙণত বহা এই সমূহ ক্ৰিয়া হৈছে

যাক সংসাৰ বিভিন্ন দেশত অতি নম্ৰতা প্ৰদৰ্শন কৰাৰ বাবে প্ৰয়োগ কৰা হয়। কিছুমান দেশত লোকসকলে অধিক সন্মান প্ৰদৰ্শন কৰিবলৈ হাত বান্ধি ঠিয় হয়। কিছুমান স্থানত হাত এৰি ঠিয় হয়। মিছৰৰ পুৰণি জাতিয়ে আঠুত হাত ৰাখি অত্যাধিক প্ৰতিষ্ঠা প্ৰদৰ্শিত কৰে। ভাৰতত 'চিজদা'ৰ প্ৰথা আছিল। ইউৰোপত আঠুৰ বলত পৰাৰ ৰীতি আছে। ইছলামে নিজৰ উপাসনাত সেই সকলো নীতিক একত্ৰিত কৰিছে।

এই সকলো বিশেষত্বৰ লগত এই বিশেষত্বক একগোট কৰি 'নামাজ'ৰ সময়ত যাৰ বাবে সৰ্বসাধাৰণ আদেশ আছে যে সকলো মুছলমানে মিলি-জুলি নামাজ আদায় কৰক কিয়নো ভ্ৰাতৃত্ববোধৰ ভাৱৰ উন্নতি হয়। যি সময়ত সম্ৰাট আৰু তুচ্ছ শ্ৰমিকে কান্ধত কান্ধ মিলাই ঠিয় হয় তেতিয়া হৃদয়ত সঁচা অৰ্থত এই অনুভৱ কৰে যে এয়া এক বাস্তৱিকতা হয় কোনো আড়ম্বৰ বা মনে সজা নহয়। এক এনে সত্তাৰ সন্মুখত লোক ঠিয় হৈছে যাক সন্মুখত এক সম্ৰাটো নিজৰ সাম্ৰাজ্যৰ চিন্তা-চেতনাক পাহৰি পেলায় আৰু এজন সাধাৰণ ব্যক্তিৰ দৰে কান্ধত কান্ধ মিলাই ঠিয় হয়।

কিছুমানলোকে এই চিন্তাধাৰাক কয় যে ইছলামে 'নামাজ'ৰ শিক্ষা এক লোভৰ ৰূপত দিছে যে খোদাই এনেদৰে আমাক কিবা দিব কিন্তু এয়া একেবাৰে ভুল হয়। ইছলামে একমাত্ৰ এনে ধৰ্ম যি এই চিন্তাধাৰাক মিছা আৰু অৰ্থহীন বুলি প্ৰমাণিত কৰিছে। তেওঁলোকে কৈছে যে ইছলামী উপাসনা এক সাংসাৰিক লোভ মানুহৰ প্ৰাৰ্থনা -পত্ৰৰ দৰে নহয় তথাপি তাৰ দুটা মহান উদ্দেশ্য আছে। এটা তেওঁলোকে খোদাৰ উপকাৰক ধন্যবাদ জ্ঞাপন কৰে আৰু সেই উপকাৰক মানি লোৱাটো সত্যক স্বীকাৰ কৰা হয় তথা সত্যতাবিহীন স্বীকাৰোক্তিয়ে মানুহক মানুহ বুলি কোৱা অধিকাৰৰ পৰা বঞ্চিত কৰে। দ্বিতীয়তে আধ্যাত্মিক উন্নতিৰ প্ৰাপ্তি। সেয়ে পৱিত্ৰ কোৰাণত এই দুটা বিষয়ৰ উল্লেখ এনেদৰে আছে—

فَاذۡكُرُوۡنِىۡۤ اَذۡكُرۡكُمۡ وَاشۡكُرُوۡا لِىۡ وَلَا تَكۡفُرُوۡنِ ﴿١٥٣﴾

(2:153)

অৰ্থাৎঃ হে লোক মোৰ উপাসনা কৰা যাতে মই নিজৰ সন্মিলনৰ তোমালোকক

ৰসপান কৰাব পাৰো আৰু মোৰ দায়িত্বক তথা পুৰষ্কাৰক ধন্যবাদ জ্ঞাপন কৰা আৰু সেই উপকাৰক স্বীকাৰ কৰাত মুখ ঘূৰাই নিদিবা অৰ্থাৎ উপাসনাৰ এটা লাভ আধ্যাত্মিক উন্নতি আৰু দ্বিতীয় উন্নতি খোদাৰ উপকাৰক ধন্যবাদ। আন এক স্থানত পুনৰ খোদায়ে কৈছে—

(29:46) اِنَّ الصَّلٰوةَ تَنۡهٰى عَنِ الۡفَحۡشَآءِ وَالۡمُنۡكَرِ‌ؕ

অৰ্থাৎঃ— ইছলামৰ নমাজে মানুহক কুকৰ্ম আৰু অপছন্দ তথা অপ্ৰিয় কথাৰ পৰা সুৰক্ষিত কৰে। পয়গম্বৰ ইছলাম হজৰত মহম্মদ (ছাঃ)ৰ পৱিত্ৰ কথাৰ পৰা অৱগত হৈছে যে হজৰত মহম্মদ (ছাঃ)ক ইছলামৰ পৰা কিছুমান সংগীয়ে প্ৰশ্ন কৰিলে যে আপুনি ইমান উপাসনা কিয় কৰে? তেতিয়া আপুনি উত্তৰ দিলে—

আফালা আকুনা আবদান শ্বাকুৰা (বুখাৰী)

অৰ্থাৎ— কিয় মই খোদাক ধন্যবাদ জ্ঞাপন কৰা বান্দা নহ'ম নে? পৱিত্ৰ কোৰাণত আন এক স্থানৰ পুনৰ খোদায়ে উল্লেখ কৰিছে—

(13:29) اَلَا بِذِكۡرِ اللّٰهِ تَطۡمَئِنُّ الۡقُلُوۡبُؕ ۝٢٩

অৰ্থাৎঃ— ইছলামী নামাজৰ দ্বাৰা হৃদয়ত সন্তোষ উৎপন্ন হয় আৰু তেওঁ সন্তুষ্ট হৈ পৰে আৰু মানুহক তেওঁ আধ্যাত্মিক সূক্ষ্ম জ্ঞান উপলব্ধি কৰে যাৰ দ্বাৰা সন্দেহৰ অৱস্থা নাইকিয়া হৈ পৰে। গতিকে ইছলামী 'নামাজ' আধ্যাত্মিক উন্নতিৰ আহিলা হয়। যিদৰে ভৌতিক জগতত বিভিন্ন কৰ্মৰ প্ৰাপ্তিৰ কাৰণে আহিলাবোৰ বেলেগ বেলেগ হয়।

সাৰাংশ এয়া যে ইছলামী 'নামাজ'ৰ শিক্ষা গূঢ় তত্ত্ব তথা মহান ৰহস্যত আধাৰিত হয়। ইয়াত ইমান গুণ আছে যে আন ধৰ্মৰ উপাসনাত সেই গুণ নাই। সেই সকলোবিলাক আৱশ্যকতা সেই উপাসনাত আধাৰিত হয়। সেয়ে পৱিত্ৰতা তথা খোদাৰ ভয় এটাই আহিলা হয়। যি ব্যক্তিয়ে ইয়াক বিচাৰ কৰে যে তেওঁৰ বাহ্যিক উপাসনাৰ আৱশ্যকতা নাই তেন্তে সেয়া ভুল হয়। মিছা এয়া কোনটো বুদ্ধি যি স্বীকাৰ কৰিব পাৰে যে হজৰত ইব্ৰাহিমে

সকলো প্ৰেম ( অৰ্থাৎ ঐশ্বৰিক প্ৰেম, তেওঁৰ ভয়ৰ দ্বাৰা নিজৰ আধ্যাত্মিক পৱিত্ৰতা) ৰ লগতে হজৰত মুছাই নিজৰ সমস্ত বলিদানৰ লগতে হজৰত ঈছা মছীহে নিজৰ সমস্ত নম্ৰতাৰ লগতে আৰু পয়গম্বৰ হজৰত মহম্মদ (ছাঃ) নিজৰ সমস্ত কলা আৰু সম্পূৰ্ণতা হোৱাৰ পিছতো বাহ্যিক উপাসনাত নিৰ্ভৰশীল আছিল আৰু তেওঁলোকে হৃদয়ক উপাসনাৰ কাৰণেই পৰ্যাপ্ত বুলি নাভাবিছিল কিন্তু কিছুমান এনে লোক যি দিনে-নিশাই সাংসাৰিক অভিনয়তে ব্যস্ত থাকে আৰু খোদাৰ নাম আৰু তেওঁৰ স্মৰণ কেতিয়াবা ভুল ক্ৰমেও তেওঁলোকৰ হৃদয়ত নহয় তাৰ কাৰণে পৰ্যাপ্ত যে তেওঁ কেৱল হৃদয়তে খোদাৰ নাম স্মৰণ কৰে। বাস্তৱত এয়া এনে বিচাৰ হয় যি হয়তো মানসিক অৱসাদৰ কাৰণে উৎপন্ন হৈছে নতুবা মানৱীয় মনে এই বিবশতাৰ প্ৰদৰ্শনৰ দ্বাৰা হৃদয়ৰে অনুতাপ তথা আত্মগ্লানিৰ পৰা বাচিবলৈ বিচাৰিছে অথবা এক ছলনা যাৰ দ্বাৰা বাহ্যিক আক্ষেপৰ সন্মুখত নিজৰ আধ্যাত্মিকতাক সুকুৱাবলৈ বা  আঁৰ কাপোৰ দিয়া হয়।

উপাসনাৰ দ্বিতীয় ভংগী ঈশ্বৰ ভজন হয়। অৱগত হ'ব লাগে যে এই উপাসনা ইছলামে এই তত্ত্বৰ আধাৰত উল্লেখ কৰিছে যে 'নামাজ' যি বিশেষ ৰূপে তথা বিশেষ নিয়মক তথা চৰ্ত অনুসৰি পূৰণ কৰা হয় তাক মানুহে সকলো সময়তে পঢ়িব নোৱাৰে কিন্তু যিদৰে মানুহে অলপ অলপ সময়ৰ পিছতেই পানীক বিচাৰে আৰু পানীৰ বাহিৰে তেওঁৰ মাজত এক প্ৰকাৰৰ অৱসাদ আৰু শুকান অনুভৱ হ'ব ধৰে। সেইদৰে তেওঁৰ আত্মাও অত্যাধিক পানীৰ জিজ্ঞাসু হৈ পৰে কিয়নো সাংসাৰিক কাৰ্য আৰু ভৌতিক ক্ৰিয়াকলাপৰ পিছত গোটেই দিনটো ব্যস্ত থকাৰ কাৰণে আত্মা নিজৰ আহাৰৰ পৰা বঞ্চিত হৈ পৰে। সেয়ে ইয়াৰ কাৰণে ইছলামে ইয়াক উল্লেখ কৰিছে যে এনে ব্যক্তিৰ কাৰণে লাগে যে তেওঁ সময়ে সময়ে খোদাৰ গুণক স্মৰণ কৰি তাৰ ওপৰত অলপ চিন্তা কৰক কিয়নো তেওঁ সকলো সময়তে সংসাৰ ব্যস্ততাৰ মাজত নাথাকক তথা খোদাৰো মনত পৰি থাকে আৰু হৃদয়ত তেওঁৰ প্ৰেমৰ ফিৰিঙতিও জ্বলি উঠে। এই স্মৰণৰ সময়ত যি লাভ ইতিমধ্যে উপৰোক্ত বাক্যাংশত উল্লেখ কৰা হ'ল।

তৃতীয় প্ৰকাৰৰ উপাসনা যাক ইছলামে নিৰ্দেশ দিছে সেয়া হ'ল 'উপবাস'। উপবাসৰ আদেশ প্ৰায়বিলাক ধৰ্মতে পোৱা যায় কিন্তু যিদৰে ইছলামে ইয়াক উপস্থাপন কৰিছে আৰু সুৰক্ষিত কৰিছে সেয়া আন ধৰ্মতকৈ পৃথক আৰু অনুপম হয়। ইছলামত 'ৰোজা' অৰ্থাৎ উপবাসৰ এই ৰূপ যে ইয়াক প্ৰতিজন  পূৰ্ণ বয়স্কক, বুদ্ধিমানক একেৰাহে একমাহৰ 'ৰোজা' ৰখাৰ নিৰ্দেশ দিছে সেই ব্যক্তিৰ বাহিৰে যি অস্বাস্থ্যকৰ হয় বা ৰোগী হয় অথবা তেওঁৰ ৰোগ হোৱাৰ নিৰাশাজনক বিশ্বাস থাকে অথবা যাত্ৰাত থাকোতে, তেওঁলোকৰ বাবে আদেশ আছে যে আন সময়ত ৰোজা ৰখা; যি অক্ষম হৈ পৰিছে, তেওঁৰ কাৰণে কোনো উপবাস নাই। 'ৰোজা' ৰোজাৰ এই স্বৰূপ যে ৰাতিপুৱা পোহৰ হোৱাৰ আগৰ পৰা সূৰ্যৰ অস্ত যোৱালৈকে কোনো বস্তু খাব বা পান কৰিব, কম বা অধিক, নে পুৰুষ আৰু নাৰীয়ে সম্পৰ্কৰ প্ৰতি ধ্যান দিব। পোহৰ হোৱাৰ আগতে কিছু আহাৰ গ্ৰহণ কৰক আৰু পানীপান কৰি লওঁক যাতে শৰীৰত অত্যাধিক বোজা নপৰে। কেৱল গধূলিহে খাই ৰোজা ৰখাটো আৰু একেৰাহে ৰোজা ৰখাটো চৰিয়তে অপছন্দ কৰিছে। 'ৰোজা'ৰ ৰহস্য পৱিত্ৰ কোৰাণত এইদৰে উল্লেখ কৰিছে —

لِتُكَبِّرُوا اللّٰهَ عَلٰى مَا هَدٰىكُمْ وَلَعَلَّكُمْ تَشْكُرُوْنَ ۝١٨٦ (2:186)

অৰ্থাৎঃ- যাতে তুমি খোদাৰ মহানতাক প্ৰদৰ্শন কৰা, সেই কাৰণে তেওঁ তোমাক সত্য পথ দেখুৱাইছে আৰু যাতে তোমাৰ মাজত তেওঁৰ প্ৰতি ধন্যবাদ জ্ঞাপন কৰাৰ শক্তি সৃষ্টি হওঁক। অৰ্থাৎ ঃ— এটা লাভে ইয়াক অভীষ্ট কৰে যে তুমি সেই দিনত খাদ্য-পানী আদি দৈনিক ক্ৰিয়াৰ পৰা আঁতৰত থাকা আৰু পাৰ্থিৱ জীৱনৰ পৰা ধ্যান আঁতৰ হোৱাৰ কাৰণে খোদাৰ নাম অধিক উচ্চাৰণ কৰিবা। দ্বিতীয় লাভ এয়া যে এনেদৰে ক্ষুধাৰ কষ্টক অনুভৱ কৰি তোমাৰ হৃদয়ত ধন্যবাদৰ ভাৱনাৰ জন্ম হ'ব; কিয়নো মানুহৰ নিজৰ নিয়ম যে যেতিয়ালৈকে তেওঁলোকৰ ওচৰত খোদাৰ প্ৰদত্ত কোনো জীৱনোপযোগি বস্তু থাকে তেতিয়ালৈকে তাৰ মূল্য জ্ঞাত নহয়। যেতিয়া নাইকিয়া হৈ পৰে তেতিয়া তাৰ মূল্যৰ বিষয়ে ধাৰণা হয়। বহুতো চকু থকা সৎজনৰ মগজুত গোটেই জীৱনটো এয়া কেতিয়াও অনুভৱ নাহে চকু কিমান অমূল্য সামগ্ৰী কিন্তু যেতিয়া

কাৰোবাৰ চকু যায় গৈ তেতিয়া তেওঁ অৱগত হয় চকু খোদাৰ কিমান অমূল্য বস্তু আছিল। এনেদৰে ৰোজাত যেতিয়া মানুহে ভোকত থাকে তেওঁ ভোকৰ যাতনা অনুভৱ হয় তেতিয়া তেওঁ অৱগত হৈ পৰেযে খোদায়ে তেওঁক কেনে সুখ প্ৰদান কৰিছে আৰু এয়া যে তেওঁ সুখময় জীৱনৰ শ্ৰেষ্ঠত্ব তথা লাভদায়ক কাৰ্যত ব্যয় কৰিব লাগে, অৱসাদ আৰু খেল-ধেমালীৰ মাজত আৰু আন ব্যৰ্থ কাৰ্যত ব্যয় কৰিব নালাগে।

পুনৰ খোদায়ে উল্লেখ কৰিছে যে ‘ৰোজা’ৰ উদ্দেশ্য এয়া যে-

(2:184) لَعَلَّكُمْ تَتَّقُوْنَ ۝١٨٤

তুমি তাকৱা অবলম্বন কৰা। এই ‘তাত্তাকুন’ শব্দৰ অৰ্থ কোৰাণ শ্বৰিফত তিনি প্ৰকাৰে প্ৰযুক্ত হয়। এক দুখৰ পৰা বাচিবলৈ অৰ্থত, দ্বিতীয়তে পাপৰ পৰা ৰক্ষা পোৱাৰ অৰ্থত আৰু তৃতীয়তে আধ্যাত্মিকতাৰ উচ্চ স্তৰ প্ৰাপ্তিৰ সম্পৰ্কত। গতিকে এই শব্দৰ দ্বাৰা খোদায়ে ‘ৰোজা’ৰ তিনিটা সূক্ষ্ম তত্ত্বক উল্লেখ কৰিছে প্ৰথম তত্ত্ব এয়া যে মানুহে ৰোজাৰ দ্বাৰা দুখৰ পৰা বাচি থাকে। প্ৰকাশিত ৰূপত এই কথা আচৰিত যে ‘ৰোজা’ই মানুহক দুখৰ পৰা ৰক্ষা কৰে কিয়নো ‘ৰোজা’ য়ে মানুহক অধিক কষ্টও দিয়ে। কিন্তু যেতিয়া গভীৰভাবে চিন্তা কৰা যায় তেন্তে ‘ৰোজা’ই মানুহক দুটা পাঠ দিয়ে য’ত মানুহৰ জাতীয় ৰক্ষা হয়। প্ৰথম পাঠ এয়া যে ধনী মানুহে গোটেই বছৰটো ভালতকৈ ভাল খাদ্য গ্ৰহণ কৰে তেওঁলোকে নিজৰ দুখীয়া ভাইৰ কষ্টক, যি খাদ্য গ্ৰহণ নকৰাকৈ, ক্ষুধাতুৰ হৈ জীৱন পাৰ কৰে, অনুভৱকে নকৰে। নে তেওঁলোকে ক্ষুধাৰ যাতনাক দেখিছে, নাই তেওঁলোকে ভোকৰ অনুমান কৰিব পাৰে। কিন্তু ইছলামৰ আদেশ অনুসৰি ডাঙৰ ডাঙৰ ধনীলোকসকলেও ৰোজা ৰাখিব লাগে আৰু তেতিয়া তেওঁলোক অৱগত হ’ব যে ভোকৰ যাতনা কেনেকুৱা হয় আৰু তেতিয়া নিজৰ দুখীয়া ভাইসকলৰ অৱস্থাৰ উচিত অনুমান হ’ব আৰু তেওঁলোকৰ প্ৰতি সহানুভূতিৰ ভাৱনা হৃদয়ত জাগি উঠিব। সগতে ইয়াৰ পৰিণামে জাতিক সুৰক্ষা তথা উন্নতি প্ৰদান কৰিব। জাতিৰ ৰক্ষা বাস্তৱত ব্যক্তিৰ ৰক্ষাই হয়।

আন এক ৰূপ এয়া যে ইছলামে নিবিচাৰে লোকসকল এলেহুৱা আৰু

অসাৱধান হওঁক আৰু কষ্ট সহ্য কৰাৰ প্ৰবৃত্তি নাথাকক, সেয়ে ইছলামে বিচাৰে যে প্ৰয়োজন সকলো প্ৰকাৰৰ পৰিশ্ৰম আৰু কঠোৰতা সহ্য কৰিবলৈ সামৰ্থ হৈ উঠক। ‘ৰোজা’ই প্ৰতিবছৰে ইছলামৰ মাজত এই সামৰ্থৰ সৃষ্টি কৰি আহিছে। যি ব্যক্তি ইছলামৰ এই আদেশত পৰিচালিত তেওঁ কেতিয়াওঁ বিলাসিতা আৰু অসাৱধানতাত গ্ৰস্ত হৈ নষ্ট হ'ব নোৱাৰে।

আন এটা কথা হ'ল যে ‘ৰোজাই মানুহক পাপৰ পৰা ৰক্ষা কৰে।। ইয়াৰ পৰা স্পষ্ট হৈ পৰে যে পাপ বাস্তৱত ভৌতিকবাদৰ প্ৰতি শিৰতনত কৰাৰ নাম। সংসাৰত এই নিয়ম দেখা গৈছে যে যেতিয়া মানুহে কোনো কিবা কাৰ্যত অভ্যস্ত হৈ পৰে তেতিয়া তেওঁ তাক ত্যাগ কৰিব নোৱাৰে। কিন্তু যেতিয়া তাত এই শক্তি থাকে যে নিজৰ ইচ্ছানুসৰি তাক এৰি দিলেও পুনৰ সেই ইচ্ছাই তেওঁক গ্ৰাস কৰে। যেতিয়া কোনো ব্যক্তিয়ে ৰোজাত সেই সকলো আনন্দ আৰু সোৱাদক বিচাৰি পায় যি তেওঁক সদায় পাপৰ দিশে আকৃষ্ট কৰে তেওঁ খোদাৰ কাৰণে তাক ত্যাগ কৰিব পাৰে। লগতে এমাহৰ লৈকে নিৰন্তৰ নিজৰ মনক নিয়ন্ত্ৰণ কৰাৰ অভ্যাস কৰাৰ বাবেই তেওঁৰ অৱশ্যেই এই পৰিণাম অৰ্জন কৰে যে সেই লোভ-মোহৰ সন্মুখত নিজকে সৰলতাপূৰ্ণভাবে সন্মুখীন কৰাব পাৰে যি তেওঁক পাপৰ দিশে টানি নিয়ে।

তাকৱা অথবা হৃদয়ৰ পৱিত্ৰতাক স্থায়িত্বত ৰোজাই এনেধৰণে সহায় কৰে সেই দিনকেইটাত নিশাৰ আহাৰৰ বাবে উঠিব লগা হয়, অধিক উপাসনা তথা প্ৰাৰ্থনাৰ অৱকাশ প্ৰাপ্ত হয় আৰু যেতিয়া ভৃত্যই খোদাৰ কাৰণে নিজৰ বিশ্ৰামক ত্যাগ কৰে তেন্তে খোদায়ে তেওঁক নিজৰ দিশে আকৃষ্ট কৰে আৰু তেওঁৰ আত্মাক শক্তি প্ৰদান কৰে।

চতুৰ্থ প্ৰকাৰৰ উপাসনা ‘হজ’। এই উপাসনাৰ উদ্দেশ্য ‘ৰোজা’ আৰু ‘নামাজৰ’ লগত মিল আছে অৰ্থাৎ খোদাৰ বাবে নিজৰ দেশক ত্যাগ কৰাৰ অভ্যাস কৰা আৰু নিজৰ পৰিয়ালৰ পৰা পৃথক হোৱাৰ অভ্যাস কৰা। ইয়াৰ উপৰিও পৱিত্ৰ কোৰাণত এই বিশেষত্বৰ বিষয়ে উল্লেখ কৰা হৈছে যে এই উপাসনাই খোদাৰ প্ৰিয় স্থানৰ ( য'ৰ পৰা তেওঁৰ সত্ত্বা আৰু তেওঁৰ প্ৰিয় ধৰ্মৰ পতাকা উত্তোলিত হয়) মান-প্ৰতিষ্ঠা প্ৰতিস্থাপিত হয় আৰু তাৰ স্মৃতিৰ ৰহস্য

সদায় সজীৱ থাকে। 'হজ'য়ে বাস্তৱত সেই ঘটনাক স্মৰণ কৰাই যে যি হজৰত ইব্ৰাহিমে নিজৰ পুত্ৰ হজৰত ইছমাইলক নিৰ্জনত ত্যাগ কৰি দিয়াৰ কাৰণে উপস্থাপিত হৈছিল।? দ্বিতীয়তে 'কাবা'ৰ বিষয়ে পৱিত্ৰ কোৰাণত উল্লেখ আছে যে সেয়া প্ৰথম ঘৰ যাৰ নিৰ্মাণ শুদ্ধৰূপত খোদাৰ উপাসনাৰ কাৰণে নিৰ্মাণ কৰা হৈছিল। সেয়ে 'হজ'লৈ যি গমন কৰে মানুহৰ সন্মুখত এই চিত্ৰ দাঙি ধৰে যে কেনেদৰে খোদাৰ বাবে বলিদান দিওঁতাক ৰক্ষা কৰিব লাগে আৰু তেওঁক খোদায়ে কেনেকৈ প্ৰতিষ্ঠা প্ৰদান কৰে। 'হজ' কৰোতাৰ হৃদয়ত খোদাৰ ভয় আৰু তেওঁৰ সত্ত্বাৰ প্ৰতি বিশ্বাস বৃদ্ধি কৰে। আনহাতে তেওঁ নিজকে নিজেই সেই ঘৰত দেখি আদিকালৰ পৰাই সংসাৰত খোদাৰ স্মৰণ কৰাৰ বাবে নিৰ্মিত কৰা হৈছিল, এক অনুপম আধ্যাত্মিক সম্বন্ধ সেই লোকসকলৰ মাজত স্থাপিত কৰে হাজাৰো লাখো বছৰৰ আগৰে পৰা এই আধ্যাত্মিক এনাজৰীত পীড়া অনুভৱ কৰি আহিছে যি এই ব্যক্তিৰো পীড়া হৈ পৰে অৰ্থাৎ খোদায়ে স্মৰণ তথা প্ৰেমৰ সম্পৰ্কক যিবিলাক বান্ধ আছিল তাত আৱদ্ধ কৰে লাগে সেয়া পুৰণি হওঁক বা নতুন হওঁক।

ইয়াৰ অতিৰিক্ত 'হজে' ৰাজনৈতিক লাভো প্ৰদান কৰে কিয়নো প্ৰভাৱশালী লোকসকলৰ মাজৰ পৰা বছৰত এটা দল একগোট হৈ সমগ্ৰ সংসাৰৰ মুছলমানৰ অৱস্থাৰ প্ৰতি পৰিচিত হৈ থাকে আৰু ভ্ৰাতৃভাৱ তথা প্ৰেমৰ উন্নতি কৰে। এইদৰে পৰস্পৰ এজনে আনজনৰ কঠিনতাক পৰিচিত হোৱাৰ তথা পৰস্পৰক সহযোগ কৰা আৰু এজনে আনজনৰ গুণক গ্ৰহণ কৰাৰ সুবিধা লাভ কৰে। কিন্তু দুখ লাগে যে এই সময়ত সেই উদ্দেশ্যৰ লাভ অৰ্জন কৰা নহয়।

পঞ্চম উপাসনা ' কোৰবাণী' অৰ্থাৎ বলিদান কৰাটো হয়। অধিকাংশ লোকে ইছলামী কোৰবাণীৰ বাস্তৱিকতাক বুজি নাপায় আৰু বুজি উঠে যে বলিদানৰ আদেশ মুছলমানে এই কাৰণে দিছে যিহেতু 'বলিদান' বলিদান কৰা জনৰ পাপক উঠাই লয়। কিন্তু এয়া সঠিক কথা নহয়। ইছলামে কদাপি এই শিক্ষা প্ৰদান নকৰে। 'কোৰবাণী' কুৰব শব্দৰ পৰা আহিছে। বলিদান বাস্তৱত এটা অতি সূক্ষ্ম ক্ৰিয়াত্মক ভাষা হয় যাক বুজি নোপোৱাৰ কাৰণে লোকসকলৰ

মাজত ভুল হৈছে। এয়া স্পষ্ট যে সংসাৰত চিত্ৰ আৰু ক্ৰিয়াৰ দ্বাৰা বাণীৰ প্ৰচলন অত্যাধিক আছে। তথাপি সংসাৰত ভাষা আৰু সাহিত্যৰ কলা উন্নতিৰ সৰ্বোচ্চ শিখৰত উপনীত হৈছে তথাপি নিজৰ ভাৱ প্ৰকাশ এতিয়াও যে প্ৰাচীন পদ্ধতিত সংসাৰত চলি আছে আৰু তাৰ প্ৰভাৱত লোক প্ৰভাৱিত হৈ আহিছে। সভ্যতাৰ সকলো ক্ষেত্ৰত ইয়াৰ স্পষ্ট প্ৰভাৱ দেখিবলৈ পোৱা গৈছে। উদাহৰণ হিচাপে যেতিয়া দুজন মানুহে এজনে যেতিয়া আনজনক হাত মিলাই তেন্তে তেওঁলোকক কোনেও নকয় তুমি ব্যৰ্থ কাম কৰি আছা আৰু নে কিবা চিন্তা কৰে যে হাত মিলোৱাক দুয়োজনে কিমান প্ৰসন্নতা অৰ্জন কৰিছে। কিন্তু এই হাত মিলোৱা এক সাংকেতিক আৰু মুল ভাষা হয় যি প্ৰচীন ৰীতিৰ প্ৰভাৱৰ পৰা আজিলৈকে চলি আহিছে। এতিয়া লাগে তাৰ কাৰণ লোকসকল অৱগত নহয় কিন্তু সেই ৰীতি চলি আহিছে তথা সংসাৰৰ শ্ৰেষ্ঠ কামৰ ভিতৰত ইয়াকো গণনা কৰা হয় কিয়নো প্ৰেম বঢ়াবলৈ তথা সম্পৰ্কক দাঙি ধৰিবলৈ ই সহায়ক হয়। কিন্তু সৰ্বপ্ৰথম যেতিয়া এই ৰীতি প্ৰচলন হৈছিল তেতিয়া এনেদৰে হৈছিল যে দুজন মানুহে যেতিয়া পৰস্পৰে এই কথাত বুজাবুজি কৰিছিল যে এজনে আনজনক সহায় কৰিব আৰু আৱশ্যকানুসৰি তেওঁৰ পক্ষৰ হৈ যুদ্ধ কৰিব সেয়ে সুৰক্ষা আৰু আক্ৰমণ দুয়ো হাতেৰে হৈছিল সেয়ে দুজনে পৰস্পৰ আনজনৰ হাতত ধৰিছিল যে এতিয়া যাৰ ওপৰত তোমাৰ হাত উঠিব মোৰো উঠিব। এতিয়া আমাৰ দুয়োৰে হাত এক হৈ পৰিলে। আক্ৰমণ আৰু সুৰক্ষা দুয়োটা অৱস্থাতে এই হাত সংগঠিত থাকিব। চাওঁক আৰম্ভণীতে কেনে ভয়ানক বুজাবুজিত এই ৰীতি প্ৰচলিত আছিল কিন্তু আজি সাধাৰণ প্ৰেম আৰু অভিব্যক্তিৰ কাৰণে ইয়াৰ প্ৰচলন আছে কিন্তু তথাপি এক সীমালৈকে সংসাৰক ই লাভ প্ৰদান কৰি আহিছে আৰু ইয়াক ত্যাগ কৰিবলৈ লোক সন্মত নহয়।

একেদৰে চুম্বন ৰীতিৰ মূল কাৰণ হৈছে সাংকেতিক ভাষা। চুম্বন বাস্তৱত চেলেকা কাৰ্য অনুৰূপ হয়। বাস্তৱত এই কথাৰ দ্বাৰা প্ৰাচীনগত স্বভাৱ ( মই প্ৰাচীনগত স্বভাৱ বুলি এই কাৰণে উল্লেখ কৰিছোঁ যে পশুৰ মাজতো ইয়াৰ অস্তিত্ব পোৱা যায়) এই কথাক প্ৰদৰ্শিত কৰে যে মই সেই ব্যক্তিৰ অস্তিত্বক যাক মই চুম্বন কৰিছোঁ নিজৰ পৰা তাক পৃথক হ'বলৈ নিদিওঁ তথাপি

বিচাৰিছোঁ যে তেওঁ মোৰ শৰীৰৰ অংগ হৈ পৰক।

গতিকে সাংকেতিক ভাষা আমাৰ দৈনিক কাৰ্যত সংযুক্ত হৈ আছে তথা তাৰ পৰা আধ্যাত্মিক লাভ অৰ্জন কৰা হয়। তাৰ মাজত কোৰবাণী তথা বলিদান আছে। যদি গুৰুত্ব সহকাৰে চিন্তা কৰা হয় যে প্ৰাণীৰ বলি দিয়াটো কোনো সাধাৰণ কাৰ্য নহয় তথাপি সি মনত গভীৰ প্ৰভাৱ বিস্তাৰ কৰে কিন্তু মানুহৰ অপবাদ যে যি 'জৱহ' কৰি অভ্যস্ত হৈ পৰিছে। আন ব্যক্তিৰ মনত পশুৰ 'জবহ' কৰাৰ প্ৰভাৱ অৱশ্যে পৰিব আৰু সেই সময়ত তেওঁৰ মগজুত এক বিশাল প্ৰতিক্ৰিয়া সৃষ্টি হয় ইমানলৈকে যে তাৰ পৰা প্ৰভাৱিত হৈ কিছুমান জাতিয়ে কোৰবাণীক অত্যাচাৰী বুলি কৈ দিলে।তেওঁলোকে এনে কৰাটো তেওঁলোকৰ দুৰ্বলতাৰ সূচক হয়। কিন্তু ইয়াত সন্দেহ নাই কোৰবাণীৰ প্ৰভাৱ মনত অৱশ্যে পৰে। এই প্ৰভাৱ সৃষ্টি কৰাৰ কাৰণে কোৰবাণীক উপাসনাত চামিল কৰা হৈছে। ইয়াৰ অভিপ্ৰায় এয়া যে 'কোৰবাণী' কৰাজনে 'কোৰবাণী'ৰ দ্বাৰা সাংকেতিক ভাষাত মনৰ মাজত প্ৰতিজ্ঞা কৰিব লাগে যে যদি মই উত্তম বস্তুৰ বাবে প্ৰাণ দিব লাগে তেন্তে আনন্দৰে নিজক উৎৰ্চগা কৰি দিম।

এতিয়া চিন্তা কৰা যে যি ব্যক্তিয়ে 'কোৰবাণী'ৰ এই ৰহস্যক বুজি 'কোৰবাণী' কৰে, তেওঁৰ মনত তাৰ কিমান গভীৰ প্ৰভাৱ পৰিব আৰু কিদৰে তেওঁ নিজৰ কৰ্তব্যক মনত ৰাখিব যি তেওঁৰ ওপৰত তেওঁৰ জন্মদাতাৰ ফালৰ পৰা নিশ্চিত আছিল ? সেই 'জবহ'ৰ স্মৃতি সদায় তেওঁৰ হৃদয়ক সজাগ কৰি ৰাখিব তথা তেওঁৰ হৃদয়ে তাক উল্লেখ কৰি থাকিব যে চোৱা তুমি নিজ হাতেৰে ছাগলীক জবহ কৰি এই কথাৰ প্ৰতিজ্ঞা কৰিছা যে তুমি তুচ্ছ বস্তুক মহান বস্তুৰ কাৰণে বলিদান কৰিবা, গতিকে তুমিও এই বলিদানৰ বাবে প্ৰস্তুত থাকিব লাগে যি সত্যক স্থাপন কৰিবলৈ অথবা মানৱজাতিক কষ্টৰ পৰা আঁতৰ কৰিব লাগিব। এই বিষয়ৰ দিশে পৱিত্ৰ কোৰাণে সংকেত কৰিছে। উল্লেখ আছে যে—

لَنْ يَّنَالَ اللّٰهَ لُحُوْمُهَا وَلَا دِمَآؤُهَا وَلٰكِنْ يَّنَالُهُ التَّقْوٰى مِنْكُمْ ؕ

(22:38)

খোদালৈ তোমাৰ কোৰবাণীৰ মাংস নাপায় আৰু তেজ নাপায়, কিন্তু খোদাৰ

সেই ভাৱনা যি খোদাৰ ভয়লৈ দৃষ্টি ৰাখি তুমি যি কৰিছিলা সেয়া গৈ পায়। অৰ্থাৎ এই উদ্দেশ্যক পূৰণ কৰিবা যাৰ বাবে কোৰবাণী হৈ গ'ল নহ'লে কোৰবাণীৰ অৰ্থ হৈ পৰিব কেৱল মাংস খোৱা আৰু তেজ প্ৰৱাহিত কৰা কাম যি তোমাৰ পৰা হৈছে আৰু কোনো তোমাৰ বাস্তৱিক লাভ নহ'ব।

এই স্পষ্টীকৰণৰ পৰা আপোনালোকে ভালদৰে অৱগত হৈছে যে ইছলামৰ ওচৰত কোৰবাণী কদাপি সেই কাৰণ নহয় যি আন জাতি বিলাকৰ ক্ষেত্ৰত। ইছলামে সেই উদ্দেশ্যক ৰক্ষা কৰি আহিছে যাৰ কাৰণে এই সাংকেতিক বাণীক প্ৰচলন কৰা হৈছে কিন্তু আন ধৰ্মই বাস্তৱিক ভাষাক পাহৰি কোৰবাণীৰ দিশতে উদ্দেশ্যক নিশ্চিত কৰি আহিছে।

**প্ৰশ্ন-৪ ঃ ভক্তই খোদাক পাব পাৰেনে? তথা কোনো ধৰ্ম খোদাক লগ কৰোৱাৰ উত্তৰ দায়িত্ব গ্ৰহণ কৰিছে সেই ধৰ্মই খোদাৰ লগত ভক্তক লগ কৰি দিয়ে নে?**

উত্থাপন হোৱা প্ৰশ্নবোৰৰ ভিতৰত অতি গুৰুত্বপূৰ্ণ আৰু যদি ইয়াৰ ওপৰত গভীৰ ভাবে চিন্তা কৰা হয় তেন্তে অৱগত হয় যে ধৰ্মৰ লাভ বাস্তৱত এই প্ৰশ্নৰ ওপৰতে আধাৰিত হয়। যি ব্যক্তিয়ে মানুহৰ প্ৰকৃতিৰ পূৰ্ণ প্ৰকাশত মুখ ঘূৰাই নিদিয়ে তথা তাৰ পথ প্ৰদৰ্শনৰ ক্ষেত্ৰত চকু বন্ধ কৰি নিদিয়ে, তেওঁ নিজৰ হৃদয়ত অনুভৱ কৰে যে যদি ধৰ্মৰ কিবা উদ্দেশ্য আছে তেন্তে এয়া যে খোদাৰ লগত লগ পোৱাৰ পথ প্ৰদৰ্শন কৰক নহ'লে খোদাক লগ কৰাই দিয়ক। সকলো শীৰ্ষ প্ৰশ্ন এই প্ৰশ্নৰ অংশ অথবা সেই সম্পৰ্কিত প্ৰশ্ন হয়।

যদি কোনো ধৰ্মই খোদাৰ গুণক বৰ্ণনা কৰে, তেওঁৰ অদ্বৈতাতো অধিক বল দিয়ে, খোদাৰ লগত সম্পৰ্ক থোৱাৰ বাবে নিজৰ অনুগামীসকলক আদেশ কৰে, উপাসনাৰ ভংগী তেওঁ কোৱাৰ দৰে কিন্তু এই কথাত সদায় মৌন হৈ পৰে যে কি তেওঁক খোদা লগ কৰাব পাৰে তথা এই সংসাৰতে লগ কৰাব পাৰিব তেন্তে তেওঁৰ সকলো বাক্য কেৱল মাত্ৰ শব্দৰ চাতুৰি তথা সময় নষ্ট হোৱা আৰু মানৱ জাতিৰ পৰা হাঁহি, ঠাট্টা আৰু উপহাস হৈ পৰে।

এই ধৰ্মবিলাকৰ উদাহৰণ সদায় সেইবিলাক ধৰ্মৰ দৰে হ'ব যি ঢোল, পেপা আৰু বিগুল বজাই ঘোষণা কৰে যে এটা গুৰুত্বপূৰ্ণ সন্ধান পোৱা গৈছে,

লোকসকল একগোট হৈ পৰক যাতে সেই কথা শুনাব পৰা যায় আৰু কোনো ব্যক্তিয়ে যেন ইয়াৰ পৰা পিছ পৰি নাযায় কিয়নো এয়া এনে এক সন্ধান যাৰ সন্ধান আগতে এনেদৰে কেতিয়াওঁ হোৱা নাছিল আৰু সেয়া এনে যে সকলো মানুহৰ বাবে তাক শ্ৰৱণ কৰাটো আৱশ্যক তথা সকলোতকৈ লাভদায়ক হয়। তাৰ লাভ অৰ্জন কৰাটো ইমান অধিক যে আজিলৈকে কোনো বস্তুৰ পৰা ইমান লাভ হোৱা নাই তথা এই সন্ধানৰ পৰা লাভ কৰিব নোৱাৰাটো চৰম দুৰ্ভাগ্য হ'ব।

যেতিয়া সেই ব্যক্তিৰ ঘোষণাত আঁতৰৰ আৰু ওচৰৰ পৰা ব্যক্তিসকল আহি একগোট হ'ব তথা জিজ্ঞাসা আৰু উৎকণ্ঠাৰ কাৰণে নিজৰ কাম বাদ দি আহিব আৰু সকলো মানুহ একগোট হোৱাৰ পাছত সেই ব্যক্তিয়ে ঘোষণা কৰিবযে এখন নতুন দেশৰ সন্ধান পোৱা গৈছে সেই দেশ ইমান বহল যে সকলোৱে তাত গৈ অতি সৰলতা পূৰ্বক ভাবে বসবাস কৰিব পাৰে আৰু বহু দূৰত্বও নহয় যদিও প্ৰত্যেকৰে দুৱাৰৰ ওচৰত হয় তাত জলস্ৰোত বৈ আছে লগতে পুণ্য আৰু ফল তথা মেৱা অধিক ভাবে আছে, তাত সকলো সামগ্ৰীয়ে ব্যাপক ইমান যে যিলোকে তাত বসবাস কৰে নিজৰ অংশৰ বহুলতাৰ কাৰণে এজনে আনজনৰ লগত কাজিয়া যুদ্ধ কৰাটো ব্যৰ্থতা বুলি ভাৱে যে তাত প্ৰত্যেকৰে ওচৰত বহু কিবাকিবি থাকিব। মই কি কম যে তাত এনে সুখ আছে। আৰাম আছে। তাত দৃশ্যমান সূৰ্যই যি নিজৰ আকাশৰ পৰা পৃথিৱীৰ ধৰাতলক প্ৰকাশিত কৰে লগতে ঘন ছায়াই তাৰ উষ্ণতাৰ পৰা বিশ্ৰাম দিয়ে ইমান হৃদয়াকৰ্ষক যে সেই পৃথিৱীলৈ যোৱাৰ পিছত কাৰো মন তাৰ পৰা উভতি আহিবলৈ নিবিচাৰে। যেতিয়া লোকসকলৰ অভিলাস তীব্ৰ হৈ পৰে তথা তেওঁলোকৰ আশা বিস্তৃত হৈ পৰে আৰু যদি ভাল দেশ ক'ত আছে যাতে আমি সেই দেশলৈ যাব পাৰো তথা সেই মেৱাক খাওঁ আৰু তাৰ পানী পান কৰো? তেন্তে সেই ব্যক্তিয়ে যদি কয় যে দেশখন সেয়া এনেকুৱা কিন্তু দুখৰ বিষয় যে মই নাজানো দেশখন ক'ত আছে? লগতে কেনেকৈ তালৈ যাব পাৰি? মই ককা-দেউতাহঁতৰ গ্ৰন্থগাৰত এখন কিতাপত পাইছিলো তাত লিখা আছিল যে এনে এখন দেশ আছে। গতিকে মই নিবিচাৰিলো যে আপোনালোক

এই গুৰুত্বপূৰ্ণ সন্ধানৰ পৰা অপৰিচিত হৈ থাকক। আপোনালোকে অনুমান কৰিব পাৰিছে যে সেই ব্যক্তিজনৰ প্ৰতি শ্ৰোতসকলে কেনে ব্যৱহাৰ কৰিব? কিন্তু আচৰিত যে ধৰ্মৰ ক্ষেত্ৰত লোকসকলক এনেদৰে উপহাস কৰা হয় আৰু কোনোৱে প্ৰশ্ন নকৰে যে এনে কিয় কৰা হৈছে? ঘোষণাত খোদাৰ দিশে আহ্বান কৰা হয় কিন্তু যেতিয়া কোনো আহে তেতিয়া তেওঁ একোকে লাভ নকৰে, তেওঁ যি স্থানত আছিল সেই স্থানতে থাকি যায়, কেৱল উৎকণ্ঠা আৰু কেতিয়াওঁ পূৰণ নোহোৱা ইচ্ছাৰ অধিকতা থাকে।

কোনোবাই আজিলৈকে শুনিছে নে কোনো দিনে নেদেখা কোনো কাল্পনিক প্ৰেমিকৰ লগত প্ৰেম হোৱা। প্ৰেম যে সৌন্দৰ্য দেখি হয়। সৌন্দৰ্যৰ কেৱল বৰ্ণনা শুনি প্ৰেম সৃষ্টি হ'ব নোৱাৰে। তেন্তে ইমান অধিক প্ৰেম যাৰ আশা কৰা যায়- যাক ভক্তই পৰমেশ্বৰক কৰিব,- পৰমেশ্বৰক নেদেখাকৈ কেনেকৈ উৎপন্ন হ'ব পাৰে? প্ৰেম যে হৃদয়ত দহিত হৈ পৰাৰ নাম হয় কিন্তু এতিয়া অগ্নিয়ে নাই যেতিয়া কোনো বস্তু দহিত হ'ব কেনেকৈ? সেয়ে প্ৰথমতে আৱশ্যক যে সূৰ্যৰ পোহৰ দৃশ্যমান মুখ্যমণ্ডল হওঁক, যাতে সূৰ্যই নিজৰ পোহৰৰ উষ্ণতাৰে হৃদয়ক দহিত কৰে তেতিয়া এনে ফলাফল স্বৰূপে প্ৰেম উৎপন্ন হ'ব পাৰে। গতিকে কোনো ধৰ্মই খোদাৰ প্ৰতি তেতিয়ালৈকে সঁচা প্ৰেম কৰিব নোৱাৰে যেতিয়ালৈকে সি খোদায়ে প্ৰদান কৰা পথত যাত্ৰা নকৰে।

সময়ৰ অৱস্থাক চোৱা আজি কিমান লোকে খোদাৰ প্ৰেমক আৰু তেওঁৰ প্ৰেমক হৃদয়ত থৈছে? নিশ্চয় দহ শতাংশ নহয়। এই দহ শতাংশও সেয়া যিভাবে খোদাৰ লগত প্ৰেম আছে কিন্তু বাস্তৱত তেওঁলোকে প্ৰাচীন ৰীতি-নীতি আৰু নিজৰ অগ্ৰজসকলৰ দ্বাৰা নিৰ্মিত পথক অনুকৰণ কৰি আহিছে। সংসাৰৰ চাৰিওফালে নিৰ্যাতনৰ অন্ধকাৰ দৃষ্টিগোচৰ হৈছে। খোদাৰ কাৰণে বলিদান কৰাটো মানুহৰ বাবে কঠিন হৈ পৰিছে। ধৰ্মৰ নামত যি বলিদান কৰা হয় তাৰ পিছতো এনে জাতীয় আশা আৰু ভাৱনা পুঞ্জিভূত হৈ থকা দেখা যায়। এতিয়া দৃষ্টি গোচৰ হৈছে। কিমান দূৰৰ পৰা লোকসকল তাক চাবলৈ আহে কিন্তু খোদাক চাবলৈ কোনো ঘৰৰ পৰা নোলায়। এই কাৰণে যে লোকসকলে জানে তেওঁক ঘৰত দেখা যাব নে বাহিৰত দেখা যাব। গতিকে

লোকসকলে যেতিয়া একোকে নেদেখে তেতিয়া তেওঁলোক নিৰাশ হৈ পৰে। ধৰ্মৰ সমস্যাও এতিয়া এনে যে তাৰ শেষ দিনত ( যিদিনাখন খোদায়ে সকলো মানুহৰ কৰ্ম অৱগত হৈ তাক কৰ্ম অনুসৰি নিৰ্ণয় কৰিব) এৰি দিয়া নহ'ব কিয়নো মানুহ দুবাৰকৈ সংসাৰলৈ নাহে আৰু নিশ্চিতভাৱে নাহে। গতিকে এই সংসাৰত মানুহে একো দেখা নাপালেও আৰু পৰলোকত তেওঁলোক অৱগত যে তেওঁ কোনটো পথত গতি কৰি আহিছে সেই পথ শুদ্ধ পথ নহয়, তেন্তে তেওঁ কি কৰিব ? আকৌ যদি কল্পনা কৰে এই কথাই নহয় নে পৰমেশ্বৰ আছে নে মৃত্যুৰ পিছত কোনো জীৱন আছে, গতিকে তেওঁ এই জীৱনৰ ভেদৰ সন্মুখীন হ'ল।

এই কথাৰ ঘোষণা প্ৰতিটো ধৰ্মই কৰে যে মৃত্যুৰ পিছত খোদা তেওঁক কাষতে পাব; কিন্তু ইমান গুৰুত্বপূৰ্ণ সমস্যা কোনো লোকে কাল্পনিক সুন্দৰ চিন্তাত কেনেদৰে নিজক বিলীন কৰিব পাৰে ? যিবিলাক লোকসকলক কোৱা হয় সেয়া কেৱল এয়া যে তুমি এনেদৰে কৰিব লাগিব তথা এনেকৈ কৰা কিন্তু বাস্তৱত এই কথাক আৱশ্যকতা আছে আমাৰ সেই কামৰ বাবে খোদা কি কৰিব ? আমাৰ কামৰ অৱস্থাৰ সহায় এনেধৰণৰ যেনেকৈ কোনোবাই দুৱাৰত খটখটাই। কিন্তু প্ৰশ্ন এয়ে যে সেই অসীম সত্ত্বাই- যি আজিৰ পৰা উনৈশ বছৰৰ পূৰ্বে সংসাৰক নিজৰ ৰশ্মিয়ে উদীপ্ত কৰিছিল- সংকেত দিছিল। কিয় সেই দুৱাৰ আমাৰ বাবে মুকলি কৰা হ'ব নে ? যদি সেই দুৱাৰ মুকলি কৰা নহয় আৰু আমাৰ খটখটী ক্ৰিয়াই এনেধৰণৰ সংকেত নিদিয়ে যাৰ দ্বাৰা দুৱাৰ মুকলি হৈ পৰে, তেন্তে কোৱাজনে কি ক'লে ? এনে চিঞৰ-বাখৰ দেখো আমিও নিজেই কাৰোবাৰ লগত কৰিব পাৰো ? তেওঁ যে কেৱল পূৰণ নোহোৱাৰ আশা আমাৰ হৃদয়ত সৃষ্টি কৰি আমাক অধিক ছটফটাই দিলে। তেওঁ কোৱাৰ লাভ তেতিয়া আছিল যেতিয়া আমাক সেই সংকেত শিকালে হয় যাৰ দ্বাৰা দুৱাৰ মুকলি হয় আৰু এই জগততে মুকলি হ'ল হয় কিয়নো ইয়াৰ আগতে যদি আমি উভতি অহাৰ কোনো পথ নাথাকে, আমাৰ সন্তোষ আহিল হয় যদি আমি সৎ পথত আগবাঢ়িলো হয়।

হে ভনী আৰু ভাইসকল ! লাগে তোমালোক যি দেশৰে নোহোৱা

মই আপোনালোকক শুভ সংবাদ দিছোঁ যে ইছলাম অথবা আন অৰ্থত আহমদী এই কথাৰ ঘোষণা কৰে যে সেই সংকেতৰ শিক্ষা দিয়া হয় যাৰ দ্বাৰা সেই দুৱাৰ মুকলি কৰিব পৰা যায়। নহয়, নহয়, তাতকৈ অধিক এই কথাক ঘোষণা কৰা হৈছে যে ইয়াৰ আগতেও কিছুমান লোকে এই কামত নামি পৰিছে। কোনোবা আছে যাৰ প্ৰতি খোদাই আহমদীয়তৰ দ্বাৰা সেই দুৱাৰ মুকলি কৰিছে আৰু সেয়া এই জীৱনতে তেওঁলোকে লাভ কৰিছে। তথাপি যদি আপোনালোক তাৰ জিজ্ঞাসু তেন্তে তেওঁৰ দিশলৈ আহিলে কিয় যে তেওঁ আপোনালোকৰ সেই ইচ্ছাক পূৰণ কৰিব। মাথোঁ তেওঁক যাক খোদা বিচাৰে যে তেওঁৰ অভিলাস পূৰণ নহওঁক।

ইয়াৰ আগতে মই এই কথাক ব্যাখ্যা কৰো যে আহমদীয়তে কেনেকৈ খোদাক লগ কৰাই, মই তাক স্পষ্ট কৰি দিয়াটো আৱশ্যক বুলি ভাবো যে খোদাক লগ পোৱাৰ কি তাৎপৰ্য আছে।

তেন্তে মনত ৰাখিব লাগে যে খোদাৰ সৈতে সাক্ষাৎ হোৱাৰ অৰ্থ এয়া নহয় যে খোদাৰ কোনো ভৌতিক অস্তিত্ব আছে যাক মানুহে নিজৰ চকুৰে দেখিবলৈ পাব; কিন্তু যেতিয়া মই উল্লেখ কৰো যে আধ্যাত্মিক চকুৰে দেখিব পৰা যায় তেন্তে তাতো মোৰ এনে অভিপ্ৰায় নাই যে তেওঁ কাল্পনিক চকুৰে দেখে আৰু বুজি লৈছে যে তেওঁ দেখি আছে যেনেকৈ সেইলোকসকলে মগজুক বিশেষ প্ৰকাৰৰ অভ্যাসত লগাই দিয়ে।  যেনে-তেনে বিবেচনা কৰে তথাপি মোৰ অভিপ্ৰায় বাস্তৱত দেখাপোৱাৰ ক্ষেত্ৰতহে আছে যিদৰে আমি সূৰ্যক দেখিছো যিদৰে আমি চন্দ্ৰক দেখিছো অথবা আন কোনো বস্তুক দেখিছো ইমানলৈকে যে তেওঁৰ অস্তিত্বত কোনো সন্দেহ নাথাকে। যদি দহ কোটি মানুহেও মোৰ সন্মুখলৈ আহি কয় যে বাস্তৱত সূৰ্য আমাৰ সন্মুখলৈ নাহে তথাপি কল্পনা হৈ যায় সূৰ্য আমাৰ সন্মুখত আছে তেন্তে আমি বুজিম যে সেই দহ কোটি মানুহ পাগল হৈ পৰিছে কিন্তু মোৰ মগজুত নাহে যে মই সূৰ্যক দেখা নাই। এই কাৰণে যে মই সূৰ্য সেই ভংগীৰে দেখিছো যি ভংগীৰে চোৱাৰ পিছত কোনো সন্দেহ সৃষ্টি হ'ব নোৱাৰে।

বিবেচনা আৰু নিশ্চয়তাৰ মাজত এই পাৰ্থক্য হয় যে বিবেচনাত সাধাৰণতে

কেৱল এটা ভাৱ সংযুক্ত হৈ থাকে আৰু জ্ঞানত বহুতো ভাৱ সংযুক্ত হয়। উদাহৰণ স্বৰূপে যেতিয়া কোনো ব্যক্তিয়ে বিবেচনা কৰে যে অমুক স্থানত কোনো ব্যক্তি ঠিয় হৈ আছে; কিন্তু বাস্তৱত তেওঁ ঠিয় হৈ থকা নাই। যদি তেওঁ সেই ব্যক্তিজনক ধৰিবলৈ বিচাৰি শূন্যত হাতখন ঘূৰাই তেতিয়া নিশ্চয় অনুভৱ হ'ব যে সেয়া তেওঁৰ ভুল আছিল বাস্তৱত একো নহয়। বাস্তৱত যদি কোনোবা থাকিলহেঁতেন তেন্তে স্পৰ্শ শক্তি- দৰ্শন শক্তিয়ে সমৰ্থন কৰিব আৰু হাতখন শূন্যত ঘূৰাই দিওঁতে কোনো বস্তুৰ অনুভৱ কৰিব। তথাপি কেতিয়াবা এনে ভ্ৰান্তিতো কিছুমানে নিজৰ অধিকাৰ সাব্যস্ত কৰে কিন্তু সেই অৱস্থা উন্মাদনাৰ বাহিৰে আন একো নহয় পিছতেই তাৰ ভুল ধৰা পৰে।

কিন্তু এই ভ্ৰান্তিৰ শুধৰণীৰো এটা পথ আছে আৰু সেয়া এয়া হ'ল যে যদি এজন লোক ভ্ৰান্তিৰ স্বীকাৰ হৈ পৰে নিজৰ ভ্ৰান্তি অনুসৰি যি কোনো বস্তুৰে প্ৰত্যক্ষ কৰক কিন্তু সেয়া প্ৰদৰ্শন কৰিব নোৱাৰে। কিন্তু বাস্তৱিকতা থাকিলে তেওঁ আনকো তাৰ বিষয়ে ক'ব পাৰে। সেয়ে মই যেতিয়া কৈছো ইছলামে অৰ্থাৎ আহমদীয়তে খোদাৰ লগত মানুহক লগ কৰাই দিব তাত মোৰ তাৎপৰ্য কোনো ভ্ৰান্তিমূলক ক্ৰিয়া নহয় যে তাৰ দ্বাৰা আজিও প্ৰতিটো ধৰ্ম অনুসৰি খোদাক লগ পায় আছে তথাপি মোৰ তাৎপৰ্য এয়া যে যোগাত্মক মিলন হয় যিদৰে নিশ্চায়াত্মক আৰু বিশ্বস্ততা বস্তুৰ থাকে অৰ্থাৎ কিছুমান জ্ঞানেন্দ্ৰিয় তাক সমৰ্থন কৰে আৰু তাৰ প্ৰভাৱ লোকসকলক দেখুৱাব পৰা যায়। কিন্তু এই কথা অৱশ্যে হয় যে এই দৰ্শন সূক্ষ্ম আধ্যাত্মিক হয়। ভৌতিক চকুৰে তাক দৰ্শন কৰিব পৰা নাযায়।

এই কথাৰ প্ৰমাণ হিচাপে মই যি প্ৰশ্নৰ চিন্তা কৰিছোঁ তাৰ উত্তৰ ইছলামে 'হয়' দিব আৰু খোদাক লগ পোৱাৰ ঘোষণা কৰিছে। তলত উল্লেখ কৰা আয়াতত ইয়াক উল্লেখ কৰা হৈছে। পৱিত্ৰ কোৰাণৰ আৰম্ভণীতে খোদায়ে কৈছে—

ذٰلِكَ الْكِتٰبُ لَا رَيْبَ ۛۚ فِيْهِ ۛۚ هُدًى لِّلْمُتَّقِيْنَ ۙ۝۳ (2:3)

অৰ্থাৎ ঃ এয়া সেইখন গ্ৰন্থ হয় যাৰ বিষয়ে পূৰ্বৰ গ্ৰন্থবোৰত উল্লেখ কৰা হৈছিল। ইয়াত কোনো সন্দেহ নাই। গতিকে ইয়াৰ পৰা প্ৰমাণ হৈছে যে এই গ্ৰন্থ

পৰহেজগাৰী ( খোদাৰ প্ৰতি ভয় কৰোতা)ক মাৰ্গ দৰ্শন কৰে আৰু তেওঁৰ স্তৱ অনুসৰি তেওঁৰ ওচৰলৈ নিয়ে। তাৎপৰ্য এয়া যে বাকী ধৰ্মই কেৱল মুত্তাকী অৰ্থাৎ পৰহেজগাৰ বনোৱাৰ ঘোষণা কৰে। অথচ উল্লেখ কৰে যে সেই ব্যক্তিয়ে যি আমাৰ নিয়ম অনুকৰণ কৰিব তেওঁ পৰহেজগাৰ হৈ পৰিব; কিন্তু ইছলামে মাথোঁ পৰহেজগাৰ বনোৱাৰ বিষয়ে ঘোষণা কৰা নাই যদিও তাতকৈ ওপৰত স্থান দিয়ে। ইছলামে মানুহক সেই কাৰ্যৰ বিষয়ে উল্লেখ নকৰে যিটো তেওঁলোকক বিতৰণ কৰা হৈছে তথাপি যেতিয়া ইছলামৰ আদৰ্শত আচৰণ কৰি নিজৰ ফালৰ পৰা সকলো যত্ন কৰিব পাৰে তেন্তে ইছলামে সেয়া উদ্ধলৈ লৈ যায় অৰ্থাৎ খোদাৰ ফালৰ পৰাও সেই দিকলৈ গুৰুত্ব দিয়া হয় আৰু প্ৰেম তথা যত্ন কেৱল এটা ফালৰ পৰা নহয় কিয়নো দুয়োটা ফালৰ পৰা তাৰ প্ৰদৰ্শন হ'ব লাগে।

একেদৰে এক স্থানত উল্লেখ কৰা হৈছে যে—

وَمَنْ يُّطِعِ اللّٰهَ وَالرَّسُوْلَ فَاُولٰٓئِكَ مَعَ الَّذِيْنَ اَنْعَمَ اللّٰهُ عَلَيْهِمْ مِّنَ النَّبِيّٖنَ وَالصِّدِّيْقِيْنَ وَالشُّهَدَآءِ وَالصّٰلِحِيْنَ ۚ وَحَسُنَ اُولٰٓئِكَ رَفِيْقًا ۝٧٠

ذٰلِكَ الْفَضْلُ مِنَ اللّٰهِ ۭ وَكَفٰى بِاللّٰهِ عَلِيْمًا ۝٧١ (4:70-71)

অৰ্থাৎ যিলোকে খোদা তথা তেওঁৰ পয়গম্বৰ অৰ্থাৎ হজৰত মহম্মদ (ছাঃ)ৰ সকলো আজ্ঞাক যথোচিত পূৰ্ণৰূপত পালন কৰিব, খোদাই তেওঁলোকক চাৰিটা পদৱী প্ৰদান কৰিব যাক তেওঁলোকে উন্নত মৰ্যদা লাভ কৰিব। যিসকলে অধিক আজ্ঞাক পালনকৰ্তা হ'ব; তেওঁক অৱতাৰী পদৱী প্ৰদান কৰা হ'ব আৰু ইয়াতকৈ কম হ'ব তেওঁক ছিদ্দিক অৰ্থাৎ খোদাৰ ঘনিষ্ঠ সম্পৰ্কীয় পদৱী প্ৰদান কৰিব আৰু যি ইয়াত কিছু নিম্ন হ'ব তেওঁক শ্বহীদৰ, অৰ্থাৎ সেই লোকসকলৰ যাৰ চকুৰ পৰা পৰ্দা আঁতৰ হৈছে কিন্তু তেওঁ সেই স্থানত উপনীত হ'ব পৰা নাই যাক ঘনিষ্ঠ আৰু বিশিষ্ট মিত্ৰসকলৰ মাজৰ বুলি ক'ব পৰা হোৱা

নাই তথা যি ইয়াতকৈ কম হ'ব তেওঁক ছালেহীন পুৰুষৰ অৰ্থাৎ নিজৰ কাম শুদ্ধ কৰিছে কিন্তু এতিয়াও খোদাৰ ফালৰ পৰা তেওঁৰ বাবে কোনো খিৰিকী মুকলি কৰা হোৱা নাই। পুনৰ কৈছে যে এই লোকসকল সংগীৰ দৃষ্টিৰ পৰা ভাল। যদি কোনো মানুহে তেওঁলোকৰ সংগ গ্ৰহণ কৰে তেন্তে তেওঁৰো নিজৰ শুধৰণী কৰিব পাৰিব। এই মৰ্যাদা যাক খোদাৰ ফালৰ পৰা কথা দিয়া হৈছে বিশেষ কৃপাৰ ৰূপত আৰু খোদায়ে নিজৰ ভক্তক ভালদৰে অৱগত হয় অৰ্থাৎ খোদা এই বিষয়ে পৰিচিত যে তেওঁৰ দ্বাৰা সৃষ্টি কৰা অসীম উন্নতিৰ ইচ্ছা মানুহৰ অন্তঃকৰণে বিদ্যমান হয় আৰু প্ৰেমিকাক লগ পোৱাৰ উৎকণ্ঠা তেওঁলোকৰ হৃদয়ত সমৰ্পন কৰা হৈছে। সেয়ে এই ইচ্ছাক পূৰ্ণ কৰাটো খোদাৰ বাবে অনিবাৰ্য। গতিকে, তেওঁ নিজৰ কৃপা আৰু বদান্যতাৰ সামগ্ৰী একগোট কৰি লৈছে। এতিয়া ভক্তসকলে বিচাৰিলে তাৰ পৰা লাভ অৰ্জন কৰিব পাৰে। আন এক স্থানত পুনৰ খোদায়ে উল্লেখ কৰিছে—

اِنَّ الَّذِيۡنَ لَا يَرۡجُوۡنَ لِقَآءَنَا وَرَضُوۡا بِالۡحَيٰوةِ الدُّنۡيَا وَاطۡمَاَنُّوۡا بِهَا
وَالَّذِيۡنَ هُمۡ عَنۡ اٰيٰتِنَا غٰفِلُوۡنَ ۙ۝۸
اُولٰٓـئِكَ مَاۡوٰٮهُمُ النَّارُ بِمَا كَانُوۡا يَكۡسِبُوۡنَ ۝۹ (10:8-9)

অৰ্থাৎ ঃ নিশ্চয় সেইসকল যিসকলে আমাৰ সৈতে সাক্ষাৎ কৰিব নিবিচাৰে তথা ভৌতিক আহিলা তথা ভৌতিক উন্নতিত আনন্দিত হৈ পৰিছে তথা তাতে সন্তুষ্ট হৈছে; তেওঁলোকে সংসাৰ লাভ কৰাটোকে বুজি উঠিছে যি কিছু আমি পাবলগীয়া আছিল সেয়া আমি পাইছো, এতিয়া কোনো বস্তুৰ প্ৰয়োজন নাই। এনে কিছুমান মানুহো আছে যি মোৰ চমৎকাৰক দেখি যাক মই মোৰ দিশে আকৰ্ষণ কৰাৰ বাবে প্ৰদৰ্শন কৰো তাত অসাৱধানবশত পৰি যায়। এইলোক সকল সেইসকল যি বাস্তৱতে বিশ্ৰামৰ সূত্ৰৰ পৰা নিজেই আঁতৰ হৈ পৰে তেওঁলোকে কেতিয়াওঁ সত্য বিশ্ৰাম বিচাৰি নেপাব, গতিকে নিজৰ কৰ্ম অনুসৰি আধ্যাত্মিক ৰূপত যাতনাই পায় থাকিব।

আন এক স্থানত পুনৰ খোদা উল্লেখ কৰিছে—

(55:47) وَلِمَنْ خَافَ مَقَامَ رَبِّهٖ جَنَّتٰنِ ۝٤٧

অৰ্থাৎ ঃ যি মানুহে নিজৰ পালনকৰ্তা খোদাৰ স্থানক বুজিলৈছে আৰু সেই অনুসৰি কাম কৰে তেওঁক দুখন স্বৰ্গ প্ৰদান কৰা হয়। এক এই সংসাৰত আৰু আনখন মৃত্যুৰ পিছত। একেদৰে খোদায়ে এক আন স্থানত স্বৰ্গৰ অন্যতম পুৰস্কাৰৰ বিষয়ে উল্লেখ কৰিছে—

(75:23-24) وُجُوْهٌ يَّوْمَئِذٍ نَّاضِرَةٌ ۝٢٣ اِلٰى رَبِّهَا نَاظِرَةٌ ۝٢٤

অৰ্থাৎ ঃ— সেইদিনা কিছুমান চেহেৰা (কিছুমান লোকৰ) যি স্বৰ্গত প্ৰৱেশ কৰিব অতি আনন্দিত হ'ব কিয়নো তেওঁলোকে নিজৰ পালনকৰ্তা খোদাৰ ফালে চাই থাকিব। গতিকে এই সংসাৰত স্বৰ্গপ্ৰাপ্তিৰ এই অৰ্থ হৈছে যে এই লোকসকলৰ মাজত নিজৰ খোদাৰ দৰ্শন লাভ হ'ব আৰু নিজৰ আধ্যাত্মিক সূক্ষ্ম চকুৰে তেওঁৰ জ্ঞানৰ সূক্ষ্ম জ্ঞান লাভ কৰিব তথা জ্ঞানৰ সংসাৰ নিজৰ ভিতৰত অনুভৱ কৰিব।

এক স্থানত উল্লেখ আছে—

(2:153) فَاذْكُرُوْنِيْٓ اَذْكُرْكُمْ وَاشْكُرُوْا لِيْ وَلَا تَكْفُرُوْنِ ۝١٥٣

অৰ্থাৎ ঃ— তুমি মোক মনত পেলোৱা মই তোমাক সন্তাপৰ স্থানত উন্নতি প্ৰদান কৰিম আৰু মোক ধন্যবাদ দিয়া তথা মোৰ দায়িত্ব আৰু বঁটাক অস্বীকাৰ নকৰিবা অৰ্থাৎ যেতিয়া সংসাৰত বিশ্ৰামৰ উদ্দেশ্য অধিক আহিলা একগোট কৰা তেতিয়া এই বাস্তৱিক ইচ্ছাক যাৰ বাবে মানুহক সৃষ্টি কৰা হৈছে কিয় সম্পূৰ্ণ নকৰিবা।

এতিয়া এই প্ৰশ্ন উত্থাপন হৈছে যে এই সংলাপ তথা খোদাৰ দৰ্শনৰ ইছলামত স্বৰূপ কি বুলি উল্লেখ কৰা হৈছে? তেন্তে ইয়াৰ উত্তৰ হৈছে যে এনে সূক্ষ্ম বস্তুৰ স্বৰূপ উপলব্ধি কৰাটো মানৱ শক্তিৰ বাহিৰত। সেই স্বৰূপে কেৱল হৃদয়ক বুজি উঠাৰ লগত সম্পৰ্ক ৰাখে। যি ব্যক্তিয়ে সেই অৱস্থাত উপনীত হয় তেওঁ তাক বুজিব পাৰে যি তেওঁৰ ওপৰত সংঘটিত হৈছে। উদাহৰণস্বৰূপে— যি মিঠাই খাইছে তেওঁক আমি ক'ব পাৰো যে মিঠাইৰ

সোৱাদ কেনেকুৱা আৰু তাৰ আনন্দ কেনে? যেতিয়া আমি ইয়াক কম যে অমুক বস্তুত বহুত মিঠা আছে তেতিয়া সেই ব্যক্তিৰ মগজুত লগে লগে সেই অৱস্থা আহি পৰে যি অৱস্থা তেওঁৰ মিঠাই খাওঁতে সংঘটিত হৈছিল কিন্তু সেই ব্যক্তিয়ে যি কেতিয়াওঁ মিঠাই খোৱা নাই তেওঁ মিঠাইৰ অৱস্থাক বুজি উঠাটো অসম্ভৱ হৈ পৰে। হয়, এই কথা অপবাদ যে তেওঁক বিপদত বুজিব পৰা যায়। কিন্তু তথাপি তেওঁ সেই অৱস্থাক ভালদৰে বুজি নাপায়। হয় কিছু প্ৰভাৱ মিঠাৰ আন বস্তুৰ ওপৰতো পৰে যেনে— মৌ আৰু ৰস আদি, ইয়াৰ দ্বাৰা আমি তেওঁক ইয়াক বুজাব পাৰিম যে মিঠাৰ সোৱাদ নিমখতকৈ বেলেগ আৰু বুজোৱাৰ বাস্তৱিক ভংগী এয়া যে তেওঁৰ মুখত এচপৰা মিঠাই থৈ দিয়া হয় আৰু কোৱা হয় যে এয়া মিঠাই। এনেদৰে ইছলামৰ সংলাপৰ অৱস্থা শব্দত বুজাব পৰা নাযায়। এয়াও হয় যে এই বিষয়ে মানুহৰ ইমানৰ লগত সম্পৰ্ক ৰাখে আৰু ইয়াৰ মাজতে মানুহৰ সকলো আধ্যাত্মিক উন্নতিৰ আধাৰ সোমাই আছে। সেই চিনবিলাক খোদায়ে এনেদৰে সৃষ্টি কৰিছে যাৰ দ্বাৰা ভালদৰে স্পষ্ট হৈ পৰে যে এজন সজীৱ খোদাৰ দৰ্শন তথা তেওঁৰ সম্পৰ্ক অমুক ব্যক্তিয়ে লাভ কৰিছে। ঠিক সেইদৰে যেতিয়া এটা ধাতুৰে নিৰ্মিত মেচিনত যেতিয়া বিদ্যুৎ সংযোগ কৰা হয় তেতিয়া তাৰ ভিতৰত এনে এক শক্তি উৎপন্ন হৈ পৰে যাক দেখি থকা সকলে বুজিব পাৰে যে এতিয়া ইয়াৰ সম্পৰ্ক কোনোবা ডাঙৰ শক্তিৰ সৈতে স্থাপিত হৈছে। প্ৰাচীন কালৰে পৰা এই দৰে খোদাৰ- সংলাপ চিহ্ন প্ৰকট হৈ আহিছে আৰু এতিয়াওঁ সেইদৰে হৈ থাকে। হজৰত 'নুহ' হজৰত ইব্ৰাহিম, হজৰত মুছা, হজৰত ঈছা মছীহ আৰু খোদাৰ মহান অৱতাৰ হজৰত মহম্মদ (ছাঃ) আৰু বাকী সকলো অৱতাৰৰ লগত খোদাৰ সম্পৰ্কৰ অৱস্থা খোদাৰ গুণ প্ৰকাশ হোৱাতহে প্ৰতিফলিত হৈছে অন্যথা যি সম্পৰ্ক তেওঁৰ খোদাৰ লগত আছিল তেওঁৰ অৱস্থা নহয় এই যুগত কোনোবাই বুজি পাব নে এতিয়াও বুজিব পাৰিব।

প্ৰকৃত এই কথা যে খোদাৰ সত্বা সূক্ষ্মতকৈ সূক্ষ্ম হয়, সেয়ে তেওঁৰ সম্বন্ধ আৰু তেওঁৰ গুণ প্ৰতিফলিত হোৱাতহে হয়। এই সন্দৰ্ভত পয়গম্বৰ ইছলাম হজৰত মহম্মদ (ছাঃ) ৰ পৱিত্ৰ বক্তব্য হ'ল—

তাখাল্লাকু বিআখলাকিল্লাহি (তফছিৰে কাবিৰ জিলদ ৬,পৃঃ৫৫) অৰ্থাৎ —যদি তুমি খোদাক লগ পাবলৈ বিচৰা যদি খোদাৰ গুণক নিজৰ ভিতৰত উৎপন্ন কৰা তথা নিজৰ চৰিত্ৰক খোদাৰ গুণ অনুসৰি সৃষ্টি কৰা।

মনত ৰাখিব লাগে যে সেই সত্তাৰ লগত সম্পৰ্ক যি সূক্ষ্মতকৈ সূক্ষ্ম ব্ৰহ্মজ্ঞানৰ দ্বাৰা স্থাপিত হ'ব পাৰে। ব্ৰহ্মজ্ঞান যেনেকৈ খোদায়ে বিস্তাৰিত ভাবে উত্থাপন কৰিছে, তিনি প্ৰকাৰৰ হয়।

প্ৰথম— অনুমানিক জ্ঞান, অৰ্থাৎ কিছুমান বস্তুৰ বিষয়ে কেৱল তাৰ চিহ্নৰ পৰা বুজিব পৰা যায়, যাক নিজেই চাব নোৱাৰি।

ব্ৰহ্মজ্ঞানৰ দ্বিতীয় শ্ৰেণী দৃষ্টিগত হয় অৰ্থাৎ সেই বস্তু যাক নিজেই চাওঁক কেৱল চিহ্নৰ মাজতে সীমিত নহয় কিন্তু এতিয়া তাৰ বাস্তৱিকতাৰে পূৰ্ণ ৰূপত পৰিচিত নহয়।

তৃতীয় শ্ৰেণীৰ ব্ৰহ্মজ্ঞান এয়া যে তাৰ বাস্তৱিকতা সেই সীমালৈকে পৰিচিত হৈ পৰে যি সীমালৈকে মানুহে মাত্ৰ তাৰ বাস্তৱিকতাক জানিবলৈ সক্ষম হয় তথা তাৰ প্ৰভাৱ নিজৰ ওপৰত পৰে। (শেষত প্ৰয়োগাত্মক জ্ঞানৰ সংজ্ঞা দিয়া হৈছে)

এই তিনিটা জ্ঞানৰ উদাহৰণ এনেধৰণৰ যে যেনেকৈ কোনো ব্যক্তিয়ে দূৰৰ পৰা ধোঁৱা দেখে, তেন্তে বিশ্বাস হৈ পৰে যে তাত জুই জ্বলি আছে। কিন্তু তেতিয়াওঁ তেওঁৰ পূৰ্ণ বিশ্বাস নহ'ব কিয়নো কেতিয়াবা কেতিয়াবা চকুৱে ঠগ খায় আৰু উৰি থকা ধূলিক ধোঁৱা বুলি ভাবে কিন্তু যদি তেওঁ ওচৰলৈ যায় আৰু জুইৰ প্ৰজ্বলিত শিখা নিজৰ চকুৰে নিজে দেখে তেওঁৰ বিশ্বাস বাঢ়ি যাৱ কিন্তু ইয়াৰ পিছতো অগ্নিক দেখিলেও অগ্নিৰ পূৰ্ণ জ্ঞান নহ'ব। যদি তেওঁ তাৰ ভিতৰত হাত সোমোৱাই দিয়ে তথা তাৰ দহনৰ বিশেষত্বক প্ৰত্যক্ষ কৰে তেতিয়া তেওঁৰ বিশ্বাস নিজে নিজেই পূৰ্ণতা প্ৰাপ্তি হ'ব। তদুপৰি এই তিনি প্ৰকাৰৰ বিশ্বাসৰ আৰু বহুতো শ্ৰেণী আছে কিন্তু ডাঙৰ বিভাজন এয়াই। তথা শ্ৰেণীসমূহৰ প্ৰাপ্তিৰ ইচ্ছা স্বভাৱত থোৱা হৈছে। সেয়ে আমি লক্ষ্য কৰো যে কেচুৱাই যেতিয়া অলপ ডাঙৰ হৈ আহে সি তেতিয়া নিশ্চয় এবাৰ জুইত হাত ভৰাই চাব বিচাৰে যে তাৰ প্ৰভাৱ কেনেধৰণৰ? মই ভাবো এটা শিশু

সংসাৰত এনে নহ'ব যি কেতিয়াবা নহয় কেতিয়াবা এই ইচ্ছাৰে জুইত হাত নাই দিয়া।

ওপৰত উল্লেখিত খোদাৰ সূক্ষ্ম জ্ঞানৰ তিনিটা শ্ৰেণী ইছলামে উপস্থাপন কৰে। ঈশ্বৰীয় সূক্ষ্মজ্ঞানৰ প্ৰথমটো শ্ৰেণী এয়া যে মানুহে তাৰ বিশেষত্বৰ বিষয়ে আনৰ পৰা শ্ৰৱণ কৰে যে সেয়া এনেদৰে আৰ্বিভাৱ হয়। উদাহৰণ হিচাপে প্ৰথমতে তেওঁ পূৰ্বপুৰুষ আৰু ভক্তজনৰ ঘটনাক অধ্যয়ন কৰে যে তেওঁৰ লগত খোদাৰ এনেধৰণৰ ব্যৱহাৰ আছিল তেতিয়া তেওঁৰ হৃদয়ত এটা সীমালৈকে বিশ্বাস উৎপন্ন হয় যে বাস্তৱত কোনো কথা নিশ্চয় আছে কিন্তু এই বিশ্বাসে অস্থায়ী উত্তেজনাৰ সৃষ্টি কৰিব পাৰে। ইয়াতকৈ অধিক নহয় কিয়নো যেতিয়া তেওঁৰ পথত যাত্ৰা কৰে আৰু সেই ব্যক্তিৰ দৰে যি আঁতৰৰ পৰা ধোঁৱা দেখি জুইৰ সন্ধানত যায় আৰু যিমানেই তেওঁ দূৰলৈ যাৱ ধোঁৱা মাথোঁ ধোঁৱাকে দেখাকে পায়। জুইৰ সন্ধান একোকে নাপায়। শেষত নিৰাশ হৈ বহি পৰে আৰু বুজি উঠে যে এই ধোঁৱা মোৰ চকুৰ ভ্ৰম আছিল। কদাচিত সেয়া মেঘৰ টুকুৰা হওঁক আন কিবা। এনেদৰে যি ব্যক্তিৰ প্ৰাচীনতা উপলব্ধি হয় আখ্যানৰ সেই জ্ঞানত সন্তুষ্টি লাভ কৰিবলৈ নিজেই প্ৰচেষ্টা কৰে শেষত তেওঁ হতাশ হৈ পৰে। এই আখ্যানৰ পৰা কেৱল সেই লোকে সন্তোষ লাভ কৰিব পাৰে যি নিজেই একো পাবলৈ প্ৰচেষ্টা নকৰে আৰু এনেদৰে নিজৰ বিশ্বাস অসত্য অথবা নিৰাৰ্থক হোৱাৰ অৱকাশ নেপায় কিন্তু এই অৱস্থা কেতিয়াওঁ শোচনীয় নহয়।

ইছলামে কেৱল প্ৰথম শ্ৰেণীলৈকে মানুহৰ এই সূক্ষ্ম জ্ঞানক সীমিত নাৰাখে গতিকে যেনেদৰে উল্লেখ কৰা হ'ল সেই তিনি প্ৰকাৰৰ ঈশ্বৰীয় সূক্ষ্ম জ্ঞানৰ দুৱাৰ সদায়ৰ কাৰণে মুকলি থৈ দিয়ে। তেওঁৰ ঘোষণা যে যেতিয়াই কোনোৱে পৰমেশ্বৰৰ দিশে আৰু ইছলামে নিৰ্দেশ কৰা নিয়মানুসৰি পদক্ষেপ গ্ৰহণ কৰে তেওঁ নিজৰ যত্ন অনুসৰি সূক্ষ্ম জ্ঞান লাভ কৰে, এতিয়া এনে কোনো সূক্ষ্ম জ্ঞান নাই যাক পৰমেশ্বৰে ভক্তৰ বাবে বন্ধ কৰি থৈছে, যিহেতু সেয়া প্ৰথম লোকসকলৰ বাবে মুকলি কৰা আছিল।

মই উল্লেখ কৰিছোঁ যে বাস্তৱত ব্ৰহ্মজ্ঞান সেই শুদ্ধ অৱস্থা যি

মানুহৰ হৃদয়ত উৎপন্ন হয় আৰু আধ্যাত্মিক দৃষ্টিত নৱীনতা হয় যাৰ পৰা তেওঁ খোদাৰ গুণৰ নতুন ৰঙ দেখিবলৈ পায়, তথা সেয়া ভাৱৰ তীব্ৰতা হয় যাৰ পৰা মানুহে নিজেই নিজক পৰমেশ্বৰীয় গুণত আৱদ্ধ হৈ পৰা অৱস্থাত পায় কিন্তু যিদৰে এটা বস্তুৰ কিছুমান চিহ্ন থাকে সেইদৰে ভক্তই পৰমেশ্বৰৰ সংলাপৰো কিছুমান চিহ্ন থাকে যাৰ দ্বাৰা ভক্তই তেওঁৰ সম্পৰ্কক অনুভৱ কৰে আৰু আন লোকসকলেও তেওঁৰ সম্বন্ধক অনুভৱ কৰে কিয়নো এয়া স্পষ্ট কথা যে যেতিয়া কোনো বস্তু আন কোনো বস্তুৰ ওচৰত থাকে তেতিয়া যদি আন বস্তুৱে নিজৰ মাজত বিশেষ কোনো থৈ দিয়ে তেন্তে তাৰ প্ৰভাৱ তাৰ ওপৰত পৰে। উদাহৰণ হিচাপে জুইৰ ওচৰত বহি মানুহে গৰমক অনুভৱ কৰে। বৰফৰ ওচৰত বহিলে তাৰ শীতলতাৰ প্ৰভাৱ তেওঁৰ ওপৰত পৰিব ধৰে। সুগন্ধিত বস্তুৰ স্পৰ্শ কৰিলে সেই বস্তুৰো সুগন্ধ আহিব ধৰে। কোৰাৰ সত্তাৰ ওচৰ চাপে যদি তেওঁৰ ধ্বনিৰ লহৰ তেওঁৰ কাণৰ পৰ্দাত পৰিব ধৰে তথা তেওঁ সেই কোৱাৰ জ্ঞানৰ এক অংশ প্ৰাপ্ত হয়। সেয়ে আৱশ্যক হৈ পৰে যে কোনো ব্যক্তিয়ে পৰমেশ্বৰৰ সংলাপ লাভ কৰে তেন্তে কিছু চিন সেই ব্যক্তিৰো ওপৰত পোৱা যায় যি তেওঁৰ প্ৰতি অকাট্য প্ৰমাণ হৈ পৰে যে তেওঁৰ বাস্তৱত পৰমেশ্বৰৰ সান্নিধ্য প্ৰাপ্ত হয় অন্যথা যদি কেৱল মৌখিক ঘোষণাৰ অধিক একো নহয় এক ছলনা, প্ৰপঞ্চ আৰু শুদ্ধ সৰল ঈশ্বৰ ভক্তৰ ঘোষণাত কি পাৰ্থক্য থাকিব আৰু আন লোকসকলে ঈশ্বৰৰ সংলাপৰ পদৱীধাৰীক দেখি কি লাভ উঠাব?

## ঈশ্বৰ সংলাপৰ তিনিটা শ্ৰেণী

ইছলামে ঈশ্বৰ সংলাপৰ তিনিটা শ্ৰেণীৰ বিষয়ে উল্লেখ কৰিছে। যিবোৰ চিহ্নৰ পৰা তেওঁলোকৰ অৱস্থা অৱগত হয়। সেয়া এটা দিশৰ পৰা ঈশ্বৰ-সংলাপ হয় আৰু আনটো দিশৰ পৰা পৰমেশ্বৰৰ বিশ্বাস বৃদ্ধি কৰা এক আহিলা।

(১) প্ৰথম শ্ৰেণী প্ৰাৰ্থনাৰ স্বীকাৰ্যতাৰ হয়।

(২) দ্বিতীয় শ্ৰেণী ঈশ্বৰীয় বাণীৰ হয়।

(৩) তৃতীয় শ্ৰেণী পৰমেশ্বৰীয় গুণৰ দ্বাৰা উক্ত নিজৰ ৰঙত ৰঙীন কৰি লোৱাটো হয়

## প্ৰথম শ্ৰেণীঃ প্ৰাৰ্থনাৰ স্বীকাৰ্যতা

ইছলামে এই ঘোষণা কৰে যে পৰমেশ্বৰে মানুহক নিজৰ সত্ত্বাক বিশ্বাস দিবলৈ আৰু নিজৰ সত্ত্বাৰ জ্ঞান দিবলৈ আৰু নিজৰ দিশে আকৰ্ষিত কৰিবলৈ প্ৰাৰ্থনাৰ দুৱাৰ মুকলি কৰিছে। অৰ্থাৎ পৰমেশ্বৰক যদি কোনো মানুহে প্ৰাৰ্থনা কৰে তেন্তে পৰমেশ্বৰে তাক স্বীকাৰ কৰে। কিন্তু চৰ্ত এয়াই যে প্ৰাৰ্থনা ইমানেই আৰু সেই প্ৰকাৰৰ হওঁক যিমান আৰু যি প্ৰকাৰে তেওঁ কৰাৰ ভংগী আছে। সেয়ে পৰমেশ্বৰৰ বক্তব্য—

اَمَّنۡ یُّجِیۡبُ الۡمُضۡطَرَّ اِذَا دَعَاہُ وَیَکۡشِفُ السُّوۡٓءَ وَ
یَجۡعَلُکُمۡ خُلَفَآءَ الۡاَرۡضِ ؕ ءَاِلٰہٌ مَّعَ اللّٰہِ ؕ قَلِیۡلًا مَّا تَذَکَّرُوۡنَ ﴿۶۳﴾

(27:63)

অৰ্থাৎ ঃ— তেওঁ কোন হয় যি ব্যাকুলতাৰ প্ৰাৰ্থনাক শুনে, যেতিয়া তেওঁ মাতে আৰু সেই প্ৰাৰ্থনাক স্বীকাৰ কৰি তেওঁক অৰ্চনা কৰোতাৰ কষ্টক নিবাৰণ কৰে। যি অত্যাচাৰী হয়, তেন্তে তেওঁৰ অত্যাচাৰত পীড়িত হোৱা ব্যক্তিক তেওঁৰ অত্যাচাৰৰ পৰা মুক্ত কৰি তেওঁৰ স্থানত অৱৰূদ্ধ কৰে। তেন্তে এই পৰমেশ্বৰৰ শক্তিক তুলনা কৰোতা আন কোনোবা আৰু আছে? কিন্তু তোমালোকে শিক্ষা গ্ৰহণ নকৰা।

এই শ্ৰেণী পৰমেশ্বৰে সকলোৰে বাবে মুকলিকৈ থৈছে অৰ্থাৎ বিচাৰিলে যিকোনো ধৰ্মৰ মানুহে যেতিয়া তেওঁৰ প্ৰাৰ্থনা অতি ব্যাকুলতাৰ সময়ত কৰা হয় শ্ৰৱণ কৰে। এইদৰে এই কথাক সুবিধা দিয়ে যে তেওঁ পৰমেশ্বৰৰ জীৱন তথা তেওঁৰ সম্বন্ধক অনুভৱ কৰক আৰু সন্দেহক নিজৰ মাজৰ পৰা আঁতৰ কৰক। ইয়াত কি সন্দেহ আছে যে মানুহক পৰমেশ্বৰৰ দিশে ধ্যান দিবলৈ কিছু নহয় কিছু ব্ৰহ্মজ্ঞান প্ৰতিটো শ্ৰেণীৰ লোকৰ মাজতেই প্ৰাপ্ত হ'ব লাগে কিয়নো মানুহে ধ্যান তেতিয়াহে দিয়ে যেতিয়া তেওঁৰ হৃদয়ত কোনো বস্তুৰ মহত্ব উৎপন্ন হয়।

এই স্থান এনেধৰণৰ যে মই ইতিমধ্যে উল্লেখ কৰিছো-সকলো ধৰ্মৰ লোকৰ বাবে মুকলি আছে। প্ৰত্যেক ধৰ্মৰ লোকে পৰমেশ্বৰক প্ৰাৰ্থনা কৰি

চাব পাৰে। তেওঁ তাৰ লাভ অনুভৱ কৰিব আৰু তেওঁলোক বিদিত হ'ব যে বহুতো কঠিনতা যাৰ পৰা তেওঁ আগতে দুখ অনুভৱ কৰিছিল, প্ৰাৰ্থনাৰ দ্বাৰা সেয়া সম্পন্ন হৈ পৰিব কিন্তু ব্ৰহ্মজ্ঞানৰ এই স্থান অতি নিকৃষ্টতম স্থান হয় কিয়নো প্ৰতিক্ষণতে এই সন্দেহ মানুহৰ হৃদয়ত উৎপন্ন হ'ব পাৰে যে কদাচিত যি কাম প্ৰাৰ্থনাৰ দ্বাৰা হৈ পৰিছে তেন্তে এয়া এনেয়ে হৈ গ'ল হয় আৰু যি কঠিনতা আঁতৰ হৈ পৰিল সেয়াও এনেয়ে আঁতৰ হ'ব লগা আছিল কিয়নো যেতিয়া আমি দেখো যে বহু সময়ত পৰিৱেশ এনে হৈ পৰে যে তাৰ পিছতো কাৰ্যত বাধা আহি পৰে আৰু কঠিন কাম অতি সৰলতাৰে সমাপ্ত হৈ পৰে আৰু তাৰ কাৰণে কোনো প্ৰাৰ্থনাও কৰা নহ'ল গতিকে বহুবাৰ এনে ব্যক্তিয়ে এই ঘটনাৰ সম্পৰ্কত প্ৰাৰ্থনাৰ পক্ষত নাথাকে।

এই অতিৰিক্ত শ্ৰেণীটোত আৰু এটা ভুল আছে যে কিছু প্ৰাকৃতিক নিয়মৰ অনুৰূপ হয় অৰ্থাৎ মিস্মেৰিজম এণ্ড হেপ্নেটেজন এই দুয়োটা প্ৰাকৃতিক সিদ্ধান্তৰ দ্বাৰা আমি দেখিছো যে মুষ্টিমেয় ৰোগ আৰু কিছুমান দুখ আঁতৰ হৈ পৰে। সেয়ে সন্দেহ হৈ পৰে যে কদাচিত প্ৰাৰ্থনাটো এনে ধৰণৰ কোনো বস্তু হওঁক পৰমাত্মাৰ ফালৰ কোনো সহায় পোৱা নাযায় গতিকে কেৱল ধ্যানক কেন্দ্ৰিত কৰি কিছু পৰিণাম উৎপন্ন হৈ যায় কিন্তু তথাপিও বৃহৎ দৃষ্টিৰে লক্ষ্য কৰিলে এক সীমালৈকে বিশ্বাসৰ আহিলা আছে। লোকসকলে ইয়াৰ পৰা লাভ অৰ্জন কৰিব পাৰে। মই যি ক'ব বিচাৰিছো যে এই স্তৰৰ প্ৰাৰ্থনাৰ বিষয়ত এই সন্দেহ উৎপন্ন হ'ব পাৰে তেন্তে মোৰ এই উদ্দেশ্যে হয় যে প্ৰাৰ্থনাৰ এক শ্ৰেণী আৰু আছে যি অতি বিশ্বস্তত্ব কিন্তু সি আগলৈ ব্ৰহ্মবাণীত সন্মিলিত হয়। তাৰ উল্লেখ তাৰ লগতে কৰিম।

## দ্বিতীয় শ্ৰেণী — ঈশ্বৰবাণী

ব্ৰহ্মজ্ঞানৰ দ্বিতীয় শ্ৰেণীটো হ'ল ঈশ্বৰবাণী। ইছলামে এই শ্ৰেণীটোৰ বিষয়ে বিশেষ গুৰুত্ব দিছে। আন ধৰ্মই সাধাৰণতে এই দুৱাৰখন বন্ধ বুলি ভাবে কিন্তু বুদ্ধিয়ে এই কথাৰ স্বীকাৰ কৰিব নোৱাৰে যে সেই পৰমেশ্বৰ যি নিজৰ ভক্তক নিজৰ সত্তাৰ বিশ্বাস দিবলৈ অতীত কালত কথা কয়, এতিয়া বাৰ্তালাপ কৰিবলৈ সৰ্বদা বন্ধ কৰি দিছে। পৰমেশ্বৰৰ গুণ সদায় যিটো-সেইটো নিজ অৱস্থাত

থাকে। সেই সত্ত্বা তিথি তথা বতাহতকৈ পৱিত্ৰ হয়। সেয়ে, ইয়াৰ এই মৌনতা শতাব্দীৰ পৰা আৰম্ভ হৈ সহস্ৰ বছৰলৈকে উপনীত হ'বলৈ হৈছে, কিয় হয়? যদি তেওঁ ক'ব নোৱাৰে কেনেকৈ বুজিব পৰা যাব যে তেওঁ শ্ৰৱণ কৰে? তথা কেনেকৈ বুজিব পৰা যাব তেওঁৰ বাকী গুণ আৰু শক্তি শুদ্ধ আৰু সঠিক অৱস্থাত আছে? কিয় কাৰোবাৰ অধিকাৰ নাই এই বাৰ্তা বন্ধ হৈ পৰাত এই প্ৰশ্ন কৰিব কিয় ইয়াক বুজিব পৰা নাযায় যে এতিয়া সেয়া দেখিবলৈ পোৱা নাযায় আৰু তেওঁৰ জ্ঞানেও বিদায় গ্ৰহণ কৰিলে আৰু তেওঁ নিজৰ ৰক্ষাও কৰিব নোৱাৰে গতিকে সংসাৰৰ কাৰ্য ব্যৱসায়ৰ দৰে চাৰিওফালে চলি আছে? যদি বাকী গুণ আৰু শক্তি তেওঁ সেইপ্ৰকাৰে আগৰ কাৰ্যবোৰ কৰি আছে যে যিদৰে আগতে কাৰ্য কৰিছিল তেন্তে তেওঁৰ বাৰ্তাৰ ক্ৰম কিয় বন্ধ হৈ পৰিল? সেয়া সূক্ষ্ম হয় আৰু তেওঁৰ সত্ত্বাক বিশ্বাস দিবলৈ তেওঁৰ দৰ্শনটো সম্ভৱ নহয়,এক তেওঁৰ বাণী আছিল যি মানুহক তেওঁৰ সত্ত্বা হোৱাৰ ঠিকনা দিছিল। এতিয়া যদি সেই পথটো বন্ধ হৈ পৰিল তেন্তে তেওঁৰ প্ৰতি বিশ্বাস কৰা কোনটো পথ মুকলি হৈ থাকিল?

হে ভাই আৰু ভনীসকল! ইছলামে কৈছে যে ইয়াক চিন্তা কৰা যে পৰমেশ্বৰৰ বাণীৰ ক্ৰম বন্ধ হৈ পৰিছে এয়া উচিত নহয়। তেওঁ এতিয়াও সেইদৰে কয়। তেওঁ এতিয়া সেইদৰে ভক্তক মনত পেলায় যিদৰে আগতে স্মৰণ কৰিছিল গতিকে তেওঁ নিজৰ দিশৰ পথ প্ৰদৰ্শন কৰিবলৈ বাণীৰ ক্ৰম প্ৰাৰ্থনাৰ ক্ৰমৰ দৰে বিস্তাৰিত কৰিছে আৰু এনে লোককো যি পৰমেশ্বৰৰ ধৰ্মৰ পৰা আঁতৰত হয় কেতিয়াবা ঈশ্বৰ বাণী হৈ যায় যিহেতু তেওঁ সৎমাৰ্গত চলা বাণীত সন্দেহ নকৰে গতিকে সত্যতাৰ সাক্ষী হোৱা। পৱিত্ৰ কোৰাণত পৰমেশ্বৰে কৈছে—

اِنَّ الَّذِيْنَ قَالُوْا رَبُّنَا اللّٰهُ ثُمَّ اسْتَقَامُوْا تَتَنَزَّلُ عَلَيْهِمُ الْمَلٰٓئِكَةُ

اَلَّا تَخَافُوْا وَلَا تَحْزَنُوْا وَاَبْشِرُوْا بِالْجَنَّةِ الَّتِىْ كُنْتُمْ تُوْعَدُوْنَ ﴿٣١﴾

نَحْنُ اَوْلِيٰٓؤُكُمْ فِى الْحَيٰوةِ الدُّنْيَا وَفِى الْاٰخِرَةِ ۚ وَلَكُمْ

فِيْهَا مَا تَشْتَهِيْٓ اَنْفُسُكُمْ وَلَكُمْ فِيْهَا مَا تَدَّعُوْنَ ۝۳۱

(41:31-32)

অৰ্থাৎ — সেইলোক যিসকলে কয় যে পৰমেশ্বৰ আমাৰ পালনকৰ্তা হয়, এই কথা স্থিত হৈ পৰে। কোনো কঠিনতাই তেওঁক ভয় কৰাব নোৱাৰে। তেওঁৰ প্ৰতি ঈশ্বৰ দূত এই ঈশ্বৰবাণীলৈ অৱতাৰিত হয় যে তুমি ভয়-শংকা নকৰিবা আৰু নিজৰ ক্ষতিৰ প্ৰতি আক্ষেপ নকৰিবা গতিকে সেই স্বৰ্গৰ প্ৰতি প্ৰসন্ন হোৱা যাৰ কথা তোমাক দিয়া হৈছিল। মই তোমাৰ এই ভৌতিক জীৱনটো বন্ধু আৰু মৃত্যুৰ পিছৰ জীৱনটো বন্ধু হৈ থাকিম। তুমি সেই বস্তু পাবা যাক তুমি বিচৰা। তুমি যি বিচাৰিবা তাকে পাবা অৰ্থাৎ ঈশ্বৰৰ সংলাপৰ দৃঢ় ইচ্ছা, যি ঈশ্বৰক প্ৰাপ্ত কৰাৰ বাস্তৱিক ইচ্ছা মোমিন সকলৰ হয়, এনেদৰে উত্তম আৰু পৰিপূৰ্ণ ভংগীৰে পূৰ্ণ হ'ব।

এই আয়াতৰ পৰা স্পষ্ট হৈছে যে ইছলামে ঈশ্বৰবাৰ্তা আৰু ঈশ্বৰ-বাণী অৱতাৰিত হোৱাৰ দুৱাৰ মুকলি থকা বুলি বুজি আহিছে গতিকে এই অঙ্গীকাৰ কৰিছে; যাৰ পৰা এই কথা স্পষ্ট যে য'ৰ পৰা পৰমেশ্বৰে চিধা তথা নিজৰ ঈশ্বৰদূতৰ দ্বাৰা বাৰ্তালাপ কৰিব তাৰ বিশ্বাস আৰু ঈমান পৰমেশ্বৰৰ প্ৰতি কিমান বৃদ্ধি হ'ব আৰু তেওঁৰ উদ্দেশ্য কিমান দৃঢ়তা আৰু কিমান সাহস তথা শক্তিপ্ৰাপ্ত হ'ব কিয়নো বাৰ্তালাপৰ শ্ৰৱণ কৰাটো এক প্ৰকাৰৰ দৰ্শন হয়। যদি নিৰ্জনতাত কোনো বন্ধু বিচ্ছেদিত হৈ পৰে আৰু তেওঁ আমাক উচ্চ স্বৰত মাতে যে মই অমুক স্থানত আছো তেতিয়া আমাৰ ভয় সেই প্ৰকাৰে আঁতৰ হৈ পৰে যিদৰে দেখি ল'লে। সেয়ে যি ব্যক্তিয়ে পৰমেশ্বৰৰ লগত বাৰ্তালাপ কৰে তেওঁৰ হৃদয়ত পৰমেশ্বৰৰ প্ৰতি এনে বিশ্বাস হ'ব লাগে যেনেকৈ দেখি থকা বস্তুত হয়।

ইছলামৰ এই ঘোষণা নহয়, গতিকে তেৰশ বছৰৰ পৰা আজিলৈকে একেৰাহে মুছলমানৰ মাজত এনে ব্যক্তিৰ জন্ম হৈ আহিছে যে যাৰ লগত খোদা কথা পাতিছে আৰু এই ধাৰা একেৰাহে প্ৰৱাহিত হৈ আহিছে। সেয়ে এই সম্পৰ্কত সন্দেহ কৰাটো মিছা বাদনুবাদৰ দুৱাৰ মুকলি কৰা। এই যুগত যুগাৱতাৰ, হজৰত মচীহ মাওউদ (আঃ)ৰ প্ৰতি পৰমেশ্বৰৰ বাণী অৱতীৰ্ণ

হৈছিল। আপোনাৰ পুণ্য প্ৰতাপৰ প্ৰভাৱত এই সম্প্ৰদায়ত সহস্ৰ মানুহে পৰমেশ্বৰৰ বাণী শ্ৰৱণ কৰাৰ সৌভাগ্য অৰ্জন কৰিলে। ইমানলৈকে মই বুজিছো যে অতি কমেও পাঁচ শতাংশ ব্যক্তি হ'ব যি কিবা নহয় কিবা ৰূপত পৰমেশ্বৰৰ বাণী শ্ৰৱণ কৰিছে আৰু তেওঁলোকৰ ঈমান তথা বিশ্বাসৰ বলত তাক লাভ কৰিছে।

এই স্থানত এই কথা মনত ৰাখিব লাগে যে পৰমেশ্বৰৰ বাণীৰ লগত মোৰ অভিপ্ৰায় সেই ব্যাখ্যা নহয় যাক আজিকালি মানুহে বুজি উঠে অৰ্থাৎ কোনো বিচাৰ তেওঁলোকৰ হৃদয়ত বলপূৰ্বক ভাবে পৰি যায় তেন্তে তাক ঈশ্বৰবাণী বুলি ভাবি লয় গতিকে কিছুমান লোকে অজ্ঞানবশত ইমান আগলৈ যায়গৈ যে তেওঁ বুজি উঠে যে পৰমেশ্বৰৰ বাণী কেতিয়াওঁ শব্দত অৱতীৰ্ণ নহয় গতিকে পয়গম্বৰ হৃদয়ৰ ভাৱকে ঈশ্বৰবাণী নামেৰে অভিহিত কৰিছে। ইছলামে এই কথাক কদাপি স্বীকাৰ নকৰে গতিকে ইছলামে আমাক এই কথা ক'ব বিচাৰে যে ঐশ্বৰিক বাণীৰ শব্দত অৱতীৰ্ণ হয় আৰু সেইদৰে মানুহে পৰমেশ্বৰৰ লগত বাৰ্তালাপ কৰি আহিছে আৰু ধ্বনিও তেনেকৈ উৎপন্ন হৈছে যিদৰে মানুহৰ কথাত হৈছিল সেইদৰে মানুহে ধ্বনিক শুনে যিদৰে মুকলিত বাৰ্তা শ্ৰৱণ কৰে। পাৰ্থক্য মাথোঁ কেৱল ইমানেই যে ঈশ্বৰবাণীৰ ধ্বনি অতি সুন্দৰ হয় আৰু তাত এক অলৌকিক ভয় আৰু মহানতা আছে। কিন্তু ভয় হোৱাৰ পিছতো তাত এনে স্বাদ আৰু আনন্দ পোৱা যায় যে মানুহৰ প্ৰতি এক নম্ৰতাৰ অৱস্থা উৎপন্ন হৈ পৰে আৰু তেওঁ বুজি উঠে যে তেওঁৰ ওপৰত কোনো অলৌকিক মহান সত্ত্বাই পূৰ্ণ অধিকাৰ কৰি লৈছে যি তেওঁক ওপৰলৈ টানি থাকে তেতিয়া কোনো সূক্ষ্ম বাৰ্তা বা শ্ৰুতসুৰ শুনিবলৈ পোৱা যায় যাক তেওঁ শ্ৰৱণ কৰে তথা তেওঁৰ বাণীত অৱতীৰ্ণ কৰা হয় যাৰ দ্বাৰা তেওঁ নিজৰ বাণীক পঢ়ে অথবা লিখিত ৰূপত তেওঁৰ সন্মুখত উপস্থাপন কৰা হয় যাৰ পৰা তেওঁ কণ্ঠস্থ কৰি লয় কিন্তু এই অৱস্থাত তাত নম্ৰতাৰ অৱস্থা থাকে কিয়নো এই কথাৰ সাক্ষী থাকে যে এই সকলোবিলাক তেওঁৰ ভ্ৰম আৰু মানসিক চিন্তাধাৰা নহয় গতিকে এক সৰ্বোচ্চ মহান শক্তিয়ে এই সকলোবিলাক কৰি আহিছে।

ঐশ্বৰিক এই প্ৰকাৰসমূহৰ উপৰিও আন দুই প্ৰকাৰৰ আছে যি শব্দৰ স্থানত সাংকেতিক ভাষাত অৱতীৰ্ণ হয়। ইয়াৰ এটা ৰূপক সপোন বুলি কয় যিটো গভীৰ টোপনিৰ অৱস্থাত উৎপন্ন হয়। ইয়াত বহুতো কথা উপমা বা ৰূপক হিচাপে দেখুৱা হয় যেনেকৈ গাখীৰ দেখুৱালে তাৰ তাৎপৰ্য বিদ্যা হ'ব। যদি মহ দেখা যায় তাৰ অভিপ্ৰায় আপত্তি বা ৰোগ হ'ব আৰু দ্বিতীয় প্ৰকাৰটো 'কাশফ' বা আকস্মিক । যিটো এইদৰে অৱতীৰ্ণ হয় যে মানুহ পূৰ্ণ সাৱধান আৰু জাগ্ৰত অৱস্থাত কোনো মৃতকলোকৰ লগত আধ্যাত্মিক ভাবে সংযুক্ত হৈ পৰে অথবা এনে কিছুমান কথা যি আন স্থানত হৈ তাক দেখি লয় আৰু যিহেতু তেওঁ নিজৰ স্থানত নিজৰ কাৰ্যৰ মাজতে ব্যস্ত থাকে। এনে ধৰণৰ শব্দত ইছলামী পৰিভাষাত 'কাশফ' বুলি সংজ্ঞা দিয়া হৈছে। এই সমগ্ৰ ৰূপ পৱিত্ৰ কোৰাণৰ পৰা সিদ্ধ হয় কিন্তু ইয়াৰ বিস্তৃত উল্লেখ বক্তব্যক অধিক দীঘলীয়া কৰি দিব।

সেয়ে, ইছলামে ঐশ্বৰিক বাণীৰ ব্যাখ্যাত ইয়াক নকৰে যে এনেয়ে হৃদয়ত এক চিন্তা উৎপন্ন হৈ পৰে। এনে চিন্তা ঈশবাণীৰ পুণ্য পুৰস্কাৰৰ নিলগতাৰ কাৰণে উৎপন্ন হৈছে যদি তাৰ উচিত মান্যতা প্ৰদান কৰা হয় তেন্তে ঐশ্বৰিক বাণীৰ বাস্তৱিকতাত কোনো বাকী নাথাকিব। কেৱল মাত্ৰ চিন্তা আৰু হাৰ্দিক প্ৰেৰণা সংসাৰৰ প্ৰত্যেক ব্যক্তিৰ হৃদয়ত উৎপন্ন হৈ থাকে আৰু যদি এই ঐশ্বৰিক বাণী আছে তেন্তে পুনৰ যি চিন্তা কাৰোবাৰ হৃদয়ত উৎপন্ন হয় তেওঁ তাক ঐশ্বৰিক বাণী বুলি ভাবিব। তেতিয়া সংসাৰত কোনো গ্ৰন্থ নাথাকিব যি ঐশ্বৰিক বাণীৰ পৰা ৰিক্ত হ'ব। ঐশ্বৰিক বাণী সেয়া হ'ব লাগে যি দৃঢ়তা আৰু বিশ্বাসৰ পথ উৎপন্ন কৰে, কোনো ভ্ৰম বা সন্দেহৰ দুৱাৰ মুকলি নকৰে। এই ঈশ্বৰবাণী হৃদয়ৰ ভাষা আৰু প্ৰেৰণাৰ নাম হওঁক আৰু শব্দত ঐশ্বৰিক বাণীনোহোৱা হ'লে কিছু ব্যক্তিৰ এই আপত্তি সঠিক হৈ পৰিব যে যি চিন্তা তেওঁৰ হৃদয়ৰ পৰা জন্ম ল'ব সেয়াই ঐশ্বৰিক বাণী বুলি ধৰি ল'ব। সেয়ে পৰমেশ্বৰৰ ফালৰ পৰা যি কথা আহে তাত ইমান মহত্ব থাকিব লাগে যে কেৱল মাত্ৰ চিন্তা আৰু ভ্ৰমে তাৰ সন্মুখীন হ'ব নোৱাৰে আৰু এয়া নহওঁক যে অকাৰণে তথা অপৰাধ নকৰাকৈ লোক কৰায়ত্ত হয়। যদিও সেয়া কোনবোৰ

বিশেষত্ব হ'ব যিবোৰৰ মানুহে ইয়াক বুজি উঠে যে এয়া মোৰ হৃদয়ৰ বিচাৰ নহয় অথবা মোৰ কৃতি যে ঈশ্বৰৰ কৃতিত্ব নহয় বা পৰমেশ্বৰ দ্বাৰা লিখা এয়া মোৰ লিখা নহয়। যদি কোৱা হয় যে সেই সময়ৰ লগতে এই চিন্তাও জাগ্ৰত হ'ব যে এয়া পৰমেশ্বৰৰ ফালৰ পৰা মোৰ ফালৰ পৰা নহয় তাৰ উত্তৰ এয়া যে যেতিয়া আমি হৃদয়ৰ ভাৱক ঐশ্বৰিক বাণী বুলি ভাবিম তেন্তে মগজুৰ সেইবোৰ বিস্তাৰিত হ'বলৈ কোনবোৰ সময় লাগিব এয়া তোমাৰ চিন্তা নহয়, ঐশ্বৰিক বাণী হয়। বাস্তৱত এনেধৰণৰ চিন্তাধাৰাই কেৱলমাত্ৰ ধৰ্মৰ বিশ্বাসক হেৰুৱাব লগা হ'ব গতিকে ভ্ৰম আৰু কুবিচাৰ তথা পৰমেশ্বৰৰ প্ৰতি তিক্ততাক ইমান বৃদ্ধি কৰা সকলক যে এই ধৰণৰ চিন্তা কৰা সকলৰ বাবে ভয় হয় যে সিহঁতে অলপ অলপকৈ প্ৰতাৰণাক এটা নতুন ধৰ্ম কৰি ল'ব আৰু বাস্তৱতাৰ পৰা নিলগত গৈ নিজেই পথচ্যুত হ'ব আৰু আনকো পথচ্যুত কৰিব।

ইয়াত কোনো সন্দেহ নাই যে শব্দৰ ঐশ্বৰিক বাণীৰ বিষয়ত কিছুমান লোকৰ ভ্ৰম হ'ব পাৰে কিয়নো মগজুৰ কিছুমান ভুল এনেধৰণৰ যাৰ কাৰণে মানুহে নানান প্ৰকাৰৰ দৃশ্যক দেখিবলৈ পায় অথবা বহুবাৰ শব্দকো শুনিবলৈ পায়; কিন্তু ইয়াত এক সুৰক্ষিত পক্ষও আছে। সেয়া হ'ল যে ঐশ্বৰিক বাণীৰ এই ৰূপতো সেই প্ৰতাৰণা হ'ব পাৰে যি পাগল হয় আৰু যাৰ মগজুৰ বিকাৰ হয়। কিন্তু প্ৰথম প্ৰকাৰৰ ঐশ্বৰিক বাণীত সাধাৰণ এটা ভুলৰ দ্বাৰা পূৰ্ণ ৰূপত বুজি পোৱা লোকে নিজৰ চিন্তাধাৰাক ঐশ্বৰিক বাণী বুলি ভাবিব পাৰে আৰু তেওঁ প্ৰতাৰণা তথা ভ্ৰমক আঁতৰ কৰিবলৈ কিবা সাধন হ'ব যাৰ কোনো বাকী নাথাকিব।

সেয়ে যেনেকৈ মই উল্লেখ কৰিছোঁ যে এই ভুল যে ঐশ্বৰিক বাণী হৃদয়ৰ ভাৱৰ নাম হয়, এয়া ঈশ্বৰবাণীৰ নিলগতাৰ কাৰণে হৈছে। যদি এনে লোকক পৰমেশ্বৰৰ বাণী এবাৰ লাভ হ'ল হয় তেন্তে এইলোকসকল সেই প্ৰতাৰণাত নপৰিল হয় আৰু বুজি পালেহেঁতেন যে পৰমেশ্বৰে হৃদয়ক কঁপাই দিয়া লগতে হৃদয়াকৰ্ষক ধ্বনিযুক্ত শব্দক বাণীত অৱতীৰ্ণ কৰে যাক তেওঁৰ ভক্তই সেইদৰে শ্ৰৱণ কৰে যিদৰে আন বাৰ্তাক। ইয়াত কোনো চিন্তা বা কল্পনাৰ সংমিশ্ৰণৰ কোনো আশংকা থাকিব নোৱাৰে। পৰমেশ্বৰৰ কৃপাত এই নিৱন্ধৰ

লেখকৰো এই মাৰ্গ অনুভৱ আছে আৰু নিজৰ অনুভৱৰ আধাৰত ক'ব পৰা যায়যে পৰমেশ্বৰৰ বাণী শব্দত অৱতীৰ্ণ হয় কেৱল চিন্তাৰ ৰূপত নহয়।

এই স্থানত ইয়াকো মনত ৰাখিব লাগে যে পৱিত্ৰ কোৰাণৰ ওচৰত প্ৰতিটো ঐশ্বৰিক বাণীৰ অথবা 'কাশফ' পৰমেশ্বৰৰ ফালৰ পৰা হয় গতিকে ইছলামে এই কথাক স্বীকাৰ কৰে যে ঐশ্বৰিক বাণী অথবা সপোনৰ কেবাটাও ৰূপ থাকে। সেয়ে পৱিত্ৰ কোৰাণত পৰমেশ্বৰে কৈছে—

وَالنَّجْمِ اِذَا هَوٰى ۝٢ مَا ضَلَّ صَاحِبُكُمْ وَمَا غَوٰى ۝٣

وَمَا يَنْطِقُ عَنِ الْهَوٰى ۝٤ اِنْ هُوَ اِلَّا وَحْيٌ يُّوْحٰى ۝٥

عَلَّمَهٗ شَدِيْدُ الْقُوٰى ۝٦ (53:2-6)

অৰ্থাৎ আমি সেই মূল্যহীন বেলটোক সাক্ষী ৰূপে উপস্থাপন কৰো যি মূল্যহীন ভাবে পৰি যায়। যেনেকৈ সেই বেলটো যাৰ কোনো মূল শিপা নাই আৰু যদি সি ওখত হয় পৰি যায়। এইদৰে যি ব্যক্তি অৱতাৰৰ ঘোষণাত মিছলীয়া হয় লাগে তেওঁ ঈশ্বৰবাণী ৰচনা কৰোতা হওঁক অথবা ঠগখোৰাজন হওক কিয়নো তেওঁৰ শিক্ষাৰ মূল সেই আধ্যাত্মিক জ্ঞানত নহয় যিকোনো আধ্যাত্মিক সম্প্ৰদায়ক স্থিৰ কৰি ৰাখিবলৈ প্ৰয়োজন হয়। গতিকে যেতিয়া তেওঁৰ সম্প্ৰদায়ে উন্নতি কৰিব ধৰে তাত পতনৰ চিহ্ন উৎপন্ন হ'বলৈ ধৰে আৰু সেই সম্প্ৰদায়ে উন্নতি লাভ কৰিব নোৱাৰে অৰ্থাৎ এক স্থায়ী ৰূপ ধাৰণ কৰাৰ পূৰ্বে তাৰ পতন আহি পৰে, আন ধৰ্মৰ সন্মুখত মূৰ দাঙি ঠিয় হ'ব নোৱাৰে গতিকে সি এতিয়া এটা দলৰ দৰে হয় যে তাৰ শিৰ তললৈ হৈ থাকে। পুনৰ উল্লেখ আছে যে তোমাৰ সংগী পথভ্ৰষ্ট হোৱা নাই নতুবা ধৃষ্টতাপূৰ্বক এই বুলি ঘোষণা কৰা নাই। অৰ্থাৎ তেওঁ কোনো ঠগৰামীৰ সন্মুখীন হোৱা নাই নতুবা এই জানিও যে মোৰ কোনো ঐশ্বৰিক বাণী নাই প্ৰতাৰণাৰে ঐশ্বৰিক বাণী ৰচনা কৰে। নতুবা ইচ্ছানুসৰি কিবা কথা কয়। অৰ্থাৎ এনে হোৱা নাই যে তেওঁৰ ইচ্ছাই তেওঁৰ সন্মুখত কোনো দৃশ্য নিৰ্মাণ কৰি দেখুৱাইছে আৰু তেওঁ তাক ঈশ্বৰবাণী বুলি ভাবিছে গতিকে তেওঁৰ প্ৰতি ঈশ্বৰবাণী হৈছে যি আন কোনো শক্তিয়ে

কৰিছে কিন্তু এয়া সন্দেহ নকৰিবা যে চয়তানৰ ফালৰ পৰা বাণীৰ অৱতীৰ্ণ হৈছে গতিকে তেওঁৰ ঈশ্বৰবাণী অৱতীৰ্ণ কৰোতা সৰ্বশক্তিমান পৰমেশ্বৰ হয় যাৰ ওচৰত সকলো আছে। অন্তঃ তেওঁ নিজৰ শক্তি প্ৰদৰ্শন কৰি এই কথাক প্ৰতিপন্ন কৰে যে তেওঁৰ ঐশ্বৰিক বাণী সত্য হয় আৰু সেয়া সৰ্বশক্তিমান পৰমেশ্বৰৰ ফালৰ পৰা হয়। তেওঁৰ সম্প্ৰদায় বাঢ়িব আৰু ভিত্তি থকা গছৰ দৰে সি ওখ হ'ব আৰু নানান প্ৰকাৰৰ স্বভাৱ ৰাখোতা আৰু প্ৰান্ত প্ৰান্তৰ জ্ঞানীলোক ইয়াত প্ৰবিষ্ট হ'ব আৰু যুগে ইয়াক শেষ কৰিব নোৱাৰিব আৰু ডাঙৰ ডাঙৰ জনসংখ্যাৰ ধৰ্মৰ সন্মুখত নিজৰ মূৰ দাঙি ঠিয় হ'ব আৰু তাৰ মাজত তেওঁলোকৰ হিচাপ হ'ব।

এই আয়াতত ঈশ্বৰবাণীৰ চাৰিটা ভাগ বৰ্ণনা কৰা হৈছে। এটা সেয়া যে ঐশ্বৰিক বাণী যাৰ সূত্ৰৰ ঠিকনা বিচৰাটো মানুহৰ বাবে কঠিন হৈ পৰে অৰ্থাৎ যি মগজুৰ বিকাৰৰ পৰিণাম স্বৰূপে হয়। দ্বিতীয় ভাগ ঈশ্বৰবাণী সেয়া হয় যি নিজৰ মনত উৎপন্ন হোৱা ইচ্ছাৰ পৰিণাম স্বৰূপে হয় আৰু মানুহে চিন্তা কৰিলে অৱগত হ'ব পাৰে যে এই চিন্তা বা ভাৱ মোৰ হৃদয়ৰ পৰা উৎপন্ন হৈছে সেই অনুসৰি মই দৃশ্য দেখিলো।

ঈশ্বৰবাণীৰ তৃতীয়ৰূপ চয়তানী বাণী হয়। অৰ্থাৎ য'ত আধ্যাত্মিকতাৰ বিৰুদ্ধে আধ্যাত্মিক তথা দুৰাচাৰৰ শিক্ষা দিয়া হয়। চতুৰ্থ প্ৰকাৰৰ ঈশ্বৰবাণী সেয়া হ'ল যি পৰমেশ্বৰৰ পৰা অৱতীৰ্ণ হয়।

সেয়ে যেতিয়া মই উল্লেখ কৰো যে ঈশ্বৰবাণী ইছলামে পৰমেশ্বৰৰ সংযুক্ততা তথা তেওঁৰ দৰ্শনৰ এক আহিলা বুলি উল্লেখ কৰিছে তেন্তে ইয়াত মোৰ তাৎপৰ্য এয়া যে প্ৰতিটো সপোন তথা প্ৰতিটো ঐশ্বৰিক বাণী একেধৰণৰ। মই এই কথাক স্বীকাৰ কৰিছোঁ আৰু পৱিত্ৰ কোৰাণে নতুনৰ উদ্ভাৱনৰ বহু আগতেই সপোনৰ বিষয়ে উল্লেখ কৰিছে যে ইয়াৰ দুটা প্ৰকাৰৰ প্ৰকৃতি আছে। এটা সেই সপোন যি মগজুৰ বিকাৰৰ পৰিণাম আৰু আনটো সেই সপোন যি মনৰ ইচ্ছাৰপূৰ্তিৰ পৰিণামত সম্ভৱ হয় গতিকে মোৰ অভিপ্ৰায় কেৱল সেই ঈশ্বৰবাণীৰ প্ৰতি হয় যাক পৰমেশ্বৰে অৱতীৰ্ণ কৰিছে আৰু মনৰ ইচ্ছাৰ পৰা সৃষ্ট বাণীতকৈ শ্ৰেষ্ঠ হয়।

যদিও ঈশ্বৰ বাণী আৰু কিছুমান তাৎপৰ্য আছে গতিকে “সৰ্বসাধাৰণ ঈশ্বৰবাণী”ও ব্ৰহ্মজ্ঞানৰ বাবে সিমান লাভদায়ক নহয় কিয়নো সম্পূৰ্ণ ব্ৰহ্মজ্ঞানৰ বাবে আহিলাও এনে নিশ্চিত আৰু বিশ্বাসযোগ্য হ'ব লাগে যে যি নিজেই নিজে সম্পূৰ্ণ হয় আৰু তাৰ পিছত সন্দেহৰ কোনো বিষয় বাকী নাথাকে।

মনত ৰাখিব লাগে মই “সৰ্বসাধাৰণ ঈশ্বৰবাণী” শব্দটোক কিয় প্ৰয়োগ কৰিছো, এই কাৰণে প্ৰয়োগ কৰিছো যে উপযুক্ত সন্দেহ কেৱল “সৰ্বসাধাৰণ বাণী”ৰ ক্ষেত্ৰত কৰিব পৰা যায় অথবা প্ৰাৰ্থনাৰ ভিত্তি ঈশ্বৰ বাণী আৰু ঈশবাৰ্তাও এক এনে এটা শ্ৰেণী হ'ব পাৰে যি তৃতীয় প্ৰকাৰৰ ব্ৰহ্মজ্ঞান উৎপন্ন কৰে আৰু যাক তলত বৰ্ণনা কৰা হ'ব অন্যথা “সৰ্বসাধাৰণ ঈশ্বৰবাণী”য়ে দ্বিতীয় প্ৰকাৰৰ ব্ৰহ্মজ্ঞান উৎপন্ন কৰিব পাৰে অৰ্থাৎ ‘দৃষ্টিগত জ্ঞান’লৈকে উপনীত কৰে কিন্তু তাতকৈ ওপৰলৈ নিব নোৱাৰে।

**তৃতীয় শ্ৰেণী- ভক্ত পৰমেশ্বৰৰ গুণত ৰঙীন হৈ পৰা**

ঈশ্বৰৰ সংলাপৰ দুটা শ্ৰেণী বৰ্ণনা কৰাৰ পাছত এতিয়া মই তৃতীয় প্ৰকাৰক উল্লেখ কৰিছোঁ। ইছলামে এই প্ৰকাৰৰ ব্ৰহ্মজ্ঞান অৰ্থাৎ প্ৰয়োগাত্মক জ্ঞান অথবা নিশ্চয়াত্মক-জ্ঞান উৎপন্ন কৰাৰ বিষয়ে ঘোষণা কৰিছে আৰু তাত গুৰুত্ব দি নিজৰ ঘোষণা কৰিছে তথা দায়িত্ব পুনৰিক্ত কৰিছে। সেয়ে মুছলমানৰ আদৰ্শ যে পাঁচ ওৱাক্ত ‘নামাজ’ত দিনে-নিশাই কোনো ছল্লিশ -পঞ্চাশ বাৰ এই প্ৰাৰ্থনা পৰমেশ্বৰক কৰা হয় যে হে পৰমেশ্বৰ তুমি আমাৰ চিধা মাৰ্গৰ পথ প্ৰদৰ্শন কৰা এই সৰল মাৰ্গৰ পথ প্ৰদৰ্শন কৰা যাৰ অনুসৰণ প্ৰথমৰ লোকসকলে কৰিছিল তথা যিবিলাকৰ ওপৰত তুমি পুৰস্কাৰ দিছা। পৱিত্ৰ কোৰাণৰ আন স্থানত উল্লেখ আছে যে ‘বঁটাপ্ৰাপ্ত লোক’ৰ তাৎপৰ্য সেই লোক যাৰ পৰমেশ্বৰে ‘নবুয়ত’ (অৰ্থাৎ অৱতাৰবাদ)ৰ স্থানত অথবা সিদ্ধিপ্ৰাপ্ত অৰ্থাৎ ঈশ্বৰত বিলীন হৈ পৰে ( নিজৰ ঈমান তথা বিশ্বাসক আৰু পৰমেশ্বৰ তথা তেওঁৰ অৱতাৰৰ প্ৰেমক নিজৰ দেহ-মন-ধনে সৰ্বস্ব ত্যাগ সত্যক প্ৰদৰ্শন কৰা) স্থানত অথবা ছাহাদত অৰ্থাৎ পৰমেশ্বৰৰ সত্ত্বাৰ সাক্ষী হোৱা ( নিজ প্ৰাণক যি পৰমেশ্বৰ তথা তেওঁৰ অৱতাৰৰ প্ৰতি তথা তেওঁৰ সত্যতাৰ সাক্ষী দিয়াটো) অৰ্থাৎ পুণ্যৰ স্থানত অথবা ছালেহীন অৰ্থাৎ সাধু পুৰুষৰ শ্ৰেণীত

ঠিয় কৰোৱা। (চুৰাঃ নিছা আয়াত ৭০) অৰ্থাৎ হয় তেওঁ 'নৱী' (অৱতাৰ) হয় অথবা অৱতাৰৰ কাষত উপনীত হোৱাজন, অথবা তেওঁ অৱতাৰবাদৰ শ্ৰেণীৰ কাষতৰতো নহয় কিন্তু পৰমেশ্বৰৰ গুণক গ্ৰহণ কৰোতা আৰু তেওঁ সেই পদৱীত উপনীত হৈছে যে পৰমেশ্বৰৰ গুণৰ ক্ৰিয়াত্মক চিন্তাক মানুহৰ সন্মুখত উপস্থাপন কৰিব পাৰে অথবা তেওঁ ছাহাদত'ৰ শ্ৰেণীৰ যোগ্যতা উৎপন্ন কৰিব পাৰে। এই শ্ৰেণীসমূহৰ ভিতৰত প্ৰথম তিনিটা শ্ৰেণীয়ে বাস্তৱত সেই শ্ৰেণী য'ত উপনীত হৈ মানুহে সদায় সন্দেহৰ পৰা মুক্তি লাভ কৰিব পাৰে।

আমি এই কথাৰ ওপৰত জোৰ দি কি লাভ আছে যে পৰমেশ্বৰ সৰ্বজ্ঞ হয় যেতিয়ালৈকে আমি তেওঁৰ জ্ঞানৰ নিশ্চয়াত্মাক প্ৰমাণ লাভ নকৰো? যেতিয়ালৈকে নিজৰ চকুৰে তেওঁৰ জ্ঞানক আমি দৰ্শন নকৰো আমি কেনেকৈ নিশ্চিত ৰূপত তথা মই ক'ব পাৰো দিয়ানতদাৰীয়ে উল্লেখ কৰিব পাৰে যে তেওঁ বাস্তৱত মৃতকক জীৱিত কৰে। কোৱা হয় যে তেওঁ স্ৰষ্টা হয় কিন্তু আমি যে দেখিছো এক বিশেষ নিয়মে এই সকলো বিলাক হৈ আছে। তথাপি আমি কিদৰে স্বীকাৰ কৰিব পাৰো যে এই সৃষ্টিত পৰমেশ্বৰৰো কিবা অৱদান আছে আৰু কিদৰে নিশ্চিত হৈ পৰিম গতিকে মই কৈছো দিয়ানতদাৰীৰ আৰু শুদ্ধ হৃদয়ে উল্লেখ কৰিব পাৰো যে বাস্তৱত পৰমেশ্বৰে স্ৰষ্টা হয়। পুনৰ মই কৈছো যে প্ৰতিটো বস্তু তেওঁৰ অধিকাৰত আছে কিন্তু যেতিয়া আমি দেখো যে সহস্ৰ মানুহে তেওঁৰ সত্বাকো অস্বীকাৰ কৰোতা বিদ্যমান হয়। পুনৰ আমি তেওঁৰ যেতিয়া তেওঁৰ ক্ৰিয়াক প্ৰকট ৰূপত কোনো চিহ্ন দেখিবলৈ নাপাওঁ তেন্তে আমি কেনেকৈ কোন প্ৰকাৰৰ জ্ঞানৰ আধাৰত যদিও মই কওঁ যে শুদ্ধ যে শুদ্ধ হৃদয়ে ক'ব পাৰো যে পৰমেশ্বৰ সংসাৰৰ বস্তুত অধিকাৰ আছে। একেই দশা সমস্ত গুণৰ যেতিয়ালৈকে আমি নিশ্চিত ভাবে প্ৰমাণ লাভ নকৰো যে পৰমেশ্বৰৰ ফালৰ পৰা এই গুণৰ প্ৰদৰ্শন এইদৰে হয় আমি তাৰ সন্দৰ্ভত 'হঠাৎ' (প্ৰাকৃতিক ঘটনাত সচৰাচৰ সংঘটিত হোৱাৰ সমান) লগত যুক্ত কৰিব নোৱাৰো। আমি কিদৰে বিশ্বাস কৰিব পাৰো যে এই গুণ পৰমেশ্বৰত আছে তথাপি সত্য এয়া যে যেতিয়া কোনো পৰমেশ্বৰৰ সত্বা দৃষ্টিগোচৰ নহয়, তাৰ জ্ঞান তেওঁৰ গুণৰ দ্বাৰা প্ৰদৰ্শন কৰিবলৈ আমাৰ ওচৰত কোনো নিশ্চিত প্ৰমাণ

নাথাকে, তেতিয়া আমি সততাৰে ইয়াকে ক'ব পাৰো যে কোনো পৰমেশ্বৰ বিদ্যমান আছে আৰু সংসাৰত যি সংঘটিত হৈ আছে সেই সকলোবোৰ কোনো প্ৰাণহীন প্ৰাকৃতিক বিধানৰ— যি কোনো অজ্ঞাত যি অতি শক্তিশালী শক্তিৰে অতি সম্পূৰ্ণৰূপত চলাই আছে— পৰিণাম নাই।

**পৰমেশ্বৰৰ বিভিন্ন গুণৰ প্ৰমাণ**

এই সন্দেহৰ নিৰাৰণ মাথোঁ ইছলামেহে কৰিব পাৰে। ইয়াৰ শিক্ষাৰ ওপৰত আচৰণ কৰিলে এনে লোকৰ প্ৰাৰ্দুভাৱ হয় যি ঈশ্বৰীয় গুণৰ দাপোন হয়। সেইজনে প্ৰথমতে নিজৰ ওপৰত ঈশ্বৰীয় গুণৰ প্ৰতিবিম্ব প্ৰতিফলিত কৰে আৰু পুনৰ আনৰ ওপৰত তাৰ পদচিহ্নক দৰ্শন কৰায়। তেওঁ পৰমেশ্বৰৰ সম্পূৰ্ণ জ্ঞান প্ৰদান কৰে। গতিকে আধুনিক যুগতো পৰমেশ্বৰে এই অভিপ্ৰায়ে লোকসকলক পৰম ব্ৰহ্মৰ সত্বাক চিনি পাবলৈ তথা সন্দেহাত্মক আৰু ভ্ৰান্তিময় জীৱনৰ পৰা মুক্তি পাবলৈ, যুগাৱতাৰ হজৰত মচীহ্ মাওউদ (আঃ)ক প্ৰেৰণ কৰিছিল যি ইছলামৰ শিক্ষাক অনুকৰণ কৰি সেই স্থানত উপনীত হ'ল য'ত প্ৰাচীন কালৰে পৰা অৱতাৰে অধীস্থ হৈ আহিছে যদিও কিছু সংখ্যক অনতাৰতকৈ উচ্চত। পৱিত্ৰ কোৰাণে এই স্থানলৈকে আপোনাক পথ প্ৰদৰ্শন কৰিলে যিদৰে ইব্ৰাহিম আৰু মুছা তথা মছীহক পথ প্ৰদৰ্শন প্ৰাপ্ত হৈছিল। নিজৰ নিজৰ পুণ্যৰ প্ৰতাপত পৰমেশ্বৰৰ গুণক এনে নিশ্চয়াত্মক ৰূপত প্ৰতিপ্ৰন্ন কৰিলে যে প্ৰত্যেকে যিদেখিছে সি আচৰিত হৈ পৰে আৰু যি শ্ৰৱণ কৰে সেইজনো আশ্চৰ্যত পৰে। লাখজন আছে যি এই চমকাৰিত্বৰ দ্বাৰা জীৱিত কৰা হৈছে। লাখজন আছে যাৰ এই অলৌকিক চমকাৰিত্বৰ দ্বাৰা ৰোগৰ পৰা মুক্তি লাভ কৰি স্বাস্থ্য প্ৰাপ্ত হৈছে। আপুনি ব্ৰহ্মজ্ঞানৰ সেই উচ্চ স্থান প্ৰাপ্ত হ'ল যাৰ ফলত কোনো সন্দেহ আৰু ভ্ৰম বাকী নাথাকিল। আপুনি এনেধৰণে পৰমেশ্বৰক লগ পালে যাৰ দ্বাৰা কোনো দূৰত্ব বাকী নাথাকে আৰু তাৰ লগতে আপুনি এনে সম্পৰ্ক সংযুক্ত কৰিলে যে ইয়াৰ ফলত কোনো পাৰ্থক্য বাকী সম্ভৱ নহয়। আপুনি পৰমেশ্বৰৰ ৰঙত ৰঙীন হ'ল আৰু কোনো ৰঙে আপোনাত বাকী নাথাকিল। আপুনি পৰমেশ্বৰৰ পূৰ্ণ ৰূপৰ পৰা পৃথক হৈ সেই অবিনাশী মিত্ৰ হৈ পৰিল। উল্লেখ কৰা তাৎপৰ্য এয়া যে ইছলামৰ শিক্ষাৰ একোটা একোটা

আদৰ্শ আপুনি স্বয়ং অনুভৱ কৰিলে আৰু তাক উচিত বুলি অৱগত হ'ল। তেওঁৰ পুণ্য পৰিণামক আপুনি নিজেই অনুভৱ কৰিলে। আপোনাৰ খোদাই নিজৰ গুণৰ চাদৰ বিম্বৰূপত পাৰি দিলে। আপুনি তাত অলংকৃত হৈ সংসাৰৰ দিশলৈ পুনৰ উভতিল কিয়নো লোকসকলক পৰমেশ্বৰৰ দিশলৈ ধাৱিত কৰিবলৈ। আপোনাৰ এই অধিকাৰ আছিল যে আপুনি লোকসকলক পৰমেশ্বৰৰ দিশলৈ ধাৱিত কৰক কিয়নো আদিকালৰে পৰা পৰমেশ্বৰৰ নিয়ম প্ৰচলিত হৈ আহিছে যে সেই লোকসকলে সেই দিশে যাৱ পাৰে যি উচ্চৰ পৰা আহে। হজৰত ঈছা মচীহে কৈছে—" আন কোনো মানুহ আকাশত নাযায় কিন্তু তেওঁ সেইজন যি আকাশৰ পৰা আহে।" আৰু মই এই বক্তব্যক ইমান আৰু বৃদ্ধি কৰিব বিচাৰো যে কোনো ব্যক্তি আকাশলৈ যাৱ নোৱাৰে কিন্তু তেওঁ যি আকাশৰ পৰা (পৰমেশ্বৰৰ ফালৰ পৰা) প্ৰেৰণ কৰা হয়। সেয়ে, হজৰত মছীহ মাওউদক উপহাৰ স্বৰূপে পৰমেশ্বৰে নিজৰ মহানতাৰ চাদৰে আবৃত্ত কৰিলে আৰু পুনৰ সংসাৰৰ পথ প্ৰদৰ্শনাৰ্থে সংসাৰলৈ উভতাই পঠায়। আপোনাৰে অধিকাৰ আছিল যে লোকসকলক পৰমেশ্বৰৰ প্ৰতি ধাৱিত কৰক। শেষত আপুনি পৰমেশ্বৰৰ এটা গুণ নিজৰ অস্তিত্বৰ মাজত প্ৰদৰ্শন কৰিলে আৰু পৰমেশ্বৰক মানুহৰ ওচৰ চপায় দিলে। পৱিত্ৰ কোৰণত উল্লেখ আছে—

(6:104) لَا تُدْرِكُهُ الْاَبْصَارُ

অৰ্থাৎ ঃ পৰমেশ্বৰে ভৃত্যৰ দুৰ্বলতা দেখি নিজেই তেওঁলোকৰ কাষলৈ আহে। যিহেতু প্ৰাচীন কালৰে পৰা তেওঁৰ এই নিয়ম চলি আহিছে, তেওঁ এতিয়াও হজৰত মছীহ মাওউদ ( যুগাৱতাৰ, নিষ্কলংক অৱতাৰ হজৰত মিৰ্জা গোলাম আহমদ চাহেব কাদিয়ানী)ৰ প্ৰতি প্ৰকট হৈছিল আৰু তেওঁৰ দ্বাৰা নিজে নিজেই আন সংসাৰত আৰ্বিভাৱ হ'ল যাতে প্ৰতিপন্ন হৈ পৰে যে তেওঁৰ পৰমেশ্বৰ জীৱিত সকলৰ। তেওঁ যিদৰে ইব্ৰাহিমৰ পৰমেশ্বৰ আছিল, 'মছীহ'ৰ পৰমেশ্বৰ আছিল, পয়গম্বৰ হজৰত মহম্মদ (ছাঃ)ৰ পৰমেশ্বৰ আছিল, এতিয়া তেওঁ আমাৰ পৰমেশ্বৰ। তেওঁ আমাক নেৰিলে গতিকে আমি অজ্ঞানতাৰে তেওঁক এৰি দিছো।

এয়া কঠিন যে মই পৰমেশ্বৰৰ এটা এটা বিশেষত্ব আৰু তেওঁৰ একোটা একোটা গুণৰ বিষয়ে কিছু বৰ্ণনা কৰিম যে কিদৰে পূৰ্ণ ব্ৰহ্ম-জ্ঞান প্ৰাপ্তিৰ পিছত তাক সংসাৰৰ সন্মুখত উপস্থাপন কৰিলে আৰু সেয়া প্ৰতিপন্ন হ'ল। কিন্তু মই উদাহৰণ হিচাপে কিছু গুণক দাঙি ধৰিম।

প্ৰথম ঃ— এটা গুণ যাক ডাঙৰ সৰুৱে উপস্থাপন কৰে জ্ঞানৰ গুণ হিচাপে। প্ৰতিটো ধৰ্মৰ লোকসকলে কয় যে পৰমেশ্বৰ 'সৰ্বজ্ঞ' হয়। প্ৰতিটো ডাঙৰ-সৰু কথা তেওঁৰ অৱগত। কিন্তু ইয়াক হোৱাৰ পিছতো কোনোৱে নকয় যে এয়া কেনেকৈ জানিব পৰা গ'ল যে পৰমেশ্বৰ 'সৰ্বজ্ঞ' হয়। হজৰত মছীহ মাওউদ (আঃ)য়ে এই গুণবোৰক ক্ৰিয়াত্মক প্ৰমাণৰ দ্বাৰা প্ৰমাণিত কৰিলে।

গতিকে আপুনি এনে জ্ঞান সংসাৰৰ সন্মুখত উপস্থাপন কৰিলে যাৰ মাজত কিছুমান সংসাৰৰ দৃষ্টিত প্ৰচ্ছন্ন আছিল। কিছুমান এনেধৰণৰ আছিল যে যাৰ প্ৰাপ্তিৰ ভংগী পৃথক আৰু অসাধাৰণ আছিল আৰু কিছুমান এনেধৰণৰ আছিল যিটো প্ৰাপ্ত হোৱা মানৱ জাতিৰ ওপৰত আছিল। প্ৰথম কথাৰ উদাহৰণ— সেয়া শিক্ষাই হয় যি আপুনি দিছিল আৰু যাৰ কিছু ভাগ সংক্ষেপত বৰ্ণনাৰ ৰূপত মই ওপৰত উল্লেখ কৰি আহিলো আৰু কিছু অংশ আগলৈ বৰ্ণনা কৰিম। দ্বিতীয় তথা তৃতীয় কথাৰ উদাহৰণ তলত উল্লেখ কৰা ব্যাখ্যাৰ দ্বাৰা উপস্থাপন কৰিছোঁ।

কদাচিত আপোনালোকৰ মাজেৰে অধিকাংশই এই কথাত পৰিচিত নহয় যে আপুনি (অৰ্থাৎ হজৰত মছীহ মাওউদ) ভাৰতবৰ্ষৰ এটা কোণৰ নিৱাসী য'ত শিখসকলৰ ৰাজত্ব আছিল যিখন ৰাজ্যত শিক্ষাৰ কোনো ব্যৱস্থা নাছিল। আপুনি কোনো মাদ্ৰাছাত পঢ়া নাছিল। দহ দিনৰ কাৰণেও আপুনি কোনো শিক্ষা অনুষ্ঠানত পঢ়া নাছিল। আপোনাৰ পিতৃয়ে আপোনাক কিছুমান সাধাৰণ অধ্যাপকৰ দ্বাৰা কিছু প্ৰাৰম্ভিক কিতাপ আপোনাক পঢ়াইছিল। কিন্তু আপুনি যেতিয়া পৰমেশ্বৰৰ পৰা 'নবুয়ত' অৱতাৰবাদৰ স্থানত অধীস্থ হয় আৰু আপোনাক অৱতাৰ ঘোষণা কৰিলে তেতিয়া একে নিশাই আপুনি আৰৱী ভাষাৰ জ্ঞান সেই স্তৰলৈকে অৰ্জন কৰিলে যে আৰৱ আৰু মিচৰ দেশৰ বিদ্যানেও আপোনাৰ সমকক্ষ হ'ব নোৱাৰিলে। আপুনি আৰৱী ভাষাত বহু

প্ৰত্যাহ্বান আৰু ভাবুকিৰে কিতাপ লিখিলে আৰু আপুনি বিৰোধীসকলক বাৰে বাৰে প্ৰত্যাহ্বান গ্ৰহণ কৰিবলৈ নিমন্ত্ৰণ দিলে যে যদি সেইলোকসকলে আপোনাৰ কৃৰ্তীক মানবীয় জ্ঞানৰ পৰিণাম বুলি কয় যদি তেওঁলোকৰ তুলনাত সেই গ্ৰন্থ লেখি দেখুৱালে কিন্তু বহুবাৰ আপোনাৰ ফালৰ পৰা প্ৰত্যাহ্বান দিয়াৰ পিছতো আৰু তুলনাৰ বাবে নিমন্ত্ৰণ কৰাৰ পিছতো এজনো ব্যক্তি আপোনাৰ সন্মুখলৈ নাহিল। নাহিল কোনো মিচৰৰ শিক্ষাবিদ, নাহিল কোনো আৰৱ আৰু ভাৰতবৰ্ষৰ শিক্ষাবিদ। এতিয়া এই চমৎকাৰ আপোনাৰ দেশত প্ৰদৰ্শিত হৈছে পৰমেশ্বৰ সৰ্বজ্ঞ হোৱাৰ নিশ্চিত প্ৰমাণ নহয় এয়া কি? কিয় বুদ্ধিয়ে এই কথাক স্বীকাৰ কৰিব পাৰে যে কেৱল ভ্ৰান্তিৰ দ্বাৰা এজন ব্যক্তিয়ে এনে চমৎকাৰ উৎপন্ন কৰিব পাৰে নে? পঞ্জাৱ প্ৰান্ত আৰৱৰ পৰা কিমান আঁতৰত আৰু কেন্দ্ৰৰ পৰা ইমান দূৰত্ব যে সি কেতিয়াওঁ সম্ভৱ হ'ব নোৱাৰে যে আন লোকক লগ কৰি আৰৱী শিকিব। যদি শিকি লৈছে তেন্তে পঞ্জাৱৰ আৰৱী বিদ্যালয়ত অধ্যয়নৰত কোনো লোকে কেইপৃষ্ঠামান আৰৱী ভাষাত লেখিব নোৱাৰে তেন্তে আপুনি ঘৰতে বহি বহি কেইদিনমানৰ ভিতৰত আৰবী ভাষাত ইমান দক্ষতা ক'ৰ পৰা লাভ কৰিলে যে আৰৱী ভাষাত ২৫ খন গ্ৰন্থ ৰচনা কৰিলে। তথা পুনৰ শিক্ষাবিদসকলক প্ৰত্যাহ্বান জনালে। কিন্তু কোনো ব্যক্তিয়ে আপোনাৰ এই প্ৰত্যাহ্বানৰ সন্মুখীন নহ'ল। নিঃসন্দেহ কিছু ব্যক্তিয়ে নিজৰ লেখনিৰ ভাষাৰ প্ৰাঞ্জলতা তথা তাৰ সৌষ্ঠৱত অনুপম বুলি বুজিব পৰা যায় যেনেকৈ শেক্সপীয়েৰ, ডাণ্টে আদি। কিন্তু তেওঁলোকৰ উপমা এই স্থানত দিব পৰা নাযায় কিয়নো সেই লোকসকল প্ৰথমতে ঘোষণা কৰি ঠিয় হোৱা নাছিল। ইয়াৰ আগতে তেওঁলোকৰ নিজৰ জ্ঞান নাছিল যে তেওঁলোকৰ কৃৰ্তীক কি স্থান দিয়া হ'ব কিন্তু যেতিয়া সেই গ্ৰন্থ প্ৰসিদ্ধ হ'ল তেতিয়া অৱগত হ'ল যে সেয়া অতি উচ্চ পৰ্যায়ৰ গ্ৰন্থ হয়। যেতিয়া কিছুমান লোকে দৌৰ মাৰে তেন্তে তাৰ মাজৰ কেইজনমান লোকহে প্ৰথম হয়। গতিকে যি প্ৰথমতে আহিল তাৰ অধিকাৰ এয়া নহয়যে তেওঁ তাক অসাধাৰণ আৰু অলৌকিক কাৰ্য বুলি ভাৱক কিন্তু এক দুৰ্বল আৰু খীনকায় ব্যক্তিয়ে যি ভালদৰে খোজ কাঢ়িব নোৱাৰে তেওঁ যদি সেই দৌৰত সন্মিলিত হয় আৰু প্ৰথমতে উল্লেখ

কৰে যে মই প্ৰথম হ'ম আৰু তেওঁ প্ৰথম হয়, তেন্তে তেওঁৰ প্ৰথম অহাটো নিঃসন্দেহে এক চমৎকাৰ হ'ব আৰু কোনো মহান শক্তিৰে তেওঁৰ সম্পৰ্ক থকা বুলি ভাবিব লাগিব।

পৰমেশ্বৰে এইদৰে নিজৰ সৰ্বজ্ঞাতাৰ গুণক প্ৰদৰ্শন কৰি আহিছে। গতিকে বাইবেলৰ পৰা অৱগত হ'ব পাৰি যে বতাহৰ দ্বাৰাও পৰমেশ্বৰে নিজৰ সৰ্বজ্ঞতাৰ গুণৰ প্ৰদৰ্শন এইদৰে কৰিছে যে তেওঁৰ আন কবিলাৰ ভাষাও শিকাই দিছিল আৰু তেওঁ তাক কোৱাত ভুলও কৰিছিল কিন্তু হজৰত মছীহ মাওউদ (আঃ)ক বিদেশী ভাষা শিকোৱা হৈছিল আৰু এনে এক পূৰ্ণ ভংগীৰে শিকোৱা হৈছিল যে স্বয়ং সেই ভাষাক সেই ভাষীসকলৰ লগত প্ৰত্যাহ্বান দিয়াৰ পিছতো সন্মুখীন হ'ব নোৱাৰিলে।

পৰমেশ্বৰ সৰ্বজ্ঞ হোৱাৰ আন এটা প্ৰমাণ যি যুগাৱতাৰ হজৰত মছীহ মাওউদ (আঃ)ৰ দ্বাৰা উপস্থাপন হ'ল সেয়া এই ধৰ্মীয় সন্মিলন যাৰ বাবে আজি আপোনালোক একত্ৰ হৈছে। আজিৰ পৰা ৩৪ বছৰৰ আগতে নিষ্কলংক অৱতাৰ হজৰত মিৰ্জা গোলাম আহমদ চাহেব কাদিয়ানীক এক 'কাশফ' হৈছিল য'ত বিলায়ত আপোনাৰ সম্প্ৰদায়ৰ প্ৰচাৰৰ উল্লেখ আছিল। সেই 'কাশফ' আপুনি আপোনাৰ কিতাপ 'ইজালা আউহামত যি ১৮৯১ চনত মুদ্ৰিত আৰু প্ৰকাশিত হৈছিল। তাৰ শব্দত এয়া উল্লেখ আছিল—

" পশ্চিম দিশে সুৰ্যোদয়ৰ এয়া অৰ্থ আছিল যে পশ্চিমীয়া দেশ যি প্ৰাচীন কালৰে পৰা অধৰ্ম আৰু পথভ্ৰষ্টতাৰ অন্ধকাৰত ডুবি সত্যতাৰ সূৰ্যক দৃশ্যমান কৰিব আৰু তেওঁলোকক ইছলামৰ পুণ্যৰ পৰা কিছু অংশ প্ৰাপ্ত হ'ব। মই দেখিছো যে মই লণ্ডন নগৰত এখন মঞ্চত ঠিয় হৈ আছো আৰু ইংৰাজী ভাষাৰ এখন অতি বিতৰ্কিত ব্যাখ্যাৰ দ্বাৰা ইছলামৰ সত্যতা দাঙি ধৰিছোঁ। তাৰ পিছত মই বহুতো চৰাই ধৰিলো যি সৰু সৰু গছত বহি আছিল আৰু তাৰ ৰস খাইছিল। সিহঁতৰ শৰীৰ আকাৰ ভোমোৰা শৰীৰৰ সমান হ'ব তেতিয়া মই ইয়াৰ এই অৰ্থ প্ৰকাশ কৰিলো যে যদিও মই নহয় কিন্তু মোৰ লেখনি আৰু মোৰ কৃৰ্তিত্ব সেই লোকসকলৰ মাজত প্ৰচাৰ হ'ব আৰু বহুতো সত্যপ্ৰেমী ইংৰাজে সত্যক স্বীকাৰ কৰিব। বাস্তৱত মই আজিলৈকে পশ্চিমীয়া দেশৰ

ধৰ্মীয় সত্যতাৰ লগত কমকৈ সম্পৰ্ক ৰাখিছো। ধৰি লোৱা ধৰ্ম সম্পৰ্কীয় বুদ্ধি সমগ্ৰ এছিয়াক দি দিছো আৰু সাংসাৰিক অৰ্থাৎ ভৌতিক বুদ্ধিৰে সমগ্ৰ ইউৰোপ আৰু আমেৰিকাক। অৱতাৰৰ ক্ৰম আৰম্ভৰ পৰা শেষলৈকে এছিয়াৰ লোকসকলে লাভ কৰে। গতিকে পৰমেশ্বৰে সেই লোকসকলৰ ওপৰতো কৃপা আৰু দয়াৰ দৃষ্টি দিবলৈ বিচাৰে।" ( ইজালা আউহাম,  দ্বিতীয় অংশ, পৃঃ  ৫১৫)

লেখনি আৰু তেওঁৰ আশা একেবাৰে স্পষ্ট হয়। পৰমেশ্বৰে আজিৰে পৰা ৩৪ বছৰৰ আগতে  সূচনা দিছিল যে আপুনি ইউৰোপলৈ গৈ ইছলামৰ প্ৰচাৰ কৰিব আৰু আপোনাৰ কৰ্তব্য ইছলামৰ প্ৰচাৰৰ কাৰণ হ'ব। শেষত পশ্চিম সেই ধৰণৰ শিক্ষাৰে লাভান্বিত হ'ব যিধৰণে আজি সেইদৰে ভৌতিক জগতৰ লাভ অৰ্জন কৰি আহিছে। নিঃসন্দেহে এই সপোনত আপুনি নিজক নিজেই ব্যাখ্যা প্ৰদান কৰি দেখিলে কিন্তু 'নৱী' বা 'অৱতাৰ'ৰ তাৎপৰ্য সেই অনুসৰি সম্প্ৰদায়ৰ হৈছে। তথা বিশেষকৈ মই তাৰ উত্তৰাধিকাৰী। শেষত ঃ এই সপোনত আপোনাৰ অথবা নিজৰ কোনো উত্তৰাধিকাৰীক ইংলিস্তানলৈ গৈ তাৰ জনতাক ইছলামৰ নিমন্ত্ৰণ দিয়াৰ সূচনা দিয়া হৈছিল। তাত ইয়াক উল্লেখ কৰা হ'ল যে এখন মঞ্চত লোকসকলক আহমদীয়তৰ  বাৰ্তা শুনাব তথা ইছলামৰ নিমন্ত্ৰণ দিয়া হ'ব আৰু লোকসকলে আহমদীয়তক স্বীকাৰ কৰিব আৰু পৰমেশ্বৰে তেওঁলোকক কল্যাণমণ্ডিত কৰিব। হে ভাই আৰু ভনীসকল ! এই সপোনক পূৰণ হোৱাটো সাধাৰণ কথা বুলি নাভাবিবা কিয়নো কোনো বস্তুৰ বাস্তৱিকতা তাৰ সম্পূৰ্ণ বিৱৰণ তথা তাৰ পৰিস্থিতিক বিদিতি হোৱাৰ পৰা উৎপন্ন হয়। এই পৰিস্থিতিক দৃষ্টিত থোৱা যি সময়ত এই সূচনা দিয়া হৈছিল আৰু সেই কথাক চোৱা যে সূচনা দিয়াটো কোন আছিল ?

পৰিস্থিতি এনে আছিল যে যি সময়ত এই সূচনা দিয়া হৈছিল সেই সময়ত খ্ৰীষ্টান ধৰ্মৰ ঈমান প্ৰাৱল্য আছিল যে মুছলমানে খ্ৰীষ্টান ধৰ্মৰ আতংকত আতংকিত হৈ পৰিছিল। ইউৰোপৰ লেখকে লিখিছিল যে কিছুমান মুছলমানে ইয়াক স্বীকাৰ কৰিবলৈ ধৰিছিল যে ইছলামে এক শতাব্দীৰ পিছত খ্ৰীষ্টান ধৰ্মৰ আগত আঠু ল'ব। কিছুমান লোকে ধাৰ্মিক নেতাৰ নামতো এই আন্দোলন

আৰম্ভ কৰি দিছিল যে ইছলাম আৰু খ্ৰীষ্টান ধৰ্মৰ মাজত এই সন্ধি কৰা হওঁক আৰু স্বীকাৰ কৰা হওঁক খ্ৰীষ্টান ধৰ্মও সত্য আৰু ইছলাম ধৰ্মও সত্য হয়। দুয়োটাৰ মাজত কোনো সংঘৰ্ষ হ'ব নালাগে কিয়নো তেওঁলোকে ভয় কৰিছিল যে ইছলাম খ্ৰীষ্টান ধৰ্মৰ আগত স্থিৰ হৈ থাকিব নোৱাৰিব। কিছুমান লোকে ইউৰোপৰ সন্মুখত এই সমস্যাৰ বিষয়ে য'ত ইউৰোপৰ আক্ষেপ আছিল তাত ক্ষমা বিচাৰিবলৈ আৰম্ভ কৰি দিছিল যে ইছলামৰ সেই উদ্দেশ্য নাই যি বুজিছে গতিকে বাস্তৱত ইছলামেও তাকে কৈছিল যে যি তেওঁলোকে কৈছিল অথবা এনেধৰণৰ আপত্তি উত্থাপন কৰিবলৈ আৰম্ভ কৰি দিছিল যে ইছলামে এনে অজ্ঞান অন্ধকাৰ যুগৰ পৰা আহিছে যেতিয়া আৰৱৰ অৱস্থা অতি শোচনীয় আছিল, সেয়ে সেই লোকসকলে ক্ৰমশঃ সংস্কাৰৰ বাবে কিছু আদৰ্শ দি গৈছিল যি বাস্তৱিক উদ্দেশ্যত নাছিল, এতিয়া মুছলিম শিক্ষাবিদৰ সমিতিয়ে সেই অনাৱশ্যক ঘোষিত কৰি সমাপ্ত কৰি দিব অথবা ইয়াক ক'ব ধৰিলে যে পয়গম্বৰ ইছলাম হজৰত মহম্মদ চাহেবে আৰৱৰ জাতীয় বিচাৰকৰ সন্মুখত থৈ তেওঁৰে বিশ্বাসী অনুগামীৰ লগত কথা পাতিছিল আৰু বাস্তৱত আপোনাৰ অভিপ্ৰায় এইবিলাকৰ পৰা ভিন্ন আছিল। সেয়ে, ইছলামে নিজৰ কথা আৰু কৰ্মৰে এই কথাক স্বীকাৰ কৰি লৈছিল যে এতিয়া ইছলামৰ জীৱন মাত্ৰ কিছুদিনৰ কাৰণে, আক্ৰমণৰ পৰা বাচি থকাৰ শক্তিও ক্ৰমে নাইকিয়া হৈ পৰিছে, অস্ত্ৰৰো কাম নাইকিয়া হৈ পৰিছে, সেয়ে বিচাৰিছিল যে অতিশীঘ্ৰে খ্ৰীষ্টানসকলৰ লগত সন্ধি হওঁক আৰু আমাক সদায় আক্ৰাত্মক, হিংস্ৰ জ্ঞান কৰা নহওঁক।

এয়া জাতীয় অৱস্থা আছিল। স্বয়ং ভৱিষ্যবাণী কৰা জনৰো এনে অৱস্থা আছিল তেওঁৰ ওচৰত কোনো দ'ল নাছিল। তেওঁ মছীহ হোৱাৰ ঘোষণাও নতুনকৈ কৰিছিল আৰু সেই কাৰণে সমগ্ৰ সংসাৰ তেওঁৰ বিৰোধী হৈ পৰিছিল। ৰাজ্যৰ শাসক তেওঁৰ বিৰোধ আছিল। প্ৰজাসকলো তেওঁৰ বিৰোধ আছিল। খ্ৰীষ্টানসকল তেওঁৰ বিৰোধ আছিল। হিন্দুসকলো বিৰোধ আৰু আৰু সেই জাতিয়ে বিৰোধীতা কৰিছিল যাৰ সমৰ্থনত তেওঁ ঠিয় হৈছিল তেওঁলোকেও বিৰুদ্ধাচাৰণ কৰিছিল সেয়াও অতি তীব্ৰভাবে। তেওঁৰ ঘোষণা একেবাৰে আকস্মিক আছিল। মুছলমানসকলে এজন মেহেদী আৰু আকাশৰ

পৰা আহিব লগা মছীহৰ অপেক্ষাত আছিল। কিন্তু তেওঁ আহিব তাক উল্লেখ কৰিছিল যে হত্যাকাৰী মেহেদী নহয় গতিকে সন্ধি কৰা মেহেদী অধীস্থ হৈছিল আৰু মেহেদী আৰু মছীহ পৃথক নহয় এজন মানুহৰ দুটা নাম। আকাশৰ পৰা নহয় সেয়ে এই সংসাৰতে তেওঁ আৰ্বিভাৰ হ'ব। সকলোতকৈ ডাঙৰ বিশেষ কথা এয়া যে তেওঁ কৈছিল মই অৱতাৰ, যাৰ বিষয়ে কথা দিয়া হৈছিল সেইজনেই মই। যি বিদ্যা, পদৱী আৰু সন্মান আদিৰ ক্ষেত্ৰত আনতকৈ শ্ৰেষ্ঠত্বপ্ৰাপ্ত নাছিল। পুনৰ বিদেশলৈ অহা-যোৱা কৰা তথা সেই প্ৰসিদ্ধি পাবলৈ ধনৰ আৱশ্যক আছিল। তেওঁৰ দশা এনে আছিল মাত্ৰ ছল্লিশ-পঞ্চাশজন ব্যক্তি তেওঁৰ লগত আছিল সেইসকলৰ মাজৰ দুজনৰ বাহিৰে কাৰোৱে আৰ্থিক অৱস্থা অপেক্ষাকৃত কোনো ঠিক নাছিল, সকলো অতি দুখীয়া আৰু হীন অৱস্থাৰ ব্যক্তি আছিল অৰ্থাৎ সেইসকলৰ মাহেকীয়া আয় পোন্ধৰ টকাতকৈ কম আছিল যাৰ দ্বাৰা তেওঁলোকে নিজৰ আৰু পৰিয়ালৰ সকলো আৱশ্যকতাক পূৰণ কৰিছিল। এই কম সংখ্যক ব্যক্তিৰ মাজত তেওঁ ঠিয় হৈছিল। উপযুক্ত অৱস্থাত তেওঁ পশ্চিমৰ পৰা ছয়-সাত সহস্ৰ মাইলৰ দূৰত ভাৰতৰ য'ত ইংৰাজ সাম্ৰাজ্যৰ অধীনত এনে এক স্থানত যাক শৈক্ষিক দৃষ্টিৰে সমগ্ৰ ভাৰতৰ ভিতৰত পিছপৰা হিচাপে গণ্য কৰা হৈছিল। সেই প্ৰান্ত যি সাগৰৰ উপকূলৰ পৰা ছেকেণ্ডৰ দূৰত্বত এনে এক গাঁৱত যি ৰেলৰ পৰা এঘাৰ মাইল দূৰত্বত আছিল য'ত ডাকো সপ্তাহত দুবাৰ আহিছিল আৰু এজন বিদ্যালয়ৰ শিক্ষকে কিছু পাৰিতোষিকলৈ ডাকৰ কাম কৰিছিল। সেই গাঁৱত শিক্ষা মাথোঁ প্ৰাথমিক স্তৰলৈকে দিয়া হৈছিল। কিয়নো ইয়াতকৈ অধিক শিক্ষা দিয়া কোনো বিদ্যালয় তেতিয়া তাত নাছিল। (এই সকলো অৱস্থা সেই সময়ৰ কাদিয়ানৰ আছিল, যি সময়ত এই ভৱিষ্যবাণী প্ৰকাশ কৰা হৈছিল) তেওঁ ঘোষণা কৰিছিল যে পৰমেশ্বৰে মোৰ শিক্ষাক পশ্চিমলৈকে প্ৰেৰণ কৰিব আৰু মঞ্চৰ পৰা মোৰ শিক্ষাক পঢ়ি শুনাব আৰু পশ্চিমৰ দেশে সেই সত্যতাক স্বীকাৰ কৰিব তথা মোৰ সম্প্ৰদায়ত সংযুক্ত হ'ব আৰু এতিয়া সেয়াই হৈছে। তেওঁৰ সম্প্ৰদায়ে উন্নতি কৰি গ'ল আৰু এতিয়া পশ্চিমলৈকে প্ৰসাৰিত হ'ল। সকলোধৰণৰ লোক ইয়াৰ সৈতে সংযোজিত হৈছে আৰু শেষত পশ্চিমৰ সত্যপ্ৰিয়

লোকসকলো নিজৰ দিশলৈ আকৰ্ষিত হ'বলৈ ধৰিছে।

ধৰ্মীয় সন্মিলনৰ নিমন্ত্ৰণ সকলো ধৰ্মৰ লোকসকলৰ বাবে এক সাধাৰণ নিমন্ত্ৰণ যাক এনেধৰণৰ উপলক্ষত দিয়া হয় কিয়নো ধাৰ্মিক সন্মিলনে যে নিজৰ মঞ্চত অলংকৃত হ'ব লগা আছিল কিন্তু আমাৰ তেওঁৰ সত্ত্বা একেবাৰে ভিন্ন হয় কাৰণ এই নিমন্ত্ৰণে সেই 'কাশফ'ক যি অতি বিৰোধাত্মক পৰিস্থিতিত প্ৰকাশ কৰা হৈছিল, যি আজি পূৰ্ণ হৈছে কিয়নো যদি এই সম্প্ৰদায়ে প্ৰাকৃতিক মাৰ্গ গ্ৰহণ কৰিল হয় আজি এনে নহ'ল হয় যে লণ্ডন এই ধৰ্মীয় সন্মিলনে তেওঁলোকক আমন্ত্ৰণ কৰিল হয়। সেয়া কেতিয়াবা নষ্ট হৈ যাব লাগিছিল কিন্তু পৰমেশ্বৰৰ সেই 'কাশফ' অনুসৰি তেওঁলোকক উন্নতি দিলে। অন্তঃ তেনেধৰণৰ হ'ল যিদৰে কোৱা হৈছিল আৰু প্ৰতিস্থিত হ'ল যে পৰমেশ্বৰ সৰ্বজ্ঞ হয়। তেওঁ এনে জ্ঞানৰ সৃষ্টি কৰে যাৰ বিষয়ে মানুহে অৱগত নহয় মাথোঁ সেই সময়ত উল্লেখ কৰে যেতিয়া লোকসকলে তাক নিজৰ বুদ্ধিৰ বিৰোধ বুলি ভাবে।

মই সেই প্ৰমাণৰ মাজৰ পৰা নিজৰ পৰমেশ্বৰত 'সৰ্বজ্ঞ' বুলি প্ৰমাণ কৰিলোঁ আৰু প্ৰমাণ প্ৰতিস্থাপন কৰাৰ পৰা মোক কোনেও বাধা দিব নোৱাৰে কিয়নো তেওঁ ইউৰোপৰ লগত সম্পৰ্ক ৰাখে আৰু তেওঁৰ গভীৰ প্ৰভাৱ ইউৰোপ আৰু আমেৰিকাত আজিলৈকে চলি আছে আৰু আপোনাৰ সেই ভৱিষ্যবাণী যি ইউৰোপৰ যুদ্ধ আৰু ৰুছৰ জাৰৰ অন্তিম পৰিণামৰ বিষয়ে আছিল। এই ভৱিষ্যবাণীক বিভিন্ন উপলক্ষত খণ্ড-বিখণ্ড কৰি দিয়া হ'ল আৰু চন ১৯০৪ ৰপৰা ১৯০৮ লৈকে পূৰ্ণ হ'ল। আপোনাৰ বক্তব্য আছিল যে মোক পৰমেশ্বৰৰ পৰা জাননী দিয়া হৈছে যে ভয়ানক প্ৰলয় আহিব লগা আছে ইয়াৰ তাৎপৰ্য এয়া আছিল যে পৃথিৱীত এক ভয়ানক কম্পন আহিব, সেয়ে এই তাৎপৰ্যৰ পৰা এনে কোনো বিপত্তি হ'ব পাৰে যাৰ পৰা প্ৰাণৰ হানি হ'ব আৰু ঘৰ ভাগি পৰিব তথা তেজৰ নৈ বৈ যাব আৰু লোকসকলৰ মাজত ঘোৰ ব্যাকুলতা আহি পৰিব।

পুনৰঃ এই প্ৰলয় যি ৰূপ উল্লেখ কৰিছে তাৰ পৰা বিদিত হৈছে যে বাস্তৱত এখন মহাযুদ্ধৰ অভীষ্ট আছিল কিয়নো আপোনাৰ বক্তব্য আছিল যে

মোক কোৱা হৈছে যে এই ভয়ানক প্ৰলয়ৰ সময়ত সমগ্ৰ সংসাৰত ভয় আৰু ব্যাকুলতা বৃদ্ধি পাব। যাত্ৰীসকলৰ বাবে এয়া অতি কষ্টকৰ সময় হ'ব (এই সূত্ৰৰ পৰা স্পষ্টৰূপত অৱগত হয় যে ইয়াৰ অভিপ্ৰায় যুদ্ধ আছিল কিয়নো ভূকম্পনৰ প্ৰভাৱ যাত্ৰীসকলৰ ওপৰত বিশেষ নপৰে) নৈ তেজেৰে ৰঙা হ'ব। এই বিপত্তি শীঘ্ৰে চৰ্চালৈ আহিব। লোকসকলে ইয়াৰ পূৰ্বে কোনো জাননী নেপাব। এই দুখত যুৱক বৃদ্ধ হৈ পৰিব। পৰ্বতক নিজৰ স্থানৰ পৰা আঁতৰাই দিয়া হ'ব। কিছু সংখ্যক লোক দুখ আৰু যন্ত্ৰণাত পাগল হৈ পৰিব। সমগ্ৰ সংসাৰত তাৰ প্ৰভাৱ পৰিব। ৰুছৰ সম্ৰাট 'জাৰৰ' সময়তকৈ সেই সময়ৰ পৰিস্থিতি শোচনীয় হৈ পৰিব। সকলো ৰাজ্য তাৰ শংকাত দুৰ্বল হৈ পৰিব। যুদ্ধৰ বাবে ডাঙৰ ডাঙৰ স্থৱিৰ হৈ পৰিব আৰু প্ৰায় ইফালে-সিফালে ভ্ৰমণ কৰি থাকিব কিয়নো শত্ৰুৰ সন্ধান তেওঁলোকে পাওঁক আৰু যুদ্ধ হওঁক। পৃথিৱীক উভতাই দিয়া হ'ব। পৰমেশ্বৰে নিজৰ সেনাৰ সৈতে নামি পৰিব আৰু সেই লোকসকলক তেওঁলোকৰ অত্যাচাৰৰ শাস্তি দিব। এই কষ্টৰ প্ৰভাৱ পাখীৰ ওপৰত পৰিব। আৰৱৰ নিৱাসীসকলেও নিজৰ জাতীয় লাভৰ উদ্দেশ্যলৈ এক যুদ্ধৰ বাবে ওলাই আহিব। তুৰ্কি আৰু শামৰ ক্ষেত্ৰত পৰাজিত হ'ব। কিন্তু নিজৰ পৰাজয়ৰ ফলত পুনৰ নিজৰ হেৰুৱা শক্তিৰ এটা অংশ উভতাই পাব। এই প্ৰলয় যি সময়ত আহিব তাৰ কিছু সময়ৰ পূৰ্বে তাৰ চিহ্ন প্ৰতিফলিত হ'ব। কিন্তু পৰমেশ্বৰে ইয়াক স্থগিত কৰি কেই বছৰমান পিছলৈ ঠেলি দিব কিন্তু এই বিপত্তি ভৱিষ্যবাণী প্ৰকাশ হোৱাৰ যোল্ল বছৰৰ ভিতৰত উত্থাপন হ'ব। তথা এয়া যে এই বিপত্তি হজৰত মছীহ মাওউদ (আঃ)ৰ ইন্তেকালৰ ঘটনাৰ পিছতেই হ'ব।

কিমান প্ৰৱল ৰূপত এই সমস্ত কথা পূৰ্ণ হৈছে। সেই প্ৰলয় যাৰ জাননী দিয়া হৈছিল, কিমান বেগত আহিল আৰু কিমান শক্তিৰে সমগ্ৰ সংসাৰক কম্পিত কৰি দিলে? ধুমুহাৰ অৰ্থ প্ৰকৃততে ধুমুহা নাছিল যেনেকৈ মই লিখিছিলো। এই শব্দ পৱিত্ৰ কোৰাণত যুদ্ধৰ অৰ্থত ঘোষিত হ'ল, বাইবেলতো যুদ্ধৰ অৰ্থতে ধুমুহা অৰ্থক প্ৰয়োগ কৰা হৈছিল। চাওঁক বাইবেলৰ পুস্তক ছমুয়েল অধ্যায় ১৪ আৰু আয়াত ১৫ ত কিদৰে এই ভৱিষ্যবাণীৰ এটা এটা

অংশ পূৰণ হ'ল। কেনে ধৰণৰ চৰ্চাৰে এই যুদ্ধ আৰম্ভ হ'ল? সমগ্ৰ সংসাৰ ইয়াত আৱদ্ধ হৈ পৰিল। চন ১৯০৫ ত এই ভৱিষ্যবাণী কৰা হৈছিল। সেয়ে এই যুদ্ধ প্ৰায় ৯ বছৰৰ ভিতৰত আৰম্ভ হৈছিল আৰু সেয়াও হজৰত মছীহ মাওউদ (আঃ)ৰ স্বৰ্গগামী হোৱাৰ পিছতেই হৈছিল। আপোনাৰ স্বৰ্গযাত্ৰা ১৯০৮ চনত হৈছিল। এই যুদ্ধত সমগ্ৰ বিশ্বত এক ভয়ানক প্ৰভাৱ পৰিল কোনো ইয়াৰ পৰা বাচি নগ'ল। যিবিলাক দেশ এই যুদ্ধত জড়িত হৈছিল তেওঁলোকৰ ওপৰত তাৰ প্ৰভাৱ পৰাটো স্পষ্ট আছিলেই কিন্তু আন দেশসমূহো ইয়াৰ প্ৰভাৱৰ পৰা সুৰক্ষিত নাছিল। যাত্ৰীসকলৰ বাবে তাৰ প্ৰভাৱ ইমান কঠোৰ আছিল যে তাক কল্পনা কৰিলেই বুকু কঁপি উঠে। যি সময়ত এই যুদ্ধ আৰম্ভ হৈছিল যুদ্ধ কৰা জাতিসমূহৰ মাজৰ যিসকল লোক বিৰোধী আৰু শত্ৰু দেশত আছিল সেইসকলৰ যি যি যাতনাত গ্ৰস্থ হ'ল আৰু যেনেধৰণৰ কঠিনতাত পৰি পলাই আহিছিল আৰু শেষত বন্দী কৰা হ'ল সেয়া এক হৃদয় বিদাৰক আখ্যান হয়। সেইসকল সংবাদ বছৰ ধৰি পৰিয়ালে পোৱা নাছিল, তেওঁলোক ক'ত কোন দেশত আছে, কি অৱস্থাত আছে। পৰ্বতক এই দৰে উৰুৱাই দিয়া হ'ল যিদৰে টিলা উৰুৱাই দিয়া হয়। ফ্ৰান্সৰ কিছু পাহাৰ যি যুদ্ধ ক্ষেত্ৰত আছিল। প্ৰায় সমতল কৰি দিয়া হয়। কিছু সময়ত এনে ৰক্তপাত হ'ল যে ক্ৰিয়াত্মক ৰূপত সেই তেজ নৈ হৈ গ'ল আৰু নৈ তেজেৰে ৰঞ্জিত হৈ পৰিল। কিছুমান লোক তাৰ দুখতে সময়ৰ আগতে বৃদ্ধ হৈ পৰিল আৰু যিদৰে কোৱা হৈছিল অধিকাংশ পাগল হৈ পৰিব সেইদৰে পাগলৰ সংখ্যা ইমান বাঢ়ি গ'ল যে 'যুদ্ধৰ পাগলামী' এক নতুন ৰোগ হিচাপে ঘোষণা কৰিব লগাত পৰিল। সহস্ৰ ব্যক্তি এই ৰোগত আক্ৰান্ত হৈ পৰিল আৰু মাহধৰি তথা বছৰলৈকে কোনো কাম কৰাৰ অযোগ্য হৈ পৰিল। যুদ্ধৰ যুদ্ধাসকল ইমান বেয়াকৈ ঘূৰি ফুৰিছিল নিজৰ চিকাৰৰ সন্ধানত। পৃথিৱীক এনেকৈ উল্টাই দিয়া হ'ল যে আজিলৈকে ফ্ৰান্স নিজৰ অনিষ্ট হোৱা স্থানক ভাল কৰিব পৰা নাই। পখীৰ ওপৰত ইয়াৰ প্ৰভাৱ পৰিল যে সেইদিনবোৰত বাতৰি প্ৰকাশ হৈছিল যে ভয়ংকৰ ধ্বনি আৰু গোলাবৰ্ষণৰ কাৰণে পখী বতাহত উৰিব ধৰে আৰু বহিব নোৱাৰে আৰু বহুতো পখী জথৰ হৈ পৃথিৱীত পৰি যায় আৰু মৰি থাকে।

এই যুদ্ধৰ চিহ্নৰ ভৱিষ্যবাণী অনুসৰি কিছু সময়ৰ আগতে প্ৰকট হৈ ৰৈ গৈছিল অৰ্থাৎ ১৯১১ চনত যেতিয়া জাৰ্মানে নিজৰ জাহাজ ‘পেন্থৰ’ ম’ৰাকো বন্দৰৰ ‘আগাদি’ৰ দিশলৈ প্ৰেৰণ কৰিছিল যাতে সেই বন্দৰটো অধিকাৰ কৰিব পাৰে। যদি ইংৰাজ সকলে তাত কঠোৰ ভাবে হস্তক্ষেপ নকৰিল হয় আৰু কিছু ইউৰোপীয়ান দূৰদৰ্শী শিক্ষাবিদে ইয়াক বুজি নুঠিল হয় সেই সময়ত তেওঁলোকৰ দেশ যুদ্ধৰ বাবে প্ৰস্তুত নহয় তেন্তে এই যুদ্ধ ১৯১৪ ৰ স্থানত ১৯১১ চনত সংঘটিত হ’ল হয়।

যেনেকৈ উল্লেখ কৰা হৈছিল যে আৰবৰ লোক সকলো এই যুদ্ধত মিত্ৰ ৰাষ্ট্ৰৰ লগত সন্মিলিত হৈ আৰু নিজৰ দেশৰ লাভৰ প্ৰতি দৃষ্টি ৰাখি তেওঁলোকে তুৰ্কীৰ পৰা বেলেগ হৈ পৰে। শেষত ভৱিষ্যবাণী অনুসৰি দৰা দাৰ্নিয়েল আৰু ইৰাকত সমস্ত যত্ন অসফল হৈ পৰে কিয়নো এই ক্ষেত্ৰ বাস্তৱত যুদ্ধ ক্ষেত্ৰ বুলি ধৰিলোৱা হৈছিল। ভৱিষ্যবাণী অনুসৰি তুৰ্কীৰ শামৰ লগত পৰাজিত হয় আৰু যুদ্ধৰ সমাপ্তি ঘটে যদিও তুৰ্কীক মুস্তাফা কামাল পাছাৰ দ্বাৰা শক্তি প্ৰাপ্ত হয় আৰু যিদৰে আগতীয়া জাননী দিয়া হৈছিল সেইদৰে হেৰুৱা শক্তি পুনৰ কিছু অংশ উভতাই পায়।

কিন্তু আটাইতকৈ অধিক ভয়াবহ অংশ এই ভৱিষ্যবাণীৰ আছিল সেয়া হ’ল ৰুছৰ জাৰৰ লগত সম্পৰ্কিত। সকলো সম্ৰাটক এৰি ৰুছৰ সম্ৰাটৰ বিষয়ে এই ভৱিষ্যবাণী কৰা হৈছিল আৰু কোৱা হৈছিল যে তেওঁৰ অৱস্থা অতি শোচনীয় হৈ পৰিব অৰ্থাৎ তেওঁ ৰাজ্যৰ পৰাই বঞ্চিত নহয় তেওঁ দুখৰো সন্মুখীন হ’ব। অৰ্থাৎ নমৰে আৰু জীৱিতও নাথাকে, অতি দুখ যন্ত্ৰণাৰ সন্মুখীন হ’ব। সেই ভৱিষ্যবাণীৰ এটা এটা শব্দ আৰু এটা এটা সংকেত কি দৰে সম্পূৰ্ণ হৈছিল? প্ৰথম তেওঁৰ ৰাজ্য কাঢ়ি লোৱা হ’ল কিন্তু তেওঁৰ প্ৰাণ ৰক্ষা কৰা হ’ল। পুনঃ এক ভয়ানক পৰিৱৰ্তন আনি হাহাকাৰ কৰাই তেওঁক হত্যা কৰা হ’ল। তেওঁৰ ছোৱালী আৰু তেওঁৰ পত্নীক তেওঁৰ সন্মুখতে মানহানি কৰা হয় যিসময়ত তেওঁ অসহায় আৰু শক্তিহীন আছিল।

যি যাতনা জাৰে ভুগিব লগা হ’ল, তাক কল্পনা কৰা মাত্ৰকে সৰ্ব শৰীৰ কঁপি উঠে। কিন্তু লগতে সেই ‘সৰ্বজ্ঞ’ পৰমেশ্বৰৰ প্ৰতি ইমান বিশ্বাস

বাঢ়ি যায় যে যি চৌধ্যশ বৰ্ষৰ আগতে এই ঘটনাৰ জাননী দিছিল তথা এই ঘটনাৰ মাজৰ পৰা এটা অংশও কল্পনা কৰিব নাযায়।

কিয় এই ঘটনা এই কথাক সিদ্ধ কৰাৰ বাবে পৰ্যাপ্ত নহয় যে ইছলামৰ পৰমেশ্বৰ সৰ্বজ্ঞ পৰমেশ্বৰ হয়। অথবা এই বুলিও ক'ব পৰা যায় ইছলাম সেই ধৰ্ম হয় যাৰ দ্বাৰা সৰ্বজ্ঞ পৰমেশ্বৰক চিনিব পৰা যায় আৰু সেই ধৰ্ম যাৰ জৰিয়তে মানুহে পৰমেশ্বৰৰ লগত সম্পৰ্ক স্থাপন কৰিব পাৰে।

পৰমেশ্বৰৰ গুণৰ ভিতৰত দ্বিতীয়টো গুণ সকলো সৰু-ডাঙৰ বাণীত আছে আৰু যাৰ সন্দৰ্ভত সকলো ধৰ্ম একমত। সেয়া হ'ল 'খল্ক' গুণ। অধিকাংশ ধৰ্মই দাবীদাৰ যে সেই পৰমেশ্বৰ যাক সিহঁতে উখাপ্ন কৰে,সেয়া সংসাৰৰ 'স্ৰষ্টা' হয়। সমস্ত মানৱ আৰু জীৱ-বস্তুক তেওঁৰে উৎপন্ন কৰিছে। একো একোটা অণুজীৱকো তেওঁৰে সৃষ্টি কৰিছে। কিন্তু সেয়া কি প্ৰমাণ যাক এই বিষয়ৰ সমৰ্থনত উপস্থাপন কৰা হ'ব? নিশ্চয় একো নাই। তেওঁৰ ঘোষণাৰ আধাৰ মাথোঁ সেই কথাত আছে যে যদি পৰমেশ্বৰ সংসাৰৰ স্ৰষ্টা নহয় তেন্তে আন কোন হয়? কিন্তু এই উক্তি এজন নাস্তিকৰ সন্মুখত বিদ্যমান। তেওঁ প্ৰকৃতিৰ নিয়মক অতি গভীৰ ভাবে পৰিচিত কিয়নো তেওঁৰ সংসাৰ আৰু তেওঁৰ ধৰ্মই কেৱল প্ৰকৃতিৰ নিয়মক অধ্যয়ন কৰাটো হয়। গভীৰ অধ্যয়ন থকাৰ পিছতো শেষত এই পৰিণামত উপনীত হয় যে এই সমস্ত প্ৰাকৃতিক কাৰ্যক্ৰমণিকা নিজেই চলি আছে তেন্তে সেইলোকসকলে নিজৰ বয়সক প্ৰকৃতিৰ নিয়মৰ অধ্যয়নত অতিবাহিত কৰি দিয়ে তাৰ পথপ্ৰদৰ্শনত কোনো লাভ অৰ্জন কৰিব নোৱাৰে তেন্তে আনলোকৰ পৰা কি লাভ কৰিব পাৰিব আৰু তাত কি বিশ্বাস কৰিব? পুনৰঃ ইয়াকো লক্ষ্য কৰিব লাগিব যে অধিকতকৈ অধিক যি কথা আমি এই প্ৰাকৃতিক নিয়মৰ পৰা ব্যক্ত হৈছো যে কোনোবা এজন পৰমেশ্বৰ এই সংসাৰৰ স্ৰষ্টা হ'ব লাগে। কিন্তু 'হ'ব লাগে' এয়া চিন্তা আৰু এই চিন্তাই আমাক বিশ্বাসৰ স্থানলৈ কেতিয়াওঁ লৈ যাব নোৱাৰে।

আমি সদায় ইয়াক দেখিবলৈ পাইছো যে এটা কথা যাৰ কাৰণ আমি জ্ঞাত নহয় তাক আমি আমাৰ বুদ্ধিৰে তাৰ এটা কাৰণ জানিবলৈ আমি এটা যত্ন কৰো কিন্তু তাৰ পিছতে আমি অৱগত হৈ পৰো যে বাস্তৱত ইয়াৰ কাৰণ

আন কিবা এটা আছে। সেই সময়ত আমাৰ কল্পনা সদায় মূল্যহীন আৰু অশুদ্ধত পৰিণত হয়। সেয়ে কিয় এয়া সম্ভৱ হ'ব নোৱাৰে যে আমি যিহেতু এতিয়ালৈকে 'তত্ত্ব' আৰু তাৰ আকাৰ তথা তাৰ গুণ আৰু তাৰ ক্ৰিয়াৰ প্ৰেৰকৰ পৰা পূৰ্ণ ৰূপত ৰচিত নহয় গতিকে ইয়াক বুজিছো যে এই সাংসাৰিক চক্ৰক চলাবলৈ প্ৰাকৃতিক বিধানৰ অতিৰিক্ত আন সূক্ষ্ম মেধাৰী সত্ত্বাও থাকি ব লাগে কিন্তু বাস্তৱত 'তত্ত্ব' কিছু বিশেষত্ব আৰু তাৰ ক্ৰিয়াৰ প্ৰেৰক এনে ধৰণৰ যাৰ কাৰণে তাৰ কোনো বাহ্যিক সত্ত্বা আৱশ্যক নহয়; তথাপি স্বয়ং সকলো কাৰ্য কৰিব পাৰে? সেয়ে যেতিয়া এনে হোৱাৰ সম্ভাৱনা বিদ্যমান হয় তেন্তে এই বিৰ্তক তথা উক্তিয়ে আমাক কেতিয়া সন্তোষ দিব পাৰিব? সেই উক্তিয়ে আমাক সন্তুষ্ট কৰিব পাৰে যি 'হ'ব লাগে'ৰ স্থানতকৈ ওপৰলৈ নি আমি 'হয়'ৰ স্থানলৈ উপনীত কৰিব পাৰো আৰু সন্দেহ আদিৰ সম্ভাৱনাক নাইকিয়া কৰি দিব পাৰো। এনে ধৰণে হ'ব পাৰে যে পৰমেশ্বৰৰ গুণ 'খল্ক' অৰ্থাৎ 'স্ৰষ্টা'ৰ গুণক নিজ চকুৰে দৰ্শন কৰি লওঁক আৰু নিজেই চাই লওঁক যে তেওঁ নিৰ্মাণ কৰে কিন্তু এনে বিশ্বাস আমাক কোনো ধৰ্মই দিবলৈ প্ৰস্তুত নহয়। হয়, মছীহ মাওউদ হজৰত মিৰ্জা গোলাম আহমদ চাহেব কাদিয়ানীয়ে এজন যি আমাক সেই বিশ্বাসৰ স্থানলৈকে নিব পাৰে আৰু অভীষ্ট ব্ৰহ্মজ্ঞানক প্ৰদান কৰিব পাৰে। আপুনি আমাক ইয়াক নকয় যে কল্পনা কৰি লোৱা কোনোবা এজন পৰমেশ্বৰ আছে আৰু তেওঁ স্ৰষ্টা হয়। তথাপি ইয়াক কয় যে আঁহক মই তোমালোকক সৃষ্টিৰ নিৰ্মাণকৰ্তা পৰমেশ্বৰক দেখুৱাই দিওঁ আৰু এই কথাৰ বিশ্বাস কৰাই দিওঁ যে প্ৰকৃতি নহয় যদিও প্ৰকৃতিক উৎপন্ন কৰোতা পৰমেশ্বৰে সৃষ্টিৰ নিৰ্মাণ কৰিছে। এনেধৰণৰ প্ৰমাণ আপুনি যি উপস্থাপন কৰিছে যদিও বহুতো আছে উদাহৰণ হিচাপে তাৰ দুই-তিনিটাক মই উপস্থাপন কৰো।

মনত ৰাখিব লাগে যে কোনো ব্যক্তি কিবা কাৰ্যৰ কাৰণ হৈ পৰাৰ সম্পূৰ্ণ প্ৰমাণ তেতিয়াহে পোৱা যায় যেতিয়া আমি তেওঁৰ শক্তিৰ দুটা প্ৰকাৰৰ নিৰ্মাণ দেখিবলৈ পাও। এটা হৈছে যে যেতিয়া তেওঁ বিচাৰে সেই কাৰ্য হৈ যায় আৰু দ্বিতীয়টো এয়া যে যেতিয়া তেওঁ নিবিচাৰে সেয়া নহয়। যদি কেৱল পক্ষৰ পৰা উৎপন্ন হয় অৰ্থাৎ যেতিয়া তেওঁ বিচাৰে তেতিয়া কাৰ্য সম্পাদন

হ'ব। তেতিয়াও আমাৰ হৃদয়ত এই সন্দেহ সৃষ্টি হ'ব পাৰে যে কদাচিত সেই কাৰ্যৰ বিচাৰক এজনতকৈ অধিক হ'ব পাৰে আৰু তেওঁলোকো এনেধৰণৰ কাম কৰিব পাৰে। সেয়ে, যেতিয়া আমি কওঁ এই কামটো অমুক গৰাকী ব্যক্তিয়ে কৰিব পাৰিব তেতিয়া আমি দুই প্ৰকাৰৰ প্ৰমাণ উপস্থাপন কৰিব লাগে। এটা এয়া হৈছে যে প্ৰমাণ কৰা যে এই কামটো কৰাৰ বাবে তেওঁৰ পূৰ্ণ অধিকাৰ আছে আৰু দ্বিতীয়টো এয়া যে যেতিয়া তেওঁ কামটো নকৰিব তেন্তে সেই কাম হ'ব নোৱাৰে। এই প্ৰমাণৰ প্ৰতি দৃষ্টি থৈ মই পৰমেশ্বৰ 'স্ৰষ্টা' হোৱাৰ প্ৰমাণত বিধি আৰু নিষেধৰ যি প্ৰমাণ হজৰত মছীহ মাওউদ মিৰ্জা গোলাম আহমদ কাদিয়ানী চাহেবে উপস্থাপন কৰিছিল, তাক উপস্থাপন কৰিছোঁ।

প্ৰথমতে এই কথাৰ প্ৰমাণ উপস্থাপন কৰো যে আপুনি কোন প্ৰকাৰৰ এনে আচৰিত তথা চিহ্ন প্ৰদৰ্শন কৰিলে যাৰ পৰা এয়া প্ৰমাণিত হৈছে যে পৰমেশ্বৰ 'স্ৰষ্টা' হয়? মই সৰ্বপ্ৰথমতে এই বিষয়ত এজন মহাশয়ক আপোনাৰ বক্তব্য যি ' ছীৰাতুল মাহদী' গ্ৰন্থত প্ৰকাশিত হৈছিল তাক উপস্থাপন কৰো। সেই ব্যক্তিৰ নাম 'আতা মহম্মদ' হয়। এই মহাশয়ে পিয়নৰ কাম কৰে। তেওঁ বৰ্ণনা কৰে।

যেতিয়া মই আহমদীয়া জামাতত সংযুক্ত হোৱা নাছিলো আৰু জিলা গুৰদাছপুৰত পিয়ন আছিলো তেতিয়া কাজী নিয়ামাতুল্লাহ বাটালৱী চাহাব যাৰ লগত মোৰ ঘনিষ্ঠতা আছিল মোক হজৰত চাহেবৰ বিষয়ে অত্যাধিক তবলীগ (প্ৰচাৰ সম্পৰ্কীয় উপদেশ দিয়া) কৰিছিল কিন্তু মই তেওঁৰ কথাত কোনো গুৰুত্ব দিয়া নাছিলো। এদিনাখন তেওঁ মোক বৰ আমনি কৰিলে। মই ক'লো বহুত ভাল মই তোমাৰ মিৰ্জালৈ একন চিঠি প্ৰেৰণ কৰি এই কথাৰ প্ৰাৰ্থনা কৰো। যদি সেই কাম হৈ যায় তেন্তে মই বুজিম যে তেওঁ সত্যত আছে।

শেষত মই হজৰত চাহেবলৈ এখন চিঠি লেখিলো যে আপুনি মছীহ মাওউদ আৰু পয়গম্বৰৰ অতি ঘনিষ্ঠ মিত্ৰ হোৱাৰ ঘোষণা কৰিছে। তথা লোকসকলকো প্ৰাৰ্থনা শ্ৰৱণ কৰা হয়, আপুনি মোৰ বাবে প্ৰাৰ্থনা কৰক যে

পৰমেশ্বৰে মোক সুন্দৰ, প্ৰতাপৱান পুত্ৰ যি পত্নীৰ পৰা মই বিচাৰো আৰু তলত লেখি দিছিলো যে মোৰ তিনিগৰাকী পত্নী আছে কিন্তু বহু বছৰ হৈ গ'ল কাৰোৰে পৰা আজিলৈকে সন্তান হোৱা নাই। মই বিচাৰিছো যে ডাঙৰ পত্নীৰ গৰ্ভৰ পৰা পুত্ৰ হওঁক ( তেওঁৰ উদ্দেশ্য এয়া আছিল যে তেওঁ ডাঙৰ পত্নী অধিক বয়সৰ আছিল গতিকে তেওঁৰ গৰ্ভৰ পৰা সন্তান হোৱাটো অতি কঠিন আছিল।) হজৰত চাহেবৰ পৰা মোলৈ মৌলৱী আব্দুল কৰীম চাহেবৰ হাতেৰে লিখা পত্ৰ আহিল ( মৌলৱী চাহেব যি আহমদীয়া সম্প্ৰদায়ৰ মুখ্য ব্যক্তিসকলৰ মাজৰ এজন আছিল। হজৰত চাহেব ডাক বিভাগৰ অফিচাৰ আছিল) যে পৰমেশ্বৰক প্ৰাৰ্থনা কৰা হৈছে আপোনাৰ প্ৰতাপৱান আৰু সুন্দৰ পুত্ৰ হ'ব যি গৰাকী পত্নীৰ পৰা আপুনি বিচাৰিছে অৰ্থাৎ আপুনি 'হজৰত জকৰিয়া'ৰ নিচিনা তৌবা কৰক অৰ্থাৎ প্ৰায়শ্চিত কৰক।

মুন্সী আতা মহম্মদৰ বক্তব্য যে মই সেইদিনবোৰত অত্যাধিক অধৰ্মী, মদপি আৰু ঘোচখোৰ আদি বহুতো বেয়া কামত মত্ত আছিলো। সেয়া যেতিয়া মই মচজিদলৈ গৈ জোনাবক সুধিলো জাকাৰিয়াৱালী 'তৌবা' কেনেকুৱা? তেতিয়া লোকসকল আচৰিত হৈ পৰিল যে এই ৰাক্ষস মচজিদলৈ কেনেকৈ আহিল কিন্তু সেই জোনাবে মোক উত্তৰ দিব নোৱাৰিলে। পুনৰ মই ধৰ্মকোটৰ মৌলৱী ফতেহউদ্দিন চাহেব আহমদীক সুধিলো। তেতিয়া তেওঁ ক'লে যে জকৰিয়াৱালা প্ৰায়শ্চিত মাথোঁ এয়া যে অধৰ্মক ত্যাগ কৰা, হালাল খোৱা, নমাজ-ৰোজাক নিয়মিত ৰূপত বিধিগত ভাবে আদায় কৰা আৰু মচজিদলৈ অধিক অহা-যোৱা কৰা। ইয়াক শুনাৰ পাছত মই তাক কৰিবলৈ আৰম্ভ কৰি দিলো মদিৰাপান আদি অভ্যাসক ত্যাগ কৰিলো। ঘোছ ত্যাগ কৰিলো তথা নামাজ আৰু ৰোজা বিধিগতভাবে সম্পূৰ্ণ কৰিব ধৰিলো।

পাঁচ মাহ অতিবাহিত হৈছিল সম্ভৱ এদিন মই ঘৰলৈ আহিলো আৰু তেতিয়া মোৰ ডাঙৰ পত্নীক কান্দি থকা দেখিলো। কাৰণ সুধিলো, তেতিয়া তাই ক'লে আগতে মই দুখ কৰিছিলো যে মোৰ সন্তান নহয়। সেই কাৰণে আপুনি মোৰ বাহিৰেও দুগৰাকী পত্নী বিয়া কৰিলে। কিন্তু এতিয়া এই দুখ আহিছে মোৰ মাহেকীয়া হ'বলৈ বন্ধ হৈ পৰিছে (সন্তান হোৱা কোনো

আশা নথকা অৱস্থা) সেই সময়ত তাইৰ ককায়েক অমৃতছৰৰ আৰক্ষী বিষয়া আছিল। শেষত তাই মোক ক'লে যে মোক মোৰ ককায়েকৰ ওচৰলৈ পঠাই দিয়া মই কিবা চিকিৎসা কৰো। মই ক'লো তালৈ কিয় যাবা। ইয়াতে ধাইক মাতি দেখুৱা আৰু তাৰ চিকিৎসা কৰা।

গতিকে তেওঁ ধাইক মাতিলে আৰু ক'লে যে মোক কিছু দৰৱ দিয়া। ধাইয়ে সাধাৰণ ভাবে চাই কলে যে মই দৰৱ নিদিওঁ। নে হাত লগাওঁ। মোৰ এনে লাগিছে যে পৰমেশ্বৰে তোমাৰ বিষয়ে পাহৰি গ'ল ( অৰ্থাৎ তুমি বাজি আছিলা কিন্তু এতিয়া তোমাৰ গৰ্ভত সন্তান থকাৰ সম্ভাৱনা দেখা গৈছে। শেষত পৰমেশ্বৰে তোমাক (পৰমেশ্বৰে ক্ষমা কৰক) ভুলতে গৰ্ভ ধাৰণ কৰালে) আৰু তেওঁ ঘৰলৈ আহি এই বুলি ক'বলৈ আৰম্ভ কৰিলে যে পৰমেশ্বৰে পাহৰি গ'ল কিন্তু মই ক'লো এনেকৈ নক'বা যদিও মই মিৰ্জা চাহেবৰ দ্বাৰা প্ৰাৰ্থনা কৰাইছিলোঁ।

পুনৰ মুন্সী চাহেবে কৈছিল যে কিছু কাল অতিবাহিত হোৱাৰ পিছতেই গৰ্ভপূৰ্ণ হোৱাৰ চিহ্ন স্পষ্ট হৈ পৰিল আৰু ওচৰ-চুবুৰীয়া সকলোকে ক'বলৈ আৰম্ভ কৰিলোঁ যে এতিয়া চাবা মোৰ পুত্ৰ জন্ম হ'ব আৰু ধুনীয়া হ'ব। কিন্তু লোকসকলে আচৰিত হৈ কৈছিল- যদি এনে হয় তেন্তে এয়া আচৰিত চমৎকাৰ হয়। এদিনাখন নিশা সময়ত পুত্ৰই জন্ম ল'লে আৰু অতি ধুনীয়া আছিল। মই সেই ধৰ্মকোটলৈ গ'লো য'ত মোৰ কিছু আত্মীয় আছিল আৰু তেওঁলোকক পুত্ৰপ্ৰাপ্তিৰ শুভসংবাদ দিলো গতিকে কেইজনমান আত্মীয়ই সেই সময়ত ভক্ত হোৱাৰ বাবে কাদিয়ানলৈ আহিল আৰু কিছুসংখ্যক নাহিল। পুনৰ ঘটনাৰ পিছৰে পৰা মই ভক্ত হৈ পৰো আৰু আনকেইজনমানেও আহমদীয়া জামাতত যুক্ত হৈ পৰিল। নৱজাত শিশুৰ নাম আব্দুল হক থোৱা হ'ল। মুন্সী চাহেবৰ বক্তব্য হ'ল মোৰ বিবাহৰ বাৰ বছৰৰ অধিক হৈ পৰিছিল কিন্তু কোনো সন্তান নাছিল।

এই ঘটনা যেনেকৈ স্পষ্ট আৰু তেনেকৈ দুপৰীয়াৰ সূৰ্যৰ দৰে আছিল। ইয়াৰ পৰা প্ৰমাণিত হয় যে আমাৰ পৰমেশ্বৰ এক জীৱিত পৰমেশ্বৰ হয় আৰু তেওঁ স্ৰষ্টা হয়। যদি কোনো পৰমেশ্বৰ নাই তেন্তে কেনেকৈ এনেধৰণৰ ব্যক্তিৰ

যি বাজী আছিল, যিজনে তিনিগৰাকী পত্নীক বাৰ বছৰ সময়ত সন্তানৰ সুখ দিব পৰা নাছিল। কিন্তু মিৰ্জা চাহেবৰ প্ৰাৰ্থনাৰ পৰা সন্তান হ'ল আৰু চৰ্তৰ দ্বাৰা হ'ল যি চৰ্ত সেইজনে দিছিল অৰ্থাৎ সেই গৰাকী নাৰীৰ সন্তান হ'ল যি গৰাকী অধিক বয়সৰ আছিল আৰু ল'ৰাও হ'ল, ধুনীয়াও হ'ল। যদি কোনো পৰমেশ্বৰ নাই আৰু সেয়া স্পষ্ট নহয় তেন্তে হজৰত মছীহ মাওউদৰ প্ৰাৰ্থনাৰ পৰা এইসকলোবোৰ কেনেকৈ হ'ল ? এই চিহ্নৰ মহত্ব, গভীৰতা আৰু মহানতা অধিক বাঢ়ি যায় যেতিয়া আমি দেখো যে প্ৰশ্ন কৰোতাক সময়ৰ আগতে লেখি দিয়া হৈছে যে তেওঁৰ অভীষ্ট চৰ্তৰ সৈতে তেওঁৰ তাত সন্তান জন্ম হ'ব।

ইয়াৰ বাহিৰেও এই ঘটনাৰ মহানতা সেই প্ৰভাৱৰ পৰাও বিদিত হৈছে যে যি সেই লোকসকলৰ হৈছিল যি তাক দেখিছিল। সেই প্ৰভাৱ সেই সময়ত পৰিল যি সময়ত সেই ঘটনা হৈছিল। এই ঘটনাৰ প্ৰভাৱ যেনেকৈ লিখা হৈছে যে সেই 'বশ্য' হৈ পৰিল অৰ্থাৎ সেই ব্যক্তিয়ে হজৰত মছীহ মওউদৰ শিষ্য হৈ পৰিল আৰু তেওঁৰ আন অধিকাংশ পৰিয়াল সেই সময়তে নিশা উঠি 'বশ্য' হ'বলৈ কাদিয়ানলৈ আহিল আৰু সেই গাঁৱখন আন লোকসকলো শিষ্য হৈ পৰিল। সেই ব্যক্তি তথা সেই বালক আৰু অধিকাংশ লোক যি এই ঘটনাক দেখিছিল এতিয়াও পৰমেশ্বৰৰ কৃপাত জীৱিত আছে। যি ব্যক্তিয়ে অনুসন্ধান কৰিব বিচাৰে তেওঁ সুধিব পাৰে।

এই ঘটনাৰ দৰে আৰু বহুকেইটা ঘটনা আছে যে সন্তানহীনে আপোনাৰ প্ৰাৰ্থনাৰ দ্বাৰা সন্তান লাভ কৰে। সেয়ে মই ভাবিছো যে এনে ধৰণৰ উদাহৰণ এয়াই যথেষ্ট হ'ব নতুবা বাস্তৱত হজৰত মছীহ মাওউদ (আঃ)ৰ পৰা যিসকলে সন্তান বিচাৰিছিল ল'ৰা বিচৰাই ল'ৰা অথবা ছোৱালী ভৱিষ্যবাণী অনুসৰি হৈছিল। আন বহুতো ব্যক্তিয়ে আপোনাৰ প্ৰাৰ্থনাৰ দ্বাৰা সন্তান লাভ কৰিছিল।

সন্তানৰ বিষয়ত যি পৰমেশ্বৰৰ সৃষ্টিত এক বিশ্বাসযোগ্য আৰু নিশ্চিত সাক্ষী হৈছে— মই সৃষ্টিৰ প্ৰকাৰৰ আন এক চমৎকাৰ আপোনালোকক উপস্থাপন কৰিছোঁ। এই চমৎকাৰ এনেদৰে ঘটিল যে আপুনি সপোনত দেখিলে যে আপুনি কিছু নিয়তিৰ কথা যি সংসাৰৰ  পুণ্য আৰু পাপৰ লগত সম্পৰ্কিত

আৰু আপোনাৰ তথা আপোনাৰ বন্ধুসকলৰ সম্পৰ্কিত আছিল লিখিলে আৰু ইচ্ছা প্ৰকাশ কৰিলে যে পৰমেশ্বৰে এই কথাক এনেদৰে প্ৰদৰ্শন কৰক। পুনৰ পৰমেশ্বৰক সাক্ষাত দেখিলে আৰু সেই কাগজ তেওঁৰ সন্মুখত থৈ দিলে যাতে তেওঁ তাত স্বাক্ষৰ কৰি দিয়ে। পৰমেশ্বৰে তাত ৰঙা চিয়াহিৰে স্বাক্ষৰ কৰিলে। স্বাক্ষৰ কৰা সময়ত লিখা নখটোত ৰঙা চিঁয়াহি অধিক লাগিছিল সেয়া পতাকা আৰু সৰু বস্তুত পৰিছিল। সেই সময়ত এই চিন্তাত যে পৰমেশ্বৰে মোৰ কথাক শুনি তাত স্বাক্ষৰ কৰি দিলে। আপোনাৰ চকুত পানী আহিল। তথা আপুনি জাগি উঠিল। সেই সময়ত এজন ব্যক্তি মিঞা আব্দুল্লাহ চাহেব যি আপোনাৰ ভৰি পিতিকি আছিল আপোনাক আপোনাৰ সামগ্ৰীত ৰঙা চিন দেখুৱালে যিটো ৰঙা নতুন চিঁয়াহিৰ আছিল আৰু সুধিলে— মই এই ৰঙা চিয়াঁহি যিটো এতিয়া সতেজ হৈ আছে কিয়নো মই এক বিন্দু লগাই চালো তেতিয়া সেয়া বিস্তাৰিত হৈ পৰা দেখিছিল, এয়া কি কথা? আপুনি কিবা দেখিলে? এইখিনিতে হজৰত মছীহ মাওউদে 'কাশফ' শুনালে।

এই চিয়াঁহি স্পৰ্শ কৰোতে আপোনাৰ কূৰ্তাতি তথা মৌলৱী আব্দুল্লাহ চাহেব গিৰ দাৰৰ ৰাজত্ব পাটিয়ালা যি সেই সময়ত আপোনাৰ ভৰি পিটিকি আছিল তেওঁৰ টুপিটো পৰিছিল। শেষত সেই চিনৰ স্মৃতিত মৌলৱী আব্দুল্লাহ চাহেবে সেই কাপোৰ যোৰ হজৰত মছীহ মাওউদ (আঃ)ৰ পৰা লৈ যায় যাতে সেই চিহ্ন স্মৃতিৰূপত থাকে আৰু আপুনি এই চৰ্তত কাপোৰ যোৰ দিলে যে আপোনাৰ মৃত্যুৰ সময়ত তাক আপোনাৰ লগতে দফন কৰিব লাগিব, চুক্তি কৰা হওঁক যাতে ইয়াৰ পিছত তাৰ কোনো পূজা আৰম্ভ কৰা নহয় আৰু পৰমেশ্বৰৰ বাহিৰে আন কোনো বস্তুৰে উপাসনা আৰম্ভ নহওঁক। মই মৌলানা আব্দুল্লাহ চাহেবক সুধিলো যি পৰমেশ্বৰৰ কৃপাত এতিয়াওঁ জীয়াই আছে। মই সুধিছিলো চিয়াঁহি আদি পৰি যোৱাৰ তাত কোনো স্পষ্টৰূপত সম্ভাৱনা আছিল নেকি কিন্তু তেওঁৰ উত্তৰ আছিল যে সেই কোঠাৰ ছটখনো পৰিষ্কাৰ আছিল... আৰু মই এই চিন্তাৰে কৈছিলো যে জেঠিয়ে কেনেবাকৈ নেগুৰ কামুৰি তাত তেজৰ বিন্দু পেলোৱা নাইতো। সেই সময়ত দেখিছিলো। কিন্তু মোৰ তেনে কোনো চিহ্ন প্ৰত্যক্ষ নহ'ল। ছট খনো সঠিক আছিল আৰু এনে

ধৰণৰ কোনো কথা নাছিল। লগতে তেওঁ ইয়াকো কৈছিল যে সেই কোঠাত আন কোনো বস্তুও নাছিল। কোনো চিয়াঁহি দোৱাত বা আন কোনো বস্তু। মৌলৱী আব্দুল্লাহ চাহেব যেনেকৈ মই বৰ্ণনা কৰিছো এতিয়াও জীৱিত আছে আৰু সেই কাপোৰযোৰ যাক তেওঁ এতিয়াও সযত্নেৰে থৈছে আৰু শপত খাই সেই ঘটনাৰ সাক্ষী দিয়ে।

মনত ৰাখিব লাগে যে আমি কেতিয়াও ইয়াক বিশ্বাস কৰিব নালাগে পৰমেশ্বৰ সগুণ হয় অৰ্থাৎ বাস্তৱত ৰূপত কোনো আকাৰ আছে অথবা এনে নহয় যে তেওঁ স্বাক্ষৰ কৰে অথবা লিখে আৰু চিয়াঁহিৰ প্ৰয়োগ কৰে অথবা এয়া যে কাপোৰতো ছিটিকনি পৰিছিল বাস্তৱত সেই চিয়াঁহি এক ধাৰণা আছিল যি পৰমেশ্বৰে দাঙি ধৰিছিল গতিকে মই প্ৰথমতে উল্লেখ কৰিছোঁ যে পৰমেশ্বৰ নিৰাকাৰ আৰু তুলনাবিহীন বুলি মানি অহা হৈছে। উপমাৰ পৰা তেওঁ পৱিত্ৰ। আমাৰ বিশ্বাস যিবোৰ আপুনি দেখিলে সেয়া 'কাশফ' আছিল। পৰমেশ্বৰৰ ৰূপ যি প্ৰদৰ্শন কৰা হ'ল সেয়া সাংকেতিক ভাষা আছিল মই সেই সন্দৰ্ভত মূৰ্ত ৰূপত আছিলো যি পৰমেশ্বৰে আপোনাৰ প্ৰতি আছিল আৰু স্বাক্ষৰ আদিৰো তাৎপৰ্য এয়াই আছিল যে আপোনাৰ উদ্দেশ্য আৰু ইচ্ছাক পৰমেশ্বৰে পূৰ্ণ কৰিব আৰু যি চিয়াঁহি আপোনাৰ কাপোৰত পৰিছিল যদিও সেয়া ব্যক্তিৰ ওপৰতো পৰিল যি আপোনাৰ ওচৰত বহি আছিল সেয়াও বাস্তৱত পৰমেশ্বৰৰ কলমৰ চিয়াঁহি নাছিল কিয়নো পৰমেশ্বৰে কোনো লেখনিৰ প্ৰয়োগ কৰে বা চিয়াঁহিৰ, সেয়ে সেই ৰং পৰমেশ্বৰে নিজৰ নিৰ্মাণ কৰাৰ বিশেষত্বৰ লগতে বাহ্যিক ৰূপত সৃষ্টি কৰি পেলাইছিল যাতে আপোনাৰ বাবেও আৰু আনৰ বাবেও এক চমৎকাৰ আৰু চিহ্ন হওঁক আৰু পৰমেশ্বৰৰ সৃষ্টি ৰচনাৰ বিশেষত্বৰ ওপৰত বিশ্বাস কৰিব পৰা যায় আৰু মানুহে ভাৱক পৰমেশ্বৰে ভৌতিক সামগ্ৰীৰ অবিহনে সামগ্ৰী নিৰ্মাণ সৃষ্টি কৰিব পাৰে। তেওঁৰ এই নিৰ্মাণৰ বিশেষত্ব তথা 'স্ৰষ্টা' গুণ আজিও সেইদৰে কাম কৰি আছে আৰু কৰিব পাৰে যেনেকৈ সৃষ্টিৰ আদিতে কাম কৰিব পাৰিছিল।

এতিয়া মই আপোনালোকৰ সন্মুখত সৃষ্টিৰ এনে এক চমৎকাৰক উপস্থাপন কৰিছোঁ যাক ইয়াত অৱগত হ'ব পাৰি যে যিদৰে পৰমেশ্বৰে সৃষ্টি

ৰচনা কৰিছিল সেইদৰে তেওঁ এই আদেশ দি দিয়ক যে অমুকটো কথা নহ'লে সেয়া হ'ব নোৱাৰে। য'ৰ পৰা অৱগত হয় যে স্ৰষ্টাৰ বিশেষত্ব পূৰ্ণ ৰূপত পৰমেশ্বৰতে উপলব্ধি হয় আৰু তেওঁৰ বাহিৰে আন কোনো বিশেষত্ব সন্মিলিত নহয় কিয়নো যদি ঈশ্বৰৰ ভাগো তাত ভাগ হ'ল হয় তেন্তে পৰমেশ্বৰে এই নিৰ্ণয় কৰোতে অমুক কাৰ্য হ'ব নালাগে আৰু সেই সত্ত্বাৰ দ্বাৰা সেই কাৰ্য হ'ব নালাগে বুলি উল্লেখ কৰিলে হয়।

এই সংক্ষিপ্ত ঘটনাৰ বিষয় এইধৰণৰ হয় যে আপোনাৰ এজন শত্ৰুৰ নাম ছাদুল্লা আছিল যি লুধিয়ানাৰ মিছন স্কুলৰ অধ্যাপক আছিল। তেওঁ কথাত অতি কঠোৰ আছিল। সদায় আপোনাৰ বিৰুদ্ধে কবিতা আৰু লেখনি প্ৰকাশ কৰি আহিছিল আৰু তাত এনে ঘৃণীত অপশব্দই ভৰপূৰ আছিল যে মই বুজি নেপাওঁ যে সেই সৎব্যক্তিয়ে সেই শব্দবোৰ কেতিয়াবা কল্পনাও কৰিব পাৰে। হজৰত মছীহ মাওউদ (আঃ)য়ে নিজেই তেওঁৰ বিষয়ত কৈছে যে কেতিয়াও কোনো ব্যক্তিয়ে কোনো নৱীক ইমান অপশব্দ প্ৰয়োগ কৰা নাছিল সম্ভৱ যিমান সেই ব্যক্তিজনে মোৰ বিষয়ে অপশব্দ প্ৰয়োগ কৰিছিল। এই গালিবিলাকৰ লগতে সেই ব্যক্তিজনে ইয়াকো প্ৰকাশ কৰিছিল যে মিৰ্জা চাহেব মিছলীয়া হয় এনে কথা কোৱাৰ পৰা পৰমাত্মাই আমাক ৰক্ষা কৰক। সেয়ে তেওঁ নষ্ট হৈ পৰিব তথা তেওঁ নিজৰ সন্তানসকলৰ বিষয়ত যি সংবাদ আৰু ভৱিষ্যবাণী প্ৰকাশ কৰিছে সেয়াও পূৰ্ণ নহ'ব তথা অসফল হ'ব। যেতিয়া সেই ব্যক্তিৰ গালিয়ে সীমা অতিক্ৰম কৰিলে তথা বহুতৰ বাবে পথভ্ৰষ্টতাৰ কাৰণ হৈ পৰিল তেতিয়া হজৰত মছীহ মাওউদ (পৰমাত্মই আপোনাৰ ওপৰত কৃপা বৰ্ষণ কৰক) য়ে পৰমেশ্বৰৰ পৰা প্ৰাৰ্থনা কৰিলে যে পৰমেশ্বৰে এই ব্যক্তিৰ কাৰণে কোনো চমৎকাৰ প্ৰকট কৰক।

শেষত পৰমেশ্বৰে আপোনাৰ প্ৰাৰ্থনা শুনিলে। কিয়নো এই ব্যক্তিজন পৰমেশ্বৰৰ সৎপথৰ পৰা আঁতৰ হৈ পৰিছিল আৰু নিজেই পৰমেশ্বৰৰ বদান্যতাৰ দুৱাৰ বন্ধ কৰি দিছিল। পৰমাত্মাই নিৰ্ণয় কৰিলে যে এওঁক সেইখন তৰোৱালেৰে মৰা হ'ব যিখন তেওঁ হজৰত মছীহ মাওউদ (আঃ)ৰ বিৰুদ্ধে চলাইছিল। সেই পৰমেশ্বৰে আপোনাক ঐশ্বৰিক বাণী কৰিল যে-

(108:4) اِنَّ شَانِئَكَ هُوَ الْاَبْتَرُ ۝٤

অৰ্থাৎ ঃ তোমাৰ শত্ৰু যি তোমাৰ বিষয়ে কয় যে তোমাৰ সন্তান সমাপ্ত হৈ পৰিব তেওঁৰ সন্তান সমাপ্ত হ'ব আৰু তেওঁ সন্তানহীন হৈ পৰিব।

এতিয়া এয়া আচৰিত কথা যে সেই ঐশ্বৰিক বাণী আপোনাৰ হ'ল, যিহেতু সেই সময়ত ব্যক্তিগৰাকীৰ তাত এজন ল'ৰা আগৰে পৰা আছিল যাৰ বয়স প্ৰায় চৈধ্য বছৰ আছিল আৰু সেই মৌলৱীজনো যুৱক আছিল আৰু সন্তানৰ ক্ৰম ভৱিষ্যতলৈ সমাপ্ত হোৱাৰ কোনো কাৰণ নাছিল কিন্তু যি স্ৰষ্টা হয় তেওঁ ঐশ্বৰিক বাণীৰ পিছত সেই ব্যক্তিৰ পৰা নিজৰ নিৰ্মাণ কৰাৰ বিশেষত্বৰ ছত্ৰছায়া আঁতৰাই ল'লে আৰু তেওঁৰ বয়স কম হোৱাৰ পিছতো সন্তানৰ ক্ৰম সমাপ্ত হৈ গ'ল আৰু তথাপি তেওঁ লেই ভৱিষ্যবাণীৰ পিছত চৈধ্য বছৰলৈকে জীৱিত থাকিল কিন্তু তেওঁৰ তাত সন্তান নহ'ল। তথা শেষ জানুৱাৰী চন ১৯০৭ চনত এই ভৱিষ্যবাণীক সত্য প্ৰমাণিত কৰি মৃত্যুক আকোৱালী ল'লে।

এই চমৎকাৰ এই সীমালৈকে থকা হ'লে কোনো ডাঙৰ কথা নাছিল প্ৰমাণ পৰমেশ্বৰ স্ৰষ্টা হোৱাৰ বিষয়ে আছিল কিন্তু পৰমেশ্বৰে এই চমৎকাৰক ইয়াতকৈ অধিক বঢ়ালে। সেয়া এনে ধৰণৰ যে হজৰত মছীহ মাওউদৰ শত্ৰুৱে ইয়াক দেখিলে যে আপোনাৰ চিহ্ন (চমৎকাৰ) প্ৰকট হ'ব, সেয়ে এফালে চিঞৰ-বাখৰ কৰিবলৈ আৰম্ভ কৰিলে যে মিৰ্জা চাহেবে যে কৈছিল যে ছাদুল্লাহ নিঃসন্তান থাকিব। কিন্তু তেওঁৰ যে এজন ল'ৰা আছে। আনহাতে সেই ল'ৰাটোৰ বিবাহৰ কাৰণে প্ৰচেষ্টা আৰম্ভ কৰিছিল যাতে তেওঁৰ সন্তান জন্ম হয় আৰু মিৰ্জা চাহাবৰ ওপৰত মিছাৰ অভিযোগ উত্থাপন কৰিব পৰা যায়। হজৰত মছীহ মাওউদে এই আক্ষেপৰ উত্তৰ নিজৰ গ্ৰন্থ হাকীকাতুল ওহীত লেখিছে যে এই ল'ৰাটো ভৱিষ্যবাণীৰ আগৰে পৰা বিদ্যমান আছিল। গতিকে এই ল'ৰাটো ভৱিষ্যবাণীৰ বিৰোধ হ'ব নোৱাৰে, হয়, যদি তেওঁৰ সন্তান হৈ যায় তেন্তে নিঃসন্দেহে আক্ষেপ কৰিব পৰা যায়। কিন্তু ইয়াক মনত ৰাখা যে তেওঁৰ তাত সন্তান নহ'ব আৰু ছাদুল্লাৰ সন্তানৰ পৰম্পৰা অৱশ্যে বন্ধ হৈ পৰিব। গতিকে শেষত ইয়াকে হ'ল অৰ্থাৎ যদিও মৌলৱী ছাদুল্লাৰ পুত্ৰক বিবাহ কৰাই দিয়া হৈছিল যে কেনেবাকৈ তেওঁৰে সন্তান হওঁক কিন্তু তেওঁৰো

আজিলৈকে কোনো সন্তান নহ'ল।

এজন যুৱ পুৰুষৰ বিষয়ত এনেকৈ লিখাতো যে তেওঁৰ সন্তান নহ'ব এটা ইমান ডাঙৰ সমস্যা যে মানুহৰ হৃদয়ে তাক কল্পনা কৰিওঁ কঁপি উঠিব। সেয়ে আপুনি নিজৰ কিতাপত ইয়াক লেখিলে যদিও আপোনাৰ এজন দীক্ষিত শিষ্য যি অধিবক্তা আছিল আৰু যাৰ বিশ্বাস তথা ঈমান আধ্যাত্মিক দৃষ্টিৰ নিম্নতাৰ কাৰণে শিথিল আছিল আৰু আপোনাৰ স্বৰ্গগামীতাৰ পাছতেই সেইদৰে পথভ্ৰষ্ট হৈ পৰিল যিদৰে হজৰত ঈছা মছীহৰ কিছু অনুগামীয়ে পথভ্ৰষ্ট হৈ পৰিছিল,তেওঁলোকে ইয়াৰ ওপৰত অত্যাধিক অভিযোগ কৰিলে যে এনেকৈ আপুনি কিয় লিখে? যদি তেওঁৰ সন্তান জন্ম হয় তেন্তে বৰ কঠিনতা আহি পৰিব আৰু লোকসকলৰ মাজত অপযশ বিয়পি পৰিব আৰু শত্ৰুৱে তেতিয়া কোনো অভিযোগ উত্থাপন কৰে যদি কিন্তু আপুনি তাৰ এই উত্তৰ দিলে যে যি পৰমেশ্বৰে মোক কৈছে মই তাৰ পৰা কেনেকৈ মুখ ঘূৰাব পাৰো আৰু তাত সন্দেহ কৰিব পাৰো। তোমাৰ এই অভিযোগ তোমাৰ ঈমান আৰু বিশ্বাসৰ নিম্নতাৰ পৰিণামৰ বাহিৰে আৰু আন একো নহয়। শেষতঃ সেয়াই হ'ল।

এতিয়া চাওঁক বালক যদি বাল্য অৱস্থাতে মৃত্যুৰ মুখত পৰে তেন্তে কোনোবাই কয় দিলে যে এয়া এক সত্য ঘটনা হৈ গ'ল কিন্তু ভৱিষ্যবাণীৰ পিছতেই প্ৰথমতে পিতাকৰ পোন্ধৰ বছৰলৈকে সন্তানোপত্তিৰ ক্ৰম অৱৰুদ্ধ থাকে আৰু পুনৰ যি পুত্ৰ বিদ্যমান আছিল তাৰো দুবাৰ বিয়া কৰোৱা হ'ল কিন্তু সন্তান তাৰো জন্ম নহ'ল। যদি 'সৃষ্টিকৰ্তা' পৰমেশ্বৰে এই নিৰ্ণয় নকৰিলে হয় শত্ৰুৰ মুখতো তেওঁৰে অপশব্দই মৰা হয় আৰু দুষ্টকো তাৰ দুষ্টতাৰ কাৰণে দণ্ড দিলে যেতিয়া এয়া কিদৰে সম্ভৱ হৈছিল। এই চমৎকাৰ দেখি তথা অমানুহেও আঁতৰত থাকি নিৰপেক্ষ দৃষ্টিৰে চিন্তা কৰাত কোন হয় যি ইয়াক ক'ব পাৰে যে ইছলামৰ পৰমেশ্বৰ এনেধৰণৰ 'সৃষ্টিকৰ্তা' নহয় যেনেকৈ তেওঁ সৃষ্টিৰ আদিত আছিল? কিয়নো কিয় এনেধৰণৰ নহ'ল যে তেওঁ কৈছিল যে অমুকৰ সন্তান হওঁক আৰু তেওঁৰ সন্তান হৈ গ'ল আৰু তেওঁ ক'লে অমুকৰ সন্তান নহওঁক তাৰ সন্তান নহ'ল। সেয়ে কোন হয় যি এই চমৎকাৰক

দেখি সতেজ ঈমান তথা দৃঢ় বিশ্বাস প্ৰাপ্ত নহয় আৰু তেওঁৰ হৃদয় দৃঢ় নিশ্চিত আৰু শুদ্ধবিচাৰধাৰাৰে প্লাবিত নহ'ব ? তথা সেয়া ' কোনো স্ৰষ্টা হ'ব লাগিব'ৰ সন্দেহ আৰু ভ্ৰমৰ স্থানত উচ্চত 'সংসাৰৰ এজন স্ৰষ্টা হয়' দৃঢ় নিশ্চিত আৰু অটল বিশ্বাস তথা সন্তোষৰ স্থানলৈকে যাব নোৱাৰে। পৰমেশ্বৰ পৱিত্ৰ হয় আৰু শ্ৰেষ্ঠ সৃষ্টি ৰচোতা হয়।

এতিয়া মই পৰমেশ্বৰৰ তৃতীয় বিশেষত্বক গ্ৰহণ কৰিছো, উক্ত বিশেষকত্ব সমূহৰ তুলনাত এয়া এক প্ৰসিদ্ধ বিশেষত্ব আৰু সৰু-ডাঙৰ সকলো এই বিশেষত্বৰে পৰিচিত অৰ্থাৎ ৰোগৰ পৰা মুক্ত কৰি পুনৰ আৰোগ্য প্ৰদান কৰা বিশেষত্ব। সৰ্বসাধাৰণৰ এই বিশেষত্বৰ প্ৰতি অত্যাধিক বিশ্বাস দেখা যায়। কিছু সংখ্যক ধৰ্মানুগামীৰ অভিমত হ'লযে তেওঁ এই গুণৰ দৃষ্টান্তও দাঙি ধৰিব পাৰিছিল। সেয়ে, গৰিষ্ঠ সংখ্যক জনসমাজে প্ৰাৰ্থনাৰ দ্বাৰা ৰোগৰ নিৰাময় কৰাৰ ওপৰত গুৰুত্ব দিয়া দেখা যায়। কিন্তু সেইজন লোক যি সচেতন ভাৱে আগবাঢ়ে- তেওঁ বুজিব পাৰে যে এই কামকোনো প্ৰাৰ্থনা আৰু পৰমেশ্বৰৰ বিশেষ নিৰ্ণয়ৰ সম্পৰ্ক নহয় কিয়নো এনেধৰণৰ নিৰাময়ে কোনো বিশেষ ধৰ্মৰ লোকৰ লগত সম্বন্ধ নাৰাখে। তথাপি কিছুমান লোকে এনেধৰণৰ নিৰাময় বিচাৰি জীৱনদান দিব বিচাৰে। হিন্দু আৰু ইহুদী ধৰ্মতো আৰু জৰতিশতিয়ো আছে। সেয়ে এই বিষয়ে কোনো ধৰ্মৰ সত্যতাক কেনেকৈ প্ৰমাণ কৰিব পাৰে? লগতে কেনেধৰণে পৰমেশ্বৰৰ সম্বন্ধৰ চমৎকাৰ বুলি ভাবিব পৰা যায়?

দ্বিতীয়তে এয়া যে যদি সেয়া পৰমেশ্বৰৰ লগত সম্পৰ্কৰ পৰিচয় হয় তেন্তে আমাৰ সেই ব্যক্তিসকলক প্ৰশ্ন কৰাৰ অধিকাৰ আছে যে কি কাৰণত কেৱল 'ৰোগৰ পৰা মুক্ত কৰি স্বাস্থ্য প্ৰদান কৰা বিশেষত্বক তেওঁলোকৰ প্ৰাৰ্থনাত দ্ৰবিত হৈ পৰিছে আৰু ৰোগক নিৰাময় প্ৰদান কৰে কিন্তু পৰমেশ্বৰৰ বাকী বিশেষত্ববোৰ তেওঁলোকৰ প্ৰাৰ্থনাৰ মাজত দ্ৰৱিত নহয়নেকি? নহয় স্ৰষ্টা শক্তি, নহয় সৰ্বজ্ঞ, নহয় জীৱন দান কৰাৰ শক্তি, নহয় ৰক্ষা শক্তি নহয় আন গুণ। যিসকল লোক পৰমেশ্বৰৰ গুণ প্ৰকাশিত হোৱাটো সদায় অস্বীকাৰ কৰি আহিছে তেওঁ এই বুলি উত্তৰ দিব পাৰে যে পৰমেশ্বৰৰ বিশেষত্ব তেওঁৰ

শক্তিৰ দ্বাৰা প্ৰকাশিত নহয় কিন্তু যি ব্যক্তিয়ে এই গুণৰ সন্দৰ্ভত ঘোষণা কৰে যে মোৰ প্ৰাৰ্থনা আৰু ধ্যানৰ মাজেৰে তেওঁ প্ৰকাশিত হয় তেওঁৰ বাবে আৱশ্যক এয়া যে তেওঁ এই প্ৰশ্নৰো উত্তৰ দিয়ক যে তেন্তে বাকী গুণক পৰমেশ্বৰে কিয় প্ৰদৰ্শন নকৰে ?

প্ৰকৃততে কথা হ'ল যে প্ৰাৰ্থনা আৰু তেওঁলোকৰ স্বীকাৰোক্তিৰ বাহিৰেও মানুহৰ ভিতৰত পৰমেশ্বৰে এক স্বাভাৱিক প্ৰবৃত্তি থৈছে যে তেওঁ ধ্যান দিয়াৰ গুপ্ত প্ৰভাৱ আন মানুহৰ ওপৰত পৰে আৰু তেওঁৰ চিন্তা-ধাৰাৰ তৰংগই সেই আন ব্যক্তিৰ ভিতৰলৈ প্ৰৱেশ কৰি তেওঁৰ মনোজগতত নিজকে নিয়ন্ত্ৰণ কৰি লয় আৰু তেওঁৰ চিন্তাক নিজৰ চিন্তাৰ দৰে কৰি লয়। যেতিয়া ‘মামুল' (যাৰ ওপৰত প্ৰভাৱ পেলোৱা হয়)ৰ চিন্তাধাৰা ‘আমিল' (চিন্তাৰ প্ৰভাৱ পেলোৱা ব্যক্তি)ৰ চিন্তাধাৰাৰ মতে হৈ পৰে তেন্তে পুনৰ সেই চিন্তাধাৰাৰ আধাৰত তেওঁৰ ভিতৰত এক শুভ বা অশুভ পৰিৱৰ্তন হ'বলৈ আৰম্ভ কৰে আৰু আমিলে মামুলৰ ভিতৰত প্ৰকাশ কৰিবলৈ বিচাৰে। কিন্তু এই প্ৰভাৱ কিছু ক্ষণলৈকে সীমিত। উদাহৰণস্বৰূপে— এয়া হৈ পৰিব যে এজন ব্যক্তিৰ ধ্যানৰ বলত কোনোবা ব্যক্তিৰ জ্বৰ নাইকিয়া হৈ পৰে অথবা চকুৰ লালিমা আঁতৰ হৈ যায় অথবা বাকী যন্ত্ৰণা আঁতৰ হৈ পৰে কিন্তু এয়া নহ'ব যে উপদংশ, কুষ্ঠ অথবা ক্ষয়ৰোগ আদি ৰোগ ভাল হৈ যাব।

এই শক্তি অভ্যাস কৰিলে পৰ্যাপ্তৰূপত বৃদ্ধি হয়। তাৰ এই চৰ্ত হ'ব নোৱাৰে যে আৱশ্যকীয় নিয়মানুসৰি হাত মোহাৰি দিলে অথবা নিৰ্দেশ কৰিলে এনে পৰিণাম প্ৰকাশ হ'ব। বাস্তৱিক কথা হ'ল ধ্যানৰ স্থিৰতা হয়। যদি ধ্যানৰ স্থিৰতা আৰু অনুভূতিৰ কেন্দ্ৰীয়কৰণ কোনো বিশেষ কথাৰ বিষয় হৈ পৰে লাগে সেয়া প্ৰাৰ্থনাৰ ৰূপতে হওঁক, তাৰ প্ৰভাৱ পৰি যায়। প্ৰতিজন ব্যক্তিয়ে এই দিশলৈ ধ্যান দিয়ক, অলপ যত্নত তাত উন্নতি কৰিব পাৰে কিন্তু যি ৰোগে মদিৰা আৰু গাহৰিৰ প্ৰয়োগ নকৰে অতি শীঘ্ৰে এই বিদ্যাত দক্ষ হৈ পৰিব পাৰে কিন্তু এই বিদ্যাত মানুহে যিমানেই উন্নতি নকৰক তাক আধ্যাত্মিকতাৰ উন্নতি বুলি ক'ব পৰা নাযায় বা পৰমেশ্বৰৰ অলৌকিতাৰ চমৎকাৰ ক'ব। হয়, ইয়াক ক'ম যে অমুক ব্যক্তিয়ে পৰমেশ্বৰে সৃষ্টি কৰা প্ৰকৃতিৰ নিয়মৰ লাভ

উঠাব।

সংক্ষেপত আজিকালি যি লোকে ৰোগীক ৰোগৰ পৰা নিৰাময় কৰি সুস্থ কৰাৰ এনেধৰণৰ যাদুক দেখাই তেওঁ কদাপি পৰমেশ্বৰৰ চিহ্ন আৰু চমৎকাৰ বুলি ক'ব পৰা নাযায় আৰু কোনো ধৰ্মৰ বিশেষত্ব বুলি ক'ব পৰা নাযায়। কিন্তু পৰমেশ্বৰে উক্ত অৰ্থাৎ স্বাস্থ্য প্ৰদান কৰাৰ যি শক্তিৰ চিহ্ন প্ৰমাণৰ ৰূপত হজৰত মছীহ মাওউদক দেখুৱাইছিল সেয়া নিঃসন্দেহে এনেধৰণৰ আছিল যে তাত প্ৰমাণিত হয় যে পৰমেশ্বৰ আছে আৰু তেওঁ চমৎকাৰ উপস্থাপন কৰে।

যেতিয়া আপোনাৰ সম্প্ৰদায়ৰ উন্নতি আৰম্ভ হ'ল তেতিয়া আহিব লগা প্ৰজন্মই আহমদীয়তৰ চিন্তাক ৰঙীন কৰিবলৈ আৰু তেওঁলোকৰ মাজত ধৰ্মীয় ভাৱনাক জগাই তুলিবলৈ হজৰত মছীহ মাওউদৰ কাদিয়ানত এখন হাইস্কুল নিজৰ সংস্থাৰ ফালৰ পৰা আৰম্ভ কৰিলে। এই স্কুলনৈ আহমদীয়া সম্প্ৰদায়ৰ শিক্ষাৰ্থী বহু দূৰ দূৰণিৰ প্ৰান্তৰ পৰা আহে যাতে সংসাৰৰ শিক্ষাৰ লগতে ধৰ্মীয় শিক্ষা লাভ কৰিব পাৰে। এই শিক্ষাৰ্থীসকলৰ মাজত যিসকল বহু দূৰ দুৰণিৰ পৰা আহিছিল সেইসকলৰ মাজত আব্দুল কৰীম নামৰ এজন ছাত্ৰ আছিল যি হায়দৰাবাদ সাম্ৰাজ্যৰ (দক্ষিণ)ৰ এখন গাঁৱৰ নিৱাসী আছিল। সেই ছাত্ৰজনক  পাগল কুকুৰে কামুৰিলে আৰু তাৰ নিৰাময়ৰ বাবে কছ'লীলৈ পঠাই দিয়া হ'ল পিটাৰ ইনষ্টিটিউটৰ এটা শাখা আছিল।  ছাত্ৰজনে ভাল হোৱাৰ পিছত উভতি আহিল আৰু লগতে  ভাবি লোৱা হ'ল যে তেওঁ বিপদৰ পৰা মুক্ত হৈ পৰিল কিন্তু কাদিয়ানলৈ অহাৰ পিছতেই পগলা কুকুৰে কামোৰাৰ সংক্ৰমণ আৰম্ভ হ'বলৈ ধৰিলে আৰু অতি কষ্টদায়ক যন্ত্ৰণাত ভুগিব ধৰিলে যিটো এই ৰোগৰ লক্ষণ। ডিঙিৰ কৰ্ষণ তথা অধিক ভয় কৰা, টোপনিৰ পৰা সাৰপাই যোৱা, পাগল হৈ পৰাৰ বাবে তেওঁৰ ওচৰলৈ যোৱা সকলক মাৰধৰ কৰাৰ লগতে কামুৰিবলৈ বিচাৰিছিল তাৰ পিছতেই তেওঁ ইমান আত্মগ্লানিত ভুগিব ধৰিলে যে কাষলৈ অহা সকলক কৈছিল যে শিক্ষানুষ্ঠান এৰি যাৱগৈ যাতে তেওঁ কাকো কোনো ক্ষতি কৰিব নোৱাৰে। তেওঁৰ অৱস্থা অতি শোচনীয় হৈ পৰিল তেতিয়া বিদ্যালয়ৰ প্ৰধান শিক্ষকে পুনৰ চিকিৎসালয়লৈ খবৰ দিলে

তাৰ কাৰণে কিবা কৰিব পৰা যায় নেকি ? কিন্তু ইয়াৰ উত্তৰ আহিল এইদৰে— Sorry nothing can be done for Abdul Karim "অৰ্থাৎ দুষিত আব্দুল কৰিমৰ বাবে একো কৰিব পৰা নাযায়।"

ছাত্ৰজন দূৰৰ পৰা আহিছিল আৰু যিটো অঞ্চলৰ ছাত্ৰ আছিল তাত শিক্ষাৰ অতি কম প্ৰচলন আছিল আৰু ইয়াক বদি উঠা হৈছিল যে ছাত্ৰজনৰ যদি মৃত্যু হয় তেন্তে সেই অঞ্চলটোত ইয়াৰ বেয়া প্ৰভাৱ পৰিব। আপোনাৰ হৃদয়ত সেই ছাত্ৰজনৰ বাবে প্ৰাৰ্থনা কৰাৰ ভাৱনা জাগ্ৰত হ'ল আৰু আপুনি ছাত্ৰজনৰ বাবে প্ৰাৰ্থনা কৰিলে। শেষত পৰমেশ্বৰে আপোনাৰ প্ৰাৰ্থনা শুনিলে। যিজন ছাত্ৰকলৈ এই বুলি ভৱা হৈছিল যে কেইঘণ্টাৰ ভিতৰতে মৃত্যু হ'ব আৰু যাৰ দৈহিক অৱস্থা অতি ভয়ানক ৰূপ ধাৰণ কৰিছিল। দেখা গ'ল যে খোদায়ে আপোনাৰ প্ৰাৰ্থনাৰ জৰিয়তে ভাল কৰি দিলে। যি বৈদ্য শাস্ত্ৰত পৰিচিত তেওঁ অৱগত যে পগলা কুকুৰে কামুৰা ৰোগীৰ সংক্ৰমণ হ'লে তাৰ কোনো নিৰাময়ৰ উপায় নাথাকে আৰু অৱশ্যে মৃত্যুৰ মুখত পৰে। তথা আজিলৈকে এনে ঘটনা সংঘটিত হোৱা নাই যে এনে ৰোগৰ ৰোগীয়ে আৰোগ্য লাভ কৰিছে। শেষত যেতিয়া ল'ৰাজনৰ আৰোগ্য হোৱাৰ খবৰ চিকিৎসালয়ে লাভ কৰিলে তেতিয়া তাৰ এজন ব্যক্তিয়ে চিঠি লেখিছিল— " অতি দুখৰ বিষয় যে আব্দুল কৰিম যাক পগলা কুকুৰে কামুৰিছিল তাৰ প্ৰভাৱ গুৰুতৰ হৈ পৰিছিল কিন্তু এই কথা শুনাৰ পিছতেই অতি আনন্দ অনুভৱ হ'ল যে তেওঁ প্ৰাৰ্থনাৰ দ্বাৰা সুস্থ হৈ পৰিল। এনে অৱস্থাত আৰোগ্য লাভ কৰাটো প্ৰায় অসম্ভৱ।'

এই ৰোগৰ পৰা সুস্থ হোৱাটো সেই ৰূপ যাক বাস্তৱিক সুস্থ কৰা বুলি ক'ব পৰা যায় আৰু যি এই বিষয়ৰ প্ৰভাৱত পৰে যে পৰমেশ্বৰৰ স্বাস্থ্য প্ৰদান কৰাৰ শক্তি আছে আৰু সেই লোকসকলে এনেদৰে সুস্থ কৰাৰ উদাহৰণ দাঙি দৰে আৰু তেওঁলোকৰ ইয়াক কোৱাৰ অধিকাৰ থাকে যে তেওঁ পৰমেশ্বৰক নিশ্চিত আৰু বাস্তৱিক ৰূপত সংসাৰৰ সন্মুখত উপস্থাপন কৰিছে।

নিষ্কলংক অৱতাৰ হজৰত মিৰ্জা গোলাম আহমদ চাহেব কাদিয়ানীয়ে আৰু বহুতো চমৎকাৰে এই বিশেষত্বক প্ৰদৰ্শন কৰিবলৈ দাঙি ধৰিছিল কিন্তু

ইয়াত সকলো বৰ্ণনা কৰিব পৰা নাযাব। হয়, এই নিৱন্ধ অপূৰ্ণ হৈ থাকিব যদি মই সেই প্ৰত্যাহ্বানক উল্লেখ নকৰো যি আপুনি পাদুৰীসকলক কৰিছিল। আপুনি তাত লেখিছিল যে আপোনালোক প্ৰথমতে ঈছা মছীহৰ অনুগামী হয় যি চমৎকাৰ দেখুৱাইছিল আৰু আপোনালোকে আপোনালোকৰ উত্তৰাধিকাৰী ঘোষিত কৰে আৰু মই আমাৰ পয়গম্বৰ ইছলাম হজৰত মহম্মদ চাহেবৰ উত্তৰাধিকাৰী ঘোষণা কৰিছো। সেয়ে মই আপোনালোকক প্ৰত্যাহ্বান জনাইছো যে আপোনালোকে মোৰ লগত প্ৰাৰ্থনাত এইদৰে তুলনা কৰক যে কিছুমান ভয়ানক ৰোগ যি সাধাৰণতে ভাল হোৱাৰ যোগ্য নাভাবে সেইবিলাকলৈ পৰস্পৰে সমান সংখ্যাত ভাগ কৰি লোৱা হওঁক পুনঃ যি ৰোগী মোৰ পক্ষত আহিব তেওঁলোকৰ বাবে মই প্ৰাৰ্থনা কৰিম আৰু যিসকল আপোনালোকৰ পক্ষত আহিব তেওঁলোকৰ কাৰণে আপোনালোকে প্ৰাৰ্থনা কৰিব। তেতিয়া দেখা যাব পৰমেশ্বৰে কাৰ পক্ষৰ ৰোগীক আৰোগ্য কৰিছে? কিন্তু পৰিতাপৰ বিষয় পাদুৰীসকলে এই প্ৰত্যাহ্বান গ্ৰহণ কৰিব নোৱাৰিলে।

পৰমেশ্বৰৰ বিশেষত্ববিলাকৰ ভিতৰত এটা বিশেষ বিশেষত্ব হ'ল— তেওঁ 'কুদুছ' অৰ্থাৎ পৱিত্ৰ হয়। এই বিশেষত্বৰ সন্দৰ্ভত সকলো ধৰ্ম প্ৰায় একমত। কিন্তু কোনোৱে মোক ইয়াক ক'ব পৰা নাই যে পৰমেশ্বৰৰ সন্দৰ্ভত কেনেকৈ অৱগত হ'লযে তেওঁ পৱিত্ৰ হয়। প্ৰথম যিটো বিশেষত্ব উল্লেখ কৰা হৈছিল সেইটো হ'ল সন্ধিগ্ধ। তাৰ আমি কিদৰে অনুমান কৰিব পাৰো যে তেওঁ 'কুদুছ' (পৱিত্ৰ) হয়? যদি এই কথাষাৰক দৃষ্টি দিয়া নহয় আৰু এই বিশেষত্বক স্থায়ী ৰূপৰ পৰা পৃথককৈ স্বীকাৰ কৰা হয় তেতিয়াওঁ তাৰ কোনো প্ৰমাণ আমি পাব নোৱাৰো। এই বিশেষত্বৰ প্ৰমাণ মাথোঁ এটাই হ'ব পাৰে আৰু সেয়া হ'ল যে কোনো এনে লোক হওঁক যি পৰমেশ্বৰৰ সহচাৰ্য প্ৰাপ্ত কৰোঁতা আৰু সেই বাৰ্তাৰ শুভ পদৱী প্ৰাপ্ত কৰোঁতা, পুনৰ তেওঁ অস্তিত্বত 'কুদুছিয়ত' (পৱিত্ৰতা)ৰ বিশেষত্ব বিৰাজিত হোৱা দেখক আৰু যদি সেয়া নহয় তেন্তে আনহাতে পৰমেশ্বৰৰ সেই বিশেষত্ব পৱিত্ৰতাৰে সন্দিগ্ধ থকা আৰু আনহাতে এই কথাকো অস্বীকাৰ কৰিব লগা হয় যে পৰমেশ্বৰৰ কেতিয়াও কোনোৱে সহচৰ্য প্ৰাপ্ত হোৱা নাই কিয়নো যেতিয়া আমি দেখিবলৈ পাওঁ যে

এজোপা গোলাপৰ ফুল অলপ সময় কাপোৰৰ লগতে থাকিলে গোটেই কাপোৰখিনিক সুগন্ধিয়ে সুগন্ধিত কৰিতোলে আৰু সুগন্ধিত মানুহৰ ওচৰত অলপ সময় কোনোবা বহি পৰে যদি তেওঁৰ পৰাও সুগন্ধিৰ তৰংগ প্ৰৱাহিত হয়। তেন্তে আমি কেনেকৈ অস্বীকাৰ কৰিব পাৰো যে এজন ব্যক্তি পৰমেশ্বৰৰ সহচৰ হ'ল কিন্তু পৰমেশ্বৰৰ পৰা একো লাভ নকৰিলে? তথা তেওঁ সেই সুগন্ধিৰ পৰা বাস্তৱত সকলো গুণৰ খনি হয় অৰ্থাৎ 'কুদ্দুছিয়ত' (পৱিত্ৰতা) সদায় ৰিক্ত আৰু বৰ্জিত হৈ আহিছে? কিয়নো এই জ্ঞান সদায় বিপৰীত হয়। গতিকে সেইজন ব্যক্তিয়ে পৰমেশ্বৰৰ সহচৰ আৰু ওচৰৰ বুলি বুজিব পৰা যায় আৰু সেইজনৰ দ্বাৰা পৰমেশ্বৰৰ 'কুদ্দুছিয়ত' (পৱিত্ৰতা)ৰ প্ৰমাণ পাব পৰা হয় যি পৰমেশ্বৰৰ পৱিত্ৰতা প্ৰাপ্ত হৈ নিজেই পৱিত্ৰ হৈ পৰে আৰু নিজৰ পুণ্য আৰু হৃদয়ৰ শুদ্ধতাৰ কাৰণে সংসাৰৰ বাবে আদৰ্শ হৈ পৰে।

হজৰত মছীহ মাওউদৰ জীৱনক যেতিয়া আমি লক্ষ্য কৰো তেতিয়া অৱগত হ'ব পৰা যায় যে আপুনি সেই বিশেষত্ববোৰক প্ৰমাণ কৰাসকলৰ ভিতৰত হয়। আপুনি আপোনাৰে সত্ত্বাৰে পৰমেশ্বৰৰ বিশেষত্ব, পৱিত্ৰতাৰ কেন্দ্ৰবিন্দু হিচাপে প্ৰমাণিত কৰিছিল। ইয়াত কোনো সন্দেহ নাই যে মানুহৰ ওপৰত এই বিশেষত্বৰ প্ৰতিবিম্ব এনেধৰণে প্ৰতিফলিত হ'ব পাৰে যি মানবীয় অৱস্থাৰ অনুকুল হয় অন্যথা পৰমেশ্বৰ হৈ পৰে, যাৰ জ্ঞানে কেতিয়াও স্বীকাৰ কৰিব নোৱাৰে কিন্তু মানৱতা অনুসৰি সেয়া প্ৰতিবিম্বিত হোৱাটো তেওঁৰ স্তৰ আৰু তেওঁৰ মৰ্যাদাক লাঘৱ নকৰে তথাপি নিজৰ উদ্দেশ্যক অৰ্থাৎ পৰমেশ্বৰীয় গুণৰ পূৰ্ণ ৰূপ প্ৰমাণিত কৰাৰ কাৰ্যক ভাল বুলি ক'ব পৰা যায়।

হজৰত মছীহ মাওউদে এই বিশেষত্বকো যেনেকৈ মই উল্লেখ কৰিছোঁ আপুনি নিজৰ অস্তিত্বত তাক প্ৰতিফলিত কৰিলে। আমি দেখিছো যে ডাঙৰতকৈ ডাঙৰ শত্ৰুৱেও এই কথাক স্বীকাৰ কৰে যে আপোনাৰ মাজত কোনো দোষ নাছিল। এই স্থানত এটা সূক্ষ্ম তত্ত্বক মনত ৰখাটো যোগ্য যে অৱতাৰ যেতিয়া সংসাৰলৈ আহে তেতিয়া ধৰ্মৰ বিৰোধিতাৰ কাৰণে তেওঁৰ ওপৰত নানা প্ৰকাৰৰ অভিযোগ উত্থাপন কৰা হয় কিয়নো অমানুহে,মানুহক

অন্ধ আৰু বধিৰ কৰি তোলে আৰু গুণকো দোষণীয় কৰি প্ৰকাশ কৰে। সেয়ে অৱতাৰৰ জীৱনক আকোৱালী লওঁতে সদায় তেওঁৰ ঘোষণাৰ আগৰ জীৱনক ল'ব লাগে কিয়নো ইয়াৰ পৰা লোকসকলৰ মাজত তেওঁৰ কোনো বিশেষ শত্ৰুতা হ'ব নোৱাৰে আৰু অমানুহৰ চকুৰ পৰা সদায় আঁতৰত থাকিব। সেয়ে সেই জীৱন তেওঁৰ কুদ্দুছিয়ত আৰু পৱিত্ৰতাৰ মাপদণ্ড হয়।

হজৰত ঈছা মছীহ যি পৰমেশ্বৰৰ অৱতাৰ সকলৰ মাজৰ আছিল আৰু সেই শ্ৰেণীৰে এজন ব্যক্তি আছিল য'ত হজৰত মছীহ নিষ্কলংক অৱতাৰ হয়। আপোনাৰ জীৱনটো এনে আৱশ্যকতা আছিল যে অতি শুদ্ধ আৰু পৱিত্ৰ। ইমানলৈকে যে আপুনি আপোনাৰ শত্ৰুসকলক প্ৰত্যাহ্বান জনাইছিল— "কোন আছে আপোনালোকৰ মাজত মোৰ ওপৰত ত্ৰুটি প্ৰমাণিত কৰিব পাৰে।" (ইউহন্না অধ্যায় ৮ আয়াত ৪৬) কিন্তু এই ঘোষণা প্ৰথমৰ জীৱনৰ সন্দৰ্ভত হ'ব পাৰে অন্যথা অৱতাৰ ঘোষণা কৰাৰ পিছৰ জীৱনত মানুহে অমানবীয় তথা বৈৰীভাৱত অন্ধ হৈ আপোনাৰ ওপৰত ভুল মাথোঁ ভুল অভিযোগ উত্থাপন কৰি গ'ল। সেয়ে নিজেই হজৰত ঈছা মছীহে উল্লেখ কৰিছে—

" আদমৰ পুতেক খাই বয় আহিল। কিন্তু কয়, চোৱা আৰু খোৱা মদপি মানুহ, কৰিলোৱা নিজকে পাপীসকলৰ মুখীয়া।" ( মতী অধ্যায়১১ আয়াত ১৯)

হজৰত ঈছা মছীহ এনেধৰণৰ নাছিল তথাপি বৈৰীভাৱ তথা অমানবীয়তাৰ কাৰণে সেই বিৰোধীসকলৰ চকুৰ পতা বন্ধ হৈ পৰিছিল।

যুগাৱতাৰ হজৰত মিৰ্জা গোলাম আহমদ চাহেবৰ জীৱনটো কুদ্দুছিয়ত আৰু পৱিত্ৰতাৰ এক উপযুক্ত উদাহৰণ আছিল। অৱতাৰ ঘোষণাৰ আগৰ জীৱনৰ বিষয়ত আপোনাৰ কঠোৰতকৈ কঠোৰ শত্ৰুৰ সাক্ষী আছে যে তেওঁলোকক কোনো ধৰণৰ দোষ দিব পৰা নাযায়। সেয়ে মৌলৱী মহম্মদ হুচেইন বাটালৱী যি আপোনাৰ অৱতাৰবাদ ঘোষণা কৰাৰ পিছতেই আটাইতকৈ ডাঙৰ শত্ৰু হৈ পৰিছিল, তেওঁ আপোনাৰ জীৱনৰ সন্দৰ্ভত নিজৰ বাতৰি কাকত ' ইশায়তুতছুন্নাহ'ত লিখিছিল—

" বৰাহীনে আহমদীয়া ( এয়া যুগাৱতাৰ হজৰত মছীহ মাওউদ চাহেব

কাদিয়ানীৰ এখন সুন্দৰ কিতাপ আছিল, যি আপোনাৰ মছীহ হোৱাৰ ঘোষণাৰ আগতে লেখিছিল) লেখকে ইছলামক মন-বচন-কৰ্মৰ দ্বাৰা সেৱা আৰু তন-মন-ধন তথা লেখনীৰ দ্বাৰা তেওঁৰ সহায়ত এনে দৃঢ়তা প্ৰতিপন্ন হ'ল যে যাৰ উপমাৰ আগতে মুছলমানসকলৰ মাজত কম পোৱা যায়।"

এই মতৰ মাজৰ পৰা ' মনৃবচন-কৰ্মৰ দ্বাৰা সেৱা'ৰ বাকা ফাঁকি বিচাৰ্যৰ বিষয়। তেওঁৰ এই অৰ্থ হয় যে মহান চৰিত আৰু আচৰণৰ যি উচ্চাদৰ্শ আপুনি প্ৰতিস্থাপন কৰিছে সেয়া এনেধৰণৰ যে তাক দেখি লোকসকলৰ ইছলামৰ দিশে প্ৰেৰণা জাগ্ৰত হয় আৰু সেয়া এনে সম্পূৰ্ণদৰ্শা হয় যে আগতে ইছলামৰ মাজত তাৰ উদাহৰণ বহুতো কম পোৱা যায়।

সকলো ধৰ্মৰ অনুগামীসকলে পূৰ্বপুৰুষৰ মান-প্ৰতিষ্ঠা কৰিবলৈ আৰু তেওঁলোকৰ স্তৱক বঢ়াই দেখোৱাৰ বাবে যিমান ভাৱনা আছে তাৰ দৃষ্টিত ৰাখি এই কথা ভালদৰে বুজিব পৰা যায় যে এজন মৌলৱীৰ কাৰণে লিখাটো কিমান কঠিন হ'ব যে অমুক ব্যক্তিয়ে প্ৰাচীন মুছলমানতকৈ ( পুণ্য আৰু ইছলামৰ সেৱাত) আগবাঢ়িছে। এই মৌলৱী চাহাবৰ সাক্ষী এই কাৰণে অধিক গুৰুত্বপূৰ্ণ যে আপুনি কাদিয়ানৰ ওচৰৰ (বাটালা)ৰ নিৱাসী আছিল আৰু সৰুৰেপৰা আপোনাৰ পিচিত আছিল তথা পৰস্পৰে সদায় লগ পাই আহিছিল।

এয়া অতি কট্টৰ বহু ডাঙৰ বিৰোধীৰ লিখিত অভিমত হয়। এই মতৰ বাহিৰেও প্ৰতিগৰাকী ব্যক্তি আপোনাৰ পৰিচিত আছিল তেওঁলোকে নিজৰ পুণ্য কৰ্মক স্বীকাৰ কৰিছিল। কাদিয়ানত হিন্দু, আৰ্য, শিখ তথা আন মুছলমান যি আহমদীয়া নাছিল বিভিন্নধৰ্মৰ লোকে বসবাস কৰিছিল। কাদিয়ানৰ দ্বাৰা বাটালাত খ্ৰীষ্টানসকলৰ এটা বহু ডাঙৰ কেন্দ্ৰ আছে, ইয়াৰ সকলো লোক আপোনাৰ মহান বিৰোধী আছিল তথাপি যিমান শত্ৰুতা এই লোকসকলৰ আছিল আনকোনোৰ কেতিয়াওঁ নাছিল কিয়নো 'নৱী' অৰ্থাৎ অৱতাৰ আপোনাৰ প্ৰান্তত তথা আপোনাৰ নগৰত প্ৰতিষ্ঠাৰ দৃষ্টিৰে চোৱা হোৱা নাছিল কিন্তু এই শত্ৰুতা হোৱাৰ পিছতো সকলো লোকে স্বীকাৰ কৰিছিল যে সৰুকালৰে পৰা কেন্দ্ৰ কৰি শেষ বয়সলৈকে আপোনাৰ পুণ্য ব্যৱহাৰ আৰু ধৰ্মনিষ্ঠা এনেধৰণৰ নাছিল যে তাত কিবা দোষ লগাব পৰা যায়। আপোনাৰ

সত্যানিষ্ঠাৰ প্ৰতি মানুহৰ ইমান বিশ্বাস আছিল যে আপোনাৰ পৰিয়ালৰ লগত যিসকল লোকৰ অসামৰিক অভিযোগ আছিল যদিও সেইসকলে বুজিছিল যে তেওঁলোক সত্যত আছে যদি এই অভিমত আপুনি দিয়ক যে কিছুমান লোকে আপোনাক ক'ব সেয়া তেওঁলোকৰ স্বীকাৰ হ'ব কিয়নো তেওঁলোকে জানিছিল যে আপুনি ( অৰ্থাৎ হজৰত মিৰ্জা গোলাম আহমদ চাহেব) কেতিয়াওঁ সত্য বিৰুদ্ধে কথা নকয় লাগে তাত আপোনাৰ অথবা আপোনাৰ আত্মীয়ৰ যিমানেই ক্ষতি নহওঁক কিয় ?

এবাৰ আপোনাৰ ওপৰত এটা অভিযোগ ডাকঘৰৰ পৰা কৰা হ'ল য'ত অৰ্থদণ্ডৰ লগতে বন্দী কৰাৰ দণ্ড দুয়োটা হ'ব পাৰে। কিয়নো সেই সময়ত ডাকঘৰৰ নিয়মৰ উলংঘা অধিক হৈছিল। ডাকঘৰৰ লোকসকলে বিচাৰিছিল যে দুই-এজন লোকক দণ্ড দিয়া হওঁক যাতে ভৱিষ্যতে লোকসকলে সাৱধানতাৰে কাম কৰিব সেই কাৰণে ডাকঘৰৰ বিষয়াই নিজেই অভিযোগত উপস্থিত হৈছিল আৰু সম্পূৰ্ণৰূপে কৈছিল যে আপোনাক শাস্তি দিয়া হওঁক। এই অভিযোগৰ আধাৰ কেৱল সেই ব্যক্তিৰ সাক্ষীৰ ওপৰত আছিল যি আপোনাৰ প্ৰেৰণ কৰা পেকেটটো খুলিছিল য'ত এখন চিঠি আছিল আৰু চিঠিৰ পেকেট প্ৰেৰণ কৰা ডাকঘৰৰ নিয়ম অনুসৰি অপৰাধ আছিল। উকীলে ক'লে ইয়াৰ পৰা বাচিবলৈ মাত্ৰ এটা পথ আছে যে আপুনি ক'ব লাগিব সেই চিঠিখন মই বেলেগকৈ প্ৰেৰণ কৰিছিলো। যাৰ নামত পেকেটটো প্ৰেৰণ কৰা হৈছিল ব্যক্তিজন পাদুৰী আছিল আৰু আপোনাৰ লগত তৰ্ক কৰিছিল তথা এক প্ৰকাৰে আপোনাৰ প্ৰতি শত্ৰুতা আছিল, আপুনি ইয়াক কোৱাটো নিশ্চয় স্বীকাৰৰ যোগ্য আছিল কিন্তু আপুনি স্পষ্টকৈ অস্বীকাৰ কৰিছিল যে মই মিছা কেনেকৈ ক'ব পাৰো ? এয়া সত্য যে মই চিঠি প্ৰেৰণ কৰিছিলো কিন্তু মই এই বুলি ভাৱি পেকেটত দিছিলোঁ যে এয়া সেই বিষয়টোৰে এক অংশ আছিল। এই কথাৰ বিচাৰপতিৰ ওপৰত গভীৰ প্ৰভাৱ পৰিছিল তথা ডাকঘৰৰ বিষয়াই কোৱাৰ পিছতো আপুনি নিৰ্দোষী বুলি ঘোষণা কৰিলে আৰু ক'লে যে এই ব্যক্তিজন বন্দী হোৱাৰ বিপদৰ মাজত আছে আৰু বাণী এটা বাক্যক নিজে নিজেই সুৰক্ষিত কৰিব পাৰে কিন্তু কোনোধৰণে মানি নল'লে আৰু মিছাকৈ

নক'লে। তেওঁক কেতিয়াওঁ শাস্তি দিব নোৱাৰি।

মোৰ আটাইতকৈ বৃদ্ধ ব্যক্তিজনৰ সাক্ষী ৰুচিকৰ যেন লাগিছিল। এইলোকজন এজন শিখ আছিল যি আপোনাক সৰুৰেপৰা চিনি পায়। তেওঁ আপোনাৰ কথা কওঁতে কান্দি পৰিছিল আৰু কৈছিল যে মই কেতিয়াবা যদি তেওঁৰ ওচৰলৈ গৈ বহিলো হয় তেওঁ মোক ক'লে যে যোৱা দেউতাক অনুৰোধ কৰা যে মোক পৰমেশ্বৰ আৰু ধৰ্মৰ সেৱা কৰিবলৈ দিয়া তথা সাংসাৰিক কাৰ্যৰ পৰা মুক্ত থোৱা আৰু ক্ষমা কৰা। পুনৰ সেই ব্যক্তিয়ে ইয়াক উল্লেখ কৰি কান্দি দিছিল যে ' তেওঁ যে জন্মৰেপৰা সন্ত আছিল।"

এজন আন এটা ধৰ্মৰ ব্যক্তি যি আপোনাৰ জীৱনৰ সকলো কেইটা যুগ দেখিছিল আৰু আপোনাৰ ৰহস্যৰ সম্পূৰ্ণৰূপে পৰিচিত আছিল তেওঁৰ এই সাক্ষ্য কোনো সাধাৰণ সাক্ষ্য নাছিল ইমানতে মাথোঁ সমাপ্তি নহয় তথাপি প্ৰতিজন ব্যক্তি যি যিমান আপোনাক অধিকভাবে জানিছিল আপোনাৰ চৰিত্ৰ আৰু আপোনাৰ ধৰ্মনিষ্ঠা তথা মানৱ সমাজৰ প্ৰতি আপোনাৰ সহানুভূতিক প্ৰশংসা কৰিছিল। এই মানদণ্ড মহান চৰিত্ৰ হয় যি নিজৰ আৰু আনৰ যিকোনো ব্যক্তিৰ সমগ্ৰ জীৱনৰ চিনাকিক সত্যতাৰে তথা পৱিত্ৰতাৰে প্ৰশংসা কৰে।

আপুনি নিজেই আপোনাৰ বিৰোধীসকলক ঈছা মচীহৰ দৰে প্ৰত্যাহ্বান জনাইছিল, কিন্তু কোনো সন্মুখলৈ নাহিল—

" মই ছল্লিশ বছৰে তোমালোকৰ মাজতে আছো আৰু ইমান দীঘলীয়া সময়ে মোক দেখি আহিছা যে মোৰ কামত কোনো ছলনা আৰু মিছাৰ স্থান নাই আৰু পৰমেশ্বৰে মোক অপৱিত্ৰতাৰ জীৱনৰে পৰা মোক সুৰক্ষিত কৰি ৰাখিছে তেন্তে যি ব্যক্তিয়ে দীঘলীয়া সময়ে তথা ছল্লিশ বছৰলৈকে প্ৰতিটো অসত্য, উত্তাপ, প্ৰবঞ্চ তথা ভ্ৰষ্টাচাৰ আৰু অপৱিত্ৰতাৰ পৰা সুৰক্ষিত আছো তথা কেতিয়াও মানৱ সমাজক অসত্য কোৱা নাই তেন্তে এয়া কেনেকৈ সম্ভৱ যে নিজৰ পুৰণা স্বভাৱৰ বিপৰীতে এতিয়া পৰমেশ্বৰৰ বিষয়ে মিছাকৈ কম।"

( তৰিয়াকুল কুলুব পৃঃ ১৫৫ এডিশন ২০০৮ পৃষ্ঠা )

পুনৰ কৈছে—

' কোনো তোমালোকৰ পৰা যি মোৰ জীৱনকলৈ কু আলোচনা কৰিব পাৰে?

সেয়ে এয়া পৰমেশ্বৰৰ কৃপা হয় যে তেওঁ আৰম্ভণীৰে পৰা মোক সত্য আৰু নিষ্ঠাত স্থিৰ কৰিলে।’

(তাজকিৰাতুত শ্বাহাদাতাইন, পৃঃ৬২)

এই সাক্ষ্য আৰু ঘটনাবোৰৰ পৰা স্পষ্ট হৈ পৰে যে আপোনাৰ জীৱন কেৱল দোষৰ পৰাই পৱিত্ৰ আছিল এনে নহয় আপুনি হৃদয় আৰু মনৰে পৰা শুদ্ধ তথা এনে ধৰ্মনিষ্ঠাৰ প্ৰাপক আছিল যে আপোনাৰ শত্ৰুৱে লাগিলে আপোনাক অৱতাৰ ঘোষণা কৰাৰ বাবে দোষী সাব্যস্ত কৰক কিন্তু আপুনি নিজৰ পৱিত্ৰতা, ধৰ্মনিষ্ঠাৰ সম্পৰ্কত মুক্তকণ্ঠে সাক্ষ্য দিছিল। বিৰোধীৰ এই সাক্ষ্যত পৰমেশ্বৰৰ মহান কৃপা আছে। সেয়ে আপোনাৰ অস্তিত্ব পৰমেশ্বৰৰ ‘পৱিত্ৰতাৰ’ বিশেষকত্ব প্ৰকাশ হৈছিল। আপোনাৰ অৱস্থা দেখি ইয়াক বিশ্বাস হ’ল যে যিজন পৰমেশ্বৰৰ এইজন দাস হয় যাৰ বাল্যৱস্থাৰ পৰা কেন্দ্ৰ কৰি শেষলৈকে কোনো পাপ নাই কৰা। চৰিত্ৰ অথবা আধ্যাত্মিকতা সম্বন্ধত কোনো ভুল নাই হোৱা উপযুক্ত মহান চৰিত্ৰ তথা ধৰ্মনিষ্ঠাৰ সজীৱ ৰূপ সংসাৰৰ সন্মুখত দাঙি ধৰিলে। তেওঁ নিজেই কিমান পৱিত্ৰ হয়। “পৰমেশ্বৰ পৱিত্ৰ হয় আৰু তেওঁতকৈ অধিক উচ্চ যি বৰ্ণনা কৰে।”

এক বিশেষত্ব যে পৰমেশ্বৰৰ ‘মুহী’য়ে অৰ্থাৎ তেওঁৰ মৃতকক জীৱিত কৰাৰো শক্তি আছে ইঞ্জিলত এনেধৰণৰ চমৎকাৰৰ ওপৰত অত্যাধিক গুৰুত্ব দিছিল যে হজৰত ঈছা মছিয়ে বহুতো মৃতকক জীৱন দান কৰিছিল। কিন্তু আজি কোন আছে যি মৃতকক জীৱন দান দিব পাৰে? পুৰণি আখ্যানবোৰে আমাক সন্তুষ্ট কৰিব নোৱাৰে। আমি এই বিশেষত্বত তেতিয়া বিশ্বাস কৰিম যেতিয়া তাৰ কিবা প্ৰমাণ এই পৃথিৱীত দেখিব পোৱা যায়। নিষ্কলংক অৱতাৰ হজৰত মছীহ মাওউদে এই শক্তিৰ সন্দৰ্ভত ক্ৰিয়াত্মক প্ৰভাৱ উপস্থাপন কৰি আমাৰ বিশ্বাসক উদীপ্ত আৰু দৃঢ় কৰি তুলিছিল।

মই কোনো চমৎকাৰ উদাহৰণ প্ৰকাশ কৰাৰ আগতে উপস্থাপন কৰিব বিচাৰিছো, প্ৰথমতে মই ইয়াক উল্লেখ কৰিব বিচাৰিছো যে পৰমেশ্বৰৰ গুণ দুই প্ৰকাৰৰ হয়। এক প্ৰকাৰৰ গুণ সেয়া যে যাৰ এই জগতত নিজৰ পূৰ্ণ শক্তিৰে প্ৰতিফলিত হোৱাটো আন কিছুমান গুণৰ বিৰোধ হৈ পৰে। সেয়ে

এনে গুণক পৰমেশ্বৰে এনে ৰূপত প্ৰকাশ নকৰে যি ৰূপত সেয়া মৃত্যুৰ পিছৰ জীৱনত প্ৰকাশ কৰিব। মৃতকক জীৱিত কৰাৰ শক্তি সেই শক্তিও তাৰ মাজত আছে। যদি বাস্তৱিক ৰূপত মৃতক জীৱিত হৈ সংসাৰলৈ উভতি আহিব ধৰে তেতিয়া ইমান আৰু বিশ্বাসৰ কোনো লাভ নহ'ব। কিয়নো বিশ্বাস তেতিয়া লাভজনক হৈ পৰে যেতিয়ালৈকে কিছু গুপ্ত ৰহস্য থাকে। যেতিয়া সেয়া দেখি থকা বস্তুৰ সমানে প্ৰদৰ্শন হ'বলৈ ধৰে তেতিয়া কোনো লাভ নহয়। কোন হয় যিজনে এনে ব্যক্তিক পুৰস্কাৰ প্ৰদান কৰিব যি সাগৰক সাগৰ আৰু সূৰ্য বুলি বুজি উঠে, যি সূক্ষ্ম ৰহস্যক সন্ধান কৰে তেওঁ পুৰস্কাৰৰ যোগ্য হৈ পৰে। সেয়ে, প্ৰকৃততে মৃতক শৰীৰ সংসাৰলৈ উভতাই অনা নহয়। হয়, মৃতকক জীৱিত কৰাৰ চমৎকাৰ দুই প্ৰকাৰে উৎপন্ন হয়। নহ'লে সেয়া আধ্যাত্মিক মৃতকক জীৱন প্ৰদান কৰি অথবা ৰোগীক জীৱিত কৰি যাৰ প্ৰাণৰ অৱস্থা অতি ভয়াবহ তথা অতি শোচনীয় হৈ পৰিছে অথবা এক প্ৰকাৰে মৃত্যু হোৱাৰ দৰে কিন্তু বাস্তৱত মৃত্যু হোৱা নাই। যেনেকৈ হজৰত ঈছা মছীহ সেই গৰাকী মহিলাৰ বিষয়ে 'মতী' অধ্যায় ৯ ত উল্লেখ কৰিছে — ' হিজৰা হওঁক বা বালিকা মোৰ নহয় তথাপি সতী হয়। তেওঁক সিহঁতে হাঁহে।' (মতি বাব ৯, আয়াত—২৪) আধ্যাত্মিক মৃতকক জীৱন দিয়াৰ সন্দৰ্ভত মই অধিক একো লেখাৰ আৱশ্যকতা নাই কিয়নো আমাৰ মাজৰ সকলো তাৰ জীৱন্ত উদাহৰণ কিন্তু মই আন প্ৰকাৰৰ জীৱনদানৰ সন্দৰ্ভত দুটা উদাহৰণ ইয়াত বৰ্ণনা কৰিব লৈছো।

হজৰত মছীহ মাওউদৰ সৰু ল'ৰা মোবাৰক আহমদৰ এবাৰ বেমাৰ হ'ল আৰু তেওঁৰ বেমাৰে ভয়ংকৰ ৰূপ ধাৰণ কৰিলে আৰু মাজে মাজে অচেতন হৈ পৰে শেষত তেওঁৰ দশা মৃত্যুৰ দৰে হৈপৰিল। তেওঁক যি নিৰীক্ষণ আৰু চিকিৎসা কৰি আছিল তেওঁ বুজি লৈছিল যে মোবাৰক আহমদৰ এক প্ৰকাৰৰ মৃত্যু হৈছে। হজৰত মছীহ মাওউদ কাষৰ এটা কোঠাত প্ৰাৰ্থনাত ব্যস্ত আছিল তেনেতে কোনোবাই আহি ক'লে আপোনাৰ সন্তানৰ মৃত্যু হৈছে। আপুনি উঠি তালৈ আহিল য'ত ল'ৰাটো শুই আছিল আৰু আপুনি ল'ৰাটোৰ শৰীৰত ওপৰত হাত থৈ নিজৰ ধ্যান কেন্দ্ৰিত কৰিলে তাৰ দুই-তিনি মিনটৰ

পিছতেই ল'ৰাটোৱে পুনৰ উশাহ ল'বলৈ ধৰিলে।

একেদৰে এবাৰ খান মহম্মদ খাঁ চাহেব যি মালৱেৰ কোটলাৰ নৱাবৰ মোমায়েক আছিল আৰু হিজৰত (নগৰ এৰি যোৱা) কৰি কাদিয়ানত বসবাস কৰিছিল। তেওঁৰ পুত্ৰ মিএগ আব্দুৰ ৰহিম চাহেব ৰোগত আক্ৰান্ত হয়। দুজন চিকিৎসক আৰু হজৰত খলিফাতুল মছীহ প্ৰথম,মৌলৱী নুৰুদ্দিন চাহেব ( পৰমাত্মা তেওঁৰ ওপৰত প্ৰসন্ন হওঁক) যি দেশীয় চিকিৎসা পদ্ধতিৰ বহু বিখ্যাত বিশেষজ্ঞ আছিল আৰু মহাৰাজ জম্মুৰ ৰাজ বৈদ্যও আছিল তেওঁৰ চিকিৎসা কৰিছিল। শেষত ৰোগীৰ অৱস্থা ইমান বেয়া হৈ পৰিল যে মৌলৱী চাহেবে আৰু আন চিকিৎসকসকলে ক'য় দিছিল যে এতিয়া আৰু আৰোগ্য হোৱাৰ কোনো আশা নাই, কিছু সময়ৰ অতিথি। চিকিৎসা সলমি দিয়াৰ কোনো আৱশ্যকতা নাই। যেতিয়া এই কথা নিষ্কলংক অৱতাৰ হজৰ মিৰ্জা গোলাম আহমদ চাহেবে জানিব পাৰিলে আৰু আপুনি সেইসময়তে ল'ৰাজনৰ কাৰণে প্ৰাৰ্থনা কৰিলে আৰু ঐশ্বৰিক বাণী আহিল যে এই ল'ৰাজনৰ মৃত্যু আহি পৰিছে। তেতিয়া আপুনি পৰমেশ্বৰক আবেদন কৰিলে যে — 'হে পৰমেশ্বৰ যদি প্ৰাৰ্থনাৰ সময় অতিবাহিত হৈছে আৰু সেই ল'ৰাটোৰ মৃত্যু আহি পৰিছে তেন্তে মই তেওঁৰ বাবে আবেদন কৰিছো। তাৰ উত্তৰত পৰমেশ্বৰে ক'লে—

مَنْ ذَا الَّذِيْ يَشْفَعُ عِنْدَهٗٓ اِلَّا بِاِذْنِهٖ

(তজকিৰা পৃঃ ৪১৩,এডিশন ৪,২০০৪)

কোন আছে যি পৰমেশ্বৰত অনুৰোধ কৰিব তেওঁৰ আজ্ঞাৰ অবিহনে?

আপুনি উল্লেখ কৰা অনুসৰি ঐশ্বৰিক বাণীৰ ওপৰত মই সকলো প্ৰাৰ্থনা সমৰ্পম কৰিছো। কিন্তু ইয়াৰ পিছতেই পুনৰ ঐশ্বৰিক বাণী হ'ল 'ইন্নকা আন্তালমাজাজু' অৰ্থাৎ— মই তোমাক আবেদনৰ আজ্ঞা প্ৰদান কৰিছো।"

ইয়াৰ ওপৰত আপুনি আবেদন কৰিলে আৰু সেই সময়তে বাহিৰলৈ আহি ক'লে যে এই ল'ৰাটো আৰোগ্য হ'ব কিয়নো পৰমাত্মাই মোৰ আবেদন অনুসৰি তাক মৃত্যুৰ পৰা ৰেহাই দিছে। শেষত সি লাহে লাহে আৰোগ্য দিশত আগবাঢ়িল আৰু কিছুদিনৰ ভিতৰতে সুস্থ হৈ পৰিল। আব্দুৰ ৰহীম চাহেব যাৰ বিষয়ত

এই চমৎকাৰ প্ৰতিফলিত হ'ল পৰমেশ্বৰৰ কৃপাত এতিয়াওঁ জীয়াই আছে। এই সময়ত ইংলেণ্ডত উকালতি পঢ়ি আছে। আপোনাৰ পিতা তথা আনসকল সাক্ষী দিওঁতাসকলৰ মাজত অধিকাংশ এতিয়াওঁ জীৱিত আছে আৰু সকলোৱে সাক্ষী দিব পাৰে যে তেওঁলোকে নিজ চকুৰে পৰমেশ্বৰ জীৱনদান কৰা বিশেষত্বক দেখিছে যে তেওঁ হজৰত নিষ্কলংক অৱতাৰ মছীহ হজৰত মিৰ্জা গোলাম আহমদ চাহেব কাদিয়ানীৰ দ্বাৰা প্ৰকাশিত হৈছিল।

পৰমেশ্বৰৰ প্ৰসিদ্ধতম বিশেষত্বৰ ভিতৰত এটা বিশেষত্ব হ'ল মালিকিয়ত। সকলো ধৰ্মই ইয়াক স্বীকাৰ কৰে যে তেওঁ অণু-পমাণুৰো মালিক হয়। কিন্তু এয়া যে তেওঁ কেনেপ্ৰকাৰৰ মালিক হয় তাৰ প্ৰমাণ অবিহনে আমাৰ বাবে সদায় অসম্ভৱ যে আমি তেওঁৰ মালিকিয়ত্বৰ গুণৰ ওপৰত বিশ্বাস কৰিম কিয়নো আমি স্পষ্টৰূপত দেখিছো যে বাকী সকলো মালিকৰ মালিকিয়ত্ব দৃষ্টিগোচৰ হয় কিন্তু পৰমেশ্বৰৰ মালিকিয়ত্বৰ কোনো চিহ্ন সংসাৰত দৃষ্টিগোচৰ নহয়। কোনো ধৰণৰ সন্দেহ নথকাকৈ ক'ব পৰা যায় যে আৰু তথ্যও এয়া যে পৰমেশ্বৰে এক বিধানৰ ৰচনা কৰিছে। তাৰ অনুসৰি সংসাৰচক্ৰ চলি আছে। কিন্তু তেতিয়াওঁ যদি সংসাৰত কোনো ব্যক্তি এনে হ'ব পাৰে যে তেওঁ পৰমেশ্বৰৰ কাষৰ হয় তেতিয়া তেওঁৰ দ্বাৰা তেওঁৰ মালিকিয়ত্বৰ গুণৰ প্ৰকাশ হ'ব পাৰে কিয়নো কাষৰ হোৱাত উক্তিৰ প্ৰকাশ হয় আৰু তেওঁৰ ওপৰত বিশ্বাস হৈ পৰে যে বাস্তৱত পৰমেশ্বৰ সমগ্ৰ ব্ৰহ্মাণ্ডৰে মালিক হয় অন্যথা বৰ্তমান অৱস্থাত এজন শিক্ষিত লোকেও থিয় হৈ ক'ব পাৰে যে তেওঁ সমস্ত সংসাৰৰ মালিক হয় আৰু যেতিয়া তেওঁক কোৱা হয় যে তোমাৰ ওপৰত প্ৰকৃতিৰ নিয়মে কিয় ৰাজত্ব কৰে আৰু তাত তুমি কিয় আৱদ্ধ? তেতিয়া তেওঁ উত্তৰ দিয়ে যে এয়া মোৰ আদিকালৰে পৰা নিয়ম যে এনেদৰেই হওঁক তেতিয়া এনে ব্যক্তিৰ ওচৰত উত্তৰ কোনো অস্তিত্ব নাথাকে। তথাপি আমি দেখিছো যে এনে কিছুমান ব্যক্তিয়ে এনে ঘোষণা কৰে আৰু নিজক নিজেই পৰমেশ্বৰ বুলি কয় আৰু তেওঁলোকৰ এই কাৰণে সাহস সৃষ্টি হয় তেওঁ জানে যে পৰমেশ্বৰ মালিক হোৱাৰ কোনো জীৱন্ত প্ৰমাণ এই সংসাৰত বিদ্যমান নহয়, গতিকে আমাৰ ঘোষণাৰ কোনো উত্তৰ দিব নোৱাৰে। যি আক্ষেপ

আমাৰ পৰমেশ্বৰৰ ওপৰত কৰিব তেওঁ পুৰোক্তি কৰি আমি তেওঁৰ পৰমেশ্বৰক কৰি দিম। কিন্তু বাস্তৱত পৰমেশ্বৰৰ মালিকিয়ত্বৰ কোনো প্ৰমাণ থকা হ'লে এনেলোকে কেতিয়াওঁ সাহস কৰিব নোৱাৰিল হয় পৰমেশ্বৰৰ লগত এনেধৰণৰ উপহাস কৰাৰ আৰু সংসাৰক এনেধৰণৰ প্ৰতাৰণা কৰিব কিয়নো এনে অৰস্থাত লোক পৰমেশ্বৰৰ ওচৰ চাপি আৰু তেওঁ বদান্যতাৰ চাদৰ গাতলৈ আহি তেওঁৰ সৈতে প্ৰতিযোগিতা কৰিব পাৰে কিয়নো তেওঁৰ দ্বাৰা পৰমেশ্বৰৰ বিশেষত্ব মালিকিয়ত্ব প্ৰদৰ্শন হৈ থাকে। যদি তুমি পৰমেশ্বৰ হোৱা তেন্তে তাতকৈ আগবাঢ়ি মালিকিয়ত্বৰ প্ৰমাণ উপস্থাপন কৰা কিয়নো এয়া এনে গুণ হয় আৰু তুমি মুখ্য বুলি ঘোষণা কৰিছা। এই ভংগী সকলো ভুল আৰু সন্দেহ আঁতৰ কৰিবলৈ এই সকল অসমৰ্থ যে তাৰ উত্তৰ এইসকল লোকো একোকে দিব নোৱাৰে।

মই পূৰ্ণ বিশ্বাসেৰে কৈছো যে হজৰত মছীহ মাওউদয়ে পৰমেশ্বৰ সান্নিধ্য লাভ কৰি তেওঁৰ বিশেষত্বৰ মালিকিয়ত্ব সেইদৰে প্ৰদৰ্শন কৰিছিল যিদৰে আন আন গুণবোৰক। আপুনি কেৱল এই কথাৰ সাক্ষী হৈছিল যে ইছলামে পৰমেশ্বৰক লগ কৰাব পাৰে তথাপি আন লোকসকলকো পৰমেশ্বৰৰ পূৰ্ণ বিশ্বাস সৃষ্টি কৰাৰ পথ মুকলি কৰি দিলে। গতিকে এটা উদাহৰণ আপোনলোকৰ সন্মুখত দাঙি ধৰিছোঁ যেতিয়া ভাৰতবৰ্ষত মহামাৰী ৰোগে ভয়াবহ ৰূপ ধাৰণ কৰিছিল, যেনেকৈ প্লেগ হোৱাৰ আগতে আপুনি আগতীয়া জাননী দিছিল যে এই প্লেগ অতি ভয়াবহ উগ্ৰ ৰূপত বিয়পি পৰিব। সেইদৰে আপুনি এক 'কাশফ'ত লেখিছিল যে মই দেখিছো যে প্লেগে এটা ভয়ানক পশুৰ ৰূপত যাৰ মুখ হাতীৰ সৈতে মিলে চাৰিওফালে আক্ৰমণ কৰি ফুৰে আৰু যেতিয়া এটা আক্ৰমণ কৰি আহে আৰু মোৰ ওচৰত আহি বহি পৰে। এনেদৰে আহি বহি পৰে যেনেকৈ কোনো দাসে নম্ৰতাৰে সংস্কাৰপূৰ্ণভাৱে বহি পৰে আৰু নিজৰ আজ্ঞাক স্বীকাৰ কৰে। পুনৰ আপোনাৰ ঐশ্বৰিকবাণী হ'ল যে " জুই আমাৰ গোলাম তথাপি গোলামৰো গোলাম হয়।" অৰ্থাৎ প্লেগে কেৱল আমাকে নহয় যদিও আমাৰ গোলামক (দাসক) অৰ্থাৎ যি আমাৰ হয় আৰু নিজৰ ইচ্ছাক আমাৰ অধীন কৰি দিয়ে তাকো গোলাম কৰি দিয়ে। সেই

ৰোগে সিহঁতক একো নকৰে তথা সেই লোকসকল তাৰ পৰা সুৰক্ষিত থাকিব। পুনৰ ঐশ্বৰিক বাণী হৈছিল যে—

اِنِّی اُحافِظ کُلَّ مَن فِی الدَّار

অৰ্থাৎ ঃ মই তোমাৰ ঘৰত যিমান মানুহ আছে সেইবিলাক সকলোকে সুৰক্ষিত ৰাখিম।

আপুনি সেই সময় এই ঐশ্বৰিকবাণী সেই সময়ৰ বাতৰি কাকত আৰু কিতাপৰ জৰিয়তে প্ৰকাশ কৰিছিল আৰু আপুনি বিৰোধীসকলক প্ৰত্যাহ্বান দিছিল যে মোক মিছলীয়া বুলি ভাবিছা আৰু আপুনি আপোনাক সত্য বুলি প্ৰমাণ কৰি এনে ভৱিষ্যবাণী প্ৰকাশ কৰিলে যে তেওঁলোকৰ ঘৰ তথা নিজেই প্লেগৰ পৰা সুৰক্ষিত থাকিব আৰু কোনো ব্যক্তিয়ে ইয়াৰ তুলনা নকৰিব।

এনে সকলো জিজ্ঞাসু ব্যক্তিয়ে সংসাৰৰ ঘটনাক পৰিচয় পোৱাত যত্নশীল আছিল তেওঁলোক জ্ঞাত হ'ব যে ভাৰতবৰ্ষত আঠাইশ বছৰৰ পৰা অতি বেয়াধৰণে প্লেগৰ সূচনা হৈছিল আৰু চন ১৯০১ চনত যেতিয়া এই ঐশ্বৰিক বাণীয়ে নিষ্কলংক অৱতাৰ হজৰত মছীহ মাওউদৰ দ্বাৰা হৈছিল আৰু তাৰ গতি অতি তীব্ৰ আছিল। এই সময়লৈকে সত্তৰ আশী লাখ মানুহৰ প্লেগৰ ফলত মৃত্যু হৈছিল। একোটা বছৰত তিনি-তিনি লাখকৈ মানুহৰ মৃত্যু হয়। বিশেষকৈ পঞ্জাৱত ইয়াৰ আক্ৰমণ অতি ভয়াবহ ৰূপত হ'য়। পৰিণাম স্বৰূপে তিনি চতুৰ্থাংশতকৈ অধিক লোকৰ মৃত্যু হৈছিল। এনে ভয়াবহ ৰোগত আৰু এই আক্ৰান্ত অঞ্চলবোৰত এনে ধৰণৰ ঘোষণা অতি স্পৰ্শকাতৰ হৈ পৰিছিল। বিশেষকৈ এজন ব্যক্তিৰ বিষয়ত নহয় যদিও এটা ঘৰৰ সম্পৰ্কত সেই সময়ত সত্তৰ বা এশ মানুহ একোটা ঘৰত বাস কৰিছিল আৰু মাথোঁ এবছৰৰ বাবে নহয় এক দীঘলীয়া সময়ৰ বাবে বসবাস কৰিছিল। কোন মানুহে এনেধৰণৰ কথাৰ বাবে উত্তৰ দায়িত্ব গ্ৰহণ কৰিব? আৰু কোনবিলাক মানবীয় শক্তিয়ে ইয়াক পূৰ্ণ ৰূপত কৰিব পাৰে?

পুনৰ আমি এটা কথা মন কৰিবলগীয়া যে কাদিয়ান এখন সৰু অঞ্চল আছিল। সেই কাৰণে চৰকাৰৰ ইয়াৰ স্বচ্ছতাৰ প্ৰতি কোনো গুৰুত্ব নাছিল। গাঁওখনৰ চুবুৰীবিলাকৰ অৱস্থা অতি জীৰ্ণ আছিল যাৰ অনুমান ইউৰোপ আৰু

আমেৰিকাৰ লোকসকলে কৰিব নোৱাৰে। তেওঁলোকৰ অৱস্থা ‘শাম’সকলৰ অৱস্থাতকৈ কম নাছিল, য’ত দীৰ্ঘদিনধৰি প্লেগে নিজৰ ঘৰ নিৰ্মাণ কৰিছিল। আপোনাৰ ঘৰো নগৰৰ বাহিৰত আছিল তথাপি নগৰৰ মাজত নাছিল। আপোনাৰ ঘৰৰ চাৰিওফালে লোকসকলৰ ঘৰ আছিল, লগতে সেয়া অপৰিষ্কাৰ আৰু মুকলি বায়ু নাছিল। যাৰ বাবে আপুনি ক’ব পাৰে যে আপোনাৰ ঘৰ সুৰক্ষিত আছিল। আপোনাৰ ঘৰৰ অঞ্চলটোৰ শেষৰ অংশত আছিল আৰু ইয়াৰ আধা অংশ লেতেৰা আপোনাৰ ঘৰ কাষেদি আগবাঢ়িছিল আৰু ওচৰতে পঞ্চাশ গজ দূৰত এটা পুখুৰী আছিল য’ত বৰষুণৰ দিনত বৰষুণৰ অধিকাংশ পানী বৈ আহি তাত পৰিছিল। মই আছিলো সেই কাৰণে কৈছো যে এতিয়া পুখুৰীৰ অধিকাংশ ভূমি পুতি দি সমান কৰি দিয়া হ’ল আৰু পুখুৰীটো অলপ আঁৰ হৈ পৰিছিল। এনে স্থান আৰু এনে পৰিৱেশত বসবাস কৰা লোকে ইমান মহান ঘোষণা কৰাটো সাধাৰণ কথা নহয়। এই ঘোষণা যদিও সাধাৰণ ৰূপত পূৰ্ণ হৈছিল নিশ্চয় সেয়াও পৰমেশ্বৰৰ স্বামী হোৱাৰ এক অকাট্য উক্তি আছিল কিন্তু পৰমেশ্বৰে এই চমৎকাৰক এক গুৰুত্বপূৰ্ণ চমৎকাৰ নিৰ্মাণ কৰাৰ আহিলা ৰূপে কৰি দিছিল যে তেওঁ ইয়াৰ মাহাত্মাক অত্যাধিক বঢ়ায় দিছিল।

এই ঐশ্বৰিকবাণীবিলাক প্ৰকাশিত হোৱাৰ পূৰ্বে কাদিয়ানত প্লেগ অহা নাছিল। এনেদৰে প্লেগৰ সময় যদি অতিবাহিত হ’ল হয় তেন্তে লোকসকলে ক’ব পাৰিল হয় যে কদাপিও এই প্ৰান্তৰ কোনো বিশেষত্ব আছে যাৰ কাৰণে ‘প্লেগ’ৰ বীজাণু বিয়পিব নোৱাৰে আৰু এই কথাবোৰৰ প্ৰতি লক্ষ্য ৰাখি আপুনি এফালে ঘোষণা কৰিছিল কিন্তু এই ঐশ্বৰিক বাণী প্ৰকাশিত হ’ল আৰু প্লেগক কাদিয়ানলৈ প্ৰেৰণ কৰে তথা এবছৰ, দু বছৰৰ বাবে নহয় একেৰাহে চাৰি-পাঁচ বছৰ কাদিয়ানত প্লেগৰ আক্ৰমণ হৈ থাকিল। প্লেগৰ আক্ৰমণৰ অৱস্থা যদি সেয়া আন প্ৰান্তত হ’ল হয় আৰু চুবুৰীয়া আপোনাৰ চুবুৰীয়াসকল আক্ৰান্ত নহ’ল হয় তেন্তে কথা ভ্ৰমত পৰি সান্দিগ্ধ হৈ পৰিল কিয়নো তথাপি ইয়াক বুজিব লাগিব যে কেতিয়াবা স্বচ্ছতাৰ বিশেষ ব্যৱস্থা কৰি লোৱা হওঁক। কিন্তু প্লেগ এই চুবুৰীলৈকো আহিল য’ত আপোনাৰ ঘৰ আছিল। পুনৰ অধিক ওচৰলৈ আহিল আপোনাৰ ঘৰৰ সোঁ-বাওঁ দিশে ঘৰৰ

লোকসকলো আক্ৰান্ত হৈ পৰিল। আপোনাৰ ঘৰৰ বাহিৰৰ দেৱালৰ কিনাৰ ঘৰকো প্লেগে আক্ৰমণ কৰিলে। সকলো স্থানতে প্লেগ আক্ৰান্ত হৈ পৰিল। এজনে আনজনক স্পৰ্শ কৰিলেই প্লেগাক্ৰান্ত হৈ পৰে। ধৰি লোৱা হওঁক এই দৃশ্যৰ উদাহৰণ সেই ঘৰৰ দৰে যাৰ চাৰিওফালে ঘৰে পৰিপূৰ্ণ আৰু তাত জুই লাগিলে সকলো ভষ্ম হৈ পৰিব কিন্তু সেই ঘৰ সকলোৰে মাজত সুৰক্ষিত থাকে আৰু যেতিয়া সেই জুই ঘৰটোৰ ওচৰলৈ আহে তেতিয়া জুই নিৰ্বাপিত হৈ শীতল হৈ পৰে তথা ইয়াৰ পৰা অৱগত হৈ পৰে যে কোনো মহান গুপ্ত ৰহস্য বা কোনো গোপন অদৃশ্য দৃষ্টিয়ে তাক শীতল কৰি দিলে। এবছৰ, দুবছৰ নহয় প্ৰায় চাৰি-পাঁচ বছৰে কাদিয়ান প্লেগৰ আক্ৰান্ত হ'ল আৰু সেই সময়ত ভাৰতত প্ৰতি বছৰে, প্ৰতি সপ্তাহত ত্ৰিশ-ত্ৰিশ, চল্লিশ চল্লিশ সহস্ৰ মানুহ মৃত্যুৰ কৱলত পৰিছিল কিন্তু আপোনাৰ ঘৰৰ কাষৰ পৰা উভতি গৈছিল। কেতিয়াবা এঘৰত, কেতিয়াবা সি ঘৰত যে আক্ৰমণ নকৰিলে। কিন্তু এই ভৱিষ্যবাণীৰ বাবে আপোনাৰ জামাতৰ কিছুসংখ্যক পৰিয়াল প্লেগৰ সুৰক্ষাৰত অংশগ্ৰহণ কৰাৰ বাবে আপোনাৰ ঘৰত আহি বাস কৰিছিল আৰু তাৰ সংখ্যা ইমান বাঢ়ি গৈছিল যে ৰোগৰ দিন নোহোৱাৰ পিছতো ভাল দিনটো ইমান সংখ্যক ক্ষতি কাৰণ হিচাপে দেখা দিলে হয়, তথাপি ৰোগৰ দিনত এয়া কেনেকৈ সম্ভৱ ? এয়া মালিকত্বৰ আশ্চৰ্য যে আপুনি সংসাৰৰ সন্মুখত প্ৰকাশ কৰিলে আৰু যাৰ দ্বাৰা প্ৰতিজন ব্যক্তিয়ে অমানুহৰ পৰা আঁতৰত থাকি শুদ্ধ বুদ্ধিৰে চিন্তা কৰি স্বীকাৰ কৰিলে যে সৰ্বগুণ সম্পন্ন পৰমেশ্বৰ আছে আৰু তাৰ সহচাৰ্য মানুহে (ভক্ত)ই পাব পাৰে।

মালিকত্ব গুণক প্ৰদৰ্শন কৰা চমৎকাৰক মাজৰ পৰা মই এটা উদাহৰণ দাঙি ধৰিব বিচাৰিছো যিটো অনিবাৰ্য হয় যিটো পশ্চিমৰ দেশত প্ৰকাশিত হৈছে। এজন আমেৰিকাৰ ডুই নামৰ ব্যক্তিয়ে ঘোষণা কৰিছিল যে মই মছীহৰ পুনৰ আগমনৰ কাৰণে 'ইলিয়া'ৰ ৰূপত আহিছোঁ। তেওঁৰ ঘোষণা ইমান প্ৰসিদ্ধ হৈ পৰিল যে লাখ লাখ ব্যক্তি তেওঁৰ সংগী হৈ পৰিল। তেওঁলোকে চিকাগোৰ ওচৰত এখন পৃথক নগৰ স্থাপন নিৰ্মাণ কৰিলে, যিখনৰ নাম তেওঁলোকে 'জাইন' থৈছিল তেওঁলোকৰ চিন্তাধাৰা আছিল যে তেওঁলোকে

এটা নতুন ধৰ্মৰ প্ৰচাৰ কৰিব। সেই ব্যক্তিয়ে ঘোষণা কৰিছিল যে তেওঁৰ প্ৰাৰ্থনাৰ মাজেৰে আৰু কেৱল স্পৰ্শ কৰা মাত্ৰকে ৰোগী ঠিক হৈ পৰে। তেওঁলোকসকলক ঔষধ সেৱন কৰাত বাধা দিছিল।

যেতিয়া তেওঁৰ প্ৰচাৰ অধিক প্ৰসিদ্ধি কিছু অধিক বাঢ়িল তেতিয়া তেওঁ ঘোষণা কৰিলে যে পৰমেশ্বৰে তেওঁক এই কাৰণে প্ৰেৰণ কৰিছে যে মছীহ অহাৰ আগতে মুছলমানক নাইকিয়া কৰি দিয়া। যেতিয়া তেওঁৰ এই ব্যাখা নিষ্কলংক অৱতাৰ হজৰত মছীহ মাওউদে শুনিব পালে তেতিয়া আপুনি তেওঁক প্ৰত্যাহ্বান দিলে যে তোমাৰ ঘোষণা হৈছে যে তুমি মুছলমানৰ বিনাশৰ কাৰণে ঠিয় হৈছা সেয়ে মোৰ ঘোষণা হৈছে যে মই ইছলামৰ সমৰ্থন আৰু তেওঁলোকৰ উন্নতি দিয়াৰ বাবে প্ৰেৰণ কৰিছে। সেয়ে প্ৰাৰ্থনাৰ দ্বাৰা মোৰ সৈতে প্ৰতিদ্বন্দ্বিতা কৰি নিৰ্ণয় কৰা যে কোন সত্যত আৰু কোন অসত্যত আছে। কিয়নো পৰমেশ্বৰৰ প্ৰকোপ অসত্য আৰু মিছলীয়াক ধৰে আৰু আনসকলে ইয়াৰ পৰা শিক্ষা গ্ৰহণ কৰে।

এয়া এতিয়া স্পষ্ট কথা যে পৰমেশ্বৰ বাস্তৱিক ৰূপত সংসাৰৰ স্বামী হয় আৰু তেওঁ এজন ব্যক্তিক এই কাৰণে প্ৰেৰণ কৰিছে যে কিয়নো তেওঁৰ ধৰণীক ৰক্ষা কৰক। তেতিয়া এজন ব্যক্তিয়ে নিজেই সন্মুখত ঠিয় হৈ পৰিব আৰু সেই সেৱকৰ লগত তৰ্ক-বিৰ্তক কৰিবলৈ ধৰে যে কিয় নহয় যে বাগিচাৰ মালি তেওঁ মোক নিযুক্ত কৰিছে আৰু তেওঁ স্বামীত্বৰ গুণৰ বাবে অনিবাৰ্য হয় যে আপুনি প্ৰেৰণ কৰা সেৱকক সহায় কৰক আৰু সমগ্ৰ সংসাৰক জনাই দিয়ক যে উত্তৰাধিকাৰী কোন হয়? লগতে তেওঁৰ মালিকিয়ত্ব প্ৰকাশ কৰাৰ কাৰণে কাৰ প্ৰাদুৰ্ভাৱ হৈছে?

এই প্ৰত্যাহ্বান ডাঃ আলেকজেণ্ডাৰ ডুয়েক প্ৰেৰণ কৰাৰ উপৰিও আমেৰিকা আৰু ইংলেণ্ডৰ অধিকাংশ কাকত-আলোচনীলৈ প্ৰেৰণ কৰা হ'ল। এই প্ৰত্যাহ্বানৰ কিছু প্ৰতিক্ৰিয়া এনেধৰণৰ—

" মই বয়সত প্ৰায় সত্তৰ বছৰমানৰ হম, আৰু ডুয়ে কৈছে যে তেওঁ ৫০ বছৰ বয়সৰ হয়। এইদৰে মোৰ তুলনাত তেওঁ যুৱক হয় কিন্তু মই মোৰ জ্যেষ্ঠতাক কোনো ধৰণৰ গুৰুত্ব নকৰো কিয়নো এই 'মুবাহিলা' (এজনে

আনজনৰ বাবে কৰা প্ৰাৰ্থনা ) (ধৰ্মৰ ক্ষেত্ৰত সত্য আৰু অসত্যৰ নিৰ্ণয় কৰা এয়া এক বিধি হয়)। ইয়াত দুয়োপক্ষৰ পৰা প্ৰাৰ্থনা হৈছে যে ইয়াত যি অসত্য হৈ পৰে তেওঁৰ ওপৰত পৰমেশ্বৰৰ প্ৰকোপ বৰ্ষিত হওঁক। আৰু নিৰ্ণয়ৰ বয়স বন্ধনত নহ'ব আৰু পৰমেশ্বৰে যি পৃথিৱী আৰু আকাশৰ মালিক আৰু সকলো সম্ৰাট তথা সকলো হাকিমৰ হাকিম হয় তেওঁ নিৰ্ণয় কৰিব। তেওঁ কেৱল সত্য মাৰ্গৰ ঘোষণা কৰোতাৰ পক্ষত নিৰ্ণয় কৰিব।... লাগে সেই মৃত্যুৰ পৰা যি তেওঁৰ অপেক্ষা কৰি আছে যিমানে পলাবলৈ চেষ্টা নকৰক কিন্তু তেওঁৰ পলায়ন তেওঁৰ বাবে মৃত্যুতকৈ কম নহয়। তথা তেওঁৰ জীৱনলৈ বিপত্তি আহিব কিয়নো তেওঁ ইয়াক প্ৰতিদ্বন্দ্বিতাৰ পৰিণাম হিচাপে ভোগ কৰিব লাগিব অথবা প্ৰতিদ্বন্দ্বিতাৰ পৰিণাম হিচাপে ভোগ কৰিব লাগিব।"

এই লেখনিটো আমেৰিকাৰ অধিকাংশ কাকতে প্ৰকাশ কৰিলে যাৰ মাজৰ ত্ৰিশখন সংবাদপত্ৰৰ প্ৰতিক্ৰিয়া আমি লাভ কৰিলোঁ সম্ভৱ ইয়াৰ বাহিৰেও আন কাকতত এই প্ৰতিক্ৰিয়া প্ৰকাশ হৈছিল। ইয়াৰ ভিতৰত বহুতে নিজৰ অভিমতো প্ৰকাশ কৰিছিল যে আমাৰ বাবে নিৰ্ণয় কৰাৰ ভিত্তি ন্যায়ৰ ওপৰত আদাৰিত হয় আৰু উচিত। এই সংবাদ পত্ৰসমূহৰ ভিতৰত এখন ছান্সফ্ৰেন্সিকোৰ সংবাদপত্ৰ ' গীনাটো' আছিল। এই প্ৰত্যাহ্বান১৯০২ চনত প্ৰদান কৰা হৈছিল ডাঃ ডুয়ে ইয়াৰ প্ৰতি কোনো গুৰুত্ব প্ৰদান কৰা নাছিল। পুনৰ ১৯০৩ চনত প্ৰত্যাহ্বানক উল্লেখ কৰা হ'ল। শেষত আমেৰিকাতে ইয়াৰ বিৰুদ্ধে এই প্ৰশ্ন উত্থাপন কৰা হ'ল যে উত্তৰ কিয় নিদিব? সেয়া নিজৰ সংবাদপত্ৰত ডিচেম্বৰ ১৯০৩ চনত এই কথাক এইদৰে স্বীকাৰ কৰে যে—

" ভাৰতত এজন মুৰ্খ মুহম্মদী মছীহে যি মোলৈ বাৰে বাৰে লিখি আছে যে মছীহ যীশুৰ কবৰ কাশ্মীৰত আছে আৰু মানুহে মোক কয় যে তুমি তাৰ উত্তৰ কিয় নিদিয়া? কিন্তু তোমালোকে কি ভাবিছা যে মই এই মহ আৰু মাখিৰ উত্তৰ দিম। যদি মই ইহঁতৰ ওপৰত নিজৰ ভৰি থম তেতিয়া তেওঁক ভৰিৰে গচকি মাৰি পেলাম। মই তেওঁক সুবিধা দিছো তেওঁ ভয় কৰক আৰু জীৱিত থাকক।"

কিন্তু লেখা হৈছিল যে প্ৰতিদ্বন্দ্বিতা কৰিব তাক মাৰি পেলোৱা

হ'ব। যদি ভুগিব সেয়াও বিপত্তিৰ পৰা সুৰক্ষিত নহ'ব আৰু সিহঁতৰ সহ্যটো শীঘ্ৰে বিপত্তি আহিব। এনে হ'ল। পৰমেশ্বৰে সেই ব্যক্তিজনক কৰায়ত্ত কৰিলে আৰু 'চেহুনত' তেওঁৰ বিৰুদ্ধে বিদ্ৰোহ আৰম্ভ হ'ল আৰু তেওঁৰ পুত্ৰ আৰু পত্নী তেওঁৰ বিৰোধ হৈ পৰিল আৰু তেওঁ প্ৰতিপন্ন কৰি দিলে যে যিহেতু এই ব্যক্তিয়ে জনসাধাৰণৰ মাজত মদিৰাৰ বিৰুদ্ধে ব্যাখা দি ফুৰিছিল কিন্তু নিৰ্জনত তেওঁ নিজেই মদিৰাপান কৰে। এনেধৰণৰ আধ্যাত্মিক অভিযোগ জনসাধাৰণে তেওঁৰ ওপৰত উত্থাপন কৰিলে। শেষত তেওঁক 'চেহুন'ৰ পৰা অধিকাৰচ্যুত কৰা হয়। প্ৰথমতে তেওঁৰ অৱস্থা এনে আছিল যে ৰাজকুমাৰ আৰু সম্ৰাটৰ দৰে জীৱন অতিবাহিত কৰিছিল। কিন্তু প্ৰতিদ্বন্দ্বিতাৰ পিছত উদৰপূৰণ কৰাটো পৰাধীন হৈ পৰিল। শেষত তেওঁক ফেলিজ (প্যাৰালাইচ) ৰোগে আক্ৰমণ কৰে তথা সেইখন ভৰি যিখনে তেওঁ পৰমেশ্বৰৰ অৱতাৰ হজৰত মছীহ মাওউদক ম'হৰ দৰে ভৰিৰে মোহাৰিব বিচাৰিছিল সেয়া বিকল হৈ পৰিল তথা কষ্ট আৰু বিপত্তিৰ অস্য ভাৰ বহন কৰিব নোৱাৰি তেওঁ পাগল হৈ পৰিল আৰু কিছুদিনৰ ভিতৰত মৃত্যুক আকোৱালী লয়।

তেওঁৰ সেই ধৰণৰ মৃত্যুত বহুতো আমেৰিকাৰ সংবাদপত্ৰই লেখনি প্ৰকাশ কৰিলে তথা ভৱিষ্যবাণীকো উল্লেখ কৰিলে যিটো হজৰত মছীহ মাওউদে তেওঁৰ বিষয়ত কৰিছিল। তাৰ ভিতৰত এখন সংবাদ পত্ৰ 'ডনবিল গেজেট'ত ৭ জুন ১৯০৭ চনত প্ৰকাশ কৰিছিল তাত লেখিছিল—

" যদি আহমদ আৰু তেওঁৰ অনুগামীয়ে সেই ভৱিষ্যবাণীক- যিটো মাহৰ আগতে পূৰ্ণ হৈছে- স্পষ্টৰূপত পূৰণ হোৱাৰ গৰ্ব কৰিলে তাত কোনো দোষ নাই।"

নিউৱৰ্কৰ ট্ৰুথ ছীকৰ নামৰ কাকতে ১৫ জুন ১৯০৬ চনত প্ৰকাশিত কাকতত এই ভৱিষ্যবাণী পূৰ্ণ হোৱাৰ বিষয় তলত উল্লেখ কৰা ধৰণে শব্দত প্ৰসংগক প্ৰস্তুত কৰিছিল—

" কাদিয়ান নিৱাসী ব্যক্তিয়ে ভৱিষ্যবাণী কৰিছিল যে ডুয়ে প্ৰত্যাহ্বানক স্বীকাৰ কৰে যদি তেওঁ এই সংসাৰত অতি দুখ আৰু কষ্টপূৰ্বক মোৰ চকুৰ সন্মুখত এৰিব লাগিব অৰ্থাৎ মই দেখি থাকোতেই তেওঁ অতি কষ্টৰে আৰু যাতনাৰে

মৰিব লাগিব। সেই ব্যক্তিয়ে (মির্জাই) ইয়াকো ক'লে যে যদি ইয়াৰ প্ৰতিকুল ইচ্ছা কৰে তেন্তে শেষত কেৱল মৃত্যুৱে তেওঁক ৰেহাই দিব পাৰে। সেয়ে মৃত্যুৱে তেনেদৰে তেওঁৰ প্ৰতীক্ষা কৰি আছিল আৰু সেই সংকেত শীঘ্ৰে তেওঁৰ জীৱনত আহি পৰে। এয়া সেই মহান ভৱিষ্যবাণী আছিল যে আহমদৰ জীৱনত ডুয়ে মৰিব তথা জীৱনৰ অন্ত হ'ব। হজৰত মছীহ মাওউদৰ বাবে এনে পদক্ষেপ গ্ৰহণ কৰা( ডুয়েৰ মৃত্যুৰ ভৱিষ্যবাণী কৰা) বিপদৰো আশংকা নাছিল কিয়নো ভাবুকি দিয়া মানুহজন বিপক্ষৰ তুলনাত কেৱল বয়সত ১৫ বছৰ জেষ্ঠ আছিল সেয়ে সেই মহামাৰী আৰু ধৰ্মান্ধ সকলৰ দেশৰ আগন্তুক সম্ভাৱনা তেওঁলোকৰ সদায় প্ৰতিকুল আছিল কিন্তু আপুনি ( হজৰত মছীহ মাওউদ) সফল হ'ল।"

বোষ্টান নগৰৰ হেৰাল্টত ২৩ জুন ১৯০৭ চনত এক প্ৰকাশনত লেখিছিল— " ডুয়ে নিজৰ বন্ধুৰ বিৰোধ কৰি মৃত্যু হ'ল। তেওঁৰ সম্পত্তিও কম হৈ পৰিল। তেওঁৰ উন্মাদৰ পৰিৱাহত পীড়িত আছিল তথা যন্ত্ৰণাপূৰ্বক মৃত্যুৰ আকোৱালী ল'লে লগতে জেইন নগৰ নিজৰ আভ্যন্তৰীণ কলহৰ কাৰণে যুদ্ধ কৰি বিভাজিত হ'ল আৰু নষ্ট-ভ্ৰষ্ট হৈ পৰিল। মিৰ্জা (চাহেব) স্পষ্ট ৰূপত সন্মুখলৈ আহে আৰু তেওঁ উল্লেখ কৰিছে যে তেওঁ প্ৰত্যাহ্বানত বিজয়ী হৈছিল।

ইয়াৰ পিছত মই আপোনাৰ সেই ঈশ্বৰীয় শক্তিৰ লৈছো যাক 'বাইছ' বুলি কোৱা হয় আৰু অৰ্থ হ'ল যে মৃতকক জীৱিত কৰোতা। এয়া সেই ঈশ্বৰীয় আৰ্শীবাদ হয় যি মানৱ জীৱনৰ গুপ্ত আধ্যাত্মিক শক্তিক ইমান বিকশিত কৰি দিয়ে যে তেওঁ পূৰ্ণৰূপত এজন নতুন মানুহ হৈ পৰে। কেৱল ইছলামতহে এই ঈশ্বৰীয় আৰ্শীবাদৰ পৰিভাষাক এই শব্দত উল্লেখ কৰিছে। ইহঁতৰ ধৰ্মই মাথোঁ এই চিন্তাধাৰাক কেৱল জাগ্ৰতহে কৰিছিল। পুনৰ এই কথাৰো কোনো প্ৰমাণ নাই যেতিয়ালৈকে আমাৰ সন্মুখত ইয়াক প্ৰত্যক্ষ ৰূপত দাঙি ধৰিব নতুবা আমি এই কথাত বিশ্বাস কৰো যে কোনোবাই পৰমাত্মাৰ সান্নিধ্য লাভ কৰিছে, যেতিয়ালৈকে তেওঁ নিজক নিজেই ঈশ্বৰীয় শক্তিক প্ৰত্যক্ষ সাক্ষাৎ নকৰে কিয়নো অৱতাৰ মানুহৰ পথ প্ৰদৰ্শনৰ কাৰণে তেওঁক প্ৰেৰণ কৰে

শেষত তেওঁৰ বাবেই এয়া পৰমাৱশ্যক হয় যে তেওঁ এই ঈশ্বৰীয় শক্তিৰ অস্তিত্বক দাঙি ধৰক কিয়নো যেতিয়ালৈকে তেওঁৰ দ্বাৰা আধ্যাত্মিক মৃত্যুপ্ৰাপ্ত কৰা ব্যক্তিসকলৰ মাজত নৱীন প্ৰাণ প্ৰতিষ্ঠা নকৰে তেওঁ এনেদৰে এক পৰিমাণত কালচক্ৰ বা যুগ বিশেষকৰ দৃষ্টিকোণ প্ৰাপ্ত নহয় আমি সেই অৱতাৰক প্ৰাদুৰ্ভাৱ সম্পৰ্কীয় আৱশ্যকতাক বিশ্বাসত ল'ব নোৱাৰো আৰু তেওঁৰ অৱতীৰ্ণ হোৱা উদ্দেশ্যও অপূৰ্ণ হৈ থাকিব।

সেয়ে পৱিত্ৰ কোৰাণৰ বহু ঠাইত এই অৱতাৰৰ সিদ্ধি আৰু সফলতাৰ নাম ছাৱত আৰু কেয়ামত থোৱা হৈছে যাৰ পৰা কিছুলোকৰ অজ্ঞানতাৰ কাৰণে এই নিষ্কৰ্ষ উলিয়াই লোৱা হৈছে যে পৱিত্ৰ কোৰাণে মৃত্যুৰ পিছত কৰ্মৰ লেখ-জোখৰ কথাৰ বিষয়ে এই শিক্ষা নিদিয়ে। এই প্ৰতাৰণ এনেধৰণৰ যে যেনেকৈ কিছু আনলোকে ইয়াক বুজি উঠে যে য'ত ‘ছাৱত'ৰ শব্দ আহিছে তাত তাৰ অৰ্থ নিশ্চয় ‘কিয়ামত' হয় যেতিয়া কিছু নিৰ্দিষ্ট চিহ্নৰ দ্বাৰা সৰলতাৰে অৱগত কৰা হৈছে যে কোনো স্থানত তাত মৃত্যুৰ পিছতেই জীৱন অৰ্থাৎ কৰ্মৰ লেখন অভীষ্ট হয় আৰু কোনো স্থানত পয়গম্বৰে নিজৰ উদ্দেশ্যত সফল হৈ পৰে তথা এটা প্ৰাণৱান সম্প্ৰদায়ক জন্ম দিয়াত সফলতাৰে অভীষ্ট হয়।

হজৰত মছী মাওউদে এই গুণৰ উদাহৰণ অতি সুন্দৰভাবে আৰু সফলতাৰে উপস্থাপন কৰিছে তথা এই মহত্বশালী মাণদণ্ডত যি হজৰত ঈছা মছীহে বৰ্ণনা কৰিছিল, শুদ্ধকৈ সফলতাৰে আপুনি সম্পূৰ্ণৰূপে আহিছে। হজৰত ঈছা মছীহে কৈছিল—

কিন্তু মিছা পয়গম্বৰৰ পৰা সাৱধান হওঁক যি তোমাৰ ওচৰত কুকুৰনেছীয়াৰ বেশথ আহে কিন্তু ভিতৰৰ পৰা ফালি পেলোৱা কুকুৰনেছীয়া হয়। তুমি সিহঁতৰ ফলাফলৰ পৰা সিহঁতক চিনি পাবা। কিয় কাইটেৰে আঙুৰ তথা জোঙাৰে মধুৰী ছিঙা হয়? একেদৰে প্ৰতিজোপা ভাল গছে ভাল ফল আৰু বেয়া গছে বেয়া ফল আনে। ভাল গছে কেতিয়াওঁ বেয়া ফল আনিব নোৱাৰে বা বেয়া গছে ভাল ফল আনিব পাৰে। প্ৰতি জোপা গছে ভাল ফল নানে, কাঁইটক জুইত দিয়া হয়। সেয়ে সিহঁতৰ ফলত তুমি সিহঁতৰ পৰিচয় লাভ

কৰিবা।”

(মতী অধ্যায়৭ আয়াত ১৫-২০ মতবুৰা ১৮৮৭ )

এই মানদণ্ডৰ কি অৰ্থ থাকিব যে প্ৰতিজোপা গছে নিজৰ মতে ফল দিয়ে সেয়ে অৱতাৰ সেইজন যি পয়গম্বৰৰ ৰং পাত্ৰানুকুল নিজৰ অনুগামীৰ মাজত দাঙি দৰে। লগতে পৰমেশ্বৰলৈকে প্ৰেৰিত হয় যি প্ৰতিটো প্ৰকৃতিটো প্ৰাকৃতিক শক্তিৰ অনুকুলে পৰমেশ্বৰলৈ প্ৰেৰণ কৰে।

এই মানদণ্ডৰ অৰ্থ এয়া নহয় যে কোনো সম্প্ৰদায়ৰ উদাৰতা তথা আত্মত্যাগৰ ভাৱনা হওঁক, বুজিব লাগিব যে অৱতাৰৰ ঘোষণা কৰা গৰাকী সত্য আৰু পৰমেশ্বৰৰলৈকে পোৱা কিয়নো বলিদানৰ মাথোঁ এয়াই অৰ্থ হৈ পৰে যে অনুগামীসকলে নিজৰ গুৰুৰ বিষয়ে এনে কোনো কথা অৱগত নহওঁক যাৰ বাবে তেওঁ মিছলীয়া বুলি ধৰি ল'ব। আপোনালোকে কাৰোবাক চৰিত্ৰৱান আৰু সত্যপথৰ সন্ধানী বুলি বুজি উঠাত মাথোঁ দুটা কথাই প্ৰতিপন্ন কৰিব পাৰে। সেয়া হ'ল যে সেইসকলৰ তেওঁৰ বিষয়ে পূৰ্ণ পৰিচয় নাথাকিব অথবা যদি সেইলোকসকল এনেধৰণৰ যি তেওঁলোকে তেওঁৰ জীৱনৰ প্ৰতিটো ক্ষণক দেখাৰ সুযোগ লাভ কৰিছে তেন্তে ইমানেই প্ৰতিপন্ন হৈ পৰে যে সেই গুৰু মিছলীয়া নহয় তথাপি তেওঁলোকে ইয়াক বুজি উঠে যে সত্যবাদী কিন্তু প্ৰত্যেক ব্যক্তিয়ে নিজকে নিজেই সত্যবাদী বুলি জ্ঞান কৰে, সত্য থকা বুলি ক'ব বিচাৰে কিন্তু ক'ব পৰা নাযায় যে তেওঁৰ মগজুত কিবা দোষ তথা হ'ব পাৰে যি কোনো এনে বিশ্বাসৰ কাৰণে যাক সম্প্ৰদায়ত পোৱা যায় যাৰ লগত তেওঁ সম্পৰ্ক ৰাখে তেওঁ বুজি উঠিছে যে যি কথা মই কৈছো সেয়া পৰমেশ্বৰৰ ফালৰ পৰা কৈছোঁ। এই ভুল ধাৰণা সেইবিলাক জাতিৰ মাজত আছে যি শব্দগত ঐশ্বৰিকবাণীক স্বীকাৰ নকৰে, অতি সৰলতাপূৰ্বক লাগিব পাৰে। কিয়নো তেওঁলোকৰ মাজৰ কোনো ব্যক্তিয়ে এনে আহিব লগা অৱতাৰৰ ক্ষেত্ৰত- যিজন অহাটো প্ৰাচীন গ্ৰন্থত প্ৰতিজ্ঞা কৰা হৈছিল- চিন্তা কৰি আছে তেওঁ কেতিয়া আহিব আৰু কিছু প্ৰসিদ্ধ ৰূপত শত মানুহৰ মাজত আহিব পাৰে তাকে নিজৰ মাজত অনুভৱ কৰি আৰু কেতিয়াবা এই বুলি ভাবি ল'ব পাৰে যে মই সেইজন ব্যক্তি সেয়া বহু সম্ভৱ হয় তথাপি নিশ্চিত হৈ পৰে যদি

কিবা কাৰণ অলপো তেওঁ প্ৰসিদ্ধ হৈ পৰে তেওঁ অতি সাধুতাৰে ইয়াক বুজি উঠে যে যি মই বিবেচনা কৰিছোঁ সেয়া ঈশ্বৰীয় হয় আৰু তাৰ পিছত যেতিয়া তেওঁ বুজি উঠে যে মই সেই আহিব লগা অৱতাৰজন কিয়নো শব্দগত ঐশ্বৰিক বাণীৰ কোনো প্ৰয়োজন নাই, পথ সদায় মুকলি হৈ পৰে। তেওঁৰ প্ৰতিটো চিন্তাধাৰাকে এই ব্যক্তিয়ে ঐশ্বৰিকবাণী বুলি ভাবিব ধৰে।

সেয়ে কেৱল সম্প্ৰদায়ত ত্যাগ আৰু বলিদানৰ ভাৱনাৰ উদয় হোৱা— যি কেৱল সদভাৱনাৰ প্ৰতীক হ'ব নোৱাৰে বা পৰমেশ্বৰৰ পৰা অহা প্ৰতীকো হ'ব নোৱাৰে তথাপি পৰমেশ্বৰৰ গুণ উদয় হোৱাটো আৱশ্যক হয় অৰ্থাৎ কিদৰে এজন পূৰ্ণ মানৱ যি পৰমেশ্বৰৰ ফালৰ পৰা আহিছে পৰমেশ্বৰৰ সৰ্বজ্ঞ, স্ৰষ্টা, জীৱনদাতা, স্বাস্থ্য প্ৰদান কৰোতা, জীৱিকা প্ৰদান কৰোতা আৰু স্বামী আদি গুণৰ প্ৰতীক আছিল। সেইদৰে তেওঁলোকৰ সম্প্ৰদায়ত এনে মানুহৰ সৃষ্টি হৈ পৰে যি তেওঁলোকৰ সংগতিৰকৰ পৰা এনে বিশেষত্ব নিজৰ মাজত উদিত কৰে, ধৰি লওঁক তেওঁৰ দ্বাৰা মৃতক আত্মাৰো এক প্ৰলয় হৈ যাব আৰু এই জগতত প্ৰলয়ৰ বিশ্বাস নথকা জনৰ শেষ উপদেশ হয়।

হজৰত মছীহ মাওউদৰ জামাত পৰমেশ্বৰৰ কৃপাত এই বিশেষত্বক নিজৰ অস্তিত্বৰ মাজত উদিত কৰিছে। আমি ইয়াক ক'ব নিবিচাৰো যে হজৰত ঈছা মছীহৰ লগত পৰমেশ্বৰৰ প্ৰতাপ শেষ হৈ গৈছে সেয়ে মই ক'ব বিচাৰো যে হজৰত মছীহ মাওউদক এজন নৱীন আত্মাৰে আৰ্বিভাৱ কৰিছে। সেয়ে আপোনাৰ সম্প্ৰদায়ত সহস্ৰ মানুহ এনেধৰণৰ আছে যি আপোনাৰ জীৱনৰে পৰা জীৱন লাভ কৰিছে আৰু পৰমেশ্বৰৰ সূক্ষ্ম জ্ঞান লাভ কৰি আৰু তেওঁৰ দ্বাৰা পৰমেশ্বৰৰ লগত একগোট হৈ বিশ্বাসক আৰু দৃঢ় নিশ্চিতিৰ স্থানত প্ৰাপ্ত কৰিব পাৰে তথা পৰমেশ্বৰৰ গুণক তেওঁলোকৰ ভিতৰত উদিত হৈছে আৰু তেওঁ পৰমেশ্বৰৰ গুণক প্ৰদৰ্শন কৰা দাপোন হৈ পৰিছে সেয়ে মই ক'ব বিচাৰো যে আহমদীয়া সম্প্ৰদায়ৰ অধিকাংশ ভাগ এনেধৰণৰ আছে যি নিজৰ মাজতে চমকাৰত্বক দৰ্শন কৰিছে। কোনোবাই কমকৈ বা কোনোবাই অধিক। তথা হজৰত মছীহ মাওউদৰ পুণ্য আপোনাৰ লগতে সমাপ্ত হৈ পৰা নাই যদিও তেওঁৰ প্ৰভাৱ নিৰবিচ্ছিন্নভাবে প্ৰৱাহিত হৈ আছে আৰু যেতিয়ালৈকে

পৰমেশ্বৰে বিচাৰিব আৰু লোকসকলে আপোনাৰ শিক্ষাত চলিবলৈ প্ৰযত্নশীল হৈ থাকিব আৰু এই প্ৰৱাহ চলি থাকিব। সেই পৰমেশ্বৰ অতি দয়ালু আৰু কৃপাময় হয়।

উদাহৰণ হিচাপে দুটা ঘটনা মোৰ নিজৰ মাজতে দাঙি ধৰিছোঁ। এটা হ'ল যে চাৰিটা বছৰৰ হ'ল যে মই এজন আহমদীয়া চিকিৎসকৰ বিষয়ে খবৰ লাভ কৰিলোঁ যে তেওঁক ইৰাকত মাৰি পেলোৱা হ'ল। সেই চিকিৎসৰ মাক-বাপেক বৃদ্ধ আছিল আৰু কিছুদিনৰ আগতে তেওঁলোকে মোক লগ কৰিবলৈ আহিল। যদিও তেওঁলোক কিছু লগৰ মানুহে পত্ৰও লেখি দিছিল যে অমুক স্থানত আৰৱ দেশৰ নিৱাসীয়ে আক্ৰমণ কৰিলে আৰু মৃত্যু হয় কিন্তু মোৰ হৃদয়ত ইয়াৰ ইমান প্ৰভাৱ পৰিল যে বাৰে বাৰে মোৰ হৃদয়ত এই ইচ্ছা জাগ্ৰত হ'ল যে যি হ'ল ভালেই হ'ল যে তেওঁ মৰা নাই তথা বাৰে বাৰে হৃদয়ত প্ৰাৰ্থনা জাগি উঠিল। যদিও মই হৃদয়ক বুজাইছিলো যে কেতিয়াবা মৃতক জীৱিত হ'ব পাৰে ।এতিয়া তেওঁ কৰ পৰা জীৱিত হ'ব পাৰে। দিনটো এনে অৱস্থা হ'ল। পুনৰ নিশা মই সপোন দেখিলো যে চিকিৎসকজন জীৱিত আছে। এই সপোনত মই বৰ আচৰিত হৈ পৰিলো কিন্তু সপোনৰ অৱস্থা এনে আছিল যে মই বুজিছিলো সেয়া পৰমেশ্বৰৰ ফালৰ পৰা আহিছে লাগে মই ভাবিলেও তেওঁৰ মৃত্যু হৈছে তেন্তে তাৰ অৰ্থ আন কিবা হ'ব। সেই সপোনটো সেই চিকিৎসকৰ এজন আত্মীয় যি কাদিয়ানত থাকে মোৰ সৰু ভাইটিয়ে গৈ শুনালে। তেওঁৰ ঘৰলৈ চিঠি লেখিলে যে এইদৰে তেওঁ সপোন দেখিছে। ইয়াৰ কিছুদিনৰ পিছত চিকিৎসকৰ এজন আত্মীয়ৰ পৰা এখন চিঠি আহিল যে তেওঁ এটা টেলিগ্ৰাম কৰিছে তোমালোকে ভয় নকৰিবা মই জীয়াই আছো। শেষত মই অৱগত হ'ব পাৰিলো যে তেওঁক আৰৱৰ লোকে বন্দী কৰি লৈ গৈছে। কিয়নো তেওঁলোকৰ দলৰ সকলো মানুহক আৰৱত বন্দী কৰি পেলোৱা হৈছিল গতিকে তেওঁকো মৃতক বুলি ভাবি লোৱা হৈছিল। আনহাতে সপোনত পৰমেশ্বৰে মোক তেওঁৰ জীৱনৰ জাননী দিলে আৰু ইফালে ইংৰাজ সেনা বাহিনীৰ এটা দ'ল তাত উপস্থিত হৈছিল যিখন গাঁৱত আৰবীয় সকলে তেওঁলোকক বন্দী কৰি থৈছিল। গাঁৱৰ অধিবাসীসকল ভয়ত পলাই গৈছিল

আৰু চিকিৎসকে পলাই বাচি অহাৰ সুযোগ লাভ কৰিলে। পৰমেশ্বৰে এইদৰে তেওঁক দুবাৰ জীৱনদান কৰিলে।

দ্বিতীয়টো উদাহৰণ একেবাৰে সাম্প্ৰতিক। বিগত বাৰ-তেৰ বছৰে প্লেগ যি হজৰত মছীহ মাওউদৰ ভৱিষ্যবাণী অনুসৰি আৰু আপোনাৰ সত্যতাৰ প্ৰমাণ হিচাপে দেশত বিয়পি পৰিছিল, ইয়াৰ প্ৰভাৱ কম হোৱাত আৰু দুই-তিনি বছৰৰ ভিতৰত ইয়াৰ প্ৰভাৱ ইমান কম হৈ পৰিল যে চৰকাৰৰ ফালৰ পৰা আশা জাগি উঠিল যে এতিয়া আৰু প্লেগ আগন্তুক বৰ্ষলৈকে দেশৰ পৰা একেবাৰে নাইকিয়া হৈ পৰিব। কিন্তু মই সেই সময়ত সপোনত এজন প্লেগ ৰোগী আৰু কিছু সংখ্যক ম'হ গলি এটাত দৌৰি থকা দেখিবলৈ পালো। সপোনত ম'হ দেখাৰ অৰ্থ হৈছে ৰোগ হোৱা, মই সেইসময়তে সপোনৰ কথা ঘোষণা কৰি দিলো আৰু উল্লেখ কৰিলো যে এনে লাগিছে যে প্লেগ ৰোগ ভয়াবহ ৰূপত দেশত বিয়পি পৰিব। মোৰ এই ঘোষণা 'আলফজল'ৰ ২৪ নৱেম্বৰ সংখ্যাত প্ৰকাশ কৰা হৈছিল। এই সপোনৰ বিষয়ে প্ৰকাশ হোৱাৰ এতিয়া এমাহ অতিক্ৰম হৈছিল আৰু দেশত প্লেগৰ দমন চক্ৰ আৰম্ভ হৈছিল আৰু ফেব্ৰুৱাৰীত ইয়াৰ তীব্ৰতা অধিক হৈ পৰিছিল। মাৰ্চ, এপ্ৰিল, মেত ইয়াৰ ৰূপ ইমান ভয়াবহ হৈ পৰিছিল যে এটা সপ্তাহৰ ভিতৰত আঠ হাজাৰৰ পৰা তেৰ হাজাৰলোকৰ মৃত্যু হৈছিল। এতিয়ালৈকে ডেৰ লাখৰো অধিক লোক প্লেগৰ দ্বাৰা আক্ৰান্ত হৈ পৰিছিল যিহেতু বিগত পাঁচ বছৰত মৃত্যু হোৱা সংখ্যাই ইয়াৰ তুলনা কৰিব নোৱাৰে।

এই উদাহৰণ মই মাথোঁ উল্লেখ কৰিছোঁ। অন্যথা এশবাৰ পৰমেশ্বৰে নিজৰ গুপ্ত ৰহস্যক মোৰ মাজত উদিত কৰিছিল। এনেদৰে সহস্ৰ আহমদীয়া আছে যাৰ লগত পৰমেশ্বৰে এনে ব্যৱহাৰ কৰে আৰু সেই ব্যৱহাৰ তেওঁৰ বিভিন্ন বিশেষত্বৰ অধীন হৈ পৰে। কিন্তু মনত ৰাখিব লাগে যে পৰমেশ্বৰৰ এই ব্যৱহাৰ মানুহৰ ইচ্ছানুসৰি নহয়। পৰমেশ্বৰ বহু ডাঙৰ নীতিনিৰ্ধাৰক হয়। তেওঁৰ কোনো কথা নীতি তথা বিশেষ ৰহস্যৰে ৰিক্ত নহয়। গতিকে মানুহৰ ইচ্ছাৰ ওপৰত নিৰ্ভৰ নকৰে, মানুহে পৰমেশ্বৰৰ সৰ্বজ্ঞতা বা তেওঁৰ প্ৰবৃত্তি অথবা তেওঁৰ স্বাস্থ্যদাতা শক্তি অথবা জীৱনদান কৰা গুণ

অথবা স্ৰষ্টাৰ বিশেষকত্ব আদি কোষক মুকলি কৰি ল'ব। এই অলৌকিক ব্যৱহাৰ তেওঁৰ বিশেষ ৰহস্যৰ অনুসৰি উদিত হয় আৰু কেৱল মাত্ৰ তেওঁৰ কৃপাতে হয়। হয়, সেই বিশেষ কৃপাৰে নিজৰ ভক্তক জ্ঞান, বিশ্বাস তথা ব্ৰহ্মজ্ঞান বৃদ্ধি কৰাৰ বাবে তেওঁ ভক্তসকলৰ লগত এনেধৰণৰ ব্যৱহাৰ কৰে যি তেওঁক আন লোকতকৈ আনজাতিতকৈ বিশিষ্ট কৰি তোলে। আমি বিশ্বাস কৰো যে যদি সম্প্ৰদায়ে সত্য পথত আৰু শুদ্ধ হৃদয়ে শিৰণত কৰিলে পৰমেশ্বৰে নিশ্চয় তেওঁৰ সন্তুষ্টিৰ বাবে এতিয়াওঁ নিজৰ অপাৰ কৃপায়ে বিশেষত্বৰ প্ৰদৰ্শন কৰিব কিয়নো তেওঁ বিচাৰে যে তেওঁৰ ভক্তই তেওঁ প্ৰদৰ্শন কৰাৰ পথত পৰিচালিত হওঁক তেওঁৰ প্ৰিয় হৈ পৰক তথা ভক্তই পথভ্ৰষ্টতা তথা সত্য মাৰ্গৰ পৰা আঁতৰ হোৱাটো তেওঁৰ বাবে অপ্ৰিয়।

এই কথা প্ৰতিপন্ন হোৱাৰ পিছত যে ইছলামে পৰমেশ্বৰৰ বিষয়ত সম্পূৰ্ণ শিক্ষা দিয়ে আৰু সকলোতকৈ অধিক এয়া যে পৰমেশ্বৰক এই সংসাৰতে লগ কৰাই দিয়ে তথা বিশ্বাসৰ সেই প্ৰান্তত উপনীত কৰে যে ভ্ৰম বা সন্দেহ কৰা মানুহৰ বাবে কোনো সম্ভাৱনাই নাথাকে। তেওঁলোকে আনন্দৰে মৃত্যুৰ অপেক্ষা কৰে কিয়নো তেওঁলোকে জানে যে মই সত্যক প্ৰাপ্ত হৈছো আৰু পৰমেশ্বৰৰ সকলো গুণক এটা এটাকৈ জগতৰ মাজত দেখিছো আৰু মোৰ বাবে মৃত্যুৰ পিছত সদায় পুণ্য তথা অসীম উন্নতিয়ে উন্নতি হয়। ধৰ্মৰ আন উদ্দেশ্যৰ বিষয়ত ইছলামৰ কি শিক্ষা আছে? তাৰ বৰ্ণনা মই আগৰ অধ্যায়ত কৰিম।

## ধৰ্মৰ দ্বিতীয় উদ্দেশ্যচৰিত্ৰ

যদি গুৰুত্বপূৰ্ণভাবে লক্ষ্য কৰা যায় তেন্তে এই উদ্দেশ্যও প্ৰথম উদ্দেশ্যৰ অন্তৰ্গত হয় কিয়নো যি ব্যক্তিৰ পূৰ্ণ ব্ৰহ্মজ্ঞানৰ প্ৰাপ্তি ঘটিছে তেওঁ পাপৰ কাষলৈও যাব নোৱাৰে। যিগৰাকী ব্যক্তিয়ে পাপত যিমানেই লিপ্ত হৈ পৰে সিমানেই অন্ধকাৰৰ মাজত সোমাই পৰে। সেয়ে পৰমেশ্বৰে পৱিত্ৰ কোৰাণত উল্লেখ কৰিছে—

لِلَّذِيْنَ يَعْمَلُوْنَ السُّوْٓءَ بِجَهَالَةٍ (4:18)

অৰ্থাৎ ঃ যিসকলে অজ্ঞতাবশত অসৎ কাৰ্য্য কৰে। পাপৰ বাস্তৱিক কাৰণ হৈছে অজ্ঞতা। মানৱ বুদ্ধিয়ে পৱিত্ৰ কোৰাণৰ এই মতক সমৰ্থন কৰে। কোনো জ্ঞানী লোকে জানি-বুজি জুইত হাত ভৰাই নিদিয়ে। যাৰ জ্ঞান থাকে যে ভোজনত বিষ মিহলি আছে তেওঁ কেতিয়াও তাক গ্ৰহণ নকৰে। যাৰ পৰা অৱগত হৈ  পৰে যে অমুকটো ঘৰৰ ছাদখন সেই সময়ত খহি পৰিব যেতিয়া তেওঁ তাৰ ভিতৰত প্ৰৱেশ কৰিব, তেওঁ কেতিয়াওঁ তাত প্ৰৱেশ নকৰিব। যি জানে অমুক গাতটোত সাপ সোমাই আছে তেওঁ কেতিয়াওঁ তাত হাত সোমোৱাই নিদিয়ে যি জানে অমুক স্থানত বাঘ ওলায় তাত কেতিয়াওঁ বিনা অস্ত্ৰৰে কোনেও নাযায়। সেয়ে যেতিয়া মানুহে অগ্নি, সাপ, সিংহ তথা বিষলৈ ইমান ভয় কৰে তেন্তে কেনেকৈ সম্ভৱ যদি তেওঁৰ পৰমেশ্বৰৰ পূৰ্ণ জ্ঞান হোৱাৰ পিছত ইয়াকো জ্ঞাত হ'ব যে সকলো বেয়া কাম তথা দুৰাচাৰ বিষৰ সমান হয় তথাপি তাতকৈ অধিক সাপ আৰু সিংহৰ সমান হয়, তাতকৈ অধিক পাপ, পংকিলতাত দলে দলে ভৰি থোৱা এনে দুঃসাহস কৰিব নে? যেনেকৈ সেয়া সোৱাদভৰা ভোজন হয় যাক খোৱাটো তেওঁৰ জীৱনৰ আধাৰ হৈ পৰে?

সেয়ে এয়া স্পষ্ট হৈ পৰে যে দুষ্কৰ্ম ব্ৰহ্মজ্ঞানৰ নিম্নতাৰ কাৰণে তথা অজ্ঞানতাৰ কাৰণবশত হয়। গতিকে যি ধৰ্মই ব্ৰহ্মজ্ঞানক উদয় কৰে তাক মানি লোৱা যে নিজৰ অনুগামীৰ বাবে সম্পূৰ্ণ স্বচৰিত্ৰ প্ৰাপ্তিৰ দুৱাৰ মুকলি কৰি দিব কিন্তু এই লেখনিৰ বিশেষ মহত্ব। তথা অধিকাংশ লোকে ইয়াক পছন্দ কৰে যে কিন্তু কিছুমান মানুহে সাধাৰণতে ইয়াৰ পৰা লাভ অৰ্জন কৰিব নোৱাৰে যদিও তেওঁলোকৰ কাৰণে কিছু  অধিক ব্যাখাৰ প্ৰয়োজন আছে। মই সংক্ষেপত সেই উদ্দেশ্যৰ সম্পৰ্কত যি ইছলামৰ শিক্ষা তাৰো বৰ্ণনা কৰিবলৈ আগবাঢ়িছোঁ।

মই পৰমেশ্বৰৰ সত্তাৰ বিষয়ত ইছলামী শিক্ষাক বৰ্ণনা কৰোতে ইয়াকো উল্লেখ কৰিছিলোঁ যে পৰমেশ্বৰৰ শক্তি তথা তেওঁৰ গুণক বৰ্ণনা মাত্ৰত বিভিন্ন ধৰ্মৰে একমত হৈ পৰাত আমাৰ জ্ঞানৰ কোনো লাভ নহয়। যি বিষয় সংসাৰৰ প্ৰয়োজন আছে সেয়া হ'ল পৰমেশ্বৰৰ নামৰ সূচী। সেয়ে এই সূচীত একমত হৈ পৰাটো

বাস্তৱতে সন্মতি বুলি ক'ব পৰা নাযায়।

যেতিয়ালৈকে কোনো ধৰ্মৰ শিক্ষাৰ বিস্তৃত ব্যাখা নিজৰ সূত্ৰ অনুকুলে নহয়, তেন্তে তাৰ বিষয়ত মই ইয়াক ক'ব নোৱাৰো যে সেয়া পৰমেশ্বৰৰ বিষয়ত শুদ্ধ আৰু উচিত শিক্ষাক প্ৰদান কৰে কিয়নো সেয়া সৌহাৰ্দপূৰ্ণ শিক্ষাক সত্যপথত স্তিৰ কৰোতা এই কাৰণে বাধ্য হৈ পৰে যে মানৱ প্ৰকৃতিয়ে তাক স্বীকাৰ কৰিববৈলে প্ৰস্তুত নহয় যে পৰমেশ্বৰৰ প্ৰতি কিবা ভুল বা হ্ৰাস উল্লেখ কৰা হওঁক কিন্তু এই ৰূপত তাৰ দাৰ্শনিক বিশ্লেষণেৰে পৰিপূৰ্ণ ব্যাখাৰ মাজেৰে উপস্থাপন কৰা হওঁক। সেয়ে যেতিয়া ধৰ্মৰ ব্যাখ্যা সেই নাম তথা সূত্ৰ অনুসৰি কৰা নহয় যাৰ সম্পৰ্ক পৰমেশ্বৰৰ লগত সংযোজিত সেই সময়ৰ সীমালৈকে নহয় সেই ধৰ্মৰ অধিকাৰ থাকে যে তেওঁলোকে ইয়াক ঘোষণা কৰক যে তেওঁলোকে সেই গুণক বাস্তৱত স্বীকাৰ কৰে যাক সৌহাৰ্দপূৰ্ণ ৰূপত উপস্থাপন কৰা হয় তথা নতুবা এই সৌহাৰ্দপূৰ্ণতাত আন ব্যক্তিয়ে তাক নিষ্কৰ্ষ কৰি তুলিব পাৰে যে সকলো ধৰ্ম ইয়াত একমত হৈ পৰক। কোনো ব্যক্তিয়ে পানীৰ লগত গাখীৰ মিহলি কৰি দিলেও পানী কেতিয়াওঁ গাখীৰ হৈ নপৰে যেতিয়ালৈকে তাত গাখীৰৰ বিশেষত্ব বিচাৰি পেৱা নাযায়। ঠিক একেদৰে চৰিত্ৰৰো একে অৱস্থা। ধৰ্মক চৰিত্ৰগত শিক্ষাৰ লগত তুলনা কৰি আমি ইয়াক চাব নালাগে যে বিভিন্ন ধৰ্মই সাধাৰণ ৰূপত চৰিত্ৰৰ সন্দৰ্ভত কি ক'ব বিচাৰে কিয়নো মই বুজিব নিবিচাৰো যে কোনো ধৰ্ম সংসাৰত এনে হ'ব যে যি নিজৰ অনুগামীক এই বুলি ক'ব যে যদি তুমি পৰমেশ্বৰক প্ৰসন্ন কৰিব বিচাৰিছা তেন্তে মিছা কোৱা, চোৰ কৰা, অত্যাচাৰ কৰা আৰু আনৰ ধন কাঢ়ি লোৱা আৰু যদি কোনোবাই নিজৰ সম্পত্তি তোমাৰ ওচৰত থৈ দিয়ে তুমি তাক উভতাই নিদিবা, অশ্লীল ভাষা আৰু অপশব্দক নিজৰ স্বভাৱ কৰি লোৱা, কাজিয়া কলহ আৰু বিৰোধীতা কৰাটো নিজৰ জীৱনৰ অভিন্ন অংগ কৰি লোৱা। একেদৰে মই ইয়াকো নাভাবো যে কোনো ধৰ্ম এনে হ'ব যি বুলি ক'ব তুমি সত্য নক'বা, প্ৰেমত কাম নকৰিবা, শুধৰণিক ঘৃণা কৰা, কাৰো লগত ভাল সম্পৰ্ক নাৰাখিবা, আত্মীয়সকলক কাষলৈ আহিব নিদিবা, ভাল মানুহৰ পৰা আঁতৰত থাকিবা, উপকাৰ স্বীকাৰ কৰাৰ ভাৱনাক নিজৰ কাষলৈ আহিব

নিদিবা।

যি ধৰ্মই সংসাৰত প্ৰসিদ্ধ হোৱাৰ কাৰণে তথা বিস্তাৰিত আৰু বিকশিত হোৱাৰ ইচ্ছা ৰাখে, নিজৰ সাময়িক সংসাৰত প্ৰতিষ্ঠিত হোৱাটো বিচাৰে তেওঁ নিশ্চয় চৰিত্ৰৰ এই সকলো ক্ষেত্ৰৰ বিষয়ত সেই শিক্ষাক দিব লাগিব যাক সকলো ধৰ্মতে পোৱা যায়। যদি তেওঁলোকে এনেধৰণৰ নকৰে তেন্তে মানৱ প্ৰকৃতিয়ে ইয়াক প্ৰত্যাহ্বান জনাব আৰু কিছুদিনৰ ভিতৰতে তাক সংসাৰৰ পৰা নিৰ্মূল কৰি দিয়া হ'ব। যদি এই ধৰণৰ শিক্ষা সংসাৰৰ কোনোবা ধৰ্মৰ তৰফৰ পৰা উত্থাপিত হয় তেন্তে তাৰ লাভ হ'ব নোৱাৰে কিয়নো সেই শিক্ষা সকলো ধৰ্মৰ মাজতে পোৱা যায় তথা কোনো ধৰ্মক ইয়াত গৌৰৱ কৰিব লগা কোনো অধিকাৰ নাথাকে তেওঁলোক আনধৰ্মতকৈ ব্যতিক্ৰম আৰু এই ব্যতিক্ৰমতাই জ্ঞানৰ ক্ষেত্ৰত কিবা লাভ প্ৰদান কৰিব নোৱাৰে কিয়নো এই ব্যতিক্ৰম ব্যৱস্থাৰশত নহয় কোনো সত্য প্ৰচেষ্টা তথা পৰিশ্ৰমৰ ফলাফল স্বৰূপ নহয়। মই কিছুমান ধৰ্মৰ অনুগামীসকলৰ প্ৰতি অতি আচৰিত হৈ পৰো যে যেতিয়া তেওঁলোকে নিজৰ ধৰ্মৰ চৰিত্ৰগত শিক্ষাক এটা স্থানত একগোট কৰি লোকসকলৰ মাজত প্ৰচাৰ কৰে আৰু তাত গৌৰৱ কৰে আৰু তাক নিজৰ ধৰ্মৰ সত্যতাৰ প্ৰমাণ বুলি উল্লেখ কৰে, কিয়নো বাস্তৱিকতা এয়া যে সেহ ধৰ্মৰ এই শিক্ষাৰ মাজত কোনো উল্লেখনীয় বিশেষত্ব পাব পৰা নাযায়। সকলো ধৰ্ম লাগে সেয়া যিমানেই প্ৰাচীন নহওঁক তথা সেয়া লাগে যিকোনো অশিক্ষিত প্ৰান্তত হওঁক তথা সেই যুগত ইয়াৰ পালন-পোষণ হওঁক, এই সিদ্ধান্ত সেইবিলাক অংশীদাৰ হয়, গতিকে তথ্য সেয়া হয় যে যি জাতিয়ে ধৰ্মক বুজিব নোৱাৰে আৰু শিক্ষাত অতি অনভিজ্ঞ হয় তথা তেওঁলোকৰ হিচাপ বন্য জাতিৰ মাজত হয়, যদি তেওঁলোকক কৰ্মৰ পৰা উপেক্ষা কৰা নহয় আৰু অতি নম্ৰতাৰে আৰু সৰলতাৰে তেওঁলোকৰ চৰিত্ৰৰ বিষয়ে প্ৰশ্ন কৰা হয় তেন্তে তেওঁলোক শংকিত হৈ নপৰে যদি চৰিত্ৰ বিষয়ে সেইবিলাক কথা যিবোৰ সভ্য ধৰ্মই দাঙি ধৰে। শেষত, এই কথাৰ ওপৰতহে নিজৰ ধৰ্মৰ সত্যতাৰ ভিত্তি থাকে- যাক জ্ঞানৱান ধৰ্মটো বেলেগকৈ থাকে যাক বন্য জাতিৰ মাজতো পোৱা যায়- সৰ্বদা এয়া অনুচিত আৰু অৰ্থহীন কথা হয়। চৰিত্ৰগত

শিক্ষাক তুলনা কৰিবলৈ যিবোৰ কথাক দৃষ্টি থোৱাৰ প্ৰয়োজন সেয়া চৰিত্ৰবোধ, চৰিত্ৰৰ সাধন আধাৰ তথা চৰিত্ৰ গঠনৰ সূত্ৰ, বেয়া কামৰ পৰা আঁতৰি থকাৰ সাধন তথা এনেধৰণৰ কিছুমান আন বিষয় আছে।

## চৰিত্ৰৰ পৰিভাষা

ইয়াৰ পিছত মই এই কথাৰ প্ৰতি ধ্যান আকৰ্ষিত কৰিব বিচাৰো যে চৰিত্ৰৰ পৰিভাষাক বুজিবলৈ মানুহে বহুতো প্ৰতাৰণাৰ সন্মুখীন হ'ব লগা হৈছিল হয়। এই কাৰণেও চৰিত্ৰ গঠন সম্পৰ্কীয় শিক্ষাক ভালদৰে তুলনা হ'ব নোৱাৰে। সাধাৰণতে মানুহৰ ওপৰত সেই প্ৰভাৱ পৰে যে প্ৰেম, ক্ষমা তথা সাহস আদি ভাল চৰিত্ৰ হয় আৰু ক্ৰোধ, ঘৃণা, কঠোৰতা আৰু ভয় আদি বেয়া চৰিত্ৰৰ হয়। সেয়া সকলো মানুহৰ মূল প্ৰবৃত্তি হয় কিয়নো জীৱধাৰীসকলৰ এয়া প্ৰাকৃতিক প্ৰবৃত্তি হয, কিয়নো আমি দেখিছো যে এই বিলাক পশুৰ মাজতো পোৱা যায়। পশুৱে প্ৰেম কৰে, ক্ষমা কৰে, সাহস দেখুৱাই, কঠোৰতা প্ৰদৰ্শন কৰে, ভয় খাই, ঘৃণা কৰে কিন্তু কোনো ব্যক্তিয়ে ইয়াক নকয় যে সেই গৰুজনী চৰিত্ৰৱান হয়, সেই ছাগলীজনী অতি সুন্দৰ চৰিত্ৰৰ স্বাভিমানী হয়, সেই ঘোঁৰাটো উচ্চ চৰিত্ৰৰ। পশুক প্ৰশংসা কৰা এই কথাবোৰ মানুহৰ মাজতো পোৱা যায়, তেন্তে আমি তাক শ্ৰেষ্ঠ চৰিত্ৰ বুলি উল্লেখ কৰো, তাক স্বাভাৱিক প্ৰবৃত্তি বুলিও কোৱা হয়।

সেয়া অতি গভীৰভাবে চিন্তা কৰিব লাগিব সেই পাৰ্থক্য কিয়। যি বিষয়ত মানৱে শ্ৰেষ্ঠ চৰিত্ৰৰ সংজ্ঞা প্ৰাপ্ত হৈছে তাত পশুৱে শ্ৰেষ্ঠ চৰিত্ৰৰ সংজ্ঞা কিয় লাভ নকৰে? ইয়াৰ স্পষ্ট উত্তৰ হৈছে আমি সভ্যতাক জানো যে সেই মূল প্ৰবৃত্তিবোৰৰ নাম চৰিত্ৰ নহয় গতিকে চৰিত্ৰ আন বেলেগ বস্তু হয়। সেই কাৰণে মানুহক চৰিত্ৰৱান বুলি কোৱা হয় কিন্তু পশুক কোৱা নহয়।

এতিয়া এই প্ৰশ্ন উত্থাপন হৈছে যে এয়া কোনবিলাক পাৰ্থক্যৰ কাৰণে এজন ব্যক্তিৰ মাজত সেইবিলাক বিষয় পোৱা যায় যাক চৰিত্ৰ বুলি কোৱা হয় আৰু পশুৰ মাজত লাভ কৰিলে তাক শ্ৰেষ্ঠ চৰিত্ৰ বুলি কোৱা নহয় তাক প্ৰবৃত্তি বুলি কোৱা হয়।

সেয়ে মনত ৰাখিব লাগে যে মূল প্ৰবৃত্তিত যেতিয়া বুদ্ধি আৰু

সুযোগৰ অনুকুল পোৱা যায় তেতিয়া তাক চৰিত্ৰ বুলি কোৱা হয় অন্যথা নহয় আৰু মানুহৰ পৰা আশা কৰা হয় যে তেওঁলোকৰ সকলো কাৰ্য বুদ্ধি আৰু সুযোগৰ অনুকুল তথা অধীন হ'ব কিয়নো সেই বিশেষত্বই আন প্ৰাণীৰ পৰা পৃথক কৰে। সেয়ে মানুহে যেতিয়া প্ৰবৃত্তিক প্ৰয়োগত আনিব পাৰে তেন্তে সুন্দৰ শব্দত তাক চৰিত্ৰ বুলি কোৱা হয় নহ'লে কেতিয়াবা এনেধৰণৰ হ'ব পাৰে যে এজন ব্যক্তিৰ কৰ্মও মূল প্ৰবৃত্তি অনুসৰি হওঁক আৰু এই কাৰণে চৰিত্ৰত তাৰ মূল্যাংকণ কৰা নহয়। থাকিল সেই বিষয় যে লোকসকলৰ মাজত প্ৰসিদ্ধ চৰিত্ৰৰ মূল প্ৰবৃত্তি থাকে। এই কথাৰ পৰা প্ৰতিফলিত হৈছে যে আমি দেখিছো যে তেওঁলোকৰ সন্মুখত কোনোবাই কিবা কৰক আৰু তেওলোকে একো নক'ব তথা কিছুমান লোকৰ প্ৰবৃত্তি এনেধৰণৰ হয় যে প্ৰতিটো কথা যাক তেওঁৰ মগজুৱে নিশ্চিত কৰে তাৰ পৰা পিছলৈ গতি নকৰে। এতিয়া এই দুয়োজন ব্যক্তিৰ বিষয়ে ইয়াক ক'ব পৰা নাযায় যে তেওঁ অতুৎসাহী চৰিত্ৰৰ গৰাকী হয়। কাৰণ তেওঁলোকৰ পৰা এই কাৰ্য কোনো বিশেষ নিশ্চয়ৰ অধীন নহয় গতিকে তেওলোকে ইয়াক কৰিবলৈ বাধ্য হৈ পৰে। সেইদৰে উদাহৰণ কোনো জিভাৰ নহয়, তেওঁলোকে কাকো অপশব্দ প্ৰয়োগ নকৰে অথবা কাৰো সংগ নলয়, তেওঁ কাকো প্ৰহাৰ নকৰে, তেন্তে এনে লোক শ্ৰেষ্ঠতম চৰিত্ৰৰ বুলি কোৱা নহ'ব। তাৎপৰ্য এয়া যে চৰিত্ৰ তাক কোৱা হয় যাক মূল প্ৰবৃত্তিৰ সুযোগ অনুসৰি প্ৰয়োগ কৰা হয়। নতুবা এয়া নহয় যে মূল প্ৰবৃত্তিবোৰক প্ৰয়োগ কৰা হয়।

সেয়ে চৰিত্ৰৰ পৰিভাষা আমি জ্ঞাত হৈ পৰিছো যেতিয়া আমি অতি সুগমতাপূৰ্বক ইয়াক বুজিব পাৰো যি ধৰ্মই আমাক এই শিক্ষা দিয়ে যে তুমি হৃদয়েৰে কোমল হোৱা, অথবা সাহসক প্ৰদৰ্শন কৰা, ক্ষমা কৰা, প্ৰেম কৰা, সেই চৰিত্ৰৰ শিক্ষা নিদিয়ে - গতিকে সেই কথা উল্লেখ কৰিব লাগিব যি আমাৰ প্ৰকৃতিত আমাৰ মাজত জন্মৰে পৰা বিদ্যমান হৈ আছে কিয় পশুৱে কোমলতা প্ৰদৰ্শন নকৰে? কিয় সিহঁতে সাহস প্ৰদৰ্শন নকৰে? কিয় সিঁহতে ক্ষমা নকৰে? কিয় সিঁহতে প্ৰেম নকৰে? কিয় সিঁহতে সহানুভূতি নেদেখুৱাই? আমি প্ৰায় দেখিছো এটা পশুৰ ওচৰত আন এটা পশুৰ বাবে আৰু তাক এক

ব্যতিক্ৰম ভংগীৰে চায় থাকে তাৰ পৰা স্পষ্ট ৰূপে প্ৰতিফলিত হয় যে সিঁহতৰো সহানুভূতি উদয় হয়। বহুবাৰ সিহঁতে প্ৰেমৰ আৱেশত চেলেকি থাকে।

গতিকে এনেধৰণৰ শিক্ষা এয়া যে কোনো ধৰ্মই সেই শিক্ষা দিছে যে— হে লোকসকল আহাৰ গ্ৰহণ কৰা, পানী পান কৰা, টোপনি যেতিয়া আহে শুই পৰা। এই প্ৰাকৃতিক প্ৰবৃত্তিবোৰ পূৰণ কৰাৰ বাবে কোনো ব্যক্তি কোনো ধৰ্মৰ অধীন নহয়। এই আৱশ্যকতাসমূহৰ পূৰণ তেওঁৰ মূল প্ৰবৃত্তিয়ে নিজেই কৰে। যি ধৰ্মই ইয়াত হস্তক্ষেপ কৰিব তেন্তে সেয়া হৈ পৰিব নিজৰ দুৰ্বলতাৰ প্ৰকাশ কৰা কিয়নো অৱগত হৈছে যে চৰিত্ৰ বাস্তৱিকতাত তাৰ কোনো জ্ঞান নাথাকে।

কোনো ব্যক্তিয়ে এনে কোনো দেশ নিৰ্মাণ কৰিব পাৰে নে য'ত মানুহে প্ৰেম নকৰিব অথবা সহানুভূতি তেওঁলোকৰ মাজত পোৱা নাযাব, ক্ষমা তেওঁলোকৰ মাজত প্ৰচলন নহ'ব অথবা দুখীয়াক কোনেও একো নিদিয়ে? অথবা কোনো ব্যক্তি এনে সংসাৰত আছে যি সেই গুণবোৰৰ প্ৰদৰ্শন কৰে আৰু সেইবিলাকৰ পৰা ৰিক্ত? যদি নহয় তেন্তে ধৰ্মই ইয়াত  হস্তক্ষেপ কৰাৰ কি অধিকাৰ থাকিব পাৰে।

এনেদৰে যদি "কোমলতা প্ৰদৰ্শন কৰা, সাহস প্ৰদৰ্শন কৰা"ত ধৰ্মৰ এই অভিপ্ৰায় হয় যে কঠোৰতা প্ৰদৰ্শন নকৰিবা, দণ্ড নিদিবা, ভয়ৰ প্ৰদৰ্শন কোনো ৰূপতে নকৰিবা। তেন্তে নিঃসন্দেহে সেয়া এক নতুন কথা হ'ব। কিন্তু এই কথাও মানৱ স্বভাৱৰ বিৰোধ হ'ব। প্ৰকৃতিয়ে এই বিষয়বোৰ মানুহৰ ভিতৰত দিছে আৰু তাক কোনো কাৰণতে আঁতৰ কৰিব পৰা নাযায় নতুবা ইয়াক ত্যাগ কৰিলে মানৱ লাভান্বিত হ'ব। কিয়নো যি কথা স্বভাৱত বিদ্যমান সেয়া সদায় মানৱৰ বাবে উপযোগী হয়। তাক ত্যাগ কৰিলেই চৰিত্ৰৰ পতন আহি পৰে বা তাত কোনো গুণৰ সৃষ্টি হয়। উদাহৰণস্বৰূপ -নম্ৰ হোৱা, কঠোৰতা প্ৰদৰ্শন নকৰিবা। ইয়াৰ এই অৰ্থ হ'ব যে শিক্ষকে শিক্ষাৰ্থীক কেতিয়াওঁ গালি নেপাৰিব। মাক-বাপেকে সন্তানক কেতিয়াওঁ গালি নেপাৰিব। ৰাজ্য শাসনত নিজৰ বিদ্ৰোহীক কেতিয়াও দমন নকৰিব বা ভয় নেদেখুৱাৰ এই অৰ্থ হ'ব যে লাগে অনুচিত পথত গৈ আছে তাত কোনো বাধা নিদিবা,

তাৰ পৰিণামলৈ ভয় নকৰিবা আৰু কিবা ক্ষতিৰ লাগে সেয়া ধৰ্মৰে হওঁক কোনোধৰণ ভ্ৰূক্ষেপ নকৰিবা। গতিকে কোনো জ্ঞানীয়ে ক'ব নোৱাৰে যে এয়া শ্ৰেষ্ঠতম চৰিত্ৰ হয়। সেয়ে চৰিত্ৰৰ অন্তৰ্গত এই কথাবোৰ আহি পৰে যে মূল প্ৰবৃত্তিবোৰ তাৰ উচিত সময়ত তথা উচিত স্থানত প্ৰয়োগ কৰা হওঁক, কেৱল মাথোঁ মূল প্ৰবৃত্তিত বল দিয়াটো ব্যৰ্থতা হয়। কিছুসংখ্যক মূল প্ৰবৃত্তিত প্ৰতিবন্ধকতা প্ৰয়োগ কৰাটো স্বভাৱৰ বিৰোধ হৈ পৰে, কাজিয়া, কলহ তথা বেয়া উৎপন্ন কৰাৰ কাৰণ হৈ পৰে। সেয়ে সেই ধৰ্মই চৰিত্ৰৰ বাস্তৱিকতাক বুজি উঠে আৰু সেই ধৰ্মই চৰিত্ৰৰ শিক্ষা দিয়ে  যি এই তথ্যানুসৰি নিজৰ আদৰ্শক ঘোষণা কৰে। এনে নহয় যে মাথোঁ প্ৰাকৃতিক প্ৰবৃত্তিক পুনৰাবৃত্তি কৰে। যিমানলৈকে মই বুজিছো কেৱল ইছলামে সেই ধৰ্ম যি এই তথ্যক বুজিছে আৰু চৰিত্ৰক সেই নিয়মত উপস্থাপন কৰিছে। সেয়ে পৱিত্ৰ কোৰাণত পৰমেশ্বৰে কৈছে—

وَجَزٰٓؤُا سَيِّئَةٍ سَيِّئَةٌ مِّثْلُهَا ۚ فَمَنْ عَفَا وَاَصْلَحَ فَاَجْرُهٗ عَلَى اللّٰهِ ۗ

(42:41) اِنَّهٗ لَا يُحِبُّ الظّٰلِمِيْنَ ﴿٤١﴾

অৰ্থাৎ বেয়াৰ প্ৰতিশোধ সিমানেই হওঁক যিমান দোষ আছিল। তথাপি যদি কোনোবাই কাৰোবাক ক্ষতি কৰে আৰু তেওঁ সিহঁতৰ দোষক ক্ষমা কৰে, এই ৰূপত যে তাৰ পৰা শুধৰণি হয় তথা পৰিণাম কলহ যদি নহয় এনে ব্যক্তিৰ পুণ্যফল পৰমেশ্বৰৰ প্ৰতি হয়। তেওঁ অত্যাচাৰিক পছন্দ নকৰে। অৰ্থাৎ যি দোষত অধিক দণ্ড দিয়ে অথবা এই কথাক বুদ্ধিপূৰ্ণতাৰে স্বীকাৰ কৰে যে দোষীক যদি দণ্ড দিয়া হয় তেন্তে তেওঁৰ চৰিত্ৰত আৰু অধিক বিকাৰ আহি পৰিব তথা তেওঁ আগতকৈ অধিক পুণ্য কৰ্মৰ পৰা বঞ্চিত হৈ পৰিব আৰু কেৱল মাত্ৰ কষ্ট দিয়াৰ বাবে দণ্ড দিয়া হৈছে অথবা এয়া প্ৰতীত হৈছে যে সেই ব্যক্তিক যদি ক্ষমা কৰি দিয়া হয় তেন্তে পাপ কৰাৰ সাহস অধিক বৃদ্ধি ঘটিব আৰু আনক ক্ষতি কৰিব, ক্ষমা কৰি দিলে সেই ব্যক্তি অত্যাচাৰী হৈ পৰিব আৰু পৰমেশ্বৰে তেওঁৰ এই কৰ্মক পছন্দ নকৰিব।

এতিয়া লক্ষ্য কৰক ইছলামে কেনেকৈ চৰিত্ৰৰ বাস্তৱিকতাক

উপস্থাপন কৰিছে। প্ৰথমতে উল্লেখ কৰিছে যে দোষক সিমানেই দণ্ড দিয়াটো প্ৰকৃত আদৰ্শ হয়। যদিও এয়া স্বাভাৱিক বিষয় যে যি ক্ষতি কৰে তেওঁক ক্ষতি অনুসৰি ক্ষতি কৰিব লাগে কিন্তু আদেশ যে সেই ব্যক্তিয়ে যদি চৰিত্ৰৱান হ'ব বিচাৰিছে তেওঁ সেই কথাক চিন্তা কৰিব লাগিব যে দণ্ডৰ দ্বাৰা দোষীৰ শুধৰণি সম্ভাৱনা আছে নে ক্ষমাৰ দ্বাৰা তথা প্ৰতিশোধ নল'বা। যদি দণ্ডৰে শুধৰণি হয় তেন্তে কেৱল মাত্ৰ নিজৰ হৃদয়ৰ দুৰ্বলতাৰ কাৰণে তাক ক্ষমা কৰি নিদিব কিয়নো এইদৰে সেই ব্যক্তি শুধৰণিৰ পৰা বঞ্চিত হৈ পৰিব আৰু সেয়া দয়া নহ'ব গতিকে অত্যাচাৰ হ'ব। যি ব্যক্তিয়ে ইয়াক জানিও দণ্ড বা ক্ষমাৰে অমুক ব্যক্তিৰ শুধৰণি হ'ব পাৰে ইয়াৰ বিপৰীত কাৰ্য কৰাটো পৰমেশ্বৰৰ ওচৰত অত্যাচাৰ হৈ পৰিব লাগে সেয়া ক্ষমাকে কৰি দিয়ক কিয়নো এই ক্ষমা, ক্ষমা নহয় তথাপি নিজৰ এজন ভাতৃৰ চৰিত্ৰক জানি-বুজি অনিষ্ট কৰি দিয়াটো।

পয়গম্বৰ ইছলাম হজৰত মহম্মদ (ছাঃ) য়ে এই বিষয়ত বেলেগ অৰ্থত বৰ্ণনা কৰিছে। আপোনাৰ পৱিত্ৰ কথন হ'ল যে—

ইন্নামাল আমালু বিন্নায়াতি (বুখাৰী)

অৰ্থাৎ মানবীয় কৰ্ম সেয়া যে কোনো নিশ্চিত তথা ভাৱনা অনুসৰি কৰা হয়। অৰ্থাৎ যি কাৰ্য কেৱল মূল প্ৰবৃত্তিৰ আবেগৰ অধীন হৈ কৰা হয় সেয়া কেতিয়াও মানবীয় কৰ্ম বুলি ক'ব পৰা নাযায় সেয়া এক পাশৱিক প্ৰবৃত্তি হ'ব। যদি ঘোঁৰা আৰু গাধ এই পৰিস্থিতিত হয় তেন্তে সিহঁতেও সেইদৰে কৰিল হয়। গতিকে যেতিয়ালৈকে মনন আৰু চিন্তনৰ দ্বাৰা কাৰ্যৰ সকলো ক্ষেত্ৰক পৰ্যাবেক্ষণ কৰি কোনো নিশ্চিয়তা স্থিৰ কৰিব পৰা নাযায় তথা সেই অনুসৰি কাম কৰিব নালাগে তাক চৰিত্ৰ অথবা মানবীয় কৰ্ম বুলি ক'ব পৰা নাযায়।

উপযুক্ত বিৱৰণৰ পৰা ভালদৰে অৱগত হ'ব পাৰে যে ইছলামে চৰিত্ৰৰ বাস্তৱিকতাক ভালদৰে বুজিছে আৰু সেই অনুসৰি শিক্ষা দিয়ে। সেই ধৰ্মই চৰিত্ৰৰ শিক্ষাৰ আধাৰত তাৰ প্ৰতিদ্বন্দ্বিতাত আগবাঢ়ি আহিব পাৰে যি প্ৰথমতে ইয়াক প্ৰতিপন্ন কৰে যে তেওঁলোকেও চৰিত্ৰক বুজি উঠে আৰু সেই অনুসৰি শিক্ষা দিয়ে। অন্যথা মূল প্ৰবৃত্তিক উল্লেখ কৰি তাৰ নাম চৰিত্ৰগত শিক্ষা দিয়াটো অত্যাচাৰ তথা অন্যায় হয়।

ইয়াক উল্লেখ কৰাৰ পিছত ইছলামৰ বাবে ভাল আচৰণৰ অৰ্থ এয়া যে মানুহে মূল প্ৰবৃত্তিক বুদ্ধি আৰু সুযোগ অনুসৰি প্ৰয়োগত আনিব তথা বেয়া আচৰণৰ অৰ্থ এয়া যে কোনো নভবা-নিচিন্তাকৈ অসময়ত তথা সুযোগহীনভাবে তথা অনুচিত স্থানত মূল প্ৰবৃত্তিক প্ৰয়োগ কৰা, মই উদাহৰণ হিচাপে কিছুমান আদৰ্শৰ বিষয়ক ইছলামী শিক্ষাত উপস্থাপন কৰিছোঁ যাৰ পৰা বিদিত হৈছে যে কিদৰে প্ৰতিটো মূল প্ৰবৃত্তিক ইছলামৰ সীমাৰ ভিতৰত ৰাখি তথা তাত শ্ৰেষ্ঠতম ফলাফল পাব পৰা যায়।

## চৰিত্ৰৰ সম্বন্ধ হৃদয় আৰু শৰীৰ দুয়োটাৰে লগত

মনত ৰাখিব লাগে যে ইছলামে চৰিত্ৰক দুটা ভাগত বিভক্ত কৰিছে অৰ্থাৎ চৰিত্ৰৰ এটা ভাগ হৈছে হৃদয়ৰ পৰা হোৱা সম্বন্ধ , যাক হৃদয়গত চৰিত্ৰৰ সংজ্ঞা দিয়া হৈছে ,দ্বিতীয়টো চৰিত্ৰৰ সেইটো অংশ যি শৰীৰৰ বাহ্যিক ৰূপৰ লগত সম্পৰ্ক ৰক্ষা কৰে যাক দৈহিক চৰিত্ৰৰ সংজ্ঞা প্ৰদান হৈছে। আৰু এইদৰে চৰিত্ৰক স্তৰক বহু উচ্চত স্থান দিয়া হৈছে। সেয়ে পৱিত্ৰ কোৰাণত উল্লেখ কৰা হৈছে—

وَلَا تَقۡرَبُوا الۡفَوَاحِشَ مَا ظَهَرَ مِنۡهَا وَمَا بَطَنَ ۚ (6:152)

অৰ্থাৎ তুমি বেয়া কামৰ কাষলৈকো নাযাবা। আৰু সেই বেয়া কামবোৰ যিবোৰৰ বিষয়ে মানুহ অৱগত হয় বা নহয় আৰু সেইবোৰৰ বিষয়ে যি গুপ্ত যিবিলাক মানুহৰ চকুৰ সন্মুখলৈ আহিব নোৱাৰে অৰ্থাৎ মাথোঁ হৃদয়ৰ লগত সম্পৰ্ক ৰাখে। যাক জানিবলৈ কোনো বাহ্যিক সামগ্ৰী লোকসকলৰ ওচৰত নাথাকে অথবা তাক কৰোতাজনে নিজেই উল্লেখ কৰে।

সেইদৰে পৰমেশ্বৰে উল্লেখ কৰিছে—

مَا فِیۡۤ اَنۡفُسِکُمۡ اَوۡ تُخۡفُوۡہُ یُحَاسِبۡکُمۡ بِہِ اللّٰہُ ؕ (2:285)

অৰ্থাৎঃ- যদি তুমি প্ৰকাশ কৰা যি তোমাৰ হৃদয়ত আছে অৰ্থাৎ সেই অনুসৰি আচৰণ কৰা তেতিয়াওঁ আৰু যদি তুমি তাক তোমাৰ হৃদয়ত গোপন কৰা। অৰ্থাৎ কেৱল হৃদয়ৰ বিবেচনাৰলৈকে সীমিত থোৱা। শৰীৰৰ সেই অনুসৰি কোনো ক্ৰীয়া নকৰিবা তেতিয়াওঁ পৰমেশ্বৰ সেই সন্দৰ্ভত তোমাক প্ৰশ্ন কৰিব

অৰ্থাৎ সুধিব তুমি কিয় হৃদয়ত বেয়া কামক স্থান দিলা অথবা তুমি কিয় বেয়া আচৰণ কৰিলা।

মানবীয় কৰ্মৰ আভ্যন্তৰত আৰু বাহ্যিকতাৰ দুটা ভাগত ভাগ কৰাৰ পিছত ইছলামে পুনৰ তাক দুটা ভাগত ভাগ কৰিছে। অৰ্থাৎ তাৰ মাজত কিছুক ভাল বুলি কৈছে আৰু কিছুক বেয়া বুলি । সেয়ে পৰিত্ৰ কোৰাণত উল্লেখ কৰা হৈছে—

(11:115) اِنَّ الۡحَسَنٰتِ یُذۡهِبۡنَ السَّیِّاٰتِ ؕ

অৰ্থাৎ চৰিত্ৰ দুই প্ৰকাৰৰ হয়। এটা স্বচ্ছ চৰিত্ৰ আনটো অস্বচ্ছ চৰিত্ৰ। স্বচ্ছ চৰিত্ৰই অস্বচ্ছৰ চৰিত্ৰত বিজয় লাভ কৰে অৰ্থাৎ যি ব্যক্তিয়ে স্বচ্ছ চৰিত্ৰক গ্ৰহণ কৰে তেওঁ পোনে পোনে বেয়া চৰিত্ৰত বিজয় প্ৰাপ্ত হয়। পুনৰ ভাল চৰিত্ৰ আৰু বেয়া চৰিত্ৰটোকো দুটা ভাগত ভাগ কৰা হৈছে অৰ্থাৎ সেই চৰিত্ৰ যাৰ প্ৰভাৱ মাথোঁ নিজৰ অস্তিত্বৰ ওপৰতহে পৰে আৰু আনটো যাৰ প্ৰভাৱ আনৰ ওপৰত পেলোৱাৰ নিশ্চয়তা কৰা হয় অথবা আনৰ অস্তিত্বত তাৰ প্ৰভাৱ পৰে।

উপৰোক্ত বিভাজনৰ পৰা আপোনালোকে ভালদৰে বুজি পাইছে যে ইছলামে আন ধৰ্মৰ তুলনাত চৰিত্ৰক বিস্তৃত কৰি দিছে অৰ্থাৎ চৰিত্ৰৰ বিস্তাৰ ক্ষেত্ৰ কেৱল আনৰলৈকে সীমিত নহয় গতি স্বয়ং মানুহৰ আত্মাকো তাৰ লগত সংযুক্ত কৰি দিয়া হৈছে। সেয়ে পৰিত্ৰ কোৰাণত স্পষ্টৰূপত এই বিষয়ত উক্ত শব্দৰ দ্বাৰা উল্লেখ কৰা হৈছে—

یٰۤاَیُّهَا الَّذِیۡنَ اٰمَنُوۡا عَلَیۡکُمۡ اَنۡفُسَکُمۡ ۚ لَا یَضُرُّکُمۡ مَّنۡ ضَلَّ اِذَا اهۡتَدَیۡتُمۡ ؕ
(5:106)

অৰ্থাৎ নিজেই নিজৰ সম্পৰ্কত সাৱধান হোৱা তথা তেওঁ আধ্যাত্মিক অধিকাৰ তেওঁক দিয়া। ইমানলৈকে যে যদি কোনো ব্যক্তিৰ মুক্তি এইদৰে সম্ভৱ বুলি ভৱা হয় যে তুমি নিজকে নিজেই পাপৰ বোকাত পেলাই লোৱা যদি কেতিয়াওঁ এনে নকৰিবা কিয়নো কোনো ব্যক্তি তোমাৰ উপদেশত স্থিৰ হৈ থাকিবলৈ আৰু পুণ্য গ্ৰহণ কৰাত পথভ্ৰষ্ট হৈ পৰে তেন্তে পৰমেশ্বৰে এই কাৰণত তোমাৰ

ওপৰত অপ্ৰসন্ন নহ'ব আৰু কেতিয়াওঁ নকয় যে তুমি কিয় বেয়াক গ্ৰহণ কৰি সেই ব্যক্তিক পাপৰ পৰা উদ্ধাৰ নকৰিলা। পয়গম্বৰ ইছলাম হজৰত মোহাম্মদ (ছাঃ) য়ে কৈছে—

ওৱা লিনাফছিকা আলাইকা হাক্কুন (মছনদ আহমদ বিন হাম্বল জিলদ ২)

অৰ্থাৎ তোমাৰ নিজৰো তোমাৰ ওপৰত স্বত্ব আছে কেৱল আনলোকৰ চিন্তাই আৱশ্যক নহয় তথাপি নিজৰ লগত আন্তৰিক তথা বাহ্যিক পুণ্য কৰা অৰ্থাৎ তাৰ আধ্যাত্মিক তথা শাৰীৰিক পালন-পোষণ কৰাটো তোমাৰ বাবে আৱশ্যক হয়।

ইছলামৰ এই শিক্ষা অনুসৰি যি ব্যক্তিয়ে স্পষ্টৰূপত গৌৰৱ কৰে কেৱল তাকে বেয়া চৰিত্ৰ বুলি কোৱা নহ'ব কিয়নো যি ব্যক্তিয়ে বাহ্যিক ৰূপত সত্যবাদী তথা নম্ৰতাৰ প্ৰদৰ্শন কৰে কিন্তু নিজৰ হৃদয়ত গুপুত কোণত অহংকাৰী চিন্তা ৰাখে তেওঁ ইছলামৰ ওচৰত বেয়া চৰিত্ৰৰ হ'ব। কিয়নো লাগে তেওঁ আন ব্যক্তিক বেদনা দিয়া নাই কিন্তু নিজক নিজেই বেয়া কৰি দিলে আৰু অপৱিত্ৰ কৰিলে। সেয়ে পৰমেশ্বৰে পৱিত্ৰ কোৰাণত এই পাৰ্থক্যক নিম্নলিখিত আয়াতত বৰ্ণনা কৰিছে—

لَقَدِ اسْتَكْبَرُوْا فِيْٓ اَنْفُسِهِمْ وَعَتَوْ عُتُوًّا كَبِيْرًا ﴿٢٢﴾ (25:22)

অৰ্থাৎ সেইলোকসকলে নিজৰ হৃদয়তো গৌৰৱ কৰিছে আৰু বাহ্যিক ৰূপতো লোকক নিজৰ বদান্যতা প্ৰকাশ কৰিছে। এনেদৰে যদি কোনো ব্যক্তিয়ে নিজৰ হৃদয়ত কাৰোবাৰ বিষয়ে বেয়া ধাৰণা পোষণ কৰে তেন্তে ইছলামে ইয়াক দুৰাচৰণ বুলি ক'ব। লাগে তেওঁ সেই বিচাৰক প্ৰকাশ কৰক বা নকৰক সেয়ে পৰমেশ্বৰে উল্লেখ কৰিছে—

اِنَّ بَعْضَ الظَّنِّ اِثْمٌ (49:13)

অৰ্থাৎ— হৃদয়ৰ কিছুমান বিচাৰ পাপ হয়। অৰ্থাৎ যেতিয়া সেইবোৰ কুবিচাৰত আধাৰিত হয়। এনেধৰণে অত্যাচাৰ তথা কলহ আৰু কোনো ধৰণৰ ব্যাপক ক্ষতি কৰা আদি কুবিচাৰ বা সকলো দুৰাচাৰ হয়। এনে ব্যক্তি যি ইয়াৰ সমভাগী

হয় লাগে সাহসৰ নিম্নতা তথা সামগ্ৰী নোপোৱাৰ কাৰণে স্পষ্ট ৰূপত সেই অনুসৰি কাম কৰিব নোৱাৰে সেয়া ইছলামৰ অনুসৰি দুৰাচাৰ হয় আৰু কেতিয়াওঁ তেওঁৰ লগত কৰ্মৰ আধাৰত স্বচ্ছৰিত্ৰৱান ব্যক্তি বুলি ধৰি লোৱা নহ'ব। সেইদৰে যি ব্যক্তিয়ে হৃদয়ত লোকসকলৰ বিষয়ত সুন্দৰ চিন্তা ৰাখে তেওঁৰ কল্যাণ বিচাৰে আৰু তেওঁৰ লাভ প্ৰদান কৰিব বিচাৰে। যদি আহিলাৰ অভাৱত অথবা সুযোগ নোপোৱাৰ কাৰণে এই চিন্তা-ধাৰণাক কাৰ্যকৰ ৰূপত পৰিগণিত কৰিব নোৱাৰে তেন্তে পুণ্যাচৰণ কৰা ব্যক্তিক স্বচ্ছৰিত্ৰ ব্যক্তি বুলি ধৰি লোৱা হ'ব।

কিন্তু এই নিয়মত এক অপবাদ আছে। সেয়া হ'ল যে যি ব্যক্তিৰ হৃদয়ত বেয়া আচৰণৰ কুচিন্তা আহে। উদাহৰণস্বৰূপে নিজৰ ভায়েকসকলৰ প্ৰতি কুবিচাৰৰ ভাৱ জাগি উঠা। অথবা গৰ্ব বা স্পৰ্ধা বা ঘৃণা যদি হয় সেয়া দুৰাচৰণ বুলি ভাবি লোৱা নহ'ব কিয়নো এনে ব্যক্তিয়ে বাস্তৱত দুৰাচৰণৰ সন্মুখীন হয় আৰু প্ৰশংসাৰো পাত্ৰ হয়। এইদৰে যি ব্যক্তিৰ হৃদয়ত এক ক্ষণিক পুণ্য চিন্তা উৎপন্ন হয় অথবা হৃদয়ত সদব্যৱহাৰ কৰাৰ ক্ষণিক চিন্তা উদয় হৈছে কিন্তু তাক বিকশিত হ'বলৈ নিদিয়ে এনে ব্যক্তিক উত্তম চৰিত্ৰ ব্যক্তি বুলি ধৰি লোৱা নহ'ব। কিয়নো যেনেদৰে সিদ্ধ কৰা হৈছে চৰিত্ৰ সেয়া হয় যাৰ নিশ্চিত পৰিণাম থাকে গতিকে বাহ্যিক প্ৰভাৱৰ পৰিণাম স্বৰূপে বিনা নিশ্চিতিয়ে উৎপন্ন হয়। সেয়ে পৱিত্ৰ কোৰাণ কৈছে—

وَلٰكِنۡ يُّؤَاخِذُكُمۡ بِمَا كَسَبَتۡ قُلُوۡبُكُمۡ ؕ (2:226)

অৰ্থাৎ ঃ “ কিন্তু পৰমেশ্বৰে কেৱল সেই চিন্তাক ধৰি লয় যি নিশ্চিত তথা চিন্তনৰ পৰিণাম স্বৰূপ উৎপন্ন হয় এনে নহয় যে সেয়া নিজেই উৎপন্ন হৈ পৰিছে আৰু তাক তুমি শীঘ্ৰে হৃদয়ৰ পৰা উলিয়াই দিছা।” পয়গম্বৰ ইছলাম হজৰত মহম্মদ (ছাঃ)য়ে ইয়াৰ ব্যাখা এনেদৰে কৰিছে যে কুবিচাৰ সহজে উদয় হোৱাত যি ব্যক্তি তাৰ বিচাৰক বাহিৰ কৰি দিয়ে আৰু তাৰ কোনো আচৰণ নকৰে, এনে ব্যক্তিয়ে পুণ্যকৰ্ম কৰে আৰু সুফলৰ অধিকাৰী হয়। আপোনাৰ কথন হৈছে—

ওৱা মান হাম্মা বিছায়িআতিন ফালাম ইয়ামালহা কাতাবাহাল্লাহু ইনদাহু

হাছানাতান কামিলাতান (বুখাৰী)

'অৰ্থাৎ- যদি কোনো ব্যক্তিৰ হৃদয়ত কুবিচাৰে জন্ম লয় আৰু তেওঁ তাক হেঁচা মাৰি ৰাখে আৰু তেওঁ সেই অনুসৰি কামনা কৰে তেতিয়া পৰমেশ্বৰে তেওঁৰ পক্ষত এক সম্পূৰ্ণ পুণ্য লেখিব অৰ্থাৎ কুবিচাৰক দমন কৰাৰ ফলস্বৰূপে তেওঁ পুণ্য ফল লাভ কৰিব।

এনেধৰণৰ পাৰ্থক্য পৰমেশ্বৰে বাহ্যিক কাৰ্যকলাপৰ মাজতো দৃষ্টি নিক্ষেপ কৰিছে। সেয়ে পৰমেশ্বৰে উল্লেখ কৰিছে—

وَيَجْزِيَ الَّذِيْنَ اَحْسَنُوْا بِالْحُسْنٰى ۝٣٢ اَلَّذِيْنَ يَجْتَنِبُوْنَ كَبٰٓئِرَ الْاِثْمِ وَالْفَوَاحِشَ اِلَّا اللَّمَمَ ؕ (53:32-33)

অৰ্থাঃ পৰমেশ্বৰে সৎ ব্যক্তিক পুণ্য ফল দিব যিহেতু সৰু-বৰ প্ৰতিটো দুৰাচৰণৰ পৰা বাচি থাকে এনেধৰণৰ হয় যে তেওঁ কিবা ক্ষণিক আবেগত কোনো পাপৰ দিশে শিৰণত কৰে কিন্তু শীঘ্ৰে নিজকে সন্তোলিত কৰি নিজৰ ভৰি পিছলৈ আনে। তাৎপৰ্য এয়া যে ক্ষণিক আবেগৰ অধীনস্থ অথবা অসাৰধানতাৰে কোনো ব্যক্তিয়ে পথচ্যুত হয় কিন্তু যেনেকৈ তেওঁৰ আত্মাই এই কথা অনুভৱ কৰিব আৰু তেওঁ বুজি উঠিব যে অমুকটো কাৰ্য কৰিবলৈ লৈছোঁ তেতিয়া তাতে স্থগিত হৈ পৰে আৰু নিজে নিজক সুৰক্ষিত দিশলৈ টানি আনে তেন্তে সেয়া দুৰাচাৰ বুলি ধৰি লোৱা নহ'ব গতিকে তেওঁৰ এই কাৰ্য প্ৰশংসনীয় হ'ব। লগতে সেই ব্যক্তি এগৰাকী সৈনিকৰ দৰে হৈ পৰিব যি নিজৰ দেশৰ বাবে যুদ্ধ কৰি আছে কিন্তু এতিয়াও বিজয়ৰ মুখ তেওঁ দেখা নাই।

চৰিত্ৰৰ বিষয়ত পূৰ্ণৰূপত ইছলামৰ শিক্ষা বৰ্ণনা কৰাৰ পিছতেই মই কিছু আচৰণ উদাহৰণ হিচাপে উল্লেখ কৰিব বিচাৰিছো কিয়নো বিষয়টো ইমানেই ব্যাপক যে যদি ইয়াৰ সমগ্ৰ ক্ষেত্ৰৰ পূৰ্ণ বিৱৰণ উপস্থাপন কৰা হয় তেন্তে ইয়াৰ বাবে অত্যাধিক সময় লাগিব। মই মোৰ অধ্যায়ত আন প্ৰসংগ বাদ দি কেৱল এই কথাক দৃষ্টিত ৰাখিম যি চৰিত্ৰ পৰিভাষাত মই উল্লেখ কৰিছিলো অৰ্থাৎ চৰিত্ৰ মূল প্ৰবৃত্তিৰ উচিত সময়, উচিত স্থিতি তথা উচিত সুযোগ প্ৰয়োগ কৰাৰ আন এটা নাম। সেয়ে ইয়াৰ বাবে মই আন প্ৰসংগসমূহক

বাদ দিব লাগিব কিন্তু মই ভাবো যে এই বিভাজন অতি প্ৰভাৱশালী তথা লাভজনক হ'ব।

সৰ্বপ্ৰথম মই মানুহৰ মূল প্ৰবৃত্তিতৰ পৰা কৰুণা, প্ৰতিশোধ বা প্ৰতিহিংসাক লৈছো। মানুহ আৰু পশু দুয়োটাৰে মাজত এই প্ৰবৃত্তি পোৱা যায় যে সেয়া সাধাৰণতে আনৰ পৰা নিজকে ৰক্ষা কৰাৰ বা কষ্ট পোৱাৰ পৰা বাচিবলৈ আৰু আনৰ দুখে তেওঁৰ হৃদয়ত এক বিশেষ প্ৰভাৱ পেলায় সেই কাৰণে তেওঁ সেই কষ্টক নিজেই অনুভৱ কৰে। এজন ৰোগী বজাৰত পৰি থকা দেখা গ'ল তেতিয়া প্ৰায় সংখ্যক লোকৰে হৃদয়ত সেই বিষয়ে এক আকৰ্ষণ আৰু পীড়াৰ অনুভৱ কৰিবলৈ ধৰে। হয়, সেই লোকসকল অপবাদ যি কোনো কঠোৰ কাৰ্যত ব্যস্ত হৈ আছে অথবা যাৰ কোনো এই কাৰ্যত কিবা দুখ অনুভৱ নহ'ল। এই অন্তিম অৱস্থাত প্ৰায় দেখা যায় যে কিছু সংখ্যক লোক সেই আক্ৰান্ত ব্যক্তিজনৰ অৱস্থাৰ প্ৰতি প্ৰসন্ন হৈ পৰে। ইয়াক প্ৰতিহিংসাৰ ভাৱনা বুলি কোৱা হয়। এই অৱস্থাটো এক পৃথক ভাৱনা আছে। তথা এনে সময়ত উদিত হৈ পৰে যেতিয়া কোনোবাই কাৰোবাৰ পৰা কোনো কষ্ট ভোগ কৰে। তেওঁৰ এই দশা হয় যে সেই সময়ত মানুহৰ হৃদয়ে বিচাৰে যে মই এই কষ্ট দিয়া জনক কষ্ট দান কৰো লগতে এনে কৰিব লাগে যে এই ব্যক্তিয়ে ইয়াক বুজি উঠে যে মই কষ্ট দিলে তেওঁ দুখ পাব আৰু ইয়াক বিবেচনা কৰি তেওঁৰ হৃদয়ত কষ্ট অনুভৱ হ'লে আৰু আনৰ কাৰণে সহানুভূতি তথা কৰুণাৰ অনুভূতি জাগি উঠিলে এয়া সেই বিবেচনাত যে, আনে কষ্ট পাব প্ৰায় আনন্দৰ অনুভৱ কৰিবলৈ ধৰে।

প্ৰতিশোধ লোৱা ভাৱনা যেতিয়া নিয়মৱদ্ধ নহয়, তেতিয়া বহুকেইটা ৰূপত প্ৰকাশ হয়। কেতিয়াবা যাক কষ্ট দিয়া হয় তেওঁ সেই ব্যক্তিক দণ্ড দিয়ে যাৰ পৰা তেওঁ কষ্ট দিবলৈ সমৰ্থ হৈ পৰে অথবা ভাবে যে মই সমৰ্থ হৈছো। সেই সময়ত তেওঁ যিকোনো প্ৰকাৰৰ কষ্ট দিয়ে অথবা দিব বিচাৰে। যাৰ পৰা তেওঁৰ উদ্দেশ্য এয়া হৈ পৰে যে কষ্ট দিয়া জনৰ হৃদয়তো সেইদৰে দুখ অনুভৱ হয় যিদৰে মই অনুভৱ কৰিছোঁ। কেতিয়াবা এনে হয় যে যি কষ্ট দিছিল তেওঁ অধিক শক্তিশালী হয় অথবা তেওঁৰ আত্মীয়-শুভাকাংশী অধিক

শক্তিশালী হয় অথবা কষ্টগ্ৰস্ত ব্যক্তিয়ে বুজি উঠে যে বাস্তৱিক কষ্ট দিয়াৰ প্ৰভাৱ লোকসকলৰ ওপৰত ভাল নহয়, তেওঁ তাক বেয়া বুলি ভাবে অথবা আন কোনো কাৰণ এনেদৰে জাগি উঠে যে এয়া তেওঁৰ বাস্তৱিক ক্ষতি হোৱা নাই অথবা দিব নিবিচাৰে তথাপি সেই সময়ত নিজৰ কথাত তেওঁৰ বিৰুদ্ধে অপশব্দ অথবা দোষাৰোপ অস্ত্ৰ কৰি তোলে কিন্তু এয়া কেতিয়াবা কেতিয়াবা হয় যে যিজন ব্যক্তি তেওঁৰ বিৰোধ হয় তেওঁ ইমান শক্তিশালী যে কথাৰেও তেওঁক কিবা ক'বলৈ নিবিচাৰে তেন্তে তেওঁৰ লগত কথা বতৰা তথা সংগ ত্যাগ কৰি দিয়ে আৰু যতাযথ ইমান শাস্তি দিবলৈকো সাহস নাথাকে তেন্তে হৃদয়ত তেওঁৰ প্ৰতি বিদ্বেষ ৰাখি তেওঁৰ কষ্টত আনন্দ অনুভৱ কৰে আৰু তেওঁৰ সফলতাত অপ্ৰসন্ন হৈ পৰে।

সেয়ে প্ৰতিহিংসা ভাৱনা প্ৰাকৃতিক মূল প্ৰবৃত্তি হয় তাৰ পৰা বহু প্ৰকাৰৰ কৰ্ম কৰায়। এই ক্ৰিয়াবোৰত বুদ্ধিৰ অংকুশ থৈ স্বাধীনভাবে কাম কৰাৰ অনুমতি প্ৰদান নকৰাটোৰ নামেই হ'ল স্বচ্ছৰিত্ৰ হয় আৰু তেওঁৰ বুদ্ধিৰ অংকুশৰ পৰা নিৰকুংশ কৰি দিয়া তথা অসময়ত বা সেই সুযোগ প্ৰয়োগ কৰাৰ নাম হ'ল- দুশ্চৰিত্ৰ হয়। এই প্ৰাকৃতিক প্ৰবৃত্তিক চৰিত্ৰত পৰিণত কৰাৰ বাবে ইছলামে নিম্নলিখিত প্ৰতিবন্ধকতাক বৰ্ণনা কৰে।

প্ৰথম প্ৰতিবন্ধ ইয়াক লাগে যে—

فَمَنِ اعْتَدٰى عَلَيْكُمْ فَاعْتَدُوْا عَلَيْهِ بِمِثْلِ مَا اعْتَدٰى عَلَيْكُمْ ۠

(2:195)

অৰ্থাৎঃ যি ব্যক্তিয়ে তোমাৰ ওপৰত অত্যাচাৰ কৰে তুমি তাৰ সলনি প্ৰতিশোধত সিমানেই শাস্তি তেওঁক দিব পাৰা। এই আদেশ সকলোৰে বাবে হয় আৰু এনে লোকৰ বাবে হয় যি জ্ঞান তথা বুদ্ধিক উচ্চতম স্থানত উপনীত নকৰে যে আদেশক সূক্ষ্মতাৰে বুজিব পাৰে। যি লোক তেওঁতকৈ অধিক জ্ঞানী তেওঁৰ বিষয়ে নিম্নলিখিত প্ৰতিবন্ধ নিশ্চিত কৰিছে—

فَمَنْ عَفَا وَاَصْلَحَ فَاَجْرُهٗ عَلَى اللّٰهِ ؕ اِنَّهٗ لَا يُحِبُّ الظّٰلِمِيْنَ ۝

(42:40)

অৰ্থাৎ যি লোকে আনৰ অপৰাধক ক্ষমা কৰে সেই ৰূপত যাক কৰিলে শুধৰণি আহে। সেইলোকসকলে পৰমেশ্বৰৰ ফালৰ পৰা শুভপন্দ্ৰ লাভ কৰিব। পৰমেশ্বৰে অত্যাচাৰীক পছন্দ নকৰে অৰ্থাৎ যি লোকে সেই সময়ত ক্ষমা কৰে যেতিয়া ক্ষমা কৰিলে পাপৰ বৃদ্ধি হয় অথবা সেই সময়ত শাস্তি দিয়ে যেতিয়া শাস্তিৰ পৰা পাপ বৃদ্ধি হয় তেওঁ দুয়ো অত্যাচাৰী হ'ব তথা পৰমেশ্বৰে অত্যাচাৰ পছন্দ নকৰে। ধৰি লোৱা কৰুণাৰ পৰিণাম যিদৰে স্পষ্ট ৰূপত ক্ষমা হয় তথা প্ৰতিশোধৰ ভাৱনাৰ পৰিণাম স্পষ্ট ৰূপত শাস্তি হয়, দুয়োটাৰ বাবে এই প্ৰতিবন্ধকতা আৰোপ কৰা হৈছে যে যেতিয়া ক্ষমাৰ পৰিণাম সেই ব্যক্তিৰ বাবে ভাল হয় যাৰ পৰা অপৰাধ হৈ গৈছিল তেন্তে সেই সময়ত তেওঁক ক্ষমা কৰিব লাগে আৰু কৰুণাৰ ভাৱক নিজৰ কাম কৰিবলৈ দিব লাগে তথা যেতিয়া শাস্তিৰ পৰা লাভ হয় আৰু শাস্তিৰ দ্বাৰা অত্যাচাৰীৰ শুধৰণি হয় তেন্তে সেই সময়ত শাস্তি দিব লাগে আৰু প্ৰতিশোধৰ ভাৱনাক নিজৰ কাম কৰিবলৈ দিব লাগে।

আনটো অৱস্থা এয়া আছিল যে অত্যাচাৰী শক্তিশালী হয় আৰু ব্যক্তিয়ে যাৰ পৰা অত্যাচাৰ ভুগিছে অত্যাচাৰীক প্ৰতিশোধ ল'ব নোৱাৰে অথবা কিবা কিবা বিশেষ কাৰণত প্ৰতিশোধ ল'ব নিবিচাৰে। সেয়ে সেই বাণীৰে তেওঁৰ বিষয়ত অপশব্দ প্ৰয়োগ কৰি অথবা দোষাৰোপ কৰি নিজৰ হৃদয় শান্ত কৰিবলৈ বিচাৰে যদি সেই বিষয়ত পৰমেশ্বৰে উল্লেখ কৰিছে—

وَلَا تَلْمِزُوْٓا اَنْفُسَكُمْ وَلَا تَنَابَزُوْا بِالْاَلْقَابِ (49:12)

অৰ্থাৎঃ তোমালোকে এজনে আনজনৰ দোষক বিচৰা তথা আনৰ দোষক কাৰোবাৰ ওচৰত বৰ্ণনা কৰা উচিত নহয়, অপশব্দ উল্লেখ কৰাটো উচিত নহয়। সেয়ে ধৰি লোৱা দোষ হিচাপ কৰা আৰু অপশব্দ প্ৰয়োগ কৰাত সদায় প্ৰতিবন্ধকতা আছে। লগতে কৈছে যে ক্ৰোধৰ সময়ত তথা প্ৰতিশোধৰ ৰূপত কাকো দোষৰ বৰ্ণনা কৰা তথা অপশব্দ উল্লেখ কৰাটো সদায় বৰ্জিত হয়।

গতিকে প্ৰশ্ন উত্থাপন হৈছে যে ইয়াক কিয় নিষিদ্ধ কৰা হৈছে? যি ব্যক্তিয়ে নিজৰ ক্ষতিৰ প্ৰতিশোধ ল'ব নোৱাৰে তেওঁ কিয় দোষৰ বৰ্ণনা কৰি সেই ব্যক্তিৰ প্ৰতিশোধ নল'ব আৰু অপশব্দ প্ৰয়োগ কৰি নিজৰ হৃদয়ক শান্তি

নিদিব? তেন্তে ইয়াৰ উত্তৰ সেয়া যে অপশব্দ এই কাৰণে নিষিদ্ধ যে সেয়া মিছা হয় আৰু মিছা ভাষণক ইছলামে পছন্দ নকৰে আৰু সেয়া অশ্লীল হয় আৰু পৰমেশ্বৰে অশ্লীলতাক পছন্দ নকৰে, লগতে আনৰ দোষক হিচাপ কৰাটো এই কাৰণে নিষিদ্ধ যে এয়া শান্তিৰ শুধৰণিৰ স্থানত কলহৰ কাৰণ হৈ পৰে কিয়নো যাৰ বেয়াবোৰ ৰাইজৰ আগত মুকলি শব্দত বৰ্ণনা কৰা হয় তেতিয়া তেওঁ লাজ পায় আৰু তেওঁ নিলৰ্জতাৰ পংকিল গৰ্ভত আৱদ্ধ হৈ পৰে।

প্ৰতিহিংসা ভাৱনাৰ তৃতীয় প্ৰকাৰ এয়া আছিল যে সেই ব্যক্তি তাৰ পৰা পূৰ্ণৰূপত পৃথক হৈ পৰে আৰু তেওঁৰ লগত কথা-বতৰা আদি সামাজিক জীৱনৰ সম্পৰ্কক বিচ্ছন্ন কৰে। প্ৰতিশোধ অথবা প্ৰতিহিংসাৰ এই ৰূপকো ইছলামে পছন্দ নকৰে। পয়গম্বৰ ইছলাম হজৰত মহম্মদ (ছাঃ) য়ে উল্লেখ কৰিছে যে—

লা ইয়াহিল্লু লিমুছলিমুন আই ইয়াহজুৰা আখাহু ফাওকা ছালাছিন। (তিৰমিজী)

অৰ্থাৎ কোনো মুছলমানৰ কাৰণে উচিত নহয় যে তেওঁ নিজৰ ভাই-ককাইক তিনি দিনলৈকে কথা বতৰা নকৰিব অৰ্থাৎ তিনি দিনৰ ভিতৰত তেওঁ সিহঁতৰ লগত কথা-বতৰা আৰম্ভ কৰি দিব লাগে।

প্ৰতিশোধৰ চতুৰ্থ স্বৰূপ এয়া আছিল যে ই হৃদয়ত দ্বেষ অথবা অমানবীয়তাক পুহি ৰাখে। এই বিষয়ত পৰমেশ্বৰে উল্লেখ কৰিছে—

(15:48) وَنَزَعْنَا مَا فِىْ صُدُوْرِهِمْ مِّنْ غِلٍّ

অৰ্থাৎ ঃ মই ম'মিন (ঈশ্বৰ ভক্তক)ৰ হৃদয়ৰ পৰা দ্বেষ আঁতৰাই দিছো। অৰ্থাৎ এয়া ম'মিনৰ কৰ্ম নহয় যে তেওঁলোকে হৃদয়ত কাৰোবাৰ প্ৰতি বিদ্বেষ ৰাখিব। এই সন্দৰ্ভত হজৰত মহম্মদ (ছাঃ)ৰ বক্তব্য হ'ল-

আলমুমিনু লাইছা বিহাকুদিন (আল জামিআছ ছাগিৰ দ্বিতীয় খণ্ড)

অৰ্থাৎ— ম'মিন দ্বেষভাৱক হৃদয়ত স্থান নিদিবা অৰ্থাৎ তেওঁলোকে নিজৰ হৃদয়ত কাৰোৰে প্ৰতি দ্বেষভাৱ নাৰাখিবা।

এই সকলোবোৰ প্ৰতিবন্ধকতাৰ মাজত ইছলামে এটা প্ৰতিশোধ

প্ৰদৰ্শনক উচিত বুলি উল্লেখ কৰিছে আৰু সেয়া হ'ল কোনো ব্যক্তিক সিমানে প্ৰতিশোধ ল'ব লাগে যিমান তেওঁ অপৰাধ কৰিছিল অথবা যিমান সি ক্ষতি কৰিছিল। কিন্তু ইয়াৰ বাবেও এই চৰ্ত আছে যে যদি সেই স্থানত ৰাজ্যৰ ৰাজত্ব বিদ্যমান হয় তেন্তে ৰাজত্বৰ দ্বাৰা প্ৰতিশোধ লওঁক, নিজেই প্ৰতিশোধ ল'ব নালাগে। হয়, যদি এই স্থানত আইন নাথাকে তেন্তে সিমানেই প্ৰতিশোধ ল'ব পাৰিব যিমান সংস্কাৰ ক্ষমাৰে হয় তেতিয়া ক্ষমাৰ স্থান প্ৰথম হ'ব। প্ৰতিশোধ শেষ স্তৰ অৰ্থাৎ অপশব্দ প্ৰয়োগ কৰা, দোষক ব্যাখা কৰা, কথা-বতৰা বন্ধ কৰি দিয়া, হৃদয়ত দ্বেষ ভাৰ থোৱা এইবিলাক ইছলামে অনুচিত বুলি উল্লেখ কৰিছে কিয়নো ইয়াৰ দ্বাৰা পাপৰ উন্নতি হয় তথা কলহ বাঢ়ে তথা শুধৰণি যি প্ৰতিশোধৰ মূল উদ্দেশ্য সেয়া সমাপ্ত হৈ পৰে।

আনটো মূল প্ৰবৃত্তি যি মানুহৰ মাজত পোৱা যায় সেয়া হ'ল প্ৰেম। ইয়াৰ অস্তিত্ব মানৱ আৰু পশু সকলোৰে মাজত আমি উপলব্ধি কৰো। ইয়াৰ বিপৰীত এক প্ৰবৃত্তি হৈছে ঘৃণা। এই দুয়োটা প্ৰাকৃতিক প্ৰবৃত্তি হয় আৰু নিজৰ প্ৰয়োগেৰে চৰিত্ৰৰ সংজ্ঞা লাভ কৰে। আমি ইয়াক ক'ব নোৱাৰো যে তুমি প্ৰতিটো বস্তুকে প্ৰেম কৰা আৰু এয়া নহয় যে প্ৰতিটোকে ঘৃণা কৰা। গতিকে সীমাত নিয়ন্ত্ৰণ ৰাখিবলৈ সিদ্ধান্তৰ আৱশ্যকতা হয়।

আমি দেখিছো যে প্ৰেম স্বভাৱগতভাবে উৎপন্ন হয়, যি আমাৰ বাবে লাভজনক হয় অথবা আমাৰ ইন্দ্ৰিয়ত কোনোবা অংগক শান্ত কৰে বা আনন্দ দিয়ে। এনেদৰে প্ৰেম স্বাভাৱিক ৰূপত প্ৰেম সেই বস্তুত হয় যি এই উদ্দেশ্যক সম্পূৰ্ণ কৰে। কিন্তু এয়া চৰিত্ৰ নহয় কিয়নো এই ধৰণৰ প্ৰেম সকলো পশুৱেও কৰে। প্ৰেমে চৰিত্ৰৰ সংজ্ঞা তেতিয়া লাভ কৰে যেতিয়া ইয়াত এটা শ্ৰেণীগত ধ্যান দিয়া হয় অৰ্থাৎ যাৰ লগত সম্পৰ্কৰ গভীৰতা অধিক তেওঁকে অধিক প্ৰেম কৰা হয়। দ্বিতীয়তে প্ৰেমক তেতিয়া চৰিত্ৰ বুলি ক'ব পৰা যায় যেতিয়া তাত আগৰ উপকাৰৰ প্ৰতি লক্ষ্য কৰি ভৱিষ্যতৰ আশাবোৰৰ তুলনা বিশেষভাবে ৰখা হয় কিয়নো প্ৰথমতে কৰা উপকাৰৰ গুৰুত্ব এক উত্তৰাদায়িত্ব হয় তথা ভৱিষ্যতৰ আশা এক লোভ। তৃতীয়তে এয়া যে কেৱল আত্মীয়ৰ লাভ অথবা ক্ষতিৰ প্ৰতি গুৰুত্ব দিয়াটো।

এই তিনিটা প্ৰতিবন্ধকতাৰ মাজত প্ৰেম এক চৰিত্ৰ হয় নহ'লে নহয়। সেয়ে ইছলামে এই তিনি প্ৰতিবন্ধকতাক উল্লেখ কৰিছে। পৰমেশ্বৰৰ বক্তব্য হ'ল-

قُلۡ اِنۡ کَانَ اٰبَآؤُکُمۡ وَاَبۡنَآؤُکُمۡ وَاِخۡوَانُکُمۡ وَاَزۡوَاجُکُمۡ وَعَشِیۡرَتُکُمۡ وَاَمۡوَالُۨ اقۡتَرَفۡتُمُوۡهَا وَتِجَارَۃٌ تَخۡشَوۡنَ کَسَادَهَا وَمَسٰکِنُ تَرۡضَوۡنَهَاۤ اَحَبَّ اِلَیۡکُمۡ مِّنَ اللّٰهِ وَرَسُوۡلِهٖ وَجِهَادٍ فِیۡ سَبِیۡلِهٖ فَتَرَبَّصُوۡا حَتّٰی یَاۡتِیَ اللّٰهُ بِاَمۡرِهٖ ؕ وَاللّٰهُ لَا یَهۡدِی الۡقَوۡمَ الۡفٰسِقِیۡنَ ﴿۲۴﴾ (9:24)

অৰ্থাৎঃ হে আল্লাহৰ ৰছুল লোকসকলক কৈ দিয়া যে যদি তোমাৰ মা-দেউতা আৰু সন্তান, ভাই-ভনী আৰু স্বামী বা পত্নী তথা তোমাৰ আত্মীয় আৰু সেই ধন বা সম্পত্তি যি তুমি উপাৰ্জন নকৰা আৰু ব্যৱসায় যিটো বেয়া হ'লে তুমি ভয় কৰা আৰু নিৰাস স্থান অথবা দেশ যাক তুমি পছন্দ কৰা, পৰমেশ্বৰ তথা তেওঁৰ ৰছুল (অৱতাৰ) তথা ধৰ্মৰ বাবে যত্ন কৰাতকৈ তোমাৰ অধিক পছন্দ হ'লে তেতিয়া তুমি সেই সময়লৈকে প্ৰতীক্ষা কৰা যেতিয়ালৈকে পৰমেশ্বৰে তোমাৰ বিষয়ে কোনো নিৰ্ণয় কৰে আৰু পৰমেশ্বৰে সেই লোকক পছন্দ নকৰে যি নিজৰ উত্তৰদায়িত্বক পাহৰি যায়।

কিমান যে সূক্ষ্ম সেই প্ৰেমৰ ভংগীমাৰ, যি চৰিত্ৰৰ বাস্তৱিকতাক বৰ্ণনা কৰিছে। যিমান যিমান স্থান সেই অনুসৰি তাক প্ৰেম কৰিব লাগে। পৰমেশ্বৰক পৰমেশ্বৰৰ জ্ঞান অনুসৰি, ৰছুলক ৰছুলৰ শ্ৰেণী তথা স্তৰ অনুসৰি, ধৰ্মক তাৰ স্থান তথা মহত্ব অনুসৰি, মা-দেউতাক তেওঁলোকৰ স্থান অনুসৰি, সন্তানক সিহঁতৰ সম্বন্ধ অনুসৰি। তাৎপৰ্য এয়া যে প্ৰতিটো শ্ৰেণীকে দৃষ্টি দিব লাগে। যদি এনে নহয় তেন্তে প্ৰেম সচ্ছৰিত্ৰ তথা সদ্ আচৰণ বুলি ক'ব পৰা নাযায়, তেতিয়া এক স্বাভাৱিক আবেগ তথা পশুত্ব বুলি ক'ব। উদাহৰণ হিচাপে যদি কোনো ব্যক্তিয়ে নিজৰ মাক-বাপেকক এগৰাকী নাৰীৰ বাবে এৰি দিয়ে অথবা নিজৰ দেশৰ

আহ্বানত নিজৰ ধনৰ প্ৰেমৰ কাৰণে কাণত কোনো ক্ৰীয়া নহ'লে সেই ব্যক্তিক আমি কেতিয়াওঁ এই কাৰণে যে প্ৰেম কৰা সৎজন বুলি ক'ব নোৱাৰো। তেওঁ নিঃসন্দেহে প্ৰেম কৰিছে কিন্তু বুদ্ধিৰ নিয়ন্ত্ৰণৰ পৰা স্বাধীন হয়। গতিকে কোনো ভাল আচৰণ প্ৰদৰ্শন কৰা নাই।

আনটো স্বত্ব প্ৰেমৰ কাৰণে এয়া যে তাৰ আগতে কৰা উপকাৰক ভৱিষ্যতে কৰা আশাক তথা আনন্দতকৈ অধিক গুৰুত্ব দিয়া হয়। এই অনুসৰি সেই প্ৰেমক পুণ্যাচৰণ ক'ব সেয়া মাক-দেউতাকৰ প্ৰেম নহয় যে সন্তানৰ। সন্তানৰ প্ৰেম অৰ্থাৎ কেৱল মাত্ৰ সিহঁতক কৰা প্ৰেম কোনো পুণ্যাচৰণ নহয় গতিকে কেৱল এক স্বাভাৱিক প্ৰবৃত্তি হয়। কোনো মাকক কয় চোৱা যে তেওঁ নিজৰ সন্তানৰ কাৰণে কষ্ট কৰিব নালাগে, চোৱা তেওঁ তাত প্ৰসন্ন হয় নে অপ্ৰসন্ন হয়। বাস্তৱত তেওঁ যিবোৰ কৰিছে কেৱল সন্তানক ডাঙৰ-দীঘল তথা বাসাৎল্য প্ৰেম যিটো এটা মূল প্ৰবৃত্তি হয়। কিন্তু শিশুৰ মাক দেউতাকৰ প্ৰতি প্ৰেম এক আচৰণ হয় কিয়নো প্ৰাকৃতিকভাবে মাক-দেউতাকে এই কাম কৰি থৈছে। প্ৰকৃতিয়ে তেওঁলোকৰ পৰা যি লাভ অৰ্জন কৰিবলৈ বিচাৰিছিল তাক অৰ্জন কৰি থৈছে। এতিয়া তেওঁলোকে ইয়াক ব্যৰ্থ তথা অনুপযোগী সত্তা বুলি বুজি উঠিছে। সেয়ে যি ব্যক্তিয়ে সেইবোৰক প্ৰেম কৰে তেওঁ এক উচ্চ আচৰণক অনুকৰণ কৰে কিয়নো সেই উপকাৰ তেওঁৰ সন্মুখত আহি পৰে আৰু তেওঁ জানে যে তেওঁলোকে মোৰ লগত যেতিয়া মই নিঃসহায় নিৰুপায় আছিলো ভাল ব্যৱহাৰ কৰিছিল, আজি মোৰ কৰ্তব্য লাগে মই যিকোনো কষ্টক কৰো তেওঁলোকক সুখ দিম। ইছলামে এই বিষয়ত দৃষ্টি ৰাখি কয় যে স্বৰ্গ মাকৰ ভৰিৰ তলত আছে (মিশ্বকাত ৪২১) কিন্তু ইয়াক কোৱা নাই সন্তানৰ চৰণৰ তলত আছে কিয়নো প্ৰত্যেক ব্যক্তিয়ে স্বাভাৱিক ৰূপত প্ৰেম কৰে। হয় যাৰ বুদ্ধিত কিবা বিকাৰ আছে, এনে ব্যক্তি অপবাদ হয়। কিন্তু প্ৰতিজন ব্যক্তিয়ে নিজৰ মাক-দেউতাকক সিমান প্ৰেম নকৰে যিমান কৰিব লাগে তথাপি বহুতো ব্যক্তিক দেখা যায় যে যি নিজৰ বৃদ্ধ মাক-দেউতাকক কষ্ট থকাটো সহ্য কৰি ল'ব কিন্তু নিজৰ সন্তানৰ সৰু সৰু ইচ্ছাক পূৰণ কৰাৰ বাবে চিন্তা কৰি থাকিব। কিয় কোনোবাই তেওঁৰ এই কৰ্মক পুণ্যাচৰণ বুলি

ক'ব পাৰিব নে?

তৃতীয়টো প্ৰতিবন্ধকতা প্ৰেমৰ মূল প্ৰবৃত্তিৰ বিষয়ত এয়া যে ওচৰৰ লাভক চাব নালাগে যদিও আঁতৰৰ লাভ বা ক্ষতিক চাব লাগে। উদাহৰণ হিচাপে এজন ব্যক্তিয়ে এটা বস্তুক প্ৰেম কৰে কিন্তু তাৰ লগত সম্পৰ্ক স্থাপন কৰা অথবা প্ৰেম কৰা তেওঁৰ ধৰ্ম বা তেওঁৰ চৰিত্ৰই ক্ষতি কৰে তেন্তে তাক প্ৰেম কৰাটো এক প্ৰবৃত্তি বুলি কোৱাৰ লগতে পুণ্যাচৰণ বুলি নকয় কিয়নো সেই প্ৰেমৰ পৰিণাম কল্যাণকৰ নহয় তথা অকল্যাণকাৰী। একেদৰে উদাহৰণ হিচাপে এগৰাকী মাকে নিজৰ সন্তানৰ বেয়া অভ্যাসক দেখি একো নকয় কিয়নো তেওঁ প্ৰেমে তেওঁ বিৱশ কৰি তুলিছে যে তেওঁ যদি তাক শাস্তি নিদিয়ে তেন্তে এই প্ৰেমক কেৱল প্ৰাকৃতিক প্ৰেম বুলি কোৱা হ'ব। চৰিত্ৰৰ উক্তিক প্ৰেম সেই সময়ত আহিব পাৰে যেতিয়া তেওঁ তাক গালি পাৰে আৰু পুণ্য দিশলৈ আনে কিয়নো বাস্তৱিক লাভ তেওঁৰ এই সুযোগত শাস্তি পোৱাটো। সেয়ে পৱিত্ৰ কোৰাণত কৈছে—

يَاَيُّهَا الَّذِيْنَ اٰمَنُوْا قُوْٓا اَنْفُسَكُمْ وَاَهْلِيْكُمْ نَارًا

(66:7)

অৰ্থাৎ— হে ম'মিন হে ঈশ্বৰ ভক্ত বাস্তৱিক প্ৰেম এয়া যে নিজে নিজক আৰু নিজৰ পত্নী আৰু সন্তানক বিনাশৰ পৰা ৰক্ষা কৰা।

ঘৃণাও প্ৰেমৰ বিপৰীত মূল প্ৰবৃত্তি হয়। তাৰ স্বাভাৱিক সুবিধা এয়া যে যি বস্তু নিজৰ ইন্দ্ৰিয় অৰুচিকৰ হয় অথবা যাৰ কোনো লাভ নহয় অথবা যি ক্ষতি কৰে তাৰ পৰা আঁতৰত থাকা অথবা তাক কাষৰ পৰা আঁতৰ কৰাৰ যত্ন কৰা। বিভিন্ন ধৰ্মই এই প্ৰবৃত্তিক বেয়া বুলি কয় আৰু ইয়াত গৰ্ব কৰে যে তেওঁ মহান চৰিত্ৰৰ শিক্ষা দিয়ে। কিন্তু এই কথা উচিত নহয় যে এয়া এক প্ৰাকৃতিক প্ৰবৃত্তি হয় আৰু তাৰ উচিত সুযোগ তথা উচিত স্থিতিক প্ৰয়োগ কৰাটো অৰুচিকৰ নহয় গতিকে সুন্দৰ আৰু ৰুচিকৰ হয়। হয়, যেতিয়া এই সীমা বাঢ়ি যায় অথবা কম হৈ পৰে তেন্তে এই প্ৰবৃত্তি বেয়া হৈ পৰে। যদি সীমা অতিক্ৰম কৰে তেন্তে তাক শত্ৰুতা বুলি কয় অৰ্থাৎ ঘৃণাৰ কাৰণে অথবা ভাৱনা শুদ্ধ নোহোৱাৰ কাৰণে অত্যাচাৰ কৰিবলৈ উদ্যত হৈ পৰা আৰু যেতিয়া নিম্ন হৈ

পৰে তাক নিৰ্লজতা বুলি কয় অৰ্থাৎ এটা সামগ্ৰী লাজ আৰু প্ৰতিষ্ঠাৰ বিপৰীত হোৱাৰ পিছতো তাক দেখি হৃদয়ত তাৰ প্ৰতি ঘৃণা বা অশুদ্ধ ভাৱনাক অনুভৱ নকৰা।

সেয়ে ঘৃণা বেয়া বস্তু নহয়। ঘৃণা স্বাভাৱিক প্ৰবৃত্তি। হয়, তাৰ অনুচিত প্ৰয়োগ বেয়া হয়। সেয়ে, পৱিত্ৰ কোৰাণত বাৰে বাৰে অমানবীয় আৰু শত্ৰুতাক বেয়া বুলি কোৱা হৈছে। সচৰাচৰ অমানবীয় তথা শত্ৰুতাক অধৰ্মীয় তথা কাজিয়া প্ৰিয় মানুহৰ বিশেষত্ব বুলি কোৱা হয়। কোনো স্থানতে ম'মিনৰ বিষয়ে কোৱা হোৱা নাই যে তেওঁলোকে আনৰ সৈতে শত্ৰুতাৰ ভাৱ ৰাখে। কেৱল দুই-তিনি স্থানত পৰমেশ্বৰ আৰু ম'মিনৰ কাৰণে এই শব্দ উল্লেখ হৈছে আৰু সেই সকলো স্থানত আৰবী ভাষাৰ মুহাৱৰা অনুসৰি সেই তাৎপৰ্য শত্ৰুৰ লগত অমানবীয় বা শত্ৰুতাৰ প্ৰতিশোধ এনেদৰে ল'ব নালাগে যে নিজেই অমানুহ হৈ পৰে। কিন্তু ইছলামে যিদৰে শত্ৰুতাক অৰুচিকৰ বুলি গণ্য কৰিছে সেইদৰে ঘৃণাকো একেবাৰে নাইকিয়া কৰি পেলোৱাক অৰুচিকৰ বুলি উল্লেখ কৰিছে কিয়নো লজ্জাও ম'মিনৰ চৰিত্ৰতে আছে। এয়া কেনেকৈ হ'ব পাৰে যে এটা বিষয়ক আমি অৰুচিকৰ বুলি গণ্য কৰো আৰু সেই বিষয়ত হৃদয়ত ঘৃণাৰ সৃষ্টি হ'ব নোৱাৰে। বেয়াৰ অৰ্থ হৈছে আধ্যাত্মিক কৰ্দযতা। যেতিয়া আমি নিম্ন বাহ্যিক কদৰ্যতাত কাৰোবাক নিমগ্ন হৈ থকা লক্ষ্য কৰো তেতিয়া আমাৰ সেই কামত ঘৃণা জাগি উঠে আৰু সেই ফালে মনোনিৱেশ কৰিলে অসহজ হৈ পৰে। উদাহৰণস্বৰূপে কাৰোবাৰ মুখত কিবা বেয়া বস্তু লাগি আছে যেনেকৈ তেওঁ নাক চাফা কৰা নাই অথবা তেওঁৰ কাপোৰত অপৱিত্ৰ বস্তু লাগি আছে তেনে ব্যক্তি যেতিয়া আমাৰ ওচৰলৈ আহে তেতিয়া জানো সেইজনক দেখি আমাৰ হৃদয়ত এক ঘৃণাৰ ভাৱ জাগি নুঠে? লাগিলে তেওঁ আমাৰ আত্মীয়ই কিয় নহওঁক। কিয় আমাৰ সেই ক্ৰিয়া জানো বেয়া বুলি ধৰা হ'ব অথবা হাৰ্দিক পৱিত্ৰতাৰ চিহ্ন বুলি ধৰি লোৱা হ'ব।

কি কাৰণে যে কিবা বেয়া কামক দেখি আমাৰ হৃদয়ত সেই কৰ্মৰ প্ৰতি ঘৃণা উৎপন্ন হোৱা আৰু হৃদয় তাৰ প্ৰতি অপ্ৰসন্ন হোৱাক জানো বেয়া বুলি ক'ব পৰা যায়? এয়া এক শ্ৰেষ্ঠ কৰ্ম হ'ব আৰু প্ৰশংসাৰ যোগ্য, তথা

ঘৃণাৰ সেই প্ৰকৃত ৰূপ তথা উচিত সুযোগ, উচিত স্থিতিত যুক্ত হ'ব। আমি তাক লাজৰ সংজ্ঞা প্ৰদান কৰিম।

বাস্তৱিক কথা এয়া যে ঘৃণাক বেয়া তথা অৰুচিকৰ বুলি উল্লেখ কৰা জনে এটা তথ্যক বুজিব নোৱাৰে। সেয়া হ'ল যে 'বেয়া' তথা 'কদৰ্যতা'ৰ পাৰ্থক্য আছে। তেওঁ এই কথাক চিন্তা কৰিলে যে 'বেয়া'ৰ প্ৰতি আমি সহানুভূতি প্ৰদৰ্শন কৰিব লাগে কিন্তু ইয়াক বিচাৰ নকৰিলে 'কদৰ্যতা'ক আমি ঘৃণা কৰিব নালাগে। যদি আমি হেয়া কৰ্দযতাক ঘৃণা নকৰো তেন্তে তাৰ শুধৰণিৰ প্ৰেৰণাও আমাৰ হৃদয়ত উপন্ন নহ'ব। ইছলামে এই পাৰ্থক্যক বৰ্ণনা কৰিছে। সেয়ে আমি দেখিছো যে পৰমেশ্বৰে পৱিত্ৰ কোৰাণত কৈছে—

وَلَا يَجْرِمَنَّكُمْ شَنَاٰنُ قَوْمٍ عَلٰٓى اَلَّا تَعْدِلُوْا ؕ اِعْدِلُوْا ۟ هُوَ اَقْرَبُ لِلتَّقْوٰى ۫ (5:9)

অৰ্থাৎ কোনো জাতিৰে শত্ৰুতাই তোমাক এই বিষয়ে প্ৰেৰিত নকৰে যে তুমি ন্যায়ক ত্যাগ কৰি দিবা। তেওঁৰে সৈতে শত্ৰুতা হোৱাৰ পিছতো তুমি ন্যায় ব্যৱহাৰ কৰি থকা। আন এক অৰ্থত ইয়াৰ তাৎপৰ্য হ'ল নিজৰ শত্ৰুৰ লগতো শত্ৰুতা নকৰিবা।

সেইদৰে পৰমেশ্বৰৰ পৱিত্ৰ বক্তব্য হ'ল—

لَا يَنْهٰىكُمُ اللّٰهُ عَنِ الَّذِيْنَ لَمْ يُقَاتِلُوْكُمْ فِى الدِّيْنِ وَلَمْ يُخْرِجُوْكُمْ مِّنْ دِيَارِكُمْ اَنْ تَبَرُّوْهُمْ وَتُقْسِطُوْٓا اِلَيْهِمْ

(60:9)

যিসকলে তোমালোকৰ ধৰ্মৰ বাবে তোমালোকৰ বিৰুদ্ধে যুদ্ধ কৰা নাই,আৰু যি সকলে তোমালোকক ঘৰবাৰীৰ পৰা খেদি  পঠিওৱা নাই তেওঁলোকৰ প্ৰতি সদয় হোৱা আৰু ন্যায়  ব্যৱহাৰ কৰাটো আল্লাহে তোমালোকক নিষেধ কৰা নাই; ইয়াৰ তাৎপৰ্য হৈছে যে তুমি সেইজনৰ সৈতেও নেক আচৰণ কৰা যিয়ে তোমাৰ ধাৰ্মিক শত্ৰু হয়।

وَلَا تَرْكَنُوْٓا اِلَى الَّذِيْنَ ظَلَمُوْا فَتَمَسَّكُمُ النَّارُ ۙ (11:114)

অৰ্থাৎ— তুমি সেইসকলৰ দিশে আকৰ্ষিত নহ'বা যি অত্যাচাৰী হয়। অৰ্থাৎ ইছলামত স্থিত নহয়। আন এক দিশত পৰমেশ্বৰৰ কথন হ'ল যে তুমি অধৰ্মীক সদ ব্যৱহাৰ কৰা, আনহাতে কথন হ'ল যে তুমি সিঁহতৰ দিশে আকৰ্ষিত নহ'বা। তাৰ অৰ্থ এয়া যে সংসাৰৰ ব্যৱসায়ীৰ ক্ষেত্ৰত তেওঁলোকক সদ ব্যৱহাৰ কৰা কিন্তু তেওঁলোকৰ সেই কৰ্ম যি আত্মাৰ পৱিত্ৰতা তথা মানসিক পৱিত্ৰতাৰ বিপৰীত হয় তাক ঘৃণা কৰা। আন এক স্থান পৰমেশ্বৰে উল্লেখ কৰিছে—

وَلٰكِنَّ اللّٰهَ حَبَّبَ اِلَيْكُمُ الْاِيْمَانَ وَزَيَّنَهٗ فِيْ قُلُوْبِكُمْ وَ

كَرَّهَ اِلَيْكُمُ الْكُفْرَ وَالْفُسُوْقَ وَالْعِصْيَانَ (49:8)

অৰ্থাৎ ঃ কিয়নো পৰমেশ্বৰে তোমাক ঈমান আৰু বিশ্বাসৰ সৈতে প্ৰেম দিছে আৰু তাক তোমাৰ হৃদয়ত সুন্দৰকৈ প্ৰদৰ্শন কৰিছে আৰু অধৰ্ম, অৱজ্ঞা তথা সীমা অতিক্ৰমৰ প্ৰতি তোমালোকৰ হৃদয়ত ঘৃণাৰ উৎপত্তি কৰিছে। কিন্তু লগতে হজৰত মহম্মদ (ছাঃ) ৰ সম্পৰ্কত উল্লেখ আছে—

لَعَلَّكَ بَاخِعٌ نَّفْسَكَ اَلَّا يَكُوْنُوْا مُؤْمِنِيْنَ۝ (26:4)

অৰ্থাৎঃ তুমি এই সন্দেহত যে পৰমেশ্বৰৰ ধৰ্মৰ বিৰোধীয়ে সত্যতাক স্বীকাৰ নকৰিলে নিজৰ প্ৰাণক সমাপ্ত কৰিব দিবা। অৰ্থাৎ সিহঁতৰ পথভ্ৰষ্টতাক দেখি তোমাৰ হৃদয় ইমান দুখ অনুভৱ হয় যে তোমাৰ সিহঁতৰ লগত ভালপোৱাৰ কাৰণে নিজকে মৃত্যুৰ কাষত উপনীত কৰা।

এই আয়াতবিলাকত স্পষ্ট যে ইছলামে 'দোষী'ক নিঃসন্দেহে সহানুভূতি প্ৰদৰ্শন কৰিব লাগে কিন্তু সিহঁতৰ বেয়া দিশৰ অৱস্থাক ঘৃণা কৰিব লাগে। তেতিয়াহে চৰিত্ৰ পূৰ্ণ হয়।

এতিয়া পুনৰ মই আন এটা প্ৰবৃত্তিৰ বিষয়ে আলোচনা কৰো তথা এয়া ইচ্ছাৰ উন্নতিৰ প্ৰবৃত্তি হয়। মানুহে ইয়াক বিচাৰে যে তেওঁ নিজৰ আন সংগীসকলতকৈ আগবাঢ়ি যাওঁক যদিও এই প্ৰবৃত্তি পশুৰ মাজতো পোৱা যায়। দুটা ঘোঁৰা আগে-পিছে আহি আছে। কিন্তু আগৰ ঘোঁৰাটো যি লাহে লাহে গৈ আছিল পিছৰ ঘোঁৰাটো পদধ্বনি শুনি নিজৰ ভৰিৰ গতি তীব্ৰ কৰি দিয়ে আৰু পিছৰটো ঘোঁৰা দৌৰি পৰে। এয়া এক প্ৰাকৃতিক প্ৰবৃত্তি হয়।

কিন্তু ইয়া অধিকতা অথবা নিম্নতাই বহুপ্ৰকাৰৰ দুৰাচৰণৰ সৃষ্টি কৰে। তথা তাৰ উচিত প্ৰয়োগে বহুকেইটা পুণ্যাচৰণৰ উৎপন্ন কৰে। উদাহৰণ দিচাপে যেতিয়া সেই উন্নতিৰ ইচ্ছা কৰা হ'ল মানুহে পুণ্যাৰ্জন কৰিবলৈ তুলনা কৰি ব্যয় কৰে তেন্তে এই ইচ্ছাই তেওঁক বহুতো লাভ প্ৰদান কৰে। বিদ্যাৰ্থীয়ে ইয়াৰ দ্বাৰা জ্ঞানৰ উন্নতি কৰে। পৰমেশ্বৰৰ পৱিত্ৰ কোৰাণত উল্লেখ আছে—

فَاسْتَبِقُوا الْخَيْرٰتِ (2:149)

অৰ্থাৎ ঃ— হে মুছলমানসকল এজন আনজনতকৈ পুণ্যত আগবাঢ়িবলৈ চেষ্টা কৰা। এইদৰে এই প্ৰাকৃতিক প্ৰবৃত্তিক এক প্ৰতিবন্ধকতাৰ লগত যুক্ত কৰি এক সুন্দৰ আচৰণৰ উৎপন্ন কৰি দিলে যে সদাচৰণত এজনে আনজনতকৈ আগবাঢ়ি যোৱা ইচ্ছা কৰাটো নিজেই এক পুণ্যাচৰণ হৈ পৰে।

কিন্তু যেতিয়া এটা প্ৰবৃত্তিক বেয়া ৰূপত প্ৰয়োগ কৰা হয় তেন্তে এটা হ'ল যে তাৰ পৰা ঈৰ্ষাৰ জন্ম হয় অৰ্থাৎ যেতিয়াই অভিলাষাৰ সীমা অতিক্ৰম কৰে তেতিয়া মানুহৰ হৃদয়ত এই চিন্তা জাগি উঠে যে কেৱল মই আগবাঢ়ো আনে নোৱাৰক। ইয়াক ইছলামে পছন্দ নকৰে। পৱিত্ৰ কোৰাণে প্ৰাৰ্থনাত শিকাইছে—

وَمِنْ شَرِّ حَاسِدٍ اِذَا حَسَدَ ۝٦ (113:6)

অৰ্থাৎ ঃ মই পৰমেশ্বৰৰ আশ্ৰয় বিচাৰো, আৰু লোভ লালসা কৰোঁতা সকলৰ লালসৰ পৰাও আশ্ৰয় বিচাৰো।

একেদৰে এটা বেয়াৰ এইধৰণৰ অভিলাসৰ বাবে ইয়াৰ উৎপন্ন হৈ পৰে যে মানুহে তাৰ কাৰণে লোকসকলৰ সদগুণক দুগুণ বুলি বুজি উঠে। অৰ্থাৎ কেতিয়াবা তেওঁলোকৰ এই আশংকা হৈ পৰে যে আনতকৈ ভাল বস্তুক মই লাভ কৰো যাতে মই ডাঙৰ হৈ থাকো কেতিয়াবা এই ইচ্ছাক পূৰণ কৰাৰ বাবে মই ঠিকেই থাকো আৰু তেওঁ আনৰ সৎকৰ্মৰ মাজত বেয়া দেখিবলৈ ধৰে বা বুজি উঠে। সেয়ে আৰবী ভাষাত ইয়াক 'এহতেকাৰ' ( নিম্ন তথা নিকৃষ্ট বুজাই) বুলি কয়। ইয়াক ইছলামে পছন্দ নকৰে। পৱিত্ৰ কোৰাণত উল্লেখ আছে—

يَاَيُّهَا الَّذِيْنَ اٰمَنُوْا لَا يَسْخَرْ قَوْمٌ مِّنْ قَوْمٍ عَسٰٓى اَنْ يَّكُوْنُوْا خَيْرًا مِّنْهُمْ وَلَا نِسَآءٌ مِّنْ نِّسَآءٍ عَسٰٓى اَنْ يَّكُنَّ خَيْرًا مِّنْهُنَّ ۚ

(49:12)

অৰ্থাৎ ঃ— হে মোমিনসকল! এটা জাতিয়ে আন এটা জাতিক উপহাস নকৰিবা,জানোচা তেওঁলোকে উপহাস কৰোঁতা জাতিতকৈ বেছি উত্তম,অথবা এক সমষ্টি তিৰোতাক আন এটা তিৰোতাৰ দলক উপহাস নকৰিবা,হ'ব পাৰে সিহঁত তোমালোকতকৈ উত্তম হৈ যায়; এই অভিলাস অধিক তীব্ৰ হৈ উঠে তেতিয়াই মানুহে স্পষ্টৰূপত আনলৈ অপশব্দ প্ৰয়োগ কৰে আৰু তেওঁৰ আত্মীয়কলৈ ব্যংগ কৰে। এই সকলো বিলাক কথাক ইছলামে বাধা দিয়ে। পয়গম্বৰে ইছলাম হজৰত মহম্মদ (ছাঃ) চাহেব ( পৰমাত্মাই আপোনাৰ ওপৰত কৃপা আৰু দয়াৰ বৃষ্টি বৰ্ষণ কৰক)য়ে উল্লেখ কৰিছে—

“লা ইয়াৰমি ৰাজুলুন ৰাজুলান বিলফিছকি আৰিল কুফৰি ইল্লাৰ তাদাত আলাইহি ইন লাম ইয়াকুন ছাহিবুহু কাজালিকা” (মছনদ আহমদ বিন হাম্বল) অৰ্থাৎ ঃ যদি কোনো ব্যক্তিয়ে আনজন ব্যক্তিৰ প্ৰতি চৰিত্ৰগত দোষ অথবা ধৰ্মীয় ভুলবোৰ উল্লেখ কৰিলে সেই ব্যক্তিজনে যিজনৰ ওপৰত এই দোষ জাপি দিয়া হৈছে সেয়া দোষ নহলেওঁ অৰ্থাৎ অপশব্দৰ ৰূপত তেওঁক হীন প্ৰতিপন্ন কৰাৰ অভিপ্ৰায়ে এনে কথা উল্লেখ কৰিলেও অতি অপশব্দ প্ৰয়োগ কৰাজনৰ দৰে সেই দোষ উৎপন্ন হ'ব।

আন এটা বিকাৰ এই মূল প্ৰবৃত্তিক নিয়ন্ত্ৰণ নাৰাখিলে হয় সেয়া হ'ল যে মানুহৰ মাজত ধৰ্মান্ধ স্বভাৱৰ উৎপন্ন হয়। অৰ্থাৎ তেওঁৰ আকাংশাৰ উন্নতিত মানসপটত এনে প্ৰভাৱ পৰে যে পোনে পোনে তেওঁৰ নিজৰ দোষ তথা দুৰ্বলতাক পাহৰি যায় আৰু আনৰ লগত নিজক নিজেই ভাল বুলি ভাবি ধৰে আৰু তাত গৌৰৱ কৰে। এই বিষয়ত পৱিত্ৰ কোৰাণে কৈছে—

(4:37) اِنَّ اللّٰهَ لَا يُحِبُّ مَنْ كَانَ مُخْتَالًا فَخُوْرًا ۙ۝۳۷

নিশ্চয় দাম্ভিক অহংকাৰীবিলাকক আল্লাই ভাল নাপায়।

একেদৰে এক মূল প্ৰবৃত্তি হ'ল সন্তানপ্ৰাপ্তি । এই বিষয়ত ইছলামে

সীমা নিৰ্ধাৰণ কৰি দিছে আৰু উল্লেখ কৰিছে যে ইয়াকো ভাল দৰে ভাবি-চিন্তি কামত লগাব লাগে।। সেয়ে এই সন্দৰ্ভত নিম্নলিখিত আদেশ দিছে— প্ৰথম— এয়া কি

يَاَيُّهَاالنَّبِيُّ اِنَّآ اَحْلَلْنَالَكَ اَزْوَاجَكَ الّٰتِيْٓ اٰتَيْتَ اُجُوْرَهُنَّ
(33:51)

হে নবী, যিসকল পত্নীৰ মোহৰাণা তুমি সমৰ্পণ কৰিছা সেইসকলক আমি নিশ্চয় তোমাৰ কাৰণে বৈধ কৰিছোঁ।

وَلَا تَقْرَبُوا الزِّنٰٓى (17:33)

অৰ্থাৎ ঃ ব্যভিচাৰৰ কাষলৈকো নাযাবা। অৰ্থাৎ নিজৰ পত্নীৰ বাহিৰে আনৰ ওচৰত বাসনা পূৰণ নকৰিবা কিয়নো ইয়াতো মূলপ্ৰবৃত্তিৰ মূল উদ্দেশ্য সমাপ্ত হৈ পৰে।

এতিয়া প্ৰশ্ন উত্থাপন হয়যে যাৰ বিবাহৰ ব্যৱস্থা হ'ব নোৱাৰে সি কি কৰিব? তেন্তে তাৰ বাবে কি বুলি উল্লেখ কৰা হৈছে?

وَلْيَسْتَعْفِفِ الَّذِيْنَ لَا يَجِدُوْنَ نِكَاحًا (24:34)

অৰ্থাৎ সেই লোকসকল যিসকলে বিয়াৰ যোগ্যতা নাৰাখে সিহঁতে নিজৰ প্ৰবৃত্তিক দমন কৰি ৰাখিব। অৰ্থাৎ এনে সাৱধানতা অৱলম্বন কৰক যি বাসনা কম কৰি নিজৰ আবেগক কম কৰে কিন্তু জিনা নকৰে (সংগম)তথা এনে কৰিব নালাগে যে যি নিজৰ শক্তিক সদায় অনিষ্ট কৰি দিয়ে যাৰ দ্বাৰা সন্তানপ্ৰাপ্তিৰ প্ৰবৃত্তি পূৰ্ণ হৈ উঠে। কিয়নো তেনে কৰিলে তেওঁ নিজৰ স্বভাৱক দমন কৰিব আৰু পৰমেশ্বৰে তেওঁক পছন্দ নকৰে যি স্বাভাৱিক প্ৰবৃত্তিৰ পুণ্যতাক দমন কৰি দিছে। সেয়া উল্লেখ কৰা হৈছে—

وَرَهْبَانِيَّةَ ِۨابْتَدَعُوْهَا مَا كَتَبْنٰهَا عَلَيْهِمْ اِلَّا
ابْتِغَآءَ رِضْوَانِ اللّٰهِ فَمَا رَعَوْهَا حَقَّ رِعَايَتِهَا ۚ (57:28)

অৰ্থাৎ ঃ— কিছুমান জাতিয়ে সংসাৰ ত্যাগ অৰ্থাৎ বিৰাগৰ পদ্ধতিক অৱলম্বন

কৰিছে যে তাৰ দ্বাৰা তেওঁ নিজৰ প্ৰবৃত্তিক সদায় পৱিত্ৰ ৰাখিব কিন্তু আমি এনে কৰিবলৈ কেতিয়াওঁ কোৱা নাছিলোঁ তথাপি সিহঁতে নিজৰ পৰা এই পদ্ধতি নিৰ্মাণ কৰি প্ৰচলন কৰিছিল। যিহেতু এই প্ৰতিজ্ঞা সিহঁতৰ বাবে অপ্ৰাকৃতিক আছিল আৰু স্বাভাৱিক প্ৰবৃত্তিৰ বিপৰীত আছিল ইয়াৰ পৰিণাম এয়া হ'ল যে তেওঁ তাৰ ৰক্ষা কৰিব নোৱাৰে আৰু নামমাত্ৰ বিৰাগ হৈ থাকে।

চোৱা, কিমান সতৰ্কতাৰে এই প্ৰবৃত্তিৰ সীমা নিশ্চিত কৰিছে। আনহাতে তাক বিবাহৰ দ্বাৰা প্ৰয়োগ কৰাৰ আদেশ দিছে। পুনৰ বিবাহৰ বাহিৰত তাক নিষেধ কৰিছে। বিবাহ নকৰাৰ প্ৰতিজ্ঞাক পছন্দ কৰা নাই যে ইয়াৰ দ্বাৰা এই প্ৰকৃতিক সদায়ৰ কাৰণে হেঁচা মাৰি থ'ব আৰু এই উদ্দেশ্যক সমাপ্ত কৰি দিব যাৰ কাৰণে এই প্ৰবৃত্তি সন্তানপ্ৰাপ্তি তথা তাৰ বৃদ্ধিৰ অভিলাস উৎপন্ন কৰা হৈছিল। যদি সকলো লোকে এই আচৰণ কৰিব ধৰে তেন্তে কিছুদিনতে সংসাৰ সমাপ্ত হৈ পৰিব আৰু ইয়াকো উল্লেখ কৰিছে যে প্ৰাকৃতিক প্ৰবৃত্তি নাইকিয়া কৰাতো সম্ভৱ কিয়নো বাস্তৱিকতাক কোনো কল্পনা বা চিন্তাৰে নাইকিয়া কৰিব পৰা নাযায়। ইয়াৰ লগত এই প্ৰশ্ন আছিল যে যাৰ বিবাহ কৰাৰ সামৰ্থ নাই তেওঁ কি কৰিব? সেয়ে উল্লেখ কৰিছে তেওঁলোকে অস্থায়ীৰূপত নিজৰ অভিলাসক হেঁচা মাৰি থ'ব লাগে কিন্তু এয়া উচিত নহয় যে এই ইচ্ছাক সদায়ৰ কাৰণে নাইকিয়া কৰি দিব কিয়নো ইয়াৰ পৰা জন্মৰ উদ্দেশ্য নষ্ট হৈ পৰে।

এতিয়া চাওঁক ইছলামৰ বাহিৰে কোন ধৰ্ম আছে যি এই প্ৰবৃত্তিক প্ৰাকৃতিক ইচ্ছাক যিটো তুচ্ছাতিচুচ্ছ জন্তুত পোৱা যায় লাগে তাক অনুবীক্ষণ যন্ত্ৰৰ দ্বাৰা চোৱা কীটাণুৱে নহওঁক কিয়, এনে শ্ৰেষ্ঠ আচৰণলৈকে, যাৰ আধাৰ সূক্ষ্মাতিসূক্ষ্ম দাৰ্শনিক তথ্যলৈকে প্ৰেৰিত কৰিছে।

এক প্ৰাকৃতিক ইচ্ছা বা মূল প্ৰবৃত্তিয়ে মানুহৰ ভিতৰত নিজৰ ধন সম্পত্তিৰ অধিকাৰক নাইকিয়া কৰা তথা ব্যয় কৰাত আছে। এই প্ৰবৃত্তি অনুসৰি তেওঁ নিজৰ সম্পত্তিক ব্যয় কৰা অথবা বন্ধ কৰি দিয়ে। ইয়াৰ কাৰণে ইছলামত প্ৰথম প্ৰতিপ্ৰবন্ধকতা এয়া যে—

اَنْفِقُوْا مِنْ طَيِّبٰتِ مَا كَسَبْتُمْ (2:268)

অৰ্থাৎ ঃ যি সম্পত্তি তুমি অৰ্জন কৰিছা সেয়া ভাল সম্পত্তি হয় তাক ব্যয় কৰা এয়া নহয় যে আনৰ সম্পত্তিত অনুচিত অধিকাৰ কৰি তাক ব্যয় কৰা।

দ্বিতীয় প্ৰতিবন্ধকতা এয়া যে—

وَاٰتِ ذَا الْقُرْبٰى حَقَّهٗ وَالْمِسْكِيْنَ

وَابْنَ السَّبِيْلِ وَلَا تُبَذِّرْ تَبْذِيْرًا ﴿٢٧﴾ (17:27)

১) নিজৰ ধন-সম্পত্তিৰ পৰা সেই সম্পৰ্কীয় তথা আত্মীয়ক যাৰ লালন-পালনৰ উত্তৰাদায়িত্ব তোমাৰ ওপৰত আছে তাৰ অধিকাৰ তেওঁলোকক প্ৰদান কৰা। এই স্থানক এই কথাক অধিক ইংগিত কৰিছে যে ইছলামত ওচৰ সম্পৰ্কীয়ক পালন-পোষণৰ কৰ্তব্য অতিমাত্ৰাত আছে।

২) দ্বিতীয় আদেশ এয়া যে দুখীয়াৰ প্ৰতিও এই সম্পত্তিৰ ব্যয় কৰা অৰ্থাৎ এটা অংশ তেওঁলোককো দিয়া

৩) তৃতীয় আদেশ এই বুলি দিয়া হৈছে যে ‘ৱলাতুবজ্জিৰ তবজিৰা’ তুবজ্জিৰৰ অৰ্থ আৰবী ভাষাত দানা দিয়া অথবা বেয়া কৰা অথবা পৰীক্ষা লোৱা। সেয়ে ইয়াৰ অভিপ্ৰায় এয়া যে ব্যয় কৰাৰ সময়ত এই ভাৱ নাৰাখিবা এই বিনিময়ত এই লোকসকলৰ পৰা মই কিবাত প্ৰয়োগ কৰিম। যিদৰে কৃষকে বীজ সিচে আৰু আশা কৰে যে এয়া বাঢ়িব আৰু কাটিম তথা নিজৰ সম্পত্তিক বেয়া নকৰিবা অৰ্থাৎ ইয়াক নকৰিবা যে ধন ব্যয় কৰি ৰিক্ত হস্তহৈ বহি যোৱা অথবা এয়া যে সকলো ধন নিজৰ প্ৰতি ব্যয় কৰা আৰু আনক নিদিবা আৰু নিজৰ সম্পৰ্কীয়ক নিদিবা অথবা দুখীয়াক এইদৰে দিবা যে তেওঁ পৰীক্ষাত পৰক অৰ্থাৎ তেওঁলোকৰ লাভৰ স্থানত ক্ষতি হয়। তেওঁলোক এলেহুৱা হৈ পৰিব তথা খুজি খোৱা অভ্যাস তথা ভীক্ষা বৃত্তি উৎপন্ন হৈ যাওঁক অথবা বিলাসী হৈ পৰক। এনেদৰে ধন ব্যয় কৰাৰ ক্ষেত্ৰত এই আদেশ দিয়া হৈছে যে—

وَفِيْٓ اَمْوَالِهِمْ حَقٌّ لِّلسَّآئِلِ وَالْمَحْرُوْمِ ﴿٢٠﴾ (51:20)

অৰ্থাৎ ঃ- মুছলমানসকলৰ সম্পত্তিত সেইসকল লোকৰো অধিকাৰ আছে যি

ক'ব নোৱাৰে আৰু নিজৰ কষ্টক বৰ্ণনা কৰিব নোৱাৰে। যেনে-পশু-পক্ষী, যি নিজৰ আৱশ্যকতাক পূৰণ কৰিব নোৱাৰে। গতিকে মুছলমানে নিজৰ দানৰ এটা ভাগ পশুকো দিব লাগে। অথবা যাৰ পশুৰ অৱস্থা তথা দুৰ্বল হয় তাক নিৰামযৰ বাবে। অথবা যি পশু ঘৰত থাকে তাৰ সুখৰ প্ৰতি বিশেষ গুৰুত্ব দিয়া হওঁক।

একেদৰে ইছলামে ধৈৰ্য, ধন্যবাদ, উপকাৰ, সত্যতা, বিশ্বাস. মধ্যৱৰ্ত্তী মাৰ্গ গ্ৰহণ কৰা, সহানুভূতি লোকসকলৰ আৱশ্যকতা পূৰণ কৰা, লোকৰ মাজত সন্ধি কৰা তথা এনেদৰে তেওঁলোকৰ সংস্কাৰ, ভয় তথা আশা, সন্তোষ তথা ত্যাগ, সম্পৰ্কীয়ৰে সহানুভূতি তথা উদাৰতা, লাভ তথা লজ্জা, কথা পালন কৰা, প্ৰতিজ্ঞা পালন কৰা, লাভ প্ৰদান কৰা, প্ৰসন্নচিত্ত বিষয়ত লোকক এক কৰা, মান-প্ৰতিষ্ঠা, অতিথি সংস্কাৰ, ৰোগীৰ খবৰ লোৱা, সততা তথা বিশ্বাসী, শোক, অনুপস্থিতিত বদনাম গোৱা, অসত্য ভাষণ, আনক দুখ দিয়া, আনৰ অৱস্থাক বিদাপন্ন কৰা, বেয়া ভাৱ হৃদয়ত থোৱা, আনক গালি পৰা আনৰ চিঠি পঢ়া, দোষক প্ৰকাশ কৰা, প্ৰতাৰণা, উপকাৰ যাতনা, বিদ্ৰোহ, ৰোমাঙ্কাৰী, দৈহিক দণ্ড দিয়া, আড়ম্বৰ, প্ৰশংসাৰ ইচ্ছা, অনৰ্থক কথা আৰু মিছা শপত খোৱা, হেঁচা দিয়া, আহত কৰা, ৰক্তকাণ্ড, অত্যাচাৰ, ব্যৱসায়ত প্ৰতাৰণা কৰা, এনে কামত হস্তক্ষেপ কৰা যাৰ কোনো সম্পৰ্ক নাই, অনাথ বিধৱাৰ দশাৰ পৰিচিত হোৱা তথা যথোচিত সহায় কৰা, ভয়াতুৰ ইত্যাদি ইত্যাদি সকলো চৰিত্ৰ সম্পৰ্কীয় কথাৰ বিষয়ত শ্ৰেষ্ঠ শিক্ষা দিছে যি অতিৰঞ্জিত হোৱাৰ সীমাৰ পৰা সুৰক্ষিত আৰু সত্য পৱিত্ৰতাক উৎপন্ন কৰাৰ কাৰণ হয় কিন্তু এই স্থানত তাৰ বৰ্ণনা কৰিব পৰা নাযায়।

সংক্ষেপত সকলো প্ৰাকৃতিক প্ৰবৃত্তিক ইছলামে প্ৰতিবন্ধকতাৰ দ্বাৰা শ্ৰেষ্ঠতম আচৰণলৈ পৰিৱৰ্তন কৰি দিছে। এই তথ্যক 'ইছলাম'ৰ বাহিৰে আনধৰ্মই বুজা নাই আৰু উপস্থাপন কৰা নাই। কোনো প্ৰাচীন ধৰ্মও কৰা নাই নতুবা কিবা কাৰণ সৃষ্টি হোৱা ধৰ্মই যাৰ আধাৰ লাগে পৱিত্ৰ কোৰাণৰ বিদ্যমানতাত থোৱা হৈছে কিন্তু সেই বিশেষত্বৰ পৰা বঞ্চিত যাক পৱিত্ৰ কোৰাণত পোৱা যায়। মই অতি দুখ অনুভৱ কৰিছোঁ যে বিস্তাৰিতভাবে ইয়াক

বৰ্ণনা কৰিব পৰা নাযাব। অন্যথা এটা এটা প্ৰাকৃতিক প্ৰবৃত্তিক ইছলামে মানবীয় দৃষ্টি আৰু অধীনতাৰ মাজলৈ আনি চৰিত্ৰগত শিক্ষাক উৎপন্ন কৰিছে। তথা আন ধৰ্মৰ দৰে কেৱল প্ৰাকৃতিক প্ৰবৃত্তিক বা তাৰ কোনো অংশৰ নামত চৰিত্ৰক থৈ তাৰ প্ৰতি গুৰুত্ব দিছে। ইছলামে বাস্তৱত উত্থাপিত হোৱা এই প্ৰশ্নক সৰল কৰি তুলিছে যি শ্ৰেষ্ঠ চৰিত্ৰৰ বিষয়ত বুদ্ধিৰ বিকাশ ঘটায় আৰু এতিয়ালৈকে কৰি আছে অৰ্থাৎ এই চৰিত্ৰ পৰিভাষা কি? কিয়নো মুছলমানে উল্লেখ কৰিছে যে চৰিত্ৰ সকলো প্ৰাকৃতিক প্ৰবৃত্তিৰ মাজত সন্ধি কৰাৰ আন এক নাম হয় যিদৰে সভ্যতা সমগ্ৰ মানৱ জাতিৰ মাজত সন্ধি আৰু সংগঠন কৰাৰ নাম। তাত শিক্ষাই চৰিত্ৰ সংজ্ঞা লাভ কৰিব পাৰে য'ত সকলো প্ৰাকৃতিক প্ৰবৃত্তিৰ কাৰণে কাম কৰাৰ পথ প্ৰদৰ্শন প্ৰশস্ত হৈ পৰে আৰু এনে প্ৰতিবন্ধকতা সৃষ্টি কৰে যে কোনো মূল প্ৰবৃত্তিয়ে আন কোনো মূল প্ৰবৃত্তিৰ ক্ষেত্ৰত প্ৰৱেশ কৰিব নোৱাৰে। প্ৰতিশোধ, সহানুভূতিৰ ক্ষেত্ৰত নাযায়, সহানুভূতি প্ৰতিশোধৰ ক্ষেত্ৰত নাযায়। প্ৰেম ঘৃণাৰ ক্ষেত্ৰত নাযায় বা সোমাই নপৰে।

গতিকে এই সকলো প্ৰাকৃতিক প্ৰবৃত্তিয়ে নিজৰ নিজৰ ক্ষেত্ৰত নিয়মানুসৰি ভ্ৰমণ কৰক। যিদৰে গ্ৰহ আৰু উপগ্ৰহই নিজৰ কক্ষপথত পৰিভ্ৰমণ কৰে আৰু কোনো আনটোৰ বাবে বাধা নহয় সেয়ে যি সময়ত আনৰ ক্ষেত্ৰ আৰম্ভ হয়, তাতে স্থৱিৰ হৈ দিব লাগে। যদি কল্পনা কৰি লোৱা হয় মানবীয় বুদ্ধি এখন ৰাজ্য যি প্ৰাকৃতিক প্ৰবৃত্তিয়ে তাত বাস কৰা লোকসকল হয় আৰু চৰিত্ৰ সেই বিধান যাৰ দ্বাৰা সেই শান্তি স্থিৰ কৰা হয়। কিয় সেয়াই সূক্ষ্ম পৰিভাষা তথা কেনে স্পষ্ট ব্যাখা।

## চৰিত্ৰৰ সোপান

এতিয়া মই ধৰ্মৰ দ্বিতীয় উদ্দেশ্যৰ দ্বিতীয় প্ৰশ্নটোক উপস্থাপন কৰোঁ। অৰ্থাৎ এই কথাক উল্লেখ কৰো যে ইছলামে চৰিত্ৰৰ বিভিন্ন সোপান কি কি বুলি উল্লেখ কৰিছে?

এই প্ৰশ্ন প্ৰতিজন ব্যক্তিয়ে বুজিব পাৰে যে চৰিত্ৰৰ প্ৰতিবন্ধকতাৰ বাবে অতি আৱশ্যক হয় আৰু এনে আৱশ্যক হৈছে যে যেনেকৈ সাংসাৰিক বাহ্যিক শিক্ষাৰ বাবে শ্ৰেণীবদ্ধতাৰ আৱশ্যকতা আছে। যদি ইয়াক অতি

গুৰুত্বপূৰ্ণতাৰে লক্ষ্য কৰা হয় যদি পঢ়াশালী তথা কলেজৰ শিক্ষাত এনেধৰণে শ্ৰেণীত ভাগ নকৰা হ'লে বহুলোক শিক্ষাৰ পৰা বঞ্চিত হ'ল হয় কিয়নো বহুতো মানুহে এই কথাৰ অনুমান কৰিব নোৱাৰে যে তেওঁলোকে কিমানলৈকে শিক্ষা গ্ৰহণ কৰিব লাগে আৰু বহুতো লোক নিৰোৎসাহিত হৈ পৰে আৰু সাহস হেৰোৱাই পেলাই আৰু পাঠ্যক্ৰম সমাপ্ত কৰাটো অসম্ভৱ জ্ঞান কৰে। সেয়ে শ্ৰেণীত শিক্ষাক ভাগ কৰাটো কেৱল শিক্ষাকে নহয় তথা শিক্ষা বিভাগ তথা প্ৰৱন্ধকসকলৰ বাবে লাভজনক হয় গতিকে স্বয়ং শিক্ষা গ্ৰহণ কৰা সকলৰ বাবে বৰ লাভ হয়।

চৰিত্ৰৰ অৱস্থাও ঠিক তেনেধৰণৰ উপযুক্ত প্ৰতিটো শিক্ষা যি সমগ্ৰ মানৱ জাতিৰ কাৰণে হয় তাৰ কাৰণে আৱশ্যক হৈ পৰে যে তাক শ্ৰেণীত ভাগ কৰা হওঁক। যাতে তাৰ বিভিন্ন শক্তিধৰসকলে লাভ অৰ্জন কৰিব পাৰে। যদি শিক্ষা এনে হয় যে কেৱল উচ্চ শ্ৰেণীৰ লোকে তাৰ পৰা লাভ অৰ্জন কৰিব পাৰে তেন্তে নিম্ন বা মধ্যম শ্ৰেণীৰ লোক তাৰ পৰা বঞ্চিত হৈ পৰিব। যদি এনে হৈ পৰে যে কেৱল মধ্যম শ্ৰেণীলোকে ইয়াৰ পৰা লাভ উঠাব পাৰে তেন্তে নিম্ন শ্ৰেণীলোক ইয়াৰ পৰা বঞ্চিত হৈ পৰিব আৰু উচ্চ শ্ৰেণীৰ লোকৰ বাবে তাত কোনো আকৰ্ষণৰ সামগ্ৰী নাথাকিব আৰু নিম্ন শ্ৰেণীলোক তাত উপলক্ষ থোৱা হয় যাতে মধ্যম শ্ৰেণীৰ তাৰ পৰা কোনো লাভ নহয়। যদি তাত কোনো ক্ৰমৰ দৃষ্টি থোৱা হয় তেতিয়াওঁ উচ্চ কৃৰ্তীৰ লোকে কদাচিত সেই সীমালৈকে লাভ উঠাব কিন্তু বাকী লোকসকল বঞ্চিত হৈ থাকিব আৰু সাহসহীন হৈ পৰিব। এয়া যদি কেৱল কাল্পনিক আৰু প্ৰদৰ্শনমূলক শিক্ষা হয় তেতিয়াঁও তেওঁলোকৰ কোনো লাভ নহ'ব। ব্যাখাৰ সৌন্দৰ্যতা আৰু মঞ্চৰ শোভাৰ কাৰণে এই শিক্ষা ভাল হ'ব কিন্তু তাৰ ক্ৰিয়াত্মক লাভ সংসাৰে নেপাব।

এই বিষয়ৰ আৱশ্যকতা সিদ্ধ হোৱাৰ পিছত যে সংসাৰক কেৱল চৰিত্ৰগত শিক্ষাৰ আৱশ্যকতা নাই কিন্তু ক্ৰিয়াত্মক আৰু ক্ৰমশঃ চৰিত্ৰগত শিক্ষাৰ আৱশ্যকতা আছে যি মানৱক পূৰ্ণতাৰ দিশে ধাৱিত কৰে, এতিয়া মই সেই শ্ৰেণীসমূহৰ বৰ্ণনা কৰো যিবিলাকক ইছলামে ভাল আৰু বেয়া দুটা প্ৰকাৰৰ আচৰণৰ সম্পৰ্কত শিক্ষা দিছে।

মনত ৰাখিব লাগে যে চৰিত্ৰ বিষয়ত দুই ধৰণৰ শিক্ষাক দিয়া হৈছে। এটা সিদ্ধান্তগত সূত্ৰ ৰূপত তথা আনটো বিস্তাৰপূৰ্বক। সিদ্ধান্তগত শিক্ষাত শুভ আৰু অশুভ চৰিত্ৰৰ এনে শ্ৰেণীত বিভিক্ত কৰা হৈছে য'ত সকলো আচৰণৰ সমাৱেশ হৈ পৰে আৰু ইয়াৰ বিভাজনৰ দ্বাৰা প্ৰতিজন মানুহে নিজৰ বাবে এটা পথ নিৰ্মাণ কৰিব পাৰে আৰু বেয়াৰ পৰা বাচি থাকিবলৈ তথা ভালক লাভ কৰাৰ প্ৰতি যত্নৱান হ'ব পাৰে। এই সিদ্ধান্তগত শিক্ষাৰ বাহিৰে অতিৰিক্ত এক বিস্তাৰপূৰ্বক শিক্ষা আছে য'ত বিস্তাৰিত ভাবে প্ৰতিটো কথাক বেলেগ বেলেগকৈ বৰ্ণনা কৰা হৈছে আৰু তাত প্ৰতিপ্ৰকাৰ চৰিত্ৰৰ কৰ্ম আৰু কাৰ্যক উপস্থাপন কৰা হৈছে।

চৰিত্ৰৰ শ্ৰেণীৰ বিষয়ত এই সিদ্ধান্তগত শিক্ষাক পৱিত্ৰ কোৰাণে এই আয়াতত বৰ্ণনা কৰিছে—

اِنَّ اللّٰهَ يَاْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآئِ ذِي الْقُرْبٰى وَيَنْهٰى

عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ ۚ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ ﴿٩١﴾

(16:91)

অৰ্থাৎ ঃ পৰমেশ্বৰে তোমাক ন্যায় তথা উপকাৰ আৰু সৎজনক সদ ব্যৱহাৰ কৰাৰ আদেশ দিছে আৰু তুমি সেই বেয়াৰ পৰা যি মানুহে আভ্যন্তৰীণ সম্পৰ্কত ৰাখে তথা তাত যি উদিত হয় আৰু লোকসকলে বেয়া পায় আৰু তাৰ পৰা য'ৰ পৰা লোকসকলৰ ক্ৰিয়াত্মক কষ্ট পায় তাৰ পৰা স্থৱিৰ কৰে আৰু তোমাক উপদেশ দিয়ে যাতে তুমি সংসাৰত নিজৰ চিহ্ন থৈ যোৱা।

এই আয়াতত শুভ কৰ্মক তিনিটা শ্ৰেণীত বৰ্ণনা কৰা হৈছে তথা অশুভ কৰ্মকো তিনিটা শ্ৰেণীত উল্লেখ কৰা হৈছে। সকলো ভাল কাম তথা অশুভ কাম এই তিনিটা ভাগৰ ভিতৰতে পৰে। সৎকৰ্ম প্ৰথম শ্ৰেণীৰ দৰে হয় অৰ্থাৎ সমানুপাতিক ব্যৱহাৰ। যেনেকৈ তাক যিজনে ব্যৱহাৰ নকৰক তেনেধৰণৰ হওঁক তেওঁ তাক কৰক অথবা যিমান ভাল ব্যৱহাৰ কোনোবাই ইয়াক কৰে সিমান ভাল ব্যৱহাৰ তেওঁকো কৰিব। যেনেধৰণৰ ভাৱনাই ইয়াক বিচাৰে যে মানুহে মোৰ বিষয়ত এনেধৰণে চিন্তা কৰক যিধৰণে মই তেওঁলোকক হৃদয়ত

স্থান দিছো। সাৰাংশ এয়া যে প্ৰতিটো ক্ষেত্ৰতে সমান দৃষ্টি ৰাখিব আৰু ইয়াক নকৰিব যে মানুহে ইয়াক পুণ্য ব্যৱহাৰ বুলি কওঁক কিন্তু ই তেওঁলোকৰ পৰা বেয়া ব্যৱহাৰৰ আচৰণ কৰক এনেদৰে ইয়াকো নকৰিব স্বয়ং মানুহৰ পৰা সদ্ ব্যৱহাৰৰ আশা কৰে তথা নিজে আকৌ আনক বেয়া ব্যৱহাৰ কৰে।

ইয়াকো মনত ৰাখিব লাগে যে ন্যায় শব্দৰ পৰা এনেধৰণৰ প্ৰতিক্ৰিয়া হ'ব পাৰে যি এনেধৰণৰ কথাত আধাৰিত হয় যি সদায় অৰুচিকৰ হৈ পৰে। উদাহৰণ হিচাপে অশ্লীল কথা, ব্যাভিচাৰ, মিছা ভাষণ আদি। ন্যায় ক্ষেত্ৰত তেওঁ এই অধিকাৰৰ প্ৰাপ্ত যে অপৰাধৰ সিমানেই শাস্তি যিমানখিনি অপৰাধ তেওঁ কৰিছিল কিন্তু তাৰ কাৰণে এয়া উচিত নহয় যে অপৰাধ যদি কিবা অশ্লীল প্ৰকাৰৰ হয় যিটো কৰাটো কোনো কাৰণে উচিত নহয় যাতে সেয়াও সেই অশ্লীলতাৰ অপৰাধী হৈ পৰে কিয়নো অশ্লীলতা বিহ হয় আৰু বিহৰ বিপৰীতে বিহ পান কৰাটো নিজকে দুগুণ ক্ষতি কৰাৰ দৰে আৰু প্ৰতিশোধ প্ৰতিকাৰ নহয় গতিকে ক্ৰিয়াত্মক অজ্ঞানতা তথা অসভ্যতা হয়।

পুণ্যৰ দ্বিতীয়টো শ্ৰেণীক ইছলামে 'উপকাৰ' বুলি সংজ্ঞাৱদ্ধ কৰিছে অৰ্থাৎ ইয়াক প্ৰচেষ্টা কৰক যে যিমানেই কোনোবাই ব্যৱহাৰ কৰক সেয়া আৰ্থিক হওঁক বা দৈহিক হওঁক অথবা শৈক্ষিক আৰু জ্ঞান সম্পৰ্কীয় হওঁক; ই তাতকৈ অধিক আগবাঢ়ি তাক ব্যৱহাৰ কৰাৰ চেষ্টা কৰে আৰু যদি ই তাতকৈ বেয়া ব্যৱহাৰ কৰে তেতিয়া যিমানলৈকে সম্ভৱ হয় ই তাক ক্ষমা কৰি দিব। হয়, এনে ক্ষমা নহয় যি সংঘৰ্ষৰ কাৰণ হৈ পৰে। এই শ্ৰেণীটো প্ৰথম শ্ৰেণীৰ তুলনাত উত্তম হয়। এই শ্ৰেণীলৈকে সেই ব্যক্তিয়ে উন্নতি কৰিব পাৰে যি প্ৰথম ন্যায়ৰ শ্ৰেণীক অতিক্ৰম কৰিছে আৰু নিজক নিজেই তাৰ অভ্যস্ত কৰি লৈছে অন্যথা এক অস্থায়ী পৰিৱৰ্তন তেওঁৰ হৃদয়ত হওঁক আৰু নৈতিক অসাৱধানতাৰ বাবে তাৰ পতন হৈ পৰে।

পুণ্যৰ তৃতীয় শ্ৰেণী 'ইতাইজিল কুৰ্বা'' (প্ৰিয়জনৰ দৰে ব্যৱহাৰ) অৰ্থাৎ এনেধৰণে সংসাৰৰ লগত ব্যৱহাৰ কৰক যে তাৰ প্ৰতি ইয়াক সদায় গুৰুত্ব নিদি যে এই লোকসকলে মোক কেনে পুণ্য ব্যৱহাৰ কৰিব। যিদৰে আপোনাক শিশু অৱস্থাত মা-দেউতা বা ভাই-ভনীক বা নিজৰ সন্তানক কৰাৰ দৰে ব্যৱহাৰ

কৰাটো এক স্বাভাৱিক কৰ্তব্য হয়। অথবা ভাইৰ পৰা এই কথাৰ আশা কৰা নহয় যে সি মোৰ ব্যৱহাৰৰ কোনো বিনিময় দিব। যদি মাক-দেউতাক ষাঠি-সত্তৰ বছৰৰ হয় আৰু সন্তান দুই-তিনি বছৰৰ হয় তেতিয়াওঁ সেইদৰে তথাপি তাতকৈ অধিক সেৱা কৰিব যিদৰে যুৱক হোৱা হ'লে কৰিল হয়। যিহেতু তেওঁ ভালদৰে জানে যে সন্তানে আমাৰ সেৱা কৰিব নেৱাৰে কিয়নো তেওঁলোক যুৱক আৰু কাম কৰাৰ যোগ্য হোৱাৰলৈকে আমি মৃত্যুৰ কোলাত ঢলি পৰিম। এয়া কেৱল কৰ্ম সেই কাৰণে হয় যে তেওঁলোকৰ এই সন্তানৰ স্বাভাৱিক প্ৰেম হৈ পৰে যাৰ কাৰণে সেই ব্যৱহাৰ সন্তানক কৰে 'উপকাৰ' বুলি নাভাবে তথাপি নিজৰ কৰ্তব্য বুলি বুজি উঠে। তথাপি যদি কোনোবা ব্যক্তিয়ে তেওঁৰ সন্মুখত কয় যে এই সন্তানক ইমান উপকাৰ কৰিছা? তেন্তে কাদচিত তেওঁ আচৰিত হৈ পৰিব যে উপকাৰ কেনেধৰণৰ? আমি যে নিজৰ সন্তানক পালন কৰো। তেন্তে এই অৱস্থা যি মাক-বাপেকৰ বা প্ৰিয়জন-আপোনজনৰ ব্যৱহাৰত হয় এয়া উপকাৰতকৈ বহু অধিক হয়। উপকাৰত তথাপি মানুহৰ এক আভাস থাকে যে তেওঁ পুণ্য কৰ্ম কৰিছে কিন্তু প্ৰিয়জনৰ ব্যৱহাৰত এই কথাৰ অলপো চিন্তা নাথাকে যে তেওঁ কোনো পুণ্য কাম কৰিছে যদিও ইয়াক অৱগত হয় যে এই ব্যৱহাৰৰ পৰা তেওঁ স্বয়ং নিজকে বিশ্ৰাম দি দিছে আৰু ইয়াতেই তেওঁৰ আনন্দ আছে।

পুণ্যৰ এই তৃতীয় শ্ৰেণীটো সৰ্বশ্ৰেষ্ঠ হয়। এই শ্ৰেণীত মানুহে ইমান উন্নতি কৰে যে তাত তেওঁ পুণ্যাচৰণৰ আনন্দ অনুভৱ কৰে আৰু ইয়াক নিজৰ প্ৰতি পৰমেশ্বৰৰ মহান উপকাৰ বুলি ভাবিব ধৰে যে মই মানুহক সদ ব্যৱহাৰ কৰাৰ সুযোগ লাভ কৰিছোঁ। যিদৰে সেই লোকসকল যাৰ তাত সন্তানৰ জন্ম হৈছে, ইয়াক নেভাবে যে তেওঁৰ ওপৰত এক ভাৰ পৰিল তথাপি প্ৰসন্ন হৈ পৰে আৰু পৰমেশ্বৰৰ বদান্যতাক স্মৰণ কৰে। এনে লোকক ধৰি লোৱা সংসাৰৰ কাৰণে নিজকে নিজেই সমৰ্পন কৰিছে আৰু মানুহৰ কষ্টত অনুভৱ কৰে তথা তেওঁলোকৰ সুখত সুখ অনুভৱ কৰে। এয়া সত্য যে তেওঁৱে সংসাৰত উপকাৰ কৰিলে কিন্তু তেওঁ কেতিয়াওঁ নাভাবে যে সংসাৰক তেওঁ উপকাৰ কৰিছে তথাপি নিজে উপকৃত হয় আৰু ভাবে যে মোৰ প্ৰতি কৃপা হ'ল যে

আমি এই কাম কৰাৰ সুযোগ লাভ কৰিলোঁ তথাপি তেওঁৰ সদায় এই ইচ্ছা থাকে যে কিমান যে ভাল হ'ল হয় যদি ইয়াত অধিক কাম কৰাৰ বাবে সুযোগ লাভ কৰিলো হয় যিদৰে মাক-দেউতাকৰ আশা হয় যে যদি আমাৰ ওচৰত অধিক হ'ল হয় সন্তানক অধিক সেৱা কৰিলো হয়।

পুণ্য তিনিটা শ্ৰেণীৰ তুলনাত বেয়াৰো তিনিটা শ্ৰেণী আছে অৰ্থাৎ ন্যায়ৰ বিপৰীতে অশ্লীলতা। যাৰ অৰ্থ বেয়া হয়। যেতিয়া এই শব্দ 'নিষেধ'ৰ লগত লগ লাগে তেন্তে তাৰ অৰ্থ সেই বেয়া হৈ পৰে যি প্ৰচ্ছন্ন হয় আৰু যাৰ প্ৰভাৱ বাহ্যিকৰূপত নহয় যেনেকৈ হৃদয় অপৱিত্ৰতা তথা কুবিচাৰ আদি। এয়া বেয়াৰ প্ৰথম শ্ৰেণী হয় যিদৰে ন্যায়ৰ প্ৰথম শ্ৰেণী আছে। যেতিয়া মানুহৰ অন্তৰত সংগতিৰ প্ৰভাৱত আৰু অকল্যাণকাৰী শিক্ষা পৰিলে অথবা পশুৰ গুণলৈ উন্নিত হৈ পৰিলে যি বিকাৰ উৎপন্ন হয় তাৰ প্ৰথম প্ৰভাৱ হৃদয়ত পৰে। হৃদয়ত দূষিত চিন্তাৰ উদয় হয়। বেয়া দিশে প্ৰেৰণা জাগি উঠে কিন্তু স্বভাৱে তাক হেঁচা মাৰি দৰে। যদি এই চিন্তা পৰিপক্ক হৈ উঠে শেষত বিজয় হয় আৰু হৃদয়ত বেয়াৰ গাঠি দৃঢ়তাৰে পৰে। সেই বেয়াৰ দ্বিতীয় শ্ৰেণীৰ আৰম্ভ হৈ যায় আৰু এই ব্যক্তিয়ে পুনৰ কুকৰ্ম কৰিব ধৰে যি লোকসকলে দেখি অপছন্দ কৰে তথা তেওঁলোকৰ অন্তঃকৰণত তেওঁ এই কাৰ্য কুকৃত্য এক অসহ্য ভাৰৰ দৰে অনুভৱ হয় কিন্তু এই কৃত্য অধিকাংশ এনেধৰণৰ হয় যি তেওঁৰ আভ্যন্তৰীণ অপৱিত্ৰতাৰ সূচক হৈ পৰে। যেনেকৈ মিছা ভাষণ, অৰ্থহীন বাৰ্তালাপ কৰা আৰু এনেধৰণৰ কিছুমান আন কাম। লগতে এই কথাও হয় যে এতিয়াওঁ কিছুমান বেয়া তাত পোৱা যায়, বহুতো বেয়া কৰাত এই ভয় অনুভৱ হয় আৰু তেওঁৰ হৃদয়ত ইয়াক কৰাৰ সাহস নহয়। যদিও কিছুমান কুকৰ্ম মানুহৰ সন্মুখত কৰে কিন্তু নিজৰ অন্তঃকৰণত লাজৰ অনুভৱ কৰে আৰু নিজৰ ভুলক মনত পেলাই তাক স্বীকাৰ কৰে।

যেতিয়া এই অৱস্থাত প্ৰসন্ন হৈ পৰে আৰু তাৰ শুধৰণিৰ চিন্তা নকৰে তেতিয়া এয়া তৃতীয় শ্ৰেণীলৈ পৰিণত হয় যাক 'বাগী' বুলি কোৱা হয়। অৰ্থাৎ মানুহক ক্ষতি কৰা আৰু চৰিত্ৰৰ নিয়মৰ প্ৰতি মুকলি বিদ্ৰোহ।

'বাগী'ৰ অৰ্থ হৈছে বিদ্ৰোহ। এই শ্ৰেণীৰ পৰা এই তাৎপৰ্য হয় যে এই স্থানত

উপনীত হৈ মানুহে চৰিত্ৰ নিয়মৰ বিদ্ৰোহ কৰিবলৈ ধৰে আৰু তেওঁৰ আজ্ঞা পালন কৰাৰ হাৰ ডালক নিজৰ ডিঙিৰ পৰা পেলাই দিয়ে আৰু নিজৰ দশাত গৌৰৱ কৰিবলৈ ধৰে আৰু তাত সেই আনন্দ অনুভৱ কৰে তথা তাৰ অভিসম্পাতসূচক কোনো প্ৰভাৱ নপৰে।

এই শ্ৰেণীৰ বৰ্ণনা কৰোঁতে ইছলামৰ সংস্কাৰৰ জিজ্ঞাসুসকলক কিমান সুগমতা সৃষ্টি কৰিছে। প্ৰতিজন ব্যক্তিয়ে সুগমতা পূৰ্বক নিজৰ আচৰণৰ অৱস্থাক তুলনা কৰিব পাৰে। ভাল অৱস্থাকো আৰু বেয়া অৱস্থাকো। তাৰ পিছতেই সংস্কাৰৰ দিশে ধাৱিত হ'ব পাৰে তথা উন্নতিৰ দিশে ভৰি আগবঢ়াব পাৰে। প্ৰতিটো প্ৰকাৰৰ মানুহে নিজৰ সন্মুখত এক উদ্দেশ্য ৰাখে যে যাৰ প্ৰাপ্তিৰ কাৰণে যত্ন কৰাটো কোনো ধৰণৰ বোজা অনুভৱ নহয়। আৰু তাত তেওঁ কোনো নিৰাশা অনুভৱ কৰে। উদাহৰণ হিচাপে কোনো ব্যক্তি পাপত ইমান আগবাঢ়ি যায় যে স্বচৰিত্ৰৰ নিয়মক আভাস হিচাপেও নিজৰ হৃদয়ত নাৰাখে, যদি এই বুলি কোৱা হয় তুমি এনে প্ৰিয়লোক হৈ পৰা যি পুণ্য তোমাৰ অংগ হৈ পৰে আৰু অবনিৰ্শে মানুহৰ কল্যাণত ব্যস্ত হৈ পৰা তেন্তে এই কথা তেওঁৰ বাবে কেনে অপৰিচিত তথা ব্যতিক্ৰম আৰু নিৰাশাজনক হ'ব। এয়াতো এই উদ্দেশ্যক শুনি ভয় কৰিব আৰু হতাশ হৈ বহি পৰিব। কিন্তু যদি আমি কওঁ যে প্ৰতিজন ব্যক্তি যি পুণ্যৰ দিশে ভৰি আগবঢ়াই তেওঁক ধৰি লোৱা সাধু পুৰুষত সন্মিলিত হয়। তুমি যদি বেয়াক এৰিব নোৱাৰা তেন্তে অতি কমকৈ এই কথাক হৃদয়ত অনুভৱ কৰা যে তুমি বেয়া কৰি আছা আৰু তাত গৌৰৱ নকৰা যদি এই তেওঁৰ বাবে অতি সৰল তথা সুগম হ'ব আৰু তেওঁ অতি তৎপৰতাৰে সেই কাৰ্যত জড়িত হৈ পৰিব যেতিয়া তেওঁ অন্তঃকৰণে লাজ আৰু গ্লানি অনুভৱ কৰিব তেন্তে আমি তাক ক'ব পাৰো যে তেওঁ পুণ্যৰ শ্ৰেণীক লাভ কৰিছে কিয়নো মহান বেয়াক ত্যাগ কৰাটো এক প্ৰকাৰৰ পুণ্য। তেওঁৰ সাহস এই পৰিৱৰ্তনৰ ফলত অধিক বাঢ়ি যাৱ আৰু তাৰ সহায়ত আমি তেওঁক আগবঢ়াই নিবলৈ চেষ্টা কৰিম আৰু ক'ম যে যদি তুমি এতিয়া পুণ্য কৰিব নোৱাৰা তেন্তে নিজৰ বেয়াবোৰক অতি কমেও সুৰক্ষিত কৰা। লাগে হৃদয়ত দুৰ্ভাৱনাৰ উৎপন্ন হওঁক কিন্তু তাৰ অনুসৰণ নকৰিবা আৰু অতি কমেও

চেষ্টা কৰা যে মানুহৰ সন্মুখত তোমাৰ বেয়া কামবোৰ নহওঁক যাতে মানুহে তোমাৰ কুকৰ্মক দেখি যেন কষ্ট অনুভৱ নকৰে। এই কাৰ্য তেওঁৰ বাবে প্ৰথম কৰ্মৰ তুলনাত সৰল তথা সুগম হ'ব। যেতিয়া তেওঁ এই কাৰ্যকো পূৰণ কৰি ল'ব তেন্তে তেওঁৰ সাহসে অধিক উন্নতি কৰিব। লাগে তেওঁৰ হৃদয়ত এতিয়াও দুৰ্ভাৱনা বিদ্যমান হওঁক কিন্তু তাত কোনো সন্দেহ নাথাকিব যে তাতো পুণ্যৰ এটাৰ স্থিতিত বুলি ক'ব পৰা যাব কিয়নো তেওঁ পুণ্যৰ দিশে ভৰি আগবঢ়াইছে আৰু তেওঁ বেয়াৰ বহুতো দিশ ত্যাগ কৰিছে তেতিয়া আমি তেওঁক পিছৰটো খোজ দিয়াৰ বাবে উপদেশ দিম যে তুমি কৰিব লাগে যে এতিয়া তোমাৰ হৃদয়ক পৱিত্ৰ কৰা আৰু সেই অপৱিত্ৰতাৰ পৰা নিজকে নিজেই সুৰক্ষিত কৰা। ইয়াত কি সন্দেহ আছে যে এতিয়া তেওঁৰ বাবে খোজ আগবঢ়োৱাটো আগতকৈ অধিক সৰল আৰু সুগম হ'ব তথা তেওঁ এই কাৰ্যক কৰিব আৰু তেওঁৰ হৃদয় সেই শিশুটোৰ দৰে পৱিত্ৰ হ'ব যি এতিয়া কিছু জনা-বুজা হৈছে অথবা দাপোনৰ দৰে হ'ব য'ত এতিয়া কোনো চিহ্নৰ কোনো ৰেখা পৰা নাই। তেতিয়া আমি ন্যায়ৰ স্থান প্ৰাপ্ত হোৱাৰ বাবে তেওঁৰ ধ্যান আকৰ্ষণ কৰিম। তথা এনেধৰণে পোনে পোনে তেওঁ সেই স্থানত উপনীত হ'ব যি তেওঁৰ শক্তি তথা সাহসৰ অনুকুল হয়। কিন্তু যদি আমি এই পদ্ধতিক এৰি দিওঁ তেন্তে সকলো পৰিকল্পনা সদায় নষ্ট-ভ্ৰষ্ট হৈ পৰিব। যি উপদেশৰ অবিহনে ক্ৰমৰ তথা শ্ৰেণীৱদ্ধ কৰা হ'ব তেতিয়া কেতিয়াও সুফলপোৱা নাযাব। তাৰ উদাহৰণ এয়া হ'ব যে আমি বিদ্যাৰ্থীক যি এতিয়া অ আ ই ঈ বা ক খ ৰ জ্ঞান অৰ্জন কৰা নাই এম.এ পাঠ্যক্ৰমক কণ্ঠস্বৰ কৰিবলৈ আৰম্ভ কৰি দিছে অথবা বেৰিষ্টাৰৰ শব্দকোষ কণ্ঠগ্ৰ কৰিবলৈ আৰম্ভ কৰি দিছে আৰু ইয়াক চিন্তা কৰে যে যেতিয়া ইয়াক অধ্যয়ন কৰিব সকলো পঢ়ি ল'ব যিহেতু এই তথ্য এনেধৰণৰ যে তেওঁ এই শিক্ষা পদ্ধতিৰ কাৰণে একোকে পঢ়িব নোৱাৰিব। কিছুমান শব্দটো তেওঁ জানিব কিন্তু কেৱল ভাটৌ চৰাইৰ দৰে আওৰাব। তাৰ প্ৰভাৱ তেওঁৰ হৃদয়ত অলপো নপৰিব আৰু তেওঁৰ আচৰণ সেই শিক্ষাৰ উপযুক্ত নহ'ব তাৰ পৰিৱেশৰ পৰিণাম স্বৰূপ হ'ব। য'ত তেওঁৰ পালন-পোষণ হৈছিল। পৱিত্ৰ কোৰাণে এই ক্ৰমশঃ আৰুশ্ৰেণীৱদ্ধ শব্দক বহুতো সলনি কৰি দিছে।

ইমানলৈকে যে ইয়াৰ উল্লেখ আছে যে কোনো পয়গম্বৰ এনে হ'ব নোৱাৰে যাৰ এই শিক্ষা নাথাকিব 'কুনু ৰব্বানীইনা' হৈ পৰিব। অৰ্থাৎ 'ৰব্বানী' হৈ পৰিব। ৰব্বানী সেই ব্যক্তিক কোৱা হয় যি শিক্ষা দিয়াৰ আগতে সৰু জ্ঞানৰ শিক্ষাই পুনৰ ডাঙৰ আৰু ক্ৰম তথা শ্ৰেণীৰ দৃষ্টি ৰাখে। পুনৰ পয়গম্বৰৰ বাবে আৱশ্যক হয় তেওঁ নিজৰ জাতি এই কথাৰ শিক্ষা দিয়ক যে তেওঁলোকে আধ্যাত্মিক উপচাৰ কৰাৰ সময়ত লোকসকলৰ স্বভাৱক তথা তেওঁলোকৰ অৱস্থাক লক্ষ্য কৰক আৰু তেওঁলোকৰ অভ্যাসক তথা এনে ৰীতিৰ মাজত তেওঁলোক সোমাই আছে শ্ৰেষ্ঠ পদ্ধতিৰে আঁতৰ কৰক আৰু এনে জ্ঞান যাৰ প্ৰতি তেওঁ অনভিজ্ঞ হয় লাহে লাহে শিকাওঁক।

এইটো মনত ৰাখিব লাগে যেনেকৈ বিভিন্ন কথাক বুজি উঠা প্ৰত্যেকৰে বাবে সৰল হয়। সেয়ে শিকোৱাৰ তাৎপৰ্য এয়া নহয় যে কিছুমান মানুহৰ মাজত কিছুমান বিদ্যাক গোপনে ৰাখিব লাগে তথাপি শিকোৱা কাৰ্যক সক্ৰিয় কৰিব লাগিব কিয়নো প্ৰতিবাৰতে এক ওচৰৰ উদ্দেশ্য সন্মুখলৈ আহে আৰু এবাৰৰ সফলতা আনৰ শুধৰণিৰ কাৰণে আৰু অধিক উদ্যত কৰি দিয়া। যেনেদৰে সকলো শিক্ষাৰ্থীয়ে জানে যে শিক্ষাৰ মুঠ সময় কিমান কিন্তু পাঠ্যক্ৰম তথা ক্ৰমানুগত শ্ৰেণীৰ বিভাজনৰ কাৰণত আৰু লাহে লাহে সময়ৰ পিছত ফলাফল প্ৰকাশ হৈ থাকিলে তেওঁলোকৰ সাহস বাঢ়ি থাকে আৰু ভাৰ ক্ৰমে হ্ৰাস হয় আৰু তেওঁলোকে অনুভৱ কৰিব ধৰে যে আমি উন্নতি কৰি আছো।

মই ইতিমধ্যে উল্লেখ কৰিছোঁ যে ইছলামে চৰিত্ৰগত সিদ্ধান্তমূলক শিক্ষাৰ বাহিৰেও এই সম্পৰ্কত বিস্তৃত শিক্ষা প্ৰদান কৰে আৰু ভাল আৰু বেয়া সকলো প্ৰকাৰৰ শিক্ষাক শ্ৰেণীৱদ্ধ কৰি তাৰ বিভাজন কৰে য'ৰ পৰা তাক গ্ৰহণ কৰিব লাগে অথবা ত্যাগত সুগমতা হয় কিন্তু যিহেতু সময়ে অনুমতি নিদিয়ে আৰু মই ইমানতে যতি পেলাইছোঁ। কিয়নো জ্ঞানীজনৰ বাবে ইছলামৰ আদৰ্শৰ নিয়মৰ বিষয়ে অৱগত হ'বলৈ ইমানেই যথেষ্ট হ'ব।

## ভাল আচৰণৰ ভাল আৰু বেয়া আচৰণক বেয়া বুলি উল্লেখ কৰাৰ কাৰণ

এই সমস্যাৰ বিষয়ত ইছলামৰ শিক্ষা সিদ্ধান্তমূলক আৰু বিস্তাৰপূৰ্বক হয়। সিদ্ধান্তমূলক শিক্ষা এয়া যে পৰমেশ্বৰে উল্লেখ কৰিছে—

وَمَا خَلَقْتُ الْجِنَّ وَالْاِنْسَ اِلَّا لِيَعْبُدُوْنِ ۝٥٧ (51:57)

অৰ্থাৎ ঃ মই জিন আৰু মানুহক এই অভিপ্ৰায়ে সৃষ্টি কৰিছোঁ যাতে সিহঁতে মোৰ উপাসনা কৰে। সেয়ে শ্ৰেষ্ঠ আচৰণৰ প্ৰাপ্তিৰ প্ৰথম উদ্দেশ্য এয়া হয় যে ইয়াৰ অবিহনে এই পৱিত্ৰতাৰ সূত্ৰত পৰমেশ্বৰৰ লগত সম্পৰ্ক স্থাপিত হ'ব নোৱাৰে যাৰ অবিহনে মানৱ জীৱনেই হ'ব নোৱাৰে। তেওঁ দুষ্ট আৰু দুৰাচাৰীক পছন্দ নকৰে গতিকে তেওঁ বিচাৰে যে মানুহে তেওঁৰ পৱিত্ৰ বিশেষত্বক নিজৰ মাজত সৃষ্টি কৰক যাতে তেওঁৰ সমান হৈ পৰে যাতে তেওঁ সান্নিধ্য প্ৰাপ্ত হয়। পৰমেশ্বৰে উল্লেখ কৰিছে—

اِنَّا جَعَلْنَا مَا عَلَى الْاَرْضِ زِيْنَةً لَّهَا لِنَبْلُوَهُمْ اَيُّهُمْ
اَحْسَنُ عَمَلًا ۝٨ (18:8)

অৰ্থাৎ ঃ মই সংসাৰত ভালতকৈ ভাল বস্তু উৎপন্ন কৰি মানুহক ইয়াত জন্ম দিছো যাতে মই ইয়াক দেখো যে মানুহৰ মাজত কোনোবাই সুন্দৰ কাম কৰে অৰ্থাৎ কোনে কিমান সৎভাৱনাৰ গুণক নিজৰ ভিতৰত উৎপন্ন কৰিছে। সেয়ে বাস্তৱিক কাৰণত কিছুমান আচৰণক ভাল বুলি কোৱাৰ মূলতে হ'ল যে তেওঁ পৰমেশ্বৰৰ গুণৰ প্ৰতিবিম্বক নিজৰ ভিতৰত ৰাখে আৰু কিছুমান আচৰণক বেয়া বুলি কোৱাৰ কাৰণ হ'ল যে তেওঁ পৰমেশ্বৰৰ গুণৰ বিৰোধী হয়। ইয়াত কি সন্দেহ আছে যে যি পোহৰত অংশগ্ৰহণ নকৰিব তেওঁ অন্ধকাৰত থাকিব আৰু যিমানেই পোহৰৰ পৰা আঁতৰ হৈ পৰিব সিমানেই অন্ধকাৰৰ ছায়া তেওঁৰ ওপৰত পৰিব। কিন্তু এই সিদ্ধান্তগত শিক্ষাৰ বাহিৰেও ইছলামে বিভিন্ন আচৰণৰ বিষয়ত বিস্তাৰপূৰ্বক কাৰণ উল্লেখ কৰিছে যাৰ দ্বাৰা মানুহ ভাল আৰু বেয়া হোৱাৰ নিম্নলিখিত কাৰকবোৰে ক্ৰিয়া কৰে

যিদৰে মই উল্লেখ কৰিছোঁ যে মহান চৰিত্ৰৰ মাজৰ এটা আচৰণ 'দয়া'ৰ উচিত ক্ষণত প্ৰয়োগ কৰা হয় যাক 'আফব' বুলিও কোৱা হয়। এই আচৰণৰ বিষয়ে উপযুক্ত বুলি উল্লেখ কৰাৰ মূলতে অতিৰিক্ত এটা কাৰণ পৱিত্ৰ কোৰাণত

উল্লেখ কৰা হৈছে—

اِدۡفَعۡ بِالَّتِیۡ ہِیَ اَحۡسَنُ فَاِذَا الَّذِیۡ بَیۡنَکَ وَ بَیۡنَہٗ عَدَاوَۃٌ کَاَنَّہٗ وَلِیٌّ حَمِیۡمٌ ﴿۳۵﴾ (41:35)

অৰ্থাৎ ঃ- এতিয়া যদি কোনোবাই তোমাৰ লগত বেয়া ব্যৱহাৰ কৰে আৰু তোমাৰ ওপৰত অত্যাচাৰ কৰে আৰু দুখ দিয়ে তেন্তে তুমি তেওঁৰ লগত নম্ৰতাৰে তথা ক্ষমাৰ ব্যৱহাৰ কৰা কিয়নো তাৰ পৰিণাম এয়া হ'ব যে কাজিয়াৰ শিপাডাল কাটি যাব আৰু সেই ব্যক্তি তোমাৰ ঘনিষ্ঠ মিত্ৰ হৈ পৰিব।

সুক্ষম আৰু প্ৰেৰণা উৎপন্ন কৰাৰ কাৰণ কি হয়। মানুহে শাস্তি এই কাৰণে দিয়ে যে যদি শাস্তি নিদিয়ে তেন্তে এই ব্যক্তিয়ে মোক আৰু অধিক ক্ষতি কৰিব এই ধাৰণাৰে। ধৰি লোৱা সেই ক্ষতিৰ পৰা বাচিবলৈ বা আন লোকক ক্ষতিৰ পৰা ৰক্ষা কৰিবলৈ শাস্তি দিয়া হয়, পৰমেশ্বৰে উল্লেখ কৰিছে যে যি শিক্ষা মই তোমাক দিছো অৰ্থাৎ ক্ষমাৰে যদি কাৰোবাৰ শুধৰণি হয় তেন্তে সেই সময়ত ক্ষমা কৰি দিব লাগে। যদি তুমি ইয়াৰ প্ৰতি যি আচৰণ কৰিবা তাত লাভতকৈ শাস্তিত যি তুমি দেখা পাইছা তাতকৈ অধিক লাভ হ'ব কিয়নো শাস্তি দিলে ক্ষতিৰ পৰা ৰক্ষা পোৱাৰ আশা থাকে তেন্তে ক্ষমাৰ উচিত প্ৰয়োগতো লাভৰ আশা থাকে যিহেতু প্ৰবল আশাইয়ে সেই ব্যক্তিয়ে সেই ব্যৱহাৰত প্ৰভাম্বিত হৈ তোমাৰ মিত্ৰ বা সহায়ক হৈ পৰিব।

এনেদৰে উপকাৰ আৰু ভাল ব্যৱহাৰ তথা মানুহৰ মহানতাৰ বিষয়ত উল্লেখ কৰা হৈছে—

اَحۡسِنۡ کَمَاۤ اَحۡسَنَ اللّٰہُ اِلَیۡکَ (28:78)

অৰ্থাৎ ঃ তুমি মানুহৰ সৈতে ভাল ব্যৱহাৰ কৰা আৰু তেওঁলোকক নিজৰ ধন, নিজৰ জ্ঞান আৰু নিজস্ব প্ৰভাৱৰ দ্বাৰা সন্মিলিত কৰা কিয়নো তোমাৰ ওপৰত পৰমেশ্বৰে উপকাৰ কৰিছে অৰ্থাৎ যি শক্তিৰ দ্বাৰা তুমি উপাৰ্জন কৰিছা আৰু যিবোৰ বস্তুৰ দ্বাৰা তুমি আয় অৰ্জন কৰিছা, সেইবিলাক পৰমেশ্বৰে সৃষ্টি কৰা আৰু তোমাক সেইবোৰ উপকাৰ হিচাপে দিয়া হৈছিল। সেয়ে যিদৰে তোমাৰ প্ৰতি উপকাৰ কৰা হ'ল তুমিও উপকাৰ কৰা। অৰ্থ এয়া যে ভূমি, আহাৰ

অথবা আন সামগ্ৰী যিবোৰ মানুহৰ কাৰণে সম্পদ আৰু জ্ঞান প্ৰাপ্তিৰ সহায়ক হৈ পৰে সেইসকলোবোৰ জন্মৰ আগৰে পৰা বিদ্যমান হৈ থাকে আৰু মানৱজাতিৰ এই সকলোবোৰৰ ওপৰত অধিকাৰ আছে। সেয়ে কোনোবা মানুহক পৰমেশ্বৰে বিশেষ সুবিধা প্ৰদান কৰে তেন্তে তাৰ বিনিময়ত তেওঁৰ কৰ্তব্য হ'ল যে সেই আৰ্শীবাদৰ মাজত আন মানুহকো সন্মিলিত কৰক।

এইদৰে দৃষ্টান্তমূলকভাবে অত্যাচাৰক স্থৱিৰ কৰাৰ বাবে কাৰণ উল্লেখ কৰা হৈছে যে অত্যাচাৰৰ দ্বাৰা অত্যাচাৰৰ সৃষ্টি হয় আৰু শেষত সকলোবোৰ অনিষ্ট হৈ পৰে। আন এক স্থানত উল্লেখ আছে—

اِنَّهٗ لَا يُحِبُّ الْمُعْتَدِيْنَ ۝٥٦ وَلَا تُفْسِدُوْا فِي الْاَرْضِ بَعْدَ اِصْلَاحِهَا

(7:56-57)

অৰ্থাৎ ঃ অত্যাচাৰ নকৰিবা কিয়নো পৰমেশ্বৰে অত্যাচাৰক ভাল নাপায়। পৃথিৱীত শান্তিৰ স্থাপন হোৱাৰ পিছত উপদ্ৰৱ আৰু কলহৰ সৃষ্টি নকৰিবা। অৰ্থাৎ অত্যাচাৰৰ ফলাফল কেতিয়াও শান্তি আৰু স্থায়িত্ব হ'ব নোৱাৰে। যদি অত্যাচাৰ নিজৰ শক্তি বৃদ্ধিৰ অৰ্থে কৰিছা তেন্তে ইয়াৰ ফলাফল কেতিয়াও এনে নহয় কিয়নো অত্যাচাৰে হৃদয়ত আবেগৰ জন্ম দিয়ে আৰু মানুহ ইয়াৰ সন্মুখীন হোৱাৰ বাবে আগবাঢ়ি আহে আৰু স্পষ্ট ৰূপত নহ'লেও অস্পষ্ট ৰূপত তাৰ বিৰুদ্ধে ষড়যন্ত্ৰ ৰচনা কৰি থাকে আৰু সমস্ত শক্তিৰ আধাৰ শান্তি ক্ৰমান্বয়ে হ্ৰাস ঘটি থাকে ঈৰ্ষাৰ সন্দৰ্ভত পয়গম্ব ইছলাম হজৰত মোহাম্মদ (ছাঃ)য়ে উল্লেখ কৰিছে—

ইয়াকুম ওৱাল হাছাদা ফাইন্নাল হাছাদা ইয়াকুলুল হাছানাতি কামা তাকুলুন নাৰুল খাতাবা।(আবু দাউদ,কিতাবুল আদব)

অৰ্থাৎঃ- ঈৰ্ষা নকৰিবা কিয়নো ঈৰ্ষাই মানুহৰ বিশ্ৰামৰ সামগ্ৰীবোৰ এনেদৰে ভক্ষণ কৰে যিদৰে অগ্নিয়ে খৰিবোৰ নিঃশেষ কৰে। অৰ্থাৎ তুমি ঈৰ্ষা এই কাৰণে কৰা যে অমুক ব্যক্তিয়ে মোতকৈ অধিক সুখ কিয় লাভ কৰিছে? কিন্তু এনে কৰোঁতে তুমি তোমাৰ প্ৰথমৰ সুখকো অনিষ্ট কৰি দিছো আৰু নিজক নিজেই অধিক দুখৰ মাজত নিমজ্জিত কৰিছা। গতিকে সেই কামত লাভ কি যি তোমাক কষ্টত নিক্ষেপ কৰে।

মানুহ তুচ্ছ নে নিকৃষ্ট তাক বুজি উঠাৰ ক্ষেত্ৰত উল্লেখ কৰা হৈছে—

لَا يَسۡخَرۡ قَوۡمٌ مِّنۡ قَوۡمٍ عَسٰۤى اَنۡ يَّكُوۡنُوۡا خَيۡرًا مِّنۡهُمۡ

(49:12)

অৰ্থাৎ ঃ কোনো জাতিয়ে আন এটা জাতিক তুচ্ছ বা নিকৃষ্ট বুলি নাভাবিবা কিয়নো সময় পৰিৱৰ্তনশীল। আজি এটা জাতিয়ে প্ৰগতি অৰ্জন কৰিছে যদি কালিলৈ আন এটা জাতিয়ে কৰিব। আজি যদি এজন আত্মীয় উন্নতিৰ দিশত তেন্তে কালিলৈ তোমাৰো উন্নতি কৰি যাৱ। যদি এটা জাতিয়ে আন এটা জাতিক এনেদৰে তুচ্ছ জ্ঞান কৰিব তেন্তে ইয়াৰ পৰিণাম এয়া হ'ব যে তেওঁলোক শক্তিশালী হৈ পৰিব আৰু ৰাজত্ব যেতিয়া তেওঁলোকৰ হাতৰ মুঠিত থাকিব তেন্তে অতীতৰ অমানবীয়তাৰ কাৰণে প্ৰথমৰ জাতিটোক তুচ্ছ জ্ঞান কৰাৰ চেষ্টা কৰিব আৰু এয়া এক দ্বন্দ্বৰ উৎপত্তিৰ কাৰক হৈ পৰিব। যিহেতু যি কৰ্মই এই পৰিণাম দিয়ে সেয়া সদায় ব্যৰ্থ হয়। কিয়নো যেতিয়া উন্নতিৰ ক্ষেত্ৰত পৰিৱৰ্তিত হৈ থাকে তেন্তে এটা জাতিৰ কি অধিকাৰ আছে আনটোক তুচ্ছ জ্ঞান কৰাৰ।

ব্যাভিচাৰৰ বিষয়ে উল্লেখ আছে—

اِنَّهٗ كَانَ فَاحِشَةً ؕ وَسَآءَ سَبِيۡلًا ۝٣٣ (17:33)

অৰ্থাৎঃ- প্ৰথমতে এই কৰ্ম অশ্লীল হয়। অৰ্থাৎ ইয়াৰ পৰা হৃদয়ত অপৰিত্ৰতাৰ সৃষ্টি হয় কিয়নো অপৰাধৰ অনুভূতি তথা চোৰ কৰাৰ চিন্তা হৃদয়ত উৎপন্ন হয়। দ্বিতীয়তে এয়া সেই উদ্দেশ্য প্ৰাপ্তিৰ কাৰণে যাৰ বাবে মহিলা আৰু পুৰুষৰ সম্পৰ্ক স্থাপিত কৰা হয় এক অনুচিত মাৰ্গত কিয়নো বাসনাৰ মূল উদ্দেশ্য সন্তানপ্ৰাপ্তিৰ উদ্দেশ্য পূৰণ কৰা। সেয়ে সন্তানক সুৰক্ষিত থোৱাটো আৱশ্যক অথবা এই উদ্দেশ্য মানুহৰ মাজত উৎপন্ন হৈ পৰিছে যে যি তেওঁলোকৰ বাস্তৱিক লক্ষ্যক আৰু অধিক প্ৰেৰিত কৰে। লগতে অনুচিত সম্পৰ্কই মূল উদ্দেশ্যকো অনিষ্ট কৰি দিয়ে। কিয়নো সন্তান সুৰক্ষিত নাথাকিব। সেয়ে এই মাৰ্গত বাস্তৱিক লক্ষ্যক প্ৰাপ্তি কৰিব পৰা নাযায় আৰু যদি কেতিয়াবা প্ৰাপ্তিও ঘটে তেন্তে সৰল মাৰ্গক ত্যাগ কৰি বক্ৰ মাৰ্গ তথা অনুচিত মাৰ্গক

কিয় আদৰি ল'ব।

কৃপণতাৰ সম্পৰ্কত কৈছে—

فَمِنۡكُمۡ مَّنۡ يَّبۡخَلُ ۚ وَمَنۡ يَّبۡخَلۡ فَاِنَّمَا يَبۡخَلُ عَنۡ نَّفۡسِهٖ ؕ

(47:39)

অৰ্থাৎ ঃ- কিছুমান মানুহ তোমালোকৰ মাজত কৃপণতাৰ অপৰাধী হয়। যিহেতু কৃপণতাৰ পৰা কোনো লাভ অৰ্জন নহয় যদিও কৃপণতা কৰে তেন্তে তেওঁৰ ক্ষতি তথা বেয়া প্ৰভাৱ তেওঁৰ প্ৰাণলৈ বিস্তাৰিত হয় অৰ্থাৎ তেওঁ ভাল খাদ্য খাব পাৰে বা ভাল বস্ত্ৰ পৰিধান কৰিব পাৰে নে ভাল ঘৰত থাকিব পাৰে। ইয়াত ধনক ৰক্ষা কৰাৰ বাহিৰে একো লাভ নহয়। বাস্তৱত যদি গুৰুত্বপূৰ্ণভাবে লক্ষ্য কৰা হয় তেন্তে যি মানুহ কৃপণ হয় তেওঁ সদায় নিজৰ প্ৰাণক কষ্ট দিয়ে আৰু তেওঁৰ ধন তেওঁৰ বাবেই বিপত্তিৰ কাৰণ ৰূপে দেখা দিয়ে।

এনেকৈয়ে ইছলামে সকলো আদৰ্শৰ কাৰণ উল্লেখ কৰিছে আৰু মানুহক মহান চৰিত্ৰৰ প্ৰতি আচৰণ কৰাৰ বাবে দুৱাৰ মুকলি কৰি দিছে কিন্তু সকলো আদৰ্শৰ বিষয়ত মই ইয়াত বিস্তাৰিত ভাবে উল্লেখ কৰিব নোৱাৰিম। উপৰোক্ত উদাহৰণে যথেষ্ট হ'ব। উক্ত স্পষ্টীকৰণৰ পিছত মই চতুৰ্থ প্ৰশ্নটোৰ মাজলৈ যাব বিচাৰিছোঁ।

## ভাল আচৰণ গ্ৰহণ কৰা তথা বেয়া আচৰণৰ পৰা ৰক্ষা পোৱাৰ সাতটা উপায়

এই কথা অতি স্পষ্ট যে ধৰ্মৰ কেৱল মাত্ৰ এয়া কামেই নহয় যে সেই আচৰণ বিলাকৰ বিষয়ে উল্লেখ কৰি থাকিব যাৰ পৰা মানুহে বাচি থাকিব লাগে অথবা যিবোৰ আচৰণ গ্ৰহণ কৰিব লাগে গতিকে ধৰ্মৰ কৰ্তব্য এয়াও যে এনে আহিলাক গোট কৰক অথবা উল্লেখ কৰক যাৰ সহায়ত মানুহে বেয়া আচৰণক বাদ দিয়ে আৰু ভাল আচৰণক গ্ৰহণ কৰিব পাৰে, কিয়নো এই উদ্দেশ্য প্ৰাপ্তি নহ'লে আমাৰ সকলো প্ৰচেষ্টা ব্যৰ্থ হৈ পৰিব আৰু আমাৰ সন্ধান অপূৰ্ণ হৈ থাকিব। আন ধৰ্মৰ লোকসকলে এই প্ৰশ্নৰ যি উত্তৰ দিব তাক দিয়ক কিন্তু মই 'ইছলাম' অথবা আন অৰ্থত ইয়াক উল্লেখ কৰিম যে 'আহমদীয়ত'ৰ তৰফৰ পৰা অতি গৌৰৱেৰে ঘোষণা কৰো  যে ইছলামে এই উদ্দেশ্যক অতি উত্তম

পদ্ধতিৰে পূৰ্ণ কৰিছে।

প্ৰথম আহিলা হিচাপে ইছলামে আচৰণৰ শুধৰণিৰ বাবে উল্লেখ কৰিছে যে সেই পৰমেশ্বৰীয় গুণৰ প্ৰদৰ্শন হয় যাৰ অবিহনে মানুহৰ আচৰণে পূৰ্ণতা অৰ্জন কৰিব নোৱাৰে কিয়নো মানুহে নিজৰ কৰ্মৰ শুধৰণিৰ বাবে আদৰ্শৰ অধীন হয়। আদৰ্শৰ দ্বাৰা তেওঁলোকে ভালদৰে শিকিব পাৰে। কেৱল মাত্ৰ কিতাপৰ জ্ঞানে তেওঁলোকক লাভ প্ৰদান কৰিব নোৱাৰে। যদি আদৰ্শ সংসাৰত বিদ্যমান নাথাকে তেন্তে সকলো বিদ্যাই সংসাৰৰ পৰা বিদায় গ্ৰহণ কৰিব। কোনো ব্যক্তি আয়ুৰ্বৈদিক, অভিযন্তা, ৰাসায়নিক আদি বিদ্যাক কেৱল মাত্ৰ কিতাপৰে পৰা অৰ্জন কৰিব নোৱাৰে। এনে বিদ্যা অৰ্জন কৰাৰ বাবে এনে আদৰ্শক অধিক ব্যাখা কৰি বুজাব পৰা মানুহৰ আৱশ্যক হয়; যাক দেখি অথবা যাক সুধি তেওঁলোকে এই বিদ্যাৰ্থীসকলক এই সূক্ষ্মতাৰ দিশে ধাৱিত কৰিব পাৰে। যি অৱস্থা আন বিদ্যাৰ্থীসকলৰ সেই অৱস্থা আচৰণৰো। চৰিত্ৰকো মানুহে পূৰ্ণৰূপত সেই সময়ৰলৈকে শিকিব নোৱাৰে যেতিয়ালৈকে পূৰ্ণ আদৰ্শ সন্মুখত নাথাকে আৰু যেতিয়ালৈকে এনে আদৰ্শ বাৰে বাৰে উৎপন্ন নহয়। এই আদৰ্শও মানুহৰ মাজত কিয়নো যি ব্যক্তি মানবীয় গুণৰ বাহক নহয় তেওঁ আমাৰ বাবে আদৰ্শ হ'ব নোৱাৰে; কিয়নো মানুহৰ হৃদয় মানবীয় প্ৰাণৰ ক্ৰিয়াতে সন্তুষ্ট নহয়। এজোপা গছে এটা পাহাৰৰ শিল হিচাপে কাম কৰিব নোৱাৰে। সেইদৰে এজন মানুহৰ এক মানবীয় প্ৰাণৰ আদৰ্শৰ পৰা সাহস অৰ্জন কৰিব নোৱাৰে। সেয়ে আমাৰ আদৰ্শ মানবীয় হ'ব লাগে আৰু বাৰে বাৰে এনে আদৰ্শ প্ৰদৰ্শন হ'ব লাগে যাতে সকলো সন্তানে নিজৰ কাৰ্যক সেই ক্ৰিয়াত সংযুক্ত কৰাৰ সুযোগ অৰ্জন কৰে। ইছলামে এনে আদৰ্শক বাৰে বাৰে প্ৰকাশ কৰাৰ বিষয়ে ঘোষণা কৰিছে। সেয়ে উল্লেখ কৰিছে—

يٰبَنِيْٓ اٰدَمَ اِمَّا يَاْتِيَنَّكُمْ رُسُلٌ مِّنْكُمْ يَقُصُّوْنَ عَلَيْكُمْ اٰيٰتِيْ ۙ فَمَنِ اتَّقٰى وَاَصْلَحَ فَلَا خَوْفٌ عَلَيْهِمْ وَلَا هُمْ يَحْزَنُوْنَ ۝٣٦ (7:36)

অৰ্থাৎ ঃ- হে মানৱ সমাজ যেতিয়া তোমালোকৰ মাজলৈ মই ৰছুল (অৱতাৰ) প্ৰেৰণ কৰোঁ যি মোৰ বিশেষত্ব আৰু সমৰ্থনক শ্ৰৱণ কৰাব। সেয়ে যি ব্যক্তিয়ে

ইয়াক দেখি নিজৰ আত্মসুদ্ধি কৰিব তেওঁৰ কোনো ভয় নাথাকিব, নাথাকিব শংকা।

এনেদৰে এই আদৰ্শৰ উপৰিও এক প্ৰকাৰৰ আন আদৰ্শক যি শ্ৰেণীগত বাবে ইয়াতকৈ নিম্ন কিন্তু এক পৱিত্ৰ আদৰ্শ হয় তাৰ সম্পৰ্কত পয়গম্বৰ ইছলাম হজৰত মহম্মদ (ছাঃ)য়ে উল্লেখ কৰিছে—

ইন্নাল্লাহা ইয়াবআছু লিহাজিহিল উম্মাতি আলা ৰাছি কুল্লি মিয়াতিন ছানাতিন মাইইউজাদ্দিদু লাহা দ্বিনাহা। ( আবু দাউদ)

অৰ্থাৎ  পৰমাত্মাই  এই উম্মত (ইছলাম)ত প্ৰতিটো শতাব্দীৰ আৰম্ভণীতে এনে বিভূতিসকলক প্ৰেৰণ কৰে যি ধৰ্মক নতুনকৈ সজাই তোলে। সেয়ে, সংস্কাৰক ইছলাম সজীৱ হৈ আহিছে আৰু এই সময়ত যেতিয়া অন্ধকাৰ বহু বাঢ়ি গৈছিল তেতিয়া ইছলামক ৰক্ষা কৰিবলৈ তথা হজৰত ৰছুলে কৰীম (ছাঃ) ইছলামৰ আদৰ্শক স্থাপন কৰিবলৈ এজন অৱতাৰ আহিছিল যিজনে নিজৰ আদৰ্শৰে সহস্ৰ তথা লাখজনক জীৱিত কৰে।

যদি চিন্তা কৰা যায় তেন্তে এই আহিলা সকলোতকৈ শ্ৰেষ্ঠ আৰু প্ৰতিটো দৃষ্টিতে সম্পূৰ্ণ হয়। কিন্তু আহিলাবোৰ ইয়াৰ সহায়ক হ'লেও উপসহায়ক হ'ব পাৰে কিন্তু ইয়াৰ উত্তৰাধিকাৰী হ'ব নোৱাৰে কিয়নো তাৰ প্ৰভাৱ নিশ্চিত আৰু বিশ্বাসনীয় হয় কিন্তু ইয়াৰ প্ৰভাৱ এই কাৰণে যে তাক প্ৰয়োগ কৰিলে এনে লোক বিভক্ত হৈ পৰে যি স্বয়ংপূৰ্ণ শিক্ষক নহয়, ভুলৰ সম্ভাৱনা থাকে। কিন্তু এই আহিলা যুগুত কৰাটো মানুহৰ নিজৰ ক্ষমতাৰ ভিতৰত নাই সেয়ে ইছলামে আন আহিলাৰ কথাও উল্লেখ কৰিছে যাৰ দ্বাৰ উত্তম চৰিত্ৰ নিৰ্মাণ কৰিব পৰা যায় আৰু বেয়া আচৰণক পৰিত্যাগ কৰিব পৰা যায়। তাৰে কিছু সংখ্যক তলত উল্লেখ কৰা হ'ল।

দ্বিতীয় আহিলা যাক ইছলামে মানুহক উচ্চ আচৰণত অধীস্থ কৰাৰ বাবে উল্লেখ কৰিছে সেয়া হ'ল যে আচৰণ তথা চৰিত্ৰই সেই উচিত ক্ৰমৰ লগত উপস্থাপন কৰিছে যাৰ দ্বাৰা  চৰিত্ৰত প্ৰতিটো শ্ৰেণীৰ লোকে আচৰণ কৰিব পাৰে যিহেতু এই বিষয়ত ইতিমধ্যে কিছু বিস্তাৰিতভাবে উল্লেখ কৰা হৈছে গতিকে এই স্থানত তাৰ বৰ্ণনা কৰা আৱশ্যকতা নাই।

তৃতীয় আহিলা ইছলামে গ্ৰহণ কৰিছে ভাল আচৰণক গ্ৰহণ কৰাৰ বাবে তথা বেয়া আচৰণক ত্যাগ কৰি বৌদ্ধিক তথা জ্ঞানাকৰ্ষক কাৰণ বৰ্ণনা কৰাৰ বাবে কিয়নো জ্ঞান পূৰ্ণ হওঁক আৰু চৰিত্ৰৰ আচৰণ নিৰ্মাণৰ প্ৰচেষ্টাৰ বাবে প্ৰকৃত প্ৰেৰণা উৎপন্ন হ'ব পাৰে। ইয়াকো আগত উল্লেখ কৰা হৈছে।

চতুৰ্থ আহিলা যাক ইছলামে চৰিত্ৰৰ শুধৰণিৰ কাৰণে উল্লেখ কৰিছে সেয়া উক্ত দৃষ্টিকোণৰে সলনি কৰা তথা তাৰ নিৰাশক আশালৈ পৰিৱৰ্তন কৰা। আমি দেখিছো যে বহুতো বেয়া মানৱৰ দ্বাৰা এই কাৰণে সংঘটিত হৈ পৰে যে তেওঁৰ মানসত এই কথা দৃঢ় হৈ পৰে যে তেওঁ পাপৰ পৰা ৰক্ষা পাব নোৱাৰে। যি জাতিয়ে এই চিন্তাধাৰাক নিজৰ জাতিৰ সন্মুখত উপস্থাপন কৰে তেওঁলোকে তাক হত্যা কৰি দিয়ে। তেওঁলোক নিজৰ ভৱিষ্যত প্ৰজন্মৰ শত্ৰু। যেতিয়ালৈকে কোনো মানুহে বিশ্বাস নাৰাখে যে তেওঁ এক উদ্দেশ্যক প্ৰাপ্ত কৰিব পাৰে আৰু সেয়া তাৰ কাৰণে ভৰপূৰ প্ৰচেষ্টা নকৰে। যিবোৰ জাতিৰ মাজত এই চিন্তা জাগ্ৰত হৈ পৰে যে আমাৰ পূৰ্ব পুৰুষসকলে সকলোবোৰ সন্ধান কৰি থৈছে সেই জাতিয়ে কেতিয়াওঁ নতুন সন্ধান আৰু আৱিষ্কাৰ কৰিব নোৱাৰে আৰু যি জাতিয়ে ইয়াক চিন্তা কৰি বহি পৰে যে তেওঁলোকৰ উন্নতি শক্তি নাই তেওঁলোকে উন্নতিৰ দিশে আগবাঢ়ি যাব নোৱাৰে। এনেদৰে যিসকল লোকৰ চিন্তাত এই বিচাৰ-বিবেচনা দৃঢ় হৈ পৰে যে আমি দুৰ্বল আৰু আমি মহান চৰিত্ৰক অৰ্জন কৰিবনোৱাৰো আৰু বেয়া আমাৰ আঠুত পৰি আছে আৰু জন্মলগ্নৰে পৰা আমাৰ লগত আছে, আমি কেতিয়াওঁ তাৰ পৰা বিজয় লাভ কৰিব নোৱাৰো, ধৰি লোৱা সেই জাতিয়ে নিজ হাতে বিনাশক মাতি আনিছে। পয়গম্বৰ ইছলাম হজৰত মহম্মদ (ছাঃ)য়ে এই সমস্যাত বহুত গুৰুত্ব দিছে আৰু আদেশ দিছে যে কোনো ব্যক্তিয়ে নিৰাশাক আদৰি ল'ব নালাগে। সেয়ে আপুনি উল্লেখ কৰিছিল—

"ইজা কালাৰ ৰাজুলু হালাকান নাছু ফাহুৱা আহলাকাহুম" । ( মুছলিম) অৰ্থাৎঃ- যেতিয়া কোনো ব্যক্তিয়ে কোনো জাতিৰ সম্পৰ্কত কয় যে সেয়া যে এতিয়া নাইকিয়া হৈ পৰিল তেন্তে সেই জাতিক নাইকিয়া কৰাজন তেওঁ অৰ্থাৎ কোনো ভৌতিক বিপত্তি আৰু বিনাশ ইমান কঠোৰ নহয় যে যেনেকৈ কোনো

ব্যক্তিৰ হৃদয়ত এই চিন্তাই বাস লৈছে যে উন্নতিৰ দুৱাৰ তেওঁৰ বাবে বন্ধ হৈ পৰিছে আৰু এতিয়া আনৰ সহায়ৰ ওপৰত নিৰ্ভৰশীল। এয়া কেনে মহত্বপূৰ্ণ সত্যতা হয় আৰু কিমান বিস্তৃত প্ৰভাৱক স্বীকাৰ কৰোঁতা।

চমুকৈ এয়া যে হৃদয়ৰ নিৰাশাৰ সৈতে মানুহক প্ৰতিদ্বন্দ্বিতা কৰিবলৈ প্ৰদান কৰা নহয় আৰু তাৰ কাৰণে মানুহক অসফল হৈ পৰে আৰু নিজৰ লক্ষ্যক অৰ্জন কৰিব নোৱাৰে, ইছলামে এই চিন্তাধাৰাক মষিমূৰ কৰি পেলাইছে আৰু এইদৰে মানুহৰ চৰিত্ৰ নিৰ্মাণৰ পথ প্ৰশস্থ কৰিছে। সেয়ে পৱিত্ৰ কোৰাণত উল্লেখ আছে—

لَقَدْ خَلَقْنَا الْاِنْسَانَ فِیْٓ اَحْسَنِ تَقْوِیْمٍ ۝ (95:5)

অৰ্থাৎ ঃ মই মানৱক সৰ্বশ্ৰেষ্ঠ শক্তিৰে সৃষ্টি কৰিছোঁ। তেওঁলোক অতি উত্তম তথা বিকশিত হোৱা শক্তিলৈ সংসাৰলৈ আহিছে। একেদৰে উল্লেখ কৰিছে—

وَنَفْسٍ وَّمَا سَوّٰىهَا ۝ فَاَلْهَمَهَا فُجُوْرَهَا وَتَقْوٰىهَا ۝

(91:8-9)

অৰ্থাৎঃ- আমি মানবীয় বৃত্তি সাক্ষ্য হিচাপে উদিত কৰিছোঁ আৰু তেওঁলোকৰ শ্ৰেষ্ঠ তথা নিৰ্দোষ হিচাপে জন্মৰো এই বিশেষ গুণ পোৱা যায় যে পৰমেশ্বৰে তেওঁলোকৰ মাজত এনে শক্তি সৃষ্টি কৰি দিছে যে, শুভ-অশুভ পাৰ্থক্যক চিনি পোৱাৰ সামৰ্থ প্ৰদান কৰিছে।

চোৱা কিমান শ্ৰেষ্ঠ তথা মানৱ প্ৰকৃতিৰ অনুকুল শিক্ষা। ইয়াত কোনো সন্দেহ নাই যে মানুহে অতি পৱিত্ৰ স্বভাৱলৈ পৃথিৱীলৈ আহিছে সেয়া যিমানেই দুষিত হৈ নপৰক তথাপি তাৰ বাস্তৱিকতা পৱিত্ৰ হয়। সেয়ে যদি তুমি পুণ্যৰ দিশে গুৰুত্ব দিয়া তেন্তে নিশ্চিত হোৱা নিজৰ দোষবোৰ নাইকিয়া কৰি পুণ্যতা প্ৰাপ্তিত সফল হ’ব পাৰিবা।

এই শিক্ষাক ইছলামে মহান দৃষ্টিকোণেৰে সম্পূৰ্ণ পৰিৱৰ্তন কৰি দিছে আৰু তেওঁলোকৰ সাহস বঢ়াই তুলিছে। ইছলামৰ বাহিৰে আন ধৰ্মবোৰ এই বিষয়ত সদায় মৌন তথা মানুহক এনে বাহ্যিকতাৰে সেই জগতত উপনীত কৰে যে তেওঁলোকে নিজৰ কামৰ অবিহনে তাৰ ভৰত হেঁচা খাই

পৰে কিন্তু চৰিত্ৰ শুদ্ধিৰ ক্ষেত্ৰত যদি কোনো শিক্ষা সফল হ'ব পাৰে সেয়া মাথোঁ ইছলামেহে উপস্থাপন কৰিছে। এই শিক্ষাৰ দ্বাৰা মানুহৰ মানসপটৰ পৰা নিৰাশাৰভাৱ আঁতৰ হয়। লগতে এই শিক্ষাই সুখ বৃদ্ধি কৰে তথা উৎসাহ দিয়ে কিয়নো তেওঁলোকে ভাবে যে মই এক নিৰ্দোষ প্ৰকৃতিলৈ আহিছো আৰু তাক মই পৱিত্ৰ ৰাখিব লাগে কোনো কাৰণতে যেন এক দুৰ্গন্ধপূৰ্ণ স্বভাৱ নালাগে য'ত কিছু অধিক কদৰ্যতা লাগিলেও কোনোধৰণৰ ভাবিব লগা নাথাকে।

কিন্তু এই শিক্ষাও পূৰ্ণ নাছিল। জন্মৰ প্ৰশ্নই মানুহৰ পথক অৱৰুদ্ধ কৰিব নোৱাৰে। তেওঁ জন্ম হোৱাৰ পিছত বুদ্ধি তথা চেতনা অহালৈকে কিছু সংখ্যকহে জন্ম হয়। বহুবাৰ এনে হয় যে তেওঁলোকে পথৰ লোভত লোভীয়া তথা তুচ্ছ আশাংকাৰে নিজৰ পৱিত্ৰ প্ৰকৃতিক দূষিত কৰি লয় যদি এনে ব্যক্তিৰ বাবে কোনো উপচাৰ নিশ্চিত নহয় তেন্তে তথাপিও এক যথেষ্ট ভাগ সংসাৰৰ এনে হ'ব যি পুণ্যৰ পৰা বঞ্চিত থাকি যাব কিয়নো তেওঁ ইয়াক বুজি উঠিব যে যদি এবাৰ আমি অপৱিত্ৰ হৈ পৰো আৰু অপৱিত্ৰতা লাগি গ'ল যেতিয়া আমি পৱিত্ৰ হ'বলৈ যত্ন কৰাৰ কি আৱশ্যকতা আছে। সেয়ে যেতিয়ালৈকে এই বাধা আঁতৰ নহয়, ধৰ্মৰ শ্ৰেষ্ঠ চৰিত্ৰৰ নিৰ্মাণ কৰিবলৈ তথা বেয়াক আঁতৰ কৰিবলৈ সফল হ'ব নোৱাৰে। ইছলামে ঘোষণা কৰিছে যে তেওঁলোকে এই বাধাক আঁতৰ কৰে। ইয়াত কোনো সন্দেহ নাই যে তেওঁলোকে এই বাধাক অতি সুন্দৰ পদ্ধতিয়ে আঁতৰ কৰে কিয়নো সেই অপৰাধীৰ প্ৰভাৱক দূৰ কৰিবলৈ যি মানৱে আগতে স্বীকাৰ হৈছিল তাক প্ৰায়শ্চিতৰ দুৱাৰ মুকলি কৰি দিয়ে আন ধৰ্মও বন্ধ কৰি দিয়ে আৰু মানৱক সদায় নিৰাশাৰ মাজত আৱদ্ধ কৰে। কিয়নো মানুহে যেতিয়া অৱগত হৈ পৰে তেওঁৰ বাবে উন্নতিৰ দুৱাৰ বন্ধ হৈ পৰা নাই মুকলি হৈ আছে আৰু ইয়াত যদি নিজকে শুধৰণি কৰে তেন্তে পুনৰ সেই পৱিত্ৰতাক প্ৰাপ্ত কৰিব পাৰিব যি পৱিত্ৰতাক লাভ কৰাটো তেওঁ কৰ্তব্য নিশ্চিত কৰা হৈছিল তেন্তে নিৰোৎসাহিত কেতিয়াও নহ'ব আৰু সদায় নিজকে শুধৰণিৰ চিন্তাত লাগি থাকিব। আৰু "যি বিচাৰে তাক লাভ কৰে" সেই প্ৰসিদ্ধ কথানুসৰি শেষত সফল হৈ পৰে।

কিছুমান মানুহৰ চিন্তা হৈছে যে প্ৰায়শ্চিতৰ দুৱাৰ মুকলি হ'লে বেয়াৰ

দুৱাৰো লগতে মুকলি হৈ পৰে আৰু চৰিত্ৰ নিৰ্মাণত উন্নতিৰ স্থানত দুৰাচৰণ কৰিবলৈ মানুহক সাহস অধিক বৃদ্ধি কৰে কিয়নো তেওঁ জানে যে যেতিয়াই বিচাৰিম তেতিয়াই প্ৰায়শ্চিত কৰি ল'ম আৰু পৰমেশ্বৰৰ লগত সন্ধি কৰি ল'ম কিন্তু এই চিন্তা সদায় অশুদ্ধ হয়। 'মন গ'লেই প্ৰায়শ্চিত কৰি ল'ম' চিন্তা কেতিয়াও কোনো এক বিবেকবান মানুহৰ হৃদয়ত উৎপন্ন হ'ব নোৱাৰে কিয়নো তেওঁ কি জানে মোৰ মৃত্যু কেতিয়া হ'ব। যদি সঁচাকৈ মৃত্যু আহি যায় প্ৰায়শ্চিত কেতিয়া কৰিব? সেয়ে এই লোকসকলে প্ৰায়শ্চিত তত্ত্বক বুজিব নোৱাৰে।

ইয়াৰ বাহিৰে প্ৰায়শ্চিতৰ কোনো সৰল কাম নহয় আৰু মানুহৰ অধিকাৰ নাই যে যেতিয়া বিচাৰে নিজৰ ইচ্ছা অনুসৰি প্ৰায়শ্চিত কৰি ল'ব কিয়নো প্ৰায়শ্চিত সেই মহান পৰিৱৰ্তনৰ নাম যি মানুহৰ অন্তঃকৰণত উৎপন্ন হৈ তাক সদায় আগুৰি লয় আৰু সেই অনুসৰি পৰিৱৰ্তন কৰি দিয়ে।

'প্ৰায়শ্চিত'ৰ অৰ্থ মানে হ'ল নিজৰ পূৰ্বৰ অপৰাধ আৰু পাপৰ গ্লানিক প্ৰদৰ্শন কৰা, ভৱিষ্যতৰ বাবে পৰমেশ্বৰৰ লগত পূৰ্ণৰূপত সন্ধি কৰি লোৱা তথা নিজৰ শুধৰণিৰ পণ কৰিলোৱা। এতিয়া এই অৱস্থা কেনেকৈ উৎপন্ন হ'ব পাৰে? এই অৱস্থা এক দীঘলীয়া প্ৰচেষ্টা তথা কঠোৰ পৰিশ্ৰমৰ পৰা হ'ব পাৰে। হয়, অপবাদৰ ৰূপত একেবাৰে হ'ব পাৰে। কিন্তু এতিয়া যি হ'ব কোনোবা মহাম পৰিৱৰ্তনৰ কাৰণে হ'ব যি আগ্নেগিৰিৰ লাভাৰ দৰে সেই অস্তিত্বক সদায় পৰিৱৰ্তিত কৰি দিব। এনে পৰিৱৰ্তন মানুহৰ ক্ষমতাৰ মাজত নাই। সেয়ে, প্ৰায়শ্চিতৰ কাৰণে কোনো মানুহে পাপৰ সাহস কৰিব নোৱাৰে তথাপি প্ৰায়শ্চিত শুধৰণিৰ বাস্তৱিক উপচাৰ আৰু নিৰাশাক আঁতৰ কৰে তথা প্ৰচেষ্টা, উৎসাহত প্ৰেৰণা উৎপন্ন কৰে। এয়া ভ্ৰম যে প্ৰায়শ্চিতই পাপৰ দিশে প্ৰেৰণা উৎপন্ন কৰে এয়া কেৱল আৰৱী ভাষাক নজনা তথা ইছলামী শিক্ষাত অৰুচি আৰু এই চিন্তাৰ পৰিণাম স্বৰূপ উৎপন্ন হৈছে যে প্ৰায়শ্চিত এই কথাৰ নাম যে মানুহে কৈ দিব যে হে ঈশ্বৰ মোৰ অপৰাধ ক্ষমা কৰা। যিহেতু অপৰাধক আৰু পাপক ক্ষমা কৰাৰ নাম প্ৰায়শ্চিত নহয় তথাপি 'ইস্তিগফাৰ' ( ক্ষমা কৰা) হয়। প্ৰায়শ্চিতে অপৰাধীক ক্ষমা কৰিবলৈ নকয় তথাপি পাপৰ ক্ষমাৰ প্ৰকৃত প্ৰায়শ্চিতৰ সমুচিত পৰিণাম হয়।

পঞ্চম আহিলা যাক ইছলামে মানৱৰ আচৰণ আৰু চৰিত্ৰৰ শুধৰণিৰ বাবে নিশ্চিত কৰিছে, সেয়া স্পষ্ট ৰূপত প্ৰথম আহিলাৰ বিপৰীতে দেখা দিয়ে কিন্তু সহায়ক তথা সেই অনুসৰি। সেয়া হ'ল যে ইছলামে সেই কুপ্ৰভাৱক নাইকিয়া কৰিবলৈ যত্ন কৰে যে যি অস্পষ্ট ৰূপত মাক-বাপেকৰ পৰা সন্তানে গ্ৰহণ কৰে। এই শিক্ষাক প্ৰথম শিক্ষাৰ বিৰোধ বুলি বুজিব নালাগে। এয়া সদায় সঁচা কথা যে মানৱে পৱিত্ৰ স্বভাৱকলৈ জন্ম গ্ৰহণ কৰে কিন্তু ইয়াতো কোনো সন্দেহ নাথাকে যে সি মাক-দেউতাকৰ প্ৰভাৱৰ অধীনত বেয়া প্ৰবৃত্তিকো নিজৰ লগত লৈ আহে।

প্ৰকৃত বিষয় হ'ল যে স্বভাৱ আৰু প্ৰবৃত্তিৰ মাজত পাৰ্থক্য আছে। স্বভাৱ সেই শক্তি হয় যাক মানবীয় প্ৰবৃত্তি বুলি কোৱা হয়। ই সদায় পৱিত্ৰ হয়। কেতিয়াওঁ বেয়া নহয়। লাগে ডকাইত বা হত্যাকাৰীৰ ঘৰত এটা সন্তানৰ জন্ম নহওঁক কিয় তাৰ প্ৰবৃত্তি শুদ্ধ হ'ব কিন্তু এক দুৰ্বলতা তাৰ ভিতৰত থাকিব যে যদি তেওঁৰ মাক-বাপেকৰ ভাৱনা অশুদ্ধ আছিল যদি সেই ভাৱনাৰ প্ৰভাৱ কোনো সময়ত তাৰ ওপৰত পৰিলেও সি তাক তৎক্ষণাত স্বীকাৰ কৰে আৰু তাক গ্ৰহণ কৰাৰ বাবে উদ্যত হৈ পৰিব যে যেনেকৈ সেই ৰোগীৰ অৱস্থা যাৰ ৰোগ দৃঢ় হৈ পৰে আৰু দেহৰ অংগ হৈ পৰে তাৰ প্ৰভাৱ সন্তানৰ ওপৰত এনেদৰে পৰে যে সেই ৰোগক বৃদ্ধি কৰোঁতা, আহিলা যদি সৃষ্টি হৈ পৰে তেন্তে সি সেই প্ৰভাৱক অপেক্ষাকৃতভাবে সহজে স্বীকাৰ কৰি ল'ব পাৰে। এই প্ৰভাৱ যদি এটা সন্তানে নিজৰ মাক-বাপেকৰ পৰা গ্ৰহণ কৰে তেন্তে সেই ভাৱনাৰ পৰিণাম হয় যি মাক-বাপেকৰ মানসপটত সেই সময়ত সক্ৰিয় হৈ থাকে যেতিয়া এজনে আনজনক সম্ভোগ কৰি আছিল। ধৰি লোৱা হওঁক প্ৰভাৱ অতি নিম্ন হৈ পৰে আৰু বাহ্যিক প্ৰভাৱক সদায় নাইকিয়া কৰি দিয়া হয় কিন্তু ইছলামে এই সূক্ষ্ম প্ৰভাৱক সুন্দৰ কৰি তোলাৰ ব্যৱস্থা কৰিছে। সেয়া হ'ল যে মাক-বাপেকে আদেশ দিয়া হৈছে যে যি সময়ত তেওঁলোকে একান্ত মনেৰে পৰস্পৰে মিলিত হয় তেন্তে প্ৰাৰ্থনা কৰিব লাগে—

আল্লাহুম্মা জান্নিবনাশ্বায়তানা ওৱা জান্নিবি শ্বায়তানা মা ৰাজাকতানা। (বুখাৰী, কিতাবুত তৌহিদ)

অৰ্থাৎ ঃ হে পৰমেশ্বৰ আমাক বেয়া ভ্ৰমৰ তথা দুষিত ভাৱনাৰ আৰু তাৰ প্ৰেৰক শক্তি তথা তাৰ প্ৰেক লোকৰ পৰা সুৰক্ষিত ৰাখি আৰু যি আমাৰ সন্তান হ'ব তাকো সুৰক্ষিত ৰাখিবা।

এই প্ৰাৰ্থনাৰ সেই প্ৰভাৱৰ বাহিৰেও যি প্ৰাৰ্থনাৰ দৃষ্টিকোণেৰে ইয়াক লাভ কৰা হয় এক ডাঙৰ প্ৰভাৱ বিস্তাৰ কৰে। সেয়া হ'ল যে মাক-বাপেকৰ মগজুত এই ভাৱনাই এক নতুন তথা এক শ্ৰেষ্ঠ তংগ প্ৰৱাহিত কৰে যাৰ কাৰণে যদি তেওঁলোকৰ সাধাৰণ ভাৱনা পৱিত্ৰ নহ'লেও সেই সময়ত পৱিত্ৰতাৰ দিশে প্ৰবৃত্ত হৈ পৰে কিয়নো প্ৰথমতে প্ৰাৰ্থনাৰ দিশে এই বিষয় প্ৰাৰ্থনা নিজেই হোৱা ভাৱনাক পুণ্যৰ দিশে উভতাই দিয়ে। দ্বিতীয়তে দেখা যায় যে মাক-বাপেকৰ নিজৰ সন্তানৰ প্ৰতি অত্যাধিক গুৰুত্ব থাকে যে লাগে আমি বেয়া কিন্তু আমাৰ সন্তানে ভাল তথা সুন্দৰ আচৰণ কৰক। যদিও কিছু মাক-বাপেকে ইয়াৰ বিপৰীতে মিলিত হয় কিন্তু সাধাৰণ নিয়ম এয়া যে মাক-বাপেকে নিজৰ সন্তানৰ বেয়াটো কেতিয়াও পছন্দ নকৰে। সেয়ে এই লাভালাভ প্ৰাকৃতিক ইচ্ছাৰ কাৰণ যেতিয়া মাক-বাপেকে নিজৰ সন্তানৰ কাৰণে এনে প্ৰাৰ্থনা কৰিব তেতিয়া তেওঁলোকৰ হৃদয়ত অতি পৱিত্ৰ পৰিৱৰ্তন উৎপন্ন হ'ব আৰু যিহেতু সন্তানৰ ওপৰতো স্বভাৱগতভাবে সেই সময়তে এই চিন্তাৰ প্ৰভাৱ পেলাব পাৰে যি সময়ত সন্তানৰ অংশ পিতাৰ শৰীৰৰ পৰা পৃথক হৈ পৰে আৰু মাকৰ লগত সম্পৰ্কত আৱদ্ধ হয়। গতিকে প্ৰাৰ্থনা যাক মাক-বাপেকৰ মিলনৰ সময়ৰ কাৰণে শিকোৱা হৈছে যদি মাক-বাপেকৰ মাজত কিবা অপৱিত্ৰতা থাকে তেন্তে তাৰ কুপ্ৰভাৱৰ পৰা সন্তানক ৰক্ষা কৰিব। সেয়ে পয়গম্বৰ ইছলাম হজৰত মহম্মদ চাহেব (ছাঃ) স্পষ্টকৈ এই লাভৰ সন্দৰ্ভত এই শব্দত তেওঁ উল্লেখ কৰিছে—

"ফাইন্নাহু ইউকাদ্দাৰ বায়নাহুমা ওৱালাদুন ফি জালিকা লাম ইয়াজুৰৰাহু শ্বায়তানুন আবাদা" (বুখাৰী, কিতাবুত তৌহিদ)

অৰ্থাৎ ঃ পৰমেশ্বৰে এনে সন্তানক যাৰ মাক-বাপেকে পৰস্পৰ মিলনৰ সময়ত এই প্ৰাৰ্থনা পঢ়িলে চয়তানৰ প্ৰভাৱৰ পৰা ৰক্ষা পৰে। ইয়াৰ অৰ্থ এয়া হ'ল যে সেই চয়তানৰ পৰা সুৰক্ষিত ৰাখে যি মাক-বাপেকে পৰিৱৰ্তিত হৈ পূৰ্ণৰূপত

আহিব নোৱাৰিলে কিয়নো এই প্ৰাৰ্থনাৰ প্ৰাকৃতিক প্ৰভাৱে কেতিয়াও কুসংগতিৰ প্ৰভাৱ অথবা আন কুপ্ৰভাৱৰ পৰা ৰক্ষা কৰিব নোৱাৰে। বাকী থাকিল এই প্ৰাৰ্থনাৰ প্ৰভাৱ প্ৰাৰ্থনাৰ দৃষ্টিকোণেৰে সেয়া যে সেয়া এই সময়ত উদিত হয় যেতিয়া প্ৰাৰ্থনাই সেইসময়ত উপনীত হয় যি সীমাত প্ৰাৰ্থনাই স্বীকাৰিত্বৰ স্থান লাভ কৰে। অন্যথা কেৱল শব্দৰ পুনৰোক্তিৰ সেই প্ৰভাৱে দেখা পোৱা নাযায়।

সৰু আহিলা যি ইছলামৰ আচৰণৰ শুদ্ধি আৰু চৰিত্ৰৰ নিৰ্মাণৰ কাৰণে গ্ৰহণ কৰিছে সেই পথক মুকলি কৰে যাৰ দ্বাৰা এনে আন্দোলন হৃদয়ত প্ৰৱেশ কৰে যি কল্যাণকাৰী শক্তিক উদ্বেলিত কৰে। ইয়াৰ কিছু সংখ্যক মই ওপৰত বৰ্ণনা কৰিছোঁ। যেনে প্ৰাৰ্থনা, উপাসনা, ব্ৰত, পৰমেশ্বৰৰ স্মৰণ আদি। সেয়ে এই আহিলাবোৰৰ পুনৰোক্তি এই স্থানত আৱশ্যক নহয়। সেয়ে মই তিনিটা আন পথক উদাহৰণ হিচাপে উল্লেখ কৰিছোঁ—

প্ৰথমতে পৱিত্ৰ কোৰাণৰ এই আদৰ্শক গ্ৰহণ কৰো যিটোৱে সুসংগতিৰ বিষয়ে উল্লেখ কৰিছে—

“কুনু মাআচ্ছাদেকীন” হে মুছলমান সত্যপ্ৰিয় লোকৰ সংগত বহিবা। এয়া এটা সৰ্বজন গৃহীত তথ্য যে মানুহে সদায় নিজৰ জলবায়ুৰ দ্বাৰা প্ৰভাৱিত হয়। সেয়ে যি ব্যক্তিয়ে নিজৰ সংগৰ বাবে সুচৰিত্ৰ আৰু সত্য পুৰুষক নিৰ্বাচিন কৰিব তেওঁ অতি শীগ্ৰে নিজৰ ভিতৰত আশ্চৰ্যজনক পৰিৱৰ্তন অনুভৱ কৰিব যি তেওঁক পুণ্যৰ দিশলৈ আকৰ্ষিত কৰিব আৰু বেয়া ভাৱক ত্যাগ কৰাত তেওঁক সহায় কৰিব। ইছলামে ইয়াত ইমান গুৰুত্ব দিছে যে সদায় মুছলমানে নিজৰ দেশ তথা ধন-সম্পত্তিক ত্যাগ কৰি এনে লোকৰ সংগত থাকে যি তেওঁৰ ওপৰত ভাল প্ৰভাৱ পেলাব পাৰে আৰু তেওঁৰ চুম্বকীয় প্ৰভাৱৰ সহায়ত নিজৰ যাত্ৰাক কম কৰি দিয়ে তথা নিজৰ ইচ্ছাক লাভ কৰে।

দ্বিতীয়টো পথ যাক ইছলামে পুণ্য প্ৰাপ্তিৰ কাৰণে মুকলি কৰিছে যিটো উদ্দেশ্যই হালাল আৰু হাৰামৰ লগত সম্পৰ্ক ৰক্ষা কৰে। এনে এক আচৰিত কথা এতিয়ালৈকে সংসাৰত এই মহান সত্যক অনুভৱ কৰা নাই যে মানুহৰ আহাৰে মানুহৰ চৰিত্ৰৰ ওপৰত গভীৰ প্ৰভাৱ পেলায় আৰু সেয়া কেৱল

এনে নহয় যে এই সত্যক অনুভৱ কৰা নাই তথাপি এই কথাক ইছলামৰ লোকসকলে আলোচনা কৰে যিহেতু এই কথা স্পষ্ট হয় আৰু প্ৰতিদিনে তাৰ সত্যতাৰ নতুন প্ৰমাণ পোৱা যায়। যিয়ে নহওঁক সংসাৰে যি বুলি উল্লেখ নকৰক। পৱিত্ৰ কোৰাণে উল্লেখ কৰিছে—

يَآيُّهَا الرُّسُلُ كُلُوْا مِنَ الطَّيِّبٰتِ وَاعْمَلُوْا صَالِحًا ۭ (23:52)

অৰ্থাৎ হে ৰছুল, হে অৱতাৰ, পৱিত্ৰ বস্তুক খোৱা। ইয়াৰ পৰিণামস্বৰূপে তোমালোকক পুণ্য কাম কৰিববলৈ সামৰ্থ অৰ্জন হ'ব।

এই আয়াতৰ পৰা ইয়াক ঠগ খাব নালাগে যে ইয়াত কেৱল পয়গম্বৰকে কোৱা হৈছে কিয়নো পৱিত্ৰ কোৰাণৰ নিয়ম হ'ল যে তাত পয়গম্বৰ সম্বোধন কৰা হয় আৰু অভিষ্ট সকলো অনুগামীকো। উক্ত নিয়ম অনুসৰি মুছলমানে খোৱা -বোৱা বিষয়ত বিভিন্ন আদেশ প্ৰদান কৰি আহিছে যাক লোকসকলে ৰীতি-নীতি বুলি বুজি উঠে কিন্তু পৱিত্ৰ কোৰাণে ঘোষণা কৰিছে যে সেইবোৰে নিজৰ মাজত মহান ৰহস্য গোপন কৰে। এই গুৰুত্বপূৰ্ণ বিষয়ক সংসাৰৰ লোকসকলে স্বীকাৰ কৰে যে খনিজ পদাৰ্থৰ যি বিশেষত্ব আছে অথবা বনস্পতিৰ যি গুণৰ প্ৰভাৱ মানুহৰ ওপৰত পেলাই কিন্তু সেই কথাক স্বীকাৰ কৰিববলৈ প্ৰস্তুত নহয় যে প্ৰাণীৰ মাংস(পশুৰ) মাংস খালেও কিবা প্ৰভাৱ মানুহৰ ওপৰত পৰে যিদৰে যেনেকৈ আন বস্তুৰ প্ৰভাৱ মানুহৰ স্বভাৱত পৰে তাৰো পৰিব লাগে আৰু কোনো পশুৰ বিশেষ আচৰণ তাক খোৱাসকলৰ অৱশ্যে উৎপন্ন হ'ব লাগে। কিন্তু মই আশা কৰিছোঁ যে লোকসকলে অতি শীঘ্ৰে এই সত্যতাক কৰিব কিয়নো এতিয়া এই কথা প্ৰমাণিত হৈ পৰিছে যে কিছুমান পশুক খালে মানুহৰ নাঙঠ হোৱাৰ আৰু কিছুমানক খালে নিজৰ শক্তিক অনুচিত ব্যয় কৰিববলৈ ইচ্ছা অনুভল হয়। যেতিয়া এই বিদ্যা তথা জ্ঞানৰ আৰু অধিক উন্নতি হোৱাত ইছলামৰ ঘোষণা প্ৰমাণিত হৈছে।

চমুকৈ উপযুক্ত তথ্যক স্বীকাৰ কৰি ইছলামে ভোজনৰ আদেশক এক সিদ্ধান্তত আধাৰিত কৰিছে। সেই সিদ্ধান্ত এয়া যে মানুহে নিজৰ সকলো প্ৰাকৃতিক প্ৰবৃত্তিক বৃদ্ধি কৰাৰ আৱশ্যকতা আছে। গতিকে সেই সকলোবোৰ ভোজন কৰিব লাগে কিন্তু সেই ভোজন অপবাদ হৈ পৰে যাৰ প্ৰয়োগৰ সীমাৰ

পৰা বাঢ়ি গৈ ক্ষতি লাগে সেয়া দৈহিক হওঁক, আচৰণ সম্বন্ধীয় হওঁক অথবা আধ্যাত্মিক হওঁক। সেয়ে এই কাৰণে ইছলামে এই আদেশ দিছে যে শাক-পাচলি, ব্যঞ্জনৰ প্ৰয়োগত উন্নতি কৰিব পৰা যায় আৰু কিছুমান পশুৰ মাংস খালে, যেনে দান, নম্ৰতা, স্থায়িত্ব আৰু শালীনতা, বনস্পতিৰ প্ৰয়োগত হয় কিন্তু বীৰত্ব, সভ্যতা, প্ৰতিষ্ঠা, সাহস, লাজ আদি পশু মাংসক প্ৰয়োগত অধিক হয়।

গতিকে ইছলামে প্ৰতিটো প্ৰকাৰৰ ভোজনক প্ৰয়োগ কৰাৰ আদেশ প্ৰদান কৰিছে যাতে সকলো প্ৰবৃত্তি মানুহৰ ভিতৰত পোষিত হওঁক। পৱিত্ৰ কোৰাণত উল্লেখ কৰিছে—

يٰبَنِيْٓ اٰدَمَ خُذُوْا زِيْنَتَكُمْ عِنْدَ كُلِّ مَسْجِدٍ وَّكُلُوْا وَاشْرَبُوْا وَلَا تُسْرِفُوْا ۚ

اِنَّهٗ لَا يُحِبُّ الْمُسْرِفِيْنَ ۝٣٢

قُلْ مَنْ حَرَّمَ زِيْنَةَ اللّٰهِ الَّتِيْٓ اَخْرَجَ لِعِبَادِهٖ وَالطَّيِّبٰتِ مِنَ الرِّزْقِ ؕ

(7:32-33)

হে আদমৰ সন্তান। হে ঈশ্বৰৰ ভক্ত পুণ্য কৰ্মক প্ৰাপ্তিৰ কাৰণে তিনিটা কথা আৱশ্যক। এক এয়া যে পৰমেশ্বৰৰ উপাসনা আন্তৰিক আৰু বাহ্যিক দুয়োটা ৰূপতে শুদ্ধ কৰা। দ্বিতীয়তে এয়া যে প্ৰতিটো প্ৰকাৰৰ খাদ্যত-ভোজনৰ বস্তুক প্ৰয়োগ কৰা আৰু মাথোঁ এটা দিশতে গুৰুত্ব নিদিবা যাতে প্ৰতিটো প্ৰকাৰৰ মূল প্ৰবৃত্তি তোমাৰ মাজত পোষিত হৈ থাকক তুমি তাৰ পৰা যি ইয়াক বুজে যে মানুহে বাহ্যিক স্বচ্ছতাৰ ধ্যান ৰাখিব নালাগে অথবা ইয়াক বুজি উঠে যে মানুহে আন্তৰিক স্বচ্ছতাৰ ধ্যান ৰাখিব নালাগে অথবা ইয়াক বুজি উঠে যে মানুহে এটা প্ৰকাৰৰ ভোজনৰ পিছত পৰি যাব লগতে কয় দিয়া যে পৰমেশ্বৰে উৎপন্ন কৰা সৌন্দৰ্য আৰু তেওঁ প্ৰদান কৰাৰ শ্ৰেষ্ঠ আৰু পৱিত্ৰ ভোজনক নিষেধ কৰাটো তুমি কোন হয়?

হয়, এই নিয়মৰ লগত যে মানুহে সকলো প্ৰকাৰৰ ভোজন যি বিভিন্ন প্ৰাকৃতিক প্ৰবৃত্তিক জগাই তাক প্ৰয়োগ কৰিব লাগে, ইয়াকো সীমা নিশ্চিত কৰিছে যে যি ভোজনে প্ৰবৃত্তিত এনে বেগ উৎপন্ন কৰি দিয়ে যে তাৰ পৰা

নিয়ন্ত্ৰণ পোৱাটো কঠিন হৈ পৰে অথবা স্বাস্থ্য বা বুদ্ধি অথবা চৰিত্ৰ বা ধৰ্মত বেয়া প্ৰভাৱ পেলায় তাক প্ৰয়োগ কৰিব নালাগে কিয়নো প্ৰকৃত উদ্দেশ্যক অনিষ্ট কৰি পেলায়। সেই ভোজনৰ ভিতৰত প্ৰথম স্তৰত পৱিত্ৰ কোৰাণে নিম্নলিখিত বিৱৰণ অনুসৰি চাৰিবিধ ভোজনক থৈছে যিটো চাৰিটা সিদ্ধান্তৰ ওপৰত আধাৰিত। উল্লেখ আছে—

قُلْ لَّآ اَجِدُ فِيْ مَآ اُوْحِيَ اِلَيَّ مُحَرَّمًا عَلٰى طَاعِمٍ يَّطْعَمُهٗٓ اِلَّآ اَنْ يَّكُوْنَ مَيْتَةً اَوْ دَمًا مَّسْفُوْحًا اَوْ لَحْمَ خِنْزِيْرٍ فَاِنَّهٗ رِجْسٌ اَوْ فِسْقًا اُهِلَّ لِغَيْرِ اللّٰهِ بِهٖ ۚ فَمَنِ اضْطُرَّ غَيْرَ بَاغٍ وَّلَا عَادٍ فَاِنَّ رَبَّكَ غَفُوْرٌ رَّحِيْمٌ ﴿١٤٦﴾

(6:146)

অৰ্থাৎ ঃ তুমি কোৱা,মোৰ প্ৰতি যি প্ৰত্যাদেশ অৱতীৰ্ণ হৈছে তাৰ মাজত মই এনে বস্তু পোৱা নাই যি খোৱাসকলৰ পক্ষে অবৈধ, এইবিলাক ভিন্ন  মৃত জীৱ বা বৈ যোৱা ৰক্ত বা গাহৰিৰ মাংস অৰ্থাৎ এয়া হাৰাম কিয়নো এইবিলাক নিশ্চয় অশুচি  অথবা যি খোৱাত আল্লাহৰ অবাধ্যতা হয়; অৰ্থাৎ আল্লাহ ভিন্ন আনলৈ উছৰ্গা কৰা জন্তু;  কিন্তু যি বিদ্ৰোহী নাইবা সীমালংঘনকাৰী নোহোৱাকৈ নিৰুপায় অৱস্থাত পৰি তাকে খায় (তাত দোষ নাই) কিয়নো তোমাৰ প্ৰভু শ্ৰেষ্ঠ ক্ষমাশীল,পৰম দয়ালু।

অৰ্থাৎ সেই বস্তু যাৰ ওপৰত পৰমেশ্বৰৰ অতিৰিক্ত আন কোনোবাৰ নাম লোৱা হৈছে মানে এয়া আন ঈশ্বৰত্বৰ উপাস্য দেৱৰ প্ৰসন্নতাৰ বিচাৰত জবহ কৰা হৈছে অথবা জবহ কৰাৰ সময়ত পৰমেশ্বৰৰ বাহিৰে আন কোনোবাৰ নাম লোৱা হৈছে। এইবিলাক নিষিদ্ধ। পুনৰ উল্লেখ কৰিছে যে কোনোবাই ভোকত ইমান ব্যাকুল হৈ পৰে আৰু তেওঁ ভোজন লাভ কৰাৰ কোনো আশা নাথাকে চৰ্ত মাথোঁ এটা যে জানি-বুজি এনে অৱস্থাত যাৱ নেলাগিব অথবা খোৱাৰ সময়ত আৱশ্যকতকৈ অধিক খাব নালাগিব এনে ব্যক্তিয়ে যদি এনে ব্যঞ্জনক গ্ৰহণ কৰে তেন্তে তেওঁ পৰমেশ্বৰৰ কুপ্ৰভাৱৰ পৰা সুৰক্ষিত থাকিব। এই আয়াতত তিনিটা বস্তুক মৃতক, তেজ, গাহৰিৰ মাংসক স্বাভাৱিক আৰু

প্ৰাকৃতিক কাৰণত নিষিদ্ধ কৰা হৈছে আৰু শেষৰটো সামগ্ৰিক ধৰ্মীয় ক্ষতিৰ কাৰণে বৰ্জিত কৰা হৈছে। যিহেতু মৃতক আৰু তেজ জমা হৈ থকা বস্তুৰ মাজত কিছুমান বিষক নিজৰ ভিতৰত লৈ থাকে। মৃতকৰ বিষয়ে প্ৰায় ইয়াকে বুজা যায় যে সেয়া ৰোগ, বিষ অথবা কোনো বিষাক্ত জন্তুৱে কামোৰাত মৃত্যু হৈছে অথবা বয়সত মৃত্যু হৈছে। এই সকলো অৱস্থা এনেধৰণৰ যে এই পশুৰ মাংস খোৱাৰ যোগ্য নহয়। যদি সেয়া কিবা কঠোৰ কষ্টা বা আঘাতৰ বাবে মৃত্যু হৈছে তেতিয়াওঁ তাত বিহৰ উৎপন্ন হয়। সেয়ে প্ৰকৃততে সেই মাংস খোৱাটো যোগ্য যি জবাহ কৰা পশুৰ মাংস হয়। তেজতো বহু প্ৰকাৰৰ বিহ থাকে, সেয়ে এয়াও স্বাস্থ্যৰ প্ৰতি ক্ষতিকৰ। গাহৰিৰ মাংসৰ মাজতো কিছুমান অৱগুণ থাকে। প্ৰথমতে গাহৰিৰ মাংসত ক্ষতিকাৰক বস্তু পোৱা যায় আৰু দ্বিতীয়তে এই পশুৱে সাধাৰণতে লেতেৰাক পছন্দ কৰে। তৃতীয়তে এই পশুৰ চৰিত্ৰ সম্পৰ্কীয় কিছু ত্ৰুটি আছে যিটো আন পশুত পোৱ নাযায়। সেয়ে ইয়াৰ প্ৰয়োগ দৈহিক আৰু আচৰণ দুয়োটা দৃষ্টি কোণৰ পৰা হানিকাৰক। কিন্তু ভোজন আৰু খাদ্য সামগ্ৰীৰ ক্ষতি গুপুত ৰূপত হয়। পৰিতাপৰ বিষয় যে আজিলৈকে মানুহে এই ত্ৰুটিবোৰক অনুভৱ কৰিব পৰা নাই। কিন্তু আমাৰ বিশ্বাস যে সেইদিন বহু দূৰত নহয় যেতিয়া এই পশুৰ খাদ্য পশুৰ পৰাই একেবাৰে বাহিৰ কৰি দিয়া হ'ব আৰু মানবীয় স্বভাৱক অবাধ গতিত আগবাঢ়ি যোৱাৰ সুযোগ দিয়া হ'ব।

চতুৰ্থতে যি বস্তুক পৰমেশ্বৰৰ নামৰ বাহিৰে আন কাৰোবাৰ নামত জবহ কৰা হয় আৰু তাক কোৰবাণী কৰাৰ কাৰণ পৰমেশ্বৰৰ উপৰিও আন কাৰোবাক প্ৰসন্ন কৰাটো যেতিয়া হৈ পৰে। যিহেতু ইয়াত পৰমেশ্বৰক অপমানিত কৰা হয়, তেওঁৰ গুণ আন সত্ত্বাৰ মাজত বিচৰা হয় সেই কাৰণে তাৰ প্ৰয়োগ কৰা মানুহক নিলাজ বুলি কোৱা হৈছে। এনে পশুৰ মাংস খোৱাটো আন্তৰিক অপৱিত্ৰতা আৰু নিৰ্লজ্জতাৰ চিহ্ন। সেয়ে ইছলামত এইবোৰ হাৰাম বুলি উল্লেখ কৰা হৈছে।

উপযুক্ত বস্তুৰ বাহিৰে যিবোৰক বিশেষভাৱে বৰ্ণনা কৰা হৈছে আৰু আন কিছুমান বস্তুকো নিষিদ্ধ কৰা হৈছে আৰু তাৰ নিষিদ্ধতাৰ কাৰণো উল্লেখ

কৰা হৈছে। অৰ্থাৎ শাৰিৰীক আৰু চৰিত্ৰ সম্পৰ্কীয় ক্ষতি। সেয়ে ইছলামে হিংস্ৰ পশু, চিকাৰী চৰাই আ ৰু অন্ধকাৰ আৰু লেতেৰাৰ মাজত থকা পশুৰ মাংসক নিষিদ্ধ কৰিছে। পাণ কৰাৰ বস্তুৰ ভিতৰত মদিৰাক নিষিদ্ধ কৰিছে কিয়নো ই মানৱ বুদ্ধিত পৰ্দাৰ আঁৰি দিয়ে আৰু সূক্ষ্ম মাংসপেশীক যি বুদ্ধি আৰু জ্ঞানৰ উন্নতি দিয়ে তাতো ক্ষতি কৰে। যদিও ইছলামে স্বীকাৰ কৰিছে যে মদিৰাৰ কিছু লাভ আছে কিন্তু তাৰ ক্ষতি লাভতকৈ অধিক। সেই কাৰণে ইয়াত একেবাৰে ত্যাগ কৰিব লাগে।

যিহেতু ইছলামে চৰিত্ৰত ভোজনৰ প্ৰভাৱক স্বীকাৰ কৰিছে আৰু তাৰ বিশেষ প্ৰতিবন্ধকতা আৰু চৰ্তত সীমিত কৰি চৰিত্ৰ নিৰ্মাণৰ নতুন দুৱাৰ মুকলি কৰিছে আৰু সেই ব্যঞ্জনক প্ৰয়োগ কৰা তথা তাক অনুপাত অনুসৰি প্ৰয়োগ কৰাৰ আজ্ঞা দিছে যিবিলাকৰ পৰা তথা যি সীমালৈকে আচৰণত ভাল প্ৰভাৱ পৰে।

চৰিত্ৰ নিৰ্মাণৰ তৃতীয়টো পথ ইছলামে এই বুলি উল্লেখ কৰিছে যে বাল্যাৱস্থাৰে পৰা শিশুৰ হৃদয়ত ভাল কথাই প্ৰভাৱ বিস্তাৰ কৰে। বাস্তৱত এই বিষয়ত ইছলাম সকলো ধৰ্মতকৈ বিশিষ্ট হয়। সাধাৰণতে মানুহে এই বুলি ভাবে যে চৰিয়তৰ প্ৰভাৱ শিশু ডাঙৰ হোৱাৰ পৰাহে আৰম্ভ হয় কিন্তু ইছলামে আমাক এই বুলি শিক্ষা দিছে যে নিঃসন্দেহে শিশু যেতিয়া ডাঙৰ হ'ব তেতিয়াৰে পৰা তাৰ ওপৰত চৰিয়তৰ সম্পূৰ্ণ বিধান প্ৰযোজ্য হ'ব কিন্তু যি কথা স্বভাৱ আৰু দিন চৰ্চাত সম্পৰ্ক ৰাখে যেতিয়ালৈকে বাল্যাৱস্থাৰে পৰা তাৰ প্ৰতি মনযোগ আকৰ্ষণ নকৰিলে শিশুৱে তাৰ প্ৰতি সুগমতাৰ আচৰণ কৰিব নোৱাৰিব আৰু সদায় তাক কঠিনতকৈ কঠিন বুলি ভাবি থাকিব। ইয়াৰ বাহিৰে আমাক ইছলামে শিশুৰ দিক্ষাৰ সময়ত ইয়াক উল্লেখ কৰা নাই যেতিয়া শিশু অলপ জনা-বুজা হৈ পৰে যদিও সেয়াই আমাক বহু পূৰ্বলৈ লৈ যায় অৰ্থাৎ তাৰ জন্মৰ সময়লৈকে। সেয়ে ইছলামে আদেশ দিছে যি সময়ত শিশুৰ জন্ম হয় সেই সময়তে তাৰ কাণত ইছলামৰ নিয়মত যাক 'আজান'ক বৰ্ণিত আছে তাক জনাব লাগে। সোঁফালে আৰু বাওঁফালেও। ইয়াত বহুতো ৰহস্যৰ মাজত অতিৰিক্ত এটা ৰহস্য হ'ল যে কেতিয়াবা শিশু এখন কাণেৰে বধিৰ হৈ জন্ম

হয়। সেয়ে দুয়োখন কাণত এই স্বৰক উল্লেখ কৰিলে সি শুনিবলৈ ধৰে। হয়, এই কথা বেলেগ যে সি সদায়ে বধিৰ হ'ব।

এই আদেশবোৰ দেখাত এক পৰম্পৰা যেন লাগিলেও বাস্তৱত কিন্তু ইয়াৰ মাজত বহুতো মহান লাভ আছে। প্ৰথমতে মাক-বাপেকৰ মনোযোগ এই দিশলৈ আকৰ্ষিত কৰা হৈছে যে তেওঁলোকে জন্মৰে পৰা শিশুৰ কাণত ভাল কথা দিবলৈ চেষ্টা কৰক। ইয়াত কি সন্দেহ থাকিব পাৰে যে যি মাক-বাপেকে ইছলামৰ আদৰ্শৰ বাস্তৱিকতাক বুজি উঠিব তেওঁলোকে ইছলামৰ দীক্ষাক শিশুৰ জন্মৰে পৰা আৰম্ভ কৰিব। এয়া সদায় বুদ্ধিৰ বিপৰীত হৈ পৰিব যে তাৰ জন্ম হোৱাত ইছলামৰ আদেশক কাণত দিয়াহৈছে কিন্তু যেতিয়া বাঢ়িব ধৰিব তাক ত্যাগ কৰা হওঁক ইমানলৈকে যে কিছু বছৰ অতিবাহিত হোৱাৰ পিছত পুনৰ তাৰ দীক্ষা আৰম্ভ কৰক। শিশুৱে প্ৰতিদিনে বুদ্ধিত উন্নতি কৰে। যিবোৰ শিশুৰ জন্মৰ সময়ত ভাল কথাৰ উপদেশ দিয়াৰ আদেশ আমাক দিয়া হৈছে তাৰ পিছত উপদেশ দিয়াৰ আদেশ আগতকৈ অধিক কঠোৰ হ'ব লাগে। সেয়ে এই আদেশ বাস্তৱত মাক-বাপেকলৈ এক উপদেশ হয়।

দ্বিতীয়টো মহান লাভ এই আদেশত এনেদৰে উল্লেখ কৰা হৈছে যে শিশুৰ বুজি উঠাৰ বুদ্ধি এক বিশেষ ক্ৰমত হয়। তাৰ যুগ জন্মৰ পৰা আৰম্ভ হয়। সত্য এয়া যে সেই অৱস্থা যি বুজি উঠা আৰু সচেতন অৱস্থা বুলি কোৱা হয় সেয়া একেবাৰে ক'ৰ পৰা আহিব নোৱাৰে। সেয়া সেই জ্ঞানৰ পৰা উৎপত্তি হয় যি শিশুৱে জন্মৰ সময়তে একত্ৰ কৰে আৰু তাৰ বুদ্ধিত কোনো প্ৰভাৱ তাৰ জন্মৰ সময়ৰ পৰা নাইকিয়া হৈ পৰা নাই তথা পৰিপক্ক হৈ থাকে আৰু নিজেই পাহৰি গলেও নিজৰ প্ৰভাৱ বুদ্ধি তথা বুজনিৰ ৰূপত মানুহৰ ওপৰত দি থৈ যায়। সেয়ে অনুভৱ আৰু পৰীক্ষণে এই কথাৰ সাক্ষ্য প্ৰদান কৰে যে কিছু এনে ঘটনা জ্ঞাত হৈছে যে কিছুমান লোকে মাংসপেশীৰ দুৰ্বলতাৰ আক্ৰমণ হৈ নিজকে নিজেই পাহৰি গৈছে তথা তেওঁলোকে এনে বাণী আৰু ভাষা ক'বলৈ আৰম্ভ কৰি দিছে যি তেওঁলোক জ্ঞাত নাছিল। শুনোতাই ইয়া অলৌকিক বুলি বুজি উঠিলেও পৰিশেষত অৱগত হৈছে যে সি যিবোৰ কৈছে সেয়া কিছু শুনা কথা যিবোৰ সি অতি শিশু অৱস্থাত যেতিয়া সি গৰ্ভত পালিত হৈছিল

সেই ভাষা কোৱা সকলৰ পৰা শুনিছিল। যেতিয়া বুদ্ধিৰ প্ৰভাৱ প্ৰয়োগ কৰাৰ অংশত বিকাৰ হৈ পৰে তেতিয়া প্ৰভাৱ গ্ৰহণ কৰা অংশই কাৰ্য কৰিব দৰে আৰু তাৰ প্ৰাচীন চিহ্ন সন্মুখলৈ আহিব ধৰে। সেয়ে ইছলামৰ এই শিক্ষা অতি দৃঢ় আৰু সূক্ষ্ম ৰহস্যৰে আধাৰিত আৰু ইয়াৰ প্ৰয়োগৰ জৰিয়তে সংসাৰৰ চৰিত্ৰৰ শুধৰণি অতি সুগমতাৰে কৰিব পৰা যায়।

সপ্তমখন দুৱাৰ ইছলামে চৰিত্ৰ আৰু আচৰণৰ শুধৰণিৰ বাবে উল্লেখ কৰিছে। এইবোৰে সেই দুৱাৰবোৰক বন্ধ কৰি দিয়ে যিবোৰ পাপৰ পৰা উৎপন্ন হয়। মই প্ৰথমতে উল্লেখ কৰিছোঁ যে ইছলামৰ সিদ্ধান্ত অনুসৰি বেয়াবোৰ বাহিৰৰ পৰা উৎপন্ন হয় অন্যথা মানুহ সদায় পুণ্যৰে পৰিপূৰ্ণ অৰ্থাৎ মানুহক এনে আকাঙ্খা প্ৰদান কৰা হৈছে যি এই কথাক অধিক ভালপায় যে কল্যাণ কৰিলে বেয়াৰ পৰা বাচিব পৰা যায়। সকলো মানুহ লাগে সি যি ধৰ্মৰে, যি জাতিৰে নহওঁক তেওঁলোকে এই প্ৰকৃতিকলৈ আহিছে। কিন্তু কেৱলমাত্ৰ এই শক্তিৰে মানুহৰ কাৰ্য চলিব নোৱাৰে কিয়নো মানুহৰ প্ৰচেষ্টাই কেৱল তেওঁক এই বুলি উল্লেখ কৰে যে পুণ্যাৰ্জন কৰা আৰু পাপৰ পৰা ৰক্ষা পোৱা। বাকী প্ৰশ্ন এয়া থাকি যায় যে অমুকটো কাৰ্য ভাল আৰু অমুকটো কাৰ্য বেয়া, ইয়াৰ নিৰ্ণয় বুদ্ধিয়ে কৰে আৰু বুদ্ধিৰ নিমাৰ্ণৰ আধাৰ সেই জ্ঞানৰ ওপৰত হয় যি মানুহে নিজৰ জ্ঞানেন্দ্ৰিয়ৰ দ্বাৰা অৰ্জন কৰে। সেয়ে যদি এই বাহ্যিক প্ৰভাৱক স্বীকাৰ কৰাত মানুহে ভুল কৰে আৰু তাৰ অনিবাৰ্য পৰিণাম এয়া হ'ব যে তেওঁৰ প্ৰকৃতিয়ে ঠগ খাব আৰু তেওঁ ভাল কামক বেয়া বুলি ভাবিব তাৰ বিৰুদ্ধে কাম কৰিব আৰু বেয়াক ভাল বুলি ভাবিব তাত নিজৰ সন্তুষ্টি ব্যক্ত কৰিব। সেয়ে এয়া আৱশ্যক যে সেই বেয়া প্ৰভাৱক যি মানুহক আকৰ্ষিত কৰে তাক বন্ধ কৰা বা কম কৰা হয়। এনেধৰণৰ যি আবেগে শীঘ্ৰে মানুহৰ মাজত বেয়াক উৎপন্ন কৰে সেয়া বাহিৰৰ পৰা আহে। তাকো বাধা দিয়াৰ আৱশ্যক কিয়নো যদি সেয়া থমকি ৰৈ যায় তেন্তে মানুহে নিজৰ ওপৰত নিয়ন্ত্ৰণ পাব পাৰে। উদাহৰণ স্বৰূপে এজন ব্যক্তিয়ে যি মদিৰাপান কৰে সেই সময়তে ব্যাকুল হৈ পৰে যেতিয়া তেওঁ আন মানুহক মদিৰা পান কৰা দেখে অথবা যেতিয়া সেই বস্তুবোৰক দেখে য'ত মদিৰাৰ পিয়লা থোৱা হয় অথবা

সেই সময় তেওঁ চেতনা আহে যি সময়ত মদিৰা পান কৰে। এতিয়া যদি ব্যক্তিক সেই স্থানৰ পৰা পৃথকে থোৱা হয় আৰু সেই বস্তুবোৰক যি মদিৰালৈ মনত পেলাই দিয়ে সন্মুখৰ পৰা আঁতৰত ৰাখিলে নিশ্চয় কিছু সময়ত তেওঁৰ অভ্যাস সলনি হৈ পৰিব আৰু নিজৰ প্ৰবৃত্তিক নিয়ন্ত্ৰণ কৰি ল'ব।

ইছলামে এই তথ্যক নিজৰ নিয়মৰ প্ৰতি লক্ষ্য ৰাখি আদেশ কৰিছে যিবিলাকৰ দ্বাৰা সেই পথক বন্ধ কৰিব পৰা যায় যাৰ পৰা বেয়া বা বেয়াৰ ভাৱনাৰ জন্ম হয় কিন্তু আচৰিত এয়া যে মনোবিজ্ঞানৰ এনে সমস্যা যাক উপস্থাপন কৰাত ইছলামে সংসাৰত নিজৰ উপকাৰক আৰু অধিক বৃদ্ধি কৰিছে লোকসকলৰ বিৰোধে প্ৰয়োগ কৰাৰ আটাইতকৈ ডাঙৰ আহিলা সিদ্ধ হৈছে আৰু সেই লোকসকলেও তাৰ বিশেষত্বক এতিয়াই বুজি উঠা নাই যি জ্ঞানৰ জিজ্ঞাসাক তথা সত্যৰ সন্ধানী।

এই সকলো শিক্ষাৰ বৰ্ণনা কৰাটো অতি কঠিন য'ত ইছলামে পাপৰ দুৱাৰক বন্ধ কৰি দিছে কিন্তু কিছু উদাহৰণ তাৰ মাজৰ পৰা উপস্থাপন কৰিছোঁ— প্ৰথম উদাহৰণ এইধৰণৰ আদেশ সেই আদেশ যাক ইছলামে বাসনাৰ বিৰুদ্ধে সত্যতা আৰু শুদ্ধতাৰ কাৰণে প্ৰকাশ কৰিছে। সেয়ে ইছলামে আন ধৰ্মৰ দৰে কেৱল ইয়াক ক'ব নিবিচাৰে যে 'তুমি ব্যভিচাৰ নকৰিবা' এয়া কোনো এনে আদেশ নহয় যাক শুনাৰ আমাৰ কিবা প্ৰয়োজন আছে। প্ৰশ্ন হৈছে যে কেনেকৈ মানুহে ব্যভিচাৰৰ পৰা ৰক্ষা পাব? ইছলামে ইয়াৰ উত্তৰ দিছে যে তুমি সেই পাপৰ দুৱাৰক বন্ধ কৰি তাৰ পৰা ৰক্ষা পোৱা আৰু সেই দুৱাৰ চকু, কাণ আৰু ছাল হয় কিয়নো ব্যাভিচাৰৰ প্ৰেৰণা মানুহে এই দুৱাৰৰ মাজেদি লাভ কৰে। যেতিয়া কোনো মানুহে সৌন্দৰ্যক দেখে অথবা সৌন্দৰ্যৰ প্ৰশংসাক শুনিবলৈ পায় অথবা সুমধুৰ সুৰ শুনিবলৈ পায় অথবা কোমল শৰীৰক স্পৰ্শ কৰে তেন্তে যদি সেই সৌন্দৰ্য অথবা তাৰ বৰ্ণনা অথবা সেই সুৰ বা শৰীৰ তেওঁৰ ইচ্ছা অনুসৰি হৈ পৰে তেন্তে তাৰ পৰা সেই প্ৰেৰণা উৎপন্ন হৈ পৰে যাৰ পৰিণাম অন্তিম কাষ হৈ পৰে যি সকলো সংসাৰৰ বুদ্ধিত, চৰিত্ৰ আৰু সমাজৰ কাৰণে এক ভয়ানক বিহ বুলি ক'ব পৰা যায়। সেয়ে ইছলামে এই দুৱাৰক বন্ধ কৰাৰ বাবে আদেশ দিছে।

قُلۡ لِّلۡمُؤۡمِنِیۡنَ یَغُضُّوۡا مِنۡ اَبۡصَارِہِمۡ وَ یَحۡفَظُوۡا فُرُوۡجَہُمۡ ؕ

ذٰلِکَ اَزۡکٰی لَہُمۡ ؕ اِنَّ اللّٰہَ خَبِیۡرٌۢ بِمَا یَصۡنَعُوۡنَ ﴿۳۱﴾ (24:31)

وَ قُلۡ لِّلۡمُؤۡمِنٰتِ یَغۡضُضۡنَ مِنۡ اَبۡصَارِہِنَّ وَ یَحۡفَظۡنَ فُرُوۡجَہُنَّ

وَ لَا یُبۡدِیۡنَ زِیۡنَتَہُنَّ اِلَّا مَا ظَہَرَ مِنۡہَا وَ لۡیَضۡرِبۡنَ بِخُمُرِہِنَّ

عَلٰی جُیُوۡبِہِنَّ ۪ وَ لَا یُبۡدِیۡنَ زِیۡنَتَہُنَّ اِلَّا لِبُعُوۡلَتِہِنَّ اَوۡ اٰبَآئِہِنَّ

اَوۡ اٰبَآءِ بُعُوۡلَتِہِنَّ اَوۡ اَبۡنَآئِہِنَّ اَوۡ اَبۡنَآءِ بُعُوۡلَتِہِنَّ اَوۡ اِخۡوَانِہِنَّ

اَوۡ بَنِیۡۤ اِخۡوَانِہِنَّ اَوۡ بَنِیۡۤ اَخَوٰتِہِنَّ اَوۡ نِسَآئِہِنَّ اَوۡ مَا مَلَکَتۡ اَیۡمَانُہُنَّ

اَوِ التّٰبِعِیۡنَ غَیۡرِ اُولِی الۡاِرۡبَۃِ مِنَ الرِّجَالِ اَوِ الطِّفۡلِ الَّذِیۡنَ

لَمۡ یَظۡہَرُوۡا عَلٰی عَوۡرٰتِ النِّسَآءِ ۪ وَ لَا یَضۡرِبۡنَ بِاَرۡجُلِہِنَّ

لِیُعۡلَمَ مَا یُخۡفِیۡنَ مِنۡ زِیۡنَتِہِنَّ ؕ وَ تُوۡبُوۡۤا اِلَی اللّٰہِ جَمِیۡعًا اَیُّہَ

الۡمُؤۡمِنُوۡنَ لَعَلَّکُمۡ تُفۡلِحُوۡنَ ﴿۳۲﴾ (24:32)

অৰ্থাৎ—(হে মহম্মদ ) বিশ্বাসী পুৰুষসকলক কোৱা (নাৰীৰ সন্মুখত) তেওঁলোকে যেন নিজৰ নয়নসমূহ অৱনত কৰি ৰাখে, আৰু নিজৰ গুপ্ত অংগবিলাকৰ সংৰক্ষণ কৰে; সেয়ে তেওঁলোকৰ পক্ষে অধিকতৰ পৱিত্ৰ; তেওঁলোকে যি কাৰ্য্য সমাধা কৰে সেই সম্বন্ধে আল্লাহ নিশ্চয় অৱগত।

আৰু বিশ্বাসিনীবিলাকক কোৱা, তেওঁলোকে যেন (পুৰুষৰ সন্মুখত) নিজৰ দৃষ্টি অৱনত কৰে, আৰু নিজৰ গুপ্ত অংগসমূহৰ সংৰক্ষণ কৰে, আৰু (কাম কৰোঁতে) শৰীৰৰ যিখিনি অংশ আপোনা আপুনি ওলাই পৰে তাৰ বাহিৰে যেন নিজৰ আভৰণ প্ৰকাশ নকৰে; আৰু তেওঁলোকে যেন নিজৰ ওৰণিৰে নিজৰ বুকু ঢাকি ৰাখে; আৰু আনৰ সন্মুখত যেন নিজৰ আভৰণ প্ৰকাশ নকৰে, এইবিলাকক এৰি নিজৰ স্বামীবিলাকৰ অইন পুতেকবিলাক, বা নিজৰ ভাই

ককাইবিলাক, বা নিজৰ ভতিজা বা ভাগিনবিলাক বা নিজৰেই তিৰোতাবিলাক বা তেওঁলোকৰ সোঁ-হাতৰ অধীনত থকা দাসবিলাক বা কাম প্ৰবৃত্তিবিহীন পুৰুষ ভৃত্যবিলাক বা এনে শিশুবিলাক যিবিলাকৰ তিৰোতাৰ গোপনীয় অংগৰ বিষয়ে জ্ঞান নাই; আৰু তেওঁলোকে যেন এনেভাৱে খোজ নাকাঢ়ে যাতে তেওঁলোকৰ যি অলংকাৰ  আৱৰণীয় সি ওলাই পৰে; আৰু হে বিশ্বাসীসকল, তোমালোক সকলোৱে আল্লাহৰ ফালে ঘূৰি আহা, যাতে তোমালোক কৃতাৰ্থ হ'ব পাৰা।

এই আয়াতবিলাকত এই আদেশ দিয়া হৈছে যে সেই সকলো পথক পুৰুষ-মহিলাই বন্ধ কৰি দিয়ক য'ৰ পৰা পাপৰ প্ৰেৰণা হৃদয়ত উৎপন্ন হয়। এই মাৰ্গৰ ভিতৰত প্ৰথম মাৰ্গ হৈছে চকু। এই বিষয়ত আদেশ দিয়া হৈছে যে চকু তললৈ ৰাখিবা।

দ্বিতীয়টো মাৰ্গ হ'ল কাণ। তাৰ বিষয়ত উল্লেখ কৰা হৈছে যে নাৰীয়ে পুৰুষক আৰু পুৰুযে-নাৰীৰ ধ্বনিক সংগীতৰ ৰূপত শুনিব নালাগে। তথা ব্যৰ্থতা অকাৰণে হয় তথা যাৰ কোনো সম্বন্ধ নাই এনে নাৰী বা পুৰুষৰ সৌন্দৰ্যৰ গাঁথা বা কাহিনী কেতিয়াওঁ শুনিব নালাগে।

তৃতীয়টো মাৰ্গ হ'ল-ছাল। ইয়াৰ বিষয়ত আদেশ দিয়া হৈছে যে এজনে আনজনৰ ব্যৰ্থতাত তথা প্ৰাকৃতিক আৱশ্যকতাৰ বাহিৰে কেতিয়াওঁ স্পৰ্শ নকৰিব। কিয়নো চকু তললৈ থোৱা বিষয়টো এয়া যে এনে স্থানত য'ত নাৰী-পুৰুষৰ আৱশ্যকতা হ'লে একগোট হয় যেনেকৈ সৰ্বসাধাৰণ মাৰ্গ হৈছে কঠিনতা হ'লেও সেয়ে নাৰীক আদেশ দিয়া হৈছে যেতিয়া তেওঁ বাহিৰলৈ যায় নিজৰ দেহ মুখ, বক্ষস্থলৰ এনে কোনো অংশক ঢাকি লওঁক যি উশাহ লোৱাৰ কামত নালাগে।

এই আদেশ ইমান ৰহস্যময় যে যদি কোনো কোনো ধাৰ্মিকে অমানুহৰ পৰা আঁতৰত থাকি তথা শুদ্ধ হৃদয়ৰে তথা নিৰপেক্ষভাৱে ইয়াৰ ওপৰত কোনো চিন্তা নকৰে ইয়াৰ শ্ৰেষ্ঠতাক স্বীকাৰ নকৰাকৈ থাকিব নোৱাৰে কিয়নো ইয়াৰ দ্বাৰা বেয়া শিপাবোৰক কাটি দিয়া হৈছে। ইয়াত কোনো সন্দেহ নাই যে ইউৰোপৰ লোকসকলৰ ওপৰত এই ৰীতি-নীতি তথা তেওঁলোকৰ স্বভাৱৰ

কাৰণে এই চিন্তাক এক বোজা হিচাপে দেখা দিয়ে কিন্তু তেওঁলোকৰ এই আচৰিত শংকা কেৱল স্বভাৱ তথা ৰীতি-নীতিৰ কাৰণে অন্যথা এই আচৰণ কৰাটো নাৰী-পুৰুষৰ কাৰণে কোনো কঠিন কাম নহয়।

ইছলামে কেতিয়াওঁ এই আদেশ নিদিয়ে যে নাৰীয়ে ঘৰৰ ভিতৰতে আৱদ্ধ থাকি সময় অতিবাহিত কৰিব। ইছলামৰ প্ৰাৰম্ভিক যুগতো কেতিয়াও মুছলিম মহিলা এনেধৰণে কৰা নাছিল যদিও যুদ্ধতো অংশগ্ৰহণ কৰিছিল। আহতসকলক চিকিৎসা কৰিছিল। পুৰুষৰ পৰা বিদ্যা গ্ৰহণ কৰিছিল তথা পুৰুষক পঢ়াইছিলো। লগতে যাত্ৰাও কৰিছিল। চমুকৈ এয়া যে তেওঁলোক কৰ্মক্ষেত্ৰত সম্পূৰ্ণ স্বাধীন আছিল। কেৱল এই কথাৰ তেওঁলোকক আদেশ দিয়া হৈছিল নিজৰ দেহ, ডিঙি আৰু মুখৰ সেই অংশ যি চেহেৰা আৰু ডিঙিৰ লগত সম্পৰ্কিত তাক ঢাকি ল'ব। যিহেতু সেই মাৰ্গে পাপৰ উৎপত্তি কৰে, বন্ধ থাকিবলৈ তথা তাৰ পৰা অধিক সাৱধান থাকিবলৈ ' বুৰখা' পৰিধান কৰক কিন্তু ইয়াৰ অৰ্থ এয়া নহয় যে ঘৰৰ ভিতৰতে আৱদ্ধ থাকিব আৰু সকলো জ্ঞান শিক্ষা আদিৰ কামৰ পৰা বেলেগ হৈ পৰিব, এয়া নহয় যে ইছলামে শিক্ষা দিছে আৰু ইয়াৰ প্ৰতি আগতে কেতিয়াওঁ আচৰণ কৰা হোৱা নাই। যি পৰ্দা সম্প্ৰতি মুছলমানৰ অধিকাংশ দেশত দেখা পোৱা যায় সেয়া ৰাজনৈতিক পৰ্দা। অৰ্থাৎ যিহেতু কিছুমান দেশত নাৰীৰ প্ৰতিষ্ঠা আৰু তেওঁলোকৰ মান-মৰ্যাদা কেৱল টকা বুলি বুজি উঠা হৈছে যিটো নাৰীৰ অতি ঘৃণীয় মানহৰণ হয় তথা নিম্নতাক প্ৰদৰ্শন কৰা। গতিকে মুছলমানে ৰাজনৈতিক ৰূপত এনে দেশত নিজৰ বাবে কিছুমান এনে প্ৰতিবন্ধকতা আৰোপ কৰিছে যি তেওঁলোকৰ প্ৰতিষ্ঠাক তথা সন্মানক ৰক্ষা কৰে। এনে কথা নহয় যে তেওঁলোকৰ ধৰ্মই ইয়াক কৰিবলৈ আদেশ দিছে।

মই শুনিবলৈ পাইছো যে কিছুমান লোকে এই আদেশক নাৰী জাতিৰ সন্মান হৰণ কৰা বুলি বুজি উঠে কিন্তু মই ইয়াত আচৰিত হৈ পৰো। এই কাৰণে যে পৰ্দা চকু তললৈ থোৱাৰ আদেশৰ বাবে এক বাহ্যিক আঁচনি হয় আৰু নাৰী-পুৰুষ দুয়োকে ইয়াত সন্মিলিত কৰা হৈছে। যদি 'মানহৰণ' বিষয়ক কিবা কথা থাকে তেন্তে দুয়োৰে থাকিব এয়া কেৱল নাৰীৰ নহয়। কিয়নো

আদেশ এজনৰ বাবে নহয় দুয়োজনৰ বাবে। বাকী থাকিল এই প্ৰশ্ন নাৰীক কিয় পৰ্দাৰ কাৰণে কোৱা হৈছে? তেন্তে ইয়াৰ উত্তৰ এয়া যে ইছলামে পুৰুষ আৰু নাৰীৰ কামক দুটা ভাগত ভাগ কৰিছে। নাৰীৰ কাৰ্য সন্তানক দীক্ষা আৰু পুৰুষৰ কাৰ্য তেওঁলোকৰ বাবে জীৱিকা আৰু জীৱন নিৰ্বাহৰ সামগ্ৰী যুগুত কৰা। পুৰুষে নিজৰ কাৰ্য দৃষ্টিকোণৰ বাহিৰত ৰাখিব লাগে। সেয়ে পুৰুষৰ কাৰ্য ক্ষেত্ৰ বজাৰ আৰু পথ আৰু নাৰীৰ কাৰ্য ক্ষেত্ৰ তেওঁলোকৰ ঘৰখন। চৰিয়তে প্ৰত্যেককে নিজৰ কাৰ্য ক্ষেত্ৰত স্বাধীনতা দিছে আৰু দ্বিতীয়তে কিছুমান প্ৰতিবন্ধকতা ঘোষণা কৰিছে। পুৰুষক আদেশ দিয়া হৈছে যে তেওঁ কাৰোবাৰ ঘৰত প্ৰৱেশ কৰাৰ আগতে অনুমতি ল'ব আৰু পুনৰ ভিতৰলৈ প্ৰৱেশ কৰক কিয়নো নাৰীৰ স্বাধীনতাৰ স্থান হয়। নাৰীক বাহিৰলৈ যাওঁতো পুৰুষৰ পৰা অনুমতি লোৱাৰ আদেশ দিয়া হোৱা নাই কেৱল মাথোঁ ইমানেই যে সাৱধান কৰি লোৱাৰ আদেশ দিয়া হৈছে যাৰ উল্লেখ ওপৰত কৰা হৈছে। ইয়াৰ কাৰণ এয়া যে ইছলামৰ চৰিয়তে এই কথাক স্বীকাৰ কৰে যে যিদৰে পুৰুষৰ ঘৰৰ লগত কোনো সম্পৰ্ক নাই, সেইদৰে নাৰীৰো বজাৰ আৰু পথৰ লগত কোনো সম্বন্ধ নাই, এই কথা নহয়। এই কাৰণে পুৰুষৰ প্ৰতি আদেশ আৰু অনুমতিৰ চৰ্ত অধিক কঠোৰভাবে দিয়া হৈছে আৰু নাৰীৰ ওপৰত কেৱল নিজৰ এটা অংশক ঢাকি লোৱাৰ। সেয়ে পৰ্দা কাৰোবাক হীন প্ৰতিপন্ন কৰা তথা নিম্নতা প্ৰদৰ্শন কৰাৰ আহিলা নহয়। ইয়াৰ বিৰোধীতা কেৱল মাত্ৰ স্বভাৱ তথা ৰীতি-নীতিৰ কাৰণ অন্যথা মই এনে মহিলাক দেখিছো যি পৰ্দা আৰম্ভ কৰি দিছে আৰু তেওঁলোকৰ মাজত কোনো কষ্ট, দুখ বা সমস্যাৰ অনুভৱ নহয়। হয়, আৰম্ভণীতে কিছু লাজ তথা অসহজ অনুভৱ হয় সেয়া বেলেগ কথা যি সম্ভাৱনা হ'ব পাৰে।

দ্বিতীয় উদাহৰণ বেয়া বন্ধ কৰাৰ বাবে ইছলামে চৰিয়তৰ মধ্যবৰ্গীয় পথক অনুকৰণ কৰাৰ আদেশ দিছে। এয়া স্পষ্ট যে প্ৰাকৃতিক প্ৰবৃত্তিৰ পুণ্যতাক হেঁচা মাৰি দিলে ই বিদ্ৰোহ কৰি উঠে আৰু শেষত সকলো প্ৰতিবন্ধতাক ছিঙি পেলায়। প্ৰাকৃতিক প্ৰবৃত্তিৰ অৱস্থা সদায় সেই নদীখনৰ সমান য'ত পানীৰ পৰিমাণ কম হৈ থাকিলেও যদি মাজতে ভেটা মাৰি দি যদি পানীৰ ব্যৱহাৰ

আমি কৰো তেন্তে আমি অধিক পানী লাভ কৰো তথা লাভান্বিত হৈ পৰো। ইছলামে এই আদেশ দিছে যে মুছলমানে নিজৰ সকলো কামত সকলো কামতে মধ্যবৰ্গীয় পথত চলাৰ অভ্যাস কৰিব লাগে। এয়া নহয় যে এটা পক্ষৰ দিশে শিৰত হোৱা। যদি এয়া এক পক্ষীয় হৈ পৰে তেন্তে নিজৰ শাৰীৰিক উৎসা প্ৰবল হৈ এফালৰ পৰা বৈ যাব।। উদাহৰণস্বৰূপে ই বৈৰাগ গ্ৰহণ কৰে অথবা নিজৰ সকলো ধনক লোকসকলৰ মাজত বিতৰণ কৰি দিব, নিজৰ কাৰণে বা নিজৰ ল'ৰা-ছোৱালীৰ কাৰণে একোকে যদি থৈ নাযায় তেন্তে তাৰ পৰিণাম অনিবাৰ্য ৰূপত এনে হ'ব যে তেওঁলোকৰ বাসনাত্মক আবেগে কোনো সময়ত তেওঁক ভৰিৰ পৰা উঠাইলৈ যাব আৰু এই ব্যক্তিৰ বাবে উচিত তথা হালাল মাৰ্গক ত্যাগ কৰি অনুচিত তথা হাৰাম মাৰ্গত সম্পূৰ্ণৰূপত সোমাই পৰিব। অথবা এয়া হ'ব যে তেওঁলোকৰ খোৱা-বোৱাৰ আৱশ্যকতা যিহেতু সমস্ত ধন ব্যয় কৰিলেও শেষ হৈ নাযাব নিজৰ ধন উভতাই বিচাৰিবলৈ বা ভিক্ষা বিচাৰিবলৈ বাধ্য হৈ পৰিব যিটো এক ঘৃণিত আৰু অকুচিকৰ কৰ্ম হ'ব আৰু নতুবা পুনৰ চোৰ আদি কৰাৰ কাৰণে আগবাঢ়ি যাব। এনেদৰেপুণ্যৰ ক্ষেত্ৰত উন্নতি কৰাৰ স্থানত পাপ কৰাৰ অপৰাধী হ'ব। সেয়ে, ইছলামৰ চৰিয়তে এই আদেশ দিছে যে 'জাআলনাকুম উম্মাতান ৱছাতা' ( চুৰা বাকাৰা, আয়াত ১৪৪) মই তোমাক এনে জাতি হিচাপে জন্ম দিছো যাৰ সকলো কাৰ্য মধ্যবৰ্গীয় হয়, সেই দুৱাৰক যি বেয়া আৰু পাপক বন্ধ কৰি দিছে।

এনে মাৰ্গ বেয়াৰ ৰীতি-নীতি আৰু অভ্যাস হয়। বহুতো বেয়া কাম মানুহে এই কাৰণে কৰে যে তেওঁলোকে নিজৰ অভ্যাসক পূৰণ কৰাৰ বাবে সামগ্ৰী নাপায় আৰু পাপ কৰিবলৈ বাধ্য হৈ পৰে। উদাহৰণ হিচাপে তেওঁলোকৰ ওচৰত ধন-টকা পইচা পৰ্যাপ্ত পৰিমাণে নাথাকে আৰু দেশৰ পৰম্পৰাই বিচাৰে যে বিশেষ প্ৰকাৰৰ কাপোৰ পৰিধান কৰক। তেওঁলোকে এই পৰম্পৰাৰ লগত তুলনা কৰিব নোৱাৰিবেয়া তথা পাপৰ জৰিয়তে ধনৰ উপাৰ্জন কৰিব। ইছলামে এই দুয়োটা মাৰ্গক বন্ধ কৰি দিছে। ৰীতি-নীতিকো আৰু পৰম্পৰাকো। অভ্যাস এইধৰণে কৰক যে য'ত খোৱা-পান কৰাৰ বস্তুক এনে হওঁক যে সেইবোৰক অভ্যস্ত কৰি তাক নিষিদ্ধ ঘোষিত কৰি দিছে।

সেয়ে মদিৰা ইয়াৰ প্ৰথম জলন্ত উদাহৰণ অন্যথা প্ৰতিটো বস্তু যি ৰাগী উৎপন্ন কৰে অথবা মানুহৰ শক্তিক স্থিৰ কৰি এক স্বাদ আৰু আনন্দৰ অৱস্থাক উৎপন্ন কৰি দিয়ে নতুবা আনহাতে মানুহক নিজৰ অভ্যস্ত কৰি লয় তাক ইছলামে বাধা দিয়ে। ৰীতি-নীতিৰ বিষয়ত উল্লেখ আছে যে সেয়া এক বোজা হয়, ভয়ৰ কাৰণেই মানুহৰ মাজত দেখা দিয়ে নহ'লে সেই বোজা শক্তিতকৈ অধিক কিয়নো তাত ধনৱন্ত আৰু দুখীয়া, ঋণগ্ৰস্ততা আৰু স্বাধীনতাক ইয়াত কোনো গুৰুত্ব দিয়া হোৱা নাই আৰু লোকসকলক বাধ্য কৰা হৈছে যে নিজৰ কাল্পনিক প্ৰতিষ্ঠাক ৰক্ষা কৰাৰ বাবে আৰু নিজৰ বন্ধুসকলৰ সৈতে অপ্ৰতিষ্ঠিত নোহোৱাৰ কাৰণে পাপ আৰু বেয়াৰ মাজত সোমাই পৰে আৰু বাহ্যিক জগতৰ কাৰণে নিজৰ আত্মাৰ হনন কৰিলোৱা। পৱিত্ৰ কোৰাণ পৰমেশ্বৰে পয়গম্বৰ ইছলাম হজৰত মহম্মদ (ছাঃ) ক প্ৰাৰ্দুভাৱৰ এক উদ্দেশ্য ইয়াক উল্লেখ কৰিছে যে

يَأْمُرُهُمْ بِالْمَعْرُوْفِ وَيَنْهٰهُمْ عَنِ الْمُنْكَرِ وَيُحِلُّ لَهُمُ الطَّيِّبٰتِ وَيُحَرِّمُ عَلَيْهِمُ الْخَبٰٓئِثَ وَيَضَعُ عَنْهُمْ اِصْرَهُمْ وَالْاَغْلٰلَ الَّتِيْ كَانَتْ عَلَيْهِمْ ؕ (7:158)

অৰ্থাৎ ঃ— এই অৱতাৰে (পয়গম্বৰ) তোমালোকক ভাল কথাৰ আদেশ দিয়ে আৰু বেয়া কথাত বাধা দিয়ে অৰ্থাৎ পূৰ্ণ চৰিয়তক আনিছে। পুনৰ উল্লেখ কৰিছে যে এই অৱতাৰে পৱিত্ৰ আৰু লাভদায়ক বস্তুক হালাল কৰি তোলে আৰু সেইবিলাক বস্তুক হাৰাম ঘোষিত কৰে যি অপৱিত্ৰ হয় আৰু যাৰ কোনো লাভ নাই। অৰ্থাৎ সেইবিলাকক চৰিয়তে জৰিমনা অথবা শাস্তিৰ ৰূপত উল্লেখ কৰা নাই। গতিকে প্ৰতিটো আদেশ নিজৰ মাজত কোনো লাভ অথবা ক্ষতিক আঁতৰ কৰাৰ ক্ষমতা থাকে আৰু তাৰ পৰা সেই বোজা- যাক ই আঁতৰ কৰিব পাৰিল হয় যদি আঁতৰ কৰিল হয় শাস্তি লাভ কৰিলে হয়- আঁতৰ কৰে। অৰ্থাৎ ৰীতি-নীতি যি বোজাও হয় কিন্তু ই থকাৰ পিছত মানুহে তাক আঁতৰ কৰিব নোৱাৰে কিয়নো বুজি উঠে যে জাতি কুপিত হৈ পৰিব আৰু বসবাস কৰাটো কঠিন হৈ পৰিব। পুনৰ উল্লেখ কৰিছে যে এই অৱতাৰে

ডিঙিৰ শিকলিডাল মুকলি কৰি দিয়ে যিডাল তেওঁলোকে পিন্ধি আছে অৰ্থাৎ সেই অভ্যাসক আঁতৰ কৰে যি পৰম্পৰাৰ ৰূপত নাছিল, মানুহে তাক ত্যাগ কৰিলে শাস্তি নিদিয়ে কিন্তু তাক নিজেই আঁতৰ কৰাৰ শক্তি নাথাকে। সেয়ে, চোৱা। পয়গম্বৰ ইছলাম হজৰত মহম্মদ (ছাঃ) কেনেদৰে এই জাতিসমূহৰ মাজৰ পৰা যি মদিৰা পানত অভ্যস্ত আছিল যিসকলে আধা ৰাতি উঠি মদিৰাপান কৰা আৰম্ভ কৰিছিল আৰু আন নিশা ইশাৰ সময়লৈকে মদিৰা পান কৰিছিল, এটা আদেশতে মদিৰাক নাইকিয়া কৰি দিলে আৰু এনেদৰে নাইকিয়া কৰি দিলে যে পুনৰ মদিৰাই জাতীয় চৰৱতৰ ৰূপত কেতিয়াওঁ দেখা দিব নোৱাৰিলে। এই সময়ত বিজ্ঞানে তাৰ ক্ষতি সম্পূৰ্ণৰূপে স্পষ্ট কৰি দিছে আৰু চিকিৎসকে প্ৰায় তাৰ বিৰুদ্ধে ঠিয় হয়  তথাপিও কিছুমান ৰাষ্ট্ৰই কঠোৰ চেষ্টা কৰাৰ পিছতো একেবাৰে শিপাৰ সৈতে উঘালি পেলাব পৰা নাই।

চমুকৈ ৰীতি-নীতি আৰু অভ্যাসে পাপৰ অপৰাধী কৰি তোলে। এজন মদপিয়ে মদিৰা, এজন গাঞ্জা খোৱাই গাঞ্জা, এজন কোকিন খোৱাই কোকিন নাপালে বিশ অপৰাধ কৰিবলৈ বাধ্য হৈ পৰে আন একো কাৰণতে এনেদৰে বাধ্য হোৱা দেখা নাযায়।

ওপৰত যিবিলাকৰ পথ পাপৰ বৰ্ণনা কৰা হ'ল সেয়া মাথোঁ উদাহৰণৰ ৰূপত কিন্তু তথাপিও বিষয়টো বুজিবলৈ এয়াই যথেষ্ট। এই কাৰণে যিহেতু চৰিত্ৰৰ শিক্ষাক সকলো আৱশ্যকৰ ক্ষেত্ৰত সিদ্ধান্তগত ৰূপত দৃষ্টিপাত কৰা হ'ল। এতিয়া ইছলামৰ সেই শিক্ষাৰ বৰ্ণনা কৰিব বিচাৰিছো যিটো সভ্যতাৰ বিষয়ত উল্লেখ কৰা হৈছে।

## ধৰ্মৰ তৃতীয় উদ্দেশ্য সভ্যতা আৰু সামাজিক জীৱনৰ ক্ষেত্ৰত ইছলামৰ শিক্ষা

সভ্যতাৰ সিদ্ধান্তৰ ক্ষেত্ৰত মই বুজি উঠো যে সেই সিদ্ধান্ত অভীষ্ট হয় যাৰ দ্বাৰা সেই আধাৰক দৃঢ় কৰা হয় যি সমাজ নিৰ্মাণৰ বাবে আৱশ্যক হয় আৰু অধিকাৰ অভীষ্ট হয় যি মানৱ সমাজে এনে বিষয়ক লাভ কৰিছে য'ত তেওঁলোকৰ লাভ সংগঠিত হয় আৰু এনে প্ৰকাৰৰ সেই কৰ্তব্য যাৰ উত্তৰাদায়িত্বই মানৱ সমাজৰ সাধাৰণ উন্নতিৰ বাবে মানুহৰ ওপৰতে ন্যস্ত

কৰা হৈছে। মই যেতিয়া চিন্তা কৰো মোৰ বাবে সভ্যতাৰ চৰিত্ৰ অথবা আচৰণৰ এক অংগক ক্ৰিয়াত্মৰূপৰ বসন পৰিধান কৰাৰ আন এক নাম হয়। চৰিত্ৰ আৰু সভ্যতাৰ মাজত বাস্তৱত এয়াই পাৰ্থক্য যে চৰিত্ৰৰ জ্ঞানে ব্যক্তিক পৱিত্ৰতাৰ প্ৰতি বিচাৰ-বিবেচনা কৰা আৰু সভ্যতাৰ জ্ঞানে জাতীয় তথা সামজিক পৱিত্ৰৰ প্ৰতি বিচাৰ বিনিময় কৰে। ধৰিলোৱা হওঁক চৰিত্ৰৰ সেই তত্ত্ব যি ব্যক্তিৰে সম্পৰ্কিত হয় যাক আমি চৰিত্ৰৰ সংজ্ঞা প্ৰদান কৰো আৰু চৰিত্ৰ সেই তত্ত্বই যি ব্যক্তিসকলক অৰ্থাৎ সমাজৰ লগত সম্পৰ্ক ৰক্ষা কৰে তেন্তে আমি তাক সভ্যতা বুলি উল্লেখ কৰো। যেতিয়া আমি চৰিত্ৰৰ নাম উল্লেখ কৰো তেতিয়া আমি ইয়াক বিচাৰ-বিবেচনা কৰো যে মানুহে নিজ সত্তাক পৱিত্ৰ কৰাৰ কাৰণে কি কাম কৰিব লাগে ? তথা যেতিয়া আমি সভ্যতাৰ নাম উল্লেখ কৰো তেন্তে বুজিব লাগে আমি সেই বিষয়ত বিচাৰ বিনিময় কৰিছোঁ যে বিভিন্ন ব্যক্তিয়ে পৰস্পৰে প্ৰেমময়তাৰে থাকিবলৈ আৰু জাতীয় তথা সামাজিক উন্নতিৰ দৃষ্টিৰে আমি কিদৰে ব্যৱহাৰ কৰিম আৰু কেনেদৰে জীৱন অতিবাহিত কৰিম ? সেয়ে পাৰ্থক্য মাথোঁ ইমানেই হ'ব যে প্ৰথম শ্ৰেণী অৰ্থাৎ চৰিত্ৰৰ ক্ষেত্ৰত আমি সত্যতাৰ বাস্তৱিকতাক বিচাৰ কৰিম তথা দ্বিতীয় শ্ৰেণী অৰ্থাৎ সভ্যতাৰ ক্ষেত্ৰত আমি সত্যতাক বিভিন্ন ব্যক্তিৰ বিষয়ত প্ৰয়োগ কৰাৰ পদ্ধতিৰ ওপৰত বিচাৰ-বিবেচনা কৰিব লাগিব।

এই সাৰাংশক বৰ্ণনা কৰাৰ পিছত মই সভ্যতাক বুজি উঠিছো, সভ্যতাৰ বিষয়ত ইছলামৰ শিক্ষাক উল্লেখ কৰিছোঁ—

সৰ্বপ্ৰথমতে মই ইয়াক উল্লেখ কৰিব বিচাৰিছোঁ যে পৱিত্ৰ কোৰাণে বিভিন্ন স্থানত সভ্যতাৰ বিষয়ত আদেশ দিছে কিন্তু এই সম্পৰ্কত এক সম্পূৰ্ণ ছৱি প্ৰকাশ হৈছে যি সংক্ষিপ্ত কিন্তু তাত সভ্যতাৰ সকলো ক্ষেত্ৰত তাৰ সকলো বিধি উল্লেখ কৰাৰ লগতে তাৰ সংস্কাৰৰ দিশলৈ মনযোগ আকৰ্ষণ কৰা হৈছে আৰু এয়া অতি আচৰিত কথা যে পৱিত্ৰ কোৰাণৰ সকলোতকৈ শেষ ছৱি এয়াই। যাৰ দ্বাৰা অৱগত হৈছে যে পৱিত্ৰ কোৰাণৰ বাবে মানুহৰ আৱশ্যকতাৰ সন্দৰ্ভত অন্তিম আৱশ্যকতা হৈছে সভ্যতাৰ সংশোধন। এই ছৱিত পৱিত্ৰ কোৰাণে সভ্যতাক পৰমেশ্বৰৰ তিনিটা গুণ অনুসৰি তিনিটা ভাগত বিভক্ত

কৰিছে। সভ্যতাৰ সৰ্ব প্ৰথম ভাগ গৃহস্থ জীৱন সন্দৰ্ভত উল্লেখ কৰিছে যে যি পৰমেশ্বৰৰ পালন কৰা শক্তিৰ অধীনস্থ। ইয়াত আত্মীয় আৰু জাতিৰ সম্পৰ্কত বিচাৰ-বিবেচনা আৰু তাৰ পৰস্পৰৰ কৰ্তব্যক বৰ্ণনা কৰা হয়। গৃহস্থি সম্বন্ধত আত্মীয়তাও সন্মিলিত যি ৰক্ত আৰু বৈবাহিক সম্পৰ্কৰ কাৰণে হয় আৰু তাত ভ্ৰাতৃত্বভাৱো সন্মিলিত যি এক দেশ বা এক প্ৰান্তত থকাৰ কাৰণে হৈ পৰে।

সভ্যতাৰ দ্বিতীয় ক্ষেত্ৰ ৰাজ্য আৰু সাৰ্বভৌমত্বৰ সম্বন্ধৰ বৰ্ণনা আছে। এই বিদ্যা ৰজা আৰু প্ৰজা তথা স্বামী আৰু সেৱকৰ সম্পৰ্কৰ প্ৰতি বিচাৰ কৰে। এয়া পৰমেশ্বৰৰ সাৰ্বভৌমত্ব গুণৰ অন্তৰ্গত।

সভ্যতাৰ তৃতীয় ক্ষেত্ৰ এই বুলি উল্লেখ কৰা হৈছে যে এখন দেশে আনখন দেশৰ লগত আৰু এটা ধৰ্মই আনটো ধৰ্মৰ লগত কি সম্বন্ধ হ'ব আৰু কোনবোৰ সিদ্ধান্তত তাৰ আধাৰ হয়? এই বিদ্যা পৰমাত্মাৰ ঐশ্বৰিক গুণৰ অধীন হয়। পালকৰ গুণ আত্মীয় আৰু ভ্ৰাতৃত্বভাৱক প্ৰতিফলিত কৰে, সাৰ্বভৌমত্বই ৰাজ্য আৰু তাৰ অধিকাৰৰ সন্দৰ্ভত প্ৰতিফলন কৰে আৰু ঐশ্বৰিক গুণে সমগ্ৰ মানৱ জাতিৰ সম্পৰ্কত আৰু ধৰ্মীয় সম্পৰ্কত ৰেখাপাত কৰে।

যেতিয়া মই তিনিটা বিদ্যাৰ সন্দৰ্ভত ইছলামৰ পৃথক পৃথক শিক্ষাক বৰ্ণনা কৰো। প্ৰথম সম্বন্ধ সন্তানোপত্তিৰ সিদ্ধান্তক দৃষ্টি ৰাখি পতি-পত্নীৰ হয়। এই সম্পৰ্কৰ সংস্কাৰত আত্মীয় সংস্কাৰ বহুতো আধাৰ আছে আৰু আত্মীয়, সম্পৰ্কীয়ৰ জাতীয় সম্বন্ধৰ আধাৰ হয় আৰু একেদৰে ইয়াৰ ক্ষেত্ৰ বিস্তৃত হৈ পৰিব। ইছলামে পতি-পত্নীৰ সম্পৰ্কত প্ৰথম বিচাৰ বিনিময় এই বুলি কৰে যে এই সম্পৰ্কৰ আধাৰ চৰিত্ৰত হ'ব লাগে, কোনো বাহ্যিক সৌন্দৰ্যৰ প্ৰতি বা ধন-সম্পত্তিৰ প্ৰতি নহয়। পৱিত্ৰ কোৰাণত পৰমেশ্বৰে উল্লেখ কৰিছে যে বিবাহৰ আগতে তাকৱা অৰ্থাৎ হৃদয়ৰ শুদ্ধতাৰ প্ৰতি লক্ষ্য ৰাখিব লাগে তথা ভৱিষ্যতে এই সম্বন্ধৰ পৰিণামস্বৰূপ যিধৰণৰ সন্তানৰ জন্ম হ'ব তাৰ প্ৰতি চিন্তা কৰা। পয়গম্বৰ ইছলাম হজৰত মহম্মদে (ছাঃ) য়ে কৈছে —

"তুনকাহুল মাৰআতু লি আৰবায়িন লিমালিহা ওৱা লি হাছাবিহা ওৱা জামালিহা ওৱালি দিনিহা ফাজপুৰ বিজাতিদ্বিনী তাৰিবাত ইয়াদাকা" (বুখাৰী কিতাবুন নিকা)

অর্থাৎ ঃ কোনো ব্যক্তিয়ে সৌন্দর্যৰ কাৰণে বিবাহ কৰে কোনোবাই বংশ দেখি তথা কিছুমান লোকে ধন-সম্পত্তিৰ প্ৰতি দৃষ্টি ৰাখি বিবাহ কৰে কিন্তু মুছলমানে পৰমেশ্বৰে তোমালোকক বুজনি দিছে যেতিয়া ধৰ্মনিষ্ঠ আৰু ভাল আচৰণ কৰা পত্নীৰ লগত বিবাহ কৰা।

কিমান পৱিত্ৰ শিক্ষা। যদি বিবাহ কৰাৰ সময়ত এই কথাবোৰৰ প্ৰতি লক্ষ্য কৰা নহয় যে মহিলা আৰু পুৰুষৰ প্ৰবৃত্তি, বুদ্ধি আৰু বিবেচনা কৰাৰ পদ্ধতি কেনে হ'ব তেন্তে প্ৰথমতে পৰমেশ্বৰৰ সৈতে ভাল নাথাকিব যাৰ পৰা সভ্যতাৰ পতন হৈ পৰিব দ্বিতীয়তে সন্তান কেতিয়াওঁ ভাল জন্ম নহ'ব কিয়নো ইয়াক দেখা গৈছে যে মাক-বাপেকৰ বুদ্ধি তথা চিন্তাৰ প্ৰভাৱ সন্তানৰ ওপৰত অৱশ্যে পৰে। সচেতন মাক-বাপেকৰ সন্তান সচেতন জন্ম হয় আৰু মুৰ্খ মাক-বাপেকৰ সন্তান মুৰ্খ হয়। সেয়ে এই যৌনতাৰ বিদ্যাই এই বিষয়ত পৰ্যাপ্ত প্ৰতিফলন দিছে আৰু লাগে মোৰ ওচৰত এই বিদ্যাৰ বিদ্যানে পৰিণাম প্ৰকাশৰ সীমা অতিক্ৰম কৰি গৈছে কিন্তু তথাপি এই সীমালৈকে তেওঁলোকৰ এই কথা সঠিক হয়, ইছলামে তাক সমৰ্থন কৰে যে মাক-বাপেকৰ মানসিক আৰু বৌদ্ধিক যোগ্যতা আৰু তেওঁলোকৰ চিন্তাধাৰাৰ প্ৰভাৱ এটা সীমালৈকে সন্তানৰ ওপৰত অৱশ্যে পৰে। সেয়ে এই কাৰণে পতি-পত্নী নিৰ্বাচন এটা অতি গুৰুত্বপূৰ্ণ সমস্যা হয়।

সেয়ে ইছলামী চৰিয়তে সভ্যতাৰ প্ৰথম আধাৰৰ স্থিতি এয়া ৰাখিছে যে বিবাহত বুদ্ধি, প্ৰবৃত্তি, চিন্তা কৰাৰ পদ্ধতিৰ সৌন্দৰ্য, ধন-সম্পত্তি আৰু আত্মীয়তকৈ শ্ৰেষ্ঠ আখ্যা দিয়ে। মোৰ এই অভিপ্ৰায় নহয়যে ইছলামে জাতিগত শ্ৰেণী অথবা ধন সম্পত্তি আৰু সৌন্দৰ্যক সদায় উপেক্ষা কৰি আহিছে তথাপি মোৰ অভিপ্ৰায় এয়া যে ইছলামে তাৰ বাস্তৱিক লক্ষ্য বুলি উল্লেখ কৰা নাই। যদি কোনো নাৰী-পুৰুযে শুদ্ধ চিন্তা-ধাৰাই আৰু চৰিত্ৰ তথা ধৰ্মৰ কাৰণে পৰস্পৰে এজনে- আনজনৰ সৈতে সম্পৰ্কক স্থাপন কৰিবলৈ বিচাৰিছে লগতে সৌন্দৰ্য, ধন আদিৰ সংযোগ থাকিলে সেয়া বহুতো ভাল কথা কিন্তু এই কথা মূল উদ্দেশ্য হ'ব নালাগিব। যদি বিবাহ এই আধাৰত হ'বলৈ দৰে তেন্তে দেশৰ চৰিত্ৰগত অৱস্থাৰ সংস্কাৰৰ উপৰিও হ'ব লগা সন্তান উত্তম আৰু শ্ৰেষ্ঠ জন্ম

হওঁক।

এই উদ্দেশ্যক পূৰণ কৰাৰ বাবে ইছলামে এই আদেশ দিছে যে, পতি-পত্নীয়ে এজনে-আনজনৰ সম্পৰ্কৰ মাজত সন্তুষ্টি প্ৰাপ্ত হৈ লওঁক, নাৰীৰ পৰিয়ালেও সন্তুষ্ট হৈ লওঁক বাস্তৱত পুৰুষ এনে চৰিত্ৰৰ হওঁক যে তেওঁৰ লগত সম্পৰ্ক স্থাপন কৰাটো নাৰীৰো আৰু আহিব লগা সন্তানৰো লাভজনক হ'ব আৰু বিবাহৰ কাৰণে এই চৰ্ত প্ৰয়োগ কৰা হওঁক যে পুৰুষৰ ৰুচি আৰু নাৰীৰ স্বীকৃতি হওঁক আৰু নাৰীৰ পিতা বা ভায়েক অথবা তেওঁলোকৰ পৰিয়ালৰ যি জ্যেষ্ঠ পুৰুষ তেওঁৰ স্বীকৃতি হওঁক। যদি পৰিয়ালত কোনো পুৰুষ নাথাকে নগপতি( কাজী)য়ে এই বিষয়ৰ পৰ্যালোচনা কৰি নিশ্চিত হৈ লওঁক যে নাৰীক পুৰুষে কোনো প্ৰতাৰণা কৰি বিবাহ কৰিবলৈ যেন নাই বিচৰা। নাৰী আৰু পুৰুষৰ মাজত এই কাৰণে পাৰ্থক্য কৰা হৈছে যে পুৰুষে স্বভাৱগতভাবে এনে বিষয়ত কম লাজ কৰে আৰু নিজেই কথা-বতৰা পাতিব পাৰে আৰু নাৰীয়ে লাজ কৰে কিয়নো তেওঁলোকৰ ভাৱনাত দ্ৰুততা থাকে যাৰ কাৰণে সোনকালে খং কৰে। সেয়ে তেওঁ পৰিয়ালৰ জ্যেষ্ঠ পুৰুষে বিচাৰ-বিশ্লেষণ কৰি তথা স্বীকৃতি অথবা এনে কোনো পুৰুষ নাথাকিলে নগৰপতি স্বীকৃতি আৱশ্যক হয়। যদি এই আদেশত সকলো কাৰ্য পৰিচালিত হয় তেন্তে বহুতো প্ৰতাৰণা আৰু প্ৰৱঞ্চকৰ পৰা যি সতীত্বক বিশ্বাস কৰা নাৰীৰ বাবে কৰা হয় সেয়া শীঘ্ৰে বন্ধ হৈ পৰিব। যিহেতু ইছলামত পৰ্দাৰ আদেশ আছে এই কাৰণে নিকাহৰ প্ৰাৰম্ভিক কথা নিৰ্ণয় হোৱাৰ পিছতে আৰু আন কথাবোৰ নিশ্চিত হৈ পৰাৰ পাছত নাৰী আৰু পুৰুষে পৰস্পৰে এজনে আনজনক মুকলিভাবে চোৱাৰ অনুমতি প্ৰদান কৰা হৈছে যদি আকৃতিত কিবা এনে ত্ৰুটি থাকিলে পিছলৈ প্ৰেম হোৱাৰ ক্ষেত্ৰত বাধা হৈ পৰে তাৰ জ্ঞান নাৰী-পুৰুষৰ হ'ব লাগে।

বিবাহৰ লগতে ইছলামৰ চৰিয়তে নাৰীৰ বাবে পৃথক সম্পত্তিৰ (জাগীৰ)ৰ ব্যৱস্থা কৰিছে আৰু তাক বিবাহৰ এক অনিবাৰ্য অংগ হিচাপে ঘোষণা কৰিছে। ইয়াক ইছলামৰ বিধান অনুসৰি 'মোহৰাণা' বুলি কোৱা হয়। ইয়াৰ উদ্দেশ্য এয়া যে নাৰীৰো এক পৃথক সম্পত্তি থাকক কিয়নো নিজৰ

ব্যক্তিত্বক স্থিৰ ৰাখক। লগতে নিৰ্দেশ স্বাধীনভাবে দান দিব পাৰে তথা নিজৰ আত্মীয় আৰু পৰিয়ালৰ লগত সম্পৰ্ক দৃঢ় কৰিব পাৰে। অথবা মোহৰাণাৰ দ্বাৰা প্ৰথম দিনাই পুৰুষৰ পৰা এই প্ৰতিশ্ৰুতি লোৱা হয় যে নাৰী এই কথাৰ অধিকাৰী হৈছে যে নাৰীয়ে নিজৰ পৃথক সম্পত্তি কৰিব আৰু স্বামীয়ে তেওঁৰ সম্পত্তিত কোনো হস্তক্ষেপ নকৰিব। পুনৰ নাৰীক এই অধিকাৰ নিশ্চিত কৰা হৈছে যে স্বামীয়ে পত্নীৰ কোনো গুৰুতৰ অপৰাধৰ অবিহনে শাস্তি দিব নোৱাৰিব আৰু শাস্তি দিব লাগে যদি তাৰ বাবে প্ৰথমতে চুবুৰীৰ চাৰিজন চিনাকি পুৰুষক সাক্ষী কৰি তেওঁলোকৰ সাক্ষ্য লওঁক যে পত্নীয়ে নিশ্চিতভাবে চৰিত্ৰৰ বিৰুদ্ধে কাম কৰিছে অপৰাধী হয়। এনেধৰণে নিশ্চিয় শাস্তি দিব পাৰে কিন্তু তেওঁৰ শাস্তি পৰ্যায়ক্ৰমে হ’ব। সেয়ে উল্লেখ আছে—

وَالّٰتِیۡ تَخَافُوۡنَ نُشُوۡزَهُنَّ فَعِظُوۡهُنَّ وَاهۡجُرُوۡهُنَّ فِی الۡمَضَاجِعِ وَاضۡرِبُوۡهُنَّ ۚ فَاِنۡ اَطَعۡنَکُمۡ فَلَا تَبۡغُوۡا عَلَیۡهِنَّ سَبِیۡلًا ؕ اِنَّ اللّٰهَ کَانَ عَلِیًّا کَبِیۡرًا ﴿۳۵﴾ (4:35)

وَاِنۡ خِفۡتُمۡ شِقَاقَ بَیۡنِهِمَا فَابۡعَثُوۡا حَکَمًا مِّنۡ اَهۡلِهٖ وَحَکَمًا مِّنۡ اَهۡلِهَا ۚ اِنۡ یُّرِیۡدَاۤ اِصۡلَاحًا یُّوَفِّقِ اللّٰهُ بَیۡنَهُمَا ؕ اِنَّ اللّٰهَ کَانَ عَلِیۡمًا خَبِیۡرًا ﴿۳۶﴾ (4:35)

অৰ্থাৎ ঃ- প্ৰথমতে উপদেশ দিয়া যদি তাত প্ৰভাম্বিত নহয় তেনেহ’লে কিছু সময়ৰ বাবে তেওঁক পৃথক কোঠালিত শুবলৈ দিয়া। যদি তাৰ প্ৰভাবো নাৰীৰ ওপৰত নপৰে তেনেহ’লে সাক্ষীৰ সাক্ষ্যৰ পিছত শাৰীৰিক শাস্তি দিয়া। যাৰ বাবে চৰ্ত এয়া যে হাড়ত আঘাত পাব নালাগিব আৰু সেই প্ৰহাৰত কোনো চিন বা দাগ লাগিব নালাগিব।

(বুখাৰী শ্বৰিফ কিতাবুন্নিকাহ)

ইয়াৰ লগতে এয়াও চৰ্ত আছে যে এই শাস্তি অশ্লীলতাৰ কাৰণে দিয়া হয়,

ঘৰৰ কিবা কামৰ ভুলৰ বাবে নহয়। সম্পৰ্ক ছিন্ন কৰাৰ ক্ষেত্ৰত আদেশ আছে যে সেয়া চাৰি মাহতকৈ অধিক হ'ব নোৱাৰিব। যদি কোনোৱে চাৰিমাহৰ অধিক নিজৰ পত্নীৰ পৰা পৃথকে থাকে বিধানে তেওঁক বাধ্য কৰিব যে পত্নীৰ অধিকাৰ প্ৰদান কৰক। খৰচ দিয়াৰ ক্ষেত্ৰত তেওঁ এদিনৰ বাবেও অস্বীকাৰ কৰিব নোৱাৰে। পুৰুষৰ কৰ্তব্য হ'ল যে পত্নীক আহাৰ, কাপোৰ আৰু ঘৰৰ আৱশ্যকতাক পূৰণ কৰক। লাগে পত্নী ধনৱন্ত হওঁক আৰু পুৰুষ দুখীয়া হওঁক। এনেদৰে পুৰুষকক আদেশ দিয়া হৈছে যে পত্নীক মৰমৰ ব্যৱহাৰ কৰক, আতংক আৰু কঠোৰতাৰ ব্যৱহাৰ নকৰিব। তথাপি পৱিত্ৰ কোৰাণে কৈছে যে শান্তিৰ সময় বা যুদ্ধৰ সময়ত, দুয়োটা অৱস্থাতে নাৰীয়ে উপকাৰ লাভ কৰিব লাগিব। পয়গম্বৰ ইছলাম হজৰত মহম্মদ(ছাঃ)য়ে কৈছে যে 'পত্নীক ভাল ব্যৱহাৰ কৰাৰ ক্ষেত্ৰত মোৰ উপদেশক মনত ৰাখিবা। একেদৰে উল্লেখ আছে— স্বামীয়ে নিজৰ পত্নীক ঘৃণা নকৰিব।' এই কাৰণে যে তেওঁৰ কিবা ভুল হৈছে কিয়নো কিবা ভুল থাকিলেও তেওঁৰ মাজত কিবা গুণো আছে।' একেদৰে আপুনি উল্লেখ কৰিছে 'পত্নীৰ অধিকাৰ তেওঁ স্বামীৰ ওপৰত এয়া যে তেওঁ যি কাপোৰ নিজে পৰিধান কৰিছে তেনে কাপোৰ পত্নীক পৰিধান কৰিবলৈ দিয়ক আৰু যেনেধৰণৰ আহাৰ নিজে খাইছে পত্নীকো তেনেধৰণৰ আহাৰ প্ৰদান কৰক আৰু এয়া যে তেওঁক বেয়া ব্যৱহাৰ নকৰিব আৰু তেওঁৰ পৰা পৃথকে নাথাকিব।" পুনৰ উল্লেখ কৰিছে— "কোনো পুৰুষৰ বাবে উচিত নহয় যে দিনে-নিশাই উপাসনা বা আন কামত ব্যস্ত থাকিব আৰু নিজৰ পত্নীক অধিকাৰৰ পৰা বঞ্চিত কৰিব তেওঁৰ কৰ্তব্য এয়া যে তেওঁ নিজৰ সময়ৰ মাজৰ পৰা এটা অংশ নিজৰ পত্নীৰ বাবে ৰাখি কৰক।" এনেদৰে পৱিত্ৰ বক্তব্য হ'ল যে " তোমালোকৰ মাজত ভাল ব্যক্তি আৰু সৎজন সেইজন যি নিজৰ পত্নীৰ সৈতে ভাল ব্যৱহাৰ কৰে।" ইয়াৰ বিপৰীতে নাৰীক এই আদেশ দিয়া হৈছে যে তেও নিজৰ স্বামীৰ আদেশ পালন কৰক আৰু তেওঁক ধন নষ্ট হোৱাৰ পৰা ৰক্ষা কৰক। তেওঁৰ মান-মৰ্যাদাক ৰক্ষা কৰক। সন্তানক ভালদৰে লালন-পালন কৰক।

যদি পতি-পত্নীৰ সম্পৰ্ক কোনো সময়ত বেয়া হৈ পৰে তেন্তে আদেশ

দিয়া হৈছে যে যেনেকৈ নহওঁক কিয় সন্ধি কৰাৰ চেষ্টা কৰিব লাগে। যদি পৰস্পৰৰ মাজত সন্ধি হ'ব নোৱাৰে আৰু কাজিয়া বাঢ়ি যায় তেন্তে ইছলামে কৈছে যে এজন ব্যক্তি পুৰুষৰ আপোনজন বা আপোনজন নহয় তেন্তে বন্ধুৰ মাজৰ পৰা আৰু পত্নীৰ কোনো আপোনজন বা আপোনজন নহ'লে কোনো শুভাকাংক্ষী নিয়োগ কৰিব লাগে। দুয়োজন লগহৈ কলহ বা কাজিয়াৰ কাৰণক বিচাৰ কৰিব। যদি তেওঁলোকৰ বাবে সম্ভৱ হয় সেই প্ৰস্তাৱৰ দ্বাৰা যি তেওঁলোকৰ মগজুতে সন্ধি কৰাৰ চেষ্টা কৰিব লাগে। যদি তেওঁলোকৰ মাজত সন্ধি কৰাটো অসম্ভৱ হৈ পৰে অথবা তেওঁলোকৰ পৰামৰ্শ অসফল হৈ পৰে তেন্তে পুনৰ পুৰুষক আদেশ দিয়া হৈছে যে তেওঁ পত্নীক 'তালাক' দি দিয়ক অৰ্থাৎ নিজৰ বৈবাহিক সম্পৰ্কক চেহ্দ কৰাৰ ঘোষণা কৰক। এয়া নিকাহৰ চৰ্তক চেহ্দ কৰাৰ ঘোষিত নিশ্চিত চৰ্ত হয়। উদাহৰণ হিচাপে তাৰ সম্পূৰ্ণ ঘোষণা কৰিব লাগে। এনে ধৰণে কৰাটো উচিত যে এক এক মাহৰ পিছত তিনি বাৰ ঘোষণা কৰিব লাগে যাতে এই সময়খিনিৰ ভিতৰত হৃদয় শুদ্ধ হৈ পৰে পুনৰ বুজাবুজিলৈ আহে যাৰ দুৱাৰ শেষ ঘোষণাৰ লৈকে মুকলি থাকে।

যদি পত্নীৰ স্বামীৰ প্ৰতি কিবা অভিযোগ থাকে আৰু পৃথক হ'ব বিচাৰে তেনেহ'লে সেইদৰে নিকাহৰ সময়ত যিদৰে ওচৰৰ সম্পৰ্কীয় অথবা উচ্চ অধিকাৰীৰ হস্তক্ষেপ আৱশ্যক ৰূপত ৰাখিব লাগে এই অৱস্থাতো চৰ্ত নিশ্চিত কৰা হৈছে যে তেওঁ সাময়িকভাবে উচ্চাধিকাৰীৰ দ্বাৰা স্বামীৰ পৰা পৃথক হওঁক। যদি অধিকাৰীয়ে লক্ষ্য কৰে তেওঁৰ অভিযোগ সম্পূৰ্ণ উচিত তেনেহ'লে নিজৰ আদেশ প্ৰদান কৰি স্বামীৰ পৰা তেওঁক পৃথক কৰিব পাৰে।

পৃথক হোৱাৰ বিষয়ত এয়া আদেশ দিয়া হৈছে যে যদি স্বামীয়ে কিবা সম্পত্তি পত্নীক দি থৈছে তেতিয়া যদি 'তালাক' তেওঁৰ ফালৰ হয় তেন্তে তেওঁ নিজৰ দি থোৱা ধন-সম্পত্তি উভতাই ল'ব নোৱাৰে। যদি অধিকাৰীগৰাকীয়ে 'তালাক'ৰ নিৰ্ণয় গ্ৰহণ কৰে আৰু তেওঁৰ দৃষ্টিত অপৰাধ পত্নীৰ হয় তেন্তে তেওঁধন-সম্পত্তিৰ এটা অংশ স্বামীক দিব পাৰে। লগতে যদি পত্নী গৰাকীয়ে নিজেই বেলেগ হ'ব বিচাৰে তেনেহ'লে কাজীয়ে তেওঁৰ পৰা এনে কোনো সম্পত্তি যি স্বামীয়ে তেওঁক দিছিল আৰু সেয়া এতিয়ালৈকে

জমা হৈ আছে স্বামীক উভতাই দিব পাৰে। তালাকৰ ক্ষেত্ৰত যেতিয়ালৈকে তালাকৰ সময় অতিবাহিত হৈ নাযায় পত্নীৰ সকলো ব্যয় আৰু ঘৰৰ উত্তৰদায়িত্ব স্বামীৰ ওপৰত থাকিব।

নাৰীৰ সততাক ৰক্ষা কৰাৰ বাবে এয়াও চৰ্ত আছে যে তেওঁৰ কোনো আপোনজনে নিকাহ (বিবাহ)ৰ আগতে কোনো ধন নিকাহৰ চৰ্তত ল'ব নোৱাৰে। যাতে এনে নহওঁক যে নাৰীৰ বিবাহৰ বিষয়ত যি তেওঁক স্বীকৃতিৰ অধিকাৰ দিয়া হৈছে তেওঁলোকে তাক অনুচিত ৰূপত প্ৰয়োগ কৰক।
যিহেতু পৰিস্থিতি এনে উপস্থিত হৈ পৰিব যেনেকৈ সন্ততিৰ স্থাপনা বা স্বাস্থ্য ভালকৈ ৰখা  অথবা সামাজিক আৱশ্যকতা আদি য'ত অধিক বিবাহৰ আৱশ্যকতা আহি পৰে গতিকে ইছলামে এক অধিক বিবাহৰো আদেশ দিছে কিন্তু ইয়াত চৰ্ত এটাই যে পত্নীৰ লগত ভাল ব্যৱহাৰ কৰা হওঁক। কাপোৰৰ ক্ষেত্ৰত, আহাৰৰ ক্ষেত্ৰত, বাহিৰা খৰচৰ ক্ষেত্ৰত, সম্পৰ্ক আ ৰু ব্যৱহাৰৰ ক্ষেত্ৰত পত্নীসকলক সদায় সম স্থান দিয়া সমব্যৱহাৰ কৰা। ক্ৰমানুসৰি প্ৰতিগৰাকী পত্নীৰ ওচৰত স্বামী থাকিব লাগিব যদি এনে নহয় পয়গম্বৰ হজৰত মহম্মদ (ছাঃ)য়ে উল্লেখ কৰিছে যে তেওঁৰ দশা এনেধৰণৰ হ'ব ধৰি লোৱা সি আধা অংগৰে জন্ম হৈছে ( তিৰমিজী শ্বৰিফ)

বহু বিবাহৰ ক্ষেত্ৰত সাধাৰণতে অভিযোগ কৰাৰ দৰে তালাকৰ ক্ষেত্ৰতো অভিযোগ কৰা হয়, কিন্তু এয়া আশ্বৰ্যজনক কথা যে পশ্চিমে 'তালাক'ৰ কাৰণে পৰমেশ্বৰৰ পৱিত্ৰ বিভূতিক পাঁচ- ছয় বছৰে অপশব্দপ্ৰয়োগ কৰাৰ পিছত এতিয়া এই কথাক স্বীকাৰ কৰিছে যে 'তালাক'ৰ নিয়ম অৱশ্যে থাকিব লাগে কিয়নো ইয়াৰ অবিহনে দেশৰ সভ্য নষ্ট হৈ পৰিব। যদি তেওঁলোকে আগতে ইয়াক স্বীকাৰ কৰিল হয় আৰু পৰমেশ্বৰৰ পৱিত্ৰ বিভূতিত অভিযোগৰ ছুৰিঘাত নকৰিল হয় আৰু অতি কমেও অপশব্দ আৰু অশ্লীল শব্দক প্ৰয়োগ নকৰিলে হয় তেতিয়া হ'লে আজি সংসাৰৰ সন্মুখত লজ্জিত হ'ব লগা নহ'ল হয় কিন্তু দুখৰ বিষয় ইউৰোপত আজিও ইছলামৰ বিধানক- য'ত সকলো বিদ্যাৰ প্ৰতি দৃষ্টি থোৱা হৈছে, এফালে তালাকক যিমানেই থকা-সৰকা কৰা হ'ল আৰু আনফালে শেষ উপচাৰ হিচাপে তাকে আদেশ দিয়া হৈছে- গ্ৰহণ কৰিব

নিবিচাৰে আৰু পৰমেশ্বৰৰ কথাক বাদ দি নিজেই নতুন বিধান সৃষ্টি কৰিব বিচাৰে যাৰ পৰিণাম এতিয়াৰে পৰা বেয়া হ'বলৈ ধৰিছে আৰু 'তালাকঈৰ্ষাতি বাঢ়ি অহা স্বাধীনতাই নিকাহৰ সেই পৱিত্ৰতাক যি গৃহস্থ জীৱনৰ সৌন্দৰ্য আৰু তাৰ প্ৰাণক নষ্ট কৰি পেলাইছে তথা ভয় হৈছে যে কম সময়তে এই ভেটি ফোঁপোলা হৈ ওপৰৰ ভৱনতো ক্ষতি কৰিব।

এতিয়া থাকিল এগৰাকীতকৈ অধিক পত্নীৰ লগত বিবাহৰ সমস্যা, এই দিশত এতিয়ালৈকে ইউৰোপত গভীৰভাবে চিন্তা কৰা হোৱা নাই বা গুৰুত্ব দিয়া নাই। কিন্তু, তেওঁলোকে এনে কৰিব লাগিব কিয়নো প্ৰাকৃতিক বিধানত প্ৰতিদ্বন্দ্বিতা অধিক সময়লৈকে কৰিব পৰা নাযায়। মানুহে কয় এয়া ভোগ বিলাসৰ আহিলা। যদি ইছলামৰ সিদ্ধান্ত আৰু আদৰ্শত চিন্তা কৰা হয় তেন্তে প্ৰতিজন ব্যক্তিয়ে বুজিব পাৰিব যে এয়া বিলাস নহয় এয়া বলিদান আৰু বলিদানো অতি গুৰুত্বপূৰ্ণ বলিদান। ভোগ-বিলাস কাক কয়? তাক, য'ত মানুহে নিজৰ বাসনাক তৃপ্ত কৰে কিন্তু ইছলামৰ সিদ্ধান্ত অনুসৰি একতকৈ অধিক বিবাহ কেনেকৈ মনৰ ইচ্ছা বা বাসনাৰ তৃপ্তি কেনেদৰে হ'ব পাৰে? ইছলামে আদেশ দিয়ে যে এগৰাকী পত্নী লাগে যিমানেই প্ৰিয় নহওঁক তেওঁৰ লগত বাহ্যিক ক্ষেত্ৰত ব্যৱহাৰৰ কোনো পাৰ্থক্য নাৰাখিবা। তোমাৰ মনে তাইক ভাল কাপোৰ পিন্ধাবলৈ মন কৰিছে কিন্তু তুমি তাই সেই কাপোৰ পিন্ধাবলৈ নোৱাৰা যেতিয়ালৈকে আনকোনোবা গৰাকীকো তেনে কাপোৰ পিন্ধিবলৈ নিদিয়া। তোমাৰ হৃদয়ে বিচাৰে তাইক ভাল আহাৰ প্ৰদান কৰিবলৈ অথবা তাইৰ লগত চাকৰ ৰাখিবলৈ কিন্তু ইছলামে কৈছে যে তুমি কেতিয়াওঁ এনে কৰিব নোৱাৰা যেতিয়ালৈকে এক ব্যৱহাৰ আন পত্নীৰ ক্ষেত্ৰত নকৰা। তোমাৰ মনে এজনীৰ পত্নীৰ ঘৰত যিমানেই থাকিবলৈ মন নকৰক কিন্তু ইছলামে কয় যে তুমি কেতিয়াওঁ এনে কৰিব নোৱাৰিবা যেতিয়ালৈকে সিমান সময় আনগৰাকী পত্নীৰ লগত নথকা অৰ্থাৎ সমান সমান হ'ব লাগিব। পুনৰ তোমাৰ হৃদয়ে এজনী পত্নীৰ লগত যিমানেই মিলি-জুলি থাকিবলৈ মন নকৰক, ইছলামে উল্লেখ কৰিছে যে নিঃসন্দেহে তুমি নিজৰ হৃদয়ৰ ইচ্ছাক পূৰণ কৰা কিন্তু সেইদৰে তুমি আনগৰাকী পত্নীৰ কাষলৈ গৈ বহিব লাগিব। সেয়ে হৃদয়ৰ

সম্বন্ধৰ বাহিৰে যি আনে বুজিব নোৱাৰে ব্যৱহাৰ, সহায়, উপকাৰ, কল্যাণ আদি কোনো ক্ষেত্ৰত পাৰ্থক্য থোৱাৰ অনুমতি নাই। কি সেই জীৱন বিলাসিতাৰ জীৱন বুলি ক'ব পৰা যায় অথবা এয়া জাতি আৰু ৰাষ্ট্ৰৰ বাবে অথবা সেই লাভৰ বাবে যাৰ বাবে দ্বিতীয় বিবাহ কৰা হয় এক সেয়া যে কিমান মহান ত্যাগ ?

ইয়াক দেখি কেনে দুখ লাগে যে যি লোকসকলৰ ইছলামৰ নিয়মৰ লেখমাত্ৰ জ্ঞান নাই তেওঁ কেৱল ইয়াক শুনি যে হজৰত ৰছুলে কৰীম (ছাঃ) এগৰাকীতকৈ অধিক বিবাহ কৰিছিল এই অভিযোগ কৰি আহিছে যে আপোনাৰ আচৰণ ( পৰমেশ্বৰৰ চৰণত ক্ষমা মাগিছো এনেদৰে উল্লেখ কৰাত) শেষ পৰ্যায়ত বেয়া হৈ পৰিছিল যিহেতু সত্য হ'ল যে আপুনি ৰাষ্ট্ৰ আৰু জাতিৰ কল্যাণাৰ্থে এগৰাকীতকৈ অধিক বিবাহ কৰিছিল। আপোনাৰ ন্যায়, সততাৰ বিষয়ে পঢ়িলে মানুহৰ শৰীৰৰ নোম ঠিয় হৈ পৰে। সেয়ে ইতিহাসে ইয়াৰ সাক্ষী প্ৰদান কৰে যে আপুনি ন্যায় ক্ষেত্ৰত ইমানেই সচেতন আছিল যে দুজন মানুহৰ কান্ধত হাত থৈ ভয়াবহ অৱস্থাত আপোনাৰ প্ৰাণঘাতক জ্বৰৰ দেহাৰে খৰক-বৰক খোজেৰে এগৰাকী পত্নীৰ গৃহৰ পৰা আন গৰাকী পত্নীৰ ঘৰলৈ গৈছিল। অৰ্থাৎ মৃত্যুৰ কিছু দিনৰ আগতে আপোনাৰ পত্নীসকলে নিবেদন কৰিলে যে আপোনাৰ কষ্ট হয় সেয়ে এটা ঘৰতে সুখেৰে থাকক আৰু তেওঁলোকে নিজেই হজৰত আয়েশা (ৰাঃ)ৰ ঘৰক মনোনীত কৰিছিল। (বুখাৰী শ্বৰিফ)

কিছুমান লোকে এগৰাকীতকৈ অধিক বিবাহ কৰাটো অত্যাচাৰ বুলি উল্লেখ কৰে কিন্তু এয়া অত্যাচাৰ নহয় কিয়নো এনে প্ৰয়োজন আহি পৰে, যেতিয়া বিবাহ নকৰাটোহে অত্যাচাৰ হৈ পৰে। এজনী পত্নী পাগল হৈ পৰে, পংগু হৈ পৰে অথবা তাইৰ সন্তান জন্ম দিয়াৰ ক্ষমতা নাথাকে। সেই সময়ত তেওঁৰ স্বামীয়ে কি কৰিব ? যদি তেওঁ দ্বিতীয় বিবাহ নকৰে আৰু কোনো ব্যভিচাৰ আদিত আক্ৰান্ত হৈ পৰে এয়া তেওঁৰ নিজৰ প্ৰাণ আৰু সমাজৰ ওপৰত অত্যাচাৰ হৈ পৰিব আৰু যদি কিবা ৰোগত আক্ৰান্ত হৈ পৰে তেওঁৰ প্ৰাণৰ ওপৰত অত্যাচাৰ হ'ব। যদি সন্তান নহয় তেন্তে সমাজৰ ওপৰত অত্যাচাৰ

হ'ব। যদি তেওঁ প্ৰথম গৰাকী পত্নীক পৃথক কৰি দিয়ে তেন্তে এয়া একেবাৰে নিৰ্লজ্জতা আৰু প্ৰতাৰণা হ'ব যে যেতিয়ালৈকে তাই নিৰোগী আছিল, তেওঁ তাইৰ লগত আছিল আৰু যেতিয়া তাইক তেওঁৰ পৰা সকলো সময়ে অধিক সহায়ৰ প্ৰয়োজন হৈছে তেতিয়া তেওঁক ত্যাগ কৰিব। সেয়ে বহুতো ক্ষণ এনে উপস্থিত হয় যে দ্বিতীয় বিবাহ উচিত নহয়— এয়া অতি দুৰ্বল শব্দ আৰু আৱশ্যকে নহয়— তথাপি এক জাতীয় কৰ্তব্য হৈ পৰে।

পত্নী আৰু স্বামীৰ সম্পৰ্কৰ দ্বাৰা সন্তানৰ জন্ম হয়,যিটো সভ্যতাৰ প্ৰসাদৰ দ্বিতীয়টো ইটা। সন্তানৰ বিষয়ত ইছলামৰ আদেশ যে সিহঁতৰ লালন-পালন অতি উত্তম পদ্ধতিৰে কৰিব লাগে। মাক বাপেকৰ ওপৰত সিহঁতক লালন-পালন তথা সিহঁতৰ আৱশ্যকতাক পূৰণ কৰাৰ দায়িত্ব আছে। তেওঁলোকৰ ধন কম হোৱাৰ বাবে মাৰি পেলোৱাটো বন্য জাতিৰ মাজত প্ৰচলন আছিল তথা ছোৱালীক হত্যা কৰাটো যুদ্ধপ্ৰিয় জাতিসমূহৰ এক পৰম্পৰা আছিল, বৰ্তমান সেয়া নিষিদ্ধ। সন্তান জন্ম দিয়াৰ বিষয়ত আদেশ দিয়া হৈছে যে স্বামীয়ে যদি বিচাৰে তেওঁৰ সন্তান হ'ব নালাগে তেন্তে তাৰ বাবে পত্নীৰ অনুমতি লোৱাৰ প্ৰয়োজন আছে। পত্নীৰ অনুমতিৰ অবিহনে সন্তানক বাধা দিব পৰা নাযায়।

পুনৰ উল্লেখ আছে যে সন্তানক শিক্ষা দিয়াৰ সমানে সমানে চৰিত্ৰৰো শিক্ষা দিব লাগে আৰু বাল্য অৱস্থাৰে পৰা সিহঁতৰ শিক্ষাৰ ব্যৱস্থা কৰা হওঁক যাতে ডাঙৰ হোৱাৰ পিছত লাভদায়ক হয়। সন্তানৰ লগতো কেনে ব্যৱহাৰ কৰিব লাগে তাৰ আদেশ দিছে। বাল্যাৱস্থাত সিহঁতৰ ইচ্ছা আৰু আৱশ্যকতা অনুসৰি ব্যৱহাৰ সাধাৰণ কথা হ'লেও যেতিয়া ডাঙৰ হৈ পৰে তেন্তে অনুমতি দিয়াহৈছে যে যি এটাক দিয়া তাক আটাইকে দিয়া অন্যথা কাকো নিদিবা। সন্তান দীক্ষাৰ কাৰণে যদি প্ৰহাৰ কৰিব লগাত পৰে তেন্তে মুখত নামাৰিবা কিয়নো সমস্ত জ্ঞানেন্দ্ৰিয় তাত একত্ৰ আৰু তাৰ ক্ষতিৰে সন্তানৰ ভৱিষ্যতৰ জীৱনত প্ৰভাৱ পেলাব।

ছোৱালীৰ দীক্ষাৰ সন্দৰ্ভত বিশেষভাবে গুৰুত্ব দিয়া হৈছে। পয়গম্বৰ ইছলাম মহম্মদ (ছাঃ) য়ে উল্লেখ কৰিছে— যাৰ ঘৰত ছোৱালীৰ জন্ম হয়

আৰু তেওঁ তাইক ভালদৰে শিক্ষা দিয়াটো তেওঁৰ বাবে তাইক জুইৰ পৰা ৰক্ষা কৰাৰ দৰে অৰ্থাৎ ছোৱালীক সুন্দৰ শিক্ষা দিয়াটো আৰু তাইৰ সৈতে ভাল ব্যৱহাৰ কৰাৰ কাৰণে পৰমেশ্বৰেও তেওঁৰ সৈতে ভাল ব্যৱহাৰ কৰিব।

এনেদৰে আপুনি উল্লেখ কৰিছে যে যি ব্যক্তিৰ ঘৰত ল'ৰা হয় বা ছোৱালী হয় অথবা তেওঁৰ নিজৰ ভনীয়েক-ভায়েকৰ ভৰণ-পোষণৰ দায়িত্ব তেওঁৰ ওপৰতে থাকিলে সিহঁতকো আৰু ইহঁতকো শিক্ষা দিয়ক তথা ভালদৰে সিঁহতৰ জীৱন অতিবাহিত কৰাৰ ব্যৱস্থা কৰিলে পৰমেশ্বৰে ইয়াৰ বিনিময়ত তেওঁক স্বৰ্গ প্ৰদান কৰিব। অৰ্থাৎ তেওঁ এই কাৰ্যৰ দ্বাৰা পৰমেশ্বৰৰ পৰা ডাঙৰতকৈ ডাঙৰ অনুগ্ৰহ লাভ কৰিব। ইয়াৰ এই তাৎপৰ্য একেবাৰে নহয় যে লাগিলে তেওঁ আন পাপ কৰক তাৰ প্ৰভাৱ তেওঁৰ আত্মীয়সকলৰ ওপৰত কিবা নহয় কিবা প্ৰকাৰে পৰিব। এনেদৰে উল্লেখ কৰিছে যে যাৰ ঘৰত ছোৱালী জন্ম হয় তেওঁ কেতিয়াও হত্যা নকৰিব তথা কেতিয়াওঁ মানহীনকৈ নাৰাখিব বা কেতিয়াও পুত্ৰক অধিক গুৰুত্ব প্ৰদান নকৰিব, সমান দৃষ্টি পোষণ কৰিব পৰমেশ্বৰে তেওঁক স্বৰ্গ প্ৰদান কৰিব।

সন্তানৰ স্বাস্থ্যৰ প্ৰতি বিশেষ গুৰুত্ব দিয়াৰ আদেশ দিয়া হৈছে। পয়গম্বৰে ইছলাম হজৰত মহম্মদ(ছাঃ)ৰ পৱিত্ৰ বক্তব্য হ'ল যে— হে লোকসকল নিজৰ সন্তানক গুপ্ত ৰূপত বধ নকৰিবা কিয়নো পুৰুযে পত্নীয়ে গাখীৰ খোৱাই থকা সময়খিনিত সংগম নকৰিবা সন্তানৰ যুৱাৱস্থাত উপনীত হওঁতে মাংসপেশীৰ ক্ষতি হ'ব অৰ্থাৎ সেইদিনবোৰত তাৰ প্ৰভাব বিশেষভাবে পৰিলক্ষিত হ'ব। এই বক্তব্যৰ পৰা সন্তানৰ স্বাস্থ্যৰ সম্পৰ্কত এক সৰ্বসাধাৰণ সিদ্ধান্ত প্ৰতিফলিত হৈছে যে ইয়াত প্ৰাকৃতিক বাসনাত্মাকআবেগক প্ৰতিৰোধ কৰাটো এক গুৰুতৰ বিষয় বুলি বুজি উঠাৰ বিপৰীতে দ্বিতীয় প্ৰকাৰৰ ত্যাগক ইয়াত নিম্ন পৰ্যায়ৰ বিষয় হিচাপে ধৰা হৈছে।

গৃহস্থ জীৱনত এই প্ৰশ্ন প্ৰতিটো সম্পত্তি আৰু উত্তাৰাধিকাৰৰ ক্ষেত্ৰত জাগ্ৰত হয়। এই সন্দৰ্ভত ইছলামে এই শিক্ষা প্ৰদান কৰিছে যে সকলো এনে লোক যাৰ মাজত অমানবীয়ভাৱ নাই তথা কোনো ধৰ্মৰ অনুগামীৰ শ্ৰেষ্ঠতা তথা ইয়াৰ গুণক স্বীকাৰ কৰে। সৰ্বপ্ৰথমতে ইছলামে নাৰীক প্ৰতিটো সম্পত্তি

আৰু সম্পত্তিৰ সন্দৰ্ভত অংশীদাৰিত্বক নিশ্চিত কৰিছে, দ্বিতীয়তে মাক-বাপেকৰ অংশ নিশ্চিত কৰিছে। ইয়াত কোনো ধৰণৰ সন্দেহ নাথাকে আৰু বুদ্ধিয়ে ইয়াকে উল্লেখ কৰে যে পৰয়িালৰ অৰশ্যে প্ৰতিটো সম্পত্তিত আৰু উত্তৰাধিকাৰ থাকিব লাগে। উপযুক্ত আদৰ্শৰ উপৰিও ইছলামী চৰিয়তে আদেশ দিছে যে উত্তৰাধিকাৰীক তেওঁলোকৰ অধিকাৰৰ পৰা বঞ্চিত কৰা নহওঁক। সেয়ে কোনো ব্যক্তিয়ে নিজৰ ধনৰ ক্ষেত্ৰত পত্নীকো বঞ্চিত কৰিব নোৱাৰে। হয়, মৃত্যু হোৱা জনৰ ক্ষেত্ৰত এই অধিকাৰ প্ৰদান কৰা হৈছে যে নিজৰ ধন-সম্পত্তিৰ পৰা ১ ৩ অংশ উইল কৰি দিয়ক ইয়াতকৈ অধিক ধন উইল কৰাৰ কোনো স্বত্ব নাই কিয়নো ইয়াৰ পৰা তেওঁৰ অধিকাৰৰ অধিকাৰক কাঢ়ি লোৱা হ'ব কিন্তু লগতে ইয়াকো আদেশ দিয়া হৈছে যে উইল উত্তৰাধিকাৰীৰ নাকচ কৰিব পৰা নাযায়। উত্তৰাধিকাৰীয়ে সেই অংশে লাভ কৰিব যিটো তেওঁৰ বাবে নিশ্চিত কৰা হৈছিল। অনধিকাৰীক অংশ দিব পৰা যায়।

নাৰীৰ অংশ পুৰুষৰ তুলনাত প্ৰায় আধা অংশ থোৱা হৈছে। য'ত সমানকৈ দিয়া হৈছে তাত বিশেষভাবে দৃষ্টি প্ৰদান কৰা হৈছে। কিছুলোকে এই ক্ষেত্ৰত পাৰ্থক্য আৰু অন্যায় হোৱা বুলি উল্লেখ কৰে। যদি লক্ষ্য কৰা যায় নাৰীৰ স্বত্ব এতিয়াও সুৰক্ষিত নহয় কেৱল ইছলামেহে নাৰীক পূৰ্ণ অধিকাৰ প্ৰদান কৰিছে। এই পাৰ্থক্যৰ কাৰণ হৈছে ইছলামে মহিলাৰ প্ৰতি ব্যয়ৰ কোনো উত্তৰদায়িত্ব থোৱা নাই, সকলো উত্তৰদায়িত্ব পুৰুষৰ প্ৰতিহে থৈছে , এই কাৰণে পুৰুষৰ আৰ্থিক উত্তৰদায়িত্ব অত্যাধিক হ'ব, সেয়ে তেওঁ অধিক অংশৰ অধিকাৰী হয়। সন্তানৰ লালন-পালনৰ উত্তৰদায়িত্ব পুৰুষৰ ওপৰত আছে। নাৰীয়ে যদি বিবাহ কৰে তেন্তে তেওঁৰ তথা তেওঁ সন্তানৰ ব্যয়ৰ দায়িত্ব তেওঁৰ স্বামীৰ হ'ব যদি তাক নকৰে ইছলামে এনে কৰাৰ স্বীকৃতি নিদিয়ে, তেওঁ অকলশৰীয়া হৈ পৰিব কিন্তু যদি পুৰুষে বিবাহ কৰে তেন্তে এনে কৰিবলৈ ইছলামে তেওঁক আদেশ দিছে যে তেওঁ নিজৰ পত্নী আৰু সন্তানৰ আজীৱন পূৰ্ণ ব্যয় বহন কৰিব। সেয়েহে পুৰুষক নাৰীতকৈ দুগুণ অংশ পক্ষপাত কৰাৰ অথবা নাৰীক হীন বুলি দাঙি ধৰাৰ উদ্দেশ্য নহয় যদিও বাস্তৱিকতাৰ প্ৰতি দৃষ্টি ৰাখি এই আদেশ দিয়া হৈছে। নাৰীৰ ইয়াত কোনো ধৰণৰ ক্ষতি নাই

গতিকে কদাচিত তথাপি তেওঁলোক লাভতে থাকে।

সন্তানৰ প্ৰতি পিতৃ-মাতৃৰ স্বত্ব এইদৰে স্থিৰ কৰা হৈছে যে তেওঁ নিজৰ মাক-বাপেকক প্ৰতিষ্ঠা কৰক, তেওঁলোকৰ আদেশক পালন কৰক তথা যেতিয়া তেওঁলোক জীৱিকা উপাৰ্জন কৰাৰ ক্ষেত্ৰত অসমৰ্থ হৈ পৰে তেতিয়া তেওঁলোকৰ প্ৰয়োজনীয়তাবোৰক পূৰণ কৰাৰ উত্তৰদায়িত্ব সন্তানে পালন কৰক আৰু তেওঁলোকৰ ভাৱনাক কেতিয়াওঁ আহত হ'বলৈ নিদিব। তেওঁলোকক কঠোৰ ব্যৱহাৰ নকৰিব কিয়নো তেওঁলোকে সদায় প্ৰাৰ্থনা কৰে তথা পৰমেশ্বৰৰ ওচৰত তেওঁলোকৰ কল্যাণৰ বাবে সদায় কামনা কৰিব লাগে।

ককায়েকৰ ভায়েকসকলৰ প্ৰতিও এই কৰ্তব্য নিশ্চিত কৰা হৈছে যে তেওঁ নিজৰ অনাথ ভাতৃক লালন-পালন কৰিব। আন পৰিয়াল আৰু আত্মীয়ৰো কৰ্তব্য নিশ্চিত কৰা হৈছে। যদি ককায়েক নাথাকে তেন্তে বাপেৰক পৰিয়ালৰ, যদি তাকো নাথাকে মাকৰ পৰিয়ালৰ ফালৰ পৰা পৰিয়ালে লালন-পালন কৰক তথা তেওঁলোক সন্তানহীনভাবে মৃত্যু হ'লে তেওঁলোকৰ সম্পত্তিৰ অধিকাৰী হৈ পৰক।

আত্মীয়ৰ পিছত চুবুৰীয়া আৰু দেশবাসীৰ সম্পৰ্কত ভৰণ-পোষণৰ দায়িত্ব সন্মিলিত হৈ আছে। এই সন্দৰ্ভত ইছলামে আদেশ দিছে যে—

وَّبِالْوَالِدَيْنِ اِحْسَانًا وَّ بِذِى الْقُرْبٰى وَالْيَتٰمٰى وَالْمَسٰكِيْنِ وَالْجَارِ ذِى الْقُرْبٰى وَالْجَارِ الْجُنُبِ وَالصَّاحِبِ بِالْجَنْۢبِ وَابْنِ السَّبِيْلِ ۙ وَمَا مَلَكَتْ اَيْمَانُكُمْ ؕ اِنَّ اللّٰهَ لَا يُحِبُّ مَنْ كَانَ مُخْتَالًا فَخُوْرَا ۙ﴿۳۷﴾ (4:37)

আৰু পিতৃ-মাতৃৰ আৰু আত্মীয়বিলাক আৰু মাউৰাবিলাক আৰু দৰিদ্ৰবিলাক আৰু সম্পৰ্কীয় ওচৰ-চুবুৰীয়া আৰু আচহুৱা ওচৰ-চুবুৰীয়া আৰু সহযাত্ৰী আৰু পথিক আৰু যিবিলাকক তোমালোকৰ সোঁহাতে অধিকাৰ কৰিছে,সকলোৰে প্ৰতি সদয় ব্যৱহাৰ কৰিবা; নিশ্চয় দাম্ভিক অহংকাৰীবিলাকক

আল্লাই ভাল নাপায়;

সভ্যতাৰ সম্পূৰ্ণ উপকৰণত বিভিন্ন লোকে ভাল সম্পৰ্ক স্থাপিত হোৱা বিশেষকৈ দুখীয়াৰ প্ৰতি সহানুভূতি যি বাস্তৱত পিছপৰা ভাতৃ হয় ইছলামে সেই সকলো লোকৰ অধিকাৰ বৰ্ণনা কৰি সম্পৰ্কক অতি শক্তিশালী ভেটিত স্থাপন কৰিছে।

অনাথ সেই জন যাৰ মাক-বাপেক নাথাকে তেওঁলোকৰ প্ৰতি সহানুভূতিৰ উত্তৰাদায়িত্ব সমাজৰ ওপৰত দিয়া হৈছে যে ধনৱন্তজনে তেওঁলোকক নিজৰ সন্তানৰ দৰে পোহপাল দিব লাগে। দ্বিতীয়তে উত্তৰাদায়িত্ব যে দুখীয়া যি ধনৰ অভাৱত কোনো কাম কৰিব পৰা নাই তেওঁক সহায় কৰা আৰু তেওঁক কামৰ পৰা সুযোগ প্ৰদান কৰা। তাৰ পিছত সেইলোকসকলৰ বাবে যি ধনী হয় অৰ্থাৎ প্ৰতিবেশী লাগে ওচৰৰ হওঁক বা আতঁৰৰ হওঁক, ঘৰৰ কাষত যাৰ ঘৰ আছে অথবা নগৰৰ উপকণ্ঠ অঞ্চলত থকা সকল অথবা এয়া যে আন কোনো ওচৰৰ নগৰৰ নিৱাসী হয় তেওঁৰ বিষয়ে উল্লেখ কৰা হৈছে যে তেওঁলোকৰ প্ৰতি ভাল ব্যৱহাৰ কৰা যাতে প্ৰেম বাঢ়ে, সম্পৰ্ক দৃঢ় হৈ পৰে। পুনৰঃ উল্লেখ আছে যি দিনচৰ্যাৰ লগৰী হয় অৰ্থাৎ যিসকল লোকে একেলগে কাম কৰে অথবা বেপাৰ বা ব্যৱসায়ত সন্মিলিত তেওঁলোকৰ প্ৰতিও বিশেষ দায়িত্ব থাকে। তেওঁলোককো বিশেষভাবে সহায় কৰিব লাগে।

তথাপি মই শ্ৰমিক বা ব্যৱসায় কৰা সকলৰ সংঘৰ পক্ষত নাই যি মোৰ বাবে কেৱল ইউৰোপৰ সভ্যতাৰ পৰিণাম স্বৰূপ। যদি ইছলামীয় সভ্যতাৰ সম্পৰ্কীয় নিয়মক অনুসৰণ কৰা হয় তেনে এনে সংঘৰ অবিহনে শ্ৰমিকৰ অধিকাৰৰ ৰক্ষা সুচাৰুৰূপত কৰিব পৰা যায় কিন্তু মোৰ বাবে এক প্ৰকাৰৰ সহানুভূতি আৰু সংগঠনৰ এই উদ্দেশ্য অৱশ্যে পোৱা যায় আৰু ইছলামে আমাক আদেশ দিয়ে যে এটা পক্ষ অথবা এজন সদস্যই পৰস্পৰে সহায় আৰু সহযোগেৰে কাম কৰিব লাগে।

সৰ্বশেষত এই আদেশ দিয়া হৈছে যে যাত্ৰী যি নিজৰ স্বজনক আৰু পৰিয়ালক দূৰৰ পৰা, তেওঁৰ প্ৰতি ভাল ব্যৱহাৰ কৰাটো তোমাৰ কৰ্তব্য। ইয়াৰ তাৎপৰ্য কেৱল ইমানেই নহয় যে দুখীয়া যাত্ৰীৰ লগত ভাল ব্যৱহাৰ

কৰা যদিও প্ৰতিজন যাত্ৰীৰ প্ৰতি এই আদেশ আছে তেওঁ যিমানেই দুখীয়া নহওঁক কিয় লাগিলে ওচৰৰ হওঁক দূৰৰ হওঁক সকলো প্ৰকাৰৰ প্ৰেম বাঢ়িব লাগে আৰু সুখ- শান্তিৰ পটভূমি ৰাখিব লাগে।

ডাঙৰ আৰু সৰু বিষয়ত ইছলামে আদেশ দিছে যে—

অৰ্থাৎঃ— যি ডাঙৰ হৈ সৰুক দয়া আৰু সৰু হৈ ডাঙৰক শ্ৰদ্ধা নকৰে তেওঁ আমাৰ অনুগামী নহয়। এই আদেশত গুৰু আৰু শিষ্য, গৰাকী আৰু ভৃত্য তথা এই ধৰণৰ আন সকলো সম্পৰ্কীয়ৰ বিষয়ত এক সিদ্ধান্তমূলক আদেশ দিয়া হৈছে।

নাৰী আৰু পুৰুষৰ সাধাৰণ সম্পৰ্কৰ বিষয়তো এই শিক্ষা দিয়া হৈছে যে পুৰুষে নাৰীৰ সুখৰ প্ৰতি গুৰুত্ব দিব লাগে। সেয়ে ইছলামৰ পয়গম্বৰ হজৰত মহম্মদ (ছাঃ) নামাজৰ পিছত অলপ সময় বহি দিছিল যাতে নাৰী সকল অতি সুগমতাৰে বাহিৰলৈ যাব পাৰে। যেতিয়া তেওঁলোক ওলাই যায় আপুনি উঠে আৰু আন পুৰুষসকলো আপোনাৰ লগতে উঠে যাত্ৰাত যেতিয়া উটবোৰ তীব্ৰ গতিত আগবাঢ়ে তেতিয়া আপুনি কয় শিশুবোৰলৈ ধ্যান দিয়া। অৰ্থাৎ নাৰীৰ লগতে সিহঁতে তোমাৰ সমানে কষ্ট সহ্য কৰিব নোৱাৰে গতিকে লাহে লাহে যাতে তেওঁলোকৰ কষ্ট নহয়।

স্বামীক আদেশ দিয়া হৈছে যে যাত্ৰাৰ পৰা উভতি আহোঁতে ঘৰত পোনেই সোমাই নাযাব যদিও দিনৰ সময়ত তথা প্ৰথমতে আগজাননী দি আহিব যাতে নাৰীয়ে ঘৰৰ আৰু শৰীৰৰ স্বচ্ছতাৰ ব্যৱস্থা কৰিব পাৰে।

পত্নীক কোৱা হৈছে যে, তেওঁলোকক সন্তানৰ পৰা পৃথক কৰিব নালাগে য'ত তেওঁলোকে এক সৰ্বসাধাৰণ সিদ্ধান্তক উল্লেখ কৰিছে যে স্বজন আৰু পৰিয়ালক পৰস্পৰক পৃথক কৰিব নালাগে সেয়ে তেওঁলোকক নিজৰ মাজত মিলি-জুলি থকাৰ সুযোগ দিব লাগে।

পাৰস্পৰিক সৰ্ম্পক ছিন্ন হোৱা সকলোবোৰ কথাক নিষিদ্ধ কৰা হৈছে। উদাহৰণ হিচাপে কোনো ব্যক্তিয়ে কাৰোবাৰ ওপৰত অভিযোগ উত্থাপন কৰিব নালাগে। যদি কোনোবাই ব্যভিচাৰৰ অভিযোগ কৰে আৰু তাক প্ৰমাণ কৰিব নোৱাৰে তেন্তে তেওঁক কঠোৰ শাস্তি দিয়াৰ বিধান আছে।

একেদৰে বিবাহৰ ক্ষেত্ৰতো প্ৰথম বিবাহৰ জোৰণপৰ্ব শেষ নোহোৱাকৈ দ্বিতীয়খন বিবাহৰ বাবে আগবাঢ়িব নোৱাৰে। যদি জানিব পৰা যায় কোনো ব্যক্তিয়ে বিবাহ কৰাৰ বাবে কোনো স্থানত কথা-বতৰা আৰম্ভ কৰিছে লাগে তেওঁ ইয়াক বুজি উঠিছে যে যদি মই ইয়াক কৰো তেন্তে মোৰ অধিক লাভ হোৱাৰ আশা আছে, সেই সময়লৈকে মৌন হৈ থাকিব লাগে যেতিয়ালৈকে প্ৰথমৰ কথা-বতৰাৰ নিৰ্ণয় নহয়।

## নাগৰিকত্বৰ সৰ্বসাধাৰণ নিয়ম

ইছলামে এজন মুছলমান নাগৰিকৰ বাবে যি নিয়মক নিশ্চিত কৰিছে এতিয়া মই সেইবিলাকৰ মাজৰ কিছুমানক উল্লেখ কৰিছোঁ।

প্ৰথম কৰ্তব্য হিচাপে নিশ্চিত কৰা হৈছে যে প্ৰতিজন লোকে পৰিশ্ৰম কৰি খাব লাগে আৰু এলেহুৱা হৈ নহয়। পয়গম্বৰে ইছলাম হজৰত মহম্মদ (ছাঃ) য়ে উল্লেখ কৰিছে যে শ্ৰেষ্ঠ জীৱিকা সেয়া যি মানুহে নিজ হাতেৰে উপাৰ্জন কৰে আৰু উল্লেখ কৰিছে যে হজৰত দাউদ (আঃ)ৰ স্বভাৱ আছিল তেওঁ নিজৰ জীৱিকা নিজ হাতেৰে পৰিশ্ৰম কৰি উপাৰ্জন কৰিছিল।

দ্বিতীয় কৰ্তব্য মুছলিমৰ নাগৰিকৰ ক্ষেত্ৰত ইছলামে ইয়াক নিশ্চিত কৰিছে যে তেওঁ কেতিয়াওঁ ভিক্ষাবৃত্তিত জড়িত হ'ব নালাগে।পয়গম্বৰে ইছলাম হজৰত মহম্মদ (ছাঃ) এই বিষয়ত গুৰুত্ব প্ৰদান কৰিছিল আৰু কাৰোবাৰ ওচৰত হাত পতাৰ কাৰ্যৰ পৰা লোকসকলক বাৰণ কৰিছিল। হদীছ শ্বৰিফত আহিছে যে হজৰত মহম্মদ চাহেবে কৈছে যে সহায়ৰ বাবে হাতপতা কেৱল তিনিজন ব্যক্তিৰ বাবে উচিত। প্ৰথম ব্যক্তি যি দুখীয়া অৱস্থাৰ পৰা মুক্তি পাবলৈ অহৰহ প্ৰচেষ্টা কৰে কিন্তু তেওঁ কোনো কাম বিচাৰি নাপায় অথবা তেওঁ কোনো কাৰ্য কৰিব নোৱাৰে। দ্বিতীয় ব্যক্তি যাৰ এনে কোনো বিপদ হৈছে যাৰ তেওঁ কল্পনাকে কৰিব পৰা নাছিল, সেয়ে এনে ব্যক্তিৰ বাবে বৰঙণি একগোট কৰিব পৰা যায় আৰু তৃতীয়তে সেই লোকসকলৰ সহায়ৰ চেষ্টা কৰা উচিত যে কোনো বিত্তীয় শাস্তি ভোগ কৰি আছে অৰ্থাৎ কোনোবাই কিবা হত্যা আদি কৰিলে আৰু জাতিৰ ওপৰত জৰিমনা বিহা হৈছে তেন্তে লোকসকলে সহায়ৰ চেষ্টা কৰিব পাৰে।

মুছলিম নাগৰিকৰ আন এটা কৰ্তব্য এয়া যে যি ব্যক্তি তেওঁৰ সন্মুখৰ পৰা আহে তেওঁক "আচ্ছালামু আলাইকুম" বুলি ক'ব লাগে। যাৰ অৰ্থ এয়া হ'ল যে পৰমেশ্বৰৰ তৰফৰ পৰা আপোনাৰ প্ৰতি শান্তি বৰ্ষিত হওঁক। তাৎপৰ্য এয়া যে এই কাৰ্যৰ দ্বাৰা পাৰস্পৰিক প্ৰেমক বৃদ্ধি কৰিবলৈ তথা সম্পৰ্কক শুধৰণি কৰাৰ চেষ্টা কৰা হয়। এনেদৰে যি ব্যক্তিয়ে আগন্তুকক লগ পায় তেওঁ পৰিচিত আৰু মিত্ৰ হ'লে মুছলিম নাগৰিকৰ কৰ্তব্য এয়া যে তেওঁৰ লগত কৰমৰ্দন কৰক।

একেদৰে মুছলিম নাগৰিকৰ প্ৰতি এই কৰ্তব্য নিশ্চিত কৰা হৈছে যে যি লোকে নিজৰ চুবুৰীৰ অথবা আন পৰিচিত যদি ৰোগাক্ৰান্ত হয় তেওঁক শুশ্ৰষাৰ বাবে যাব লাগে আৰু তেওঁ ধৈৰ্য ধৰাৰ আৰু শান্তনা দিব লাগে। ঘৰত প্ৰৱেশ কৰাৰ আগতে আচ্ছালামু আলাইকুম ক'ব লাগে আৰু লগতে অনুমতি ল'ব লাগে। যদি ঘৰত কোনোবা থাকে উত্তৰ দিয়ে এই সময়ত লগ কৰিব নোৱাৰিব কোনো ধৰণৰ আক্ষেপ নকৰাকৈ উভতি আহিব লাগে। যদি কোনো নাথাকে তেতিয়াওঁ উভতি আহিব লাগে। যদি কোনো ব্যক্তিয়ে এনে কথা কয় দিয়ে যে সেয়া কোনোবা এজন ব্যক্তিৰ বিৰুদ্ধে হয় তেন্তে তাক তাতে গুপুত কৰিব লাগে সেয়া যেন আন গৰাকী ব্যক্তিয়ে অৱগত নহয়। অন্যথা পয়গম্বৰ ইছলাম হজৰত মহম্মদ (ছাঃ)ৰ পৱিত্ৰ বক্তব্য অনুসৰি ইয়াক বুজিব লাগিব যে সেই কথা তেওঁক নক'ব। আপোনাৰ বক্তব্য হ'ল যে কোৱাৰ উদ্দেশ্য হৈছে যে তেওঁ বাণ নিক্ষেপ কৰিলে আৰু যি সেই কথাক প্ৰেৰণ কৰিলে যাৰ বিষয়ত কোৱা হৈছিল তাৰ উদাহৰণ এয়া যে তেওঁ বাণ দাঙিলৈ সেই ব্যক্তিৰ হৃদয়বিদ্ধ কৰি দিলে।

একেধৰণে মুছলিম নাগৰিকৰ কৰ্তব্য হ'ল যে কোনো ব্যক্তিৰ মৃত্যু হ'লে তেওঁৰ জানাজাত সহায় কৰিব লাগে আৰু কব্ৰলৈকে নি সমাধিস্থ কৰিব লাগে। কিন্তু সকলোৱে যোৱাৰ আৱশ্যকতা নাই। যদি আৱশ্যক অনুসৰি গ'লেও সেয়াই পৰ্যাপ্ত হ'ব কিন্তু কোনো নগ'লেও সকলো পাপী হ'ব। এই কৰ্তব্যক পালন কৰিবলৈ ইমান সতৰ্ক হৈ থাকিব লাগে যে,পয়গম্বৰে ইছলাম হজৰত মহম্মদ (ছাঃ)ৰ সংগীসকলৰ সমকালীন ইতিহাসৰ পৰা জানিব পৰা

মতে আন মানুহৰ জানাজাতো মুছলমানসকল গৈছিল।

সেইদৰে মুছলিম নাগৰিকৰ কৰ্তব্য যে এনে কথা শিষ্টাচাৰৰ বিৰোধী আৰু লোকসকলৰ বাবে দুখজনক হয় তাক উল্লেখ নকৰিব। পৰমেশ্বৰৰ বক্তব্য হ'ল যে মুছলমানে বজাৰত আৰু পথত শিষ্টাচাৰভাৱত অহা-যোৱা কৰে। পয়গম্বৰে ইছলাম হজৰত মহম্মদ (ছাঃ)কোনো এজন ব্যক্তিক দেখিলে যে, তেওঁ জোতা পিন্ধি গৈ আছে তেতিয়া আপুনি তেওঁক ৰখালে আৰু ক'লে যে মানুহজনে দুয়োপাত জোতা পৰিধান কৰক এপাত নহয়। মুছলিম নাগৰিকৰ এয়াও কৰ্তব্য যে তেওঁ পথ আৰু লোক একগোট হোৱাৰ স্থানত কোনো ধৰণৰ লেতেৰা পেলাব নালাগে বা লেতেৰা কৰিব নালাগে।পয়গম্বৰে ইছলাম হজৰত মহম্মদ (ছাঃ) য়ে কৈছে যে, তেনে ব্যক্তিৰ ওপৰত আল্লাহৰ প্ৰকোপ পৰে যি পথত আৰু গছৰ তলত য'ত লোকসকলে সদায় বহে তাত মল মূত্ৰ ত্যাগ কৰিলে।

এনেদৰে মুছলিম নাগৰিকৰ আন এক কৰ্তব্য হ'ল যে, তেওঁ ৰাজহুৱা স্থানক পৱিত্ৰকৈ থোৱাৰ যত্ন কৰিব লাগে আৰু তাক পৰিষ্কাৰ কৰাৰ ক্ষেত্ৰত যিমান সহায় কৰিব পৰা যায় তাক কৰক। সেয়ে পয়গম্বৰে ইছলাম হজৰত মহম্মদ (ছাঃ) চাহেবৰ পৱিত্ৰ উল্লেখ হ'ল যে, যি ব্যক্তিয়ে পথত আন লোকে কষ্ট পোৱা সামগ্ৰীক আঁতৰ কৰে তেওঁ পৰমেশ্বৰৰ পৰা কৃপা অৰ্জন কৰে। মুছলিম নাগৰিকৰ এয়াও কৰ্তব্য যে, যদি তেওঁ সামগ্ৰী বিক্ৰী কৰে তেন্তে ক্ষতিকৰ সামগ্ৰী বিক্ৰী কৰিব নালাগে। উদাহৰণ হিচাপে পচি যোৱা বা ৰোগৰ বাহক বস্তু। ইয়াৰ বাবে কেৱল ইয়াকে উল্লেখ কৰাটো যথেষ্ট নহয় যে লোকসকলে জানি-বুজি আৰু ভাবি-চিন্তি সেই বস্তুক ক্ৰয় কৰিছে গতিকে তেওঁৰ কৰ্তব্য হ'ল যে তেওঁ নিজেই লোকসকলৰ স্বাস্থ্যৰ প্ৰতি সচেতন হওঁক আৰু এনে সামগ্ৰীৰ বিক্ৰী নকৰক।

মুছলিম নাগৰিকৰ এয়াও কৰ্তব্য যে তেওঁলোকে ৰাজহুৱা স্থানত উচ্চস্বৰত কথা পাতি কাজিয়া-বিবাদ কৰিব নালাগে আৰু জনসাধাৰণৰ সুখ-শান্তিক ভংগ কৰিব নালাগে বা তাৰ প্ৰতিৰোধক হ'ব নালাগে। তেওঁলোকৰ এয়াও কৰ্তব্য যে, এনে স্থানক যি লোকে প্ৰয়োগ কৰে তাক লেতেৰা নকৰক। উদাহৰণ

স্বৰূপে ঠিয় হৈ পানীত মলমূত্ৰ ত্যাগ কৰিব নালাগে অথবা কোনো দুৰ্গন্ধময় সামগ্ৰী তাত নিক্ষেপ নকৰক।

এজন মুছলিম নাগৰিকৰ এয়াও কৰ্তব্য যে নিজৰ বক্তব্যত কোনো কোনো কটু কথা প্ৰয়োগ কৰিব নালাগে নতুবা ৰাজহুৱা স্থানত এনে কোনো কাৰ্য কৰিলে যি আন লোকৰ বাবে কষ্টকৰ হয় যেনেকৈ উলংগ হৈ ফুৰিব নালাগে অথবা এনে ধৰণৰ আন কোনো কাৰ্য কৰিব নালাগে। এনেদৰে ইছলামে আমাক শিকাইছে আৰু বেয়া কথাৰ পৰা আঁতৰি থাকক কিন্তু প্ৰেম আৰু নম্ৰতাৰে শিক্ষা দিয়ক যাতে লোকসকলৰ কাষত সেয়া সত্য আৰু বাস্তৱতাৰ পৰা আঁতৰ হৈ নপৰক। মুছলিম নাগৰিকৰ এটা এয়াও কৰ্তব্য যে তেওঁ লোকসকলক জ্ঞান দিয়ক আৰু কোনো জ্ঞান লাভ কৰাৰ পিছত তাক গোপনে ৰাখিব নালাগে যি জ্ঞানে লোকসকলৰ লাভ প্ৰদান কৰে কিয়নো পয়গম্বৰে ইছলাম হজৰত মহম্মদ (ছাঃ)ৰ পৱিত্ৰ বক্তব্য হ'ল যে, যি ব্যক্তিয়ে কোনো বিদ্যা বা জ্ঞান গুপুতে ৰাখে আৰু আনে সুধিলেও প্ৰকাশ নকৰে তেওঁৰ মুখত কিয়ামতৰ দিনা অগ্নিৰ লেকাম থাকিব। এই আদেশৰ এয়া অভিপ্ৰায় নহয় যে, যি আৱিষ্কাৰ কোনো লোকে কৰে তাক লোকসকলৰ ওপৰত প্ৰকাশ কৰি দিয়ক আৰু নিজেই লাভ অৰ্জন নকৰক তথাপি তাৎপৰ্য এয়া যে বিদ্যা আৰু জ্ঞানক সংসাৰৰ পৰা অনিষ্ট হ'বলৈ নিদিবা আৰু তাক গুপুতে নাৰাখিবা অথবা লাভ অৰ্জন কৰাৰ উপযুক্ত তথা উচিত লগতে পেটেণ্ট আৰু পঞ্জিয়নৰ প্ৰচলনৰ দ্বাৰা বিদ্যাৰ্থীৰ জ্ঞানক ৰক্ষা কৰাৰ এক দুৱাৰ মুকলি হৈ পৰে।

মুছলমান নাগৰিকৰ এয়া কৰ্তব্য যে তেওঁ বীৰ হওঁক কিন্তু অত্যাচাৰী আৰু উৎপতীয়া নহওঁক। তেওঁ কোনো দুৰ্বলৰ ওপৰত কোনো নাৰীৰ ওপৰত কোনো শিশুৰ ওপৰত নতুবা আন কাৰোবাৰ ওপৰত অত্যাচাৰ নকৰক, তেওঁক পশুলৈকে অত্যাচাৰ নকৰাৰ আদেশ দিয়া হৈছে। সেয়ে লিখা হৈছে যে হজৰত আব্দুলা যি হজৰত ওমৰৰ দ্বিতীয় উত্তৰাধিকাৰী সুপুত্ৰ আছিল তেওঁ এবাৰ দেখিলে যে কিছুমান নৱযুৱকে এটা জীৱিত জন্তুৰ ওপৰত নিজৰ লক্ষ্যৰ অভ্যাস কৰি আছে। যেতিয়া সিহঁতে আপোনাক দেখিলে তেতিয়া সিহঁত পলাই গ'ল। আপুনি (হজৰত আব্দুলাই) ক'লে- পৰমেশ্বৰ তেওঁলোকৰ প্ৰতি

ৰুষ্ট হৈ পৰিছে যি এই কাৰ্য কৰিছে, পৰমেশ্বৰ তেওঁলোকৰ প্ৰতি ক্ৰোধিত যি এই কাম কৰিলে মই হজৰত ৰছুলে কৰীম (ছাঃ)ৰ পৰা শুনিছো আৰু আপোনাৰ সেই পৱিত্ৰ বক্তব্য হ'ল যে পৰমেশ্বৰ তেওঁৰ ওপৰত ক্ৰোধিত হ'ল যি জীৱন্ত জন্তুক লক্ষ্য বনাইছিল, অথবা বান্ধিলৈ অথবা ভৰি আদি ভাঙিলৈ।

ইছলামৰ এই আদেশবোৰ কিমান সূক্ষ্ম আৰু সাৰগৰ্ভ। তেৰশ বছৰৰ পৰা এই শিক্ষা দি অহা হৈছে যি এতিয়াওঁ কিছুমান সভ্য দেশৰ মগজুত এয়া প্ৰবিষ্ট হোৱা নাই কিয়নো কিছুমান পশ্চিমীয়া দেশত লক্ষ্যভেদ জীৱন্ত কপৌক কৰা প্ৰথা প্ৰচলিত আছিল আৰু কিছুমান দেশত ইয়াক নিষিদ্ধ কৰিব লগা হৈছিল।

একেদৰে লিখা হৈছিল যে পয়গম্বৰে ইছলাম হজৰত মহম্মদ (ছাঃ) এটা গাধক দেখিলে যে, তাৰ মুখত দাগ দিয়া আছে। আপুনি তাক অতি অবিবেচক বুলি উল্লেখ কৰে তথা এই আদেশ দিলে যে মুখত পশুৱে অধিক কষ্ট পায়। ভৱিষ্যতে পশুৰ ওপৰত অংকণ পশুৰ ভৰিত কৰা হওঁক আৰু শেষত আপোনাৰ এই আদেশ অনুসৰি কৰঙণত নম্বৰ অংকণ কৰা প্ৰথা প্ৰচলিত হয়। একেদৰে আপুনি দেখিলে যে কোনোবাই পাৰৰ পোৱালীক কৰায়ত্ত কৰিছে, আপুনি ক'লে যে এনেদৰে সেই বুলি কষ্ট নিদিবা, লগে লগে পোৱালীবোৰক এৰি দিয়া। আপুনি উল্লেখ কৰিছিল যে পশু-পক্ষীক দয়া কৰিলে আৰু ভোকত খোৱালে তথা পিয়াহত পানী দিলে পৰমেশ্বৰে দয়া কৰে।। পুনৰ মুছলিম নাগৰিকৰ এই কৰ্তব্য যে তেওঁলোকে আন লোকৰ প্ৰাণক সংকেতৰ সন্মুখীন কৰিব নালাগে, সেয়ে পয়গম্বৰে ইছলাম হজৰত মহম্মদ (ছাঃ)ৰ পৱিত্ৰ বক্তব্য হ'ল যে, যি প্ৰান্তত কোনো সংক্ৰামক ৰোগ হ'লে তাৰ পৰা লোকসকল আনৰ ঠাইলৈ যাব নালাগে আৰু আন লোকো এই প্ৰান্তলৈ আহিব নালাগে। কি যে সূক্ষ্ম আদেশ যাক আজি নিৰোধৰ নামৰ এক নৱীন আৱিষ্কাৰৰ নাম দিয়া হৈছে। বাস্তৱত এই আদেশৰ আৰম্ভ ইছলামত হৈছিল। যদি এই আদেশত লোকসকলে আচৰণ কৰে তেন্তে নিৰোধৰ স্থাপন কৰাৰ প্ৰয়োজনতা আহিব, নে প্ৰয়োজন হ'ব চৰকাৰী নিৰীক্ষণ আৰু সুৰক্ষাৰ। সংক্ৰামক ৰোগ এনেদৰে এনেদৰে নাইকিয়া হৈ পৰিব।

মুছলিম নাগৰিকৰ এয়াও কৰ্তব্য যে যি সময়ত তেওঁ নিজৰ চুবুৰীয়াক কষ্ট আৰু দুখত দেখে আৰু তেওঁৰ ওচৰত যদি ধন থাকে তেওঁ নিজৰ ধনৰ পৰা তেওঁক আৱশ্যক অনুসৰি ঋণ দিয়ক আৰু সেই সময়ত তেওঁ কষ্টগ্ৰস্ত হয়, তেওঁৰ লগত হিচাপ-নিকাচ কৰিবলৈ বহিব নালাগে যে তুমি মোক ইয়াৰ সলনি কি দিবা, এইক্ষেত্ৰত নিজৰ আচৰণ মহান আৰু হৃদয় বিশাল হ'ব লাগে। তেওঁ কষ্ট আৰু দুখৰ সময়ত লোকসকলৰ সহায়ক হ'ব লাগে আৰু নিজৰ কৰ্তব্য বুজি পাব লাগে। পৰিশ্ৰম কৰি নিজৰ জীৱিকা উপাৰ্জন কৰিব লাগে, টকা ধাৰলৈ দি আৰু কষ্টৰ সময়ত কষ্টগ্ৰস্ত লোকক নিজৰ অধিকাৰৰ মাজলৈ আনি অথবা অপব্যয়ৰ অৱস্থা সৃষ্টি কৰি কোনো ধৰণ উপাৰ্জন কৰাৰ চেষ্টা কৰিব নালাগে।

মুছলিম নাগৰিকৰ আন এটা কৰ্তব্য হ'ল দেশ আৰু জাতিৰ কাৰণে আত্ম বলিদান দিবলৈ আৰু ত্যাগ কৰাৰ বাবে সাজু থকাটো । লগতে নিজৰ উত্তৰদায়িত্বক পূৰ্ণ কৰাৰ ক্ষেত্ৰত ত্ৰুটি কৰিব নালাগে। কিয়নো পয়গম্বৰে ইছলাম হজৰত মহম্মদ (ছাঃ)য়ে উল্লেখ কৰিছে যে—

মান কুতিলা দুনা মালিহি ফাহুৱা শ্বাহিদুন (বুখাৰী)

অৰ্থাৎঃ— যি ব্যক্তিৰ নিজৰ সম্পত্তিক ৰক্ষা কৰিবলৈ মত্যু হৈছে তেওঁ পৰমেশ্বৰৰ ওচৰত শ্বহীদৰ স্থান লাভ কৰা বুলি ধৰি লোৱা হ'ব। একেদৰে পৱিত্ৰ কোৰাণে উল্লেখ কৰিছে যে তোমালোকে যুদ্ধ কৰাৰ বাবে কিয় অস্বীকাৰ কৰিছা যি সময়ত তোমালোকৰ ভাই আৰু ভনীয়ে আনৰ অত্যাচাৰ স্বীকাৰ কৰিব লগা হৈছে।

মুছলিম নাগৰিকৰ এয়াও কৰ্তব্য যে তেওঁ যদি কাৰোবাক নিঃশেষ হৈ যোৱা দেখিছে সেইজনকো ৰক্ষা কৰিব লাগে যদি তেওঁ এনে নকৰে তেন্তে উল্লেখ কৰা হৈছে তেওঁৰ ওপৰত পৰমেশ্বৰৰ কঠোৰ শাস্তি আৰু কঠোৰ ক্ষোভ প্ৰতিফলিত হ'ব। পয়গম্বৰে ইছলাম হজৰত মহম্মদ (ছাঃ)ৰ পৱিত্ৰ বক্তব্য হ'ল যে যি ব্যক্তিয়ে কাৰোবাৰ হত্যা হোৱাটো দেখিছে আৰু মৌনতাৰে তাক লক্ষ্য কৰি আছে আৰু ৰক্ষা কৰাৰ বাবে চেষ্টা নকৰে তেওঁ পৰমেশ্বৰৰ কৰুণাৰ পৰা দূৰত্বত অৱস্থান কৰিব। সেয়ে — পানীত পৰি যোৱা জনক ৰক্ষা কৰা,

অগ্নি নির্বাপিত কৰা, ভুমিকম্প, ঘৰ ভাগি পৰা, ৰেলৰ খপণ্ডা খোৱা আৰু বিজুলী পৰা সময়ত মানুহক সহায় কৰা আৰু প্ৰতিটো বিপদতে যিটোত সহায় কৰিলে প্ৰাণৰ ৰক্ষা কৰিব পৰা যায়। প্ৰাণক ৰক্ষা কৰাটো এজন মুছলিম নাগৰিকৰ কৰ্তব্য অন্যথা পৰমেশ্বৰৰ সন্মুখত উত্তৰদায়ী হ'ব আৰু পৰমেশ্বৰৰ বদান্যতাক কেতিয়াওঁ লাভ কৰিব নোৱাৰিব।

একেদৰে মুছলিম নাগৰিকৰ কৰ্তব্য এয়াও যে ধেমালীতেও নিজৰ ভাতৃক অস্ত্ৰৰ প্ৰদৰ্শন কৰিব নালাগে। এই আদেশ পয়গম্বৰে ইছলাম হজৰত মহম্মদ (ছাঃ)য়ে লোহাৰ অস্ত্ৰৰ বিষয়ত প্ৰদান কৰিছে, সেয়ে বাৰুদৰ দ্বাৰা চলিত অস্ত্ৰৰ ক্ষেত্ৰত অধিক তৎপৰতাৰে এই আদেশ কাৰ্যকৰ হয়। আমি দেখিবলৈ পাইছো যে এই আনদেশৰ ওপৰত গুৰুত্ব নিদিয়াৰ কাৰণে এশ কোটি লোকৰ সাধাৰণ ভুলতে প্ৰাণহানি হয়।

পুনৰ মুছলিম নাগৰিকৰ এয়া কৰ্তব্য যে কেতিয়াও ক্ষমতাৰ পৰা পিছুৱাই নাযাব। অৰ্থাৎ কষ্ট আৰু দুখৰ সময়ত কেতিয়াও এটা শিলৰ দৰে ঠিয় হৈ থাকিব নালাগে। সংকট আৰু বিপত্তিৰ ধুমুহা চলি থকা অৱস্থাত, কষ্ট আৰু বাধাৰ ধুমুহাৰ সন্মুখীন হোৱা কিন্তু ইয়াৰ সন্মুখীন হোৱাৰ বাবে অলপো ভয় কৰিব নালাগে, গতিকে সেইবিলাকক তল পেলাবলৈ চেষ্টা কৰিব লাগে, ইমানলৈকে চেষ্টা কৰিব লাগে মৃত্যু বৰণ কৰিও অথবা সেই বিপত্তিসমূহত বিজয় অৰ্জন কৰি নিজৰ বাবে সফলতাৰ পথ প্ৰশস্থ কৰি ল'ব লাগে। কৰ্মৰত অৱস্থাত নিজৰ উত্তৰদায়িত্বৰ পৰা ৰক্ষা পাবলৈ আত্মহত্যা কৰিব নালাগে কিয়নো ধৰ্মত এনে কাৰ্যৰ প্ৰতি নিষেধাজ্ঞা আছে আৰু তেওঁৰ ধৰ্মই তেওঁক বীৰ আৰু নিৰ্ভয় হোৱাৰ শিক্ষা দিয়ে।

এয়াই হৈছে এজন মুছলমান নাগৰিক। কিন্তু এই সময়ত মোৰ অভিপ্ৰায় সেইসকল মুছলমানৰ প্ৰতি নহয় যি নিজৰ ধৰ্মক পাহৰি পশ্চিমৰ দিশে তৃষ্ণাতুৰৰ দৰে মুখ মেলি চাই আছে গতিকে সেই মুছলমানৰ পৰা মোৰ তাৎপৰ্য হ'ল যি আজিৰ তেৰশ বছৰৰ আগতে আৰু যাক পুনৰ হজৰত মছীহ মাওউদ মিৰ্জা গোলাম আহমদ চাহেব কাদিয়ানীয়ে সংসাৰলৈ আনিছে।

## অনাথৰ প্ৰতি নিয়ম

সাধাৰণ মুছলমান নাগৰিকৰ কিছুসংখ্যক উদাহৰণ উত্থাপন কৰাৰ পিছত এতিয়া মই আদর্শ আৰু নিয়মক বর্ণনা কৰিব বিচাৰিছোঁ যিটো সভ্যতাৰ এক মহত্বপূর্ণ অংগ কিন্তু সাধাৰণতে লোকসকলে তাৰ প্রতি ধ্যান নিদিয়ে। মোৰ ইংগিত অনাথসকলৰ অধিকাৰৰ দিশে। কোনো জাতি জীয়াই থাকিব নোৱাৰে যাৰ ওচৰত অনাথৰ প্রতি কোনো সন্তোষজনক কোনো ব্যৱস্থা নাথাকে। ইছলামে সভ্যতাৰ এই অংগৰ প্রতিও নিজা আদেশত অতি সুচাৰু ৰূপত প্রতিফলন কৰিছে।

অনাথৰ প্রতি নির্দেশ হ'ল যে তেওঁলোকৰ ককায়েকক সহচৰ বা অভিভাৱক নিয়োগ কৰা হওঁক যি গৰাকী পৰিয়ালত অতি ওচৰ সম্পর্কীয় তেওঁলোকৰ সম্পত্তিৰ সম্পূর্ণৰূপে ৰক্ষা কৰিব লাগে। যিজন অভিভাৱক নিয়োগ কৰা হৈছে সেইজন যদি দুখীয়া তেন্তে পৰিশ্রম অনুসৰি কিছু প্রতিদান দিব লাগে। যদি ধনৱন্ত হয় একো নোলোৱাকৈ কাম কৰিব লাগিব। অনাথক অশিক্ষিত আৰু অনভিজ্ঞ কৰি ৰাখিব নালাগে। যি অর্থ বা কাম সেই অনুসৰি সম্পাদিত হয় প্রতিটো কার্য অথবা যাৰ দ্বাৰা তেওঁলোকক বিশেষ বৃত্তি শিকাব পৰা যায়। তেওঁলোকৰ আচৰণ আৰু চৰিত্রৰ প্রতি বিশেষভাবে গুৰুত্ব দিব লাগে। নতুবা ইমান স্বাধীনভাবে থাকিবলৈ দিব লাগে যাতে তেওঁলোকৰ চৰিত্র বেয়া নহয়, কোনো ধৰণৰ কঠোৰতাৰ প্রয়োগ কৰিব নালাগে যাতে তেওঁলোক নৈসর্গিক শক্তিক সর্বদা গচকি পেলোৱা হওঁক আৰু উন্নতি কৰাত শক্তিহীন হৈ পৰক। তেওঁলোকৰ লেন-দেন তথা আনৰ সম্পর্কত উল্লেখ কৰাৰ সময়ত প্রেম আৰু সহানুভূতিৰ প্রতি বিশেষভাবে ধ্যান দিব লাগে কিয়নো তেওঁলোকৰ হৃদয় সর্বদা কোমল হয় আৰু সেয়া বদ্যন্যতা তথা বহুমূল্যৱান ধনতকৈ অধিক মূল্যৱান হয় অর্থাৎ মাক বাপেকৰ প্রেমৰ পৰা তেওঁলোক বঞ্চিত। যেতিয়া তেওঁলোক ডাঙৰ হৈ পৰে তেতিয়া চৰকাৰে তেওঁলোকৰ বুদ্ধি আৰু অনুভৱৰ প্রতি গুৰুত্ব দিব লাগে আৰু যদি তেওঁলোকৰ মাজত নিজৰ ধন- সম্পত্তিৰ সুৰক্ষাৰ যোগ্যতা যি সময়ত প্রত্যক্ষ কৰে, তেওঁলোকৰ সম্পত্তিৰ দায়িত্ব প্রদান কৰক। কিন্তু যদি তেওঁলোক বুদ্ধিৰ কিবা বিকাৰৰ আভাস পোৱা যায় অথবা বুদ্ধিত ইমান দুর্বলতা প্রকাশিত হৈছে যে নিজৰ সম্পত্তিক ৰক্ষা কৰিব

নোৱাৰিব তেন্তে তেওঁ সেই সম্পত্তি প্ৰদান নকৰিব তথাপি তেওঁ নিৰন্তৰ আগৰ দৰে নিৰীক্ষণত ৰাখিব লাগে আৰু সেই সম্পত্তিৰ অনাথৰ আহাৰ,কাপোৰ আদিত আৰশ্যক ব্যয় কৰা হয়।

## লেন-দেন তথা বিনিময়ৰ নিয়ম

সভ্যতাৰ ক্ষেত্ৰৰ পৰিসৰত পাৰস্পৰিক লেন-দেন তথা বিনিময়ৰো দিশ আছে। কিয়নো সদায় মানুহৰ ওপৰত এনে সময় আহি পৰে যে সেইসময়ত আনৰ সহায় লোৱাৰ প্ৰয়োজনতা আহি পৰে কিন্তু যিহেতু সেই অৱস্থা অস্থায়ী হয়। সেই সহায়ক ওভতাই দিবলৈ বিচৰাৰ অৱস্থাৰ উপচাৰক ইছলামত ঋণ তথা ৰহন বুলি কোৱা হৈছে। অৰ্থাৎ যদি কোনো ব্যক্তিৰ কিবা প্ৰয়োজনত ঋণ আদি ল'ব লগা হয় তেন্তে ধনৱন্তজনৰ কৰ্তব্য যে ঋণ প্ৰদান কৰি সেই ব্যক্তিক সমুচিত সহায় কৰিব লাগে সেয়া কোনো বস্তু গ্ৰহণ কৰি অথবা কোনো বস্তু গ্ৰহণ নকৰাকৈ। ইয়াৰ বাবে ইছলামে এই সিদ্ধান্ত নিশ্চিত কৰিছে যে লেন-দেন লিখিত ৰূপত কৰিব লাগে। এই নিয়ম ঐচ্ছিক নহয় তথাপি ইছলামে ইয়াক অনিবাৰ্য কৰ্তব্যৰ ৰূপ দিছে কিয়নো সভ্যতাৰ ক্ষেত্ৰত বিকাৰৰ কাৰণ ঋণৰ উভতাই দিয়াৰ কলহ আৰু কাজিয়া ৰূপত। পৱিত্ৰ কোৰাণৰ বক্তব্য হ'ল যে ঋণ লোৱা গৰাকী যদি অশিক্ষিত হয় তেওঁ আনৰ পৰা লিখাই লওঁক আৰু সেই বুজাবুজি অতি কমেও দুজন সাক্ষী লোৱা হওঁক। এয়াও আৰশ্যক যে ঋণ উভতাই দিয়াৰ বাবে সময় নিশ্চিত কৰিব লাগে কিয়নো ইয়াক লক্ষ্য কৰা হৈছে সাধাৰণতে উভতাই দিয়াৰ ক্ষেত্ৰতে কাজিয়াৰ সূত্ৰপাত হয় কিয়নো ঋণ প্ৰদান কৰা জনে বুজি উঠে যে কেইদিনমানৰ ভিতৰতে ধন উভতাই দিব আৰু লোৱাজনে ভাবে যে মই সোনকালে ধন উভতাই দিব নোৱাৰিম। পুনৰ উল্লেখ কৰা হৈছে যে টকা লোৱা জনে সময়ত ঋণ উভতাই দিব লাগে কিন্তু সেই ঘটনাৰ দ্বাৰা যিটো সীমাৰ ভিতৰত নাছিল সেয়ে ঋণ উভতাই দিয়াত সামৰ্থ নহ'লে পুনৰ ঋণ দিয়াজনে সময়সীমা বৃদ্ধি কৰি দিব লাগে আৰু তাত অতি ধৈৰ্যৰে সময় অহাৰলৈকে আদায় কৰা কাৰ্যক স্থগিত কৰিব লাগে। কিন্তু ঋণ লোৱা জনৰ নিজৰে অনিবাৰ্য আৰশ্যকতা আহি পৰে তেন্তে মুছলমানৰ মাজৰ পৰা কোনো সামৰ্থ থকা ব্যক্তিয়ে বৰঙণি এক গোট কৰি ঋণ পৰিশোধ

কৰিব লাগে কিন্তু এই চৰ্তত যে ঋণ লোৱাজনে কোনো বাস্তৱিক অসহায়ত পৰে। তেওঁৰ কোনো আলচ্য, উপেক্ষা অথবা উৎপাত, দুষ্টামিৰ সংযোগ থাকিব নোৱাৰিব। যদি কোনো ঋণী ব্যক্তিয়ে নিজৰ ঋণ পৰিশোধ নকৰাকৈ মৃত্যুৰ মুখত পৰে তেন্তে তেওঁৰ সম্পত্তিৰ পৰা ঋণ পৰিশোধ কৰিব লাগিব। যদি সম্পত্তিও নাথাকে আত্মীয়ই তেওঁৰ ঋণ পৰিশোধ কৰক যদি আত্মীয়ও নোৱাৰে তেন্তে চৰকাৰে তেওঁৰ ঋণৰ পৰিশোধ কৰিব।

চৰকাৰ আৰু ৰাষ্ট্ৰই বিশেষ পৰিস্থিতিত তথা অৱস্থাত ধণ পৰিশোধৰ উত্তৰদায়ী কৰি ইছলামে ঋণ নিয়মক অতি সহজ কৰি তুলিছে। এই নিয়মৰ উপস্থাপনৰ মাজেৰে ধনৱন্ত লোকসকলে নিজৰ ভাতৃসকলক সহায় কৰাটো অতি সৰল আৰু সহজ কৰি তুলিলে। এই নিৰ্দেশৰ পৰা কোনো লোকে অনুচিত লাভ অৰ্জন কৰিব নোৱাৰিব কিয়নো প্ৰথমতে কোনো ব্যক্তিয়ে ইয়াক নিবিচাৰে যে নিজৰ টকা কাৰোবাক এনে মনোভাবে দি দিব যদি লোৱাজন সম্পত্তি বিহীন হিচাপে মৃত্যুক আকোৱালী ল'য় তেন্তে তেওঁ প্ৰাপ্য চৰকাৰে পৰিশোধ কৰিব, দ্বিতীয়তে চৰকাৰে ইয়াক লক্ষ্য কৰিব যে ঋণ আৱশ্যক আৰু উচিত আছিল নে মৃতকে বাস্তৱিক অৱস্থাৰ বাবে তাক পৰিশোধ কৰিব পৰা নাছিল নেকি। ঋণ প্ৰদান কৰা জনৰ এই আশংকা থাকিব যে মোৰ যদি ধন উভতাই নাপাওঁ আৰু বাস্তৱিক অৱস্থাতহে ঋণ প্ৰদান কৰিব।

পুনৰ আদেশ প্ৰদান কৰা হৈছে যে এনে সামগ্ৰীক বিক্ৰী নকৰিব যাৰ নিৰ্মাণ অশুদ্ধ মছলাৰে কৰা হৈছে আৰু তেওঁ যদি অৱগত যে এয়া অশুদ্ধ আৰু বিকৃত লাগিলে তাৰ আকাৰ আৰু আকৃতি সুন্দৰ হওঁক। একেদৰে ইয়াকো নিষিদ্ধ কৰা হৈছে যে য'ত ত্ৰুটি স্পষ্ট তাক গোপনে থোৱা। উদাহৰণস্বৰূপে শস্য শুকান আৰু ভেচভেচিয়া হৈ পৰিলে তাত উচিত নহয় যে শুকান শস্য মিহলি কৰি তিতা শস্য লুকুৱাই পেলাব। যদি কোনো বেপাৰীয়ে বিসংগতি আৰু শুদ্ধতাক গুৰুত্ব নিদিয়াকৈ কিবা সামগ্ৰী বিক্ৰী কৰিলে গ্ৰাহকৰ অধিকাৰ থাকিব যে সামগ্ৰী উভতাই দি নিজৰ ধন উভতাই ল'ব। একেদৰে এই নিৰ্দেশ আছে যে সাম্‌গ্ৰীৰ দুটা মূল্য নিৰ্দ্ধাৰণ নকৰিব যে চতুৰ ব্যক্তিক অধিক সামগ্ৰী দিব আৰু শিশু আৰু অপৰিচিতজনক কম কিয়নো তথাপি তেওঁৰ অধিকাৰ

যে যিবিচাৰে সামগ্ৰীৰ মূল্য নিৰ্দ্ধাৰণ কৰিব কিন্তু তেওঁৰ এই অধিকাৰ নাথাকিব যে যাৰ পৰা যি মন যায় ল'ব, যদি কোনো গ্ৰাহক এনেধৰণৰ হয় যে তেওঁৰ লগত বিশেষ সম্পৰ্ক থকাৰ তেওঁক কিছু ৰেহাই দিব পাৰিব যেনে-আত্মীয় অথবা গুৰু বা কোনো চুবুৰীয়া, ব্যৱসায়ী আদি।

একেদৰে ইছলামে আদেশ দিছে যে বেপাৰীয়ে যেতিয়া কোনো সামগ্ৰী বিক্ৰী কৰে তেন্তে লেখি দিয়ক অথবা তাৰ বাবে সাক্ষ্য দিয়ক এনে নহ'ব যে উক্ত সামগ্ৰী ইয়াৰ আগতে কোনোবা ব্যক্তি যেন বিক্ৰী কৰা নহয়। পুনৰ গ্ৰাহকৰ ওপৰত চুৰিৰ অভিযোগ উঠক অথবা মূল্যক দ্বিতীয়বাৰ গ্ৰহণ কৰাৰ দাৱী কৰিব অথবা চুৰি সামগ্ৰীক বিক্ৰী দিব যেতিয়া গ্ৰাহকজনক ধৰা হ'ব তেতিয়া বেপাৰীয়ে তেওঁক সামগ্ৰী বিক্ৰী কৰাৰ বিষয়ে অস্বীকাৰ কৰিব। সেয়ে ইছলামে এনেবিলাক কথাক নিষিদ্ধ কৰিছে।

একেদৰে ইছলামে আদেশ দিছে যে কোনো সামগ্ৰীক ওজন নকৰাকৈ অথবা আনক বিক্ৰী নকৰিব কিয়নো ইয়াৰ জড়িয়তে কাজিয়াৰ দুৱাৰ মুকলি হয় কিয়নো ক্ৰয় কৰাকলৈ দুয়োৰে মাজত তৰ্ক-বিৰ্তক আৰম্ভ হ'ব। বিক্ৰী কৰা জনক এই বুলি উল্লেখ কৰিবযে সামগ্ৰী ভাল দিছিলো বা আনে বেয়া কৰি দিলে সম্ভৱ সেয়ে ইছলামযে উল্লেখ কৰিছে যে বেপাৰীয়ে সামগ্ৰী ওজন নকৰাকৈ আৰু নেদেখাকৈ সামগ্ৰী বিক্ৰী নকৰিব।

একেদৰে ইছলামৰ এক আদেশ এয়া যে মিছা তুলনাই মূল্যক বৃদ্ধি কৰা নহওঁক। উদাহৰণস্বৰূপে ইয়াক কোৱা নহয়যে বেপাৰীয়ে নিজৰ এজন সংগীক শিকাই ঠিয় কৰাই থৈছে আৰু তেওঁ এটা সামগ্ৰীৰ অধিক মূল্য দিবলৈ সাজু হৈ পৰিছে আৰু এইদৰে গ্ৰাহক বুজিবলৈ দিয়া হৈছে যে সামগ্ৰীৰ মূল্য বৃদ্ধি হৈছে আৰু লোকসকলে ইয়াক অধিক মূল্যত ক্ৰয় কৰাৰ বাবে আগবাঢ়ি আহঁক। এনেদৰে কোনো নিলামৰ সময়ত মিছা ডাক লগাই মূল্যক বৃদ্ধি কৰা। এনেদৰে ইছলামে এই আদেশ দিছে যে বাহিৰৰ পৰা অহা বেপাৰীক নগৰৰ বাহিৰলৈ গৈ লগ কৰিবনেলাগে গতিকে তেওঁ প্ৰথমতে বজাৰলৈ আহিব দিব লাগে যাতে বাস্তৱিক দৰ জানিব পৰা যায় আৰু তাৰ পৰা কোনো ক্ষতি হ'ব বা ক্ৰয়-বিক্ৰয়ত কোনো ধৰণৰ কাজিয়া হ'ব।

একেদৰে ইছলামে আদেশ দিছে যে অনিশ্চিত সামগ্ৰীক ক্ৰয়-বিক্ৰয় নকৰিব গতিকে সামগ্ৰী চোৱাৰ পিছত ক্ৰয় কৰিব লাগে। লাগিলে সেয়া নিজেই নতুবা এজেণ্টৰ দ্বাৰা। এনে কৰিব নালাগে যে ঘৃতক্ৰীড়া ( জুৱা)ৰ দৰে সামগ্ৰী কৰা হওঁক। উদাহৰণ হিচাপে এনেদৰে ক্ৰয়-বিক্ৰয় কৰিব নালাগে যি স্থানৰ পৰা কৰক লাগে যেন সেয়া প্ৰথমতে নিশ্চিত কৰা মূল্যত গ্ৰাহকে লাভ কৰিব আৰু এনেদৰে কোনো আন আহিলাক প্ৰয়োগ কৰি কোনো বস্তুক ক্ৰয়-বিক্ৰয় কৰিব নালাগে। এই আদেশৰ পৰা ইছলামে তাক অস্বাভাৱিক পদ্ধতিক প্ৰয়োগ কৰাৰ যাক লুণ্ঠন কৰাৰ সংজ্ঞা প্ৰদান কৰিছে, তাক সদায় নিষিদ্ধ কৰি আহিছে। কোনে ক'ব পাৰে যে এই পদ্ধতি নিশ্চয় শুদ্ধ নিসৰ্গৰ বিৰোধ নহয়? এই পদ্ধতি নিশ্চয় জুৱাৰ আন এটা ৰূপ আৰু ইমানেই বেয়া যে জুৱাৰ এটা ক্ষুদ্ৰ ক্ষুদ্ৰ ৰূপ।

**সভা-সমিতি আৰু সহভোজ সম্পৰ্কীয় নিয়ম তথা শিষ্টাচাৰ**

পাৰস্পৰিক ভাতৃত্ববোধ যায় কুটুম্বিক সম্পৰ্ক বুলি ক'ব পৰা যায়। যি বিলাক ভাগ আৰু প্ৰকাৰৰ সন্দৰ্ভত মই উল্লেখ কৰাৰ বাবে আগবাঢ়িছো তাৰ মাজত এটা ভাগ বৈঠক তথা সমাৱেশ আদি সভাৰো শিষ্টাচাৰ আছে। কুটুম্বৰ অধিকাংশ কাৰ্য আলোচনাচক্ৰ, বৈঠক তথা সহভোজ সম্পৰ্কীয় সভাৰ দ্বাৰা পূৰ্ণ হয় তথা এই সভাসমূহে মানবীয় সভ্যতাত এক অতি বিস্তৃত তথা গভীৰ প্ৰভাৱ পেলায়। সেয়ে এই ভাগসমূহৰ বিষয়ে যি নিয়ম তথা ইছলামে উপস্থাপন কৰিছে তাৰো উল্লেখ কৰাটো আৱশ্যক হৈ পৰা বুলি ভাবিছোঁ।

সহভোজৰ বিষয়ত ইছলামৰ আদেশহৈছে যে যিসকললোকক সহভোজত আমন্ত্ৰণ কৰা হয় তেওঁলোকে আমন্ত্ৰণ গ্ৰহণ কৰি যিমান দূৰ সম্ভৱ নিমন্ত্ৰণ স্বীকাৰ কৰিব লাগে কিয়নো সহভোজে নিমন্ত্ৰণৰ প্ৰেমক বৃদ্ধি কৰে তথা সময়ৰ বিপৰীতে অস্বীকাৰ কৰা প্ৰেমৰ এনাজৰীডালক ছিঙি দিয়ে। পুনৰ আদেশ যে সহভোজৰ ক্ষণত কোনো আমন্ত্ৰণ নকৰাকৈ যাৰ নালাগে তথা কোনোবা ব্যক্তি কাৰোবাৰ লগত গ'লে যাৰ লগত যায় তেওঁ প্ৰথমতে ঘৰৰ গৰাকীৰ পৰা অনুমতি ল'ব লাগে। এইদৰে আদেশ দিয়া হৈছে যে খোৱাৰ সময়ৰ আগতে গৈ বহিব নালাগে গতিকে নিশ্চিত সময় যাৱ লাগে। খোৱাৰ সময়ত পৱিত্ৰতাৰ

প্ৰতি লক্ষ্য ৰাখিব লাগে। হাত ধুই বহিব লাগে। লোভৰ সৈতে খাব নালাগে তথা নিজেই আগতে খাব নালাগে। খোৱাৰ সময়ত আহাৰক বেয়া বা তুচ্ছ বুলি উল্লেখ কৰিব নালাগে। এনেদৰে প্ৰশংসা কৰক যে তাৰ পৰা সমন্বয় আৰু চাতুৰিতাৰ প্ৰদৰ্শন হয় যেতিয়া আহাৰ গ্ৰহণ পৰ্ব শেষ হ'ব হাত ধোৱা আৰু প্ৰাৰ্থনা কৰিব, আৰ্শীবাদ দিব  ঘৰৰ গৰাকীক তথা তেওঁলোকৰ পৰিয়াল বৰ্গক যিসকলে এই ভোজন আয়োজন কৰাৰ বাবে কষ্ট কৰিছে আৰু পৰমাত্মাৰ পৰা আৰ্শীবাদৰ কামনা কৰা। যদি ঘৰৰ গৰাকীৰ পৰা এনে কোনো দৰখস্ত থাকে তাত ৰৈ নাথাকিব বা বহি নাথাকিব গতিকে শীঘ্ৰে নিবৃত্ত হৈ যাবাগৈ।

আলোচনাচক্ৰ তথা সভাৰ বিষয়ত ইছলামে এই শিক্ষা দিছে যে কেৱল তিনি প্ৰকাৰৰ সভা তথা আলোচনাচক্ৰ লাভজনক হয়—

প্ৰথম— মান আমাৰা বিছাদাকাতিন

অৰ্থাৎ ঃ যি সভাৰ কাম দুখীয়াক সেৱা তথা তেওঁলোকৰ অনিবাৰ্য আৱশ্যকসমূহক পূৰণ কৰা।

দ্বিতীয় —আও মাৰুফিন

অৰ্থাৎ — যি নানান জ্ঞান-বিজ্ঞান সন্ধান, প্ৰকাশন, অনুশীলন, শিক্ষা-দীক্ষা অথবা কোনো আৱিষ্কাৰৰ  উদ্দেশ্য আয়োজন কৰা হয়।

তৃতীয়তে— আও ইচলাহি বাইনান্নাছ

অৰ্থাৎ —  যাৰ আয়োজন কাজিয়াৰ নিষ্পত্তিৰ বাবে কৰা হৈছে লাগে সেয়া গাৰ্হস্থিক কাজিয়া আঁতৰ কৰা লাগে ৰাষ্ট্ৰীয় বা জাতীয় বা লাগে আন্তঃ ৰাষ্ট্ৰীয় কাজিয়াক নিষ্পত্তিৰ কৰাৰ, লাগে সেয়া ৰাষ্ট্ৰীয় বা জাতিৰ ৰাজনৈতিক প্ৰৱন্ধক পৰিচালনা কৰাৰ বাবে কিয়নো সেয়াও সংস্কাৰৰ এটা কাম।

এই আলোচনাচক্ৰ তথা সভাসমূহৰ বিষয়ত ইছলামে এই শিক্ষা দিছে যে প্ৰথমতে এনেধৰণৰ সভা অনুষ্ঠিত কৰাৰ আগতে সকলো লোকে ইয়াক দৃষ্টি দিব লাগে যাতে সভাত বহুতো লোক এক গোট কৰিব পৰা যায় আৰু এনে স্থানত কৰিব নালাগে য'ত সমাগমৰ বাবে দুগৰ্ন্ধ বিয়পি পৰে তাক আমি বঢ়াব নালাগে। এনে কোনো গোন্ধ সৃষ্টি কৰা বস্তু ভক্ষণ কৰি যাৰ দ্বাৰা মুখৰ পৰা দুৰ্গন্ধি আহিব ধৰে যেনে পিয়াজ, নহৰু ইত্যাদি অথবা সোকা,

চিগাৰেট আদি সামগ্ৰীৰ প্ৰয়োগ কৰিব নালাগে, যাতে আন সংগীসকলৰ কষ্ট নহয়।

দ্বিতীয়তে— এনে অৱস্থাত ভালদৰে পৰিষ্কাৰ কৰিব আৰু স্নান আদি কৰিব, পাৰে যদি সুগন্ধি জাতীয় পদাৰ্থৰ প্ৰয়োগ কৰিব যাতে মন তথা বুদ্ধিৰ সতেজতা তথা বায়ু পৰিষ্কাৰ হয়।

তৃতীয়তে— সভাত ডাঙৰকৈ ফাক ৰাখি বহিব লাগে যাতে আনৰ উশাহৰ পৰা কষ্ট নহয়।

চতুৰ্থতে— কোনো সংক্ৰামক ৰোগ থাকিলে তেওঁ সেই স্থানলৈ যাব নালাগে য'ত লোক একগোট হয় কিয়নো এইদৰে আন লোকসকলৰ ৰোগ সংক্ৰমণ হোৱাৰ আশংকা থাকে। এই আদেশত আচৰণ কৰাৰ বাবে ইমান কঠোৰ আজ্ঞা দিয়া হৈছে যে হজৰত ওমৰ য়ে এজন কোষ্ঠ ৰোগীক কাবাৰ হজ কৰাৰ বাবে বাধা দিলে আৰু ক'লে যে নিজৰ ঘৰত অধিক বহি থাকিবা। সভা-সমিতিত নাযাবা কিয়নো ৰোগৰ সংক্ৰমণ হ'ব পাৰে।

পঞ্চমতে— যদি কোনোবা ব্যক্তি কথা কোৱাৰ বাবে থিয় হৈছে তেন্তে লোকসকলে তেওঁৰ প্ৰতি মুখ কৰি একান্ত মনেৰে কথাবোৰ শুনিব লাগে আৰু কথা কোৱাত বাধা নিদিব তথা ব্যাখাৰ সময়ত কেতিয়াওঁ প্ৰদৰ্শন নকৰিব লাগে সেয়া আপোনাৰ হৃদয়ত যিমানেই বিৰুদ্ধত্মাক হওঁক।

ষষ্ঠতে— যেতিয়া ক'ব অতি মৃদু স্বৰত তথা শিষ্টাচাৰত ক'ব। এনে ভংগীৰে কথা নক'ব যে লোকসকলে বুজিকে নাপায়।

সপ্তমতে— সভালৈ কোনোবা ব্যক্তি আহিলে তেওঁক বহিবলৈ আসনৰ ব্যৱস্থা কৰিব লাগে।

অষ্টমতে— কোনো ব্যক্তিয়ে কিবা আৱশ্যকতাত যাব লগা হ'লে অনুমতিলৈ যাব লাগে। সভাপতিৰ অনুমতিৰ অবিহনে সভাৰ পৰা বহিৰলৈ যাব নালাগে।

নৱমতে— যদি কোনো ব্যক্তিয়ে অস্থায়ীভাবে যাব বিচাৰিছে তথা পুনৰ তেওঁ উভতি অহাটো নিশ্চিত হ'লে কেতিয়াওঁ তেওঁৰ স্থানত বহিব নালাগে তথা তেওঁৰ আসনখন খালি ৰাখিব লাগে।

দশমতে— সেই ব্যক্তি যি অতি ওচৰা-ওচৰিকৈ বহে আৰু ইয়াক প্ৰতিপন্ন হৈ

পৰে বিশেষ উদ্দেশ্যত তেওঁলোক ওচৰা-ওচৰিকৈ বহিছে, যদি তেওঁলোকৰ মাজত স্থান খালি থাকিলেও কোনো আনলোক বহিব নালাগে।

একাদশত— এয়া যে সভাত তিনিগৰাকী ব্যক্তি আছে তেন্তে এনে অৱস্থাত দুজনে পৰস্পৰে বাৰ্তালাপ নকৰিব যাতে তৃতীয়জনৰ মনত সন্দেহ জাগ্ৰত হওঁক যে ইহঁতে মোৰ বিষয়ে কথাপাতি আছে।

দ্বাদশতে— এয়া যে কথাবোৰ ক্ৰম অনুসৰি কৰক। সাধাৰণভাবে কথাৰ আৰম্ভ নকৰিব

ত্ৰয়োদশতে— এয়া যে যেতিয়া কথাৰ আৰম্ভ কৰে সভাপতিক সম্বোধন কৰিব।

এই সংক্ষিপ্ত চিত্ৰ সেই সভ্যতাৰ সম্পৰ্কীয় নিয়মৰ যাক হজৰত মছীহ মাওউদ মিৰ্জা গোলাম আহমদ চাহেব কাদিয়ানীয়ে আমাৰ সন্মুখত উপস্থাপন কৰিছে তথা আপুনি উল্লেখ কৰা সিদ্ধান্ত অনুসৰি আমি যি ইছলামী শিক্ষা গ্ৰহণ কৰিছোঁ। সেয়ে এয়া বাস্তৱিক ইছলামী সভ্যতাৰ চিত্ৰ তথা লগতে শুদ্ধ আহমদীৰ চিত্ৰ হয়।

কুটুম্বীক তথা গাহ্যস্থ জীৱনৰ বিষয়ত ইছলামী সভ্যতাৰ নিয়মক উল্লেখ কৰাৰ পিছত এতিয়া মই সেই আদেশক বৰ্ণনা কৰিম যি ইছলামে ৰাজ্য (চৰকাৰ) তথা প্ৰজাৰ সম্পৰ্কত অথবা ধনী তথা দুখীয়াৰ সন্দৰ্ভত উল্লেখ কৰা হৈছে।

## সভ্যতা তথা সামাজিকতাৰ দ্বিতীয় স্তৰ

## চৰকাৰ তথা প্ৰজা, ধনী বা দুখীয়াৰে সম্পৰ্কিত নিয়ম

যেতিয়া মই ইয়াক উল্লেখ কৰো যে ‘ধনৱন্ত তথা দুখীয়া’ৰ ইয়াৰ সৈতে তাৎপৰ্য যে তেওঁলোক ক্ষুধা পীড়িত লোক নহয় যি আনৰ দান- পুণ্যৰ ওপৰত নিৰ্ভৰ কৰি জীৱন অতিবাহিত কৰে গতিকে ইয়াৰ পৰা মোৰ অভিপ্ৰায় হ’ল যে সেই লোক যি ইমান ধন নাৰাখে যে মানৱজাতিৰ কোনো এটা ভাগক নিজৰ অধীন কৰি ল’ব পাৰে। মই ধনৱন্ত তথা দুখীয়া শব্দক জানি-বুজি ব্যৱহাৰ কৰিছোঁ এই কাৰণে যে যি বিৱৰণ মই আগলৈ উল্লেখ কৰিব লৈছো এই নামতে ভালদৰে অভিব্যক্ত হ’ব পাৰে। এই শীৰ্ষ অনুসৰি সৰ্বপ্ৰথমতে এই প্ৰশ্নৰ উত্থাপন হৈছে যে ইছলামে ৰাজ্যৰ কি পৰিভাষা প্ৰয়োগ কৰে? এই প্ৰশ্নৰ উত্তৰ এয়া যে

ইছলামৰ বাবে ৰাজ্য সেই প্ৰতিনিধি ব্যক্তিৰ নাম যাক লোকসকলে নিজৰ সামূহিক স্বাৰ্থক ৰক্ষা কৰাৰ কাৰ্য সমৰ্পন কৰিছে। এই পৰিভাষাৰ বাহিৰে আন কোনো তাৎপৰ্য ইছলামী দৃষ্টিকোণ অনুসৰি নাই তথা প্ৰতিনিধি ৰাজ্যৰ অতিৰিক্ত ইছলামৰ পালৰ পৰা কোনো ৰাজ্যক স্বীকাৰ কৰা নহয়। পৱিত্ৰ কোৰাণে এই তত্ত্বক এক অতি দৃঢ় আৰু সূক্ষ্ম শব্দৰে অভিব্যক্ত কৰিছে আৰু সেই শব্দক 'আমানত' বুলি উল্লেখ কৰিছে। পৱিত্ৰ কোৰাণে ৰাজ্যক 'আমানত' অৰ্থাৎ বিশস্ততা বুলি উল্লেখ কৰিছে অৰ্থাৎ সেই অধিকাৰ কোনো ব্যক্তিক লোকসকলে প্ৰদান কৰিছে। এনে নহয় যি তেওঁ নিজেই অৰ্জন কৰিছে। অথবা পৃথক সম্পত্তিৰ পৰা তাক লাভ কৰা হৈছে। ইয়াক এটা শব্দত ইছলামী ৰাজ্যৰ সম্পূৰ্ণ বিদ্যা প্ৰদৰ্শন কৰাৰ বাবে যথেষ্ট।

পৱিত্ৰ কোৰাণে ৰাজ্যৰ বৰ্ণনা সম্ৰাটৰ পৰা আৰম্ভ কৰি প্ৰজাৰ তৰফৰ পৰা তাক পৰিচালিত কৰা হোৱা নাই তথাপি ৰাষ্ট্ৰত জনসাধাৰণৰ পৰা আৰম্ভ কৰি হাকিম তথা বিষয়া দিশেলৈ যোৱা হৈছে। মোৰ বাবে তাৰ পূৰ্ণ আনন্দ লাভ তেতিয়ালৈকে পোৱা নাযাব যেতিয়ালৈকে মই সেই আয়াতক উপস্থাপন নকৰো য'ত ইছলামী চৰকাৰ তথা তাৰ কৰ্তব্যক অতি সংক্ষিপ্ত কিন্তু সম্পূৰ্ণ শব্দত অভিব্যক্ত কৰা হৈছে। পৰমেশ্বৰে উল্লেখ কৰিছে—

اِنَّ اللّٰهَ يَاْمُرُكُمْ اَنْ تُؤَدُّوا الْاَمٰنٰتِ اِلٰٓى اَهْلِهَا ۙ وَاِذَا حَكَمْتُمْ بَيْنَ النَّاسِ اَنْ تَحْكُمُوْا بِالْعَدْلِ ؕ اِنَّ اللّٰهَ نِعِمَّا يَعِظُكُمْ بِهٖ ؕ اِنَّ اللّٰهَ كَانَ سَمِيْعًا بَصِيْرًا ۝٥٩ (4:59)

অৰ্থাৎ— পৰমেশ্বৰে তোমাক আদেশ দিছে যে ৰাজ্যৰ ঐতিহ্যক তেওঁলোকৰ অধিকাৰক অৰ্পণ কৰা আৰু যেতিয়া হে অধিকাৰী বৰ্গ তুমি অধিকাৰী হৈ পৰিলে ন্যায়ৰ সৈতে ৰাজত্ব কৰা। পৰমেশ্বৰে যি কথাৰ শিক্ষা তোমাক প্ৰদান কৰিছে সেয়া বহু ভাল তথা পৰমেশ্বৰ শ্ৰৱণ কৰোতা তথা অৱগত হোৱা জন। এই আয়াতত সৰ্বপ্ৰথমতে প্ৰজাক সম্বোধন কৰাহৈছে যে অধিকাৰী সৃষ্টি কৰাটো তোমাৰ অধিকাৰত আছে। তোমালোকৰ বাহিৰে আন কোনো ব্যক্তিৰ অধিকাৰী

সৃষ্টি কৰাৰ অধিকাৰ নাই। ইয়াৰ তাৎপৰ্য এয়াযে প্ৰতিটো সম্পত্তিৰ ৰূপত কোনো ব্যক্তি ৰাজ্যৰ গৰাকী অথবা অধিকাৰী হ'ব নোৱাৰে। কাৰোৰে অধিকাৰ নাই যে কাৰোবাৰ সন্তান হোৱাৰ কাৰণে জনসাধাৰণৰ কান্ধত ৰাজ্যৰ জুৱা ৰাখিব। দ্বিতীয়তে ইয়াক উল্লেখ কৰা হৈছে যে ৰাজ্যৰ সত্বা বহুমূলীয়া সামগ্ৰী হয় যিদৰে ঐতিহ্য মূল্যৱান হয়। গতিকে এনে কোনো ব্যক্তিক দায়িত্ব অৰ্পণ কৰিব নালাগে যি ইয়াৰ যোগ্য নহয় গতিকে সেই ব্যক্তিক অৰ্পণ কৰিব লাগে যি সততাৰে এই আমানত আৰু ঐতিহ্যক ৰক্ষা কৰে।

তৃতীয় আদেশ এয়াযে যিহেতু ৰাজ্য কোনো স্থায়ী বস্তু নহয়, গতিকে সেই অধিকাৰক আন কোনো ব্যক্তিক সমৰ্পন কৰাৰ নাম যাক অধিক লোকক ৰাজহুৱা কাৰ্য হোৱাৰ কাৰণে লোকসকলে ব্যক্তিগত ভংগীত পৰিচালিত কৰিব নোৱাৰে। গতিকে তেওঁলোকে ঐতিহ্যক বুজিব লাগে কিয়নো সত্বা তথা কৰ্তব্যৰ যি সংযোগ তাৰ নাম ৰাজ্য কোনো ব্যক্তিৰ পৈত্তিক সম্পত্তি অথবা তেওঁৰ নিজৰ সম্পত্তি নহয় গতিকে সামূহিক ৰূপত সমাজেই তেওঁলোকৰ গৰাকী। চতুৰ্থ আদেশ ৰাজ্যৰ অধিকাৰীক ইয়াক প্ৰদান কৰা হৈছে যিসমূহ তোমাক দিয়া হৈছে সেইসকলোবোৰ ঐতিহ্যৰ ৰূপত দিয়া হৈছে। তাক সেইদৰে সুৰক্ষিত তথা তাত কোনো ধৰণৰ বিকাৰ তথা দুষিত কৰাৰ অবিহনে নিজৰ মৃত্যুৰ সময়ত উভতাই দিব লাগিব অৰ্থাৎ ৰাজ্যক পূৰ্ণ সুৰক্ষা আৰু দেশবাসীক স্বাৰ্থক সুৰক্ষা কৰিব লাগিব আৰু এয়া তোমাৰ অধিকাৰ নহয় যে তেওঁলোকৰ স্বাৰ্থত কিবা ক্ষতি হওঁক।

পঞ্চম আদেশ এই আয়াতৰ পৰা এয়া স্পষ্ট হৈ পৰে যে অধিকাৰীয়ে নিজৰ ৰাজত্বকালত জনসাধাৰণৰ অধিকাৰক পূৰ্ণ ৰূপত ৰক্ষা কৰক আৰু কোনো ধৰণৰ কাজিয়া নকৰক। এই আয়াতৰ পৰা এয়াও বিদিত হৈছে যে মুছলমানে এই ক্ষেত্ৰত দুৰ্বলতা প্ৰদৰ্শন কৰিব তথা আন জাতিক অনুকৰণ কৰাৰ ক্ষেত্ৰত পুন সাম্ৰাজ্যবাদৰ দিশে অগ্ৰসৰ হ'ব কিন্তু পৰমেশ্বৰৰ এই সন্দৰ্ভত বক্তব্য হ'ল যে যি আদেশ মই প্ৰদান কৰিছোঁ যে প্ৰতিটো সম্পত্তিৰ ৰূপত সাম্ৰাজ্যবাদৰ কাষলৈকে নাযাবা তথাপি নিৰ্বাচনৰ দ্বাৰা শ্ৰেষ্ঠ তথা কূটনৈতিক বুদ্ধিৰ লোকক শাসন কাৰ্যৰ বাবে নিৰ্বাচন কৰিব লাগে। সেয়াই

ভাল আৰু লাভজনক হ'ব আৰু পৰমেশ্বৰ দেখোতা আৰু শুনোতা অৰ্থাৎ সংসাৰৰ বিপত্তিক দেখি আৰু সেই প্ৰাৰ্থনাক শ্ৰৱণ কৰি আমি সেই শাসন পদ্ধতি তোমাক প্ৰদান কৰিছোঁ সেয়ে ইয়াক উপেক্ষা বৃত্তি আৰু কুপ্ৰবৃত্তিত প্ৰদৰ্শন নকৰিবা। উপৰোক্ত আয়াতৰ পৰা এয়া স্পষ্ট হৈ পৰিছে যে, ইছলামী চৰকাৰ গণতান্ত্ৰিক হয় লগতে প্ৰতিনিধি আৰু চৰকাৰো অৰ্থাৎ বুজি উঠা হয় যে বাদশ্বাহে ৰাষ্ট্ৰৰ লোকক ব্যক্তিগত ৰূপত নহয় গতিকে সামূহিক ৰূপত প্ৰতিনিধি হয়। কিন্তু এতিয়া মই ইছলামী শাসনৰ এক সংক্ষিপ্ত ৰূপৰেখা প্ৰস্তুত কৰিছোঁ যাৰ দ্বাৰা সকলো পক্ষৰে মগজুত সুৰক্ষিত হ'ব পাৰে।

ইছলামে এই বুলি আদেশ দিয়া হৈছে যে মুছলমানে লগ হৈ এনে এজন ব্যক্তিক যি এই কাৰ্যৰ বাবে যোগ্য বুলি ভাবি নিৰ্বাচন কৰিব লাগে যে যি শাসনৰ বাঘজৰী নিজৰ হাতত লয়। সেই ব্যক্তিৰ নিৰ্বাচন পশ্চিমীয়া ৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতিৰ দৰে কেইবছৰমানৰ কাৰণে নহয় গতিকে সম্পূৰ্ণ জীৱনৰ কাৰণে হয় আৰু তেওঁৰ নিৰ্বাচনৰ পিছত পুনৰ পৰমেশ্বৰে তেওঁক আৰু তেওঁৰ আসনৰ পৰা পদচ্যুত কৰিব পাৰে অৰ্থাৎ মৃত্যু প্ৰদানেৰে। সেই ব্যক্তিৰ হাতত সকলো সেই শক্তি তথা অধিকাৰ থাকে যি শাসকে লাভ কৰে কিন্তু সেই ব্যক্তিৰ কৰ্তব্য হ'ল যে তেওঁৰ সম্পূৰ্ণ আয়ুস ৰাষ্ট্ৰৰ কল্যাণৰ কাৰণে প্ৰদান কৰক, নিজৰ মান প্ৰতিষ্ঠা আৰু প্ৰশংসা লাভ কৰিবলৈ নহয়। চৰকাৰী কোষৰ ধনৰ ওপৰত তেওঁৰ কোনো নিজা অধিকাৰ নাথাকে, দেশৰ প্ৰয়োজনত সেই কোষৰ ধন প্ৰয়োগ কৰিব পাৰে। তেওঁ নিজৰ বাবে বেতন নিশ্চিত কৰিব নোৱাৰে তথাপি আৱশ্যক যে মুছলমানৰ পৰামৰ্শদাতা সভাই তেওঁৰ দৰমহা নিশ্চিত কৰিব। তেওঁৰ কৰ্তব্য যে পৰামৰ্শদাতাৰ এখন সভাৰ দ্বাৰা দেশ ৰ জনসাধাৰণৰ জনমতক অৱগত হওঁক আৰু যেতিয়া প্ৰয়োজন হৈ পৰে এক সৰ্বসাধাৰণ ঘোষণাৰ দ্বাৰা সমস্ত জনতাৰ মতামতক জানি লওঁক যাতে কোনো সময়ত দেশৰ প্ৰতিনিধি আৰু ৰাষ্ট্ৰৰ সাধাৰণ জনমতৰ বিৰোধী হৈ পৰে তেন্তে সাধাৰণ জমনতক জানিব পাৰিব। তাৰ পৰা আশা কৰিব পৰা যায় যে সংখ্যাগৰিষ্ঠতাক আদৰ কৰক কিন্তু যিহেতু এয়া প্ৰতিটো প্ৰকাৰৰ ৰাজনৈতিক প্ৰেক্ষাপটৰ পৰা ওপৰলৈ গতি কৰে আৰু ৰাজ্যত তেওঁৰ কোনো ব্যক্তিগত লাভ নাথাকে

গতিকে তেওঁৰ মতৰ বিষয়ত বিশ্বাস কৰিছে যে সদায় নিৰপেক্ষ হ'ব। তাত কেৱল দেশ তথা জাতিৰ লাভহে অভিষ্ট হ'ব। সেই কাৰণে প্ৰতিনিধিয়ে দেশৰ সাধাৰণ জনমত বিশ্বাস কৰিব লাগে। ইছলামে কথা দিছে যে তেওঁ পৰমেশ্বৰৰ তৰফৰ পৰা বিশেষভাবে সহায় লাভ কৰিব। সেয়ে তেওঁক অধিকাৰ দিয়া হৈছে যে যদি তেওঁ বিশেষ আৱশ্যকতাত যিটো অতি গুৰুত্বপূৰ্ণ হয়, পৰামৰ্শদাতাৰ সংখ্যাগৰিষ্ঠতাৰ ভিত্তি নিৰ্ণয়ক বাতিল কৰিব বিচাৰিলে কৰিব পাৰে।

সেয়ে তেওঁ স্বাধীন হোৱাৰ অৰ্থতে মন্ত্ৰীমণ্ডলৰ নিৰ্ণয়ক অস্বীকাৰ কৰি বাতিল কৰিব পাৰে তথা অৱৰূদ্ধ হয় এই অৰ্থত যে তেওঁ ইছলামৰ নিশ্চিত নিয়মৰ অধীন যিবোৰক পৰিৱৰ্তন কৰাৰ কোনো অধিকাৰ তেওঁৰ নাই আৰু বাধ্য যে এই সন্দৰ্ভত মন্ত্ৰণা তথা পৰামৰ্শৰ অবিহনে কোনো নিৰ্ণয় গ্ৰহণ নকৰিব তথা ৰাজ্যক নিজৰ ব্যক্তিগত সম্পত্তি হোৱাৰ পৰা ৰক্ষা কৰা। তেওঁক নিৰ্বাচন কৰা বুলি এই অৰ্থত উল্লেখ কৰা হৈছে যে পৰমেশ্বৰে প্ৰজাৰ দ্বাৰা তেওঁক নিবাৰ্চন কৰাইছে তথা প্ৰতিনিধি সত্বা এই অৰ্থত যে তেওঁৰ পৰা আশা কৰা হয় যে তেওঁ কোনো অসাধাৰণ আৱশ্যকতাৰ বাহিৰেও মহত্বপূৰ্ণ সমস্যাত সংখ্যাগৰিষ্ঠতাৰ বিৰুদ্ধে নাযায় আৰু এয়া যে ৰাষ্ট্ৰীয় কোষৰ প্ৰতি ব্যক্তিগত কোনো অধিকাৰ নাথাকে। তেওঁ অলৌকিক শক্তিৰ অধিকাৰী এই অৰ্থত যে তেওঁক পদচ্যুত কৰিব পৰা নাযায় আৰু এয়া যে পৰমেশ্বৰৰ বিশেষ অনুগ্ৰহ তথা সহায় তেওঁ লাভ কৰে।

এই সিদ্ধান্তসমূহৰ বাহিৰেও পৰামৰ্শদাতাৰ সভাৰ নিৰ্বাচন তথা ৰাজ্যপালৰ নিৰ্বাচন আদি সম্পৰ্কীয় বাকী বিৱৰণসমূহ সাময়িক আৱশ্যকতাৰ উপলক্ষে ইছলামে জানি-বুজি বাদ দিছে যাতে মানৱ বুদ্ধিক এই সহায়ক উপকৰণত নিজেই নিজেই বিবেচনা তথা উন্নতি কৰাৰ সুযোগ লাভ কৰক যিটো নিজেই মানবীয় বুদ্ধি বিকাশৰ বাবে আৱশ্যক বস্তু হয়। পৱিত্ৰ কোৰাণত উল্লেখ কৰা হৈছে-' হে মুছলমান প্ৰতিটো বিৱৰণ ৰছুল(পৰমাত্মাৰ অৱতাৰ)ক সুধি নাথাকিবা কিয়নো কিছুমান কথা পৰমেশ্বৰে নিজেই এৰি দিছে যাতে তোমালোকৰ বৌদ্ধিক পৰীক্ষাৰ বাবে এখন ক্ষেত্ৰ বাকী থাকে। যদি সকলো কথা পৱিত্ৰ কোৰাণে

উল্লেখ কৰে আৰু তোমালোকৰ বৌদ্ধিক বিকাশৰ বাবে কোনো ক্ষেত্ৰ বাকী নাৰাখে তেন্তে এই কথা তোমালোকক কষ্ট তথা দুখত পেলোৱা কাৰণ হিচাপে পৰিগণিত হ'ব তথা তোমালোকৰ উন্নতি আৰু বিকাশৰ কাৰণে বাধা হৈ পৰিব।'

নিঃসন্দেহে শাসন আৰু বহুতো প্ৰণালী সংসাৰত প্ৰচলিত হৈ আহিছে কিন্তু প্ৰতিজন ব্যক্তিয়ে যি ইছলামৰ শাসন প্ৰণালীক বিবেচনা কৰিব তেওঁ স্বীকাৰ কৰিব লাগিব যে ইয়াতকৈ শ্ৰেষ্ঠ আৰু কোনো প্ৰণালী নাই। এই প্ৰণালীত আন এক শ্ৰেষ্ঠতম প্ৰতিনিধি শাসন প্ৰণালী সন্মিলিত আছে আৰু দ্বিতীয়তে তাক দলবদ্ধ ভাৱনাৰ পৰা সদায় ওপৰত স্থান দিয়া হৈছে কিয়নো ইছলামৰ শাসক কোনো বিশেষ দলৰ সহায়ৰ ওপৰত আশ্ৰিত নহয়। সেয়ে কেৱল ৰাষ্ট্ৰীয় কল্যাণৰহে দৃষ্টি নিক্ষেপ কৰা হয়। সমস্ত আয়ুৰ কাৰণে প্ৰযোজ্য হোৱাৰ কাৰণে শ্ৰেষ্ঠ মগজুৰ কাৰ্যক অযোগ্য কৰি তোলা নহয় আৰু ত্যাগো কৰা নহয় সেয়ে দেশৰ প্ৰতিজন ব্যক্তি শেষৰলৈকে ৰাষ্ট্ৰ সেৱাত তৎপৰ আৰু সংলগ্ন হৈ থাকে।

ৰাজ্যপালৰ নিৰ্বাচন যদিও খলিফাৰ ক্ষমতাৰ মাজত পৰে কিন্তু তাতো জনসাধাৰণৰ জনমত গ্ৰহণ কৰাটো আৱশ্যক বুলি ধৰি লোৱা হৈছে। মই লোকসকলৰ সন্মুখত উল্লেখ কৰিছোঁ যে, এই শাসন প্ৰণালী বাস্তৱিক হয় আৰু মই আশা কৰো যেনেকৈ লোক আহমদীত প্ৰৱেশ কৰিব নিজৰ ইচ্ছাৰ বাহিৰে কোনো হেঁচাত নহয় নিজেই এই শাসন প্ৰণালীৰ অংগীকাৰ কৰি ল'ব আৰু সম্ৰাটেও ৰাষ্ট্ৰৰ কল্যাণৰ দৃষ্টি ৰাখি নিজৰ পৈত্ৰিক স্বাৰ্থত আৰু কেৱল মাত্ৰ সেই পৰিমাণত ত্যাগ কৰিব যি সীমালৈকে দেশৰ আন ব্যক্তিৰ অধিকাৰ সীমিত কৰা হৈছে।

যিহেতু হজৰত মছীহ মাওউদ (আঃ) অৰ্থাৎ হজৰত মিৰ্জা গোলাম আহমদ চাহেব কাদিয়ানী ক পৰমেশ্বৰে কেৱল আধ্যাত্মিক উত্তৰাধিকাৰী হিচাপে নিয়োগ কৰি প্ৰেৰণ কৰিছিল গতিকে ভৱিষ্যতেও যিমানলৈকে হ'ব পাৰে আপোনাৰ খিলাফৎ সেই সময়তো যেতিয়া সাম্ৰাজ্য এই ধৰ্মত প্ৰৱেশ কৰিব ৰাজনীতিতকৈ ওচৰত থাকিব বিচাৰিব। এই লোকসকলে ৰাষ্ট্ৰীয় সংঘৰ বাস্তৱিক কাৰ্য কৰিব

আৰু বিভিন্ন ৰাষ্ট্ৰৰ প্ৰতিনিধিৰ লগ হৈ ৰাষ্ট্ৰীয় সম্পৰ্কক সুচাৰুৰূপ প্ৰদান কৰাৰ বাবে চেষ্টা কৰি থাকিব আৰু নিজেই ধাৰ্মিক, চাৰিত্ৰিক, সভ্যতা সম্পৰ্কীয় তথা জ্ঞান বিজ্ঞানৰ উন্নতিৰ তথা সংস্কাৰৰ দিশে গুৰুত্ব প্ৰদান কৰি থাকিব। যাতে অতীতকালৰ দৰে তেওঁলোকৰ লক্ষ্য মাথোঁ ৰাজনীতিৰ প্ৰতি আকৰ্ষিত নকৰিব আৰু ধৰ্ম তথা চৰিত্ৰৰ মহত্বপূৰ্ণ সমস্যাবোৰ সৰ্বদা উপেক্ষিত হৈ নপৰে।

যেতিয়া মই উল্লেখ কৰিছোঁ ‘ যিমানলৈকে হ’ব পাৰে’ তেতিয়া মোৰ অভিপ্ৰায় এয়া যে যদি অস্থায়ীৰূপত কোনো ৰাষ্ট্ৰৰ লোক কিবা কঠিনতাক আঁতৰ কৰিবলৈ সহায় বিচাৰে তেন্তে তেওঁলোকৰ দেশৰ শাসক, প্ৰতিনিধিৰবত আধ্যাত্মিক খিলাফৎ কৰিব পাৰে কিন্তু এনে ব্যৱস্থাক অতি কমতকৈ কম সময়লৈকে সীমিত থোৱাটো আৱশ্যক হয়।

## ইছলামী শাসনৰ কৰ্তব্য আৰু অধিকাৰ

ইছলামী শাসনৰ ৰূপৰেখা বৰ্ণনা কৰাৰ পিছত এতিয়া মই সেই অধিকাৰক উল্লেখ কৰিম যিবোৰ ইছলামৰ শাসন সত্ত্বাক দিছে আৰু সেই কৰ্তব্য যিবোৰ ইছলামে তেওঁলোকৰ ওপৰত নিশ্চিত কৰিছে।

ইছলামৰ চৰকাৰে সৰ্বপ্ৰথমতে যি কৰ্তব্য নিশ্চিত কৰিছে সেয়া হ’ল যে চৰকাৰে প্ৰজাৰ কল্যাণ, লাভ, আৱশ্যকতা, সংগঠন, চৰিত্ৰ, আৰ্থিক বিকাশ তথা তেওঁলোকৰ নিৱাসস্থান আদিৰ উত্তৰদায়ী। এই বিষয়ত পয়গম্বৰে ইছলাম হজৰত মহম্মদ (ছাঃ)ৰ পৱিত্ৰ বক্তব্যত উল্লেখ কৰিছে যে—

“কুল্লুকুম ৰায়িনওৱা কুল্লুকুম মাছয়ুলুন আন ৰায়িয়াতিহি আলইমামু ৰায়িন ওৱা হুৱা মাছয়ুলুন আন ৰায়িআতিহি ওৱাৰ ৰাজুলু ৰায়িন ফি আহলিহি ওৱা মাছয়ুলুন আন ৰায়িআতিহি ওৱাল মাৰাআতু ৰায়িআতুন ফি বায়তি জাওজিহা ওৱা মাছয়ুলাতুন আন ৰায়িআতিহা ওৱাল খাদিমু ৰায়িন ফি মালি ছায়িদিহি ওৱা মাছআলুন আন ৰায়িআতিহি ফাকুল্লুকুম ৰায়িন ওৱা মাছয়ুলুন আন ৰায়িআতিহি।” (বুখাৰি কিতাবুল জুমুআ)

অৰ্থাৎ তোমালোকৰ সকলো সেই দ’লবোৰৰ দৰে আৰু প্ৰতিজনে সেই লোক বা বস্তুৰ সম্পৰ্কত উত্তৰদায়ী যি তেওঁলোকক সমৰ্পন কৰা হৈছে।

ৰজাক এক মহান জনসংখ্যাৰ উত্তৰদায়ী কৰা হৈছে সেয়ে তেওঁৰ পৰা তেওঁলোকৰ বিষয়ে সোধাপোছা কৰা হ'ব ।একেদৰে প্ৰতিজন পুৰুষৰ অধীনৰ এজন কটুম্ব আছে আৰু তেওঁ সেই কুটুম্বৰ উত্তৰদায়ী। পত্নীক নিজৰ সন্তানৰ দিক্ষা তথা ঘৰৰ ৰক্ষা কৰা সেয়া তেওঁলোকৰ উত্তৰদায়ী। চাকৰ উত্তৰদায়িত্বত তেওঁৰ গৰাকীৰ সম্পদ তথা সম্পত্তিত।

এই আদেশৰ পৰা স্পষ্ট হৈ পৰিছে যে ৰজাৰ এজন দলৰ পৰিচালকৰ সমান বুলি কোৱা হৈছে। যাৰ উত্তৰদায়িত্বত গৰাকী আৰু ভেড়াৰ কাণ্ডৰ দৰে সেয়ে যিদৰে তেওঁৰ কৰ্তব্য যে বিক্ষোভ আৰু বিদ্ৰোহ হ'বলৈ নিদিয়া, ভেড়াক আক্ৰমণৰ পৰা ৰক্ষা কৰা। তেওঁলোকৰ স্বাস্থ্যৰ প্ৰতি লক্ষ্য ৰাখি আহাৰ, নিৱাস স্থানৰ গুৰুত্ব দিয়া আদি কৰি এনেদৰে সকলো প্ৰয়োজনতাক সম্পূৰ্ণৰূপে লক্ষ্য ৰাখিব ঠিক সেইদৰে ইছলামী চৰকাৰৰ কৰ্তব্য যে তেওঁলোকে নিজৰ প্ৰান্তৰ লোকৰ অনৈক্য,কলহ, পাৰস্পৰিক অত্যাচাৰ আৰু বাহ্যিক আক্ৰমণৰ পৰা সুৰক্ষিত ৰাখিব তথা তেওঁলোকৰ সকলো আৱশ্যকতাৰ প্ৰতি সদা জাগ্ৰত হৈ থাকে, লাগে সেয়া শিক্ষা-দীক্ষা সম্পৰ্কিত হওঁক অথবা আন কোনোবা ধৰণৰ হওঁক।

এই শিক্ষা যে সাধাৰণ প্ৰকাৰৰ। ইয়াৰ বাহিৰেও কৰ্তব্যৰ ব্যাখ্যা এইদৰে দিয়া হৈছে যে তেওঁ প্ৰতিজন ব্যক্তিৰ বাবে আহাৰ, কাপোৰ তথা নিৱাস স্থানৰ ব্যৱস্থা কৰক। এয়া সাধাৰণ অনিবাৰ্য আৱশ্যকতা হয় যাক পূৰণ কৰাটো চৰকাৰৰ পৰম কৰ্তব্য কিয়নো ইয়াৰ অবিহনে সেই বস্তু যাৰ ৰক্ষাৰ উত্তৰদায়িত্ব তেওঁলোক প্ৰদান কৰা হৈছে সেয়া জীৱিত থাকিব নোৱাৰে। ঘৰ তথা ভোজনৰ অবিহনে ভৌতিক জীৱন কঠিন আৰু কাপোৰৰ অবিহনে চৰিত্ৰ আৰু সভ্যতা সম্পৰ্কীয় জীৱন অতি কঠিন হৈ পৰে।

সিদ্ধান্তগত আদেশ যাৰ বিষয়ে মই প্ৰথমতে উল্লেখ কৰিছোঁ, তাৰ যি অৰ্থ মুছলমানে বুজিছে আৰু যিদৰে তাৰ ওপৰত নিৰ্ভৰ কৰি জীৱনৰ নানা আৱশ্যকতা অনুসৰি আচৰণ কৰিছে সেয়ে মোৰ উদাহৰণ তথা দৃষ্টান্তই ভালদৰে বুজাই দিব। মই উল্লেখ কৰিছোঁ যে মানবীয় আৱশ্যকতাক সেই লোকসকলৰ বাবে একগোট কৰক যি তাক একগোট কৰিব নোৱাৰে, সেয়া ইছলামী চৰকাৰৰ

কৰ্তব্য। এই বিষয়ত হজৰত ওমৰ (ৰাঃ)ৰ এটা ঘটনা অতি প্ৰভাৱাত্মক তথা বাস্তৱিকতাক উদীপ্ত কৰা ধৰণৰ। এবাৰ ইছলামৰ প্ৰাৰম্ভিক যুগৰ দ্বিতীয় উত্তৰাধিকাৰী হজৰত ওমৰ অতি চিন্তাত আছিল যে কোনো মুছলমান কিবা কষ্টত নাইতো। ৰাজধানী মদিনাৰ পৰা তিনি মাইল আঁতৰত মৰাৰ নামৰ এখন গাঁও আছিল। তাত দেখা গ'ল যে, এফালৰ পৰা কন্দাৰ শব্দ শুনিবলৈ পোৱা গ'ল। আনফালে দেখা গ'ল এক মহিলাই কিবা ৰান্ধি আছে আৰু দুই-তিনিটা শিশুৱে কান্দি আছে। তেওঁক সুধা হ'ল কি হৈছে? তেওঁ ক'লে দুই-তিনি দিনৰ পৰা ভোজনৰ বাবে একো পোৱা নাই, ভোক-পিয়াহত সন্তানকেইটা অতি বিহ্বল হৈ পৰিছে সেয়ে খালি পাত্ৰটোকে চৌকাত তুলি দিয়া হৈছে যাতে সিহঁতে কিছু পাহৰি থাকি শুই পৰে। হজৰত ওমৰ এই কথা শুনি লগে লগে মদিনালৈ উভতি আহিল। আটা, ঘি, মাংস তথা খেজুৰ ল'লে আৰু এটা বস্তাত সোমোৱাই নিজৰ সেৱকক ক'লে যে মোৰ পিঠিত তুলি দিয়া। তেওঁ কলে যে কৃপানিধান মই দেখোন উপস্থিত আছো মই এই বস্তাটো দাঙি লওঁ। তে তিয়া আপুনি উত্তৰ দিলে যে নিঃসন্দেহ তুমি ইয়াক দাঙি ল'বা কিন্তু প্ৰলয়ৰ দিনা মোৰ বোজা কোনে দাঙি ল'ব ? অৰ্থাৎ সিহঁতৰ জীৱিকাৰ ব্যৱস্থা কৰাটো মোৰ কৰ্তব্য আছিল তথা সেই কৰ্তব্যক মই পূৰ্ণৰূপত পালন কৰা নাই। তাৰ প্ৰতিকাৰ এয়া যে মই নিজেই সেই সামগ্ৰী খিনি লৈ গৈ সিহঁতক প্ৰদান কৰো।

যিহেতু সমস্ত ৰাষ্ট্ৰৰ সংবাদ তথা দেশৰ যথোচিত জ্ঞান লাভ কৰাটো কঠিন হৈ পৰে সেই কাৰণে ইছলামী শাসনৰ এই ব্যৱস্থা আছিল যে সমগ্ৰ দেশৰ জনগণনা কৰা হৈছিল। জন্ম তথা মৃত্যুৰ পঞ্জীয়ণ নিশ্চিত কৰা হৈছিল আৰু ইয়াৰ উদ্দেশ্য আধুনিক যুগৰ ৰাষ্ট্ৰৰ দৰে খাজানাৰ পৰা ভৰিব লগা নহৈছিল তথাপি কোষক খালি কৰা হৈছিল। সেই পঞ্জীয়নৰ দ্বাৰা দেশৰ পৰিস্থিতি তথা দশাৰ পূৰ্ণজ্ঞান প্ৰাপ্ত হৈছিল আৰু লোকসকলৰ নানা অনিবাৰ্য আৱশ্যকতাক পূৰণ কৰাৰ ক্ষেত্ৰত সহায় কৰা হৈছিল। কিন্তু ইছলামে য'ত দুখীয়াৰ উপস্থিতিৰ আদেশ দিছে যাক মই আগতে বৰ্ণনা কৰিছোঁ আলোচ্য তথা অকমণ্যতাক নাইকিয়া কৰে। সেই উপবৃত্তিৰ এই উদ্দেশ্য নাছিল যে

লোকসকলৰ কাৰ্যক তিলাঞ্জলি দি বহি পৰক কেৱল অৱস্থাহীন জনক সেই সুবিধা প্ৰদান কৰা হওঁক অন্যথা ভিক্ষাবৃত্তিৰ পৰা লোকসকলক বাধা দিয়া হৈছিল। এবাৰ হজৰত ওমৰ এজন সন্ন্যাসীক দেখিলে, তেওঁৰ মোনাটো আটাৰে ভৰি আছিল। আপুনি তাৰ পৰা আটাখিনি উটৰ আগত ঢালি দিলে আৰু ক'লে যে এতিয়া ভিক্ষা বিচৰা। এইদৰে এয়াও প্ৰতিপন্ন হৈছিল সন্নাসীক কামত লগাবলৈ বাধ্য কৰা হৈছিল।

চৰকাৰৰ দ্বিতীয় কৰ্তব্য ন্যায়ক স্থিৰ কৰা। চৰকাৰৰ কাৰ্য যে ন্যায়ৰ শ্ৰেষ্ঠতম ব্যৱস্থা কৰা। ইছলামে ইয়াক বিশেষভাৱে আদেশ দিছে। ন্যায়ৰ বিভাগৰ কাৰণে এই নিয়মক নিশ্চিত কৰিছে যে তেওঁ কোনো ধৰণৰ পক্ষপাত নকৰক। উৎকোচ ল'ব নালাগিব, তেওঁৰ ওচৰত কাৰোবাৰে মিনতি কৰা নহওঁক আৰু সেই মিনতি স্বীকাৰ কৰিব। সাক্ষী আৰু প্ৰমাণৰ ভিত্তিত অভিযোগ নিৰ্ণয় কৰক। সাক্ষী আৰু প্ৰমাণ অভিযুক্তৰ পৰা বিদিত হওঁক অন্যথা যাৰ ওপৰত অভিযোগ উত্থাপন কৰা হৈছে তেওঁ শপত লওঁক। সাক্ষীৰ সময় চাব লাগে যে সাক্ষী দিয়া গৰাকী বিশ্বাসনীয় তথা প্ৰতিষ্ঠিত হয়, মিছলীয়া তথা উদণ্ড নহয়। ন্যায়াধীশক আদেশ দিয়া হৈছে যে তেওঁ যোগ্য তথা কাম কৰাৰ বাবে যোগ্য হওঁক। ন্যায়াধীশে নিৰ্ণয় সম্পৰ্কত এই আদেশ দিলে যে যদিও ন্যায়াধীশে ভুল কৰিব পাৰে কিন্তু যিহেতু দুয়ো পক্ষৰ নিৰ্ণয় মানুহেই কৰিছে যি ভুলৰ পৰা কেতিয়াওঁ পৱিত্ৰ নহয় যিহেতু কাজিয়া কোনো স্থানত গৈ সমাপ্ত নহয় তেতিয়া সংঘৰ্ষ বাঢ়ি যায় সেয়ে ন্যায়াধীশৰ ন্যায় প্ৰতিটো পক্ষই স্বীকাৰ কৰাটো অনিবাৰ্য। লাগে তাক শুদ্ধ বুলি ভাৱক বা অশুদ্ধ বুলি ভাৱক। যি ব্যক্তিয়ে এই কথাক নাকচ কৰে আৰু ন্যায়ালয়ৰ নিৰ্দেশক অৱহেলা কৰে তেওঁ কদাপি মুছলমান নাগৰিক বুলি ধৰি লোৱা নহ'ব কিয়নো তেওঁ সমাজৰ নিয়মক ভংগ কৰিছে। দুৰ্বল তথা অজ্ঞানীক নিজৰ অধিকাৰক বুজি পোৱাৰ ক্ষেত্ৰত সহায় কৰাৰ বাবে মুফতিৰ প্ৰথাক প্ৰচলন কৰা হয় যি বিধানক সম্পূৰ্ণৰূপে জানে কিন্তু চৰ্ত দিয়া হৈছে যে এই মুফতি কেৱল ৰাজ্যই নিযুক্ত কৰিব পাৰিব। নিজেই নিজকে কোনো ব্যক্তিয়ে মুফতি বুলি দাৱী কৰিব নোৱাৰিব।

এই নিয়ম বিলাকক প্ৰয়োগ কৰা চৰকাৰৰ অধিকাৰৰ মাজত থোৱা হৈছে আৰু আদেশ দিয়া হৈছে যে তাক প্ৰয়োগ কৰাত দয়া অথবা পক্ষপাতক স্থান দিব নালাগে। লাগে সেয়া ডাঙৰ মানুহ হওঁক বা সৰু মানুহ হওঁক। ইমানলৈকে হজৰত মহম্মদ (ছাঃ)য়ে উল্লেখ কৰিছে যে যদি মোৰ কন্যাই চোৰ কৰে তেন্তে মই তাইকো শাস্তি দিবলৈ সংকোচ নকৰো। হজৰত ওমৰ নিজৰ ল'ৰাকো এক অপৰাধত নিজ হাতেৰে চাবুকেৰে কোবাইছিল।

আন এক কৰ্তব্য চৰকাৰৰ প্ৰতি এয়া নিশ্চিত কৰা হৈছে যে দেশৰ মানপ্ৰতিষ্ঠা তথা স্বতন্ত্ৰতাক ৰক্ষা কৰক। পৱিত্ৰ কোৰাণত পৰমেশ্বৰে উল্লেখ কৰিছে যে—' হে মুছলমান সীমাত সদায় সুদৃঢ়, শিৱিৰ নিৰ্মাণ কৰি থ'বা যি আন দেশৰ সন্মুখত দেশক ৰক্ষা কৰে। শান্তি তথা যুদ্ধ দুয়োটা অৱস্থাত এই আদেশক প্ৰয়োগ কৰি থাকিবা।'

এক কৰ্তব্যত ৰাজ্যৰ স্বাস্থ্য ৰক্ষাক নিশ্চিত কৰা হৈছে। সেয়ে পথ তথা ৰাজহুৱা স্থান আদিৰ স্বচ্ছতাৰ বিষয়ত পৱিত্ৰ কোৰাণত পৰমেশ্বৰে হজৰত মহম্মদ (ছাঃ) আদেশ দিছে যে—

ওৱাৰৰুজআ ফাহজুৰ (চুৰা মুদাচ্ছিৰ আয়াত ৬)

অৰ্থাৎ— শাৰীৰিক তথা মানসিক স্বচ্ছতাৰ বাহিৰে অতিৰিক্ত বাহ্যিক দুৰ্গন্ধ তথা জাৱৰ-জোথৰ প্ৰায় আঁতৰত পেলাবা। অৰ্থাৎ ইছলামী ৰাজ্যৰ কৰ্তব্য যে প্ৰজাৰ স্বচ্ছতাৰ প্ৰতি গুৰুত্ব দিব লাগে। পয়গম্বৰ ইছলাম হজৰত মহম্মদ (ছাঃ) সদায় চাহাবা ( নিজৰ সংগী) সকলক এই কাৰ্য কৰাৰ বাবে নিয়োগ কৰিছিল যে তেওঁলোকে গৰাকীহীন কুকুৰবোৰক মাৰি পেলাওঁক যাতে সিহঁতৰ পাগলামীয়ে মানুহক ক্ষতি কৰিব নোৱাৰে।

এক কৰ্তব্য ইছলামী চৰকাৰৰ এয়া হৈছে যে তেওঁ দেশৰ শিক্ষা ব্যৱস্থা কৰক। পৰমেশ্বৰে পৱিত্ৰ কোৰাণত হজৰত মহম্মদ(ছাঃ)ৰ কৰ্তব্যৰ ভিতৰত এক কৰ্তব্যৰ শিক্ষাক নিৰ্ধাৰিত কৰিছিল। উল্লেখ আছে যে

وَيُعَلِّمُهُمُ الْكِتٰبَ وَالْحِكْمَةَ (62:3)

অৰ্থাৎঃ- জীৱন সম্পৰ্কীয় আৱশ্যক জ্ঞান আৰু নিয়ম তথা তাৰ তত্ত্বক শিক্ষা

দিয়া এই ৰছুল অৰ্থাৎ হজৰত মহম্মদ (ছাঃ)ৰ কাৰ্য আছিল। “কিতাপ’ ৰ পৰা ইয়াক বুজিব নালাগে যে কেৱল পৱিত্ৰ কোৰাণ অভিষ্ট হয় কিয়নো পৱিত্ৰ কোৰাণত জ্যোৰ্তি বিজ্ঞান, ভেষজ বিজ্ঞান, পশু বিজ্ঞান, স্বাস্থ্য বিজ্ঞান তথা ঔষধি বিজ্ঞান, ইতিহাস, চৰিত্ৰ বিজ্ঞান আদিৰ উল্লেখ আছে আৰু সেই দিশলৈ আকৰ্ষিত কৰিছে। সেয়ে “কিতাপ” শিকাবলৈ সেই নানা জ্ঞান-বিজ্ঞানৰ দিশে মনোযোগ দিয়া হৈছে। হজৰত মহম্মদ (ছাঃ)ৰ পৱিত্ৰ বক্তব্য হ’ল যে—

তালাবুল ইলমি ফাৰিজাতুন আলা কুল্লি মুছলিমিন। (মুকদ্দমা ইবনে মাজা বাব ফজলুল উলামা)

অৰ্থাৎঃ— প্ৰতিজন মুছলমানৰ পৰম কৰ্তব্য যে তেওঁ শিক্ষা আৰু বিদ্যা লাভ কৰক। আপুনি সদায় এই কথাত গুৰুত্ব দিছিল। ‘বদৰ’ৰ যুদ্ধত যিসকল শিক্ষিত লোকক বন্দী কৰা হৈছিল আপুনি সেইসকলৰ লগত চুক্তি কৰিলে যে টকা দি স্বাধীন হোৱাৰ সলনি তেওঁলোকে নিজৰ স্বাধীনতাৰ কাৰণে মুছলমানৰ সন্তানসকলক শিক্ষা দিয়ক।

আন এক কৰ্তব্য মুছলমান চৰকাৰৰ এয়া যে সেই লোকসকলক সহায় কৰক যি পেশাক অৰগত কিন্তু তাক কৰিবলৈ তেওঁলোকৰ ওচৰত ধন নাই। গতিকে ইছলামী কোষৰ পৰা এভাগ এইলোকসকলৰ বাবে নিশ্চিত কৰা হৈছে।

ইছলামী ৰাজ্যৰ আন এক কৰ্তব্য এয়া যে আভ্যন্তৰীণ শান্তিক স্থিৰ কৰক। পৱিত্ৰ কোৰাণত পৰমেশ্বৰে ইছলামী ৰাজ্যৰ কৰ্তব্য নিয়ত কৰে যে শান্তি বৰ্তাই ৰাখক তথা সেই লোকসকলক অপৰাধী ঘোষণা কৰিব লাগে যি দ্বন্দ্ব উৎপন্ন কৰে। উল্লেখ আছে যে এনে অধিকাৰী যাৰ পৰা আলচ্য আৰু অত্যাচাৰৰ পৰা দ্বন্দ্ব উৎপন্ন হয়, পৰমেশ্বৰৰ দৰবাৰত জঘন্য ধৰণৰ অপৰাধী হয়। হজৰত পয়গম্বৰ ইছলামে ইছলামী ৰাজ্যৰ এই চিত্ৰ অংকন কৰিছে যে এগৰাকী মহিলাই শত মাইল অকলশৰে যাত্ৰা কৰক আৰু তেওৰঁ কোনোধৰণৰ ভয় আৰু শংকা থাকিব নালাগে।

এক কৰ্তব্য ইয়াকো উল্লেখ কৰা হৈছে যে দেশৰ নাগৰিকৰ আহাৰৰ ব্যৱস্থা কৰক। প্ৰাৰম্ভিক ইছলামী উত্তৰাধিকাৰীৰ যুগত এই কথাৰ ওপৰত বিশেষ ভাবে গুৰুত্ব দিয়া হৈছিল আৰু উত্তৰাধিকাৰীসকলে নিজেই খাদ্য

একগোট কৰাৰ ব্যৱস্থা কৰিছিল। যেতিয়া আহিলাৰ কম হয় তেন্তে প্ৰতিজন ব্যক্তিৰ বাবে ৰেছন কাৰ্ডৰ নিয়ম কৰা হৈছিল যাৰ দ্বাৰা চৰকাৰী দোকানত শস্য ক্ৰয় কৰিব পাৰে যাতে এনে নহওঁক কিছুমান লোকে অধিক খাদ্য একগোট কৰি ল'ব আৰু আনসকল বঞ্চিত হ'ব।

এক কৰ্তব্য ইয়াকো নিশ্চিত কৰা হৈছে যে, পথসমূহক মেৰামতিৰ ব্যৱস্থা কৰক যাতে যাত্ৰা কৰিবলৈ তথা এফালৰ পৰা আনফাললৈ ভ্ৰমণ কৰাত সুবিধা হয়। সেয়ে ইছলামৰ প্ৰাৰম্ভিক যুগত যেতিয়া ৰেল বা মটৰ গাড়ী নাছিল লোকসকলে মাথোঁ খোজ কাঢ়ি যাত্ৰা কৰিছিল এই আদেশ দিয়া হৈছিল যে পথসমূহক অতি কমেও বিছফুট ওখকৈ নিৰ্মাণ কৰা হওঁক। কিন্তু এয়া এক নিয়ম উল্লেখ কৰা হৈছিল যে পথসমূহক ওখ কৰি থ'ব লাগে। এই যুগত যিহেতু গাড়ী তথা মটৰ গাড়ীৰ অতিৰিক্ত প্ৰচলন হৈছে গতিকে আধুনিক যুগৰ অনুপাত অনুসৰি পথক অধিক ওখকৈ নিৰ্মাণ কৰাটো আৱশ্যক হৈ পৰিছে। এটা কৰ্তব্য তাকো নিশ্চিত কৰা হৈছে যে শাসক (ৰজা)য়ে দেশৰ চৰিত্ৰক নিৰীক্ষণ কৰি থাকিব আৰু শিক্ষা-দীক্ষাৰ দ্বাৰা ৰাষ্ট্ৰৰ চৰিত্ৰৰ স্তৰক উচ্চ কৰি যাওঁক আৰু বিকৃত হ'বলৈ নিদিব।

শেষত এক কৰ্তব্য তথা উত্তৰদায়িত্ব ইছলামে চৰকাৰৰ ওপৰত ঘোষণা কৰিছে যে "ইউজক্কীহিম" অৰ্থাৎ লোকসকলৰ চৰিত্ৰক উচ্চস্থানলৈ গতি কৰাওঁক তথা তেওঁলোকৰ সকলো প্ৰকাৰৰ উন্নতিৰ প্ৰতি দৃষ্টি দিব। এই সৰ্বসাধাৰণ আদেশক সমস্ত ভাষাৰ আৱশ্যকতাক সন্মিলিত কৰিছে। যি নতুন জ্ঞানক সন্ধান হয়, তাক দেশত প্ৰচলন কৰিব লাগে তথা নতুন আৱিষ্কাৰক আৰু তাৰ প্ৰতি ৰাইজৰ মাজত জিজ্ঞাসা উৎপন্ন কৰা, যি সভ্যতা সম্পৰ্কীয় প্ৰশ্ন তথা সমস্যাৰ জন্ম হয় তাক ধৰ্মীয় বিধান অনুসৰি সমাধান কৰা আদি ইছলামীয় চৰকাৰৰ কৰ্তব্য হয়।

## প্ৰজাৰ কৰ্তব্য

ৰাষ্ট্ৰৰ সেই কৰ্তব্যসমূহৰ সমানে প্ৰজাৰো ইছলামে উত্তৰদায়িত্ব বৰ্ণনা কৰিছে। সেয়া হ'ল যে প্ৰজা সদায় নিজৰ চৰকাৰৰ হিতৈষী হয়। চৰকাৰ সহযোগিতা কৰিব লাগে তথা চৰকাৰৰ বিধান তথা আজ্ঞাক পূৰ্ণৰূপত পালন কৰিব লাগে

সেয়া যদি তেওঁৰ ইচ্ছাৰ বিৰোধ হয়। কিন্তু ইছলামী চৰিয়তে ইছলামী শাসকক ৰাজনৈতিক দৃষ্টিৰে তথাপি উচ্চত স্থান দিছে যদিও মানুহ হোৱাৰ দৃষ্টিয়ে তেওঁক কোনো পৃথক পদৱী বা সন্মান দিয়া হোৱা নাই। তেওঁ সেই অধিকাৰ লাভ কৰিছে যে ৰাষ্ট্ৰৰ উত্থান আৰু তাৰ কল্যাণৰ হেতু পৰামৰ্শৰ উপৰিও আদেশ জাৰি কৰে কিন্তু তেওঁৰ এই অধিকাৰ নাই যে ব্যক্তিগত ৰূপত লোকসকলৰ ওপৰত শাসন কৰক তথাপি ব্যক্তিগত ব্যৱহাৰত যদি খলিফাৰ লগত কিবা কাজিয়া সৃষ্টি হয় উদাহৰণ হিচাপে কিবা আৰ্থিক লেন-দেনৰ ব্যৱহাৰৰ বিৰোধীতা হ'লে তেনেদৰে ন্যায়ালয়ত নিৰ্ণয় কৰিব লাগিব যিদৰে আনলোকসকলে নিৰ্ণয় কৰে আৰু তাৰ কোনো ৰেহাই দিয়া নহ'ব। ইছলামৰ দ্বিতীয় উত্তৰাধিকাৰী হজৰত ওমৰ (ৰাঃ) ৰ এখন কাজিয়া আবি বিন কৰাব লগত হয়। কাজী(ন্যায়াধীশ )ৰ ওপৰত এই অভিযোগ দাখিল কৰা হয়। তেওঁ হজৰত ওমৰক মাতি পঠালে আৰু আপুনি যোৱাত সন্মানেৰে তেওঁৰ আসন এৰি দিলে। হজৰত ওমৰে তেওঁৰ বিৰোধীৰ ওচৰত গৈ বহিল আৰু কাজী নিৰ্দেশ দিলে যে এয়া অন্যায় যিটো আপুনি কৰিলে। এই সময়ত মই আৰু মোৰ বিৰোধীৰ মাজত কোনো প্ৰভেদ থাকিব নালাগে। কিন্তু এই অভিযোগ সেই কথাৰ বিষয়ত হ'ব পাৰে যি খিলাফৎ কাৰ্যৰ পৰা পৃথক।

## মালিক আৰু চাকৰৰ মাজৰ সম্পৰ্ক

ইছলামৰ পূৰ্বে মালিক তথা চাকৰৰ সম্পৰ্কক এজন ৰজা তথা প্ৰজাৰ দৰে সম্পৰ্ক বুলি গণ্য কৰা হৈছিল তথা এই সময়তো- চিন্তাধাৰাত গভীৰ পৰিৱৰ্তন আহি পৰাৰ পিছততো- ক্ৰিয়াত্মক ৰূপত আমাৰ দৃষ্টিগোচৰ হয় কিন্তু ইছলামে ইয়াৰ প্ৰতিকাৰ আমাক দিছে। সেয়াই এই নিয়মক নিশ্চিত কৰে যে এজন মালিকে যিদৰে ধন প্ৰদান কৰে সেইদৰে এটা চাকৰে নিজৰ সময় আৰু প্ৰাণ দিয়ে। গতিকে লোকসকলে এই অধিকাৰ লাভ কৰা নাই যে তেওঁলোকক দয়াহীন সম্ৰাট আৰু ৰজাৰ দৰে ব্যৱহাৰ কৰিব। যিহেতু ইছলামে সম্ৰাট আৰু ৰজাকো সেই অধিকাৰ প্ৰদান কৰা নাই যি স্বভাৱগতভাবে তেওঁলোকে লাভ কৰিছিল অথবা যিটো পৰম্পৰা হিচাপে চলি আহিছিল তেন্তে পুনৰ মালিক আৰু চাকৰৰ সেই অন্যায়পূৰ্ণ সম্পৰ্কক কেতিয়া উচিত বুলি ক'ব পৰা যায়

যিটো ইছলামৰ আগতে সংসাৰত বিৰাজমান আছিল। সেয়ে ইছলামে আমাক আদেশ দিছে যে মালিকে নিজৰ চাকৰক বেয়া শব্দ প্ৰয়োগ নকৰিব আৰু মাৰধৰ নকৰিব, সেইদৰে চাকৰক গোলামৰ পৰা পৃথক হ'লেও এই বিষয়ত ইছলামে একে আদেশ দিয়ে যে তেওঁলোককো বেয়া শব্দ ক'ব নোৱাৰিব আৰু মাৰধৰ কৰিব নোৱাৰিব। ( এই স্থানত প্ৰসংগক্ৰমে এই কথা বৰ্ণনা কৰাটো উচিত বুলি ভাবিছো দাসী সম্পৰ্কীয় ইছলামীয় নিয়মক কেন্দ্ৰ কৰি লোকসকলৰ মাজত ভুল ধাৰণা প্ৰচলিত হৈ আহিছে। ইছলামে এনেদৰে দাসত্বক উচিত বুলি উল্লেখ কৰা নাই। ইছলামৰ আদৰ্শ অনুসৰি কোনো জাতিৰ মাজত দাস বনোৱাটো সেই সময়ত উচিত হৈ পৰে

১) তেতিয়া সেই কাৰণে কোনোবা আন জাতিৰ লগত যুদ্ধ কৰিলে বা তাৰ পৰা বলপূৰ্বকভাবে ধৰ্মৰ অধিকাৰক কাঢ়ি ল'লে।

২) সেই লোকসকলক তেতিয়া দাস বনাব পৰা যায়- ক্ৰিয়াত্মক ৰূপত এনে নৃশংসাত্মক তথা মানৱতাৰ বিপৰীতে যুদ্ধত সন্মিলিত হ'লে।

৩) তেতিয়া সেই লোকসকলক দাস কৰিব পৰা হৈছিল সিহঁতৰ অত্যাচাৰত পীড়িত জাতি যাৰ পৰা তেওঁলোকৰ প্ৰাণতকৈ প্ৰিয় বস্তু, ধৰ্ম অধিকাৰক কাঢ়ি ল'ব বিচৰা হয়, যুদ্ধৰ ক্ষতি দিয়াৰ বাবে সন্মত নহয়। যদি এই কথা নহয় অৰ্থাৎ যুদ্ধ সাংসাৰিক হয় অথবা সেই ব্যক্তি যাক দাস কৰা হৈছে যুদ্ধত সন্মিলিত হোৱা নাছিল অথবা যুদ্ধত সন্মিলিত আছিল কিন্তু যুদ্ধ ব্যয়ত নিজৰ অংশ দিবলৈ প্ৰস্তুত হৈ পৰে যদি এনে ব্যক্তিক দাস কৰাটো ইছলামে ভয়ানক অপৰাধ বুলি উল্লেখ কৰিছে। প্ৰতিজন ব্যক্তিয়ে বুজি উঠে যে যদি কোনো ব্যক্তিয়ে তৰোৱাল দাঙি লয় যে আনে তেওঁৰ ধৰ্মক কাঢ়ি ল'ব যি বিষয়ত দ্বিতীয়জন ব্যক্তিৰ এই বিশ্বাস যে তেওঁ এই সংসাৰত কিবা কাম লাগিব গতিকে মৃত্যুৰ পিছত সদায় সেই ধৰ্মই তেওঁক স্থায়ী উন্নতি প্ৰদান কৰিব আৰু পুনৰ যেতিয়া ধৰা পৰে সেই ব্যয় দিবলৈ তেওঁ নিজেই বা তেওঁলোকৰ জাতিৰ লোকসকলে অস্বীকাৰ কৰে যিটো সেই জাতিয়ে কৰিব লগা হৈছিল যাৰ ওপৰত এনে নিৰ্দয়তাৰে পূৰ্ণ আক্ৰমণ কৰা হৈছিল তেন্তে তেওঁলোক নিশ্চয় এই কথাৰ অধিকাৰী যে তেওঁলোকৰ স্বাধীনতা তেওঁলোকৰ পৰা কাঢ়ি লোৱা

হৈছে। ইছলামে ব্যক্তিক যি ধৰ্মৰ প্ৰচাৰ তৰোৱালৰ বলত কৰিব বিচাৰে তথা যি শক্তিৰ গৌৰৱেৰে আনৰ সিদ্ধান্তক হস্তক্ষেপ কৰিবলৈ বিচাৰে মানৱতাৰ তালিকাৰ পৰা তেওঁৰ নাম কৰ্তন কৰি দিয়া হয় তথা মানৱ সমাজৰ বাবে তেওঁৰ ভয়ানক বুলি উল্লেখ কৰা হয় গতিকে সেই সময়লৈকে যেতিয়ালৈকে তেওঁৰ নিজৰ মাজত আত্মগ্লানিৰ অনুভূতিয়ে তেওঁৰ নিজৰ স্বাধীনতাক বঞ্চিত কৰে।) হজৰত মহম্মদ (ছাঃ) এজন লগৰীয়াৰ বক্তব্য হ'ল যে আমি সাতজন ভাই-ককাই আছিলো। আমাৰ ওচৰত এগৰাকী দাসী আছিল। আমাৰ মাজৰ সকলোতকৈ সৰু ভাইটিয়ে তাক থাপৰ মাৰি দিয়ে। হজৰত ৰছুলে কৰীম (ছাঃ)যে ক'লে যে তাইক মুক্তি কৰি দিয়া। (মুছলিমৰ হদীছ)

একেদৰে তেওঁৰ আন চাহাবীসকলৰ বক্তব্য হ'ল যে মই এবাৰ এজন দাস মাৰিব ধৰিলো। মই পিছ ফালৰ পৰা স্বৰ শুনিবলৈ পালো, মই ধৰিব পৰা নাছিলো। এইখিনিতে মই দেখিবলৈ পালো যে হজৰত ৰছুলে কৰীম (ছাঃ) আহি আছে। আপুনি ক'লে যে—' হে আবু মছউদ যিমান অধিকাৰ তোমাৰ এই দাসটোৰ ওপৰত আছে তাতকৈ বহু অধিকাৰ তোমাৰ ওপৰত পৰমেশ্বৰৰ আছে।' তেওঁ কৈছে যে মই ইমানে ক'লো— 'হে পৰমাত্মাৰ অৱতাৰ এই দাসক পৰমাত্মাৰ নামত মুক্ত কৰিছোঁ।' আপুনি ক'লে—' যদি তুমি ইয়াক মুক্ত নকৰিলা হয় অগ্নিয়ে তোমাৰ মুখ পুৰিলে হয়। (মুছলিম হাদীছ)

একেদৰে হজৰত মহম্মদ (ছাঃ) য়ে উল্লেখ কৰিছে যে, কোনো ব্যক্তিয়ে নিজৰ চাকৰৰ পৰা এই কাম কৰাব নালাগে যিটো সি কৰিব নোৱাৰে তথা যদি অধিক কাম থাকে তেনেহ'লে নিজেই লাগি-ভাগি কাম কৰাব লাগে। একেদৰে আপোনাৰ বক্তব্য হ'ল যে যদি কাৰোবাৰ চাকৰে আহাৰ ৰান্ধি তেওঁৰ সন্মুখত দিয়ে যদি বাস্তৱিক সত্য এয়া যে তেওঁ তাক তেওঁৰ লগত ভাগ কৰি খাব। যদি এনে নকৰে তেন্তে অতি কমকৈ তেওঁক তাৰ মাজৰ পৰা ভাগ দি দিয়ক, কিয়নো জুইৰ উত্তাপ সিহে সহ্য কৰিছিল।

শ্ৰমিকৰ বিষয়ত আপোনাৰ বক্তব্য হ'ল যে শ্ৰমিকৰ ঘাম শুকাই পৰাৰ আগতে তেওঁৰ শ্ৰমৰ পাৰিশ্ৰমিক তেওঁক দি দিয়া হওঁক আৰু সিহঁতৰ স্বত্বৰ বিষয়ত আপোনাৰ বক্তব্য হ'ল যে যি ব্যক্তিয়ে শ্ৰমিকক সিহঁতৰ প্ৰাপ্য প্ৰদান নকৰে

কিয়ামতৰ দিনা মই সিহঁতৰ হৈ কাজিয়া কৰিম। যাৰ পৰা এই ফলাফল প্ৰকাশ হৈছে যে যদি কোনো মালিকে পাৰিশ্ৰমিক নিদিয়ে শাসক তথা চৰকাৰৰ কৰ্তব্য হ'ল যে তাক প্ৰদান কৰিবলৈ বাধ্য কৰা। একেদৰে শ্ৰমিকৰো এটা স্বত্ব ইছলামী চৰিয়তে নিৰ্দ্ধাৰিণ কৰিছে যে যদি তেওঁলোকৰ পাৰিশ্ৰমিক পৰ্যাপ্ত নহয় তেন্তে চৰকাৰৰ দ্বাৰা নিজৰ প্ৰয়োজনক পূৰণ কৰক। যদি শ্ৰমিক ৰাজনৈতিক আৰু সামাজিক দৃষ্টিকোণৰ পৰা বাধ্য হৈ পৰে যে তেওঁৰ মালিকৰ লগত কাম কৰে তেন্তে চৰকাৰৰ কৰ্তব্য হ'ব যে দুয়োপক্ষৰে কথা শুনি চৰকাৰে উচিত নিৰ্ণয় প্ৰকাশ কৰক।

## এক বিহংগম দৃষ্টিৰে ধনী আৰু দুখীয়া তথা পদাধিকাৰীৰ সম্পৰ্ক আৰু অধিকাৰ

এয়া এক গুৰুত্বপূৰ্ণ প্ৰশ্ন যে বিভিন্ন লোকৰ স্বাৰ্থৰ সন্তোলন কেনেদৰে ৰাখিব পৰা যায়? এই সময়ৰ সভ্যতাৰ সকলোতকৈ গভীৰ সমস্যা এয়াই। গতিকে মই সকলো সমস্যাৰ ওপৰত এক বিহংগম দৃষ্টিপাত কৰিছোঁ যাতে ইছলামে সেই কঠিনতাৰ যি সমাধান উপস্থাপন কৰিছে তাক আপোনালোকে বুজিব পাৰে।

মনত ৰাখিব লাগে যে ইছলামৰ বিশ্বাসৰ এয়া আৰু এয়া বক্তব্য যে এই সমস্ত জগত লাগে সেয়া পৃথিৱী হওঁক অথবা সূৰ্য, লাগে সেয়া চন্দ্ৰ অথবা আন নাৰায়ণ এই সকলোবিলাক মানুহৰ লাভ তথা কল্যাণৰ কাৰণে সৃষ্টি কৰা হৈছে। গতিকে সকলো বস্তু ইছলামী নিয়ম অনুসৰি সমগ্ৰ মানৱ জাতিৰ মাজত সাক্ষী হয় আৰু সকলো সামূহিক ৰূপত তেওঁলোকৰ গৰাকী।

কিন্তু এই বাস্তৱিকতাৰ লগতে এক আন বাস্তৱিকতা আছে যাক ইছলামে উপস্থাপন কৰে আৰু সেয়া হ'ল যে পৰমেশ্বৰে মানৱক এই কাৰণে জন্ম দিছে যে ইয়াক লক্ষ্য কৰক যে কোনে কেনেধৰণৰ কৰ্ম কৰিব তথা এয়া যে পৰমেশ্বৰে মানুহৰ স্বভাৱৰ ভিতৰত এই ভাৱ ৰাখিছে যে তেওঁলোকে সন্মুখীন হৈ আনৰ পৰা অগ্ৰসৰ হোৱাৰ যত্ন কৰে সেয়ে ইছলামে নিজেই সন্মুখৰ পৰা প্ৰেৰিত কৰে, সেয়ে উল্লেখ কৰিছে—

"ফাছতাবিকুল খাইৰাত"

অৰ্থাৎ হে মুছলমান' এজনে আনজনৰ পুণ্য কৰ্মৰ তুলনা কৰা আৰু এজনে আনজনতকৈ আগবাঢ়িবলৈ চেষ্টা কৰা।

যেতিয়া প্ৰতিযোগিতা হ'ব আৰু কোনোবা আগবাঢ়ি যাৱ তথা কোনোবা পিছ পৰি যাৱ অৱশ্যে কোনোবাই অধিক পুৰস্কাৰ লাভ কৰিব তথা কোনোবাই কমকৈ লাভ কৰিব তথা কোনোবাই একেবাৰে বঞ্চিত হৈ পৰিব। সেয়ে এই পাৰ্থক্যক ইছলামে স্বীকাৰ কৰে। তেওঁৰ বক্তব্য হ'ল যে এই পাৰ্থক্য মোৰে সৃষ্টি। ইয়াৰ বাবে তোমালোকে পৰমেশ্বৰক চিঞৰিব নালাগে। ইয়াৰ বাবে তোমালোকে এজনে আনজনকো চিঞৰিব নালাগে।

وَلَا تَتَمَنَّوْا مَا فَضَّلَ اللّٰهُ بِهٖ بَعْضَكُمْ عَلٰى بَعْضٍ (4:33)

অৰ্থাৎ ঃ পৰমেশ্বৰে পৰস্পৰে এজনে আনজনক যি শ্ৰেষ্ঠতা প্ৰদান কৰে তাৰ বিষয়ত তোমাৰ হৃদয়ত এই চিন্তা নকৰিবা যে আমি আনৰ পৰা কাঢ়ি ল'ম। তাৎপৰ্য এয়া যে পৰমেশ্বৰৰ কাৰ্য সূক্ষ্ম হয়। পৰমেশ্বৰে অকাৰণত এনে কৰা নাই তথাপি সংসাৰৰ পূৰ্ণ কাৰ্যৰ ব্যৱসায় ইয়াৰ পৰা পৰিচালিত হয় আৰু এইদৰে চলি থাকিব পাৰে। যদি তুমি এই কাৰ্যৰ ব্যৱসায়ত বাধা প্ৰদান কৰিবা অৰ্থাৎ সেইলোক যি এইদৰে প্ৰতিযোগিতাত আগবাঢ়ি যায় তেওঁলোকক পুৰস্কাৰৰ পৰা বঞ্চিত কৰি দিয়া যদি সকলো প্ৰতিযোগিতা আৰু প্ৰচেষ্টা অৱৰুদ্ধ হৈ পৰিব আৰু লগতে সংসাৰৰ উন্নতি ৰুদ্ধ হৈ পৰিব। কিন্তু লোকসকলৰ অধিকাৰক সুৰক্ষিত কৰি পুনৰ প্ৰকাশ কৰিছে যে হে লোকসকল যাৰ প্ৰতি পৰমেশ্বৰে কৃপা কৰিছে তথা উন্নতি প্ৰদান কৰিছে তোমাৰ কৰ্তব্য হ'ল যে তাক তোমালোকে নিজৰ হাতত সন্মিলিত কৰা কিয়নো তোমোলোকে সিহঁতৰ ধ্যান ৰাখিব লাগে যে যি সম্পত্তিৰ ওপৰত তোমোলোকে অধিকাৰ কৰিছা প্ৰকৃততে তাত দুখীয়াৰো ভাগ আছিল। সেয়ে আগবাঢ়ি যোৱাৰ কাৰণে তুমি ইয়াক কৰিব নালাগে যে তুমি সেই দুখীয়াসকলক বঞ্চিত কৰি দিয়া সেয়ে তুমি ইয়াক প্ৰসন্নতাৰে নিজৰ পুৰস্কাৰ বুলি বুজিব লাগে যে, তোমাৰ কোনো ভাতৃয়ে তোমাৰ সমানে সংসাৰত অংশীদাৰ হয় তোমাৰ দ্বাৰা তেওঁক পালন কৰি থকা হৈছে আৰু পৰমেশ্বৰে তোমাক এই স্থানলৈকে উপনীত কৰিছে যে

তুমিও তেওঁৰ দৰে তেওঁৰ সৃষ্টিক লালন-পালন কৰা তেওঁৰ বক্তব্য হ'ল—

(24:34) وَ اٰتُوۡهُمۡ مِّنۡ مَّالِ اللّٰهِ الَّذِیۡۤ اٰتٰىكُمۡ ؕ

অৰ্থাৎ পৰমেশ্বৰৰ ধনৰ পৰা যি তোমোলোকক দিয়া হৈছে দুখীয়াকো দিয়া অৰ্থাৎ সেই সম্পত্তি তোমালোকৰ ওচৰত আমানত হিচাপে আছে অন্যথা তাত আনৰ অধিকাৰো সন্মিলিত হৈ আছে।

এই সিদ্ধান্তত আপোনলোকে বুজি উঠিছে যে ইছলামৰ বাবে ব্যক্তিগত উৎসাহ আৰু প্ৰতিদ্বন্দ্বিতা অতি আৱশ্যক আৰু এই প্ৰতিদ্বন্দ্বিতাক সজীৱ কৰি ৰাখিবলৈ দয়াৰে লোকসকলে যি উপাৰ্জন কৰে সেয়া নিজৰ ওচৰত থোৱাটো আৱশ্যক হয়। হয়, যিহেতু তাত তেওঁৰ পৰিশ্ৰমৰ লগতে আন লোকৰ অধিকাৰো সন্মিলিত হৈ আছে কিয়নো সমগ্ৰ মানৱ সমাজৰ লাভৰ কাৰণে পৃথিৱী তথা ইয়াৰ ভিতৰৰ সকলো বস্তু উৎপন্ন কৰা হৈছে। গতিকে তেওঁলোকৰ বাবে আৱশ্যক হয় যে তেওঁলোকে অধিকাৰৰ বাবে কিছু ধন বাকী অংশীদাৰসকলকো প্ৰদান কৰক।

কিন্তু যেতিয়া ইছলামে এই শিক্ষা প্ৰদান কৰে যে এই প্ৰতিদ্বন্দ্বিতা আৰু উৎসাহক প্ৰচলিত থোৱাটো সংসাৰৰ উন্নতিৰ কাৰণে আৱশ্যক লগতে আন এটা গুৰুত্বপূৰ্ণ প্ৰশ্ন উত্থাপন হৈছে যে সেই অৱস্থাত পুনৰ প্ৰতিদ্বন্দ্বিতাৰ পথক সকলো মানৱ সমাজৰ কাৰণে মুকলি কৰি থোৱাটো অতি আৱশ্যক লগতে এই কথাও আৱশ্যক যে যি কথা এনেধৰণৰ হয় যে তাৰ কাৰণে সৰ্বসাধাৰণ প্ৰতিদ্বন্দ্বিতা বন্ধ হৈ পৰি কিছু সংখ্যক সীমিত ব্যক্তিৰ মাজত প্ৰতিদ্বন্দ্বিতা আহি পৰে আৰু শেষত সকলো লোকক বেলেগ কৰি কেৱল ৰং চোৱা হৈ পৰে তাৰো সংস্কাৰ কৰিব লাগিব। ইছলামে এই প্ৰশ্নৰ গুৰুত্বক স্বীকাৰ কৰিছে তথা তাৰ উত্তৰ 'হয়'ত প্ৰদান কৰে আৰু নিম্নলিখিত পৰামৰ্শ উপস্থাপন কৰিছে

১. প্ৰতিদ্বন্দ্বিতা নিজৰ গতিত চলি থাকিবলৈ দিব লাগে।

২. যিসকল লোকে উন্নতি কৰে আৰু বিশেষ পৰিশ্ৰম কৰে তেওঁলোকক তেওঁলোকৰ পৰিশ্ৰম তথা প্ৰচেষ্টাৰ ফল প্ৰাপ্ত হৈ পৰে তথা ব্যক্তিগত স্বাভিমান আৰু স্বাৰ্থক স্থিৰ কৰি তোলে।

৩. যিমান অংশই তেওঁলোকৰ আগেদি ওলাই যোৱাৰ উন্নতিত শেষজন লোকৰ ব্যক্তিগত বস্তু অথবা তেওঁৰ পৰিশ্ৰম আছিল সেয়া লোকসকলক দিব লাগে।

৪. সকলো মানৱ সমাজৰ বাবে উন্নতিৰ দুৱাৰ মুকলি আছে। কোনো বিশেষ জাতি অথবা বিশেষ পৰিয়ালৰ মাজত সীমিত নাথাকে তথাপি সাধাৰণৰ পৰা সাধাৰণ ব্যক্তিৰ বাবেও উচ্চৰ পৰা উচ্চতম উন্নতি লাভ কৰাৰ সুবিধা বিদ্যমান থাকে আৰু কোনো দ'লক বংশানুগত অৱতৰণ আন লোকৰ ওপৰত শাসন প্ৰাপ্ত নহয়।

৫. সমগ্ৰ মানৱ সমাজৰ আৱশ্যকতা অবিহনে কোনো কষ্ট পূৰ্ণ হৈ থাকে। সেই নিয়ম হ'ল—

সৰ্ব প্ৰথমতে ইছলামে এই কথাৰ ঘোষণা কৰিছে যে যিমান বস্তু সংসাৰত বিদ্যমান তাত সকলো মানৱ জাতিৰ অংশীদাৰ আছে। এইদৰে সংসাৰত বাস্তৱিক তথা স্থায়ী অধিকাৰ কাৰোৰে নাই। মোহনৰ ওচৰত যিখিনি আছে সেইবোৰৰ তেওঁ মালিক সেই অৰ্থত নহয় যে আনৰো তাত কোনোধৰণৰ ভাগ নাই। সেয়ে তেওঁক তাৰ গৰাকী এই কাৰণে কোৱা হৈছে যে তেওঁৰ অংশ আনৰ তুলনাত অধিক হৈ পৰিছে কিয়নো তাক তেওঁ পৰিশ্ৰম কৰি অৰ্জন কৰিছে অন্যথা তাত আনলোকৰো অধিকাৰ আছে। উল্লেখ আছে—

وَفِيٓ اَمۡوَالِهِمۡ حَقٌّ لِّلسَّآئِلِ وَالۡمَحۡرُوۡمِ ۝٢٠ (51:20)

অৰ্থাৎ—ধনীৰ ধনক তেওঁলোকৰো অধিকাৰ আছে যিয়ে ক'ব পাৰে অৰ্থাৎ মানুহৰো, আৰু সেই পশুৰো যি ক'ব নোৱাৰে অধিকাৰৰ ৰূপত অংশ আছে। এইদৰে উল্লেখ কৰিছে যে নিজৰ অতি আপোন আত্মীয়ৰ, দুখীয়াৰ, যাত্ৰীৰো তাত অধিকাৰ আছে তথা তেওঁলোকৰ স্বত্বক দিয়া।সেয়ে, তেওঁ আদেশ দিয়ে যে টকাক বন্ধ কৰি থোৱাটো উচিত নহয় কিয়নো এইদৰে লোকসকলে নিজৰ স্বত্বৰ পৰা বঞ্চিত হৈ পৰে। তেওঁলোক বাধ্য কৰে যে লোকসকলে ধনক খৰচ কৰক অথবা কাম প্ৰয়োগ কৰক কিয়নো দুয়োটা অৱস্থাতে লোকসকল ধনৰ দ্বাৰা লাভান্বিত হৈ থাকিব। যদি তেওঁ খৰচ কৰিব তেন্তে ধন চলিত হৈ থাকিব আৰু লোকসকলৰ লাভ হ'ব আৰু যদি কিবা কামত

প্ৰয়োগ কৰে তেন্তে কিছুমান মানুহে চাকৰ আদিৰ ৰূপত লাভ অৰ্জন কৰিব, কিছুমান লোক যাৰ লগত আদান-প্ৰদান হ'ব, লাভ কৰিব। যদি কোনো ব্যক্তিয়ে এনে নকৰে তেন্তে তেওঁৰ সন্দৰ্ভত উল্লেখ কৰা হৈছে যে—

اِنَّ اللّٰهَ لَا يُحِبُّ مَنۡ كَانَ مُخۡتَالًا فَخُوۡرَا ۙ﴿۳۷﴾ الَّذِيۡنَ يَبۡخَلُوۡنَ وَيَاۡمُرُوۡنَ النَّاسَ بِالۡبُخۡلِ وَيَكۡتُمُوۡنَ مَاۤ اٰتٰهُمُ اللّٰهُ مِنۡ فَضۡلِهٖ ؕ وَاَعۡتَدۡنَا لِلۡكٰفِرِيۡنَ عَذَابًا مُّهِيۡنًا ۚ﴿۳۸﴾ (4:37-38)

অৰ্থাৎ—পৰমেশ্বৰে অভিমান কৰা লোকসকলক পছন্দ নকৰে যি ধনক বন্ধ কৰি জমা কৰি ৰাখে আৰু আন লোকক কয় যে তোমালোকেও এনেদৰে কৰা আৰু যিবোৰ পৰমেশ্বৰে নিজৰ বদ্যন্যতা হিচাপে প্ৰদান কৰিছে তাক লুকুৱাই ৰাখে। তেওঁলোকে এনে কৰিব নালাগে। যদি সেই উপদেশক স্বীকাৰ নকৰে তেন্তে সিহঁতৰ ওপৰত বেদনাদায়ক শাস্তি আহিব। অৰ্থাৎ তেওঁ এইদৰে নিজৰ ধনক গোপন ৰাখে তথা একগোট কৰে তেন্তে তেওঁৰ জাতিৰ মান-মৰ্যাদা ধূলিসাৎ হৈ পৰিব তথা তেওঁ লগতে অপমানিত হ'ব।

এতিয়া দ্বিতীয়টো ৰূপ যি ধন ব্যয় কৰাৰ বাবে উল্লেখ কৰা হৈছে তাত এই ভুল হ'ব পাৰে যে লোকসকলে নিজৰ প্ৰাণত সকলো সম্পত্তি ব্যয় কৰি দিব তথা অপব্যয় কৰিব ইয়াৰ প্ৰতিকাৰ ইছলামে উপস্থাপন কৰিছে যে প্ৰতিটো প্ৰকাৰৰ ভোগ-বিলাসত প্ৰতিবন্ধকতা লগাই দিছে। ইছলামে ভোজন, কাপোৰ একগোট কৰা, ঘৰ নিৰ্মাণ কৰা তথা আন সকলো প্ৰকাৰৰ বস্তুত অপব্যয়ৰ নিষেধ কৰিছে। সেই কাৰণে এজন মুছলমানে যি ইছলামৰ আদেশ তাত নিজৰ আচৰণ কৰে, নিজৰ ওপৰত ইমান ধন ব্যয় কৰিব নোৱাৰে যে যাৰ দ্বাৰা আনলোকৰ অধিকাৰৰ ক্ষতি হ'ব।

কিন্তু যিহেতু হ'ব পাৰে যে কিছুমান লোকে ইছলামৰ এই আদেশ থকাৰ পিছতো ধন একগোট নকৰিব যদিও তেওঁ ব্যয় কৰিব অথবা কিবা কামত লগাব, ধন জমা কৰি থাকে আৰু যিহেতু কেৱল এই আদেশ লোকসকলৰ প্ৰতি সেই অধিকাৰ সমস্ত সম্পত্তিত ইছলামে স্বীকাৰ কৰিছে, পূৰ্ণ ৰূপত

সুৰক্ষিত ৰূপত দিব পৰা নাযায় গতিকে ইছলামে আদেশ দিছে যে কোনো মানুহৰ ওচৰত যিমান সোণ-ৰূপৰ মুদ্ৰা অথবা ব্যৱসায়ীক ধন আদি ৰূপত থাকে তাত এটা বছৰ অতিবাহিত হ'লে তাত আঢ়ৈ শতাংশ বাৰ্ষিক ৰাজহ ল'ব পাৰে যি দেশৰ দুখীয়া তথা অনাথসকলৰ প্ৰতি ব্যয়। সেয়ে পয়গম্বৰ মহম্মদে(ছাঃ)য়ে যি শব্দ এই দানৰ উদ্দেশ্যৰ সম্পৰ্কত প্ৰযুক্ত কৰিছে তাত আপুনি এই কথাক স্পষ্ট কৰি দিছে যে এই ধন এই উদ্দেশ্যে ধনীসকলৰ পৰা লোৱা হয় যে তেওঁলোকৰ সম্পত্তিত দুখীয়াৰো ভাগ থাকে। আপোনাৰ পৱিত্ৰ বক্তব্য হ'ল—

"ইন্নাল্লাহাফতাৰাজা আলাইহিম ছাদাকাতান ফি আমওৱালিহিম তুখাজু মিন আগনিয়া ইহিম ওৱা তুৰাদ্দু আলা ফুকাৰায়িহিম।" (বুখাৰী কিতাবুত জাকাত) অৰ্থাৎ পৰমেশ্বৰে লোকসকলৰ ওপৰত জাকাত অনিবাৰ্য কৰি দিছে যাক ধনীসকলৰ পৰা লোৱা হ'ব তথা তাক দুখীয়াসকলৰ প্ৰতি খৰচ কৰা হ'ব। 'খৰচ কৰা হ'ব' শব্দৰ স্পষ্টতাই উল্লেখ কৰিছে যে এই ৰাজহক দুখীয়াৰ অধিকাৰ বুলি বুজি উঠা হৈছে আৰু নিশ্চিত কৰা হৈছে যে ধনীৰ সম্পত্তিত দুখীয়াৰ স্বত্ব তথা তেওঁলোকৰ শ্ৰমো সন্মিলিত হৈ আছে। কিন্তু যিহেতু তেওঁলোকৰ স্বত্বক নিশ্চিত ৰূপত অনুমান কৰাটো কঠিন আছিল সেই কাৰণে এটা নিয়ম কৰি দিয়া হ'ল যে যি অনুসৰি 'জাকাত' গ্ৰহণ কৰা হ'ব।

মনত ৰাখিব লাগে যে এই ৰাজহ যাক 'জাকাত'ৰ সংজ্ঞা প্ৰদান কৰা হৈছে সেয়া আয়ৰ ওপৰত নহয় গতিকে পুঁজি আৰু লাভক লগ কৰি সম্পূৰ্ণৰূপে ধাৰ্য কৰা হৈছে। এই দৰে ২.৫ শতাংশ কেতিয়াবা লাভৰ পঞ্চাশ শতাংশ হৈ পৰে। এই আদেশ থকাৰ পিছত কোনো ব্যক্তিয়ে সম্পত্তিক অকাৰণত জমা কৰিব নোৱাৰে। কিয়নো সেই অৱস্থাত তেওঁৰ সম্পত্তি কম সময়তে ৰাজহ হিচাপে ব্যয় হৈ পৰিব। পৱিত্ৰ কোৰাণত এই কথাৰ অধিক সংকেত পোৱা যায় যে 'জাকাত'ৰ উদ্দেশ্য বাস্তৱত ধনীৰ সম্পত্তিক পৱিত্ৰ কৰা অৰ্থাৎ সেই ধনত য'ত দেশৰ আনলোকৰো পৰিশ্ৰম আৰু তেওঁলোকৰ অধিকাৰ এটা অংশ সন্মিলিত হৈ আছে তাক প্ৰদান কৰি শুদ্ধ ৰূপত তেওঁলোকৰ স্বত্বক পৃথক কৰি দিয়াৰ অৰ্থে এই ৰাজহ লগোৱা হৈছে। সেয়ে পৰমেশ্বৰৰ পৱিত্ৰ

বক্তব্য—

(9:103) خُذۡ مِنۡ اَمۡوَالِہِمۡ صَدَقَۃً تُطَہِّرُہُمۡ وَتُزَکِّیۡہِمۡ بِہَا

অৰ্থাৎঃ লোকৰ ধনৰ পৰা চাদকা লোৱা আৰু এইদৰে সিহঁতক পৱিত্ৰ কৰা। অৰ্থাৎ তেওঁলোকৰ ধন ইয়াৰ দ্বাৰা প্ৰতিটো প্ৰকাৰৰ ভেজালকৰণৰ পৰা পৱিত্ৰ হৈ পৰিব তথা আনৰ অধিকাৰ তাৰ পৰা পৃথক হৈ পৰিব। পুনৰ উল্লেখ কৰিছে যে লাগে সেই ধন যি ধনীৰ পৰা জমা কৰা হওঁক সেই ধনৰ দ্বাৰা ধনহীনজনক উন্নতিৰ দিশলৈ লৈ যোৱা হ'ব।

'জাকাত'ৰ আদেশৰ দ্বাৰা ইছলামে সেই সকলো অধিকাৰক সুৰক্ষা প্ৰদান কৰিছে যি ধনীৰ সম্পত্তিত দুখীয়াৰ ফালৰ পৰা সন্মিলিত আছিল আৰু এইদৰে পুঁজি তথা শ্ৰমজীৱিৰ লগত সন্ধি কৰি দিয়ে কিয়নো উচিত পৰিশ্ৰমৰ বাহিৰেও যি কাৰ্যকৰ্তাই প্ৰাপ্ত হৈ উঠে ইছলামে তাক তথা আৰু দুখীয়া ভাইহঁতৰ বাবে ধনীৰ পৰা সমস্ত সম্পত্তিৰ ২.৫ শতাংশ কৰ আদায় কৰিছে।

তথাপি এই ৰাজহ সংগ্ৰহ কৰাৰ বাবে আৰ্থিক পক্ষটো দৃঢ় হৈ পৰে কিন্তু এই প্ৰশ্ন শেষত ৰৈ যায় যে ধনীয়ে দুখীয়াক অথবা মধ্যবৰ্গীয় জনসাধাৰণৰ উন্নতিৰ কাৰণে কোনো পথ মুকলি কৰা নাই তথাপি তেওঁলোকে উন্নতি আৰু বিকাশ কেনেদৰে কৰিব ? এই প্ৰশ্নৰ উত্তৰ ইছলামে এই বুলি প্ৰদান কৰিছে যে সমস্ত মানৱ সমাজৰ অধিকাৰ আছে যে, তেওঁলোকৰ বাবে উন্নতিৰ দুৱাৰখন মুকলি কৰা হওঁক আৰু এই কথা অনুচিত আখ্যা দিয়া হৈছে যে কোনো বক্তিয়ে আনৰ পথ অৱৰূদ্ধ কৰি ঠিয় হৈ থাকিব। এহাতে যি কোনো এজন দৌৰি য়োৱা মানুহৰ মাজত হৈ আছে তাত প্ৰতিজন ব্যক্তিয়ে সমান ৰূপত সহানুভূতিৰে প্ৰতিজন দৌৰি যোৱা মানুহক চাওঁক কিন্তু তেওঁৰ প্ৰতি কাৰোৱে সহানুভূতি হ'ব নোৱাৰে যি এইদৰে আগবাঢ়ি গৈ ঠিয় হৈ পৰে যেন আন কোনোৱে আগবাঢ়িব নোৱাৰে। যদি তাক উচিত বুলি ধৰা হয় তেন্তে প্ৰতিদ্বন্দ্বিতা সিমানতেই ৰৈ যাব আৰু কিছুসংখ্যক লোক যিসকল আগতেই আগবাঢ়িছিল সকলো উন্নতি আৰু বিকাশ নিজৰ হাতৰ মুঠিত ৰাখিব আৰু কাকো বিকাশৰ অংশীদাৰ হ'বলৈ নিদিব। ইছলামে কেতিয়াওঁ ইয়াৰ অনুমতি প্ৰদান নকৰে। সেয়ে এই ভুলৰ শিপাডালক গুৰিৰ পৰা কাটি উন্নতিৰ পথ প্ৰত্যেকৰে বাবে

মুকলি কৰি দিয়া হ'ল।

যদি দেখা যায় যে এই ভুলৰ বাবে কোনো দেশত কিছুসংখ্যক পৰিয়ালত সমস্ত উন্নতি সীমিত হৈ পৰিছে— তিনিটা হয়—

১) সম্পত্তিৰ বিভাজন নোহোৱা সেয়েহে কেৱল ডাঙৰ পুত্ৰৰ অধিকাৰত থকা তথা ধনৰ বিষয়ত পিতাকে এই অধিকাৰ প্ৰদান কৰিছে যে যাক যিমান লাগে, দি দিয়া।

২) সুদৰ অনুমতি যাৰ কাৰণে এজন ব্যক্তি অথবা কিছুসংখ্যক ব্যক্তি বিনা পৰিশ্ৰমে যিমান বিচাৰে নিজৰ কাৰ্যক বিস্তাৰিত কৰিব পাৰে।

৩) লাভ অধিক মাত্ৰাত হ'লে।

এই তিনিটা ভুলৰ বাবে কিছুমান দেশত লোকসকলৰ উন্নতিৰ পথ সীমিত হৈ পৰিছে। সম্পত্তি তথা সম্পদৰ ওপৰত কম সংখ্যক লোকৰ অধিকাৰত থাকে আৰু এইদৰে দুখীয়াসকলৰ সম্পত্তি উৎপন্ন কৰাৰ কোনো অৱকাশ নাথাকে। সুদৰ কাৰণে যিলোকে আগতেই নিজৰ পৰিসৰ বৃদ্ধি কৰিছে তেওঁলোকে যিমানেই বিচাৰে ধন ল'ব পাৰে। লাভ অধিক হোৱাৰ কাৰণে সম্পত্তি এক জলপ্ৰপাতৰ দৰে কিছুসংখ্য ব্যক্তিৰ গৃহত জমা হৈ পৰিছে।

ইছলামে এই তিনিটা ভুলক আঁতৰ কৰাৰ কাৰণে তিনিটা প্ৰতিকাৰ উপস্থাপন কৰিছে।

প্ৰথমতে প্ৰতিজন ব্যক্তিক ভাগ হোৱাৰ আদেশ প্ৰদান কৰিছে। কোনো ব্যক্তিৰ এই অধিকাৰ নাই যে নিজৰ সম্পত্তি আন কোনো ব্যক্তিক দি দিব যাতে জনসাধাৰণৰ পৰা সেই সম্পত্তি সুৰক্ষিত হৈ থাকিব। ইছলামে আদেশ দিছে যে চৰিয়ত অনুসৰি সকলো সন্তান, পিতৃ-মাতৃ, পত্নী অথবা স্বামী বা ভাই-ভনীৰ মাজত প্ৰতিজন মৃত্যু হোৱা লোকৰ সম্পত্তি ভাগ হ'ব লাগে। এই ভাগক পৰিৱৰ্তন কৰা কাৰোৱে অধিকাৰ নাই। এই কাৰণে এখন ইছলামী চৰিয়তত চলি থকা দেশত এজন ব্যক্তিয়ে যেতিয়া অধিক উন্নতি কৰে তেতিয়া তেওঁৰ সন্তানে কেৱলমাত্ৰ তেওঁৰ উন্নতিৰ অধীন হৈ বহি থাকিব নোৱাৰিব যিহেতু তেওঁৰ সম্পত্তিক ছয়-সাত স্থানত বিভাজন হৈ পৰিব, ঘৰৰো আৰু মাটিও, ধনো। গতিকে সকলোবোৰ পুনৰ আৰম্ভণীৰে পৰা উন্নতি কৰিব লাগিব

যিহেতু ভূমি বিভক্ত হৈ পৰিব, দুই-তিনিটা প্ৰজন্মত ইমান সৰু সৰু ভাগত বিভক্ত হৈ পৰিব যে এজন সাধাৰণ শ্ৰমিকেও তাৰ পৰা এটা ভাগ ক্ৰয় কৰাৰ বাবে সমৰ্থবান হৈ পৰিব তথা নিজৰ আগন্তুক উন্নতি পটভূমি তাত নিৰ্ভৰ কৰিব। সেয়ে সম্পত্তিৰ বিভাজনত কোনো ধৰণৰ ভেদ-ভাৱৰ প্ৰাচীৰ ঠিয় হ'ব নোৱাৰিব।

দ্বিতীয়টো বাধা দুখীয়াৰ পথ নিমাৰ্ণত সুদৰ লেন-দেনৰ ক্ষেত্ৰত হয়। সুদৰ দ্বাৰা সেই ব্যৱসায়ী যি আগতে জাল পেলাই থৈছে যাৰ টকাৰ প্ৰয়োজন আহি পৰে তেওঁ সহজে বেংকৰ পৰা ল'ব পাৰে। যদি তেওঁলোকে এইদৰে ধন নাপায় তেন্তে তেওঁলোকে নহ'লে আন ব্যক্তিক নিজৰ ব্যৱসায়ত জড়ি কৰিবলৈ বাধ্য হৈ পৰিব অথবা নিজৰ ব্যৱসায়ক এইমাত্ৰাত বৃদ্ধি কৰিব নোৱাৰিব যে পিছত আহি থকা ব্যক্তিজনৰ বাবে বাধা আহি পৰিব তথা সংস্থা স্থাপিত কৰি আন ব্যক্তিৰ উন্নতিৰ পথ সদায় বন্ধ কৰি দিয়ে। তাৰ পৰিণাম এয়া হ'য় যে সম্পত্তি দেশত উচিত অনুপাতত বিভক্ত হৈ পৰিব আৰু বিশেষ ব্যক্তিৰ ওচৰত অত্যাধিক আৰু মধ্যবৰ্গৰ সমাজৰ কাৰণে বিনাশৰ কাৰণ হ'ব।

দুখীয়াৰ পথত যিটো তৃতীয় বাধা হৈছে সেয়া হ'ল অত্যাধিক লাভ লোৱা। ইয়াক ইছলামে এটা সেই ৰাজহৰ দ্বাৰা প্ৰতিবন্ধকতা সৃষ্টি কৰিছে যি দুখীয়াৰ ভালৰ কাৰণে ধনীসকলৰ পৰা লোৱা হয়। এই ৰাজহৰ দ্বাৰা ইমানখিনি ধন ধনীৰ পৰা সংগ্ৰহ কৰা হয় যে তেওঁলোকৰ ওচৰত ইমান টকা একগোট হ'ব নোৱাৰে যে তেওঁলোকে ইয়াৰ বলত দেশৰ সকলো পুঁজি একগোট কৰিবলৈ যত্ন কৰিব কিয়নো যিমান টকা তেওঁলোকৰ ওচৰত থাকিব তাৰ পৰা প্ৰতিবছৰে দুখীয়াক ৰাজহ দিব লাগিব।

দ্বিতীয়তে চৰিয়তে এই ব্যৱস্থা কৰিছে যে দুখীয়াৰ মাজৰ পৰা চতুৰ তথা উন্নতি কৰিব পৰা লোকক সেই ৰাজহৰ পৰা ইমান ধন প্ৰদান কৰা হ'ব যে তেওঁ নিজৰ কাম কৰিব পাৰিব। ইয়াৰ দ্বাৰা নতুন লোকে উন্নতি কৰাৰ সুবিধা লাভ কৰিব আৰু কোনোৱে অভিযোগ কৰাৰ সুযোগ লাভ নকৰিব।

তৃতীয়তে ইছলামে সেই ভংগীক তথা পৰিপাটিক নিষেধ কৰিছে যে যাৰ দ্বাৰা লোকে অনুচিত লাভ অৰ্জন কৰিব পাৰিব। ইছলামে এই কাৰ্য পাপ

বুলি উল্লেখ কৰিছে যে কোনো ব্যক্তিয়ে ব্যৱসায়ী সামগ্ৰীক এই কাৰণে ৰখাই থৈ দিয়ে যাতে মূল্য বাঢ়ি যায় আৰু তেওঁ অধিক মূল্যত বিক্ৰী কৰিব পাৰে। সেয়ে এই তথ্যৰ প্ৰতি দৃষ্টি নিক্ষেপ কৰি ব্যৱসায়ীক মানদণ্ডৰ প্ৰকাৰৰ সকলো আহিলা যাৰ দ্বাৰা লাভ অত্যাধিক বৃদ্ধি হয়, ইছলামৰ শিক্ষা অনুসৰি হ'ব তথা চৰকাৰে তাৰ অনুমতি নিদিব।

এতিয়া শেষত এটা প্ৰশ্ন বাকী থাকিল যে যদি সুদ বন্ধ কৰি দিয়া হয় তেন্তে সকলো ব্যৱসায়ী সমাপ্ত হৈ পৰিব, কিন্তু এই কথা সত্য নহয়। সুদ বন্ধ কৰি দিলেও ব্যৱসায়ী কেতিয়াওঁ অনিষ্ট হৈ নপৰে। এতিয়াও সুদৰ বলত ব্যৱসায় চলি থকা নাই যিহেতু এই কাৰণে সুদৰ সম্পৰ্ক ব্যৱসায়ৰ লগত হ'ব যে পশ্চিমীয়া দেশে এই পৰিশিষ্টক বিকশিত কৰিছে। যদি তেওঁলোকে নিজৰ ব্যৱসায়ৰ ভেটি আৰম্ভণীৰে পৰা সুদৰ ওপৰত নথয় তেন্তে আজি এই অশান্তিৰ পৰিৱেশে দেখা দিলে হয় আৰু নতুবা ব্যৱসায়ীৰ সুদৰ লগত কোনো সম্পৰ্ক থাকিলহেঁতেন। আজিৰে পৰা কিছু শতাব্দীৰ আগতে মুছলমানে সমগ্ৰ সংসাৰত ব্যৱসায় কৰিছিল আৰু নিজৰ সময়ক দৃষ্টি থৈ তেওঁলোকে সফল ব্যৱসায় কৰিছিল কিন্তু তেওঁলোকে সুদ একেবাৰে লোৱা নাছিল। তেওঁলোকে সুদ নোলোৱাৰ কাৰণে সাধাৰণতকৈ সাধাৰণ দুখীয়াক ভাগ ভাগ দিয়াৰ উপলক্ষ গ্ৰহণ কৰে তথা দেশৰ অধিকাংশ ভাগত সেই ব্যৱসায়ীক লাভ প্ৰদান কৰে।

সেয়ে সুদৰ কাৰণে ব্যৱসায় চলি থকা নাই তথাপি সুদত যিহেতু তাৰ সেই ভেটি নিৰ্ণয় কৰা হৈছে, সেই কাৰণে এনে লাগে যে সুদৰ ওপৰতে চলি আছে। নিঃসন্দেহে আৰম্ভণীতে কঠিনতাৰ সন্মুখীন হ'ব লগা হ'ব কিন্তু যিদৰে সুদৰ ভেটি প্ৰতিষ্ঠা কৰা হৈছে সেইদৰে এই ভাৱনাকো যথাক্ৰমে আঁতৰাই পেলোৱা হ'ব।

সুদ এই যুগৰ সেই জোক যি মানৱতাৰ তেজক শুহি খায় আছে। দুখীয়া তথা মধ্যবৰ্গীয় লোক লগতে ধনীলোকসকলো এই অত্যাচাৰৰ চিকাৰ হৈ আহিছে। কিন্তু অধিকাংশ ব্যক্তি সেই চিতা বাঘৰ দৰে যাৰ বিষয়ে এই বুলি ক'ব পৰা যায় যে সি নিজৰ জিভাক শিলত ঘঁহি ঘঁহি থাই থাকে এক মিছা আনন্দ অনুভৱ কৰি থাকে যাৰ কাৰণে তাক ত্যাগ কৰিব নিবিচাৰে। যদি

এৰিব বিচাৰে তেন্তে সমাজৰ প্ৰভাৱে তেওঁক পৃথক হ'বলৈ নিদিয়ে।

ইয়াৰ দুটা ভয়ানক প্ৰভাৱ ৰাষ্ট্ৰৰ শান্তিৰ বিৰুদ্ধে পৰিব ধৰিছে। প্ৰথম ইয়াৰ দ্বাৰা সম্পত্তি সীমিত সংখ্যকৰ হাতত একগোট হৈছে। দ্বিতীয়টো কাৰণ যুদ্ধ সহজ হৈ পৰিছে। মই বুজিব নোৱাৰো যে সংসাৰৰ কোনো ব্যক্তিয়ে সেই মহাযুদ্ধ যি যোৱা দিনবোৰত হৈছিল সাহস কৰিব পাৰিল হয় নে যদি সুদৰ দুৱাৰ তেওঁলোকৰ বাবে মুকলি নাথাকিল হয়? যিমান টকা সেই মহাযুদ্ধত ব্যয় হ'ল বিভিন্ন ৰাষ্ট্ৰই এই ধনক ব্যয় কৰিবলৈ কেতিয়াওঁ প্ৰস্তুত নহ'ল হয় যদি তাৰ ভাৰ পোণপটীয়াকৈ দেশৰ জনসাধাৰণৰ ওপৰত পৰিল হয়। ইমান দীঘলীয়া সময়লৈকে যুদ্ধ কেৱলমাত্ৰ সুদৰ বলতেই হৈছিল অন্যথা কিছুমান ৰাষ্ট্ৰ আছিল সেই সময়ৰ আগৰে পৰা যুদ্ধ হৈ আছিল, যুদ্ধৰ পৰা আঁতৰি থাকিলহেঁতেন কিয়নো তেওঁলোকৰ ৰাজকোষ লাহে লাহে সমাপ্ত হৈ আহিছিল আৰু তেওঁলোকৰ দেশত বিদ্ৰোহৰ এক সৰ্বসাধাৰণ তৰংগৰ সৃষ্টি হ'লহেঁতেন কিন্তু সুদৰ বাবেই সেইসময়তো জনসাধাৰণে ভাৰ অনুভৱ কৰিব পৰা নাছিল। কিন্তু এতিয়া এই গধুৰ ভাৰৰ বোজাত লোকসকলৰ কঁকাল ভাগি পৰিছে তথা কিছুমান দেশৰ বহু কেইটা প্ৰজন্মৰলৈকে ঋণ পৰিশোধ কৰি থাকিব লাগিব। যদি সুদ লোৱা হ'লহেঁতেন যুদ্ধৰ পৰিণাম সেয়াই হ'লহেঁতেন যিটো আজি হৈছে অৰ্থাৎ সকলোবিলাক জাতিয়ে জয়লাভ কৰিলেহেঁতেন যি এতিয়া বিজয়ী হৈছে কিন্তু ফ্ৰান্সৰ ইমান বিনাশ নহ'ল হয়, জাৰ্মানিৰ ইমান বিনাশ নহ'লহেঁতেন, আষ্টিডতয়াত ইমান ধৰণে বিধ্বস্ত নহ'লহেঁতেন। ব্ৰিটেইনৰ ওপৰত ইমান বোজা নপৰিলেহেঁতেন। প্ৰথমতে যুদ্ধক ত্যাগ কৰাটো ৰাষ্ট্ৰৰ বাবে দুঃসাহস নহ'লহেঁতেন আৰু যদি যুদ্ধ বিস্তাৰিত হ'লহেঁতেন তেন্তে এবছৰতে উন্মদনা ঠাণ্ডা হৈ পৰি কেতিয়াবাই সন্ধি হ'ল হয় যিহেতু আজি সংসাৰে উন্নতিৰ পথত প্ৰগতি কৰিলহেঁতেন। ৰাষ্ট্ৰই আজিকালি যুদ্ধৰ সামগ্ৰী তথা অস্ত্ৰ কম কৰাৰ বাবে গুৰুত্ব দি আহিছে। এয়াও এক ভাল কথা কিন্তু অস্ত্ৰ নিজৰ ভাৱনা তথা উদ্দেশ্যৰ দ্বাৰা লগে লগে হৈ পৰে। কিন্তু বৰ্তমান নাইকিয়া কৰিব লগা হৈ পৰা বস্তুটো হৈছে সুদ। পৱিত্ৰ কোৰাণে কৈছে যে সুদ যুদ্ধক জন্ম দিয়াৰ কাৰণ হয় আৰু আজি আমি নিজৰ চকুৰে যুদ্ধৰ দৃশ্যক দেখি আহিছো।

সেয়ে যুদ্ধ লাগে আন্তৰিক হওঁক অথবা বাহ্যিক তেতিয়াহে বন্ধ হ'ব আৰু ৰাষ্ট্ৰত শান্তি তেতিয়াহে স্থাপিত হ'ব যেতিয়া সুদৰ পৰিশিষ্টক সভ্যতাৰ বাহিৰলৈ নিক্ষেপ কৰা হ'ব। নিঃসন্দেহ তেতিয়া গাখীৰৰ নৈ বৈ যাৱ তথা ধনীয়ে দুখীয়াক শোষণ কৰিব নোৱাৰিব তথা এখন ৰাষ্ট্ৰই আন এখন ৰাষ্ট্ৰক আক্ৰমণ কৰাৰ বাবে ভয় কৰিব। যুদ্ধৰ দিশে তেতিয়া আকৰ্ষিত হ'ব যেতিয়া তেওঁলোকৰ বিশ্বাস হ'ব যে তেওঁলোকৰ ৰাষ্ট্ৰৰ প্ৰতিষ্ঠাৰ বাবে বিপদ আহি পৰিছে আৰু এয়া লোকসকলে তাক ৰক্ষা কৰিবলৈ প্ৰতিটো বলিদান আৰু ত্যাগ কৰাৰ বাবে প্ৰস্তুত হৈ পৰিব। শাসকে নিজৰ মনোৰঞ্জনৰ কাৰণে কেতিয়াওঁ যুদ্ধ নকৰিব।

আন এটা এয়াও যে যাৰ কাৰণে কিছুমান লোকৰ হাতত অধিক ধন জমা হৈ পৰে আৰু সেয়া হ'ল খনিজ সম্পদৰ সন্ধান। ইয়াৰ প্ৰতিকাৰ ইছলামে এনেদৰে প্ৰদান কৰিছে যে খননৰ পৰা পঞ্চম ভাগ চৰকাৰক নিশ্চিত কৰ প্ৰদান কৰক আৰু যি ধন খনিৰ গৰাকীয়ে জমা কৰে আৰু সেয়া এবছৰ হৈ যায় তেন্তে তাত পৃথকৈ 'জাকাত' লাগি যায়। এইদৰে চৰকাৰ খনিৰ অংশীদাৰ হৈ পৰে আৰু দুখীয়াৰ বাবে এক পৰ্যাপ্ত ধন প্ৰাপ্ত হৈ যায় যাৰ পৰা তেওঁলোকৰ অধিকাৰক ৰক্ষা কৰিব পৰা যায়। যদি কোনো ব্যক্তিৰ মাটিত খনিৰ সন্ধান পোৱা যায়, তেওঁ তাৰ পৰা লাভ অৰ্জন কৰিবলৈ সমৰ্থ নহয় যিহেতু চৰকাৰৰো তাত অংশ আছে গতিকে চৰকাৰে উচিত মূল্য প্ৰদান কৰি তাক ক্ৰয় কৰিব পাৰে। অথবা আন কাৰোবাক তাক বিক্ৰী কৰাৰ বাবে আদেশ প্ৰদান কৰিব পাৰে। এইদৰে খনিজৰ ক্ষেত্ৰত সভ্যতাৰ কাৰণে যি ত্ৰুটিয়ে দেখা দিছিল সেয়া নাইকিয়া হৈ পৰিব।

## আন্তঃ ৰাষ্ট্ৰীয় সম্পৰ্ক

চৰকাৰ তথা প্ৰজা, ধনী তথা দুখীয়াৰ বিষয়ে বৰ্ণনা কৰাৰ পিছত এতিয়া মই সেই শিক্ষাৰ বিষয়ে উল্লেখ কৰিম যিটো ইছলামে আন্তঃ ৰাষ্ট্ৰীয় সম্পৰ্কৰ ক্ষেত্ৰত প্ৰদান কৰিছে—

মনত ৰাখিব লাগে যে ইছলামী শিক্ষাৰ দৃষ্টিকোণ এয়া যে সংসাৰত দেশীয় আৰু ৰাষ্ট্ৰীয় ৰাজ্য ব্যৱস্থাক সমাপ্ত কৰি সমগ্ৰ সংসাৰক এখন ৰাজ্যত স্থাপিত

কৰি দিয়া হওঁক যাতে যুদ্ধ তথা কাজিয়াৰ সমাপ্তি ঘটে। ইছলামে বিভিন্ন ৰাষ্ট্ৰিক ইমান আন্তৰিক স্বাধীনতা প্ৰদান কৰে যে ইছলামী ৰাজনীতি অনুসৰি তেওঁলোকে অতি সহজতে নিজৰ জাতীয় আৱশ্যকতাবোৰক আৰু বিশেষত্ববোৰক পূৰণ কৰিব পাৰে আৰু তথাপি এটা সংঘৰ অংশ হ'ব পাৰে। কিন্তু ইছলামে এই উদ্দেশ্যক প্ৰাপ্তিৰ কাৰণে কোনো ধৰণৰ শাৰিৰীক প্ৰচেষ্টা কৰাৰ অনুমতি প্ৰদান কৰা নাই লগতে তাত কেৱল লোকসকলৰ অভিমত তথা উদ্দেশ্যৰ ওপৰত এৰি দিছে আৰু মুছলিম ৰাষ্ট্ৰকো বাধ্য কৰা নাই। যেতিয়ালৈকে সংসাৰত এই প্ৰবৃত্তি উৎপন্ন নহয় যে লোকসকলে স্থানীয় সমস্যাক নিজৰ নিজৰ ইচ্ছানুসৰি সামাধান কৰি শেষ কথাত এক হৈ পৰে আৰু যুদ্ধৰ দিশে শংকা তথা এজনে আনজৰ বিৰুদ্ধে প্ৰস্তুতি আৰু উন্মাদনাৰ শ্ৰেষ্ঠ উদ্দেশ্যৰ বাবে বলিদান দিয়ে সেই সময়লৈকে বৰ্তমান স্থিতিতে সন্তুষ্ট হৈ থাকিব লাগে। মই সেই অনুসৰি যি নিয়ম ইছলামে নিৰ্ধাৰণ কৰিছে তাৰ বৰ্ণনা কৰিব বিচাৰিছোঁ। প্ৰায় দেখিবলৈ পোৱা যায় যে সকলো যুদ্ধ বা কাজিয়া পৰস্পৰ এখনে আনখন দেশৰ প্ৰতি লোভৰ বশীৰ্ভুত হৈ অথবা এখনে আনখনৰ পৰা অনুচিতভাৱে লাভ অৰ্জনৰ যত্ন কৰাৰ পৰা সৃষ্টি হয়। ইছলামে এই বিষয়ত দুটা আদেশ দিয়ে যি এই যুদ্ধৰ পৰম্পৰাক একেবাৰে নাইকিয়া কৰি পেলায়। প্ৰথমতে ইয়াক উল্লেখ কৰিছে যে—

وَلَا تَمُدَّنَّ عَيْنَيْكَ إِلَىٰ مَا مَتَّعْنَا بِهِۦٓ أَزْوَٰجًا مِّنْهُمْ زَهْرَةَ
ٱلْحَيَوٰةِ ٱلدُّنْيَا لِنَفْتِنَهُمْ فِيهِ ۚ وَرِزْقُ رَبِّكَ خَيْرٌ وَأَبْقَىٰ ﴿١٣٢﴾

(20:132

অৰ্থাৎঃ- হে মুছলিম তুমি নিজৰ চকুক সাংসাৰিক লাভৰ দিশে যি তোমাৰ অতিৰিক্ত আন জাতিক মই প্ৰদান কৰিছোঁ যাতে সিঁহতৰ কামক পৰীক্ষা কৰে, দাণ্ডি দাণ্ডি নাচাব আৰু পালনকৰ্তা পৰমেশ্বৰে যি তোমাক দিছে সেয়াই তোমাৰ বাবে ভাল আৰু চিৰকাললৈ থাকিব অৰ্থাৎ মৃত্যুৰ পিছতো সেইবোৰে কামত দিব তথা যদি আন জাতিক বাধ্য কৰি ধন উপাৰ্জন কৰা যদি সেয়াই লাভ নিদিব আৰু নে স্থিৰ হৈ থাকিব।

এনেধৰণৰ অনুচিত লাভ অৰ্জন কৰা তথা লাভ লোৱাৰ আন এটা কাৰণ হৈ পৰে পাৰস্পৰিক শত্ৰুতা। কোনো জাতিগত অমানবীয়তা তথা ঘৃণা হৃদয়ত থাকিলে অথবা কোনো সময়ত কোনো জাতিৰ পৰা কোনো কষ্ট অনুভৱ হ'লে পুনৰ সন্ধি হৈ পৰে তথা কথা পাহৰি যোৱা হয় কিন্তু এটা জাতিয়ে তাক হৃদয়ত ৰাখি থৈ দিয়ে আৰু পোনে পোনে আন ৰাষ্ট্ৰক দুৰ্বল কৰি যায় তথা হেঁচা অথবা প্ৰতাৰণাৰ দ্বাৰা তাৰ অনুচিত লাভ অৰ্জন কৰিবলৈ আৰম্ভ কৰি দিয়ে যাতে তাৰ ক্ষতি হয়। ইছলামে ইয়াত আনন্দ অনুভৱ নকৰে, কেৱল সত্যত কাম কৰাৰ আজ্ঞা প্ৰদান কৰে। পৰমেশ্বৰৰ পৱিত্ৰ বক্তব্য হ'ল—

يَاَيُّهَا الَّذِيْنَ اٰمَنُوْا كُوْنُوْا قَوّٰمِيْنَ لِلّٰهِ شُهَدَآءَ بِالْقِسْطِ ۫ وَلَا يَجْرِمَنَّكُمْ شَنَاٰنُ قَوْمٍ عَلٰۤى اَلَّا تَعْدِلُوْا ؕ اِعْدِلُوْا ۟ هُوَ اَقْرَبُ لِلتَّقْوٰى ۫ وَاتَّقُوا اللّٰهَ ؕ اِنَّ اللّٰهَ خَبِيْرٌۢ بِمَا تَعْمَلُوْنَ ۝

(5:9)

অৰ্থাৎঃ- হে ম'মিন ( হে ঈশ্বৰ ভক্ত) নিজৰ সকলো কাম পৰমেশ্বৰৰ বাবে কৰা তথা সংসাৰত ন্যায়সী হৈ থাকা তথা কোনো জাতিৰ লগত শত্ৰুতাই তোমালোকক এই কথাৰ দিশে উত্তেজিত নকৰে যে তুমি ন্যায় ব্যৱহাৰ নকৰিবা তুমি প্ৰত্যেক অৱস্থাতে ন্যায় প্ৰিয়তাক আদৰণি জনোৱা। এই কথাই ঈশ্বৰৰ প্ৰতি শ্ৰদ্ধা তথা তেওঁৰ ভয়ক সৰ্বদা অনুকুল হয়। পৰমেশ্বৰক নিজৰ ঢাল কৰা। পৰমেশ্বৰে তাৰ প্ৰতি যি তুমি কৰা সচেতন হৈ থাকে।

এই দুয়োটা আদেশক তথা সিদ্ধান্তৰ অধীনত কোনো বাস্তৱিক মুছলিম চৰকাৰে আন্তঃৰাষ্ট্ৰীয় সম্পৰ্কক বেয়া কৰাৰ কোনো কাৰণ হৈ পৰিব নোৱাৰে। কিয়নো মুছলমানক আদেশ দিয়া হৈছে যে আন জাতিৰ ধন তথা ৰাজ্যৰ দিশে কেতিয়াও লোভৰ দৃষ্টি নিক্ষেপ নকৰিবা আৰু সেয়া কেৱল ব্যক্তিৰূপতেই হওঁক বা চৰিত্ৰগত হওঁক লগতে জাতীয় আৰু সামাজিক দৃষ্টিৰে এনে চৰিত্ৰ প্ৰদৰ্শন নকৰিবলৈ সকীয়াই দিছে।

পাৰস্পৰিক ব্যৱহাৰৰ সম্পৰ্কত ইছলামে এই আদেশ প্ৰদান কৰে যে

প্ৰতিজ্ঞা তথা বুজাবুজিক ইমান কঠোৰতাৰে পালন কৰা যে যি জাতি বা ৰাষ্ট্ৰৰ লগত তোমালোকৰ বুজাবুজি হৈছে তাত যিবিলাক জাতিৰ বুজাবুজি সেয়াও যদি ক্ৰিয়াত্মকৰূপত যুদ্ধত সন্মিলিত নহয় তুমি লাগে এটা যুদ্ধত অংশ গ্ৰহণ কৰা এটা জাতিৰ অংশ হোৱা তুমি সিহঁতৰ লগত যুদ্ধ নকৰিবা । এটা জাতি যি বুজাবুজি কৰিছে যদি তাৰ পৰা কিবা অনিষ্টৰ ভয় থাকে তেন্তে আদেশ দিয়া হৈছে যে সিহঁতৰ দুষ্টামি থাকিলেও ইয়াক নকৰিবা যে সহজে সিহঁতক আক্ৰমণ কৰি দিবা আৰু পৰিস্থিতিৰ লাভ অৰ্জন কৰিবা। লগতে সৰ্বপ্ৰথমতে তেওঁলোকক জাননী দিয়া যে আমি বুজাবুজিক সমাপ্ত কৰিছোঁ কিয়নো তোমালোকৰ ফালৰ পৰা চুক্তিক ভংগ কৰা হৈছে। এই ঘোষণা কৰাৰ পিছতো যদি তেওঁলোক নিজৰ অভ্যাসৰ পৰা আঁতৰি নাহে নিঃসন্দেহে যুদ্ধ কৰিব পাৰা। এনেয়ে নোৱাৰা।

কিন্তু শান্তি স্থাপন কৰা এক আহিলা এয়াও যে প্ৰতিখন দেশে যুদ্ধৰ কাৰণে প্ৰস্তুত থাকিব লাগে যাতে নীচ আৰু জাৰজ শত্ৰুৰ হৃদয়ত তেওঁলোকৰ দুৰ্বলতাক দেখি তাৰ প্ৰতি অনুচিত লাভ অৰ্জন কৰাৰ ভাৱনা যাতে উদয় হ'ব নোৱাৰে।

সেয়ে উল্লেত কৰা হৈছে যে নিজেই আন দেশৰ পৰা অনুচিত লাভ অৰ্জন নকৰিবা কিন্তু আন জাতিয়ে যেতিয়ালৈকে বিদ্যমান হয় যুদ্ধৰ ভয় থাকে। সেয়ে আভ্যন্তৰীণৰূপত সুৰক্ষা যুদ্ধৰ কাৰণে পূৰ্ণৰূপত কৰি থ'ব লাগে যাতে তোমালোকৰ দুৰ্বলতাই আনক যুদ্ধৰ প্ৰেৰণা নিদিয়ে।

যদি যুদ্ধক হ'বলৈ হয় তেন্তে সেই সময়ৰ কাৰণে আদেশ দিয়া হৈছে যে নাৰী, শিশু তথা ধৰ্মীয় কাৰ্যৰ কাৰণে জীৱন সমৰ্পিত কৰা জনক আৰু বৃদ্ধজনক একো নকৰিবা। কেৱল সেইসকল লোকক যুদ্ধত মৃত্যুৰ দুৱাৰত উপনীত কৰা যি যুদ্ধ কৰিছে তথা যদি কোনোৱে অস্ত্ৰ-শস্ত্ৰ ত্যাগ কৰি ক'য় যে মই যুদ্ধ নকৰো তেন্তে তেওঁক বধ কৰাটো অনুচিত হ'ব। কোনো দেশক মিছাতে ক্ষতি নকৰিবা। যেতিয়ালৈকে কোনো আহিলা শত্ৰুৰ অধীন কৰিবলৈ তথা নিজক ৰক্ষা কৰিবলৈ লাগে তেওঁলোক বিকশিত হৈ পৰা শস্য, বৃক্ষ তথা ঘৰবিলাকক ৰক্ষা কৰা তথা আক্ৰমণৰ উদ্দেশ্য ক্ষতি নকৰিবা যে তাৰ ফলত

তেওঁলোকৰ ৰাজ্য দুৰ্বল হৈ পৰে। যদি ৰাষ্ট্ৰ বা জাতিয়ে সন্ধিৰ বাবে আগবাঢ়ে তেন্তে সেই চিন্তাত তেওঁলোকৰ হৃদয়ত কোনো ষড়যন্ত্ৰ বা দুষ্টামি নিহিত হৈ থাকে, তেওঁলোকে কেৱল সুযোগ বিচাৰিছে সন্ধিৰ পৰা অস্বীকাৰ নকৰিবা। তথাপি যেতিয়ালৈকে ষড়যন্ত্ৰ তথা দুষ্টামি স্পষ্ট নহয় যুদ্ধক নাইকিয়া কৰা তথা সন্ধি কৰিবলৈ চেষ্টা কৰা।

জাতিসংঘ পৱিত্ৰ কোৰাণৰ আদেশ অনুসৰি কোনবোৰ সিদ্ধান্তত হ'ব লাগে—

কলহ তথা কাজিয়াক সমাপ্ত কৰিবলৈ ইছলামে এক অনুপম আদেশ দিছে যাক আজি আমি লীগ অৱ নেচনৰ(League of Nations ) ৰূপত দেখিবলৈ পাইছোঁ কিন্তু এতিয়ালৈকে লীগ সেই সীমালৈকে সম্পূৰ্ণ হোৱা নাই যি সীমালৈকে ইছলামে তাক নিব বিচাৰিছে। ইছলামে ইয়াক আদেশ দিছে যে—

وَاِنۡ طَآئِفَتٰنِ مِنَ الۡمُؤۡمِنِيۡنَ اقۡتَتَلُوۡا فَاَصۡلِحُوۡا بَيۡنَهُمَا ۚ فَاِنۡۢ بَغَتۡ اِحۡدٰٮهُمَا عَلَى الۡاُخۡرٰى فَقَاتِلُوا الَّتِىۡ تَبۡغِىۡ حَتّٰى تَفِىۡٓءَ اِلٰٓى اَمۡرِ اللّٰهِ ۚ فَاِنۡ فَآءَتۡ فَاَصۡلِحُوۡا بَيۡنَهُمَا بِالۡعَدۡلِ وَاَقۡسِطُوۡا ؕ اِنَّ اللّٰهَ يُحِبُّ الۡمُقۡسِطِيۡنَ ۝١٠

(49:10)

অৰ্থাৎঃ— যদি দুটা জাতিয়ে মুছলমানৰ মাজৰ পৰা পৰস্পৰে কাজিয়া লাগে তেন্তে তেওঁলোকক পাৰস্পৰিক সন্ধি কৰি দিব লাগে। অৰ্থাৎ আন জাতিয়ে মাজত সোমাই তেওঁলোকৰ যুদ্ধক নাইকিয়া কৰাৰ চেষ্টা কৰিব লাগে আৰু যুদ্ধৰ যি কাৰণ তাক নাইকিয়া কৰিব লাগে তথা প্ৰত্যেককে তাৰ অধিকাৰ প্ৰদান কৰক। কিন্তু যদি এনে কৰাৰ পিছতো এটা জাতি আকোৰগোজ হৈ থাকে আৰু আনটো জাতিৰ ওপৰত আক্ৰমণ কৰি দিয়ে তথা সন্ধিৰ সভাৰ নিৰ্ণয়ক স্বীকাৰ নকৰে তেন্তে সেই জাতিৰ পৰা অত্যাচাৰ কৰাত দৃঢ়ৱদ্ধ

সকলো জাতি লগ লাগি যুদ্ধ কৰক ইমানলৈকে পৰমেশ্বৰৰ আদেশৰ দিশে তেওঁলোক যেতিয়ালৈকে উভতি নাহে অৰ্থাৎ অত্যাচাৰৰ চিন্তাক তেওঁলোকে ত্যাগ নকৰে। সেয়ে তেওঁলোকে যদি এনে কৰে সেই দুয়োটা জাতিৰ মাজত পুনৰ সন্ধি কৰি দিয়া কিন্তু ন্যায় তথা প্ৰেমৰ ব্যৱহাৰ কৰা। পৰমেশ্বৰ ন্যায়শীল ব্যক্তিৰ প্ৰতি প্ৰসন্ন হয়।

এই আয়াতে আন্তঃৰাষ্ট্ৰীয় সন্ধি আৰু শান্তি স্থাপনাৰ কাৰণে নিম্নলিখিত সূক্ষ্ম সূত্ৰক নিৰ্দেশ কৰে—

সৰ্বপ্ৰথমতে যেতিয়া দুটা জাতিৰ মাজত যুদ্ধৰ চিহ্ন দেখা যায়, তেতিয়া আন জাতিক এটাই আনটোক পক্ষপাত কৰাৰ স্থানত দুয়োকে জাননী প্ৰদান কৰি সচেতন কৰি দিব লাগে যে তেওঁলোকে জাতিৰ সন্মুখত পঞ্চায়ত নিজৰ কাজিয়াৰ নিৰ্ণয় কৰক। যদি তেওঁলোকে স্বীকাৰ কৰে তেন্তে কাজিয়া সমাপ্ত হৈ পৰিব যদি তেওঁলোকে সেই নিৰ্ণয়ক স্বীকাৰ নকৰে তথা যুদ্ধ কৰিবলৈ উদ্ৰেক হৈ পৰে তেতিয়া দ্বিতীয় পদক্ষেপ ইয়াক গ্ৰহণ কৰা হওঁক যে বাকী সকলো লগহৈ সেই জাতিৰ লগত যুদ্ধ কৰক। এয়া স্পষ্ট যে সকলো ৰাষ্ট্ৰৰ লগত এখন ৰাষ্ট্ৰই যুঁজিব নোৱাৰে, অৱশ্যে তেওঁলোকৰ অৱশ্যে চেতনা আহি পৰিব আৰু সন্ধি কৰিবলৈ বাধ্য হৈ পৰিব। সেয়ে যেতিয়া তেওঁলোক সন্ধি কৰিবলৈ সন্মত হৈ পৰে তৃতীয়টো পদক্ষেপ এয়া যে সেই দুয়োটা জাতি অথবা ৰাষ্ট্ৰক যি কাজিয়া কৰাৰ কাৰণে যুদ্ধৰ আৰম্ভ হ'ল সন্ধি কৰি দিয়ক অৰ্থাৎ সেই সময়ত নিজকে নিজেই বিৰোধী পক্ষ হৈ তেওঁলোকৰ লগত বুজাবুজি কৰিবলৈ বহিব নালাগে তথাপি নিজৰ বুজাবুজি যি প্ৰথমতে আছিল তাতে থাকিবলৈ দিয়ক কেৱল তেওঁলোকতকৈ প্ৰথমতে কাজিয়াৰ নিৰ্ণয় কৰক যি কাৰণে যুদ্ধ হৈছিল। এই যুদ্ধৰ কাৰণ নৱীন প্ৰস্তাৱ আৰু দাৱীক উপস্থাপন কৰি সদায় কাজিয়াৰ ভেটি সৃষ্টি নকৰিব। চতুৰ্থতে এই কথাৰ প্ৰতি দৃষ্টি থোৱা হৈছিল যে বুজাবুজি ন্যায়ৰ ওপৰত আধাৰিত হওঁক। এয়া নহওঁক যে এটা পক্ষই বিৰোধীতা কৰি আছে সেই কাৰণে তেওঁলোকৰ বিৰুদ্ধে নিৰ্ণয় দিব লগতে যুদ্ধ হোৱাৰ পিছতো নিজেই নিজক মধ্যস্থকাৰীৰ পক্ষত ৰাখিব, বিৰোধী পক্ষ হৈ নপৰিব। এই কথাৰ প্ৰতি দৃষ্টি ৰাখি যদি কোনো সভা অনুষ্ঠিত কৰা

হয় তেতিয়া লক্ষ্য কৰা হ'ব যে কিদৰে সংসাৰত আন্তঃৰাষ্ট্ৰীয় শান্তি স্থাপিত হ'ব। সকলো কাজিয়া এই কথাৰ পৰা জন্ম হয় যে প্ৰথমতে যেতিয়া কাজিয়া হয় দ্বিতীয়টো শক্তিয়ে পৃথকে বহি ৰং চাই থাকে আৰু যেতিয়া মাজত পৰি যায় তেতিয়া পৃথকে পৃথকে হস্তক্ষেপ কৰে। কোনো কাৰোবাৰ পক্ষৰ হৈ পৰে আৰু কোনোবাই কাৰোবাৰ পক্ষত এইদৰে যুদ্ধৰ ইন্ধন যোগায়। যুদ্ধক কেতিয়াওঁ কম নকৰে। যদি আন শক্তিয়ে লগ লাগি নিজৰ চিন্তা-ধাৰাক প্ৰদৰ্শন কৰাৰ আগতেই নিৰ্ণয় গ্ৰহণ কৰে যে আন্তঃৰাৰাষ্ট্ৰীয় পঞ্চায়তৰ দ্বাৰা এই কাজিয়াক নিয়ন্ত্ৰণ কৰা হওঁক আৰু সকলো একমত হৈ কোনো এটাক নহয় দুয়োটাকে অথবা যিকেইখন ৰাষ্ট্ৰই কাজিয়া কৰিছে সকলোকে এই বুলি প্ৰতীয়ন নিয়াব লাগে যে কাজিয়া কৰাৰ দৰকাৰ নাই, আন্তঃৰাষ্ট্ৰীয় সভাত নিজৰ বিচাৰ উত্থাপন কৰক। নিৰ্ণয় কৰোতাই ন্যায়ক এই ভিত্তিত দৃষ্টি নিক্ষেপ কৰক যে তেওঁ প্ৰথমৰে পৰা এনে চিন্তা নিজৰ মস্তিষ্কত ৰাখিব নালাগে অৰ্থাৎ প্ৰথমতে কোনো নিৰ্ণয় কৰিব নালাগে। যেনেকৈ ন্যায়াধীশে দুয়োপক্ষৰ তৰ্ক শুনাৰ আগতে নিশ্চয় নিশ্চিত নকৰে। পুন দুয়ো পক্ষৰ শুনানী গ্ৰহণ কৰাৰ পিছত নিৰ্ণয় কৰে। যি পক্ষই স্বীকাৰ নকৰে, সকলো লগ লাগি তেওঁলোকৰ সৈতে কাজিয়া কৰা। যেতিয়া তেওঁলোক অধীন হৈ পৰিব সেই সময়ত নতুন প্ৰস্তাৱ নিজৰ ফালৰ পৰা উপস্থাপন নকৰিব সেয়েহে প্ৰথমতে কাজিয়াক নিয়ন্ত্ৰণ কৰক কিয়নো এনে ক্ষণত বিজিত জাতিক উভতি অহাৰ পৰামৰ্শ প্ৰদান কৰা হয় তথা প্ৰতিটো জাতিয়ে বিভিন্ন নামত তাৰ পৰা লাভ অৰ্জন কৰাৰ যত্ন কৰে যদি অৱশ্যে সেই লাভ উঠাব বিচৰা জাতিৰ মাজত অমানবীয়তা তথা ঈৰ্ষা বৃদ্ধি ঘটিব আৰু যিটো জাতিক তেওঁলোকে অধীন কৰিব সিহঁতৰ লগতো ভাল সম্বন্ধ স্থাপিত হ'ব নোৱাৰিব তথা আন্তঃ ৰাষ্ট্ৰীয় সভাত সংসাৰৰ ৰাজ্য আৰু ৰাষ্ট্ৰৰ বাস্তৱিক সহানুভূতিও উৎপন্ন নহ'ব। সেয়ে লাগে যে সেই যুদ্ধৰ পিছত কেৱল সেই কাজিয়াৰ নিৰ্ণয় হওঁক যাৰ আধাৰত যুদ্ধ হোৱা নাছিল নতুবা কোনো আন কথাৰ।

এতিয়া প্ৰশ্ন হ'ল যে যি ব্যয় যুদ্ধত হ'ব তাক কিদৰে পৰিশোধ কৰিব পৰা যায়? তেন্তে তাৰ উত্তৰ এয়া যে সকলো জাতিয়ে যুদ্ধৰ ব্যয় নিজেই বহন

কৰিব লাগে আৰু এই ভাৰ কেতিয়াওঁ অধিক নহ'ব। প্ৰথমতে এই কাৰণত যে উক্ত আয়োজনৰ অৱস্থাত যুদ্ধ কম হৈ পৰিব তথা কোনো জাতিৰে যুদ্ধ কৰাৰ দুঃসাহস নহ'ব। দ্বিতীয়তে যিহেতু এই ব্যৱস্থাত স্বাৰ্থপৰতাৰ কোনো স্থান নাথাকিব সকলো জাতি সেই দিশে শিৰণত হ'ব তথা যুদ্ধৰ ব্যয় ইমান বিভক্ত হৈ পৰিব যে তাৰ বোজা অনুভৱ নহ'ব। তৃতীয়তে এই ব্যৱস্থাৰ লাভ প্ৰতিটো জাতিৰে হ'ব কিয়নো কোনো জাতি নাই যি যুদ্ধগ্ৰস্ত হোৱাৰ ভয়ত সুৰক্ষিত হয় গতিকে পৰিণামলৈ দৃষ্টি ৰাখি এই ব্যয় বৰ্তমান ব্যয়তকৈ যুদ্ধ চিন্তাত ৰাষ্ট্ৰই কৰিব লগাত পৰে সেয়া কম হ'ব। যদি ধৰি লোৱা হয় যে কিছু অধিক ব্যয় কৰিব লগা হ'লেও যিদৰে ব্যক্তিৰ কৰ্তব্য হ'ল যে বিশ্ব-শান্তিৰ বাবে ত্যাগ কৰক, ৰাষ্ট্ৰৰো কৰ্তব্য হয় যে ত্যাগ কৰি শান্তি স্থিৰ কৰক। সেয়া চৰিত্ৰৰ শক্ততকৈ ওপৰত নহয় লগতে তাৰ অধীন হয়।

মোৰ মতে সকলো কাজিয়া সেই বিৰোধৰ কাৰণে সংঘটিত হয় যাক পৱিত্ৰ কোৰাণক উপস্থাপন কৰি নিম্নলিখিত প্ৰস্তাৱত কৰিব পৰা যায়—

১. পাৰস্পৰিক ব্যক্তিগত বুজাবুজিৰ কাৰণ যি আগৰে পৰা কৰি থোৱা হয়, যিহেতু তাৰ স্থানত সকলো জাতিৰে এক বুজাবুজি হ'ব লাগে।

২. কাজিয়াক বৃদ্ধি হ'বলৈ দিয়াৰ কাৰণত।

৩. ৰাষ্ট্ৰৰ পক্ষপাতিত্ব তথা পক্ষক অৱলম্বন কৰি এটা গোটৰ পক্ষত হস্তক্ষেপ কৰাৰ কাৰণৰ বাবে

৪. পৰাজয়ৰ ফলত সেই জাতিৰ অংশ বিভাজন কৰিলে তথা ব্যক্তিগত লাভ অৰ্জন কৰাৰ আকাংশা উৎপন্ন হোৱাৰ কাৰণৰ পৰা।

৫. বিশ্বশান্তিৰ কাৰণে ত্যাগ কৰিবলৈ প্ৰস্তুত নোহোৱাৰ কাৰণে।

এই পাঁচটা বিসংগতিক আঁতৰ কৰি দিয়া হয় যদি পৱিত্ৰ কোৰাণে উল্লেখ কৰা জাতিসংঘ সৃষ্টি হয় তথা বাস্তৱত এনে লীগে কিবা লাভ প্ৰদান কৰিব পাৰে। সেইসকলে নোৱাৰে যি নিজৰে অস্তিত্বক স্থিৰ কৰাৰ কাৰণে লোকৰ কৃপা দৃষ্টিলৈ প্ৰতীক্ষা কৰি থাকে।

সত্য এয়া যে কেতিয়াওঁ আন্তঃ ৰাষ্ট্ৰীয় কাজিয়া নিৰ্মূল নহয় যেতিয়ালৈকে জাতিবিলাকেও নিজৰ সম্পৰ্কক তথা ব্যৱহাৰৰ ভিত্তি সদাচাৰ নাৰাখে। যিদৰে

ব্যক্তিক কোৱা হয় যে নিজৰ কাম ভিত্তি সদাচাৰত ৰাখিব সেইদৰে ৰাষ্ট্ৰই সদাচাৰৰ নিৰীক্ষণৰ দিশে গুৰুত্ব দিব লাগে। কাজিয়া কিছুমান কাৰণত হয়। প্ৰথমতে তাক শুধৰণি কৰিব লাগে পুনৰ নিজেই কাজিয়া কম হৈ পৰিব আৰু এই শুধৰণিৰ পিছতো যদি কোনো সময়ত কোনো কাজিয়া সৃষ্টি হয় তেন্তে তাত আঁতৰ কৰিবলৈ ইছলামী সিদ্ধান্ত এখন শুধৰণি-সভা আয়োজন কৰিব লাগে যি এই কাজিয়াৰ নিৰ্ণয় কৰে। সেই কাৰণত য'ত কাজিয়াৰ জন্ম হয় তাত তলত উল্লেখ কৰা সদাচাৰ সম্পৰ্কীয় কিছু ত্ৰুটি আছে—

১. এয়া যে ৰাষ্ট্ৰ তথা প্ৰজাৰ সম্বন্ধ ভাল নহয়। যদি ইছলামৰ এই দৃষ্টিভংগী সন্মুখত থোৱা হয় যে প্ৰত্যেক দেশৰ প্ৰজাৰ কৰ্তব্য যে হয়তু সেই ৰাষ্ট্ৰক সহযোগক যাৰ অধীনত তেওঁ থাকে অথবা সেই দেশক এৰি থৈ যাওঁক যাতে আনৰো শান্তি বিঘ্নিত নহয় কেতিয়াওঁ কোনো জাতিৰে আন জাতিক আক্ৰমণ কৰা দুঃসাহস নহওঁক কিয়নো কোনো জাতিয়ে এই কথা পছন্দ নকৰিব যে এজন বন্ধ্যাই দেশত অধিকাৰ কৰক।

২. দ্বিতীয় ত্ৰুটি এয়া যে বিভিন্ন ৰাষ্ট্ৰৰ এয়া বিশ্বাস যে তেওঁলোক জাতি মাথোঁ এই চিন্তা-ধাৰাত যে তেওঁলোকে তেওঁলোকৰ ৰাষ্ট্ৰৰ প্ৰতি সহযোগ দিয়াৰ বাবে প্ৰস্তুত আছে এই কাৰণে তেওঁলোক নিৰ্ভয় হৈ আন জাতিৰ ওপৰত আক্ৰমণ কৰি দিয়ে। যদি নিম্নলিখিত তথ্য যাক ইছলামে উপস্থাপন কৰিছে তাক স্বীকাৰ কৰা হওঁক—

" তুমি নিজৰ ভায়েকক সহায় কৰা। যদি সি অত্যাচাৰত পীড়িত হয় তেন্তে আনৰ অত্যাচাৰৰ পৰা ৰক্ষা কৰা আৰু যদি সি অত্যাচাৰী হয় তেন্তে নিজৰ প্ৰতিৰোধমূলক প্ৰবৃত্তিয়ে অত্যাচাৰৰ পৰা ৰক্ষা কৰা।" তেতিয়া যুদ্ধ পৰ্যাপ্ত মাত্ৰাত কম হ'ব পাৰে। এই সময়ত জাতীয় ভেদভাৱ ইমানেই তীব্ৰ হৈ পৰিছে যে যেতিয়া নিজৰ জাতিৰ প্ৰশ্ন উঠে তেন্তে সকলো ব্যক্তিয়ে চিন্তা নকৰাকৈ এটা স্বৰত একগোট হৈ পৰে আৰু ইয়াক বিবেচনা নকৰে যে যদি আমাৰ ৰাষ্ট্ৰৰ ভুল হয় আমি তাক বুজাম। সেয়ে এফালে দেশদ্ৰোহিতা তথা আনফালে জাতীয় ভেদভাৱ যুদ্ধৰ মহান কাৰণ হয়। এইবোৰ নাইকিয়া হোৱাটো প্ৰয়োজন আছে।

সংসাৰে যেতিয়ালৈকে এই সিদ্ধান্তক বুজি নুঠিব যে দেশ-প্ৰেম তথা মানৱ-প্ৰেম দুয়োটা ভাৱনা এক স্থানত একগোট হ'ব পাৰে যেতিয়ালৈকে শান্তি হ'ব নোৱাৰে। ইছলামে এই লঘু বাক্যত এই বিষয় অভিব্যক্ত কৰিছে— "উনচুৰ আখাকা  জালিমান আও মাজলুমা" (বুখাৰী কিতাবুল মজলিম) অৰ্থাৎ— তুমি তোমাৰ ভাতৃ লাগে সি অত্যাচাৰী হওঁক অথবা অত্যাচাৰৰ দ্বাৰা পীড়িত সহায় কৰা। অত্যাচাৰত পীড়িতজনক এনেদৰে সহায় কৰিব লাগে যে তেওঁক আনৰ অত্যাচাৰৰ পৰা ৰক্ষা কৰিব পৰা যায় আৰু অত্যাচাৰীক সহায় তুমি এইদৰে কৰা যে তাৰ অত্যাচাৰক বাধা দিব পৰা।

ইমান সুন্দৰ ভংগীৰে দেশপ্ৰেম তথা মানৱতাৰ প্ৰেমৰ ভাৱনাক এক স্থানত একগোট কৰি দিলে। যেতিয়া কোনো ব্যক্তিয়ে যেতিয়া নিজৰ স্বজাতিৰ ব্যক্তিক আন জাতিক অত্যাচাৰ কৰাত আৰু তেওঁলোকৰ অধিকাৰক খৰ্ব কৰাত বাধা দিয়ে তেন্তে সেই দেশ-প্ৰেমৰ বিৰুদ্ধে কাম নকৰে কিয়নো তাতকৈ অধিক দেশ প্ৰেম কি হ'ব যে নিজৰ দেশৰ নামক অত্যাচাৰৰ কলংকৰ পৰা ৰক্ষা কৰে আৰু লগতে মানৱতাৰে প্ৰেমৰ কৰ্তব্যক পালন কৰে কিয়নো তেওঁ সেই সত্যতাক অভিব্যক্ত কৰে যে নিজে জীয়াই থকা আনকো জীয়াই থাকিবলৈ দিয়া।

৩. তৃতীয়টো সদাচাৰ সম্পৰ্কীয় ত্ৰুটি এয়া যে জাতীয় শ্ৰেষ্ঠতাৰ ভাৱনা অধিক উন্নত হৈ পৰিলে।

لَا يَسْخَرْ قَوْمٌ مِّنْ قَوْمٍ عَسٰٓى اَنْ يَّكُوْنُوْا خَيْرًا مِّنْهُمْ

(49:12)

অৰ্থাৎঃ— কোনো জাতিয়ে আন জাতিক তুচ্ছ বুলি জ্ঞান নকৰক। কদাচিত তেওঁলোক কালিলৈ ভাল হৈ পৰে আৰু পুনৰ কৈছে—

وَتِلْكَ الْاَيَّامُ نُدَاوِلُهَا بَيْنَ النَّاسِ ج (3:141)

অৰ্থাৎঃ—এই উন্নতি আৰু অৱনতিৰ দিনবোৰ পৰিৱৰ্তনশীল হয়। এটা জাতিয়ে যি উন্নতিৰ দিশে অগ্ৰসৰ হৈছে, আনটো জাতিক নগণ্য জ্ঞান কৰি কলহৰ বীজ ৰোপন কৰিব নালাগে, হ'ব পাৰে কালিলৈ কেনেবাকৈ সেই জাতিৰো

সুযোগ আহি পৰে যাক আজি নগণ্য জ্ঞান কৰা হৈছে। যেতিয়ালৈকে মানুহে ইছলামৰ শিক্ষা অনুসৰি ইয়াক বুজি উঠিব নোৱাৰে যে আমি সকলো একেই মানুহ জাতিৰ মাজেৰে আৰু এয়া যে উন্নতি অৱনতিৰ সম্পৰ্ক সকলো জাতিৰ লগতে লাগি আছে, কোনো জাতিয়ে আৰম্ভণীৰেপৰা এই অৱস্থাত উপনীত হোৱা নাই তথা ভৱিষ্যতলৈ গতি কৰিছে, কেতিয়াওঁ কাজিয়া কম নহ'ব। মানুহে মনত ৰাখিব লাগে যে জাতিক ধ্বংস কৰা আগ্নেগিৰিৰ লাভা সংসাৰৰ পৰা শেষ হৈ যোৱা নাই। প্ৰকৃতিয়ে যিদৰে আগতে কাম কৰিছিল, আজিও কৰি আছে। সেয়ে যি জাতিয়ে আন জাতিক তুচ্ছ আৰু নীচ বুলি ভাবে আৰু তেওঁলোকৰ লগত নীচ ব্যৱহাৰ কৰে আৰু সেই অত্যাচাৰৰ সমাপ্ত নোহোৱা এক চক্ৰ চলাই থাকে।

**ধৰ্মীয় সম্পৰ্ক**

সভ্যতাৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ প্ৰশ্ন ধৰ্মীয় সম্পৰ্কৰ। এই বিষয় মাথোঁ ইমানেই ক'ব বিচাৰিছো যে ইছলামে সকলো ধৰ্মতকৈ অধিক ধৰ্মীয় সদয়তাক স্বীকাৰ কৰি আহিছে। উদাহৰণ হিচাপে—

১. ইছলামে আদেশ দিছে যে কোনো ধৰ্মক ধৰ্মীয় নেতাই অপশব্দ প্ৰয়োগ নকৰিব।

২. ইছলামে এই কথাৰ শিক্ষা প্ৰদান কৰে যে সকলো জাতিলৈকে পয়গম্বৰ আহিছে আৰু সকলো জাতি আৰম্ভণী অৱস্থাত পৰমেশ্বৰৰ ফালৰ পৰা আহিছিল। এই কাৰণে কোনো ধৰ্মৰ পূৰ্ণতাক বিকৃত বুলি ক'ব পৰা নাযায়।

৩. ইছলামৰ বক্তব্য হ'ল যে ধৰ্মৰ বিষয়ত যুদ্ধ উচিত নহয় কিয়নো সত্য আৰু অসত্যৰ মাজত পাৰ্থক্য স্পষ্ট হৈ পৰিছে। এতিয়া সেইটো জীয়াই থাকিব যি সত্যতাৰ মাজেৰে বসবাস কৰি আছে আৰু সেইটোৰে মৃত্যু হ'ব যিয়ে সত্যতাক মাৰি পেলাইছে। ইয়াক এক অশুদ্ধ চিন্তা যে ইছলামে তৰোৱালৰ দ্বাৰা ধৰ্ম-প্ৰচাৰৰ অনুমতি প্ৰদান কৰে। ইছলামে স্পষ্টৰূপত উল্লেখ কৰিছে যে সেইসকলৰ লগত কাজিয়া কৰা যি তোমালোকৰ লগত কাজিয়া কৰে। ধৰ্মই জানো এই কথাৰ শিক্ষা দিয়ে সেয়া তৰোৱালক সমৰ্থক বুলি ক'ব পৰা যায়? বাস্তৱত তথ্য এয়া যে যিসকল লোকে তৰোৱালৰ দ্বাৰা ইছলামক নিঃশেষ

কৰিবলৈ বিচাৰিছিল পৰমেশ্বৰে তেওঁলোকৰ তৰোৱালকে নাইকিয়া কৰি দিলে। সুৰক্ষাৰ বাবে তৰোৱাল   চলোৱাটো কেতিয়াও অনুচিত নহয় যদি ইছলামে তৰোৱাল পেলাই দিছিল তেন্তে তৰোৱাল চলোৱাজন ক'ৰ পৰা আহিল? আৰু যিধৰ্মই এনেকৈ তৰোৱাল চলোৱাজনৰ জন্ম দিছিল যে যিসকলো ত্যাগ কৰি সমগ্ৰ দেশৰ বিৰোধ হোৱাৰ পিছতো তেওঁলোকক সংসাৰত স্থাপিত কৰিছিল। এই ধৰ্মৰ বাবে সেয়া কি অসম্ভৱ কথা আছিল যে তেওঁলোকে তৰ্কৰ বলত আনৰ পৰা নিজৰ সত্যতাক স্বীকাৰ কৰাই লৈছিল। এই অভিযোগ সেই ধৰ্মৰ ওপৰত যি সৰ্বপ্ৰথম ধাৰ্মিক উদাৰতাৰ শিক্ষা প্ৰদান কৰিছে, এয়া এক জঘন্য অত্যাচাৰ হয়। পৰমেশ্বৰে সেই কাৰণে হজৰত মছীহ মাওউদ (আঃ)ক কোনো ধৰণৰ মুকুট নিদিয়াকৈ সংসাৰলৈ প্ৰেৰণ কৰিছিল যাতে আপোনাৰ দ্বাৰা ইছলামক সংসাৰত বিস্তাৰ কৰি ইয়াক প্ৰতিপন্ন কৰিব পৰা যায় যে ইছলামে নিজৰ সত্যতাৰ দ্বাৰা বিস্তাৰিত হ'ব পাৰে আৰু অধিক সময় নালাগিব যে সংসাৰে দেখিব যে সেয়া বাস্তৱত বিস্তাৰিত হৈছে।

সভ্যতা সম্পৰ্কীয় এই শিক্ষাক বৰ্ণনা কৰাৰ উপৰিও যিটো এই যুগৰ অৱতাৰৰ দ্বাৰা আমি অৰ্জন কৰিছোঁ মই শিক্ষাৰ সেই ভাগক উল্লেখ কৰিছোঁ যাক মৃত্যুৰ পিছৰ সম্পৰ্কত ইছলামে প্ৰদান কৰিছে।

**ধৰ্মৰ চতুৰ্থটো উদ্দেশ্য—**

## মৃত্যুৰ পিছৰ অৱস্থা

যেতিয়াৰে পৰা সংসাৰৰ জন্ম হৈছিল পৰমেশ্বৰৰ সত্ত্বাৰ পিছত যদি কোনো প্ৰশ্নই সংসাৰৰ ধ্যানত নিজৰ দিশে আকৰ্ষিত কৰিছে তেন্তে সেয়া হ'ল 'মৃত্যুৰ পিছৰ অৱস্থা"? যি ধৰ্মই এই প্ৰশ্নৰ কোনো ধৰণৰ ৰেখাপাত নকৰে সেয়া এক প্ৰাণহীন শৰীৰ। ইছলামে এই সমস্যাত বিশেষ গুৰুত্ব প্ৰদান কৰিছে লগতে ইমান গুৰুত্ব প্ৰদান কৰিছে যে আন জাতিবিলাকে তেওঁলোকৰ এই মহত্বকো তেওঁলোকৰ বিৰুদ্ধে অস্ত্ৰৰ ৰূপত প্ৰয়োগ কৰিছে কিন্তু এই প্ৰশ্ন যিমান মহত্বপূৰ্ণ সিমানেই সূক্ষ্ম আৰু চিন্তনীয় হয়।

আমি কেতিয়াওঁ এনে প্ৰশ্নৰ মূল তথা তাৰ সূক্ষ্মতাত উপনীত

হ'ব নোৱাৰো যেতিয়ালৈকে ঐশ্বৰিকবাণীৰ জেউতিয়ে আমাক সেই দিশে পথ প্ৰদৰ্শন নকৰে কিয়নো যি এই জগতত আছে তেওঁ পৰলোকৰ জগতৰ বিষয়ে কোনো ধাৰণা কৰিব নোৱাৰে। হয়, এনে সত্বাই এনে কৰাৰ সামৰ্থ হয় যাৰ বাবে সকলো স্থান এক সমান। এই জগত, সেই জগত ইয়াৰ বাহিৰে আন যিমান সংসাৰ আছে সকলো তাৰ কাৰণে দাপোন হয়। কোনো বস্তু এনেধৰণৰ নাই যি তাৰ পৰা গুপুত হৈ আছে। সেয়ে সি সেই স্থানৰ বিৱৰণ উল্লেখ কৰিব পাৰে। এয়াই কাৰণ যে যিমান মানুহে নিজৰ জ্ঞানেৰে মৃত্যুৰ পিছৰ অৱস্থাক বৰ্ণনা কৰিববলৈ চেষ্টা কৰিছে তেওঁলোক গভীৰ ভুলৰ মাজত পথভ্ৰষ্ট হৈ পৰিছে। কিছুমান ব্যক্তি মৃত্যুৰ পিছৰ জীৱনৰ সম্পৰ্কত সৰ্বদা অস্বীকাৰকাৰী হৈ পৰিছে আৰু কিছু সংখ্যকে ইয়াক সংসাৰ বিভ্ৰান্তি বুলি বুজি উঠিছে। কিছু ব্যক্তিয়ে ইয়াক স্বীকাৰ কৰি আত্মাৰ পুৰষ্কাৰ আৰু শাস্তি পোৱাৰ বাবে পুনৰ এই জগতলৈ আনে আৰু কিছুৱে নানান ধৰণৰ বিভিন্ন চিন্তাক এই বিষয়ত উপস্থাপন কৰে কিন্তু কলংকহীন অৱতাৰ মছীহ মাওউদ (আঃ) এই বিষয়ত যি শিক্ষা প্ৰদান কৰিছে সেয়া এনে আশ্বৰ্যজনক আৰু এনে মৌলিক তথা এনে শ্ৰেষ্ঠ যে মানবীয় বুদ্ধি তাত পূৰ্ণৰূপত সন্তুষ্ট হৈ পৰে তথা মানৱ স্বভাবে তাৰ সত্যতাক স্বীকাৰ কৰে। লগতে প্ৰাকৃতিক বিধানে তাৰ প্ৰমাণ দাঙি ধৰে। যিসকল ব্যক্তিয়ে এই সকলো দেখিববলৈ সুযোগ লাভ কৰিছিল তেওঁলোকে তাৰ সত্যতাক নিজৰ চকুৰে দেখিছে তথা নিশ্চিত স্তৰত উপনীত হৈছে। বাস্তৱত যিদৰে ধৰ্মৰ আন ক্ষেত্ৰত আপোনাৰ শিক্ষাৰ ভিত্তি পবিত্ৰ কোৰাণৰ ওপৰত এক আচৰিত ধৰণৰ সন্ধান। এইদৰে এই ক্ষেত্ৰতো প্ৰপঞ্চ তথা গুপ্ত সত্যতা আৰু দৃঢ় ৰহস্যক আপুনি প্ৰকাশ কৰি সংসাৰৰ সন্মুখত উপস্থাপন কৰিছে কিন্তু পৰলোকৰ জগতখন মানৱ দৃষ্টিৰ পৰা সদায় অদৃশ্য আৰু প্ৰপঞ্চ হয় গতিকে তাৰ সত্যতাক দৰ্শন কৰাৰ বাবে ইমান সংক্ষিপ্ত ব্যাখা পৰ্যাপ্ত নহয় তথা বৃহৎ ব্যাখ্যা আৰু বৃহৎ বিৱৰণ উপস্থাপন কৰাৰ ইয়াত স্থান নাই। গতিকে এই সুযোগতে এক সংক্ষিপ্ত ধাৰণা উপস্থাপন কৰা কাৰ্যক মই পৰ্যাপ্ত বুলি ভাবিছো কিয়নো অপূৰ্ণ ব্যাখ্যাৰ তুলনাত ইয়াক শ্ৰেষ্ঠ বুলি ক'ব পৰা যায় যে এই জ্ঞানৰ বিষয়ত আপোনৰ শিক্ষাৰ অলপো ৰেঙঁণি মানুহৰ বুদ্ধিলৈ আহে

পুনৰ যাৰ হৃদয়ৰ সত্যৰ প্ৰতি আতুৰ আৰু জিজ্ঞাসা হ'ব তেওঁ আগলৈকে সন্ধান কৰিব পাৰিব।

মনত ৰাখিব লাগে যে মৃত্যুৰ পিছৰ অৱস্থাৰ বিষয়ত বাদ-বিবাদ তথা সন্ধানৰ লগতে মানুহৰ সন্মুখত এই প্ৰশ্নও জাগ্ৰত হয় যে কিয় 'আত্মা' কিবা বস্তু নেকি? যদি হয় তেন্তে কি? এই বিষয়ত ইছলামৰ উত্তৰ এয়া যে 'আত্মা' নিশ্চয় এক বস্তু হয়, যাৰ দ্বাৰা মানুহে সেই সূক্ষ্ম জ্ঞানক লাভ কৰিব পাৰে যাক তেওঁ স্থুল ইন্দ্ৰিয়ৰ দ্বাৰা অৰ্জন কৰিব নোৱাৰে। সেয়া পৰমেশ্বৰ আৰু পুৰুষৰ মাজৰ স্থান হয় তথা তাৰ প্ৰতাপ প্ৰকাশৰ মঞ্চ হয়। তাৰ শৰীৰৰ লগত এনে সম্পৰ্ক আছে যে সেয়া অতি দুৰ্লভ হয়। সি মস্তিষ্কৰ বিচাৰ শক্তিক তথা হৃদয়ৰ গ্ৰাহ্য শক্তিৰ দ্বাৰা মানবীয় কায়িক শক্তিত নিজৰ প্ৰভাৱ পেলাই সেইকাৰণে যে সি বাহ্যিক কায়িক ক্ৰিয়াত ইমান প্ৰভাৱিত নহয় যিমানখিনি বিচাৰ তৰংগ আৰু প্ৰেৰণাৰ দ্বাৰা কিয়নো ইয়াৰ ক্ষেত্ৰ তথা ইয়াৰ সম্পৰ্ক অধিকভাবে এই স্থানৰ লগত আছে। বিজ্ঞানে আজিলৈকে এই সম্পৰ্কত কোনো ধৰণৰ অৱগত হ'বলৈ সক্ষম হোৱা নাই যি আত্মা আৰু হৃদয়ত আছে কিন্তু অনুভৱী লোক অৱগত যে আত্মাৰ হৃদয়ৰ লগত এক সূক্ষ্ম সম্পৰ্ক আছে য'ত মস্তিষ্কৰ ফালৰ পৰা সেই সম্পৰ্কত কিছু গোপন আহিলাৰ দ্বাৰা এইদৰে স্থানান্তৰিত হৈ পৰে যিধৰণে তেল চাকিৰ দ্বাৰা ওপৰলৈ আহে। তাৰ পিছত জ্ঞানৰ তত্ত্ব আগলৈ তাক অংগীকাৰ কৰি ইয়াৰ যোগ্য কৰি পেলায় যে তাত এনে জেউতি উৎপন্ন হৈ পৰে যাক মানুহে দেখিবলৈ পায় আৰু এক তথ্যক স্বীকাৰ কৰে। এই আত্মা যেনেদৰে পৱিত্ৰ কোৰাণে অৱগত কৰিছে কোনো বাহিৰৰ পৰা নাহে লগতে মাতৃৰ গৰ্ভত মানবীয় শৰীৰ পোষণৰ লগে লগে ইয়াৰো উদ্ভৱ হয়, আত্মা বাস্তৱত শৰীৰৰ পৰা নিৰ্গত এক সাৰাংশ হয়। তাৰ উদাহৰণ মদৰ সৈতে দিব পৰা যায়। যিদৰে জামুক অথবা আঙুৰক তথা আন এনে সামগ্ৰীক বিশেষ পদ্ধতিৰে গলিবলৈ দিয়াৰ পিছত মদিৰা ওলাই সেইদৰে মাকৰ গৰ্ভত কিছু এনেধৰণৰ অৱস্থা অতিবাহিত হয় যে তাৰ পৰা এক সূক্ষ্ম তত্ত্ব নিৰ্গত হয় যাক আত্মা বুলি কোৱা হয়। যেতিয়া এই তত্ত্বই শৰীৰৰ পৰা নিজৰ সম্পৰ্ক পূৰ্ণ কৰি লয় তেতিয়া সেই সময়ত মানবীয় হৃদয়ত গতি

হ'বলৈ ধৰে আৰু মানৱ প্ৰাণৱান হৈ উঠে। শৰীৰ পৰা ওলাই যোৱাৰ পিছত এই দ্ৰব্যৰ অস্তিত্ব এনেদৰে স্থায়ী হৈ পৰে যেনেকৈ মদিৰাৰ।

গতিকে ইছলামৰ দৃষ্টিত আত্মা সৃষ্টি হয় আৰু যি সময়ত শিশু মাকৰ গৰ্ভত থাকে সেই সময়ত তাৰ জন্ম হয়। ইছলামে আমাক শিক্ষা দিয়ে যে মানবীয় আত্মা জন্ম লোৱাৰ পিছত অনিষ্ট হৈ নপৰে। তাৰ পিছত তাৰ সন্মুখত এক সমাপ্ত নোহোৱা সময় থাকে যি অৱস্থাক আমি মৃত্যু বুলি উল্লেখ কৰিছোঁ সেয়া আত্মাক শৰীৰৰ পৰা পৃথক হোৱাৰ আন এটা নাম হয় যাৰ অনিবাৰ্য পৰিণাম হৃদয়ৰ গতি বন্ধ হৈ পৰে তথা মানৱীত শৰীৰৰ ক্ৰিয়াহীন হৈ পৰে। ইছলামীক সিদ্ধান্ত অনুসৰি আত্মাই নিজৰ শক্তিক ব্যক্ত কৰিবলৈ সদায় শৰীৰত আশ্ৰিত হয়। সেয়ে যেতিয়া শৰীৰে নিজৰ শক্তিক ব্যক্ত কৰিবলৈ অযোগ্য হৈ পৰে তেন্তে সি তাক ত্যাগ কৰে। যি সময়ত শৰীৰে আত্মাক ত্যাগ কৰে তাৰ নাম মৃত্যু হয় যাৰ অৰ্থ গতিহীন হৈ পৰা। গতিকে যেতিয়া আমি উল্লেখ কৰো যে অমুক ব্যক্তিৰ মৃত্যু হৈছে তেন্তে তাৰ অৰ্থ মাথোঁ ইমান যে তেওঁ আত্মা তেওঁৰ দেহৰ পৰা পৃথক হৈ পৰিছে অন্যথা আত্মাৰ বিনাশ নহয় লগতে জীৱিত থাকে। যদি কোনো ব্যক্তিয়ে পৰমেশ্বৰক স্বীকাৰ কৰে আৰু তেওঁৰ শক্তিৰ ওপৰত বিশ্বাস কৰে তেন্তে এই বিশ্বাস কেতিয়া কৰিব পাৰে যে পৰমেশ্বৰে এই সমগ্ৰ সৃষ্টিৰ নিৰ্মাণ এই কাৰণে কৰিছে যে মানুহে ইয়াত জন্মলৈ কিছুদিনৰ বাবে আহাৰ-পানী গ্ৰহণ কৰি অথবা এই সংসাৰৰ গোপন ৰহস্যক সন্ধান কৰি নষ্ট হৈ পৰিব ? এই ধাৰণা কোনো মেধাৰী সত্ত্বাই এই সমস্ত সৃষ্টিত এই সূৰ্য-চন্দ্ৰ- তৰা অথবা পৃথিৱী আৰু ইয়াৰ মাজত থকা আন বস্তু তথা প্ৰকৃতিৰ সূক্ষ্মাতিসূক্ষ্ম ৰহস্যক নিৰ্মাণ কৰি তাত এক এনে মানৱক জন্ম দিব যি কেৱল যাঠি-,সত্তৰ অথবা এশ বছৰ জীৱন অতিবাহিত কৰি অনিষ্ট হৈ পৰিব এক এনে ধাৰণা ই মানৱ বুদ্ধিক জোকাৰি যায়। মানুহৰ কাৰণে ইমান মহান সৃষ্টিক নিৰ্মাণ কৰা পুনৰ তাত বুদ্ধিৰ দ্বাৰা নিৰ্ণায়ক শক্তিক প্ৰদান কৰিব বিচাৰে যে তাৰ বাবে এই সীমিত জীৱনৰ বাহিৰেও কিছু আন উদ্দেশ্যেও নিশ্চিত কৰা হৈছে। ইছলামে উল্লেখ কৰে যে সেই উদ্দেশ্য এয়া যে মানুহক স্থায়ী আৰু অমৰত্বৰ জীৱন প্ৰদান কৰা হওঁক তথা স্থায়ী আৰু কেতিয়াওঁ সমাপ্ত নোহোৱা

পথ তেওঁৰ বাবে মুকলি কৰা হওঁক। চুৰা— ম'মিন (পৱিত্ৰ কোৰাণ)ত পৰমেশ্বৰে পৃথিৱী আৰু আকাশৰ সৃষ্টি তথা ঘটনা জগত আৰু মানবীয় শক্তিক উল্লেখ কৰি এই প্ৰশ্ন উত্থাপন কৰে যে এই সকলোবিলাক উৎপাদন থকাৰ পিছতো কিয় তুমি ইয়াক বুজিছা যে মানুহৰ জীৱনৰ সম্পৰ্ক কেৱল ঘটনাৰ জগতলৈকে সীমিত হয় আৰু মৃত্যুৰ পিছত কোনো আন জীৱন নাই? পুনৰ আন এক স্থানত আন এটা প্ৰশ্ন কৰিছে যে—

اَفَحَسِبْتُمْ اَنَّمَا خَلَقْنٰكُمْ عَبَثًا وَّاَنَّكُمْ اِلَيْنَا لَا تُرْجَعُوْنَ ﴿١١٦﴾

فَتَعٰلَى اللّٰهُ الْمَلِكُ الْحَقُّ ۚ لَآ اِلٰهَ اِلَّا هُوَ ۚ رَبُّ الْعَرْشِ الْكَرِيْمِ ﴿١١٧﴾

(23:116-117)

অৰ্থাৎ ঃ— কিয় তুমি ইয়াক বুজিছা যে মই তোমাক এই বাবে উদ্দেশ্যহীন ভাবে জন্ম দিছো? লগতে এক অবিনাশী তথা সদায় স্থিৰ হৈ থকা জীৱনৰ ক্ৰম তথা স্থায়ী উন্নতিৰ ক্ৰম যি মৃত্যুৰ পিছৰলৈকে বিৰাজমান তোমাৰ কাৰণে নিশ্চিত কৰা নাই? এনে নহয়, কিয়নো পৰমেশ্বৰৰ সত্বা মহান হয় আৰু তেওঁ সত্যৰূপৰ অধিষ্ঠতা। তেওঁ উদ্দেশ্যহীনভাবে তথা ব্যৰ্থতাত কোনো কাৰ্য্য নকৰে। সেয়ে তেওঁ এক পৰমেশ্বৰ হয় যি অতি পৱিত্ৰ আৰু হৃদয়ত মান বৃদ্ধি কৰোঁতা সত্বা হয়। সেয়ে এই চিন্তাও কৰিব পৰা নাযায় যে তেওঁ এই জগতৰ নিৰ্মাণ কৰা নাই অথবা তেওঁ উৎপন্ন কৰিছে কিন্তু তাক উৎপন্ন কৰাৰ বিশেষ কাৰণ বা উদ্দেশ্য নাই।

এই তথ্যক স্পষ্ট কৰাৰ পিছত যে ইছলামৰ বাবে মৃত্যুৰ পিছতো মানবীয় জীৱনৰ ক্ৰম চলি থাকে এতিয়া মই উল্লেখ কৰিব বিচাৰিছোঁ যে ইছলামে সেই জীৱনক যি সত্যই আমাক কয় তাৰ পৰা বিদিত হৈছে যে আগন্তুক জগতত কোনো নতুন জগত নাই লগতে এই জগতৰ ক্ৰম হয়। এয়া নহয় যে মানুহ মৃত্যুৰ পিছত কিছু সময়লৈকে মৃত পৰি থাকিব আৰু পুনৰ তাক জীৱিত কৰি সৎকৰ্ম আৰু বেয়া কৰ্মৰ অনুসৰি কোনোবা বেয়া বা ভাল স্থানত ৰাখিব লগতে বাস্তৱত মানবীয় আত্মাই নিজৰ জন্মৰ লগতে এনে শক্তিকলৈ আহে যে তাৰ পিছত ইয়াৰ বাবে নশ্বৰতা বৰ্জিত হৈ পৰিব আৰু

পৰমেশ্বৰৰ বিশেষত্ব ‘কইয়ুম’ (স্থিৰ থাকোতা) তেওঁক নিজৰ ছত্ৰছায়াৰ তললৈ আনে ফলতঃ সেয়া নষ্ট হোৱাৰ পৰা ৰক্ষা পৰে।

সেয়ে, মৃত্যু এক অৱস্থাৰ পৰা দ্বিতীয় অৱস্থালৈ পৰিৱৰ্তিত হোৱাৰ নাম হয় ইয়াত অধিক একো নহয়। সেই পৰিণতিত তথা স্থানান্তৰৰ আৱশ্যকতা পৱিত্ৰ কোৰাণত ইয়াক উল্লেখ কৰিছে যে যদি মৃত্যু নহ’লহেঁতেন তেন্তে মানবীয় আত্মাই উন্নতিৰ সকলো স্তৰ প্ৰাপ্ত হ’ব নোৱাৰিলেহেঁতেন কিয়নো মানুহৰ জন্ম এনে পদ্ধতিত কৰা হৈছে যে যেতিয়া কোনো কথা তেওঁলোকৰ সন্মুখত পূৰ্ণতাৰে স্পষ্ট হৈ পৰে তেন্তে পুনৰ সি অশুদ্ধ তথা অনুচিত পথত নাযায়। পূৰ্ণ অভিব্যক্তিৰ পিছত কোনো পুণ্য লাভ কৰাটো বুদ্ধিৰ বিৰুদ্ধে হয়। আমাৰ কাৰোবাক ইয়াৰ বাবে পাৰিতোষিক দিয়া নহয় যে তেওঁ সূৰ্যক যেতিয়া মধ্যহ্নৰ সময়ত ঠিক স্থিৰ হৈ পৰে তাক স্বীকাৰ কৰক অথবা ৰাতি আৰু দিনক স্বীকাৰ কৰক। কিন্তু আমি এনে শিক্ষাৰ্থীক যি পৰীক্ষাত বহি সূক্ষ্ম প্ৰশ্নৰ উত্তৰ দিয়ে পাৰিতোষিক দিয়ে অথবা এনে লোকক যি প্ৰকৃতিৰ সূক্ষ্ম ৰহস্যক সন্ধান কৰে আৰু অনুসন্ধান কৰে প্ৰতিষ্ঠাৰ পদৱীক বিভূষিত কৰা হয় তথা তেওঁৰ শ্ৰেণীক উন্নত কৰে। গতিকে পাৰিশ্ৰমিক কেৱল বিশেষ পৰিশ্ৰম আৰু গুপ্ত ৰহস্যক সন্দান কৰিলে পোৱা যায় তথা এনে কাৰ্যত পোৱা যায় য’ত মানুহে সাহস আৰু শক্তিৰে কাম কৰিব লাগে যদি মানবীয় উন্নতিৰ ক্ৰম এই সংসাৰতে আৰম্ভ হৈ যায় তেন্তে ভৱিষ্যতে আহিব লগা প্ৰজন্মই এই লোকসকলক দেখি যি ভাল কাম কৰি মহান উন্নতি অৰ্জন কৰি থাকিব আৰু সেই লোকসকলক দেখি যি পয়ম্বৰৰ প্ৰতি অমানবীয় আৰু বিৰোধীতাৰ ফলস্বৰূপে ঘোৰ পাপ ভাগি হৈ পৰে, পৰমেশ্বৰৰ সত্ত্বা আৰু অৱতাৰৰ সত্যতাৰ ওপৰত এনেদৰে বিশ্বাস কৰি ল’ব যে ভৱিষ্যতৰ কাৰণে কঠিন পৰীক্ষাৰ কোনো সুযোগ নাথাকিব আৰু তেওঁলোক তাৰ যোগ্যও নহ’ব। সেয়ে, এয়া আৱশ্যক আছিল যে বিশ্বাস আৰু ইমান তথা তাৰ ফলক এক সীমালৈকে অভিব্যক্ত কৰা হওঁক তথা বিশিষ্ট সীমালৈকে গুপ্তও থোৱা হওঁক যাতে সেইসকল লোক যি পৰমেশ্বৰৰ বাবে পৰিশ্ৰম কৰা সকলক মাজৰ আৰু সেইসকল লোক যি এই সংসাৰৰ ভৌতিক আনন্দতে ডুবি থকা সকলৰ মাজৰ

হয় এজন আনজনতকৈ পৃথক হৈ যায় তথা নিজৰ নিজৰ যোগ্যতা আৰু ত্যাগ অনুসৰি পাৰিতোষিক অথবা শাস্তি লাভ কৰে।

সেয়ে মৃত্যুৰ এক তাত্বিক অৰ্থ এয়া যে মানুহৰ দৃষ্টিৰ পৰা সেই স্থিতিবোৰ গোপনে ৰাখিব লাগে যি তেওঁলোকৰ কৰ্মৰ পৰিণাম স্বৰূপ তেওঁলোকৰ সন্মুখলৈ আহে যাতে তেওঁলোকে নিজৰ বুদ্ধি আৰু বিবেক তথা পৰমেশ্বৰৰ ভয় কৰি সত্যত উপনীত হয় আৰু তেওঁলোকৰ আত্মাত সেই স্বচ্ছন্দ যোগ্যতা উৎপন্ন হৈ পৰে যি কেৱল এনেধৰণৰ যত্নৰ পৰিণাম স্বৰূপ হৈ উঠে। মৃত্যুৰ আন এটা উদ্দেশ্য এয়া যে মানবীয় আত্মাই সেই যোগ্যতাক উৎপন্ন কৰিব পাৰে যাৰ অবিহনে মহান উন্নতি পাব পৰা নাযায়। মানবীয় শৰীৰ এনে স্থূল যে সংসাৰৰ সূক্ষ্ম বস্তুকো দেখা নাপায় এয়া বহু দূৰৰ কথা যে তেওঁ সেই সূক্ষ্ম শক্তিক দেখিবলৈ পায় যি এই সংসাৰৰ তত্ত্বৰ তুলনাত অধিক সূক্ষ্ম তত্ত্বৰ পৰা লগতে এনেকৈ ক'ব লাগে যে এক প্ৰকাৰৰ আধ্যাত্মিক অংশৰ পৰা নিৰ্মিত হৈছে। সেয়ে আত্মাক শৰীৰৰ পৰা পৃথক কৰাৰ সুযোগ দিয়া হৈছে যে তেওঁলোক সেই সূক্ষ্ম তত্ত্বৰ লগত পৰিচিত হওঁক যিটো তেওঁ অসীম উন্নতিৰ বাবে আৱশ্যক হয়। সেয়ে যেতিয়া আত্মা শৰীৰৰ পৰা পৃথক হৈ পৰে তেন্তে সেই সময়তে সি এক আন পথত চলিব ধৰে। এয়া নহয়যে তাক বিশেষ সময়লৈকে কোনো বিশেষ কোঠাত বন্ধ কৰি থ'ব পৰা যায় যাতে সি নিজৰ পৰীক্ষাৰ পৰিণামক প্ৰতীক্ষা কৰিব।

বাস্তৱত এই ঘোষণা বৌদ্ধিক পৰ্যালোচনাৰ পৰিণাম হয়। কিছুমান লোকৰ পৰা মানবীয় জীৱনক এক পৰীক্ষাৰ উপমা প্ৰদান কৰি তাৰ সম্পূৰ্ণ ৰূপৰেখা মৃত্যুৰ পিছৰ অৱস্থাতো উৎপন্ন কৰি দিয়ে। যিদৰে পৰীক্ষাৰ পিছত উত্তৰ পুস্তিকাৰ মূল্যাংকণলৈকে এক সীমা হয় এই দৰে মানুহক মৃত্যুৰ পিছত এক সময় থোৱা হৈছে আৰু এটা দিন নিশ্চিত কৰা হৈছে যি দিনাখন উত্তৰ বহীৰ ফলাফল ঘোষণা কৰা হ'ব। সেইদিনাখন কোনোবা অসফল আৰু কোনোবা সফল হ'ব। মনত ৰাখিব লাগে যে যদিও এয়া সত্য হয় যে মানবীয় জীৱনক পৰীক্ষাৰ দিনৰে পৰাও এক প্ৰকাৰৰ উপমা প্ৰদান কৰা হৈছে কিন্তু এয়া সত্য নহয়যে পৰীক্ষাৰ সকলো বিধি আৰু চৰ্ত তাত পূৰ্ণৰূপত সংঘটিত

হয়। তাৰ উপমা আৰু সমতা মানবীয় পৰীক্ষা পদ্ধতিৰে পৰা ইমান নহয় যিমান প্ৰাকৃতিক বিধানৰ সফলতম ক্ৰিয়াকলাপৰ পৰা হয়।

সেয়ে, ইছলামে মৃত্যুৰ পিছৰ জীৱনক মানৱৰ প্ৰাৰম্ভিক জীৱনৰ পৰা উপমা দিয়ে অৰ্থাৎ যিদৰে মানুহে বীৰ্য- লগতে বনস্পতি আৰু পাশৱিক জীৱনৰ মাকৰ গৰ্ভত উন্নতি কৰে তথা জন্ম লোৱাৰ উপৰিও এক দুৰ্বলতাৰ অৱস্থাৰ মাজেৰে পাৰহৈ য'ত তেওঁ এই জগতৰ জ্ঞান-বিজ্ঞান তথা স্বভাৱক শিকিছিল ঠিক সেইদৰে তাৰ মৃত্যুৰ পিছতো বিভিন্ন অৱস্থাৰ মাজেৰে অতিবাহিত কৰিব লাগিব। গতিকে পৱিত্ৰ কোৰাণে যি শব্দ গৰ্ভৰ বিষয়ত দাঙি ধৰিছে তাত সেই স্থান আৰু সেই অৱস্থাত মানুহক মৃত্যুৰ পিছতহে থোৱা হয়। সেয়ে মৃত্যুৰ পিছত মানবীয় আত্মাৰ প্ৰথম অৱস্থা সেই বীৰ্যৰ দৰে হৈ পৰে যি মাকৰ গৰ্ভত স্থান পায় তথা সেই কৰ্মৰ অনুসৰি এই জগতত মানুহে কৰি থাকে তাৰ ভিতৰত এক পৰিৱৰ্তন হ'বলৈ আৰম্ভ কৰে আৰু যিদৰে মাকৰ গৰ্ভত সন্তানৰ পোষণ হয় সন্তান এক এনে স্থিতিত উপনীত হয় যে তাৰ পৰা এটা আন আত্মাৰ জন্ম হয়। এইদৰে মানবীয় আত্মাই বিভিন্ন স্তৰৰ মাজেৰে এক এনে পৰিৱৰ্তন উৎপন্ন কৰে যে তাৰ ভিতৰত আন এক আত্মা যি এই জগতৰ জীৱনতকৈ উত্তম, মহান তথা অধিক শক্তিশালী আৰু তীব্ৰ অনুভূতিৰে জন্ম গ্ৰহণ কৰে আৰু প্ৰথমটো আত্মাই তাৰ কাৰণে শৰীৰৰ ৰূপত নিৰ্মিত হৈ পৰে যাৰ দ্বাৰা সেই কথাক যাক মানুহৰ সূক্ষ্ম শেষতঃ চকুৰে দেখিবলৈ পায় স্থুল ভৌতিক চকুৰে দেখি পায় কিয়নো তাত শৰীৰ নিজৰ সূক্ষ্মতাত এই সংসাৰৰ আত্মাৰ সমান স্থিতি ৰাখে লগতে ইয়াক উল্লেখ কৰাটো উচিত হ'ব যে এক নতুন পৰিৱৰ্তন অনুসৰি সি এই আত্মাৰে পৰা সৃষ্টি হয়।

এই পৰিৱৰ্তনৰ পিছত আন এটা পৰিৱৰ্তন আত্মাত উৎপন্ন হয় যাক এই জগত বস্তুৰ ভিতৰত সন্তানৰ জন্মৰ ঘটনাৰ লগত তুলনা কৰিব পৰা যায়। এয়া সেই পৰিৱৰ্তন হয় যাক " শৰীৰৰ পৰিণাম"ৰ নামেৰে অভিহিত কৰা হয় যাৰ অৰ্থ এয়া যে সমাধিৰ নিৱাস কালত মানুহৰ নতুন জীৱনৰ অনুৰূপ শৰীৰ আৰু আত্মাৰ তৈয়াৰ হৈ পৰে যিদৰে মাকৰ গৰ্ভত যেতিয়া

সন্তানৰ পূৰ্ণতা হৈ পৰে আৰু আত্মাৰো জন্ম হয় তেন্তে পুন সেই সন্তান বাহিৰলৈ আহে। এইদৰে ধৰি লোৱা তাত সি এই অৱস্থাত কব্ৰৰ পৰা বাহিৰলৈ আহিব।

এই ‘শাৰীৰিক একত্ৰীকৰণ’ৰ পিছত এক আন যুগত এইদৰে একত্ৰীকৰণৰ দিন ইছলামে উল্লেখ কৰিছে যাক শৈশৱ কাল বা বাল্যকালৰ দ্বাৰা উপমা দিব লাগিব য’ত সি নিজৰ জ্ঞান আৰু নিজৰ বুদ্ধিক নিজৰ নতুন জীৱনৰ কাৰণে বৃদ্ধি কৰে আৰু পৰিবৰ্ধিত কৰে। এই সময়খিনিত আত্মাৰ শক্তিবোৰ সেই কালৰ অপেক্ষা যাক সমাধিৰ সময় বুলি কোৱা হয় অধিক পোষিত আৰু বিকশিত হয়। কিন্তু তথাপি পূৰ্ণ নহয়। কিন্তু এই দিনৰ প্ৰভাৱ তথা পৰিৱৰ্তনৰ পিছত সেয়া পূৰ্ণ হৈ পৰে তথা তাৰ অৱস্থা সেই বয়স্ক সন্তানৰ দৰে হৈ পৰে যি এতিয়া সংসাৰৰ অনুভূতিক পূৰ্ণ ৰূপত অনুভৱ কৰিবলৈ প্ৰস্তুত হৈ পৰে। এই সম্পূৰ্ণ অৱস্থাক অন্তিম নিৰ্ণয়ৰ সংজ্ঞা দিয়া হৈছে যাৰ ফলত মানুহে অন্তিম অৱস্থাৰ দিশে স্থানান্তৰিত কৰি দিয়া হয় যাক স্বৰ্গ অথবা নৰকৰ সংজ্ঞা দিয়া হৈছে।

এই তিনিটা কালত মানুহে নিজৰ আধ্যাত্মিক অৱস্থা অনুসৰি সুখ বা দুখ লাভ কৰি থাকে অৰ্থাৎ প্ৰথম উৎপত্তিৰ কালটো স্বৰ্গ বা নৰকৰ সুখ বা দুখ তেওঁক, নিজৰ অনুভূতি অনুসৰি লাভ কৰি থাকে। এই সময়তো যাক একগোট কৰা দিন বুলি উল্লেখ কৰা হৈছে তথা বাল্য অৱস্থাৰ অনুৰূপ হয় সেয়া সুখ বা দুখ যাৰ পৰা তেওঁ এই জগতত সাদৃশ্য স্থাপিত কৰি লৈছিল ভুগি থাকে কিন্তু কব্ৰৰ অৱস্থাতকৈ অধিক। পুনৰ শেষত যেতিয়া তাক নতুন সৃষ্টি সৰ্বদা সম্পূৰ্ণ হৈ পৰে  তেন্তে তাৰ অন্তিম অৱস্থা এই জগতৰ যুৱক পুৰুষৰ সদৃশ হৈ পৰে যি নিজৰ অনুভূতিক আৰু প্ৰবৃত্তিক পূৰ্ণ কৰি লৈছে তাক এই অন্তিম দিশে দুখ বা সুখক পূৰ্ণ অনুভূতিৰ জন্মৰ অৱস্থাৰ দিশে পৰিৱৰ্তিত কৰি দিয়া হয় যাক স্বৰ্গ বা নৰক বুলি কোৱা হয়।

সেয়ে জীৱনৰ যুগ কেতিয়াওঁ সমাপ্ত নহয়, পুৰস্কাৰ বা শাস্তিত কোনো পাৰ্থক্য নাই কেৱল নতুন অৱস্থাৰ সৈতে সাদৃশ্য প্ৰাপ্ত কৰাৰ বাবে আত্মাই দুটা এনে যুগৰ মাজেৰে গতি কৰিব লগাত পৰে যি অন্তিম তথা সম্পূৰ্ণ অৱস্থাৰ পৰা নিম্নকৃৰ্তীৰ হয় কিন্তু তাৰলৈকে উপনীত হোৱাটো অনিবাৰ্য। মানবীয়

আত্মা নিৰন্তৰ বিকাশ আৰু উন্নতিৰ দিশে আগবাঢ়ে আৰু এটা স্থিতিৰ পৰা আনটো স্থিতিৰ দিশে স্থানান্তৰিত হৈ পৰে। পৱিত্ৰ কোৰাণৰ বক্তব্য হ'ল—

الَّذِيْنَ تَتَوَفّٰىهُمُ الْمَلٰٓئِكَةُ ظَالِمِيْٓ اَنْفُسِهِمْ ۠ فَاَلْقَوُا السَّلَمَ مَا كُنَّا نَعْمَلُ مِنْ سُوْٓءٍ ؕ بَلٰٓى اِنَّ اللّٰهَ عَلِيْمٌۢ بِمَا كُنْتُمْ تَعْمَلُوْنَ ﴿۲۹﴾ فَادْخُلُوْٓا اَبْوَابَ جَهَنَّمَ خٰلِدِيْنَ فِيْهَا ؕ فَلَبِئْسَ مَثْوَى الْمُتَكَبِّرِيْنَ ﴿۳۰﴾

(16:29-30)

الَّذِيْنَ تَتَوَفّٰىهُمُ الْمَلٰٓئِكَةُ طَيِّبِيْنَ ۙ يَقُوْلُوْنَ سَلٰمٌ عَلَيْكُمُ ۙ ادْخُلُوا الْجَنَّةَ بِمَا كُنْتُمْ تَعْمَلُوْنَ ﴿۳۳﴾ (16:33)

অৰ্থাৎঃ—সেই লোক যাৰ প্ৰাণক ফিৰিস্তাই কবজ কৰে, এই অৱস্থাত সেইলোকসকলে নিজৰ ওপৰত অত্যাচাৰ কৰি থাকে সেইসকলে ফিৰিস্তাক সংশোধনৰ পয়গাম দিয়ে আৰু কয় আমি কোনো বেয়া কাম কৰা নাই। যমদূতে তেওঁক ক'ব যে নিশ্চয় তুমি বেয়া কাম কৰিছিলা পৰমেশ্বৰে তোমাৰ কৰ্ম ভালদৰে অৱগত, যোৱা নৰকৰ দুৱাৰত প্ৰৱেশ কৰা আৰু তাত বাস কৰা। গতিকে গৰ্ব কৰাসকলৰ কিমান যে বেয়া ঠিকনা, আৰু যিসকল লোকৰ প্ৰাণ যমদূতে এই অৱস্থাত হৰণ কৰিব যে তেওঁ পুণ্যৱান পৱিত্ৰ হ'ব তথা যমদূতে তেওঁলোকক ক'ব, তোমাৰ ওপৰত ঈশ্বৰৰ অনুকম্পা হওঁক নিজৰ পুণ্য কৰ্মৰ ফলত স্বৰ্গত বসবাস কৰা।

পয়গম্বৰ ইছলাম হজৰত মহম্মদ (ছাঃ)ৰ পৱিত্ৰ বক্তব্য যে— “ইন্নামাল কাবৰু ৰাউজাতুন মিন ৰিয়াজিল জান্নাতি আও হাফৰাতুন মিন হুফাৰিন নাৰি” (তিৰমিজি , আবউৱাবু চিফফাতুল কিয়ামাহ...)

সেয়ে অৱগত হৈছে যে মানবীয় আত্মা সদায় জীৱিত অৱস্থাত থাকে আৰু সেই পথত মৃত্যুৰ সৈতে আগবাঢ়ি যায় যি তেওঁ নিজৰ কৰ্মৰ দ্বাৰা নিজৰ

বাবে প্ৰস্তুত কৰিছিল।

উক্ত হাদীছত ‘কৱৰ’ যি শব্দ উল্লেখ হৈছে তাৰ পৰা এই ভুল কৰিব নালাগে যে ইয়াৰ পৰা সেই মাটিক কৱৰক বুজাবলৈ বিচৰা হৈছে য’ত মানৱৰ মৃত শৰীৰক (শৱদেহ) থোৱা হয়। এনে নহয়, লগতে ইয়াৰ তাৎপৰ্য সেই স্থান য’ত আত্মাই বসবাস কৰে। পৱিত্ৰ কোৰাণত পৰমেশ্বৰে কৈছে—

ثُمَّ اَمَاتَهٗ فَاَقۡبَرَهٗ ۙ﴿۲۲﴾ (80:22)

অৰ্থাৎ ঃ— প্ৰতিজন মানুহক পৰমেশ্বৰে মাৰি পেলায় কৱৰত থয়।

এতিয়া এই কথা সৰ্বজন বিদিত যে প্ৰতিজন মানুহক কৱৰত থোৱা নহয় যিহেতু বহুতো লোকক জ্বলাই দিয়া হয়। কিছুমানক আন জন্তুৱে খাই পেলায়। কিছুমান সাগৰত ডুবি যায়। সেয়ে, এই কৱৰৰ তাৎপৰ্য সেই স্থান য’ত আত্মাই বাস কৰে, এয়া সেই কৱৰ নহয় য’ত মৃত শৰীৰ পৰি থাকে যাতে নশ্বৰতাৰ শ্বাশত নিয়মক নিজৰ ওপৰত সংঘটিত কৰে।

## পৰলৌকিক ছোৱাব বা শাস্তি শাৰীৰিক নে আধ্যাত্মিক ?

ইয়াক স্পষ্ট কৰি দিয়াৰ পিছত ইছলামৰ মানবীয় আত্মাৰ মৃত্যুৰ পিছত কেনেধৰণৰ অৱস্থা হয় এতিয়া মই এই প্ৰশ্নৰ বিষয়ত ইছলামৰ শিক্ষাক উল্লেখ কৰিবলৈ বিচাৰিছোঁ যে পৰলোকত পুৰস্কাৰ বা শাস্তি ভৌতিক হয় অথবা আধ্যাত্মিক তথা স্থুল হয় বা সূক্ষ্ম ?

মনত ৰাখিব লাগে যে ইছলামৰ বাবে পৰলৌকিক অৱস্থা ভৌতিক স্থূলও হয় আৰু আধ্যাত্মিক সূক্ষ্মও। স্থূল এই অৰ্থত হয় যে মানবীয় আত্মাই লগে লগে উন্নতি কৰি নিজৰ বাবে এক শৰীৰ তৈয়াৰ কৰি ল’ব। সেয়ে, তাত আনন্দ তথা কষ্ট সেইধৰণৰ প্ৰতিবিম্ব ৰূপত প্ৰতিফলিত হ’ব যিদৰে আমি স্থূল সামগ্ৰীক দেখা পাওঁ তথা আধ্যাত্মিক সূক্ষ্ম এই অৰ্থত যে সেয়া এই ভৌতিক তত্ত্বৰে নিৰ্মিত নহ’ব যে যি তত্ত্বৰে এই জগতৰ সামগ্ৰীবোৰ নিৰ্মাণ হৈছে আৰু এয়াও কেনেকৈ হ’ব পাৰে? কিয়নো এই জগতৰ পৰা আত্মাক বেলেগ এখন জগতলৈ স্থানান্তৰিত এই কাৰণে কৰা হৈছে যে সেই সূক্ষ্ম শক্তিবোৰ লাভ কৰক যাৰ দ্বাৰা সি সেই আনন্দবোৰ অনুভৱ কৰিব পাৰে যাৰ

অনুভৱ এই ভৌতিক শৰীৰে কৰিব নোৱাৰে। এতিয়া যদি এই ধৰণৰ মেৱা বা ফল তথা এনেধৰণৰ গাখীৰ আৰু এনেধৰণৰ মৌ থাকিব লাগে তথা ঠিক এইধৰণৰ অগ্নি তথা এই ধৰণৰ ধোঁৱা হ'ব লাগে যেনেধৰণৰ এই মৃতলোকত আছে তেন্তে আত্মাক শৰীৰৰ পৰা পৃথক কৰাৰ কি আৱশ্যকতা আছিল। তেতিয়া এনে লাগে যে শৰীৰৰ লগতে তাৰো সংমিশ্ৰণ হৈ পৰে। যিহেতু তাৰ শৰীৰতো বৰ্তমান আধ্যাত্মিক সূক্ষ্ম অৱস্থাৰ দৰে হয় তেন্তে আহাৰ, গাখীৰ আৰুমৌ তথা তাৰ শাস্তি অগ্নি, উষ্ম, পানী কিদৰে নিৰ্মাণ হ'ব পাৰে? কি সেই সময়ত মানবীয় আত্মাই ইয়াৰ অগ্নি তথা ইয়াৰ ফলক ব্যৱহাৰ কৰিব পাৰে যে তাতো তেওঁলোকে ইয়াক ব্যৱহাৰ কৰিব পাৰিব।

সেয়ে, ইয়াক কোৱাটো যুক্তিসংগত নহ'ব যে মৃত্যুৰ পিছত মানুহক এই ঘটনা জগতৰ দৰে স্থূল সামগ্ৰীৰ দ্বাৰা পুৰষ্কাৰ অথবা শাস্তি দিয়া হ'ব। কিন্তু এয়া আৱশ্যক যে তাত সূক্ষ্ম আধ্যাত্মিক শৰীৰৰ ৰূপত কিছুমান সামগ্ৰী মানুহৰ সন্মুখত দাঙি ধৰা হ'ব। দুষ্টৰ সন্মুখত শাস্তিৰ বস্তুক তথা পুণ্যবানজনৰ সন্মুখত পুণ্য বস্তুক কিয়নো জীৱনৰ সত্যতাক পূৰ্ণৰূপত অনুভৱ কৰিব পৰা নাযায় যেতিয়ালৈকে সূক্ষ্ম বস্তুৱে নিজৰ সূক্ষ্মতাৰ অনুসৰি এটা শৰীৰ নেদেখে। প্ৰতিটো আত্মা এটা শৰীৰৰ অধীনস্থ। নিকৃষ্ট আত্মা স্থূলশৰীৰৰ তথা উৎকৃষ্ট আত্মা সূক্ষ্ম শৰীৰৰ। যিহেতু আত্মাই তাতো এক শৰীৰ বা আকাৰ গ্ৰহণ কৰিব, সেয়ে আৱশ্যক যে তাৰ সন্মুখত সামগ্ৰী সেইধৰণে বাহ্যিক অনুভূতিৰ দ্বাৰা উপস্থিত হ'ব যিদৰে এই জগতত উপস্থিত হৈছে। কিন্তু সেই শৰীৰ সূক্ষ্ম আধ্যাত্মিক হ'ব আৰু এইদৰে নহ'ব গতিকে এয়া আৱশ্যক যে সেই অনুৰূপ তথা পৰিৱৰ্তনো এই সংসাৰৰ বস্তুতকৈ সূক্ষ্ম আৰু আধ্যাত্মিক হ'ব। কিন্তু যিধৰণে এই জগতৰ সামগ্ৰীৰ স্থূল অৱস্থাৰ উপৰিও সূক্ষ্ম অৱস্থাও থাকে সেইদৰে সেই জগততো সেই শ্ৰেষ্ঠ তথা নৱজাত আত্মাৰ কাৰণে এই জগতৰ সূক্ষ্ম আৰু আধ্যাত্মিক অৱস্থাতকৈ শ্ৰেষ্ঠতম আধ্যাত্মিক আৰু সূক্ষ্ম অৱস্থা হ'ব। পুণ্য (পুৰষ্কাৰ)কো আৰু পাপ(শাস্তি)ৰো। সেয়ে আগন্তুক জগতৰ আৰ্শীবাদো আৰু শাস্তিও স্থূল আৰু সূক্ষ্ম হ'ব। ঠিক সেইদৰে যিদৰে এই সংসাৰত দুখ আৰু সুখৰ স্থিতি শাৰীৰিক আৰু আত্মিক দুয়ো প্ৰকাৰৰ হয় কিন্তু

সেই জগতৰ অৱস্থাত ইয়াত সূক্ষ্ম আধ্যাত্মিক অৱস্থাৰ অনুৰূপ হ'ব তথা তাৰ আধ্যাত্মিক তথা সূক্ষ্ম অৱস্থা অতি সূক্ষ্ম আৰু সৰ্বোত্তম হ'ব।

পৱিত্ৰ কোৰাণে নিশ্চয়কৈ ভৌতিক মৃত্যুৰ পিছৰ স্থিতিৰ বিষয়ত শাস্তিৰ বাবে অগ্নি, হিম তথা যমৰ ফাঁচী আদিৰ উল্লেখ কৰিছে তথা পুৰস্কাৰৰ ৰূপত ছায়া, পানী, গাখীৰ তথা মৌ আদিৰ উল্লেখ কৰিছে কিন্তু লগতে ইয়াকো উল্লেখ কৰিছে যে—

فَلَا تَعْلَمُ نَفْسٌ مَّآ اُخْفِيَ لَهُمْ مِّنْ قُرَّةِ اَعْيُنٍ ۚ جَزَآءًۢ بِمَا كَانُوْا يَعْمَلُوْنَ ﴿١٨﴾ (32:18)

অৰ্থাৎ ঃ কোনো ব্যক্তিয়ে জানিব নোৱাৰে যে তেওঁৰ কাৰণে তেওঁৰ কৰ্মৰ ফলাফল স্বৰূপ কেনেধৰণৰ চকুৰ শীতলতা (আত্মতুষ্টি)ৰ উপকৰণ একগোট কৰা হৈছে? এইদৰে হাদীছত উল্লেখ কৰিছে যে স্বৰ্গৰ আৰ্শীবাদ এনেধৰণৰ— “লা আয়নুন ওৰা ৰাআত ওৰা লা অজুনুন ছামিয়াত ওৰা লা খাতাৰা আলা কালবি বাশ্বাৰিন” (ইবনে মাজা কিতাবুজ জহদ)

অথাৎ ঃ- নে চকুৰে দেখিব, নে কাণেৰে শুনিব আৰু নে মানৱ বুদ্ধিৰে তাৰ অনুমান কৰিব পাৰিব। এতিয়া যদি তাত এই জগতৰে পদাৰ্থ হ'ব তেন্তে সেয়া কিমান উত্তম আৰু শ্ৰেষ্ঠ হ'ব ইয়াত ক'ব পৰা নাযায় যে মানুহে তাৰ অনুমান কৰিব পাৰিব। সেয়ে এই বাক্যই উল্লেখ

কৰিছে যে সেই পদাৰ্থ তথা অৱদান সদায় বিভিন্ন প্ৰকাৰৰ হয় তথা এইদৰে তাৰ শাস্তি আৰু যন্ত্ৰণাও।

এইদৰে পৰমেশ্বৰে এক স্থানত উল্লেখ কৰিছেযে, স্বৰ্গীয় লোকসকলৰ সন্মুখত স্বৰ্গীয় মেৱা যদি থোৱা হয় তেন্তে তেও ক'ব যে—

هٰذَا الَّذِىْ رُزِقْنَا مِنْ قَبْلُ ۙ (2:26)

অৰ্থাৎ ঃ—এয়া সেই অমৃত বস্তু যি আমাক প্ৰথমতে দিয়া হৈছিল। পৰমেশ্বৰে এই বিষয় উল্লেখ কৰিছে যে—

وَاُتُوْا بِهٖ مُتَشَابِهًا ؕ (2:26)

অৰ্থাৎঃ— তেওঁলোকক মিলি-জুলি থকা বস্তু দিয়া হ'ব অৰ্থাৎ সেই বস্তু এই মন্ত্ৰ জগতৰ বস্তুৰ দৰে নহ'ব লগতে নিজৰ বাহ্যিক আকাৰ দৃষ্টিত তাৰ সৈতে মিলিজুলি থাকিব।

প্ৰকৃত কথা এয়া যে আত্মাই যদিও শৰীৰৰ দৰে ভৌতিক বস্তুৰ প্ৰয়োগ নকৰে কিন্তু শৰীৰৰ আনন্দৰ পৰা আনন্দিত নিশ্চয় হয়। এনেদৰে শৰীৰৰ কষ্টৰ পৰা কষ্টক অনুভৱ কৰে।

সেয়ে সাংসাৰিক পদাৰ্থৰ সৈতে তাৰ আবেগিক সম্পৰ্ক আছে, আনন্দ তথা ক্লেশৰ পূৰণৰ উপলক্ষে সেই জগতৰ পদাৰ্থ সাংসাৰিক পদাৰ্থৰ ৰূপত ৰূপান্তৰিত হ'ব।

পৱিত্ৰ কোৰাণত মৃত্যুৰ পিছত আধ্যাত্মিক অৱস্থাক বুজিবলৈ এক সূক্ষ্ম দৃষ্টান্ত দিছে তাৰ পৰা মানুহে ভাল দৰে এই জগতৰ স্থিতিক এই সীমালৈকে যে এই সংসাৰক শক্তিৰ লগত বুজিবলৈ পৰা যায়। উল্লেখ আছে—

اَللّٰهُ يَتَوَفَّى الْاَنْفُسَ حِيْنَ مَوْتِهَا وَالَّتِيْ لَمْ تَمُتْ فِيْ مَنَامِهَا ۚ
فَيُمْسِكُ الَّتِيْ قَضٰى عَلَيْهَا الْمَوْتَ وَيُرْسِلُ الْاُخْرٰۤى اِلٰۤى
اَجَلٍ مُّسَمًّى ؕ اِنَّ فِيْ ذٰلِكَ لَاٰيٰتٍ لِّقَوْمٍ يَّتَفَكَّرُوْنَ ﴿۴۳﴾

(39:43)

অৰ্থাৎ ঃ— আল্লাই ৰূহ কবজ কৰে লোকসকলৰ মৃত্যুৰ পিছত, আৰু যাৰ মৃত্যু নহয় নিদ্ৰা অৱস্থাত। তাৰ পিছত যি ব্যক্তিৰ মৃত্যুৰ অন্তিম নিৰ্ণয় হৈ যায় তেওঁৰ আত্মাক নিজৰ ওচৰকে ৰাখি থয় তথা আনটো আত্মা ( নিদ্ৰাগ্ৰস্থ ব্যক্তিৰ আত্মা)ক এক নিশ্চিত সময়ৰলৈকে উভতাই দিয়ে। চিন্তাশীল জাতিৰ বাবে এই কথাত বহুতো চমৎকাৰ নিহিত আছে অৰ্থাৎ নিদ্ৰাৱস্থাতো আত্মাৰ সম্পৰ্ক শৰীৰৰ পৰা অস্থায়ী ৰূপত পৃথক হয় আৰু তাৰ পৰা মানুহৰ মৃত্যুৰ পিছৰ অৱস্থাৰ অনুমান কৰিব পৰা যায়। যিহেতু এই পৃথকতা অস্থায়ী হয় সেয়ে বুদ্ধিৰ লগত ইয়াৰ সম্পৰ্ক জড়িত হৈ থাকে আৰু সেইকাৰণে এই অৱস্থাক মনত ৰাখিব লাগে যি আত্মাক শৰীৰৰ পৰা পৃথক কৰা সময়ত উপস্থিত হয়।

পৰমেশ্বৰে কৈছে যে যি ব্যক্তিয়ে বিচাৰ কৰাত আৰু চিন্তাশীল হয় তেওঁৰ কাৰণে ইয়াত বহুত ডাঙৰ লাভ হয় অৰ্থাৎ তেওঁ ইয়াৰ দ্বাৰা আত্মাৰ স্থিতি আৰু অৱস্থা তথা তাৰ ক্ৰিয়াক আৰু মৃত্যুৰ পিছৰ অৱস্থাক বুজিব পাৰে।

এতিয়া টোপনিৰ অৱস্থাক চিন্তা কৰি চোৱা। ইয়াত যদিও শৰীৰ নিদ্ৰাত লীন হৈ থাকে কিন্তু মানুহে নিজেই নিজেই আন ৰূপত দেখে আৰু বিভিন্ন স্থান ভ্ৰমণ কৰে। তাৰ আকাৰ আছে কিন্তু তাৰ আকাৰ এনে নহয় যিদৰে ভৌতিক পদাৰ্থৰ হয়। হয়, কেতিয়াবা কেতিয়াবা সেই আকাৰ এনেকৈ পূৰ্ণ হৈ পৰে যে তাৰ চিহ্ন শৰীৰতো দৃষ্টিগোচৰ হ'ব ধৰে আৰু যি লোকে অনুভৱ কৰে তেওঁ ইয়াক ভালদৰে অৱগত। মই নিজেই ইয়াক স্পষ্ট ৰূপত অনুভৱ কৰিছোঁ। এবাৰ মই উপবাসত আছিলো আৰু মোৰ বৰ পিয়াহ লাগিছিল। যেতিয়া পিয়াহৰ এই কষ্ট বহু বাঢ়ি গৈছিল তেতিয়া মই পৰমেশ্বৰক প্ৰাৰ্থনা কৰিলোঁ তেতিয়া মই দেখিলো যে সেই সময়ত লগে লগে মোৰ ওপৰত এক তন্দ্ৰা অৱস্থা আহিল তথা পিয়াহক শান্ত কৰা শীতল প্ৰেয় মোৰ মুখত ঢালি দিয়া হ'ল। এই স্থিতি এটা ক্ষণৰ আছিল। তাৰ পিছত সেই স্থিতি সলনি হৈ পৰিল আৰু মই দেখিলো যে সেই পিয়াহৰ অৱস্থা একেবাৰে সমাপ্ত হৈ গৈছিল আৰু এনে লাগিল যেনেকৈ মই তৃপ্ত হৈ পানীক পাণ কৰিছোঁ। হজৰত মছীহ মাওউদে এনে বহু অনুভৱক লিখিছে। ইমানলৈকে যে আপুনি স্পষ্ট জাগ্ৰতাৱস্থাত আধ্যাত্মিক সূক্ষ্ম শৰীৰৰ সৈতে ঈছা মছীহক দেখিলে আৰু বহু সময় তেওঁ খ্ৰীষ্টান ধৰ্মৰ বিকাৰবোৰ আৰু তাৰ সংস্কাৰৰ বিষয়ত কথা পাতিছিল। এবাৰ তেওঁৰ লগত লগা লাগি আপুনি আহাৰো গ্ৰহণ কৰিছিল। এতিয়া এই কথা সেই লোকসকলৰ বাবে যি এই বিদ্যা আৰু এই আধ্যাত্মিক জগতৰ অপৰিচিত তেওঁলোকে ইয়াক মানসিক বিকাৰ তথা ভ্ৰমতকৈ অধিক অস্তিত্ব নাৰাখিব। কিন্তু যিসকল লোক অনুভৱী হয় তথা আধ্যাত্মিক বিদ্যাত পাৰ্গত হয় তেওঁ এই অৱস্থাক ভালদৰে বুজি উঠিব। এয়াও মনত ৰাখিব লাগে যে আধ্যাত্মিক জ্ঞানৰ পৰা মোৰ তাৎপৰ্য এই স্থানত মানসিক আৰু বৌদ্ধিক অৱস্থা নহয় যি নিজৰ মাৰাত্মক আদিত প্ৰকাশিত হয়। সেয়া সদায় আন বস্তু হয় তথা তাৰ আধ্যাত্মিক অৱস্থাৰ কোনো সম্পৰ্ক নাই। আধ্যাত্মিক স্থিতি আৰু শ্ৰেণীৰ

অৱস্থা আৰু আছে।

সেয়ে এই সপোনৰ অৱস্থা আৰু তন্দ্ৰিল অৱস্থাত পৰমেশ্বৰৰ চমৎকাৰ প্ৰত্যক্ষ কৰা স্থিতি পৰলোকৰ অৱস্থাৰ বাবে দৃষ্টান্ত ৰূপে দাঙি ধৰিব পৰা যায়। ইয়াৰ পৰা মানুহে সেই সংসাৰৰ অনুমান কৰিব পাৰিব যিদৰে সপোনাত প্ৰতিটো বস্তুটো সূক্ষ্ম হয়। কিন্তু তেতিয়াওঁ আকাৰ বা শৰীৰ থাকে। এইদৰে আগন্তুক জগতত এয়া হ'ব যে তাৰ বস্তুৰ শৰীৰ থাকিব কিন্তু সেই শৰীৰ সূক্ষ্ম আধ্যাত্মিক হ'ব আৰু তাৰ উপৰিও সেয়া তাৰ মাজৰ পৰা শ্ৰেষ্ঠ স্থিতি শুদ্ধ আধ্যাত্মিক হ'ব।

পৱিত্ৰ কোৰাণে এই ঘটনাৰ বাস্তৱিকতা এই বুলি উল্লেখ কৰিছে যে এই জগতত কৰ্মৰূপত পৰিৱৰ্তিত কৰি তাত মানুহৰ সন্মুখলৈ আহিব। এই জগতত কৰি যোৱা শাস্ত্ৰগত কৰ্মই তাৰ পানী হ'ব। এই মৃত লোকত অৰ্জন কৰা আধ্যাত্মিক ঈশ্বৰীয় জ্ঞানেই তাত গাখীৰ হ'ব, পৰমেশ্বৰৰ আজ্ঞাক পালন কৰা মধুৰতা আৰু আনন্দ যি আত্মাই এই জগতত অনুভৱ কৰিছিল তাত সেয়া মধুৰ ফল আৰু মেৱা হ'ব। সেয়ে পৰমেশ্বৰৰ বক্তব্য হ'ল—

وَكُلَّ اِنۡسَانٍ اَلۡزَمۡنٰهُ طٰٓئِرَهٗ فِىۡ عُنُقِهٖ ؕ وَنُخۡرِجُ لَهٗ يَوۡمَ الۡقِيٰمَةِ
كِتٰبًا يَّلۡقٰهُ مَنۡشُوۡرًا ۝١٤
اِقۡرَاۡ كِتٰبَكَ ؕ كَفٰى بِنَفۡسِكَ الۡيَوۡمَ عَلَيۡكَ حَسِيۡبًا ؕ ۝١٥ (17:14-15)

অৰ্থাৎ ঃ— প্ৰত্যেক মানুহৰ লগত তেওঁৰ কৰ্ম লাগি যায়। কেতিয়াওঁ তাৰ পৰা পৃথক হ'ব নোৱাৰে। লাগিলে স্বভাৱ গোপন হওঁক কিন্তু প্ৰলয়ৰ দিনা মই তেওঁৰ কৰ্মক সেই কৰ্মত এনেধৰণৰ কৰি দিম ধৰি লোৱা সেয়া এখন কিতাপ যিখনক খুলি পঢ়ি আছে। অৰ্থাৎ সেই সময়ত তেওঁ নিজৰ প্ৰভাৱক প্ৰকাশ কৰি দিব তথা প্ৰতিটো কৰ্ম যাক মানুহে এই সংসাৰত কৰিছিল সেয়া নিজৰ প্ৰতিক্ৰিয়া আৰু ফলাফলৰ তাত প্ৰতিফলিত হ'ব আৰু সেই জগতৰ জীৱক ইচ্ছানুসৰি স্থান্তৰিত কৰিব। পুনৰ উল্লেখ কৰিছে যে মই মানুহক কম যে নিজৰ কিতাপ পঢ়ি থাকা, অৰ্থাৎ সেই কাম অনুসৰি উন্নতি অথবা অৱনতি

লাভ কৰা আৰু তাৰ পৰিণাম ভোগ কৰা। মোৰ তোমাৰ হিচাপ লোৱাৰ প্ৰয়োজন নাই তোমাৰ অন্তঃকৰণে তোমাৰ পৰা নিজেই হিচাপ ল'ব। অৰ্থাৎ যি প্ৰভাৱ তোমাৰ কৰ্মই উৎপন্ন কৰিছে সেয়া তোমাৰ বাবে শাস্তি ৰূপতো আৰু পুৰষ্কাৰৰ ৰূপতো পৰ্যাপ্ত হ'ব। আমি কোনো নতুন শাস্তি অথবা নতুন পুৰষ্কাৰ দিয়াৰ প্ৰয়োজন নাই। চোৱা এই আয়াতে কেনেকৈ শাস্তি এই জগতৰ কৰ্মৰে ৰূপান্তৰিত স্বৰূপ হ'ব। এক স্থানত পৱিত্ৰ কোৰাণত উল্লেখ আছে যে—

اِنَّ الْاَبْرَارَ يَشْرَبُوْنَ مِنْ كَاْسٍ كَانَ مِزَاجُهَا كَافُوْرًا ۚ﴿٦﴾

عَيْنًا يَّشْرَبُ بِهَا عِبَادُ اللّٰهِ يُفَجِّرُوْنَهَا تَفْجِيْرًا ﴿٧﴾ (76:6-7)

অৰ্থাৎঃ— সাধুলোকে তাত এনে পাত্ৰত পান কৰিব যাৰ প্ৰভাৱ ভক্ষণ হ'ব অৰ্থাৎ তেওঁ অনুচিত আবেগত হেঁচা মাৰি ৰাখিব। এনে সাধনে সেই পিয়লা ভৰি পৰিব যি ঈশ্বৰ ভক্তৰ পৰিশ্ৰমৰ লাভাংশ হ'ব অৰ্থাৎ এই জগতত যি কৰ্ম কৰে সেয়াই কৰ্ম কৰি থাকে তেতিয়া সেয়া সময়ৰ আহিলা আৰু বিতচকুৰ ৰূপত প্ৰতিফলিত হ'ব। সেয়া কোনো পৃথক বস্তু নহয়।

সেইদৰে পৱিত্ৰ  কোৰাণৰ বক্তব্য যে—

وَمَنْ كَانَ فِيْ هٰذِهٖٓ اَعْمٰى فَهُوَ فِي الْاٰخِرَةِ اَعْمٰى (17:73)

অৰ্থাৎ ঃ যি ব্যক্তি এই জগতত অন্ধ তেওঁ  পৰকালতো  অন্ধ হ'ব।

অৰ্থাৎঃ যি এই জগতত পৰমেশ্বৰক নিজৰ আধ্যাত্মিক অন্তঃ চকুৰে নাই দেখা তাত এই আত্মা শৰীৰ ৰূপত থাকিব সেয়ে নিজক নিজেই এক প্ৰকাৰৰ অন্ধ অৱস্থাত অনুভৱ কৰিব। এক স্থানত উল্লেখ আছে—

وَمَنْ اَعْرَضَ عَنْ ذِكْرِيْ فَاِنَّ لَهٗ مَعِيْشَةً ضَنْكًا وَّ نَحْشُرُهٗ

يَوْمَ الْقِيٰمَةِ اَعْمٰى ﴿١٢٥﴾

قَالَ رَبِّ لِمَ حَشَرْتَنِيْٓ اَعْمٰى وَقَدْ كُنْتُ بَصِيْرًا ﴿١٢٦﴾

قَالَ كَذٰلِكَ اَتَتْكَ اٰيٰتُنَا فَنَسِيْتَهَا ۚ وَكَذٰلِكَ الْيَوْمَ تُنْسٰى ﴿١٢٧﴾

(20:125-127)

অৰ্থাৎ ঃ- এনে ব্যক্তি যি এই জগতত মোক স্মৰণ নকৰে আৰু উপেক্ষাবৃত্তিৰে কাম কৰে তথা মোক বিচৰাৰ দিশে গুৰুত্ব নিদিয়ে তেওঁ এনে জীৱন অতিবাহিত কৰে যি তেওঁৰ আধ্যাত্মিক শক্তিক সদায় সীমিত কৰিব আৰু সংকুচিত কৰি যাৱ আৰু তাৰ শেষ ফলাফল এয়া হ'ব যে তেওঁৰ আত্মাই যেতিয়া নিজৰ শক্তিক পূৰ্ণ কৰি ল'ব আৰু সেই সময় আহি পৰিব যি আন আধ্যাত্মিক জীৱনৰ কাৰণে নতুনকৈ জন্ম ৰূপত হ'ব তেতিয়া সি অন্ধ হ'ব। যেনেকৈ সি নতুন জন্মত অন্ধ হৈ জন্ম ল'ব তেতিয়া সি ভয় খাই ক'ব- হে ভগৱান এয়া কি হ'ল? কিয় মই যে এই জগতত চকু থকা আছিলো, এতিয়া আপুনি মোক অন্ধ কৰি কিয় জন্ম দিলে? ইয়াত পৰমেশ্বৰে ক'ব যে এইদৰে তুমি মোৰ পৱিত্ৰ কথাক ত্যাগ কৰিছিলা সেয়ে মই তোমাক তোমাৰ কৰ্ম অনুসৰি ফলাফল পোৱাৰ বাবে এৰি দিছো। এই আয়াতত স্পষ্ট হৈছে যে পৰলোকৰ অন্ধতা এই লোকৰ আধ্যাত্মিক অন্ধতাৰ কাৰণে হ'ব।

স্পষ্ট যে ইছলামৰ দৃষ্টিত পৰলোকৰ সকলো দুখ আৰু সুখৰ উপকৰণ যদিও এক প্ৰকাৰৰ মৃত ৰূপত হ'ব কিন্তু হ'ব এই জগতৰ কৰ্মৰ ৰূপান্তৰ, আন কোনো বস্তু নহয়। বিস্তাৰিতভাবে যি বস্তু পৰলোকত উল্লেখ কৰা হৈছে তাৰ পৰাও ইয়াকে জ্ঞাত হৈ পৰে (যাৰ উল্লেখ ওপৰত কৰা হৈছে) উদাহৰণস্বৰূপে কোৰাণত উল্লেখ কৰা হৈছে যে স্বৰ্গত একপ্ৰকাৰৰ মদিৰা পোৱা যাব কিন্তু ইয়াৰ বক্তব্য হ'ল যে সেই মদিৰা এনেধৰণৰ হ'ব যে হৃদয়ক পৱিত্ৰ কৰিব। এতিয়া এই কথা স্পষ্ট যে শাৰীৰিক আৰু স্থুল বস্তুৱে হৃদয়ক পৱিত্ৰ নকৰে। সেয়ে মদিৰাৰ তাৎপৰ্য সেয়া ঈশ্বৰ প্ৰেম যি এই লোকত পৰমেশ্বৰৰ প্ৰতি মানুহে লাভ কৰিছিল। সেয়া পৰলোকত মদিৰাৰ ৰূপত দেখা পোৱা যাৱ। যেনে সপোনত মানুহৰ সূক্ষ্ম বস্তুৰ স্থূল ৰূপত, অমৃত্যুক মৃত ৰূপত দেখা পায়। সেয়ে মানুহে এই মদিৰা পান কৰিলে ঈশ্বৰৰ প্ৰেম এই ৰূপত স্থানান্তৰিত হ'ব, কোনো ভৌতিক পাৰ্থিৱ মদিৰা নাথাকিব গতিকে তাৰ পৰা হৃদয় সত্য আৰু পৱিত্ৰ প্ৰেমৰ দিশে আগবাঢ়িব।

সংক্ষেপত ইছলামে পৰলোক (মূল জগত)ত পুৰস্কাৰ আৰু শাস্তিক য'ত মৃত আৰু স্থূল বুলি উল্লেখ কৰিছে তাত সেইবোৰক লগতে অমৃত্যু আৰু সূক্ষ্ম বুলিও উল্লেখ কৰিছে প্ৰকৃততে এই অৱস্থা শুদ্ধ আৰু বাস্তৱিক হয় যি ব্যক্তিৰ বাস্তৱিকতাৰ জ্ঞান নাথাকে, তেওঁক এনেদৰে মৃত আৰু স্থূল বুলি ভাবি লোৱা হওঁক অথবা কেৱল মাত্ৰ এক মানসিক ধাৰণা বুলি উল্লেখ কৰা হওঁক। যিহেতু দুয়োটা অভিমতে বুদ্ধিয়ে কেতিয়াওঁ স্বীকাৰ নকৰে। তাত কোনো মৃত বস্তু থাকিব পাৰে আৰু তাত কোনো মানসিক বা হৃদয়গত অনুভূতিবোৰ মাত্ৰ এই উদ্দেশ্যক পূৰণ কৰিবলৈ সক্ষম হ'ব। ঠিক সেইদৰে নাথাকিব কোনো অতি সূক্ষ্ম বস্তু যি নিজৰ এক স্থূল আকাৰৰ অবিহনে স্থিৰ হৈ থাকিব পাৰিব আৰু নিজৰ শক্তিক প্ৰদৰ্শন কৰিব পাৰিব।

**পৰলোকৰ শাস্তি আৰু পুৰষ্কাৰ ক'ত আৰু কি ৰূপত হ'ব?**

এটা প্ৰশ্ন এয়া যে পৰলোকৰ শাস্তি আৰু পুৰস্কাৰ ক'ত হ'ব? লগতে কি ৰূপত হ'ব? এই প্ৰশ্নৰ উত্তৰ ইছলামে অতি দৃঢ় শব্দত উল্লেখ কৰিছে যাৰ তুলনাত আন ধৰ্ম প্ৰায় মৌন। ইছলামে আমাক এই কথা উল্লেখ কৰিছে যে নৰক প্ৰকৃতকে সেই প্ৰকোপৰ আৰু শাস্তিৰ নাম যাৰ জ্ঞান সপ্তোন্দ্ৰিয়ৰ দ্বাৰা হ'ব। এই বিষয়ত পৰমেশ্বৰে পৱিত্ৰ কোৰাণত উল্লেখ কৰিছে—

لَهَا سَبْعَةُ أَبْوَابٍ ۖ لِّكُلِّ بَابٍ مِّنْهُمْ جُزْءٌ مَّقْسُومٌ ۝٤٥

(15:45)

অৰ্থাৎ ঃ— নৰকৰ সাতখন দুৱাৰ থাকিব তথা এই সাতখন দুৱাৰৰ ভিতৰত প্ৰতিখনতে নৰকীয়াৰ এটা এটা অংগ প্ৰৱেশ কৰিব। যিহেতু আমি দেখিছো যে পৱিত্ৰ কোৰাণত প্ৰতিটো স্বৰ্গ আৰু নৰকক সপ্ত ইন্দ্ৰিয়ৰ দ্বাৰা মানুহে অনুভৱ কৰিব। ধৰিলোৱা সেই সাতখনৰ দ্বাৰা নৰকত প্ৰৱেশ কৰিব আৰু প্ৰতিখন দুৱাৰত তেওঁৰ এটাকৈ অংগ প্ৰৱেশ কৰিব অৰ্থাৎ এটা অংগ চৰ্মেন্দ্ৰিয়ৰ দ্বাৰা, শ্ৰৱণেন্দ্ৰিয় দ্বাৰা, এটা ভাগ নাছিকেন্দ্ৰিয়ৰ দ্বাৰা, এটা ভাগ স্পৰ্শজ্ঞানৰ দ্বাৰা, এটা ভাগ তাপক্ৰমৰ বাবে জ্ঞান, শীত-উষ্মৰ অনুভূতিৰ বাবে জ্ঞানৰ দ্বাৰা তথা এটা অংগ মাংপেশী কৰ্মেন্দ্ৰিয় দ্বাৰা প্ৰৱেশ কৰিব। এই সাত অংগৰ

দ্বাৰা মানুহে সাতটা পাপ কৰে। নিষিদ্ধ বস্তুক চায় অথবা তাত কুদৃষ্টি নিক্ষেপ কৰে। পৰচৰ্চা আৰু অশ্লীলতাক শুনি শ্ৰৱণ ইন্দ্ৰিয়ৰ দ্বাৰা পাপ অৰ্জন কৰে। অথবা নিষিদ্ধ বস্তুৰ গোন্ধলৈ নাছিকা ইন্দ্ৰিয়ই পাপ অৰ্জন কৰে অথবা নিষিদ্ধ বস্তুক ভক্ষণ আৰু পান কৰি জিভাৰ দ্বাৰা পাপ কৰে বা স্পৰ্শজ্ঞানৰ দ্বাৰা পাপ কৰে কিয়নো কোমল বিচনা আৰু শয্যা তথা আসনৰ ইচ্ছা মানৱ জাতিৰ বাবে কঠিন পৰিশ্ৰম কৰাৰ পথৰ বাধা হিচাপে দেখা দিয়ে অথবা এলেহুৱা আৰু উপেক্ষাবৃত্তিৰ পৰিণাম স্বৰূপে নিজৰ শৰীৰক ভাগৰ পৰা বচাবলৈ পুণ্য কৰ্মক ত্যাগ কৰি দিয়ে অথবা আধাতে এৰি দিয়ে।

সেয়ে মানুহৰ সাতটা ইন্দ্ৰিয় এনেধৰণৰ যি মানুহক পাপত লিপ্ত কৰে আৰু এই সাতটা ইন্দ্ৰিয়ই মানুহক ভাল কামো কৰিবলৈ প্ৰেৰণা দিয়ে। সেয়ে নৰকৰ সাত দুৱাৰৰ অৰ্থ সেই সাত ইন্দ্ৰিয়, যাৰ দ্বাৰা মানুহে নৰকত প্ৰৱেশ কৰিব আৰু যাৰ দ্বাৰা সংসাৰত পাপ কৰে। পৰলোকত এয়াই তেওঁলোকক শাস্তি দিয়াৰ কাৰণ হ'ব কিয়নো বেয়া স্বভাৱত অভ্যস্ত হৈ পৰাৰ কাৰণে শৰীৰৰ এই সাত ইন্দ্ৰিয়ৰ তুলনাত সাত আধ্যাত্মিক ইন্দ্ৰিয়ক দুৰ্বল আৰু ৰোগী কৰি তুলিব আৰু ৰোগৰ কাৰণে তেওঁ এই গভীৰ দুখ আৰু শাস্তি অনুভৱ কৰিব যি পৰলোকত পথভ্ৰষ্টাতা আৰু কুকৰ্মৰ বাবে নিশ্চিত। সেয়ে এই সাত ইন্দ্ৰিয়ৰ প্ৰকাৰক পৱিত্ৰ কোৰাণত উল্লেখ কৰা হৈছে। চক্ষু-ইন্দ্ৰিয়গত ঈশ্বৰীয় প্ৰকোপ আৰু শাস্তিৰ বিষয়ত উল্লেখ আছে—

وَلَوْ يَرَى الَّذِيْنَ ظَلَمُوْٓا اِذْ يَرَوْنَ الْعَذَابَ ۙ (2:166)

হায় অধৰ্মীয়ে যদি সেই সময়ৰ দৃশ্যক নিজৰ চকুৰ সন্মুখলৈ আনিব পাৰে যেতিয়া তেওঁ ঈশ্বৰীয় প্ৰকোপক দেখিব অৰ্থাৎ তেওঁলোকক দেখুৱা হ'ব যাৰ কাৰণে তেওঁৰ কষ্ট অনুভৱ হ'ব। পয়গম্বৰ ইছলাম হজৰত মহম্মদ (ছাঃ)ৰ বক্তব্য যে সাপ আৰু বিচ্ছু তথা এনেধৰণৰ আন ভয়াবহ বস্তু তেওঁলোকক দেখুৱা হ'ব।

শ্ৰৱণেন্দ্ৰিয়জনিত ঈশ্বৰীয় ক্ৰুদ্ধতাৰ বিষয়ে পৱিত্ৰ কোৰাণত উল্লেখ কৰা হৈছে—

إِذَا رَأَتْهُم مِّن مَّكَانٍ بَعِيدٍ سَمِعُوا لَهَا تَغَيُّظًا وَزَفِيرًا ﴿١٣﴾
(25:13)

অৰ্থাৎ ঃ- যেতিয়া সি নৰকৰ সন্মুখলৈ আহিব তেতিয়া সি ভয়ানক তীক্ষ্ম চিঞৰ আৰু চিৎকাৰ শুনিবলৈ পাব অৰ্থাৎ তেওঁক ভয়ানক অগ্নিৰ পৰা হৃদয়ক কঁপাই দিয়া ভয়ানক ধ্বনি ওলাব যি নিজেই এক ঈশ্বৰীয় ক্ৰুদ্ধতা হ'ব। নাছিকাইন্দ্ৰিয় আৰু জিভা বিষয়ত পৱিত্ৰ কোৰাণে উল্লেখ কৰিছে যে—

وَيُسْقَىٰ مِن مَّاءٍ صَدِيدٍ ﴿١٧﴾ يَتَجَرَّعُهُ وَلَا يَكَادُ يُسِيغُهُ
(14:17-18)

অৰ্থাৎ ঃ— তেওঁক অশুদ্ধ তথা লেতেৰা পানী খাবলৈ দিয়া হ'ব যাৰ বেয়া সোৱাদ হোৱাৰ বাবে তথা দুৰ্গন্ধপূৰ্ণ হোৱাৰ কাৰণে গিলিব নোৱাৰিব। স্পৰ্শজ্ঞানজনিত শাস্তিৰ বিষয়ে পৰমেশ্বৰে উল্লেখ কৰিছে যে—

لَهُم مِّن جَهَنَّمَ مِهَادٌ وَمِن فَوْقِهِمْ غَوَاشٍ (7:42)

অৰ্থাৎ ঃ—তাক সেই স্থানত প্ৰকোপৰ শাস্তিক বিছনাত আৰু তাৰ পৰিধান-পৰিচ্ছেদ অৰ্জন কৰিব অৰ্থাৎ তাৰ স্পৰ্শ শক্তিয়েও শাস্তি ভোগ কৰি থাকিব। এইদৰে উল্লেখ কৰিছে যে-

وَإِذَا أُلْقُوا مِنْهَا مَكَانًا ضَيِّقًا مُّقَرَّنِينَ دَعَوْا هُنَالِكَ ثُبُورًا ﴿١٤﴾
(25:14)

অৰ্থাৎ ঃ  যি সময়ত তেওঁক নৰকত এক সংকীৰ্ণ স্থানত থোৱা হ'ব আৰু সেই সময়ত তেওঁ ধ্বংসৰ বাবে প্ৰাৰ্থনা কৰিব।

গৰম আৰু ঠাণ্ডাৰ শাস্তিৰ সন্দৰ্ভত  উল্লেখ কৰিছে—

فَلْيَذُوقُوهُ حَمِيمٌ وَغَسَّاقٌ ﴿٥٨﴾ (38:58)

অৰ্থাৎঃ গৰম আৰু ঠাণ্ডাৰ ঈশ্বৰীয় প্ৰকোপৰ সোৱাদ লোৱা

মাংসপেশীকৰ্ম ইন্দ্ৰিয়জনিত শাস্তিৰ বিষয় উল্লেখ আছে—

وُجُوهٌ يَوْمَئِذٍ خَاشِعَةٌ ﴿٣﴾ عَامِلَةٌ نَّاصِبَةٌ ﴿٤﴾ (88:3-4)

অৰ্থাৎ ঃ— সেইদিনাখন কিছুমানৰ মুখাকৃৰ্তি দুঃখত বিহ্বল হৈ পৰিব, পৰিশ্ৰমৰত থাকিব আৰু ক্লান্ত অৱস্থাত থাকিব কিন্তু তাৰ পৰিণাম একো নহ'ব। এইদৰে পৱিত্ৰ কোৰাণে সাত ইন্দ্ৰিয়ৰ শাস্তিৰ পূৰ্ণ বিৱৰণ উপস্থাপন কৰিছে আৰু ইয়াৰ তাত্ত্বিক অৰ্থ সেই সাতটা আধ্যাত্মিক শক্তিৰ শ্ৰেণী হৈ পৰিব যাৰ ফলস্বৰূপে তেওঁ পৰমেশ্বৰৰ প্ৰকোপৰ পাত্ৰ হৈ পৰিব। যিহেতু তেওঁ এই জগতত পৰমেশ্বৰৰ আৰ্শীবাদক অৰ্থাৎ নিজৰ ইন্দ্ৰিয়ক অনুচিত ৰূপত প্ৰয়োগ কৰিছিল তাৰ পৰিণাম এয়া হ'ব যে আধ্যাত্মিক জীৱনত তেওঁৰ ইন্দ্ৰিয় প্ৰায় ৰোগী হ'ব আৰু প্ৰতিটো বস্তু তেওঁৰ বাবে ঈশ্বৰীয় অভিশাপ আৰু প্ৰকোপ হৈ পৰিব। এই ইন্দ্ৰিয়ক যিসকল লোকে উচিত স্থান আৰু উচিত ৰূপত প্ৰয়োগ কৰিব পাৰে তেওঁলোকৰ বাবে সুখ নিজেই এক সেতু হৈ পৰে। কিয়নো উচিত প্ৰয়োগৰ দ্বাৰা পদাৰ্থৰ শক্তি বৃদ্ধি হৈ পৰে।

সেয়ে সদাচাৰিসকলৰ যি পুৰস্কাৰ পৱিত্ৰ কোৰাণে উল্লেখ কৰিছে সেয়াও এই সাত ইন্দ্ৰিয়ৰ লগত সম্পৰ্ক আছে। প্ৰতিটো শক্তিৰে আনন্দ অনুভৱ হয় কিয়নো সেয়া সুস্থ হ'ব। কিয় তুমি দেখা নাই সূৰ্য মনোমুগ্ধকৰ ৰশ্মিবোৰ যি চকুৰ কাৰণে মহোনীয়তাক সৃষ্টি কৰে তথা হৃদয় তাৰ পৰা আনন্দিত হৈ পৰে কিন্তু ৰোগীয়া চকুৰ সকলৰ কিমান কষ্টপ্ৰদ হয় আৰু তেওঁলোকে তাৰ কিমান দুখ-ক্লেশ অনুভৱ কৰে ইমানলৈকে যে যদি তেওঁক সোনকালে বাধা দিয়া নহয় তেন্তে সম্ভৱ হ'ব যে ৰোগীৰ চকুক মাৰি পেলাব অথবা তেওঁ অচেতন হৈ পৰিব। এই নেদেখিলেহেঁতেন যে সেই মধুৰ ধ্বনি যি হৃদয়ক বিভোৰ কৰি দিয়ে, সেই ব্যক্তিৰ কাৰণে যি হৃদয়ত ৰোগ আছে অথবা মূৰৰ বিষ হয় তাৰ কাৰণে সেই মধুৰ ধ্বনি কিমান দুখজনক পৰিণত হ'ব। সেই ধ্বনি যি আনক নৱ জীৱন প্ৰদান কৰে সি এনেলোকৰ প্ৰাণৰ কাৰণে ঘাতক আৰু অসহ্য হৈ পৰে। পুনৰ কিয় নেদেখে সেই ইন্দ্ৰিয়ৰ বিকাৰৰ কাৰণে সেই নাক যাক সুগন্ধিৰ আনন্দ লোৱাৰ বাবে বিধাতাই সৃষ্টি কৰিছিল কিন্তু যেতিয়া সুগন্ধ লোৱা শক্তিত বিকাৰ আহি পৰে তেন্তে প্ৰত্যেক সুগন্ধিৰ সুবাস ল'বলৈ কষ্ট অনুভৱ কৰিব আৰু কিছুমান লোকৰ বাবে এই ত্ৰুটি ইমান বৃদ্ধি কৰি দিয়া হয় যে ধূপৰ সুগন্ধি গ্ৰহণ কৰিলেই বেমাৰত পৰি যায় আৰু তেওঁৰ মূৰত বিষ

অনুভৱ হয় যিহেতু সুগন্ধি এক অতি ঈশ্বৰীয় আৰ্শীবাদ স্বৰূপ পদাৰ্থ হয়। পুনৰ এয়া কিয় দেখা পোৱা নাযায় যে মুখৰ সোৱাদ মানুহৰ কাৰণে এক বহু ডাঙৰ অৱদান যেতিয়া বেয়া হৈ পৰে তেতিয়া মিঠাক তিতা আৰু নিমখীয়াক ৰক্তস্ৰাৱবিৰোধী যেন অনুভৱ কৰোতে কিমান গভীৰ কষ্টৰ কাৰণ হৈ পৰে আৰু প্ৰতিটো বস্তুৰ সোৱাদক বেয়া কৰি দিয়ে লগতে এক অভিশাপ হৈ পৰে। পুনৰ কিয় ইয়াক দেখিবলৈ নোপোৱা যে যেতিয়া স্পৰ্শ-জ্ঞানত কিছু পাৰ্থক্য দেখা যায় তেন্তে কোমল ছায়া যি আনৰ বাবে বিশ্ৰাম আৰু জিৰণিৰ বাবে হয় তেন্তে কোমল ছায়াই আন ব্যক্তিক শিলতকৈ অধিক কঠোৰ আৰু কষ্টকৰ ছায়া প্ৰতীত হৈ পৰে আৰু মানুহে তেওঁৰ ওপৰত ব্যগ্ৰপূৰ্ণ সক্ৰিয় হৈ পৰে। পুনৰ কিয় ইয়াক দেখা নাযায় যে শীত-তাপৰ জ্ঞানত এতিয়া পাৰ্থক্য আহি পৰে তেন্তে সেই শীত যি আনক আনন্দিত কৰি থাকে আৰু এনে ব্যক্তিৰ বাবে পৰিত্ৰ কৰি তোলে আৰু সি নিজৰ ওপৰৰ পৰা কাপোৰ খুলি পেলায় থাকে আৰু এই অভিযোগ কৰে যে মই জ্বলি যাওঁ য়ে ওচৰৰ লোকে দুখৰ অনুভৱ কৰে। পুনৰ কিয় নেদেখা যে উষ্ম ঋতুত গৰমক অনুভৱ কৰা শক্তি যাৰ কিবা কাৰণ বশত হ্ৰাস হয় তেওঁ ঠাণ্ডাৰ কাৰণে কঁপিবলৈ ধৰে আৰু কাপোৰ ল'বলৈ ধৰে যেতিয়া আন ব্যক্তিয়ে সেই সময়ত বৰফ ব্যৱহাৰ কৰি থাকে আৰু বিচনী প্ৰয়োগ কৰে। এইদৰে কি দেখা নায়ায় যে যি লোকৰ মাংসপেশী কৰ্মশক্তি হ্ৰাস হৈ পৰে তেওঁৰ ঘূৰা-ফুৰাটো কষ্টকৰ হৈ পৰে আনহাতে সেয়া আনৰ বাবে আনন্দময় হৈ পৰে, অভিশাপ হৈ দুখোজ যাওঁতেই ভৰি-হাত ফুলি যায়। সেয়ে এই সকলোধৰণৰ দৃশ্য এই জগততে বিদ্যমান। তথা ইয়াকে মানুহে নৰকৰ সমান বুলি ভালদৰে অৱগত হ'ব পাৰে।

সত্য কথা এয়া যে যিদৰে পুণ্য এক স্থায়ী বস্তু হয় আৰু পাপ তাৰ অনুচিত প্ৰয়োগৰ নাম হয় এইদৰে পৰমেশ্বৰৰ পুৰস্কাৰ বাস্তৱিক হয় আৰু পৰমেশ্বৰৰ অভিশাপ তথা শাস্তি তাৰ অপপ্ৰয়োগৰ ফলাফল হয় যি মানুহে স্বয়ং নিজৰ মাজতেই উৎপন্ন কৰে। পয়গম্বৰ ইছলাম হজৰত মহম্মদ (ছাঃ)ক এজন ব্যক্তিয়ে সুধিলে— হে পৰমেশ্বৰৰ অৱতাৰ যিহেতু পৰমেশ্বৰৰ বক্তব্য হ'ল যে স্বৰ্গ যদি বিস্তাৰিত আকাশ আৰু পৃথিৱী যদি তাৰ সমান তেন্তে নৰক

ক’ত? আপুনি উত্তৰ দিলে— যেতিয়া দিন হয় ৰাতি ক’লৈ যায়? এয়াই অৱস্থা স্বৰ্গ আৰু নৰকৰ হয় (হাকিম) এতিয়া এই কথাৰ অৰ্থ হ’ব নোৱাৰে যে এটা সময়ত সকলো লোক নৰকত থাকিব আৰু এটা সময়ত সকলো লোক স্বৰ্গত থাকিব। যিদৰে এটা সময়ত ৰাতি আহে আৰু আন সময়ত দিন হয় লগতে ইয়াৰ অৰ্থ এয়া যে ৰাতি সমগ্ৰ সংসাৰৰ ওপৰতে আহে আৰু দিনো সমগ্ৰ সংসাৰৰ ওপৰত উদিত হয় কিন্তু সেইজন যি সূৰ্যৰ তললৈ আহে তেওঁৰ বাবে দিন হৈ পৰে আৰু আনৰ কাৰণে ৰাতি। ঠিক সেইদৰে যি লোকসকল পৰমেশ্বৰৰ কৃপা ছায়াৰ তলত হ’ব তেওঁৰ বাবে এয়া স্বৰ্গ হৈ পৰিব আনৰ বাবে নৰক। সেয়ে যি লোকে পৰমেশ্বৰৰ বদান্যতাৰে নিজৰ সপ্ত ইন্দ্ৰিয়ক শুদ্ধ কৰি থৈছে তেওঁ স্বৰ্গৰ আনন্দ ভোগ কৰিব আৰু যিলোকে সপ্ত ইন্দ্ৰিয়ক বিকৃত কৰি থৈছে তেওঁৰ কাৰণে এই অমৃত পদাৰ্থ ঈশ্বৰীয় শাস্তি আৰু তেওঁৰ অভিশাপ হ’ব। এজন সাধু পুৰুষে সেইদৰে গৰমৰ অনুভৱ কৰিব যি তেওঁৰ কাৰণে প্ৰফুল্লতাৰ কাৰণ হৈ পৰিব কিন্তু এজন দুষ্টই এনে কঠোৰ গৰম অনুভৱ কৰিব যে তেওঁ নিজকে অগ্নিত নিক্ষেপ কৰিব। যিদৰে এনে ৰোগীয়ে জুইক দেখা পায় আৰু উষ্মতাকো অনুভৱ কৰে। সাধু পুৰুষে শীতল পানীৰ দৰে আধ্যাত্মিক আৰ্শীবাদ লাভ কৰিব কিন্তু যেতিয়া দুষ্ট ব্যক্তিয়ে পানী পাব তেওঁ তাত ইমান গৰম অনুভৱ কৰিব যে তেওঁৰ মুখ শুকাই যাব। পয়গম্বৰে ইছলাম হজৰত মহম্মদ (ছাঃ)ৰ বক্তব্য যে, প্ৰতিজন মানুহৰ বাবে স্বৰ্গ আৰু নৰকত স্থান থোৱা হৈছে। যি স্বৰ্গত যায় তেওঁ নৰকীয় লোকৰ স্থান গ্ৰহণ কৰে আৰু যি নৰকত যায় তেওঁ স্বৰ্গীয় লোকৰো স্থান দখল কৰে। ইয়াৰ অৰ্থ এয়া যে স্বৰ্গীয় সকলো প্ৰকাৰৰ সুখক লাভ কৰে আৰু সকলো প্ৰকাৰৰ দুখ আৰু শাস্তিক ভোগ কৰে। এই বাগ্মিতাৰ যেতিয়া কোনো ব্যক্তিয়ে লাভ অৰ্জন কৰিব নোৱাৰে তেন্তে তেওঁ আনক কয় যে তুমিও মোৰ ভাগক লৈছা পৱিত্ৰ কোৰাণত পৰমেশ্বৰে উল্লেখ কৰিছে যে—

(19:72) وَاِنْ مِّنْكُمْ اِلَّا وَارِدُهَا ۚ

পুনৰ কৈছে

(19:73) ثُمَّ نُنَجِّى الَّذِيْنَ اتَّقَوْا

অৰ্থাৎঃ— তোমালোকৰ মাজত এনে এজনো নাই যি নৰকৰ পৰা নিস্তাৰ পাব,পুনৰ আমি ঈশ্বৰক ভয় কৰা সকল ( সাধুপুৰুষ)ক তাৰ পৰা ৰক্ষা কৰিম। প্ৰৱেশো কৰিব আৰু ৰক্ষাও কৰিব। ইয়াৰ অৰ্থ এয়া যে স্বৰ্গীয় নিজৰ ইন্দ্ৰিয়ক শুদ্ধ ৰখাৰ কাৰণে প্ৰতিটো বস্তুক নিজৰ কাৰণে সুখৰ সামগ্ৰী কৰি ল'ব। হাদীছত আহিছে যে পৰমেশ্বৰে এজন ব্যক্তিক ক'ব- তুমি নৰকলৈ জুমি চোৱা। যেতিয়া তেওঁ নৰকলৈ জুমি চাব তেতিয়া অতি সুখৰ অনুভৱ কৰিব। সেয়ে পৰলোকৰ পুৰস্কাৰ আৰু শাস্তি সেই অৱস্থাৰ আন এটা নাম যাক আধ্যাত্মিক শৰীৰে অনুভৱ কৰিব যিটো আগন্ত জগতত লাভ কৰিব তথা সকলো স্থিতি সপ্ত ইন্দ্ৰিয়ৰ উচিত-অনুচিত প্ৰয়োগৰ পৰিণাম স্বৰূপ হ'ব।

এইখিনিত এয়া মনত ৰাখিব লাগে নৰকীয় লোক নিজৰ স্থানত বন্দীৰূপত থাকিব কিন্তু স্বৰ্গীয় লোক স্বাধীন হ'ব। যিদৰে ৰোগীক বিচনাত শুবলৈ দিয়া হয় আৰু নিৰোগী ব্যক্তিয়ে স্বাধীনভাৱে ঘূৰি-ফুৰি থাকে কিয়নো নৰক এটা বন্দী ঘৰ আৰু স্বৰ্গ এখন অৱলম্বন। সেয়ে নৰক সীমিত স্থানৰ নাম আৰু স্বৰ্গ অসীম স্থানৰ নাম। নৰকীয়ই নিজৰ সীমাৰ পৰা বাহিৰলৈ যাব নোৱাৰে কিয়নো এজন ৰোগীৰ দৰে বিচনাত পৰি থাকে কিন্তু স্বৰ্গীয়ই য'লৈকে মন যায় তালৈ যাব পাৰে। তেওঁৰ বাবে প্ৰতিটো স্থান স্বৰ্গ হয়। যদি তেওঁ সেই স্থানত প্ৰৱেশো কৰে যি নৰকীয়ৰ বাবে অগ্নিৰ কাৰ্য কৰে তেন্তে সেই স্থান তেওঁৰ বাবে সুখশীতল উদ্যান যেন অনুভৱ হ'ব কিন্তু নৰকীয় কষ্টত হ'ব আৰু কষ্টক দেখি কষ্ট অনুভৱ কৰিব সেয়ে তাক এক সূক্ষ্ম আৱৰণৰ দ্বাৰা স্বৰ্গীয় লোকৰ দৃষ্টিৰ পৰা গোপনে থোৱা হয়। হয়, যদি তেওঁলোকে স্বৰ্গক চাবলৈ বিচাৰে তেন্তে এয়া বেলেগ কথা। ( এনে এই কাৰণে হ'ব) যাতে কষ্টক দেখি দুখ লাগি হৃদয়ত পুতৌ আৰু কষ্ট অনুভৱ নহওঁক। স্বৰ্গৰ দ্বিতীয় স্থান (স্তৰ)ৰ সৈতে অপৰিচিত হ'ব লগতে প্ৰতিটো নিজৰ স্থিতিৰ পৰা পৰিচিত হ'ব। হয়, যেতিয়া পৰমেশ্বৰে বিচাৰিব যে কাৰোবাক উন্নতি দিব তেন্তে তেওঁ তাক উচ্চ স্তৰৰ ব্যক্তিৰ স্থিতিক অৱগত কৰাব আৰু যেতিয়া তেওঁৰ হৃদয়ত

ইচ্ছা জাগিব তেতিয়া তেওঁ সেই স্থান আৰু সেই স্তৰ লাভ কৰিব।

### শাস্তি আৰু পুৰস্কাৰ স্থায়ী হ'ব নে?

পৰলোকৰ জীৱনৰ সম্পৰ্কত এক প্ৰশ্ন এই বুলি কৰা হয় যে কি শাস্তি আৰু পুৰস্কাৰ স্থায়ী আৰু চিৰস্থায়ীৰ কাৰণে হ'ব নেকি? ইছলামে এই প্ৰশ্নৰ উত্তৰ এই বুলি দিছে যে পুৰস্কাৰ যিহেতু স্থায়ী আৰু চিৰস্থায়ীৰ কাৰণে হ'ব কিন্তু নৰকৰ শাস্তি স্থায়ী আৰু চিৰস্থায়ীৰ কাৰণে নহ'ব কিয়নো পৱিত্ৰ কোৰাণত উল্লেখ কৰিছে যে প্ৰতিজন মানুহ এই কাৰণে জন্ম হৈছে যাতে প্ৰতিজন মানুহে পৰমেশ্বৰৰ গুণৰ পূৰ্ণ ৰূপান্তৰ হওঁক অৰ্থাৎ তেওঁৰ জ্ঞানক আদৰি লওঁক। সেয়ে কিছু লোকে যদি চিৰদিনৰ কাৰণে নৰকত পৰি জ্বলি থাকিব তেন্তে পৰমেশ্বৰৰ স্বৰূপ কেতিয়া আৰু কিদৰে হ'ব? পৱিত্ৰ কোৰাণে আমাক এই কথা অৱগত কৰিছে যে স্বৰ্গৰ অৱদান কেতিয়াও নাইকিয়া নহ'ব কিন্তু নৰকৰ শাস্তিৰ এই অৱস্থা নহ'ব লগতে পৰমেশ্বৰৰ ইচ্ছা অনুসৰি আৰু তেওঁৰ কৃপাৰ পৰা সেয়া শেষত নাইকিয়া কৰি দিয়া হ'ব কিয়নো পৱিত্ৰ কোৰাণত উল্লেখ আছে যে পৰমেশ্বৰৰ বদান্যতা আৰু তেওঁৰ অনুকম্পাই তেওঁৰ প্ৰতাপৰ পৰা বিজয় লাভ কৰিব। সেয়ে এক সীমালৈকে যেতিয়া পৰমেশ্বৰৰ প্ৰকোপ আৰু দণ্ডক কুকৰ্মী লোক ভোগ কৰিব যি ইমান দীঘলীয়া সময়লৈকে হ'ব যে তেওঁ মানবীয় দুৰ্বলতাক দৃষ্টিৰ পৰা 'চিৰকাল' বুলি ক'ব পাৰিব তেতিয়া পৰমেশ্বৰৰ দয়াৰ আবেগত আহি পৰিব। পয়গম্বৰ ইছলাম হজৰত মহম্মদ (ছাঃ)য়ে উল্লেখ কৰিছে যে—

"ইয়াতি আলা জাহান্নামা জামানুন লায়ছা ফিহা আহাদুন ওৱা নাচিমু চাবা তুহাৰৰিকু আবওৱাবা"(কনজুলুল উমাল জিলদ ১৪)

অৰ্থাৎঃ— এটা সময় এনে আহিব যে নৰক প্ৰায় ৰিক্ত হৈ পৰিব আৰু তাৰ দুৱাৰবোৰক বতাহে কোবাব অৰ্থাৎ তাত কোনো ব্যক্তি নাথাকিব, সকলো মুক্ত হৈ যাব।

প্ৰকৃততে এই ঘোষণা যে নৰকীয় প্ৰায় ঈশ্বৰীয় প্ৰকোপত থাকিব এই ৰহস্যক বুজি নোপোৱাৰ কাৰণে উৎপন্ন হৈছে যে পৰমেশ্বৰে শাস্তি কিয় দিব? যিদৰে মই প্ৰথমতে উল্লেখ কৰিছোঁ যে, ইছলামৰ অভিমত এয়া যে মানুহে নিজৰ

কুকৰ্মৰ দ্বাৰা নিজেই শাস্তিৰ জন্ম দিয়ে অন্যথা পৰমেশ্বৰ দয়ালু, তেওঁ শাস্তি দিব নিবিচাৰে। কিন্তু মানুহে নিজৰ আধ্যাত্মিক শক্তিত নিজেই বিকাৰ সৃষ্টি কৰে তেওঁলোক সেই পুৰস্কাৰ আৰু আৰ্শীবাদক অনুভৱ কৰিবলৈ যোগ্য হৈ নপৰিব যি পৰলোকত লাভ কৰিব। সেয়ে তেওঁ শাস্তি ভোগ কৰিব কিন্তু পৰমেশ্বৰৰ কৃপাই এটা এই নিয়মক সৃষ্টি কৰিছে যে ৰোগৰ মাজতো প্ৰতিকাৰ পোৱা যায়। সেয়ে যিদৰে শাৰীৰিক ৰোগৰ প্ৰতিকাৰ হৈ পৰে সেইদৰে সেই প্ৰকোপৰো আৰু শাস্তিৰ দ্বাৰা মানুহে পৰলোকতঅনুভৱ কৰিব কুকৰ্মৰ প্ৰতিকাৰ আৰু সংশোধন হৈ পৰিব আৰু তেওঁ স্বৰ্গীয় বদান্যতাক অনুভৱ কৰাৰ যোগ্য হৈ পৰিব তেতিয়া তেওঁক স্বৰ্গত প্ৰৱেশ কৰাই দিয়া হ'ব আৰু পৰমেশ্বৰৰ কৃপা পূৰ্ণ হ'ব তথা মানৱৰ জন্মৰ উদ্দেশ্যও পূৰণ হ'ব আৰু মানুহে সেই স্থানত উপনীত হ'ব যি স্থানৰ কাৰণে তেওঁৰ জন্ম হৈছিল।

## স্বৰ্গত কি কাম হ'ব বা কৰ্মৰ সমাপ্তি ঘটিব নেকি?

আন এটা গুৰুত্বপূৰ্ণ প্ৰশ্ন যাৰ উত্তৰ অবিহনে মৃত্যুৰ পিছৰ অৱস্থাৰ বৰ্ণনা অসম্পূৰ্ণ হৈ থাকিব আৰু সেয়া এই যে, সেই চিৰকালৰ জীৱনত মানুহে কি কৰি থাকে? কি তেওঁলোকৰ কাম শেষ হৈ পৰে আৰু তেওঁ এজন বৃদ্ধ পুৰুষৰ দৰে খোৱা-বোৱাত ব্যস্ত থাকে অথবা কিবা কৰ্মও কৰে?

ইছলামে এই প্ৰশ্নৰ উত্তৰ এইদৰে দিছে যে কৰ্মই মানৱৰ জীৱন। কৰ্মৰ পৰা মানুহক পৃথক কৰি দিয়াৰ অৰ্থ হ'ল জীৱনক নষ্ট কৰি দিয়া। কৰ্মহীন জীৱন বাস্তৱত মৃত্যুতকৈ বেয়া হয়। যদি অকমণ্য জীৱনো যদি কোনো সুন্দৰ বস্তু হ'লহেঁতেন তেন্তে এই জগততো প্ৰায় সুখ বিচৰা আৰু কাম কৰিব নিবিচৰা লোক সকলোতকৈ মহান আৰু উত্তম বুলি জ্ঞান কৰিলহেঁতেন। কিন্তু যিজন ব্যক্তিয়ে কৰ্মৰ আনন্দক অনুভৱ কৰিছে তেওঁ সদায় উন্নতিৰ দিশত আগবাঢ়িব। কৰ্মহীন হৈ তলত বহি থকা এজন মুৰ্খৰ বাবে লাগে ভাল হয় কিন্তু এজন বুধিয়ক ব্যক্তিৰ বাবে কেতিয়াওঁ সেয়া ভালপোৱা হ'ব নোৱাৰে। পৱিত্ৰ কোৰাণত পৰমেশ্বৰে কৈছে যে—

نُوْرُهُمْ يَسْعٰى بَيْنَ اَيْدِيْهِمْ وَبِاَيْمَانِهِمْ يَقُوْلُوْنَ رَبَّنَآ

اَتۡمِمۡ لَنَا نُوۡرَنَا وَاغۡفِرۡ لَنَا ۚ اِنَّكَ عَلٰى كُلِّ شَیۡءٍ قَدِیۡرٌ ۝۹

(66:9)

অৰ্থাৎ ঃ— ঈশ্বৰ ভক্তৰ ‘নুৰ’ মৃত্যুৰ পিছত তেওঁৰ আগে আগে যাব আৰু আৰু সোঁ দিশতো যাব আৰু তেওঁ কয় থাকিব হে ঈশ্বৰ আমাৰ ‘নুৰ’ক সম্পূৰ্ণ কৰা তথা আমাৰ বৰ্তমান দুৰ্বলতাক আঁতৰ কৰা। তোমাৰ প্ৰতিটো বস্তুতে অধিকাৰ আছে। অৰ্থাৎ ঈশ্বৰ ভক্ত উন্নতিত একেৰাহে আগবাঢ়ি যাব আৰু তাৰ তিনিটা নতুন স্তৰ আৰু শ্ৰেণীৰ দৃষ্টিগোচৰ হ'ব যাক পাবলৈ তেওঁ ইচ্ছা আৰু যত্ন কৰিব। এইদৰে পৱিত্ৰ কোৰাণত উল্লেখ আছে—

لَا یَمَسُّهُمۡ فِیۡهَا نَصَبٌ (15:49)

অৰ্থাৎ ঃ—ম'মিনসকল (ঈশ্বৰ ভক্ত)ই তাত কোনো ভাগৰ আৰু ক্লান্তি অনুভৱ নকৰিব যাৰ পৰা অৱগত হ'ব পৰা যাব যে তাত কৰ্ম হ'ব কিন্তু তাৰ ফলস্বৰূপে ভাগৰ আৰু আলস্য উৎপন্ন নহ'ব। এইদৰে পৰমেশ্বৰৰ পৱিত্ৰ বক্তব্য হ'ল—

یٰۤاَیَّتُهَا النَّفۡسُ الۡمُطۡمَئِنَّةُ ۝۲۸ ارۡجِعِیۡۤ اِلٰی رَبِّكِ رَاضِیَةً مَّرۡضِیَّةً ۝۲۹

فَادۡخُلِیۡ فِیۡ عِبٰدِیۡ ۝۳۰ وَادۡخُلِیۡ جَنَّتِیۡ ۝۳۱ (89:28-31)

অৰ্থাৎ ঃ— হে আত্মা যি মোৰ বিষয়ত সন্তুষ্ট হৈ পৰিছে আৰু যাৰ হৃদয়ত মোৰ বিষয়ে কোনো ভ্ৰান্তধাৰণা আৰু সন্দেহ নাই, এতিয়া তুমি তোমাৰ পালনকৰ্তাৰ দিশে উভতি আহা এনেদৰে যে তুমি নিজৰ পালনকৰ্তা পৰমেশ্বৰৰ পৰা প্ৰসন্ন আৰু তোমাৰ পৰমেশ্বৰ তোমাৰ প্ৰতি সন্তুষ্ট। সেয়ে এতিয়া তুমি মোৰ দাস (ঈশ্বৰ ভক্ত)ত প্ৰৱেশ কৰা আৰু মোৰ দাস (ঈশ্বৰ ভক্ত) হৈ সেই স্থানত প্ৰৱেশ কৰা যি মোৰ ছায়াৰ তলত আহি আছে অৰ্থাৎ পৰমেশ্বৰৰ সম্পূৰ্ণ গুণ সেই স্থানত প্ৰতিবিম্ব হৈ পৰে। এই আয়াতৰ পৰা স্পষ্ট হৈ পৰিছে যে লাগিছে ভক্তই এই জগতত কৰ্ম কৰে কিন্তু বাস্তৱিক কৰ্মৰ যুগ মৃত্যুৰ পিছত হয়। ঈশ্বৰ ভক্ত পৰমেশ্বৰৰ পূৰ্ণ দাস সেই সময়ত হৈ পৰে কিয়নো সেই সময়ত তেওঁ পৰমেশ্বৰৰ গুণক নিজৰ ভিতৰত বিলীন কৰাৰ পূৰ্ণ অৱকাশ

লাভ কৰে। সেয়ে তাত কৰ্ম অধিক কিন্তু অৱৰুদ্ধ নহয়।

পয়গম্বৰ ইছলাম হজৰত মহম্মদ (ছাঃ) ৰ পৱিত্ৰ বক্তব্য হ'ল—

"ইউলহামুনাততাছবিহা ওৱাততাহমিদা" (মিশ্বকাত কিতাবুৰ ৰুইৱা) অৰ্থাৎ ঃ—স্বৰ্গত ঈশ্বৰ ভক্তসকলক নিত্য নৱীন 'তছবীহ' (ঈশ্বৰৰ পৱিত্ৰ গুণৰ স্মৰণ) আৰু 'তকবীৰ' (ঈশ্বৰৰ মহানতাৰ বৰ্ণনা) ঐশ্বৰিক বাণীৰ দ্বাৰা শিক্ষা দিয়া হ'ব। ইয়াৰ অৰ্থ এয়া নহয় যে নতুন শব্দৰে পৰমেশ্বৰে 'তছবীহ' আৰু 'তকবীৰ'ক শিকোৱা হ'ব কিয়নো এই কাৰ্য মানুহে নিজেই কৰিব পাৰে। গতিকে ইয়াৰ তাত্বিক অৰ্থ এয়া যে পৰমেশ্বৰৰ পৱিত্ৰতা আৰু তেওঁৰ মহানতাক প্ৰকাশ কৰোতাই নৱীন গুণৰ ঐশ্বৰিক বাণীৰ দ্বাৰা তেওঁলোকক শিকাব যাতে তেওঁলোকে যত্ন কৰক সেই গুণবোৰকো আয়ত্ব কৰক আৰু তাৰ স্বৰূপ হৈ পৰক।

কেতিয়াবা কাৰোবাৰ এই বিভ্ৰান্তি হ'ব পাৰে যে নৱীন গুণবিলাক কোনবোৰ হ'ব? কিয় এতিয়া সেই গুণবোৰ জ্ঞাত নহয়? ইয়াৰ উত্তৰ এয়া যে মানুহে সিমান জ্ঞানক অৰ্জন কৰিব পাৰে যিমান জ্ঞান তেওঁলোকৰ ইন্দ্ৰিয় দিয়ে। সেয়ে আমাৰ বৰ্তমান জ্ঞান আমাৰ ইন্দ্ৰিয়ৰ মাজতে সীমিত। এই জ্ঞানৰ বিষয়ত মই ইমানে উল্লেখ কৰিম যে বৰ্তমান ইন্দ্ৰিয়ৰ দৃষ্টিত ৰাখি এই জ্ঞান সম্পূৰ্ণ হয় কিন্তু যেতিয়া নতুন ইন্দ্ৰিয় মানুহে লাভ কৰিব তেতিয়া নতুন গুণক শিকাৰ শক্তি লাভ কৰিব। যিহেতু পৰমেশ্বৰ অসীম। মানুহে সেই জ্ঞানৰ লাভ আৰু আধ্যাত্মিক উন্নতি কৰি থাকিব আৰু নিত্য নতুন গুণ তেওঁলোকৰ সন্মুখত প্ৰকাশ হৈ থাকিব আৰু তাক নিজৰ মাজত সৃষ্টি কৰাৰ যত্ন কৰিব। সেয়ে প্ৰতিটো নতুন জ্ঞান এক নতুন কৰ্ম যুগক সঞ্চালিত কৰে আৰু এইদৰে হৈ থাকিব আৰু দিন-প্ৰতিদিন মানৱৰ এই জ্ঞান যে পৰমেশ্বৰ অনন্ত হয় অধিকতকৈ অধিক হৈ গৈ থাকিব।

সাৰংশ এয়া যে স্বৰ্গও এখন কৰ্ম জগত হয়। যিদৰে এই জগতক কৰ্ম জগত বুলি কোৱা হয় লগতে ইয়াতকৈ অধিক। কেৱল পাৰ্থক্য ইমানেই যে এই জগতত মানৱে নিজৰ পতন আৰু অসফল হোৱাৰ ভয় লাগি থাকে তাত এই বিপদৰ পৰা সুৰক্ষিত থাকিব। এইদৰে এই সংসাৰক আধ্যাত্মিক

জ্ঞানৰ দৃষ্টিৰে এখন পঢ়াশালী ৰূপত দিয়া হৈছে য'ত সফলতা আৰু বিৰলতা দুয়োটা অৱস্থাই থাকিব কিন্তু সেই জগত এনে যে মানুহে সকলো পৰীক্ষা উত্তীৰ্ণ হৈ জ্ঞান-বিজ্ঞানৰ বিশ্লেষণ আৰু অনুসন্ধানত লাগি যায়। পৰিশ্ৰম এই ব্যক্তিয়েও কৰে লগতে প্ৰায় এজন শিক্ষাৰ্থীতকৈ অধিক। কিন্তু শিক্ষাৰ্থী আৰু তেওঁলোকৰ মাজত এয়া পাৰ্থক্য যে শিক্ষাৰ্থীৰ অসফল হোৱাৰ ভয় থাকে কিন্তু তেওঁলোকৰ সেই ভয় নাই।

উক্ত বিবেচনাৰ পৰা এয়া স্পষ্ট হৈ পৰিছে যে ইছলামে স্বৰ্গক বাস্তৱিক প্ৰসন্নতা আৰু বাস্তৱিক পুৰস্কাৰ আৰু আধ্যাত্মিক উন্নতিয়েই নহয় সেই নিকৃষ্ট আনন্দ যি প্ৰায় তাৰ লগত সম্পৰ্কৰ বৰ্ণনা কৰা হয়। পৱিত্ৰ কোৰাণত পৰমেশ্বৰে উল্লেখ কৰিছে যে সকলোতকৈ মহান পুৰস্কাৰ স্বৰ্গত পৰমেশ্বৰৰ প্ৰসন্নতা হ'ব তথা হজৰত মহম্মদ (ছাঃ)ৰ পৱিত্ৰ কথন এয়া যে মানুহৰ সকলোতকৈ আনন্দৰ বিষয় হ'ব পৰমেশ্বৰৰ দৰ্শন।

সংক্ষেপত এজন ঈশ্বৰ ভক্তক স্বৰ্গৰ নিখুত জ্ঞানৰ প্ৰাপ্তি তথা সেই অনুসৰি কৰ্ম কৰা তথা এইদিনবোৰৰ দ্বাৰা পৰমেশ্বৰৰ সান্নিধ্য প্ৰাপ্ত কৰাৰ দ্বিতীয় এক নাম হয়। ইয়াত আন কোনো মহান লক্ষ্যক উপস্থাপন কৰিব পৰা নাযায়।

এতিয়ালৈকে যিমানখিনি উল্লেখ কৰা হ'ল তাত সেই সকলো প্ৰশ্নৰ বিষয়ত আহমদীয়া সম্প্ৰদায়ৰ শিক্ষাক উল্লেখ কৰা হৈছে যাৰ সম্পৰ্কত সমুচিত আৰু শুদ্ধ শিক্ষাক বৰ্ণনা কৰাটো ধৰ্মৰ কৰ্তব্য হয়। মই আশা ৰাখিছো যে যি সৎজনে মোৰ কথাক গভীৰতাৰে চিন্তা কৰিব তেওঁ এই সিদ্ধান্তত উপনীত হ'ব যে ইয়াতকৈ শ্ৰেষ্ঠ আন কোনো শিক্ষা হ'ব নোৱাৰে বিশেষকৈ তাৰ এই চমৎকাৰ যুক্ত গুণ ই পৰমেশ্বৰলৈকে সাক্ষাৎ ৰূপত প্ৰেৰিত কৰে, সকলো কথা আৰু সকলো বিৰ্তকক সমাপ্তি কৰি দিয়ে মানুহক সংসাৰত কিয় জন্ম দিয়া হ'ল? সেই কাৰণে তেওঁ পৰমেশ্বৰক লগ পাব। সেয়ে সেই ধৰ্ম আমাৰ কামৰ যি পৰমেশ্বৰৰ লগত আমাক সাক্ষাৎ কৰাব পাৰে এনে নহয় যে মাথোঁ কথাৰ মাজেৰে আমাক প্ৰসন্ন কৰিবলৈ বিচাৰে।

## মছীহ মাওউদ(আঃ) ৰ শিক্ষাৰ প্ৰভাৱ

হজৰত মছীহ মাওউদ(আঃ) ৰ শিক্ষাক উল্লেখ কৰাৰ পিছত মই ইয়াক উল্লেখ কৰিব বিচাৰিছোঁ যে সেই শিক্ষাৰ প্ৰভাৱ তেখেতৰ জামাতৰ ওপৰত কি হ'ল ?

মনত ৰাখিব লাগে যে হজৰত মছীহ মাওউদ (আঃ)আধুনিক চিন্তাধাৰাৰ দৰ্পণ নাছিল লগতে যুগৰ দৃষ্টিকোণ আৰু তাৰ প্ৰৱাহৰ একেবাৰে বিপৰীত শিক্ষাক উপস্থাপন কৰিছিল। যদি ইয়াৰ ওপৰত বিশ্লেষণ কৰা হয় তেন্তে দেখা যাব যে এই যুগৰ চিন্তাধাৰাৰ প্ৰভাৱ দুই প্ৰকাৰৰ। এক মানুহ আৰু পৰমেশ্বৰৰ মাজত কোনো ঘনিষ্ঠ সম্পৰ্ক থকা উচিত নহয়; লগতে মানুহে স্বাধীনতা লাভ কৰিব লাগে। সেয়ে সকলো নতুন আৰু পুৰণি ধৰ্ম নিজে নিজেই এই ধাৰণাৰ ওপৰত নিৰ্ভৰশীল হৈ আছে আৰু উপাসনাক বাস্তৱিকতাত পৰিৱৰ্তিত কৰি অথবা তাত কম কৰি মানৱ জাতিক নিজৰ দিশে আকৰ্ষিত কৰাৰ যত্ন কৰি আহিছে।

দ্বিতীয় চিন্তা-ধাৰা এই যুগত প্ৰচলিত যে লোকসকলে নিশ্চিত কৰিছে যে সভ্যতাৰ ভিত্তি আৰু তাৰ পৰম্পৰা যি বিগত কেইবা শ বছৰে সংসাৰত সুদৃঢ় হৈ আছে তাত কোনো পাৰ্থক্য আহিব নালাগে। এই কাৰণে নহয় যে সেই সভ্যতা শ্ৰেষ্ঠ আৰু সৰ্বদৃষ্টিৰে সম্পূৰ্ণ হয় লগতে এই কাৰণে যে মানুহ ইয়াৰ অভ্যস্ত হৈ পৰিছে আৰু এতিয়ালৈকে তাক ত্যাগ কৰিবলৈ প্ৰস্তুত নহয়। নতুন আৰু প্ৰাচীন সকলো ধৰ্মই নিজৰ শিক্ষাক এই সভ্যতা অনুসৰি কৰিবলৈ যত্ন কৰি আহিছে কিয়নো তেওঁলোকে জানে যে তেওঁলোকৰ ইয়াৰ সৈতে প্ৰতিদ্বন্দ্বিতা কৰাৰ শক্তি নাই। সেয়ে- সুদ, পৰ্দা, বহু বিবাহ এনে সকলো সমস্যাৰ সন্দৰ্ভত সকলো মন্তব্যক স্পষ্ট কৰাৰ চিন্তাত আৰু নিজৰ শিক্ষাক আধুনিক প্ৰচলিত সভ্যতাৰ চিন্তাধাৰা অনুসৰি সৃষ্টি কৰা হৈছে কিন্তু এই সকলো চিন্তাধাৰাৰ বিপৰীতে হজৰত মছীহ মাওউদে নিজৰ শিক্ষাৰ পটভূমি আধুনিক প্ৰচলিত চিন্তাধাৰাত নাৰাখি মূলতঃ ধৰ্মত ৰাখিলে। সেয়ে আপুনি প্ৰকৃত অৰ্থত সংস্কাৰক আছিল। এনে নহয় যে যুগৰ বাণীত বাণীৰ দৰে, যিহেতু যি কিছুক বুজাব বিচাৰিছে আপুনি তাক উচ্চস্বৰত কৈছিল। আপুনি সময়ৰ দুয়োটা লহৰৰ সন্মুখীন হৈছিল। ধৰ্মীয় স্বাধীনতাৰো আৰু সভ্যতাৰ দাসত্বৰো। আপুনি উপাসনাত কোনো হ্ৰাস কৰা নাছিল তাক সমাপ্তও কৰা নাছিল। লগতে আপুনি

ইছলামৰ প্ৰাচীন আদৰ্শৰ দিশে সংসাৰৰ ধ্যানক আকৰ্ষিত কৰিলে আৰু উপাসনাৰ বাস্তৱিকতাক লোকসকলৰ ওপৰত অভিব্যক্ত কৰিলে তথা তেওঁলোকৰ হৃদয়ত উপাসনাৰ সত্য জিজ্ঞাসা উৎপন্ন কৰি পৰমেশ্বৰৰ লগত তেওঁলোকৰ সম্পৰ্ক দৃঢ় কৰিলে। আপুনি কেৱল অনিবাৰ্য 'নামাজ'ৰ দিশে লোক সকলক আকৰ্ষিত কৰা নাছিল লগতে ঐচ্ছিক উপাসনাৰ দিশতো লোকসকলক প্ৰেৰণা যোগালে কিয়নো উপাসনা কোনো শাস্তি নহয় লগতে আধ্যাত্মিক উন্নতিৰ আহিলাহে হয়। উপাসনা যিটো এই যুগত আন ধৰ্মৰ পৰা প্ৰায় সমাপ্ত হৈ পৰিছে মুছলমানৰ মাজতো শিক্ষিত লোকৰ মাজত তাৰ প্ৰচলন বিনষ্ট হৈ পৰিছে। আপুনি তাৰ আৱশ্যকতাকো আধ্যাত্মিক আৰু ভৌতিক উক্তিৰ মাজেৰে সিদ্ধ কৰিছিল আৰু তাৰ প্ৰতি লোকসকলৰ মনোকৰ্ষণ কৰিছিল। একেদৰে 'পৰমেশ্বৰৰ স্মৰণ', 'হজ কৰা' তথা 'কোৰবাণী'ৰ ৰহস্য আৰু তাৰ বাস্তৱিকতাৰ স্পষ্টীকৰণ প্ৰদান কৰি তাৰ প্ৰতি আচৰণ কৰাৰ শিক্ষা দিছিল।

সভ্যতা সম্পৰ্কীয় কু-ৰীতিৰ দাসত্বৰ পৰা মানৱ জাতিক মুক্তি দিয়ে তথা তাৰ ভেদ-ভাবৰ মহান ভুলক তেওঁলোকক অৱগত কৰি তাৰ প্ৰতি সাৱধান কৰে যাৰ পংকিলতাৰ গৰ্ভত তেওঁলোক সোমাই পৰিছিল। আপুনি ইছলামী সভ্যতাক শিক্ষা দিলে যে বিশেষ ভাবে শিক্ষাক সংসাৰৰ সন্মুখত উপস্থাপন কৰক। সুদৰ কুকৃতি আৰু তাৰ বেয়াৰ প্ৰতি সংসাৰক সচেতন কৰিলে তথা পৰ্দাৰ গুণক প্ৰকাশ কৰিলে। বহু বিবাহৰ আৱশ্যকতাক সিদ্ধ কৰিলে। 'তালাক'ৰ (স্বামী-পত্নীৰ বিচ্ছেদ)ৰ মহত্ব উল্লেখ কৰিলে। সেয়ে সকলো সমস্যা যাৰ বিষয়ত লোকসকলে সময়ৰ প্ৰৱাহৰ সন্মুখত কোনো শব্দ কৰিব নোৱাৰে তেওঁলোকৰ সন্মুখত বীৰদৰ্পে ইছলামী শিক্ষাক উপস্থাপন কৰিলে আৰু সময়ৰ চিন্তাধাৰাৰ অলপো ভ্ৰূক্ষেপ নকৰিলে।

মই এই স্থানত সেই প্ৰাচীন সন্দেহ আৰু ভ্ৰমক যি অশিক্ষিত লোকৰ মাজত প্ৰচলিত আছিল যাৰ আপুনি সন্মুখীন হৈছিল-তাক উল্লেখ কৰা নাই। কিয়নো কোৱা হৈছে যে সময়ে তাৰ নিজেই সংস্কাৰ কৰি আহিছে। হজৰত মছীহ মাওউদ (আঃ) সেই শিক্ষাক যি আপুনি আপোনাৰ যুগৰ সোঁতৰ বিপৰীতে

প্ৰদান কৰিছিল তাৰ প্ৰভাৱ পৰিছিল লাখ লাখ লোক যিসকলে যুগৰ সোঁতত বৈ আছিল সেই সকলে সচেতন হৈ থিয় দিলে আৰু তেওঁলোকে চিন্তা কৰিলে, তথা ইছলামী শিক্ষাক সকলো শিক্ষাতকৈ শ্ৰেষ্ঠ হিচাপে লাভ কৰিলে। সেইসকল লোক যিসকলে প্ৰথমতে নাস্তিকতা আৰু ভৌতিকবাদৰ ছত্ৰছায়াত আছিল, যিসকলে কৈছিল পৰমেশ্বৰৰ উপাসনা কিয় কৰিব লাগে, তেওঁৰ সত্তাৰ অস্বীকাৰকাৰী আছিল। তেওঁলোকে আপোনাক 'তাহাজ্জুদগুজাৰ' ( অনিবাৰ্য নামাজৰ লগে লগে ঐচ্ছিক উপাসনাৰ অভ্যাসী) তথা ঈশ্বৰক সকলো সময়তে ভজন কৰোতা বনাই দিছিল। তেওঁলোকৰ মগজু পশ্চিমীয়া শিক্ষাত আলোকিত আছিল আৰু তেওঁলোকৰ চিন্তা কৰা ভংগী নতুন ৰশ্মিয়ে উদীপ্ত, কিন্তু তেওঁলোকৰ হৃদয় ঈশ্বৰ প্ৰেমেৰে প্লাৱিত আৰু শিৰ সদায় পৰমেশ্বৰৰ সন্মুখত নত আছিল। তেওঁলোকে ৰাতি আৰু দিন পৰমেশ্বৰৰ স্মৰণত অতিবাহিত কৰিছিল আৰু উচ্চ শিক্ষাৰে শিক্ষিত হোৱাৰ পিছতো ধৰ্মকে নিজৰ জীৱনাদৰ্শ কৰি তুলিছিল।

সভ্যতা সম্পৰ্কীয় কু-ৰীতিৰ দাসত্বৰ পৰা আপুনি বহুতো লোকক মুক্ত কৰি বুদ্ধিগত আত্ম সন্মানক স্বচ্ছন্দৰ ক্ষেত্ৰত উপনীত কৰিছিল। তথাপি যুগৰ চিন্তাধাৰা তথা সময়ৰ সোঁতে আপোনাক ঘোৰ বিৰোধীতা কৰিছিল তথাপি আপোনাৰ জামাত সভ্যতা সম্পৰ্কীয় সংস্কাৰত অত্যাধিক যত্নশীল আছিল আৰু সভ্যতাৰ ভাৱনক সুখৰ ইচ্ছা ভোগ বিলাসৰ ভেটিৰ পৰা আঁতৰ কৰি ত্যাগ, সংস্কাৰ, পৱিত্ৰতা আৰু উচ্চাদৰ্শত থিয় কৰিছিল।

হজৰত মচীহ মাওউ (আঃ)য়ে ধৰ্মীয় উন্মাদনাক জন্ম দিয়া নাছিল আৰু ধৰ্মক নিজৰ ব্যক্তিত্বৰ প্ৰেমে চাৰিওফালে আগুৰি ধৰি সমাজক এটা কেন্দ্ৰত কেন্দ্ৰিত কৰা নাছিল, যেনেকৈ সেইসকল লোকৰ নিয়ম আছিল যি আন শ্ৰেষ্ঠ আচৰণক উপেক্ষা কৰি কেৱল বলিদান আৰু ত্যাগৰ ভাৱনা উৎপন্ন কৰিব বিচাৰিছিল লগতে আপুনি প্ৰতিটো বস্তুক তাৰ শ্ৰেণী অনুসৰি উপস্থাপন কৰিছিল আৰু মানবীয় বুদ্ধিক প্ৰতিটো সম্ভৱ বিধিয়ে জীৱিত থোৱাৰ কাৰণে লগতে উন্নতি প্ৰদান কৰাৰ বাবে যত্ন কৰিছিল; কিন্তু সেয়া হোৱাৰ পিছতো তেখেতৰ জামাতত এই ভাৱনা দৃষ্টিগোচৰ হৈছিল যে সেয়ে নিজৰ দেহ,মন

আৰু ধন সকলো পৰমেশ্বৰৰ পথত বলিদান দিবলৈ প্ৰস্তুত আছিল। তাৰ উপমা পয়গম্বৰ হজৰত মহম্মদ (ছাঃ)ৰ সংগীসকলৰ লগত দিব পৰা যায় যাৰ সম্পৰ্কত পৱিত্ৰ কোৰাণত উল্লেখ আছে—

فَمِنْهُمْ مَّنْ قَضٰى نَحْبَهٗ وَمِنْهُمْ مَّنْ يَّنْتَظِرُ

(33:24)

অৰ্থাৎ ঃ— তাৰ মাজৰ কিছুমানে নিজৰ সংকল্পক পূৰ্ণ কৰিছে আৰু পৰমেশ্বৰৰ পথত প্ৰাণ দিছিল আৰু কিছুমানে সেই সময়ৰ প্ৰতীক্ষা কৰি আছিল। শেষত আফগানিস্তানত ইয়াৰ দুটা সুযোগ আহমদীৰ প্ৰাণ উৎচৰ্গা কৰাৰ বাবে লাভ কৰিছিল য'ত তেওঁলোকে অতি মন্থৰতাৰে নিজৰ প্ৰাণৰ আহুতি দিয়ে। দুটা সুযোগৰ বুলি উল্লেখ কৰাৰ অৰ্থ হ'ল যি দুটা সুযোগত তেওঁলোকক কোৱা হৈছিল যে তোমালোকে আহমদীৰ পৰা আঁতৰ হৈ ইয়াৰ প্ৰায়শ্চিত কৰা; কিন্তু তেওঁলোকে এনে নকৰিলে আনহাতে আহমদীয়তৰ কাৰণে প্ৰাণৰ আহুতি বহুকেইজন মানুহে দিব লগা হ'ল যাৰ সংখ্যা দহৰ কম নাছিল।

সেই বীৰ গতিপ্ৰাপ্ত সকলৰ মাজত এজন গুৰুত্বপূৰ্ণ বীৰগতি পোৱা লোক আছিল চৈয়দ আব্দুল লতিফ চাহেব। আপুনি (পৰমাত্মা আপোনাৰ প্ৰতি প্ৰসন্ন হওঁক) আফগানিস্তানৰ বহু ডাঙৰ শিক্ষাবিদ আছিল আৰু সেই শ্ৰেণীৰ এজন মহান ব্যক্তি আছিল যে আমীৰ হাবীবুল্লা খাঁ চাহেবৰ ৰাজাভিষেক আপোনাৰ হাততে হৈছিল। আপুনি যেতিয়া আহমদীয়া সম্প্ৰদায়ৰ সংবাদ লাভ কৰিলে তেতিয়া এই সম্প্ৰদায়ৰ সাহিত্যক অনুবাদ কৰি পঢ়িলে আৰু হজৰত মছীহ মাওউদ (আঃ)ৰ প্ৰতি ঈমান আনিলে আৰু আপোনাৰ ঘোষণাক বিশ্বাস কৰি লৈছিল। তদুপৰি তেওঁক লগ কৰাৰ ইচ্ছা জাগ্ৰত হ'ল। শেষত 'হজ'ৰ সংকল্প গ্ৰহণ কৰি 'আমিৰ'ৰ পৰা আজ্ঞা লাভ কৰিলে আৰু আজ্ঞানুসৰি কাদিয়ানত বসবাস কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিলে। কাদিয়ানলৈ আহি তেওঁৰ ওপৰত এনে কিছু প্ৰভাৱ পৰিল আৰু তেওঁৰ হৃদয়ৰ কিছু এনে অৱস্থা হ'ল যে তেওঁ ক'লে যে মই এতিয়া আৰু আগলৈ যাব নালাগে লগতে ইয়াত থাকি ধৰ্মীয় জ্ঞান আৰু তেওঁৰ বিষয়ে জ্ঞান বঢ়াব লাগে। সেয়ে তেওঁ ইয়াতে থাকি যায় আৰু কেইমাহমান থাকি নিজৰ দেশলৈ উভতি যায় আৰু যোৱাৰ সময়ত

উল্লেখ কৰিছিল যে মোৰ দেশে মোক আমন্ত্ৰণ কৰিছে যাতে নিজৰ তেজৰ পৰা তাৰ শুধৰণী পথ প্ৰশস্ত কৰো। মই মোৰ হাত শিকলিৰে আৱদ্ধ হৈ থকা দেখিছোঁ। সেয়ে দেশত উপস্থিত হোৱাক 'আমীৰে' আপোনাক মাতিলে আৰু তেওঁক প্ৰশ্ন কৰিলে আপুনি আহমদী হৈ পৰিলে? তেওঁ 'হয়' বুলি উত্তৰ দিলে। ইয়াত বহু ডাঙৰ বাদ-বিবাদ আৰু তৰ্ক-বিৰ্তকৰ পিছত ধৰ্মীয় আলিমসকলৰ নিৰ্ণয় অনুসৰি তেওঁক প্ৰাণদণ্ড দিয়াৰ নিৰ্ণয় গ্ৰহণ কৰা হয়। বাৰে বাৰে 'আমীৰে' তেওঁক মাতি আহমদীয়ত ত্যাগ কৰিবলৈ ক'লে কিন্তু তেওঁ তাক অস্বীকাৰ কৰে। শেষত তেওঁক মাটিত গাত খান্দি আধা পুতি দিয়া হ'ল আৰু 'আমীৰে' নিজৰ সৈনিকৰ লগত নিজেই ময়দানলৈ আহিল আৰু নগৰৰ জনতাক একগোট কৰি তথা শিলেৰে মাৰি মাৰি শেষ কৰি দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰে। শেষৰ সময়ত আমিৰ পুনৰ ক'লে যে মহাশয় এতিয়াও সময় আছে আপুনি আপোনাৰ আহমদীৰ চিন্তাক ত্যাগ কৰক আৰু 'তৌবা' কৰি লওঁক কিন্তু তেওঁ উত্তৰ দিলে যে 'তৌবা' কিহৰ? মই সত্যক গ্ৰহণ কৰিছোঁ এতিয়া মই তাক এৰিব নোৱাৰো। মনত ৰাখিবা মোৰ মৃত্যুৰ পিছত প্ৰথম বৃহস্পতিবাৰত প্ৰলয় আহিব আৰু মই জীৱিত হৈ পৰিম। যেতিয়া 'আমীৰ' নিৰাশ হৈ পৰিল তেওঁ উভতি আহি সেই বীৰ শিৰোমণিক শিলেৰে প্ৰহাৰ কৰিলে আৰু সেই সময়তে চাৰিওফালৰ পৰা লোকসকলে শিল মাৰিবলৈ আৰম্ভ কৰিলে। কিন্তু চাহাবজাদা পূৰ্ণ ধৈৰ্যৰে ঠিয় হৈ থাকিল ইমানলৈকে যে শিলৰ প্ৰহাৰত তেওঁ শৰীৰ টুকুৰা-টকুৰ হৈ পৰিল আৰু শিৰণত হৈ পৰিল। নিৰ্দয়সকলে একেৰাহে শিল বৰ্ষণ কৰি থাকিল ইমানলৈকে শিল মাৰিলে যে ডিঙিলৈকে শিলৰ দম হৈ পৰিছিল আৰু সত্য ঈশ্বৰৰ পৱিত্ৰ আত্মাই নিজক জন্ম দিয়া পৰমেশ্বৰক লগ কৰিলে তেতিয়া লোকসকল নিজৰ ঘৰলৈ উভতি যায় কিন্তু তেওঁৰ দেহৰ ওচৰত পহৰাৰ নিয়োগ কৰি দিলে যাতে কোনো ব্যক্তি তেওঁক বিধি সন্মতভাবে 'দফন' কৰিব নোৱাৰে। কিন্তু পৰমেশ্বৰৰ প্ৰতিশোধ অতি ওচৰ চাপি আহিছিল। সেই প্ৰলয় যাৰ তেওঁ ভৱিষ্যবাণী কৰিছিল, সঁচাকৈ আহিল আৰু প্ৰথম বৃহস্পতিবাৰত অসাধাৰণ ভাবে যাৰ কোনো আশা আৰু কোনো চিহ্ন প্ৰথমৰে পৰা বিদ্যমান নাছিল— কাবুলত

এক বিস্ফোৰণ হ'ল আৰু মৃত্যুয়ে তাণ্ডৱ নৃত্য কৰিলে যি ৰাজকীয় পৰিয়ালৰ বহুকেইজন লোকৰ মৃত্যু হয়। এই ঘটনাক এজন এনে ইংৰাজ অভিযন্তা মিষ্টাৰ মাৰ্টেন দি ইঞ্জিনীয়াৰ ইনচিফ আফগানিস্তান যাৰ এই ঘটনাৰ সৈতে কোনো সম্পৰ্ক নাছিল, তেওঁ নিজৰ কিতাপত অতি সৰল ভাষাত বৰ্ণনা কৰিছে সি সকলোৰে বোধগম্য হোৱাকৈ। যদিও আহমদীয়া জামাতৰ অপৰিচিত হোৱাৰ বাবে কিছু কথা অশুদ্ধকৈ লিখিছিল তথাপি তেওঁৰ কৃতি অতি প্ৰভাৰশালী আছিল বিশেষকৈ এই দৃষ্টিকোণৰ পৰা যে এজন অপৰিচিত, অসম্পৰ্কিত আৰু নিৰপেক্ষ ব্যক্তিৰ সেই লেখনি আছিল।

চাহাবজাদা আব্দুল লতিফ চাহেব (পৰমাত্মা আপোনাৰ প্ৰতি প্ৰসন্ন হওঁক আৰু আপোনাৰ আত্মাই শান্তি লাভ কৰক) আগতে তেওঁৰ শিষ্য মৌলৱী আব্দুৰ ৰহমান চাহেব (পৰমাত্মা আপোনাৰ প্ৰতি প্ৰসন্ন হওঁক আৰু আপোনাৰ আত্মাক শান্তি প্ৰদান কৰক) তেওঁক ডিঙি চেপি মাৰি দিয়া হৈছিল। তেওঁৰ অপৰাধ এয়াই আছিল যে তেওঁ আহমদীয়া সম্প্ৰদায়ত সোমাই পৰিছিল। এই হত্যাবোৰ চৰকাৰী ভাবে সংঘটিত হৈছিল আৰু তাৰ প্ৰজাই ইয়াৰ বাহিৰে বহু আহমদীক হত্যা কৰিছিল। সম্প্ৰতি যোৱা মাহত দুজন আহমদীক হত্যা কৰা হ'ল। ৰক্তপাত আৰু হত্যাৰ বাহিৰেও নানান বিভ্ৰান্তিৰ কঠোৰ যন্ত্ৰণা প্ৰায় আহমদীসকলক প্ৰদান কৰি অহা হৈছে। যাক তেওঁলোকে অতি সাহসেৰে আৰু বীৰত্বতাৰে সহ্য কৰি আহিছে। শেষত এই বছৰত 'খোস্ত' প্ৰান্তত যি বিদ্ৰোহ হ'ল তাতো বিদ্ৰোহীয়ে বৰ্তমান মহামান্য ন্যায়াধীশ 'আমিৰ'ৰ সেনাৰ বিৰুদ্ধে নিজকে বাধ্য কৰা হৈছিল আৰু আহমদীৰ দুখন গাঁও জ্বলাই দিয়া হৈছিল। এই ক্ষেত্ৰত অভিযোগ আছিল যে এই লোকসকলে আমীৰক পথভ্ৰষ্ট কৰি আহিছে। বছৰত দুই-তিনিবাৰ অৱশ্যেই তাত প্ৰজাসকলে স্থানীয় এনে প্ৰশাসনিক বিষয়াৰ দ্বাৰা যি আহমদীয়াৰ প্ৰতি নিজৰ হৃদয়ত অমানবীয়তা পোষণ কৰে তেওঁলোকে হাত মিলাই যি যি আহমদীয়াক বশ কৰিব পাৰে তাক বন্দী কৰি লয়। কাৰোবাৰ মুখ ক'লা কৰি গাধৰ ওপৰত বহুৱাই নগৰ ভ্ৰমণ কৰায়। কাৰোবাক প্ৰহাৰ কৰে। কাৰোবাক ফাটেকত দিয়ে আৰু জৰিমনাৰে এৰিও দিয়ে। এইদৰে পচিশ বছৰৰ পৰা আহমদীসকলে ঘোৰ

অত্যাচাৰক সহ্য কৰি আহিছে। ইমানবিলাকৰ পিছতো পৰমেশ্বৰৰ কৃপাত তেওঁলোকৰ বিশ্বাসত কোনো ব্যাঘাত জন্মা নাই।

এই কথা কৃতজ্ঞতাৰ ভাৱনাৰ বিৰুদ্ধে হ'ব যে যদি মই এই স্থানত প্ৰকাশ নকৰো যে মহামান্য আমীৰ আমানুল্লা চাহেবে যেতিয়াৰে পৰা আফগানিস্তান ৰাজ্যৰ শাসনৰ দায়িত্ব গ্ৰহণ কৰিলে সেই অত্যাচাৰক প্ৰায় নাইকিয়া কৰি দিয়া হ'য় যিবোৰ আহমদীৰ বিৰুদ্ধে চৰকাৰৰ তৰফৰ পৰা হৈছিল। যিহেতু আফগানিস্তান ৰাজ্য ব্যৱস্থাত এতিয়া প্ৰাৰম্ভিক পৰিস্থিতি অতি শোচনীয় হৈ আছে গতিকে তেওঁ তেওঁলোকৰ বাবে সম্পূৰ্ণ সুৰক্ষা আৰু শান্তি স্থাপন কৰিবলৈ সফল হোৱা নাই; কিন্তু আমি আশা কৰিছোঁ যে আফগানিস্তানৰ চৰকাৰে এনেদৰে ন্যায় প্ৰদৰ্শন কৰি যাব তেন্তে কম সময়ৰ ভিতৰত আফগানিস্তানত আহমদীসকলে চৰকাৰী সুৰক্ষাৰ উপৰিও স্থানীয় অধিকাৰী আৰু প্ৰজাৰ ফালৰ পৰা সুৰক্ষা আৰু শান্তি লাভ কৰিব।

এয়া আছিল আফগানিস্তানত আহমদীসকলৰ বলিদানৰ কাহিনী; কিন্তু ভৰতবৰ্ষতো আহমদীসকলৰ অৱস্থা একেবাৰে কম নহয়। ভাৰতত ইংৰাজ ৰাজত্ব আছে গতিকে মানুহক সাধাৰণতে প্ৰহাৰ কৰিব নোৱাৰে; কিন্তু ছলনা আৰু প্ৰবঞ্চৰ দ্বাৰা প্ৰতিটো স্থানত আহমদীসকলক কষ্ট দি অহা হৈছে আৰু সেই সকলো কষ্ট আৰু দুখক সদায় সহ্য কৰি অহা হৈছে। প্ৰাণৰ আহুতি নিশ্চয় এক কঠোৰ পৰীক্ষা; কিন্তু ধৈৰ্যৰ শিক্ষা সেই অসহনীয় দুখত হয় যি পোণপতীয়াকৈ আহে। ভাৰতৰ আহমদীসকলে এনেধৰণৰ পৰীক্ষাৰ মাজেৰে দিন অতিবাহিত কৰিব লগা হয় লগতে নৱৈ ৯০ শতাংশ আহমদীসকলে এই পৰীক্ষাৰ সন্মুখীন হ'ব লগাত পৰে। কিছু সংখ্যক আহমদী এনেধৰণৰ আছে যিসকলৰ শৰীৰত সেই হিংসা চিহ্নৰে পৰিপূৰ্ণ হৈ আছে যাক তেওঁলোকে আহমদীয়াক স্বীকাৰ কৰাৰ কাৰণে সহ্য কৰিব লগা হৈছিল। বহুতো লোকক নিজৰ ঘৰৰ পৰা বাহিৰ কৰি দিয়া হ'ল। বহুতো সৰু সৰু ল'ৰাক এই শাস্তিতে ঘৰৰ পৰা বাহিৰ কৰি দিয়া হ'ল। কিন্তু তেওঁলোক সংকল্পৰ পৰা অলপো বিচলিত হোৱা নাই। বহুবাৰ এখন গাঁওক যেতিয়া এজন আহমদী থাকে আৰু সকলো লোকে লগ লাগি মাৰ-ধৰ কৰে। পুনৰ যেতিয়া পুলিচৰ ফালৰ পৰা

ইয়াৰ অনুসন্ধান কৰা হয় কোনেও সেই আহমদীৰ পক্ষৰ পৰা সাক্ষী দিয়াৰ বাবে প্ৰস্তুত নহয়। বহুতো স্থানত আহমদীৰ মৃতদেহক কৱৰস্থানত দফন কৰিব নিদিয়ে। বহুতো স্থানত মানুহে মৃতদেহ পেলাই দিব লগা হৈছে। গৰমৰ দিনত কুঁৱাৰ পৰা পানী আনিবলৈ বাধা দিয়া হয় আৰু বহুকেইদিন তীব্ৰ গৰমত যেতিয়া তাপমাত্ৰা ১১৫ডিগ্ৰী Fahrenheit (46.1 Degree)হৈ পৰে শিশু আৰু বৃদ্ধসকল পিয়াহত থাকিব লগা হয়। কোনো স্থানত তেওঁলোকৰ দোকানৰ পৰা সামগ্ৰী লোৱা নহয় আৰু তেওঁলোকৰ খেতি-বাতিক নষ্ট-বিনষ্ট কৰি দিয়া হয়। তেওঁলোকৰ বিশ্লেষণ আৰু উপদেশৰ সময়ত তেওঁলোকৰ ওপৰত শিল বৰ্ষণ কৰা হয়। চিঞৰ-বাখৰ কৰা হয়। কোনো স্থানত তেওঁলোকৰ পত্নীক বলপূৰ্বক ভাবে কাঢ়ি নি আনৰ লগত নিকাহ কৰি দিয়া হয়। সন্তানক মাক-বাপেকৰ পৰা পৃথক কৰি দিয়া হয়। পত্নীবোৰক তেওঁলোকৰ স্বামীয়ে মাৰ-ধৰ কৰি ঘৰৰ পৰা উলিয়াই দিয়ে। চৰকাৰী চাকৰিৰ ক্ষেত্ৰত আহমদীৰ তুলনাত আনলোক অধিক হয় তাতো আহমদীক দুখ দিয়া হয়; ইমানলৈকে যে এশ আহমদী এনে আছে যে যি আহমদী নোহোৱা অৱস্থাত সমৃদ্ধিশালী আছিল কিন্তু আজি তেওঁলোকৰ সন্মুখত দুবেলাৰ আহাৰৰ অসুবিধা আহি পৰিছে। কিন্তু হজৰত মছীহ মাওউদ (আঃ)ৰ এই সম্প্ৰদায়ৰ লোকসকলে ত্যাগক এনে কিছু ভাৱনাৰে পৰিপূণ কৰি তুলিছে যে অতি বীৰত্ব আৰু সাহসৰ সৈতে সেই কষ্টক সহ্য কৰি আহিছে আৰু নিজৰ বিশ্বাসক শিলৰ দৰে দৃঢ় কৰি থৈছে। তেওঁলোকে নিজৰ বিশ্বাসক আৰু শুদ্ধতাক গোপনও নকৰে লগতে সাহসেৰে ঘোষণা কৰি আহিছে যে আৰু সংসাৰৰ তুলনাত ধৰ্মক প্ৰথম স্থান দিয়াৰ মহান আদৰ্শক উপস্থাপন কৰি আহিছে।

আহমদী লোকসকলৰ বেশভূষা আন লোকসকলৰ তুলনাত পৃথক নহয়। কিন্তু হজৰত মছীহ মাওউদ (আঃ)ৰ শিক্ষাই তেওঁলোকৰ ওপৰত এনে কিছু প্ৰভাৱ পেলাইছে যে যদিও তেওঁলোকৰ বেশভূষাত কোনো পৰিৱৰ্তন নাই তথাপি সাধাৰণতে তেওঁলোকক লোকসকলে চিনিব পাৰে। ইয়াৰ কাৰণ তেওঁলোকৰ আদৰ্শ আৰু চৰিত্ৰ, যাৰ দ্বাৰা তেওঁলোক আনতকৈ পৃথক দৃষ্টিগোচৰ হয়। তেওঁলোকৰ কথা অশ্লীলতা আৰু অপশব্দৰ পৰা পৱিত্ৰ হয়,

তেওঁলোকে আনৰ বাবে কষ্ট কৰা তথা ত্যাগ কৰা ভাৱনাক ক্ৰিয়াত্মক ৰূপত প্ৰদৰ্শন কৰাটো তেওঁলোকৰ ছলনা, দম্ভ, দুখ, পাষণ্ড, মিছা আদিৰ আচৰণৰ পৰা প্ৰতিটো সমাজৰ লগত সৰ্বোপৰি পৃথক কৰি দেখা হয় যদি সেই ব্যক্তিসকলে আহমদীয়তৰ আচৰণৰ বিষয়ে পৰিচিত। কিন্তু এজন আহমদীৰ লগত তেওঁৰ ব্যক্তিগত পৰিচয় নহ'লেও তেওঁক ৰেলত, সভাত বা আন স্থানত চিনিব পৰা যায়। এজন প্ৰায় অশিক্ষিত আহমদী ক'ৰবাত দৃষ্টিগোচৰ হ'লে তেওঁৰ বুদ্ধি সক্ষমতা আৰু বাৰ্তালাপৰ যোগ্যতাৰ পৰাই অসাধাৰণ প্ৰতীত হয়। হজৰত মছীহ মাওউদ (আঃ)ৰ শিক্ষাই এই সম্প্ৰদায় নিৰ্মাণত এক মহান চমৎকাৰ দেখাইছে যে এফালে আহমদীক আপোনাৰ শিক্ষা অনুসৰি সেই আশাতীত অধাৰ্মিকতা আৰু অমনোযোগিতাক তিলাঞ্জলি দি সংসাৰত দৃষ্টিগোচৰ হৈছে আৰু পৰমেশ্বৰ আৰু পয়গম্বৰৰ ফালৰ পৰা তেওঁলোকৰ পৱিত্ৰ বক্তব্যৰ প্ৰেমত নিমগ্ন হৈ পৰিছে নিজৰ অস্তিত্ব মাথোঁ এখন দাপোন বুলি ভাবি যি পয়গম্বৰৰ গুণক প্ৰতিবিম্বিত কৰাৰ বাবে নিৰ্মাণ কৰা হৈছে। তেওঁলোক দিন আৰু ৰাতি পয়গম্বৰৰ স্মৰণ, অৰ্চনা আৰু উপাসনাৰ মাজেৰে অতিবাহিত কৰে। তেওঁলোকে এই ভৌতিক জাকজমকতাৰ যুগতো নিজৰ কাৰ্যৰ ক্ষতিৰ কোনো ধৰণৰ ভ্ৰূক্ষেপ নকৰি আধ্যাত্মিক উন্নতি আৰু তেওঁৰ আৰ্শীবাদক উপলব্ধি কৰাত ব্যস্ত হৈ থাকে কিন্তু আনহাতে এই শিক্ষাৰ প্ৰভাৱত তেওঁলোক সংসাৰত মহান মেধাৱী পুৰুষৰ মাজত আছে যি কোনো কথাক তৰ্ক আৰু উক্তি অবিহনে স্বীকাৰ কৰিব নিবিচাৰে। তেওঁলোকে প্ৰতিটো কথা তথ্যৰ মাজেৰে স্বীকাৰ কৰে আৰু শুদ্ধ তথ্যক সদায় স্বীকাৰ কৰে। তেওঁলোক আধুনিক জ্ঞান-বিজ্ঞানৰ ধৰ্মৰ বিৰোধী নহয় লগতে সেৱক বুলি ভাবে। শেষত প্ৰতিটো কথাত নিজৰ সন্মান আৰু স্বাধীনতাক ৰক্ষা কৰি আহিছে। তেওঁলোকে নিজৰ ককা-দেউতাকৰ মৌখিক কথাক বিশাল নকৰে আৰু যিকোনো বিদ্যানে উল্লেখ কৰা কথাকো বিশ্বাস নকৰে। কথা অবিহনে কোনো মতামতৰ প্ৰতি অংগীকাৰ নকৰে আৰু কোনো নতুন কথাৰ সন্মুখত নিজৰ শিৰণত নকৰে প্ৰতিটো কথাক জ্ঞান আৰু বুদ্ধিৰ বৃত্তৰ পৰিধিৰ মাজত লৈ তাৰ গুণৰ পৰীক্ষা কৰে তথা প্ৰতিটো তথ্যক সেই স্থানত স্থান প্ৰদান কৰে যি তাক পৰমেশ্বৰে

প্ৰদান কৰিছে।

হজৰত মছীহ মাওউদ (আঃ)ৰ আশ্চৰ্যজনক প্ৰভাৱ তেওঁৰ জামাতৰ ওপৰত দেখা যায়। আপোনৰ জামাতৰ লোকসকল আন লোকসকলৰ তুলনাত অসাধাৰণ ভাবে আগবাঢ়ি গ'ল। ভাৰতৰ আন জনসংখ্যাৰ তুলনাত এই সম্প্ৰদায়ৰ লোকসকল অধিক শিক্ষিত; কিয়নো বিত্তহীনতাৰ কাৰণে শিক্ষা কেন্দ্ৰ আৰু বিদ্যালয়ৰ কোনো পৃথক ব্যৱস্থা নাই। বহুতো লোকে বৃদ্ধা অৱস্থাত আহি শিক্ষা গ্ৰহণ কৰিছে। নাৰীৰ শিক্ষাৰ ইমানেই প্ৰসাৰ যে কাদিয়ানৰ প্ৰায়বিলাক ঘৰতে একোখন বিদ্যালয় দেখা গৈছে। সত্তৰ-আশী বছৰ বয়সৰ বৃদ্ধজনেও পৱিত্ৰ কোৰাণৰ অনুবাদ পঢ়িছে। প্ৰতিটো বয়সৰ লোকৰ সমাগমৰ ভিতৰত নাৰীসকলো আছে— কাদিয়ানত বিভিন্ন প্ৰান্তৰ পৰা আহি এইসকল লোকে ধৰ্মীয় শিক্ষা লাভ কৰাৰ বাবে সদায় ভিৰ কৰা দেখা যায় । যদি সংসাৰত ক'ৰবাত পূব আৰু পশ্চিমৰ মিল দেখা যায় তেন্তে সেয়া কাদিয়ানতে আছে কিয়নো আন স্থানত যদি পশ্চিমীয়া শিক্ষা আছে তেন্তে তাত ধৰ্মীয় আৰু পূবৰ সংসাৰৰ সৃষ্টি লোপ হৈ পৰে। যদি ক'ৰবাত ধৰ্ম আছে তেন্তে আধুনিক নতুন জ্ঞান-বিজ্ঞানৰ উপেক্ষা কৰা হয়, যাৰ সূত্ৰ আজি-কালি পশ্চিমত দেখা যায় কিন্তু আহমদীয়া সম্প্ৰদায়ত বিশেষকৈ কাদিয়ানত যি আহমদীয়া সম্প্ৰদায়ৰ কেন্দ্ৰ আছে এই দুয়োটাকে সমানে প্ৰদান কৰা দেখা যায়। এফালে বৰ্তমানৰ নতুন শিক্ষাৰ প্ৰতি আৰু তাত উন্নতি কৰাৰ প্ৰৱল উৎসাহ আৰু আনহাতে ধৰ্মৰ প্ৰতি অটুট শ্ৰদ্ধা আৰু তেওঁৰ শিক্ষাৰ ওপৰত অটল বিশ্বাস সেই সীমাত উপনীত হৈছে যে তাৰ বাবে দেহ-মন আৰু ধন মাতৃ ভূমিৰ বলিদানকো তুচ্ছ বস্তু যেন দৃষ্টিগোচৰ হয় আৰু ধৰ্মৰ সৰু সৰু আদৰ্শক তাৰ বাস্তৱিক ৰূপত অতি সাৱধানতাৰে পূৰ্ণ কৰিছে।

আহমদী মহিলাসকলৰ অধিকাংশই সুৰক্ষা তথা নিজৰ সীমাৱদ্ধতাৰ উচিত স্বাধীনতাৰ বিশেষ ভাৱনাক পোৱা যায়; কিন্তু এইবিলাক হোৱাৰ পিছতো ধৰ্মৰ বিৰুদ্ধে কোনো কথা প্ৰকাশ নকৰে। ইয়াত ধৰ্মীয় ভ্ৰাতৃত্ববোধ আৰু সদাচাৰ আনসকলো ধৰ্মতকৈ অধিক। তেওঁলোকৰ সেই কাজিয়াবোৰ যি কিছুমান ধৰ্মীয় ৰীতি-নীতিক কেন্দ্ৰ কৰি ভাৰতৰ বিভিন্ন ধৰ্ম আৰু সম্প্ৰদায়ৰ মাজত

হৈ থাকে, ল'ৰাক ধেমালী বুলি ভাবে আৰু লোকসকলক বুজায়। তেওঁলোকে নিজৰ মছজিদত ইছলামৰ কট্টৰ শত্ৰুৰ আখ্যা দিয়াৰো সুবিধা প্ৰদান কৰে। তেওঁলোকে সিহঁতৰ কথা শুনে আৰু নিজৰ কথা সিঁহতক শুনিবলৈ দিয়ে।

এক মহান পৰিৱৰ্তন যি হজৰত মছীহ মাওউদ (আঃ)য়ে আহমদীয়া সম্প্ৰদায়ত সৃষ্টি কৰিছে সেয়া ধৰ্মক পাৰ্থিৱতাৰ ওপৰত প্ৰাধান্য দিয়া। প্ৰতিজন আহমদীয়ে ধনক পৰমেশ্বৰৰ ঋণ বুলি ভাবে। যিসকল লোকে আহমদী সম্প্ৰদায়ত দীক্ষা লাভ কৰিছে তেওঁ নিজৰ ধনৰ ষোল্ল শতাংশ মাহেকীয়া ধৰ্মীয় কাৰ্য্যত বৰঙণিৰ ৰূপত প্ৰদান কৰে। এই বৰঙণিৰ বাহিৰেও বিশেষ বৰঙণিতো ভাগ ল'ব লগাত পৰে যাক যদি একগোট কৰি দিয়া হয় তেন্তে প্ৰতিজন আহমদীয়ে যি এই সম্প্ৰদায়ত দীক্ষিত হৈ পৰিছে নিজৰ নিজৰ শ্ৰদ্ধা অনুসৰি নিজৰ উপাৰ্জনৰ তৃতীয়ভাগৰ পৰা কেন্দ্ৰ কৰি দহ শতাংশলৈকে বৰঙণি দিয়ে। তেওঁলোকৰ এই ত্যাগ আন লোকৰ দৃষ্টিত এনে অদ্ভুত যে কিছু লোকৰ এই চিন্তা হৈ পৰে যে এই সম্প্ৰদায় অতি ধনৱন্ত সম্প্ৰদায় হয়। বহুতো লোকে ভাবে এই সম্প্ৰদায়ক চৰকাৰে বৰঙণি দি সহায় কৰে। কিন্তু তথ্য এয়া যে এই সম্প্ৰদায়ে চৰকাৰৰ পৰা কোনো সহায় লাভ নকৰে আৰু চৰকাৰে সহায় কৰিবও নোৱাৰে আৰু আমাৰ জামাত অতি দুখীয়া ভাৰতত আমাৰ জামাত তুলনাত অধিক দুখীয়া কোনো সম্প্ৰদায় নাই কিন্তু আমাৰ মাজৰ প্ৰতিজনে নিজৰ প্ৰয়োজনতাক বলিদান দি সংসাৰক ধৰ্মীয়, চৰিত্ৰগত আৰু শৈক্ষিক সম্পৰ্কীয় প্ৰয়োজনতাক পূৰণ আৰু সংস্কাৰৰ বাবে ইমান চিন্তা কৰে যে আন জাতিৰ মাজত ইয়াত অধিক দহ গুণ উপাৰ্জন থকা সকলেও ইমান টকা মানৱ জাতিৰ সহানুভূতি আৰু কল্যাণত ব্যয় কৰা নাই। এই ত্যাগত আহমদী নাৰীসকল পুৰুষতকৈ কম নহয় যি বেশভূষা আৰু কাপোৰৰ কাৰণে নহয় লগতে পৰমেশ্বৰৰ কাৰণে জীয়াই থাকে। সেয়ে যোৱা বছৰত মই জাৰ্মানিত মছজিদ নিৰ্মাণ কৰাৰ বাবে ঘোষণা কৰিছিলোঁ আৰু ইয়াৰ বাবে কেৱল নাৰীসকলৰ পৰা বৰঙণি বিচৰা হ'ল। মই দেখিবলৈ পালো বিশ গৰাকী মহিলাই নিজৰ গহণাক আৰু কাপোৰক বিক্ৰী কৰি ধন একগোট কৰিছিল তথা যিমান ধন একগোট কৰিবলৈ কোৱা হৈছিল তাতকৈ দুগুণ অধিক ধনৰ বৰঙণি

একগোট কৰিলে।

সেয়ে আহমদী সম্প্ৰদায়ৰ প্ৰভাৱ ইয়াৰ অনুগামীসকলৰ ওপৰত ইমান গভীৰ যে তাক দেখি আচৰিত হ'ব লগা হয়। এই তথ্যক আহমদী সম্প্ৰদায়ৰ ঘোৰ বিৰোধীয়েও স্বীকাৰ কৰে কিন্তু তেওঁলোকে এই মহান কৃতিত্বক পৰ্দাৰ পিছত লুকুৱাবলৈ আৰু গোপন কৰিবলৈ যত্ন কৰে যে এই সকলোবোৰ আড়ম্বৰ আৰু মিছা আৰু মানুহক প্ৰতাৰণা কৰাৰ বাবে। কিন্তু এই আড়ম্বৰ আৰু প্ৰবঞ্চ কিমান মহত্বপূৰ্ণ যে যি ৰোগীক সুস্থ কৰি দিয়ে আৰু মৃতকক জীৱিত; সম্ভৱত সংসাৰৰ চুকে-কোণে এয়া দৃষ্টিগোচৰ হ'ল হয়।

আহমদীয়া সম্প্ৰদায়ৰ যি প্ৰভাৱ তেওঁলোকৰ অনুগামীসকলৰ ওপৰত আছে সেয়া সংক্ষেপত বৰ্ণনা কৰাৰ পিছত মই নিজৰ বিশ্লেষণক সমাপ্ত কৰিছোঁ আৰু সকলো ভাতৃ আৰু ভগ্নীক সম্বোধন কৰি উল্লেখ কৰো যে —

হে ভাই আৰু ভনীসকল ! পৰমেশ্বৰে আমাক এই কাৰণে জন্ম দিছে যে আমি তেওঁৰ প্ৰতাপক নিজৰ জৰিয়তে প্ৰদৰ্শন কৰি আৰু তাৰ গুণক নিজৰ মাজত উৎপন্ন কৰোঁ। যেতিয়ালৈকে আমি এই লক্ষ্যক পূৰ্ণ নকৰো আমি কেতিয়াওঁ সফল বুলি ক'ব নোৱাৰো। আমাৰ সামাজিক উন্নতি কি? এটা বিন্দুতকৈ অধিক কোনো মহত্ব নাই এই সকলো ধৰণৰ উন্নতি আমাৰ কি অৰ্থত যদি আমি পৰমেশ্বৰক নিজৰ প্ৰতি অপ্ৰসন্ন কৰি পেলাওঁ? তথা শ্বাশ্বত বিকাশৰ পথ নিজৰ বাবে বন্ধ কৰি দিওঁ। যদি আমি সংসাৰৰ সকলোতকৈ মহান আৱিষ্কাৰকো হওঁ; কিন্তু সেই জ্ঞানৰ প্ৰতি কিয় গুৰুত্ব দিয়া নাই যাৰ দ্বাৰা আমি চিৰ জীৱনত অলৌকিক প্ৰকাশ প্ৰাপ্ত হ'বলৈ পাৰো তেন্তে আমাৰ অৱস্থা সেই শিক্ষাৰ্থীৰ সমান যি গোটেই দিনটো খেলি থাকে আৰু ইয়াতে আনন্দিত হৈ পৰে যে তেওঁলোকে প্ৰতিদ্বন্দ্বিতাত নিজৰ বিৰোধীক পৰাজিত কৰি দিলে; কিন্তু তেওঁলোকে তাৰ প্ৰতিদ্বন্দ্বিতাৰ কথা চিন্তা নকৰে যি তেওঁলোকৰ গোটেই জীৱনটো শুধৰাবলৈ আছে। জীৱন সেয়া যি সমাপ্ত নহয় আৰু সুখ-সন্তোষ সেয়াহে যি নাইকিয়া হৈ নপৰে। জ্ঞান সেয়াহে যি সদায় বাঢ়ি থাকে। সেয়ে সদায় থাকিব লগা অবিনশ্বৰ জীৱন, অনশ্বৰ সুখ-সন্তোষ তথা বাস্তৱিক জ্ঞানৰ দিশে গুৰুত্ব দিয়ক যাতে দুয়ো জগতত সুখ পাব

পাৰোঁ আৰু সেইদৰে পৰমেশ্বৰক প্ৰসন্ন কৰো যিদৰে সংসাৰৰ লোকসকলক প্ৰসন্ন কৰিব বিচাৰো।

হে ভাতৃ বৰ্গ আৰু ভনী ! পৰমেশ্বৰে তোমালোকৰ কষ্ট আৰু তোমালোকৰ বিফলতাক দেখি নিজেই তোমালোকৰ প্ৰতি নিজৰ অনুকম্পাৰ দুৱাৰ মুকলি কৰি দিছে আৰু নিজেই আহি তোমালোকক মাতিছে। সেয়ে তেওঁৰ এই উপকাৰক আৰু তেওঁৰ এই প্ৰেমক আদৰণি জনোৱা তথা তেওঁৰ পুৰস্কাৰক অৱজ্ঞা নকৰিবা আৰু তেওঁৰ উপকাৰক তুচ্ছ বুলি ভাবি উপেক্ষা নকৰিবা, কিয়নো তেওঁ সৃষ্টিকৰ্তা হয় আৰু মালিক হয় তথা তেওঁৰ সন্মুখত কোনো গৌৰৱ কৰা গৌৰৱৰ অৰ্থ নাই। সেয়ে আগবাঢ়ি যোৱা আৰু তেওঁৰ কৃপাৰ দুৱাৰত প্ৰৱেশ কৰা যাতে তেওঁৰ কৃপা আৰু তেওঁৰ অনুকম্পাই তোমাক নিজৰ কোলাত তুলি ধৰে তথা কৃপাৰ চাদৰখনৰ মাজত তোমাক মেৰিয়াই ধৰে।

হে ইংলেণ্ডৰ নিৱাসীসকল ! পৰমেশ্বৰে তোমাক সংসাৰত প্ৰতিষ্ঠা কৰিছে কিন্তু সেই প্ৰতিষ্ঠাৰ লগত তোমালোকৰ উত্তৰদায়িত্বও বৃদ্ধি হৈছে কিয়নো প্ৰতিটো যি অধিক উপকাৰৰ মাজত আছে তাত অধিক উত্তৰ দায়িত্ব থাকে। পৰমেশ্বৰে তোমাক এশ বছৰে সাগৰৰ অধিকাৰী বনালে। তোমালোকৰ দেশক সাগৰৰ ৰাণী বুলি কোৱা হয়। কিন্তু কি তোমালোকে কেতিয়াবা সেই সম্ৰাটৰ দিশে ধ্যান দিছা নে যি সমগ্ৰ প্ৰতিষ্ঠাৰ মূল আৰু যাৰ কৃপা দৃষ্টিয়ে তোমালোকক সেই স্থানত উপনীত কৰিলে, তোমালোকে কেতিয়াবা আধ্যাত্মিক জ্ঞানৰ সমুদ্ৰক বিচাৰিছা নে ? যি সেই ব্যক্তিৰ হৃদয়ক জোকাৰি তোলে যি তাক বিচাৰে। হায় তুমি উত্তৰলৈকো গৈছা আৰু দক্ষিণলৈও গৈছা। তোমালোকে পৃথিৱীত প্ৰতিটোপাল পানীতো জুমি চাইছা আৰু সকলো গভীৰতাক সন্ধান কৰিছা কিন্তু পৰিতাপৰ বিষয় যে আজিলৈকে আধ্যাত্মিক জ্ঞান সাগৰৰ গভীৰতাক অৱগত হোৱাৰ বাবে কেতিয়াওঁ চেষ্টা কৰা নাই আৰু কেতিয়াওঁ অভিযান আৰম্ভ কৰা নাই।

তোমালোকে দ্বীপৰ সন্ধানত তথা সৰু-ডাঙৰ স্থানৰ সন্ধানত পৃথিৱীৰ চুকে-কোণে চলা-ফুৰা কৰিলা। তোমালোকৰ দলে প্ৰতিটো দিশক অৱগাহন

কৰিলে কিন্তু তোমালোকে কেতিয়াবা প্ৰেমিকৰ সন্ধানত ওলাই যোৱা নাই যি সেইবিলাক দ্বীপত আৰু স্থলত ক্ষুদ্ৰতৰক জন্ম দিছে আৰু সৃষ্টি কৰিছে। কি এইসকল বুদ্ধিয়ক হয় যে গছৰ পৰা তলসৰা বগৰী একগোট কৰা হওঁক আৰু লাগি থকা ফলবোৰ এৰি দিয়া হওঁক?

হে ভাইসকল! মই তোমালোকক শুভবাৰ্তা দিছোঁ যে পৰমেশ্বৰৰ অনুকম্পাক আজিও সেইদৰে প্ৰৱল বেগত আহিছে যিদৰে আজিৰ পৰা শ শ বছৰ আগতে আহিছিল। যিদৰে পয়গম্বৰ ইছলাম হজৰত মহম্মদ (ছাঃ)ৰ যুগত যিটো বেগত আহিছিল, হজৰত ঈছা মছীহৰ যুগত যিটো বেগত আহিছিল, হজৰত দাউদৰ যুগত যিটো বেগত আহিছিল, হজৰত মুছা নৱীৰ যুগত যিটো বেগত আহিছিল, হজৰত ইব্ৰাহিমৰ সময়ত যিটো বেগত আহিছিল, হজৰত নুহৰ সময়ত যিটো বেগত আহিছিল আৰু তাৰ সূক্ষ্ম জ্ঞানক সূৰ্য যিদৰে আজি উদয় হৈছে সেইদৰে প্ৰথম নৱীসকলৰ, পয়গম্বৰসকলৰ আৰু অৱতাৰসকলৰ যুগতো উদয় হৈছিল।

সেয়ে বাহিৰলৈ আঁহা আৰু কোঠাৰ অৱৰুদ্ধ বায়ুৰ স্থানত আধ্যাত্মিক জগতৰ বিশাল প্ৰাংগণত পৰমেশ্বৰৰ কৃপা শীতলমন্‌জ সুগন্ধিত বায়ুক সেৱন কৰক তথা তাৰ সূক্ষ্ম জ্ঞানৰ সূৰ্যৰ মনমোহক ৰশ্মি আৰু তাৰ জ্যোতিৰে নিজৰ চকুক জ্যোতিময় কৰা কিয়নো এনে দিন সদায় নাহে।

মই তোমালোকক নহয় লগতে সমস্ত সেই জাতিকো যি ইংৰাজ সাম্ৰাজ্যৰ ছত্ৰছায়াত সুখ আৰু শান্তিময় জীৱন অতিবাহিত কৰি আছে কৈছো যে চোৱা পৰমেশ্বৰে নিজৰ বদান্যতাৰ হাত তোমালোকৰ ওপৰত থৈছে। তোমালোকে সন্মানেৰে তেওঁৰ ওচৰত আঠু লোৱা।

মই 'ব্লেজ'ৰ লোকসকলক কৈছো যে হে 'ব্লেজ' তুমি নিজৰ কঠিন পৰিশ্ৰমত চকু দিয়া যে তোমাৰ পৰিশ্ৰমৰ কিমান ভাগ পৰমেশ্বৰৰ বাবে? আৰু আছে স্কটলেণ্ড তোমালোকে স্বাধীন জীৱনত গৌৰৱ কৰিছা। কিয় তোমালোক পৰমেশ্বৰৰ কথাক বুজিবলৈ আৰু স্বীকাৰ কৰিবলৈ তেনে হোৱা স্বছন্দতা প্ৰদৰ্শন কৰিছা নে যিদৰে আন কথাত?

লগতে আয়াৰলেণ্ডৰ নিৱাসীসকল তোমালোকৰ ৰাষ্ট্ৰ প্ৰেম আৰু

ৰাষ্ট্ৰীয় ভাৱনা সংসাৰৰ সন্মুখত এক আদৰ্শ হয়; কিন্তু কিয় তোমালোকে এই প্ৰেমৰ কিছু অংশ পৰমেশ্বৰৰ বাবে ৰাজি কৰিছা নে? তেওঁ লাভ কৰা বাবে জানো তেনে উৎকণ্ঠা আছে যিদৰে নিজৰ দেশৰ চৰকাৰৰ প্ৰতি।

হে উপনিৱেশৰ লোকসকল! তোমালোক উপনিৱেশ স্থাপন কৰাত দক্ষ তথা নতুন ভূমিত সুখী জনবহুলতা কৰা; কিন্তু এতিয়ালৈকে তোমালোকে সেই অলৌকিক আধ্যাত্মিকতাৰ দ্বীপক যি জ্ঞান সমুদ্ৰৰ পৰা নিগ্ৰত তাক অধিগ্ৰহণ কৰাৰ কিবা আগ্ৰহ প্ৰদৰ্শন কৰিছা নে?

মই পুনৰ কৈছো চোৱা পৰমেশ্বৰে নিজৰ বদান্যতাৰ হাচ তোমাৰ মূৰৰ ওপৰত থৈছে? সেয়ে সন্মানেৰে আঠু তেওঁৰ ওপৰত লোৱা কিয়নো তেওঁ সম্ৰাটৰো সম্ৰাট। নিজৰ শিৰক তেওঁৰ ওচৰত তল কৰা যাতে তেওঁ সেইদৰে সেই ধৰ্মক কল্যাণেৰে সমৃদ্ধ কৰে যেনেকৈ সমগ্ৰ পৃথিৱীক কল্যাণেৰে সমৃদ্ধ কৰিছে।

পৰমেশ্বৰৰ অনুগ্ৰহ সীমিত নহয়। তেওঁ প্ৰতিখন ৰাষ্ট্ৰ আৰু প্ৰতিটো জাতিৰ পৰমেশ্বৰ হয়। তেওঁৰ প্ৰকৃত উপাসকে আকৃতি আৰু সীমাৱদ্ধতাৰ মাজত আৱদ্ধ হ'বলৈ নিবিচাৰে। তেওঁলোকে সন্দেহহীন ভাবে নিজৰ দেশ আৰু জাতিৰ হিতৈষী হয়, কিন্তু দেশ আৰু জাতিৰ সীমাতকৈ বহু উচ্চত থাকে। সেই ব্যক্তি এই ভৌতিক সীমাৰ পৰা বহু উচ্চত বাস কৰে। তেওঁ সমগ্ৰ মানৱ জাতিৰ হিতৈষী হয় আৰু সমগ্ৰ মানৱ সমাজৰ প্ৰতি ভ্ৰাতৃভাৱৰ আদৰ্শ দাঙি ধৰে, যি সমস্ত ব্ৰহ্মাণ্ডৰ গৰাকী আৰু পালনকৰ্তা পৰমেশ্বৰৰ সৃষ্টি হোৱাৰ কাৰণে তাত পোৱা যায়। তেওঁৰ বাবে ক'লা আৰু বগা, পশ্চিমীয়া আৰু পূব, নিজৰ আৰু আনৰ তেওঁ দৃষ্টিত মানৱ হোৱাৰ কাৰণে সমান হয়। তেওঁৰ হৃদয়ত প্ৰত্যেকৰে ভাল আৰু প্ৰত্যেকৰে প্ৰেমে অনুৰাগ সৃষ্টি কৰে। তেওঁ প্ৰকৃততে বিশ্বৰ কৰ্মৰ প্ৰকৃত স্বৰূপ হয়।

পুনৰ মই এই নিমন্ত্ৰণক কোনো বিশেষ জাতিলৈকে সীমিত নাৰাখোঁ, কোনো বিশেষ ৰাষ্ট্ৰৰ মাজতো সীমিত নাৰাখোঁ লগতে সমগ্ৰ সংসাৰৰ লোকসকলৰ মাজত সেই পৰমেশ্বৰৰ সংবাদৰ দিশে আমন্ত্ৰণ কৰিছোঁ যিজনে নিজৰ বিভাজনত কোনো জাতিৰ প্ৰতি কৃপনতা প্ৰকাশ কৰা নাই। যিজনে

নিজৰ কৃপাৰ দুৱাৰ প্ৰতিখন ৰাষ্ট্ৰৰ বাবে সমানে মুকলি কৰি থৈছে।

মই উচ্চ স্বৰত কৈছোঁ যে আমেৰিকা আৰু ইউৰোপৰ নিৱাসীসকল! হে অষ্ট্ৰেলিয়াৰ আৰু আফ্ৰিকাৰ লোকসকল, হে এছিয়াৰ লোকসকল! আলস্য আৰু নিদ্ৰাক ত্যাগ কৰা আৰু চকু মেলি দিয়া। পৰমেশ্বৰৰ প্ৰেমৰ সূৰ্য কাদিয়ানৰ পৱিত্ৰ ভূমিত যাক প্ৰথমতে কোনোৱে জনা নাছিল— তাৰ পৰা উদয় হৈছে যাতে প্ৰত্যেকক অজৰ আৰু অমৰ আৰু অনন্ত পৰমেশ্বৰৰ প্ৰেমক মনত পেলাই দিয়ে যি তেওঁৰ পৰা, নিজৰ ভক্তৰ পৰা যাতে সন্দেহবাদৰ অন্ধকাৰ সমাপ্ত হৈ পৰে তথা উপেক্ষা আৰু আলস্য সদায়ৰ কাৰণে আঁতৰ হৈ পৰে লগতে ভ্ৰষ্টাচাৰ, অনাচাৰ, অত্যাচাৰ, ৰক্তপাত, কাজিয়া আৰু প্ৰতিটো প্ৰকাৰৰ কু-কৰ্মৰ দুষ্কৃতিকাৰী আৰু ছলনাকাৰী যি মানৱৰ শুদ্ধ আত্মীয়তা,শ্ৰদ্ধা আৰু বিশ্বাসক আৰু শান্তিৰ ধনক প্ৰতিটো ক্ষণতে লুণ্ঠন কৰাৰ বাবে বহি থাকে, সেয়া পলাই যায় তথা অন্ধকাৰ গহ্বৰত সোমাই যায় য'ত সিহঁতৰ প্ৰকৃত স্থান; আৰু যাতে পৱিত্ৰ হৃদয় আৰু পৱিত্ৰ আত্মাগৰাকী সৎজন পুৰুষ যি সংসাৰত ফিৰিস্তা (দেৱদূত)ৰ ৰূপত তেওঁৰ প্ৰকাশৰ সহায়ক হিচাপে সেই সাপৰ ফেটক গচকি পেলাই যি 'হাৱা' আৰু 'আদম'ক দংশন কৰিছিল আৰু চয়তানৰ বৰ্ণময় কুকাৱাজক ভাঙি পেলায় তথা তাৰ ঘাতক প্ৰভাৱৰ পৰা সংসাৰক সদায়ৰ কাৰণে সুৰক্ষিত ৰাখে।

হয়, হে পূব আৰু পশ্চিম ভূমিৰ নিৱাসীসকল সকলো প্ৰসন্ন হৈ পৰক আৰু উদাসীনতাক হৃদয়ৰ পৰা বাহিৰ কৰি দিয়া, কিয়নো এতিয়া সেই দৰা যাৰ প্ৰতীক্ষা তোমালোকে কৰি আছিলা তেওঁ আহিল। আজি তোমাৰ বাবে শোক আৰু চিন্তা কৰাটো উচিত নহয়, আজি তোমাৰ বাবে দুখ আৰু ক্ষোভ প্ৰকাশ কৰাৰ বাবে সুবিধা নাই লগতে প্ৰসন্নতা আৰু আনন্দ উপভোগ কৰাৰ সময় হয়। নিৰাশাৰ সময় নহয় লগতে আশাৰ আৰু উচ্চ কামনাৰে আগুৰি ধৰিছে। সেয়ে পৱিত্ৰতাৰ শৃংগাৰৰ পৰা নিজকে নিজেই সজাই তোলা পৱিত্ৰ তথা মহান অলংকাৰে নিজকে নিজেই অলংকৃত কৰা কিয়নো তোমাৰ চিৰ আকাঙ্খা পূৰ্ণ হৈছে তথা তোমালোকৰ শতাব্দীৰ কামনা পূৰণ হ'ল। তোমালোকৰ পালনকৰ্তা পৰমেশ্বৰ নিজেই তোমালোকৰ ঘৰলৈ আহিছে

আৰু তোমালোকৰ গৰাকী নিজেই তোমালোকৰ আনন্দ আৰু অনুমতিৰ অভিলাসী হৈছে। আঁহা আঁহা আমি আমাৰ সৰু ল'ৰাৰ দৰে কাজিয়াক পাহৰি তেওঁৰ দ্বাৰা প্ৰেৰিত অৱতাৰৰ পতাকাৰ তলত একগোট হৈ পৰোঁ তথা তেওঁৰ পৱিত্ৰতা আৰু প্ৰশংসাৰ গান গাই কীৰ্তন কৰো আৰু মংগল গীত গাই তথা সেই আচলক এনে দৃঢ়তাৰে ধৰি লওঁক যে পুনৰ সেই অনুপম প্ৰেমিক আমাৰ পৰা কেতিয়াও পৃথক নহওঁক। হে পৰমাত্মা তুমি এনে কৰা,

وَاٰخِرُ دَعْوَانَا عَنِ الْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ۝

অৰ্থাৎ ঃ আমাৰ শেষ আহ্বান এয়া যে সত্য, সম্পূৰ্ণ তথা স্থায়ী প্ৰশংসা পৰমেশ্বৰৰ বাবে যি সমগ্ৰ ব্ৰহ্মাণ্ডৰ সৃষ্টিকৰ্তা তথা সকলো প্ৰকাৰৰ পালন-পোষণ কৰোঁতা হয়।

**সমাপ্ত**